# কটনিয়ন

৮৫ সংখ্যক প্ৰকাশ/২০১০-১১

# COTTONIAN

সম্পাদক

**জুৰি বৰুৱা**

কটনিয়ান ঃ কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ

কটন কলেজ একতা সভা, কটন কলেজ, গুৱাহাটী- ১ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত
**COTTONIAN** : The Annual Journal of Cotton College, published by Cotton College Union Society, Cotton College, Guwahati-1

## সম্পাদনা সমিতি

তত্ত্বাৱধায়ক ঃ ড° মহেশ্বৰ কলিতা

উপদেষ্টা ঃ ড° প্ৰশান্ত কুমাৰ বৰদলৈ, অধ্যক্ষ

শিক্ষক সদস্য ঃ ড° দিলীপ কুমাৰ শৰ্মা
সুৰেশ কুমাৰ নাথ
ড° মেৰী বৰুৱা
দিলীপ গগৈ

সম্পাদক ঃ জুবি বৰুৱা

ছাত্ৰ সদস্য ঃ ডেইজী বৰ্মন
নীলাক্ষি বৈশ্য
ভায়লেট হাজৰিকা
জিতু কলিতা
বাপুকণ শইকীয়া
প্লাৱিতা চৌধুৰী

বেটুপাত ঃ দেবাশীষ হাজৰিকা
পাৰ্থপ্ৰতীম হাজৰিকা

অলংকৰণ ঃ চন্দনা পাঠক

অক্ষৰ বিন্যাস ঃ জ্ঞানম, ৰাজগড় ৰোড, গুৱাহাটী-৩

মুদ্ৰণ ঃ ভবানী অফছেট এণ্ড ইমেজিং চিচটেম প্ৰাঃ লিঃ



### বেটুপাতৰ অৰ্থ

শোষণ দমনৰ আখৰা ভেদি
মাটি আৰু মানুহৰ স্পন্দনেৰে
সময়ে উৰুৱাই মুক্তিৰ নিচান



# উচ্ছৰ্গা

তেজ, ঘাম আৰু চকুলোৰ বালিচৰতো
সপোন দেখিবলৈ নাপাহৰা
পৰিৱৰ্তনকামী জনগণৰ হাতত...

# কৃতজ্ঞতা

উদয়াদিত্য ভৰালী, দিলীপ বৰুৱা, ড° সীতানাথ লহকৰ, ড° মহেশ্বৰ কলিতা, ড° ভবেন চন্দ্ৰ কলিতা, মঞ্জু দেৱী পেগু, ধ্ৰুৱজ্যোতি দাস, দিলীপ ৰাজবংশী, সুৰেশ কুমাৰ নাথ, ড° মেৰী বৰুৱা, ড° গৰিমা কলিতা, ড° কুসুম কুঞ্জ মালাকাৰ।

অৰুণ শৰ্মা, অজিত কুমাৰ ভূঞা, মিণ্টু বৰুৱা, অতনু ভট্টাচাৰ্য, ৰবেন্দ্ৰ কুমাৰ দাস।

মনজিৎ ৰাজখোৱা, চন্দনা পাঠক, অজিত নাথ, প্ৰমোদ শৰ্মা।

# কটনিয়ানৰ ভিতৰচ'ৰাত


✦ সম্পাদকীয় ১

## ড° ভূপেন হাজৰিকা শ্ৰদ্ধাঞ্জলি চ'ৰা

*প্ৰবন্ধ*

✦ গণশিল্পী ভূপেন হাজৰিকাৰ গীতত প্ৰগতিবাদ —*দিলীপ ৰাজবংশী* ১১
✦ গণতান্ত্ৰিক ব্যৱস্থাৰ শ্ৰেষ্ঠতা আৰু ইতিহাস— *উদয়াদিত্য ভৰালী* ১৫
✦ কটনিয়ানৰ ৰাজনীতি সুদীৰ্ঘ পথ পৰিক্ৰমাৰ এছোৱা— *অৰূপ কলিতা* ২২
✦ ড° ভূপেন হাজৰিকা আৰু ড° মামণি ৰয়ছম গোস্বামী অসমীয়া সমাজ-সংস্কৃতিৰ কাৰিকৰ — *ড° মহেশ্বৰ কলিতা* ২৭
✦ SLPEs in Assam the present status– *Dilip Kumar Barua* ৩০
✦ Big dam and its impact on biodiversity– *Sanchari Bhattacharyya* ৩২

*গল্প*

✦ আন্ধাৰত নিজৰ মুখ— *ড° যমুনা শৰ্মা চৌধুৰী* ৩৪
✦ এক— *ভায়'লেট হাজৰিকা* ৩৯
✦ একৰ এক গ'ল— *জুৰি বৰুৱা* ৪১
✦ First encounter with reality– *Sukanya Goswami* ৪৫

*কবিতা* ৪৭-৫১

✦ *লুট্‌ফা হানুম ছেলিমা বেগম, হিমালয় বৰা, অৰিন্দম ডেকা, দীপ্তিৰাণী দেউৰী, দেবানন দাস জেৰিণা আৰা আহমেদা, Pooja Bhuyan, ফ্ৰেন্সী বড়ো, Kaushik Dowarah*

✦ নাট্যকাৰ-সাহিত্যিক অৰুণ শৰ্মাৰ সৈতে কথা-বতৰা ৫২
✦ ৩ এপ্ৰিল, ২০১১ চন— *ৰবেন্দ্ৰ কুমাৰ দাস* ৫৪

## মামণি ৰয়চম গোস্বামী শ্ৰদ্ধাঞ্জলি চ'ৰা

*প্ৰবন্ধ*

✦ মামণি ৰয়ছম এক সুগন্ধি স্মৃতি— *মঞ্জু দেৱী পেগু* ৫৯
✦ নাটক, ৰাজনীতি আৰু উত্তৰ আধুনিক দৰ্শন— *ড° সীতানাথ লহকৰ* ৬৩
✦ বিপ্লৱবাদ আৰু ভাৰতৰ স্বাধীনতা আন্দোলন— *মনোৰঞ্জন দত্ত* ৬৮
✦ অসমৰ ভূমি নীতিএক পৰ্যালোচনা— *বাপুকণ শইকীয়া* ৭৩
✦ Dwindling wetland Resources of Assam– *Dr. Pradip Sharma* ৭৫
✦ Theoretical Analysis of Mamoni Raisom Goswami's Novels– *Daisy Barman* ৭৮
✦ Law and Society– *Susmita Sarma* ৮০

*গল্প*

✦ উত্তৰাকাণ্ড— *নাজমা মুখাৰ্জী* ৮২
✦ প্ৰাপ্তি—*আকাংক্ষা কলিতা* ৮৭
✦ Life's Cyanide–*Saswati Das* ৯০

*কবিতা* ৯২-৯৫

✦ *ৰিংকু বেজবৰুৱা, জিতু কলিতা, ভাস্বতী দাস, কমল লোচন ডেকা, Prerona Mishra, Jayashree Mazumder*

- অজিত কুমাৰ ভূঞাৰ সৈতে কথা-বতৰা ৯৬
- যেতিয়া আপুনি প্ৰিয়গ্ৰন্থৰ কথা কয়— *অতনু ভট্টাচাৰ্য* ৯৯
- ডাইনী— অনুবাদ ঃ *সোণালী বড়ো* ১০২
- মত অমত ১০৪


## সৌৰভ কুমাৰ চলিহা শ্ৰদ্ধাঞ্জলি চ'ৰা

### *প্ৰবন্ধ*


- 'অশান্ত ইলেক্ট্ৰন' আৰু কেইটামান গল্প — *আৰোহণ কৌশিক ডেকা* ১০৯
- ফণীধৰ দত্ত আৰু কটন কলেজ— *ড° দিলীপ কুমাৰ দত্ত* ১১৩
- সাঁচিপাতৰ পুথি ঃ এক অৱলোকন— *দেৱজিৎ কলিতা* ১১৯
- সূৰুযমুখীৰ স্বপ্ন ঃ এখন পূৰ্ণ উপন্যাস— *প্ৰেৰণা তালুকদাৰ* ১২১
- অসমীয়া কথাছবি এক চমু বিশ্লেষণ— *নীলাক্ষি বৈশ্য* ১২৪
- Saurav Kumar Chaliha An Unusual Storyteller, A suave Modernist– *Dr. Garima Kalita* ১২৬
- The Poetry of Bezbarua and Chandrakumar Voices of the Time– *Dhrubajyoti Das* ১২৯
- Witch-Hunting A Sad Reality– *Dr. Phunu Das* ১৩৩


### *গল্প*


- সুভদ্ৰা জেঠী সংবাদ— *নাৰায়ণ তালুকদাৰ* ১৩৫
- সৰু খবৰ— *নৱনীতা দত্ত* ১৩৮
- A Rank's Worth – *Ankita Amitabh Baruah* ১৪০


### *কবিতা* ১৪৩-১৪৫


- *জিতু বড়ো, বিংকু ডেকা, Priyakshi Das, ধনজিৎ দাস*

- জলপৰী মিথু বৰুৱাৰ সৈতে কথা-বতৰা ১৪৬
- উপলব্ধি *(একাংকিকা নাটক)* — *ত্ৰিবেদী চুতীয়া* ১৪৮
- প্ৰাচীৰৰ পৰা হাজাৰটা পৃষ্ঠালৈ ১৫৩

- ছাত্ৰ প্ৰতিনিধিসকলৰ প্ৰতিবেদন ১৫৯-১৬২



সম্পাদকীয়

# সময় সলনি হ'ব আৰম্ভ হৈছে নতুন যুদ্ধ

*'গোপন কৰি ৰখা প্ৰত্যেকটো কথাই সমাজখনক ভিতৰি পচাই পেলায়।'*

— লৰ্ড আষ্টিন।

গণতন্ত্ৰত দুৰ্নীতি আৰু পুঁজিবাদৰ অভ্যুত্থানে সমগ্ৰ ভাৰতবৰ্ষকে এক জটিল প্ৰেক্ষাপটৰ কাঠগৰাত থিয় কৰাইছে। দেশৰ অৱস্থা দিনকদিনে চকুৰ সমুখতে অধঃপতনৰ দিশে আগবাঢ়িছে। মুঠৰ ওপৰত আলোচনা, সমালোচনা আৰু আহিবলগীয়া দিনৰ এটা থূলমূল ধাৰণা গঢ়ি আমি ব্যস্ত আছো দৈনন্দিনতাৰ মাজত। কথাষাৰে গাত ডাকিলেও ই যে সঁচা তাত কোনো সন্দেহ নাই। ভাৰতীয় গণতন্ত্ৰৰ এই চৰম দুদৰ্শাৰ দিনত মনত পৰিছে পিয়েৰ প্ৰুধোঁই উল্লেখ কৰা সেই কথাষাৰলৈ — 'সাৰ্বজনীন ভোটাধিকাৰৰ অৰ্থই হ'ল বিপ্লৱ'।

আৰু গণতন্ত্ৰৰ অৰ্থ?

বুদ্ধিজীৱীসকলৰ মতে, গণতন্ত্ৰৰ অৰ্থ হ'ল সংখ্যাগৰিষ্ঠৰ শাসনাধিকাৰ। কিন্তু সেই সংখ্যাগৰিষ্ঠ হ'ব লাগিব অৰ্থনৈতিক মুক্তিৰ হকে থিয় দিব পৰা পৰিৱৰ্তনমুখী শাসকৰ প্ৰতিনিধিস্বৰূপ। মৌলিক প্ৰয়োজন তিনিটাৰ মূলতে কিমানৰ জন্ম আৰু মৃত্যু তাৰ হিচাপ কোনে ল'ব! শাসন ব্যৱস্থাৰ মূল পৰিচালকসকলক বাচি লোৱাৰ অধিকাৰ সেয়ে হোৱা উচিত শোষিত আৰু দৰিদ্ৰ জনগণৰ দ্বাৰা নিৰ্বাচিত এনে এক শক্তিশালী ব্যৱস্থা যি অৰ্থনৈতিক শোষণৰ দুৱাৰ খুলি এক সমৃদ্ধ আৰু মূলতঃ স্বাধীন জীৱনৰ বাট দেখুৱাব পাৰে। কিন্তু স্বাধীনতাৰ পয়ষষ্ঠি বছৰৰ পিছতো ভাৰতবৰ্ষৰ গণতন্ত্ৰই প্ৰতিফলিত কৰা ছবিখনে প্ৰতিনিধিত্ব কৰে ধনীৰ ঊৰ্দ্ধগামী আৰু দুখীয়াৰ নিম্নগামী শতাংশকহে। এই ছবিয়ে নিষ্ক্ৰিয় কৰি পেলায় সাৰ্বজনীন ভোটাধিকাৰৰ অৰ্থ।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুঠ জনসংখ্যা আৰু ভাৰতবৰ্ষৰ দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা জনসংখ্যা প্ৰায় সমান—৩৫ কোটি। সেয়ে ক'ব পাৰি সংখ্যা গৰিষ্ঠ দৰিদ্ৰ আৰু শোষিত জনগণৰ ইচ্ছা আকাংক্ষাক প্ৰতিনিধিত্ব কৰাত সাৰ্বজনীন ভোটাধিকাৰ মূলতঃ ব্যৰ্থ হৈছে। সমাজৰ গৰিষ্ঠ দুৰ্বল শ্ৰেণীটোৰ ব্যৰ্থতা, অজ্ঞতা, নিৰক্ষৰতা আৰু তাৰ পৰিণামস্বৰূপে ৰাজনৈতিক চেতনাহীনতাই সাৰ্বজনীন ভোটাধিকাৰক সূতা, কম্বল, আঁঠুৱাৰ বন্ধনলৈ সংকুচিত কৰি পেলাইছে। সামাজিক বিপ্লৱ হৈ পৰিছে কেৱল কিতাপৰ পৃষ্ঠাত ৰৈ যোৱা শব্দ।

'কেৱল দুটা শক্তিহে আচলতে থাকে, এটা পুঁজিপতিৰ একনায়কত্ববাদ আৰু আনটো সৰ্বহাৰাৰ একনায়কত্ব। মাজৰ বাটেদি ৰাষ্ট্ৰ হ'ব নোৱাৰে। ই অসম্ভৱ।'

তাৰ মাজত আন্না হাজাৰেৰ আন্দোলনে প্ৰকৃত গতিশীলতা লাভ কৰিলেনে নাই সিও এক বিচাৰ্য বিষয় হিচাপে ধৰা দিছে। ভাৰতৰ দ্বিতীয় স্বাধীনতা সংগ্ৰাম হিচাপে অভিহিত আন্নাৰ সংগ্ৰামৰ সৈতে প্ৰকৃততে সমাজৰ কোনটো অংশ জড়িত হৈ আছে সেই প্ৰশ্নই প্ৰগতিশীল মহলতো চিন্তাৰ জোৱাৰ তুলিছে। কিন্তু এই কথা দেখদেখকৈ ওলাই আছে যে আন্নাৰ সংগ্ৰামে কৃষক-শ্ৰমিকক স্পৰ্শ কৰিলেও ই প্ৰকৃততে সমাজৰ মধ্যবিত্ত শ্ৰেণীটোৰহে সংগ্ৰাম। কাৰণ ভাৰতবৰ্ষৰ দৰে দেশত দুখীয়া কৃষক শ্ৰমিকৰ বাবে দুৰ্নীতিতকৈও অধিক গুৰুত্বপূৰ্ণ বিষয় হৈছে ভূমি সংস্কাৰ, উৎপাদিত শস্যৰ উচিত দ্ৰব্যমূল্য, শ্ৰমিকৰ জীৱনৰ নিৰাপত্তা। সাম্ৰাজ্যবাদে অক্টোপাচৰ দৰে চেপি পেলোৱা ভাৰতবৰ্ষত কৰ্পৰেট শ্ৰেণীটোৰ হাতত যে নিৰ্বাচিত চৰকাৰখন নিলাম হৈ পৰিছে অথবা মন্ত্ৰী আমোলা বহুজাতিক কোম্পানীৰ ইচাৰাত উঠা-নমা কৰিছে— এই বিষয়বোৰৰ গভীৰতাকো আন্না হাজাৰেই সংগ্ৰামখনত স্পষ্টভাৱে আঙুলিয়াই দেখুৱাব পাৰিলেহেঁতেন! আম জনতাৰ পক্ষত থিয় হৈ দৰিদ্ৰতা আৰু দুৰ্নীতিৰ বিপক্ষে আন্নাই স্বাধীনতা ঘোষণা কৰিব নোৱাৰিলেও এই কথা জোৰ দি ক'ব পাৰি যে অসংখ্য ভাৰতীয় মনৰ ক্ষোভ আৰু বঞ্চনাক এটা পৰ্যায়লৈ উপস্থাপন কৰি এক গণজাগৰণৰ প্ৰতিনিধিত্ব কৰিলে। লগতে জনলোকপালৰ প্ৰসংগই শাসকগোষ্ঠীৰ মুখা খুলিবলৈকো সক্ষম হ'ল। এইক্ষেত্ৰত শাসকগোষ্ঠীৰ নিৰাপদ অৱস্থানমুখীতাই অন্ততঃ তাকে প্ৰমাণিত কৰে। গণতান্ত্ৰিক অধিকাৰৰ প্ৰশ্নত জনগণৰ সন্মুখত চৰকাৰৰ ফেচিষ্ট কাৰ্যকলাপো গৰিহণাৰ পাত্ৰ হ'ল। কিন্তু তাৰ লগতে এই কথাও সত্য যে গান্ধীজী আন্না হাজাৰেৰ আদৰ্শ হ'লেও সমাজ পৰিবৰ্তনৰ কাৰণে তেওঁ গ্ৰহণ কৰা পুৰণি অবৈজ্ঞানিক চিন্তাবোৰে তেওঁকে বিতৰ্কৰ মাজ পোৱালেগৈ। লেনিনে কৈছিল— 'কেৱল দুটা শক্তিহে আচলতে থাকে, এটা পুঁজিপতিৰ একনায়কত্ববাদ আৰু আনটো সৰ্বহাৰাৰ একনায়কত্ব। মাজৰ বাটেদি ৰাষ্ট্ৰ হ'ব নোৱাৰে। ই অসম্ভৱ।' আন্নাৰ আন্দোলনটোত এই কথা তল পৰি ৰ'ল যে পুঁজিবাদেই হৈছে ভাৰতীয় দুৰ্নীতিৰ মূল ভেঁটি।

**মৰুভূমি আহে লাহে লাহে...**

ইৰাৱতী নদীৰ ওপৰত চীনৰ সহযোগত নিৰ্মিত বৃহৎ নদীবান্ধৰ বিপক্ষে ম্যানমাৰৰ জনতা জাগি উঠিল। ম্যানমাৰ চৰকাৰে বৃহৎ নদীবান্ধৰ ভয়াৱহতা আৰু প্ৰকৃতিৰ প্ৰতিকূল অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি জনতাৰ পক্ষে ৰায়দান দিলে। যোৱা ৩০ ছেপ্তেম্বৰ, ২০১১ ত ম্যানমাৰৰ ৰাষ্ট্ৰপতি থেইন চিয়েমে সংসদত অনুষ্ঠানিকভাৱে কাচিন ৰাজ্যত অৱস্থিত ইৰাৱতী নদীৰ ওপৰত নিৰ্মীয়মান ৩.৬ বিলিয়ন মাৰ্কিন ডলাৰ ব্যয় সাপেক্ষ মাইটচ'ন নদীবান্ধ প্ৰকল্পটোৰ নিৰ্মাণ কৰ্য বন্ধ কৰি দিয়াৰ কথা ঘোষণা কৰে। উল্লেখ্য যে উক্ত বান্ধৰ পৰা ৬০০০ মেগাৱট জলবিদ্যুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। নক'লেও হ'ব এই সিদ্ধান্তৰ আগলৈ ম্যানমাৰত একাধিক নদীবান্ধ বিৰোধী সংগঠনে প্ৰবল প্ৰতিবাদ সাব্যস্ত কৰি আহিছিল। 'বাৰ্মা ৰিভাৰ নেটৱৰ্ক' নামৰ বেচৰকাৰী সংস্থাটোৱে ইৰাৱতী বান্ধৰ অপকাৰিতা সম্পৰ্কে ২০০৯ চনৰ অক্টোবৰ মাহতে ৰাজহুৱা সতৰ্কবাণী প্ৰদান কৰিছিল। লগতে এই বান্ধৰ কু-প্ৰভাৱত কাচিনৰ অন্যতম আপুৰুগীয়া নৃ-গোষ্ঠীয় সংস্কৃতিৰ বিলুপ্তিৰ আশংকা কৰা হৈছিল।

পৃথিৱীৰ বহুতো দেশে যি সময়ত বৃহৎ নদীবান্ধৰ বিপক্ষে সচেতন হৈছে, সেই সময়ত অসমৰ সমাজ জীৱনক আওকাণ কৰি এতিয়াও চৰকাৰী মহল ব্যস্ত ২০০০ মেগাৱট বিদ্যুৎ উৎপাদনৰ লক্ষ্যৰে নিৰ্মীয়মান নামনি সোৱণশিৰি বৃহৎ নদীবান্ধৰ স্বাৰ্থতে। এই প্ৰকল্প সন্দৰ্ভত বিশেষজ্ঞ কমিটিয়ে প্ৰদান কৰা ৫০০ পৃষ্ঠাৰ প্ৰতিবেদনো অৱহেলিত হৈয়ে পৰি আছে। উল্লেখ্য যে 'ৱৰ্ল্ড কমিছন অন ডেমছ'ৰ ভাষ্য অনুসৰি বান্ধ নিৰ্মাণত শেহতীয়া প্ৰযুক্তিয়েও কোনো চিৰস্থায়ী আশ্বাস দিব নোৱাৰে— যদিহে তাত 'থলুৱা জনগণৰ সমৰ্থন আৰু সন্মতি নাথাকে।' অথচ এই আয়োগ কোনো প্ৰতিবাদী সংগঠনো নহয়, এই আয়োগৰ সদস্যসকলৰ মাজতো আছে বিদ্যুৎ কেন্দ্ৰিক বৃহৎ ব্যক্তিগত উদ্যোগৰ প্ৰতিনিধি। বিশেষজ্ঞ সমিতিয়ে স্পষ্টভাৱে কৈছে, নামনি সোৱণশিৰি অঞ্চলৰ ভূ-তাত্বিক আৰু ভূ-কম্পনবিশিষ্ট অৱস্থাত বৃহৎ নদীবান্ধ কোনোমতেই গ্ৰহণযোগ্য নহয়। লগতে বৰ্তমান অৱস্থাত আৰু হিমালয়ৰ পাদদেশত জলবিদ্যুৎ উৎপাদনৰ বৃহৎ প্ৰকল্প নিৰ্মাণ কৰাটো অযুগুত। (বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন, প্ৰথম খণ্ড পৃষ্ঠা ১, ২ আৰু ১০) ইতিমধ্যে ১৮ ছেপ্তেম্বৰত ছিকিমত হোৱা ভূমিকম্পই তিস্তা নদীৰ বান্ধৰ যি ক্ষতি কৰিছে,

সি এই কথাৰ প্ৰমাণ হিমালয়ৰ পাদদেশত বৃহৎ নদীবান্ধৰ নিৰ্মাণ কিমান স্পৰ্শকাতৰ!!

পৰিৱেশ আৰু জৈৱ-বৈচিত্ৰ্যৰ ক্ষেত্ৰত হোৱা হাজাৰ হাজাৰ মাছমৰীয়া, নৈপৰীয়া জনগণ আৰু কৃষকৰ জীৱনৰ হেতালি খেলি মুনাফাকেন্দ্ৰিক বান্ধ লবীয়ে নিজৰ স্থিতি অটল ৰাখিছে। পাহৰি পেলাইছে দামোদৰ ভেলী কৰ্পোৰেচন, হীৰাকুঁড, ভাক্ৰা নাঙ্গলৰ দৰে বৃহৎ নদীবান্ধে মৰুময় কৰি তোলা ভাৰতৰ লাখ লাখ হেক্টৰ মাটিক, উচ্ছেদিত জনগণৰ দুৰ্দশাক, বিচ্ছেদিত হোৱা পৰিস্থিতিতন্ত্ৰক। এই কথা সঁচা, জনগণৰ মাজত সজাগতাৰ অভাৱ হেতু চৰকাৰে প্ৰকল্পৰ অনুমোদনৰ সময়ত প্ৰকল্পৰ পৰা হ'ব পৰা কু-প্ৰভাৱ তথা অৰ্থনৈতিক লোকচানৰ বিষয়টো সদৰি নকৰে। ৰঙানদীয়ে বিধ্বস্ত কৰা সমগ্ৰ অঞ্চল, চমৰাজানৰ বালিয়ে পুতি পেলোৱা কৃষি-উপযোগী মাটি আদিয়ে প্ৰশ্ন তোলে— এনেদৰেই যদি ধেমাজিৰ পৰা মাজুলীলৈকে প্ৰাকৃতিক পৰিৱেশৰ অবিচ্ছিন্নতা নিৰ্জীৱ আৰু দৰিদ্ৰ হৈ পৰে— তেন্তে তাত কেনেকৈ জড়িত হ'ব উন্নয়নৰ প্ৰশ্ন!!

'যিবোৰ দেশৰ হাতত শস্য থাকিব, বন্দুক নহয়— সেই দেশৰ হাততেই থাকিব ভৱিষ্যৎ'। প্ৰখ্যাত কৃষি অৰ্থনীতিবিদ এম এছ স্বামীনাথনৰ এই মন্তব্যক কিমান দূৰ উপলব্ধি কৰিব পাৰিব বান্ধলবীয়ে সেই প্ৰশ্নৰ উত্তৰ অতি ধূসৰ। বছৰৰ পিছত বছৰ জুৰি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত অসমৰ খেতিয়ক জনগণে এতিয়া খেতিৰ মাটি কেইডৰা বচাবলৈ, নিজৰ জীৱনৰ নিৰাপত্তাৰ খাতিৰত ওলাই আহিব লগা হৈছে ৰাজপথলৈ। বৃহৎ নদীবান্ধৰ প্ৰসংগই সেয়ে অস্পষ্ট কৰি তুলিছে অসমৰ অৰ্থনীতিৰ মূলখণ্ড কৃষিকো। খেতি-মাটিৰ নাটনি আৰু খাদ্য-দ্ৰব্যমূল্যৰ উৰ্দ্ধমুখী দৰ বৃদ্ধি আদি সমস্যা উপেক্ষিত হৈয়ে পৰি আছে। তেনেস্থলত সম্পদৰ লুণ্ঠনে মুকলি কৰিছে অনেক প্ৰাসংগিক প্ৰশ্নৰ। পানীৰ অধিকাৰ প্ৰকৃততে

পানীৰ অধিকাৰ প্ৰকৃততে কাৰ—জনগণৰ, জিন্দালৰ নে জে পি এচ'চিয়েটৰ দৰে বৃহৎ কোম্পানীৰ মালিকসকলৰ? এই প্ৰশ্নৰ মীমাংসা নোহোৱাকৈ কোনো জীৱিত জাতিয়ে নিজৰ সম্পদৰ অধিকাৰ আনক এৰি দিব নোৱাৰে।

কাৰ—জনগণৰ, জিন্দালৰ নে জে পি এচ'চিয়েটৰ দৰে বৃহৎ কোম্পানীৰ মালিকসকলৰ? এই প্ৰশ্নৰ মীমাংসা নোহোৱাকৈ কোনো জীৱিত জাতিয়ে নিজৰ সম্পদৰ অধিকাৰ আনক এৰি দিব নোৱাৰে।

**মণিপুৰত কেতিয়া উৰিব মানৱতাৰ পতাকা**

অশান্ত মণিপুৰ, অস্থিৰ ইম্ফল। লৌহ মানৱ ইৰম শৰ্মিলাৰ অনশনে পাৰ কৰিলে এটা দশক। গণতন্ত্ৰৰ সমুখত কিন্তু এটা দশকৰ প্ৰতিবাদ অৱহেলিত হৈয়ে পৰি ৰ'ল। 'সামৰিক বাহিনী বিশেষ ক্ষমতা আইন, ১৯৫৮' বাতিলৰ প্ৰসংগত শৰ্মিলাই চলাই যোৱা প্ৰতিবাদৰ বিপৰীতে কি দিয়া হ'ল তেওঁক — এখন হাস্পাতালৰ এটা বন্দী কোঠাত বছৰি চল্লিশ লাখ টকা ব্যয়ৰে জোৰকৈ ভৰাই দিয়া এডাল পাইপ! গান্ধীৰ দেশত কেনেধৰণৰ নীতি এয়া! ক'লা আইনৰ ধোঁৱাৰে আচ্ছন্ন স্বাধীনতা! স্খলিত মানৱাধিকাৰ! শ্ৰীনগৰৰ ডাল হ্ৰদে এতিয়া পঢ়িব বিচাৰে ইম্ফলৰ লোগটকত প্ৰতিফলিত হোৱা তেজে ধোৱা নিৰীহ-নিৰ্দোষীসকলৰ চকুৰ ভাষাও। কিন্তু আতংক আৰু আৰ্তনাদৰ পৃষ্ঠাবোৰে কি সোঁৱৰাই মণিপুৰক— কি সোঁৱৰাই শৰ্মিলাক। ২০০০ চনৰ ২ নৱেম্বৰত ৰঙা হৈ পৰা মালমৰ সেই আলিবাটটোৰ কথা! বৰ্বৰতাত কঁপি কঁপি দুলি ৰোৱা বাষ্ট ষ্টপটোৰ উচুপনিৰ কথা! অথচ সাক্ষাত কৰিবলৈ দিয়া নহ'ল শৰ্মিলাৰ সৈতে জম্মু-কাশ্মীৰৰ পৰা মেধা পাটকাৰে আৰম্ভ কৰা প্ৰতিবাদী সংগঠন 'দ্য নেচনেল এলায়েন্স অৱ পিপলছ্ মুভমেণ্ট', 'গান্ধী গ্লৱেল ফেমেলি' আদিৰ যাত্ৰাত অংশগ্ৰহণ কৰা সহযাত্ৰীসকলক। গণতন্ত্ৰৰ মাটিত এটা ক'লা সূৰ্য্য - ২৮ অক্টোবৰ, ২০১১।

**মাওবাদ ইজ ইকুৱেল টু আৰ্থিক পেকেজ**

অসমত আজিকালি অহৰহ মাওবাদৰ উত্থানৰ স্বৰলিপি। মাওবাদৰ উত্থানে যেন নিশকটীয়া কৰিব ৰাজ্যখনৰ বাকী আটাইবোৰ সমস্যাকে। শেহতীয়াকৈ মাওবাদীৰ আতংকৰে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰাৰ কুচকাৱাজত ব্যস্ত সকলে আনকি মাওবাদী অধ্যুষিত(?) ৰাজ্যখনলৈ বিশেষ আৰ্থিক পেকেজৰ আমদানিতো জোৰ দিছে। ছাত্ৰ-যুৱ সংগঠন, চাহ জনগোষ্ঠীৰ লোক, নদীবান্ধবিৰোধী সংগ্ৰামৰ মাজতো কেন্দ্ৰীয় চৰকাৰে হেনো মাওবাদীৰ গোন্ধ পাইছে। উল্লেখ্য যে বিগত শতিকাৰ ৯০ৰ দশকত আলফাৰ কূটাঘাতমূলক কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনখন অসমতো প্ৰৱৰ্তন কৰিছিল। অৱলীলাক্ৰমে ৰাজ্যখনৰ আইন শৃংখলাৰ

প্ৰশ্নত এই আইনখনৰ ম্যাদ এবছৰ এবছৰকৈ বৃদ্ধি কৰি থকা হৈছে। অসম পৰিচিত হৈছে অশান্ত অঞ্চল হিচাপে।

চৰকাৰী তথ্য অনুসৰি বিগত এটা বছৰত উগ্ৰপন্থীৰ কূটাঘাতমূলক কাৰ্য্য ৫০ শতাংশ হ্ৰাস পাইছে। কিন্তু সেই তথ্যৰ সমান্তৰালভাৱে এয়াও প্ৰকাশ যে মাওবাদে অসমৰ চুকে-কোণে আশ্ৰয় লৈছে। তাৰেই পৰিণতি স্বৰূপে অসমত আকৌ সামৰিক বাহিনী বিশেষ ক্ষমতা আইনৰ হস্তক্ষেপৰ আগজাননী পোৱা গৈছে।

কিন্তু অসমৰ ক'ত মাওবাদী? অসমলৈ শান্তি ঘূৰি আহিছে বুলি প্ৰচাৰ চলোৱা চৰকাৰে বিগত বৰ্ষত উগ্ৰবাদী কাৰ্যকলাপ ৫০ শতাংশ হ্ৰাস পাইছে বুলি তথ্য প্ৰকাশ কৰাৰ পিছতো অসমক সন্ত্ৰাসজৰ্জৰ অঞ্চল হিচাপে অভিহিত কৰাৰ যুক্তি আছে জানো? ব্যক্তি সন্ত্ৰাসৰ জন্ম দি ৰাষ্ট্ৰ সন্ত্ৰাসক শিপাবলৈ দিয়া এনে ক'লা আইনৰ প্ৰাসংগিকতা জীয়াই ৰাখিলে কেনেকৈ প্ৰতিষ্ঠিত হ'ব শান্তিৰ ভেঁটি? এনে বহু প্ৰশ্নই অসমীয়া জনগণক জোকাৰি গৈছে। শান্তি স্থাপনৰ নামত নিৰপৰাধী লোকৰ তেজেৰে ৰাঙলী হোৱা অসমৰ বুকুত আকৌ এবাৰ 'অশান্ত অঞ্চল'ৰ বোজা কিমান দুৰ্বিসহঃ সেয়া দুনাই কোৱা নিষ্প্ৰয়োজন।

**বিপন্ন স্বাধীনতা ঃ বিচ্ছিন্ন উত্তৰ-পূব**

স্বাধীনতাৰ নামত অৱহেলিত উত্তৰ-পূৰ্বাঞ্চলে আৰু কিমান দৌৰিব দিল্লীৰ মচনদলৈ। সন্ত্ৰাসবাদী দমনৰ নামত ৰাষ্ট্ৰ সন্ত্ৰাসক জীয়াই ৰাখি অসমকে ধৰি কেইবাখনো ৰাজ্য এতিয়া বিচ্ছিন্নতাবাদী সমস্যাৰে ভাৰাক্ৰান্ত। পৃথক ৰাজ্যৰ দাবীৰে জনগণে চিঞৰিছে নিজৰ নিজৰ অধিকাৰৰ বাবে। শান্তি আলোচনাৰে দিল্লীয়ে সন্তুষ্ট কৰিছে এচাম জনতাক। কিন্তু প্ৰকৃত শান্তিৰ পৰিৱেশ মূলৰ পৰা গঢ়ি উঠা নাই। তাৰ পৰিৱৰ্তে সংঘাতৰ চোকবোৰহে অধিক সক্ৰিয় ৰূপত ওফন্দি উঠিছে। সংবিধানেই হৈ পৰিছে ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠীৰ অখণ্ডতাৰ কাৰকস্বৰূপ। সমতাৰ প্ৰশ্নত, সম-অধিকাৰৰ খাতিৰত জনগণ বিদ্ৰোহী হৈ উঠিছে। অবিচাৰ, শোষণ-বঞ্চনা, অৱহেলাৰ পৰিণতিত কেৱল ৰাজনৈতিক নেতা-পালিনেতাৰ হাতত ভোটাৰ হিচাপে পৰিচিত হোৱা জনগণে মুকলিকৈ সুধিছে 'স্বাধীনতা ক'ত?'

চাহ, তেল, কয়লা, চূণশিলৰ পিছত পানীক লৈও পুঁজিপতিৰ অংক আৰম্ভ হৈছে। সম্পদৰ অধিকাৰৰ বাবে জনগণে যেতিয়া চিঞৰিছে, সাম্ৰাজ্যবাদী শোষণ-নিপীড়ণৰ বিপৰীতে আৱাজ তুলিছে তেতিয়া কিন্তু নিৰ্লিপ্ত ৰাজনৈতিক দল-নেতৃত্ব। গান্ধীবাদী আদৰ্শৰে গ্ৰাম স্বৰাজৰ ৰূপত সমাজক প্ৰসাৰিত কৰা, সৰ্বহাৰা শ্ৰেণীৰ মুক্তিৰ অৰ্থে সংগ্ৰাম অব্যাহত ৰখা, সংযুক্ত ৰাষ্ট্ৰ ব্যৱস্থাৰ আৰ্হি গ্ৰহণ কৰা অথবা জনগোষ্ঠী সমূহক অৱহেলাৰ পৰিৱৰ্তে তেওঁলোকৰ আশা-আকাংক্ষাক প্ৰতিষ্ঠিত কৰা— এই আটাইকেইটা দিশত ৰাজনৈতিক দলসমূহৰ চৰম উদাস মনোভংগীয়ে হতাশ কৰিছে জনগণক। স্বাধীনতাৰ নামত সেয়ে

সময়ে কয়, এখন সমাজ, এটা জাতিৰ জীৱনৰ এনে দুৰ্দশাৰ প্ৰতি নিৰ্বিকাৰ হৈ থকাটো এক অপৰাধ, নিৰপেক্ষতাৰ ভূমিকাৰে নিশ্চুপ হৈ থকাটো চৰম সুবিধাবাদ, অন্যায়-অবিচাৰ সহি থকাটো 'মানুহ' নামৰ কাপুৰুষালি।

ক্ষোভৰ উদ্‌গীৰণ নহৈ আৰু উপায় নাই। বহিৰাগতৰ সমস্যা, বাংলাদেশক মাটি দান কৰা, ভূমি সমস্যা, চুপ্ৰা ষ্টেটৰ প্ৰসংগই অসম সহ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যক জোকাৰি গৈছে।

ৰাজনৈতিক দলবোৰে পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ প্ৰচাৰ বিয়পাবলৈকে সংবিধানৰ জন্ম নিশ্চয় হোৱা নাছিল। শোষণ-নিষ্পেষণে ঘূণীয়া কৰি পোলোৱা পাৰিপাৰ্শ্বিকতাৰ মাজত সম্পদ আৰু অধিকাৰৰ সম-বিতৰণৰ প্ৰসঙ্গই বিভিন্ন চেঁপা-খুন্দাৰ সৃষ্টি কৰিলে। ফলত আৰম্ভ হ'ল বিদ্ৰোহৰ— স্বাধীনতাৰ নামত নিজ দেশৰেই মাটিত সশস্ত্ৰ সংগ্ৰামৰ। গৰিবী হটাওৰ পৰা নিয়োগলৈকে-আঁচনিৰ ওপৰত আঁচনি হ'ল। কিন্তু সেইবোৰৰ সৰ্বতোমুখী বিকাশৰ পথত বাকী ৰ'ল হাজাৰ অৱহেলা, অপৰিপক্কতা।

সময়ে কয়, এখন সমাজ, এটা জাতিৰ জীৱনৰ এনে দুৰ্দশাৰ প্ৰতি নিৰ্বিকাৰ হৈ থকাটো এক অপৰাধ, নিৰপেক্ষতাৰ ভূমিকাৰে নিশ্চুপ হৈ থকাটো চৰম সুবিধাবাদ, অন্যায়-অবিচাৰ সহি থকাটো 'মানুহ' নামৰ কাপুৰুষালি। উত্তৰ-পূৰ্বাঞ্চলৰ এনে অসহায়, অস্থিৰতাৰ মাজত সেয়ে বাৰে বাৰে অনুভূত হয় এনে নগ্ন ৰাষ্ট্ৰসন্ত্ৰাসে স্তব্ধ কৰি তোলা সমাজ জীৱনক মানৱীয় আৰু গণতান্ত্ৰিক প্ৰমূল্যৰ ভিত্তিত গঢ়ি তুলিবলৈ।

এয়া যেন সমাজৰ সততা আৰু সংহতিৰ সৈতে জড়িত থকা সকলৰ প্ৰতি সময়ৰ সুতীব্ৰ দাবী—

**গাড্ডাফিৰ পতন নে আমেৰিকাৰ আগ্ৰাসন নীতিৰ প্ৰসাৰতা**

'জেচমিন বিপ্লৱে' বিধ্বস্ত কৰা আৰব ভূমিক এতিয়া সুৰক্ষাৰ প্ৰশ্নই উদ্বিগ্ন কৰি তুলিছে। সাম্ৰাজ্যবাদী শক্তিৰ কবলত পৰি টিউনিছিয়া, লিবিয়া, ইজিপ্ত আদি ৰাষ্ট্ৰবোৰে দৰাচলতে কি হেৰুৱালে আৰু কি পালে, সেয়াও এই সময়ত প্ৰাসংগিক প্ৰশ্ন। প্ৰকৃত অৰ্থত এই ৰাষ্ট্ৰবোৰত স্বৈৰতন্ত্ৰৰ অৱসান ঘটাই গণতন্ত্ৰ প্ৰতিষ্ঠা হ'বনে....। গাড্ডাফিৰ হত্যাৰ পিছত এই প্ৰশ্নই ক্ৰমশঃ ধাৰাশায়ী কৰি পেলাইছে সমগ্ৰ আৰৱ বিশ্বক। নাটোৰ সমৰ্থনেৰে লিবিয়াত সামৰিক বাহিনীৰ উত্থান আৰু দেশৰ অভ্যন্তৰত অস্থিৰ হৈ পৰা ৰাজনৈতিক, অৰ্থনৈতিক প্ৰেক্ষাপট পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিৰ মূল আধাৰ আমেৰিকাৰ বাবে কিমান প্ৰয়োজনীয় সেই কথা এতিয়া আৰু লুকাই থকা নাই। একনায়কত্ববাদী শাসক হ'লেও গাড্ডাফিয়ে দেশখনৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সম দৃষ্টিৰে চলোৱা সামৰিক শাসনক ইতিমধ্যে উফৰাই পেলাইছে নাটো বাহিনীয়ে। তাৰ পৰিৱৰ্তে ইৰাকৰ অনুক্ৰম জাতি-ভিত্তিক বিভাজনৰ এক কুটিল ষড়যন্ত্ৰই সমগ্ৰ লিবিয়াক ধ্বংসৰ মুখলৈ ঠেলি পঠিয়াইছে। আমেৰিকাৰ নব্য সাম্ৰাজ্যবাদ নীতিৰ মূলতে যে জড়িত হৈ আছে আৰৱ বিশ্বৰ তৈল ভাণ্ডাৰ সমূহ সেই কথাত এতিয়া কোনো সন্দেহ নাই। ইছলামিক সন্ত্ৰাসবাদ অৱসানৰ প্ৰসংগ লৈ আৰু ইৰাকত 'শান্তি ৰক্ষা'ৰ নামত সামৰিক বাহিনী মজুত ৰাখি TEXACO, AXXONMOBILE আদি বৃহৎ তৈল কোম্পানী সমূহে তেল সৰবৰাহেৰে প্ৰচুৰ মুনাফা অৰ্জন কৰি আছে।

আমেৰিকাৰ সাম্ৰাজ্যবাদী আগ্ৰাসন নীতিৰ গইনা লৈ আৰৱ বিশ্বত আৰম্ভ হোৱা অৰ্থনৈতিক লুণ্ঠনে এই দেশবোৰত ক্ৰমান্বয়ে বৃদ্ধি কৰিছে সাম্প্ৰদায়িক সংঘৰ্ষ, জাতি ভিত্তিক বিদ্ৰোহৰ। বিশৃংখল হৈ পৰিছে এই ৰাষ্ট্ৰবোৰৰ ৰাজনৈতিক প্ৰেক্ষাপট। ইয়াতো প্ৰমাণিত হৈছে আমেৰিকাৰ শোষণমূলক দৃষ্টিভংগী। এই শোষণ কেৱল অৰ্থনৈতিক নহৈ ই শিপাবলৈ আৰম্ভ কৰিছে সামাজিক, আন্তঃৰাষ্ট্ৰীয় লেনদেনলৈকো। পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ গোপনে ৰখাৰ অপৰাধত ইতিমধ্যে খহি পৰিছে ইৰাকৰ অৰ্থনীতি। বিধ্বস্ত হৈছে আফগানিস্তান, ইৰাণো। সেয়ে শেহতীয়াকৈ টিউনিছিয়া, ইজিপ্ত, লিবিয়া আদি আৰৱ ৰাষ্ট্ৰত আহি পৰা সংকটত ক্ৰমশঃ ক্ষোভিত হৈ পৰিছে এছিয়াৰ আনবোৰ ৰাষ্ট্ৰও। সন্ত্ৰাসবিৰোধী যুদ্ধৰ নামত, গণতন্ত্ৰ আৰু শান্তি প্ৰতিষ্ঠাৰ নামত আমেৰিকাই প্ৰকৃততে কূটনৈতিক কৌশলেৰে জটিল কৰি পেলাইছে আৰৱ বিশ্বৰ সাম্প্ৰতিক ৰাজনৈতিক ছবি। শান্তি আৰু সমতাৰ শ্লোগান দিয়া বিশ্বৰ নেতৃত্বধাৰী ৰাষ্ট্ৰ আমেৰিকাৰ হাততেই ৰচিত হৈছে লুণ্ঠন আৰু শোষণৰ এই ধাৰাবাহিকতা।

**ডাইনী হত্যা বনাম নিউট্ৰিণ'ৰ গতিবেগ**

মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ মহান সৃষ্টি বৈজ্ঞানিক বিপ্লৱস্বৰূপ $E= mc^2$ কো এতিয়া প্ৰত্যাহ্বান জনাইছে এচাম পদাৰ্থবিজ্ঞানীয়ে। CERN গৱেষণাগাৰত আৱিস্কৃত হৈছে প্ৰতি নেন'ছেকেণ্ডত পোহৰতকৈও অধিক গতিবেগত যাব পৰা কণা। নাম যাৰ নিউট্ৰিণ'।

আৰু প্ৰতি নেন'ছেকেণ্ডত আমাৰ মনৰ চুকে-কোণে অন্ধবিশ্বাসে বঢ়াই তুলিছে অপায়-অমংগলৰ আধিপত্য। ডাইনীৰ সন্দেহত আৰম্ভ হৈছে অভিযান। জ্বলাই দিয়া হৈছে গাভৰু-বোৱাৰীক। শাওপাত, বেজালিৰে মষিমূৰ কৰিব বিচৰা হৈছে পৰিয়ালৰ সুখ-সম্ভোগক। হয়, এনেকৈয়ে অন্ধকাৰত মজি এচাম গঞাই (মাজে মাজে শিক্ষিত লোকেও) দেখুৱাইছে কু-সংস্কাৰৰ ভয়াৰহতা। ডাইনী হত্যাৰ অহৰহ খবৰ-বাতৰিয়ে আমাৰ হুমনিয়াহ বঢ়োৱাৰ বাহিৰে আৰু একোকে কৰিব পৰা নাই। ঈশ্বৰ বিশ্বাসৰ গোড়ামিয়ে বিজ্ঞানলৈ সম্পূৰ্ণ পিঠি দি পুহিছে অন্ধবিশ্বাসৰ জুই। অৱশ্যে সেই জুইত নাই মানুহৰ চকু পোহৰাব পৰা জোনাক। অৰ্থনৈতিক অনগ্ৰসৰতা, জ্ঞানবিহীনতাই অভিশাপ কৰি তোলা সেই চাম মানুহক লাগে পোহৰ— বিবেকৰ মুক্তি ঘটাব পৰা পোহৰ। অস্থিৰ, জ্ঞানবিহীন সমাজৰ পৰা অন্ধবিশ্বাসক বিয়োগ দি সুস্থ-সংঘবদ্ধ সমাজৰ চিনাকি দিবলৈ আমাক এতিয়া প্ৰয়োজন এক ৰুচিসন্মত চিন্তনৰ। কিন্তু এনে চিন্তনক জগাই তুলিবলৈ, আপুনি-মই-আমি মুক্ত হ'ব লাগিব অন্ধবিশ্বাসৰ বংশানুক্ৰমিক সংক্ৰমণ তথা শুচিবায়ুগ্ৰস্ততাৰ পৰা। আহক, প্ৰতি নেন'ছেকেণ্ডত আৰম্ভ কৰো এনে মুক্তিৰ গতিবেগ—

**ফেচবুক, অৰ্কুটৰ ষ্টেচন পাৰ হৈ কিতাপৰ ৰেলগাড়ীত উঠি এদিন.....**

অসৰল সময়ৰ প্ৰতি সাহিত্যৰ আছে বিশাল দায়বদ্ধতা। 'মানুহ ধ্বংস হৈ যায়, কিন্তু কেতিয়াও পৰাজিত নহয়'— এই চিন্তনক মুকলিকৈ ব্যাখ্যা কৰিব পাৰে কেৱল সাহিত্যই। কাৰণ সাহিত্যই শিকায় সুস্থ চিন্তনৰ মাধ্যমত বিবেকৰ উত্তৰণ ঘটাবলৈ। সেই উত্তৰণে যে নামানে কোনো ভৌগলিক চাৰিসীমা। আলট্ৰা মডাৰ্ণ যুগৰ তীব্ৰ গতিশীলতাতো সেয়ে কমা নাই সাহিত্যৰ স্পন্দন। সাহিত্যই যুগে যুগে থিয় দিছে মানৱতাৰ পক্ষত-সৃষ্টিৰ পক্ষত। পৃথিৱীৰ যিকোনো কোণত সাহিত্যৰ এই চেতনাই বিয়পাই দিছে 'মানুহ'

ক'ত উচুপিচে তেজীমলাই— ওহো, কোনেও নাজানে সেই খবৰ। কমলা কুঁৱৰীৰ বতৰা সুধিবলৈকো কাৰোৰে আহৰি নাই!! ক'ত হেৰাল 'কুঁহিপাত'ৰ কুমলীয়া পাত—সেয়াও সকলোৰে অজ্ঞাত।

ক'ত উচুপিচে তেজীমলাই— ওহো, কোনেও নাজানে সেই খবৰ।

হোৱাৰ পৰিচয়। এক সাৰ্বজনীন ভাৱধাৰাৰে সাহিত্যই শিকাইছে শোষণৰ বিৰুদ্ধে জাগ্ৰত হ'বলৈ— সাহিত্যই শিকাইছে সমাজ আৰু সভ্যতাৰ প্ৰাচীন আৰু বৰ্তমানৰ মুক্তিৰ মাজত যোগসূত্ৰ হ'বলৈ।

অসমীয়া সাহিত্যৰ দীঘলীয়া পৰিক্ৰমাৰ এই ছোৱা সময়ত আমি দেখিবলৈ পাওঁ মৰিশালীসদৃশ নিঃশব্দতা। অকণ অকণ কণমানিহঁতৰ হাতত যে নাই 'বুঢ়ী আইৰ সাধু', 'ককাদেউতা আৰু নাতিল'ৰা'। ক'ত উচুপিচে তেজীমলাই — ওহো, কোনেও নাজানে সেই খবৰ। কমলা কুঁৱৰীৰ বতৰা সুধিবলৈকো কাৰোৰে আহৰি নাই!! ক'ত হেৰাল 'কুঁহিপাত'ৰ কুমলীয়া পাত—সেয়াও সকলোৰে অজ্ঞাত।

অসমত গ্ৰন্থ সচেতনতাৰ পৰিৱেশ গঢ়ি তোলাতো নাই বিশেষ কোনো পৃষ্ঠপোষকতা। এটা সময়ত জিলাই জিলাই গঢ়ি তোলা জিলা পুথিভঁৰালবোৰৰ অৱস্থা এতিয়া একেবাৰে তথৈবচ। নতুন প্ৰজন্মৰ কথাটো বাদেই পুৰণি প্ৰজন্মৰ লোকেও এতিয়া সেইবোৰ পুথিভঁৰালৰ মুখ দেখা নাপায়। নতুনত্ববিহীন অৱস্থানমুখীতাই এনে পুথিভঁৰালবোৰক জৰাজীৰ্ণতাৰে সামৰি লোৱাৰ বাহিৰে আৰু একো বাকী ৰোৱা নাই। এইবোৰক পূৰ্ণগঠিত ৰূপত গঢ়ি তুলি অসমত এক গ্ৰন্থ বিপ্লৱৰ সূচনা কৰাতো নাই কাৰোৰে আগ্ৰহ নতুবা অৱকাশ। এক অৰ্থত অসমীয়া ভাষাটোৰ প্ৰতি দিনে দিনে বৃদ্ধি পোৱা অৱহেলাই অসমীয়া সাহিত্যতো এক গধুৰ অৱক্ষেপৰ সৃষ্টি কৰিছে। উচ্চ মধ্যবিত্ত শ্ৰেণীৰ মাজত অসমীয়াতকৈ অত্যধিক হাৰত ইংৰাজীৰ প্ৰতি আকৰ্ষণ বাঢ়িছে। কেৱল ইংৰাজী মাধ্যমৰ কিতাপতে নিজৰ সন্তানক মুখ গুজি থাকিবলৈ বাধ্য কৰোৱা অভিভাৱকে তেওঁলোকৰ সন্তানক ঠেলি পঠিয়াইছে এক বিশাল শূণ্যতালৈ। সেই শূণ্যতাক সামৰি নতুন প্ৰজন্মৰ এচামে ফেচবুক, টুইটাৰত ব্যস্ত থকাৰ বাহিৰে আন একো উপায় বিচাৰি পোৱা নাই। ফলত সংযোগহীনতাত পৰিণত হৈছে অসমীয়া ভাষা, সাহিত্য আৰু জাতিটোৰ ধাৰাবাহিকতা।

আধা অসমীয়া, আধা ইংৰাজীৰ ভিতৰত হেঁচা-ঠেলা খাই সেয়ে বাৰে বাৰে মনলৈ আহে অসমীয়া সাহিত্যতো এতিয়া প্ৰয়োজন বিষয়বস্তুৰ নতুন আংগিক আৰু পৰিৱেশনৰ। নতুন প্ৰজন্মৰ পঢ়ুৱৈক আকৰ্ষণ কৰিব পৰাকৈ, লগতে পঢ়ুৱৈৰ সংখ্যা বৃদ্ধিত প্ৰকাশন গোষ্ঠীসমূহে মনোনিৱেশ কৰিবই লাগিব। দেশ আৰু জাতিৰ অন্তঃহীন সংগ্ৰাম, আশা-আকাংক্ষাক বাট দেখুৱাব পৰা সাৰ্বজনীন সাহিত্যইহে সমাজৰ অন্তঃহীন প্ৰহৰীৰ ৰূপত নিজকে বিলীন কৰিব পাৰে। তেনে সাহিত্যই সভ্যতাৰ সমুখৰ সকলো ধুমুহাৰ মাজতো মানুহৰ চিৰন্তন অনুভূতিক দাসত্ব আৰু পশুত্বৰপৰা মুক্তি দিয়ে।

অসমীয়া সাহিত্যইও তেনে মুক্তিৰ পথ ৰচিবলৈ এতিয়া প্ৰয়োজন এক সুস্থ গ্ৰন্থ বিপ্লৱৰ— এক সচেতন কিতাপ পঢ়াৰ পৰিৱেশৰ— যি প্ৰতিজন অসমীয়াকে শিকাই অসমীয়া ভাষাৰে মহীয়ান হ'বলৈ। অসমীয়া সাহিত্যকো সেইদৰে প্ৰয়োজন পৰিৱৰ্তনমুখী সময়ৰ স্তৰে স্তৰে নতুন চিন্তন আৰু চেতনাৰ যি কেৱল প্ৰচাৰমুখীতাতে সীমাবদ্ধ নহয়, যাৰ শ্ৰেষ্ঠতা উচ্চাৰিত হয় মানৱতাৰ পক্ষত।

**মেডিকেল, ইঞ্জিনিয়াৰিং বনাম চলচ্চিত্ৰ, পৰ্যটন আৰু কৃষি বিজ্ঞানী**

চলচ্চিত্ৰ, পৰ্যটন আৰু কৃষিৰ ক্ষেত্ৰত ৰাজ্যখনত বিবিধ সুবিধা থাকিলেও কিন্তু নাই সেই সুবিধাক সংস্থাপন কৰাৰ শক্তিশালী পদক্ষেপ। বছৰে বছৰে বহু অসমীয়াই ডাক্তৰ, ইঞ্জিনিয়াৰৰ ডিগ্ৰী লৈ গৌৰৱেৰে ওলাই আহে। কিন্তু অসমত নাই কৃষি বিজ্ঞানী হোৱাৰ লক্ষ্য, একেদৰেই নাই চলচ্চিত্ৰমুখী কেৰিয়াৰৰ চাহিদা, পৰ্যটনকেন্দ্ৰিক আকৰ্ষণৰ ব্যৱস্থাপনা। প্ৰতিযোগিতাৰ দৌৰত আমাক কেৱল প্ৰয়োজন মেডিকেল অথবা ইঞ্জিনিয়াৰৰ বিভূষণ!! অসমৰ শিক্ষা ব্যৱস্থাইও উন্নত ৰূপত তুলি ধৰিব পৰা নাই তেনে শিক্ষাৰ গুৰুত্বক। প্ৰচাৰ আৰু প্ৰসাৰৰ দিশটো চৰম অৱহেলিত উক্ত তিনিওটা স্তৰ। অসমৰ কৃষিক সেউজ বিপ্লৱমুখী কৰাত নাই বৰমূৰীয়াসকলৰো সেউজ সংকেত। যিটো সময়ত পঞ্জাব, হাৰিয়ানা আদি ৰাজ্যত কৃষিভিত্তিক শিক্ষাৰ বহল দুৱাৰ মুকলি হৈছে, সেই একে সময়তে অসমত প্ৰশ্ন উঠে কৃষি সংক্ৰান্তীয় বিষয় পঢ়ি কি লাভ হ'ব!! একেই দুৰৱস্থা পৰ্যটনৰ ক্ষেত্ৰখনতো। প্ৰকৃতি আৰু সংস্কৃতিৰ বাৰেৰহণীয়া স্বৰূপো এতিয়া ধোঁৱা চাঙৰ ওপৰত। অসমত গ্ৰাম্য পৰ্যটনৰ ইমানবোৰ উপকৰণ থকাৰ পিছতো অসমৰ গাঁওবোৰক সৰ্বভাৰতীয় স্তৰত ডাঙি ধৰাৰ কোনো প্ৰয়াস দৃষ্টিগোচৰ হোৱা নাই। একেদৰেই অসমীয়া চলচ্চিত্ৰ উদ্যোগ নতুনত্ববিহীন, গতানুগতিক ধাৰাৰে নিৰাশ হোৱা এক

আকর্ষণহীন কেৰিয়াৰত পৰিণত হৈছে। উক্ত তিনিওটা ভৱিষ্যমুখী ক্ষেত্ৰক বিদ্যায়তনিক ধাৰাৰে আগুৱাই নিয়াৰ প্ৰচেষ্টাও নাম মাত্ৰ। সময়ৰ আব্দাৰ, যুগৰ পৰিৱৰ্তনে নৱপ্ৰজন্মৰ ৰুচিগত দিশৰ যথেষ্ট সালসলনি ঘটাইছে। কিন্তু তাৰ পৰিপুষ্টি সাধন কৰিব পৰাকৈ নাই উন্নত, আধুনিক মানদণ্ডৰ কলাকুশলী পদক্ষেপ। এনে শ্বাসৰুদ্ধ অৱকাশহীনতাই এফালে হতাশ কৰিছে নতুন চামক আৰু আনফালে ক্ষতিশংকাৰ ঘৰত উপনীত হৈছে খোদ ৰাজ্যৰ মানচিত্ৰ। অথচ ফটাঢোল কোবাই এতিয়াও চলি আছে আবতৰৰ বিহু।

**তেজৰ শিৰোনাম কেৱল ৰঙাই নেকি?**

এয়া আপোনাৰ সমুখত এখন হলিউদী থ্ৰীলাৰ। মুহূৰ্ততে আপোনাক খেদি আহে — এ কে ৪৭ নতুবা ৭.২ মিলিমিটাৰ কেলিবাৰে। এয়া শৱগৃহৰ পষ্টমৰ্টেম কৰা শৰীৰবোৰৰ কাষত থকা ৰিপৰ্ট পঢ়ি আপুনি, মই শিহৰিত হৈ উঠো —'Blood liquid or clotted? where oozed from and what to amount?'

চহৰ—লুচাকা। স্থান— চিৰিয়াখানা।

উদ্দেশ্য— এটা পিঞ্জৰা। এখন জাননী— 'পৃথিৱীৰ আটাইতকৈ বিপদজনক জন্তুটোক চাই লওঁক।'

পিঞ্জৰাটোৰ ভিতৰত এয়া এখন আইনা। আৰু .... পৃথিৱীৰ আটাইতকৈ বিপদজনক জন্তুটো— এয়া আপোনাৰ প্ৰতিবিম্ব।

নহয়— এয়া কোনো হলিউদী থ্ৰীলাৰ নহয়। এয়া আমাৰ প্ৰতিদিন আৰু ৰাতিৰ বাস্তৱ। হত্যা, লুণ্ঠন, অপহৰণ, ধৰ্ষণেৰে হৃদয় বিদাৰক হৈ পৰে পূৰ্বাঞ্চলৰ শিশুৰ নিস্পাপ হাঁহিও। তৰাভৰা আকাশৰ তলত ভয়াৰ্ত হৈ পৰে আইতাৰ সাধুকথা। ককাদেউতাই নাতিল'ৰাক কোৱা লাচিত, জয়মতীৰ কথাও শুই পৰে আধাতে। ভোগবাদ আৰু সাম্ৰাজ্যবাদৰ এই জোৰদাৰ প্ৰসাৰতাত বতাহতো এতিয়া উপঙি ফুৰিছে তেজ আৰু নিৰাপত্তাহীনতাৰ গোন্ধ।

চহৰ—লুচাকা। স্থান— চিৰিয়াখানা।
উদ্দেশ্য— এটা পিঞ্জৰা। এখন জাননী—
'পৃথিৱীৰ আটাইতকৈ বিপদজনক জন্তুটোক চাই লওক।'
পিঞ্জৰাটোৰ ভিতৰত এয়া এখন আইনা।
আৰু .... পৃথিৱীৰ আটাইতকৈ বিপদজনক জন্তুটো—
এয়া আপোনাৰ প্ৰতিবিম্ব।

বাথৰুম, গেৰেজতো ওলাইছে টকাৰ বাণ্ডিল। কেলেংকাৰি, দুৰ্নীতি আদি শব্দৰ অৰ্থ এতিয়া শিশুৰো মুখে মুখে। যিকোনো প্ৰকাৰে জীৱনটো ৰঙীণ কৰিবলৈ গৈ নিজকে অকামিলা কৰি এচাম উৰি ফুৰিছে ভোগবাদৰ নিচাত আৰু এচামে অব্যাহত ৰাখিছে লুটপাত— কাঢ়ি নিয়াৰ ভাবুকি— বুলেটৰ জোৰ। শান্তিৰ সমদল হৈ পৰিছে সুবিধাবাদৰে নামান্তৰ।

আমেৰিকা হোৱাৰ দৌৰত অভ্যস্ত হৈ পৰিছে পিতৃ-পুত্ৰ-কন্যা। পিতৃক লাগে ক্ষমতা, লাগিলে হত্যা কৰা হওক সততাক। প্ৰমূল্যক। তাৰ বাবে শুনা নাপায় তেওঁ চাকৰি বিচাৰি হাঁহাকাৰ কৰি ফুৰা যুৱকৰ বুকুৰ আৰ্তনাদ। মাতৃকো লাগে পুত্ৰ-কন্যাৰ চাহাবী পৰিচয়— মাল্টিনেচনেল কোম্পানীৰ জব্। দিল্লী, মুম্বাইত ফ্লেট। পাৰিলে বিদেশলৈও মুকলি কৰিব পাৰি ৰাস্তা। লাগিলে উচ্ছেদ হওঁক হাজাৰজনৰ ঘৰৰ একমাত্ৰ চালি-গলি গলি চিতা হওঁক ভোকাতুৰ শিশুৰ চাৰনি। ৰাস্তালৈ ওলাই অহা জনতাৰ মিছিলক খেদা হওঁক লাঠিচালনা, কন্দুৱাগেছেৰে। প্ৰতিবাদীক শিকোৱা হওঁক তেজৰ স্পৰ্শৰে মুখ বন্ধ ৰখাৰ শেষ কৌশল।

বাৰে বাৰে ক্ৰুছবিদ্ধ বিবেক। মানৱতাক দিয়া হয় কবৰ।

তেন্তে কাক বাধ্য কৰোৱা হৈছে বিদ্ৰোহৰ গান গাবলৈ— ৰচিত হৈছে ব্যক্তি সন্ত্ৰাসৰ দলিল। আৰম্ভ হৈছে সেনা অভিযান। পোখা মেলিছে ৰাষ্ট্ৰ সন্ত্ৰাসে। ধৰ্ষিতা গাভৰুৰ চকুলো মোহাৰি বুঢ়ী মাকে আখলত জ্বলাইছে জুই। পুত্ৰৰ চিতাত জুই দি বৃদ্ধ পিতৃয়ে বুকুত পুহিবলৈ আৰম্ভ কৰিছে দপ্‌দপ্ আৰু একুৰা জুই।

তাৰপাছতো আপুনি, মই নিমাত।

আমি মাথোঁ থ্ৰীলাৰৰ দৰ্শক। চকুপানীৰ লুণীয়া সোঁতবোৰে, বুকুৰ কুহুমীয়া হুমনিয়াহবোৰে, শৱগৃহত বন্ধ হৈ পৰিব খোজা উশাহবোৰে, বিধবাৰ উকা কপালখনে আৰু নিস্পাপ সেই অকণ অকণ চকুবোৰে আপোনাক, মোক, আমাক সুধিছে এই প্ৰশ্ন— 'তেজৰ শিৰোনাম কেৱল ৰঙাই নেকি?'

আৰু আমাৰ সমুখত ভাঁহি উঠিছে পৃথিৱীৰ বিপদজনক জন্তুটোৰ প্ৰতিবিম্ব!!!

**কেনে আছে 'কটন কলেজ'—**

কটন কলেজ চিৰ যৌৱনা— মেধা আৰু কলাৰ সমাহাৰেৰে এক

অবিৰত সূৰ্যৰ নাম 'কটন কলেজ'। কিন্তু আজিৰ কটন কলেজে যদি উভতি চায় তাহানিৰ কটন কলেজলৈ তেন্তে দেখিবলৈ পাব— সেই ফিৰিঙতিবোৰক যাৰ মেধা আৰু প্ৰতিভাই উচ্চাৰিত কৰিছিল আৱাজ —অসম আৰু উত্তৰ-পূবৰ প্ৰতিটো বাৰ্তাত। নতুনত্ব আৰু পৰিৱৰ্তনমুখী চেতনাৰে জীপাল আছিল তেওঁলোকৰ সময়ৰ কটন কলেজৰ প্ৰতিটো চুক-কোণ। সেই প্ৰাচীন ঐতিহ্য বংশানুক্ৰমিকভাৱে আছেনে জীয়াই আমাৰ মাজতো? সেই প্ৰশ্নই মাজে মাজে গধূৰ কৰি তোলে লাইব্ৰেৰীৰ বুক শ্বেলফবোৰ— কফি হাউচৰ আড্ডাবোৰ, কেণ্টিনৰ চাহ আৰু চিঙৰা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহৰ সন্মুখভাগ নতুবা চুডমাৰ্চনৰ চিৰি গছকি উদাস হোৱা আবেলিবোৰ।

আমি জানো, আমি বুজো— সপোন আৰু সভ্যতাৰ এই যাত্ৰাত কটন কলেজৰ খোজ কেৱল থিয়'ৰি নতুবা প্ৰেক্টিকেলৰ চিলেবাচতে সীমাবদ্ধ নহয়। কটন কলেজে প্ৰাচীন প্ৰজ্ঞা খুলি আগুৱাই নিব বিচাৰে পৰিৱৰ্তনৰ বাটচ'ৰা। পৰিৱৰ্তনৰ বাবে লাগিবই প্ৰতিবাদ, লাগিবই সজাগতা।

আমি জানো, আমি বুজো সপোন আৰু সভ্যতাৰ এই যাত্ৰাত কটন কলেজৰ খোজ কেৱল থিয়'ৰি নতুবা প্ৰেক্টিকেলৰ চিলেবাচতে সীমাবদ্ধ নহয়। কটন কলেজে প্ৰাচীন প্ৰজ্ঞা খুলি আগুৱাই নিব বিচাৰে পৰিৱৰ্তনৰ বাটচ'ৰা। পৰিৱৰ্তনৰ বাবে লাগিবই প্ৰতিবাদ, লাগিবই সজাগতা। কাৰণ কটনিয়ানৰ আৱেগ, বুদ্ধি আৰু চিন্তনৰ মাজতেই জীপাল হৈ উঠে সাহিত্য, কলা, ক্ৰীড়া, নতুবা ৰাজনীতি, সমাজনীতিৰ অৰ্থ। তেনেস্থলত অন্যায়-অবিচাৰৰ বিপৰীতে মূৰ দাঙি উঠাতো, সমাজৰ বিশৃংখলতা অথবা অস্থিৰতাৰ বিপক্ষে শক্তিশালী ভূমিকা লোৱাটো কটনিয়ানৰ সামাজিক অধিকাৰ। বুনিয়াদী দায়িত্ব। কাৰণ ছাত্ৰক ৰাজনীতিৰ পৰা দূৰত ৰখা, প্ৰতিবাদী কাৰ্যসূচীৰ পৰা দূৰত ৰাখি কেৱল চিলেবাচৰ হুকুমত ছাত্ৰৰ নামাকৰণ কৰাৰ অৰ্থ কটনিয়ানে ঠিকেই বুজে। লবীকেন্দ্ৰিক ৰাজনীতিৰ বিপৰীতে সুস্থ বিচাৰ-বুদ্ধিৰে ছাত্ৰ আৰু সমাজৰ হকে মাত মাতিব পৰা কটনিয়ানসকলে মনত ৰখা উচিত তেওঁলোক বৃহৎ অসমীয়া জাতিৰ অংশস্বৰূপ। তেওঁলোক অসমীয়া শিক্ষাৰ প্ৰাঙ্গনৰ পদূলিত থিয় দিয়া সমগ্ৰ বিশ্বৰ নজিৰ ৰাখোতা স্বৰূপ। অসমীয়া কৃষ্টি-সংস্কৃতি, ৰাজনীতি, অসমীয়া ভাষা আৰু জাতিসত্তাৰ সৰ্বাঙ্গীন বিকাশত কটনিয়ানৰ অংশগ্ৰহণে ৰচে প্ৰগতিশীল সৃষ্টিৰ বাট। ইতিহাসে তাকে সোঁৱৰায়। অথচ সেই ধাৰাবাহিকতাৰ মন্থৰতাই নিৰাশ কৰে বৰ্তমানক। কেৱল মেধা আৰু মাৰ্কচিটক লৈ ব্যস্ত থকা কটনিয়ানসকলৰ নিৰাশাই সমাজকো হেঁচা মাৰি ধৰে। আমাক প্ৰয়োজন তেওঁলোকৰ গতিশীলতা আৰু সমাজ সচেনতাৰ। চিন্তন আৰু প্ৰকাশমুখীতাৰ। যাতে চমৰাজানৰ বালিৰ কাৰণ বিছাৰি তেওঁলোকে পায়গৈ গাড্ডাফিৰো পতনহীনতাৰ যুক্তি। বিশ্ব অৰ্থনীতিত আমেৰিকাৰ মন্দাৱস্থাৰ পৰা অসমৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ ধাৰাক লৈও আলোচিত হওঁক তেওঁলোকৰ মাজত। বৰলুইতৰ পাৰৰ বড়ো, ৰাভা, মিচিঙ কৃষ্টি বুটলি— সোৱণশিৰি, নৰ্মদা, তিস্তা পাৰ হৈ তেওঁলোকো যাতে বিয়পি পৰে ইৰাৱতী, ভল্গা নতুবা মেকঙলৈ।

**আঁতৰিব হতাশাৰ ডাৱৰ**

সময়ৰ এই জটিল চক্ৰবেহুৰে পদে পদে শংকিত কৰে খোজবোৰক। ক'ত বিশ্বাস-ক'ত নিৰাপত্তা! যন্ত্ৰণাকাতৰ কৰুণ পৰিণতিবোৰে বাৰে বাৰে ওলট পালট কৰে 'মানুহ' হোৱাৰ সংজ্ঞা। ভোগবাদৰ এই প্ৰতিযোগিতাত নিজৰ সৈতেই মোকাবিলা কৰি ভাগৰি পৰে বহুবোৰ খোজ। তাৰ মাজতে তেজ, ঘাম আৰু চকুলোৰ সোঁত মোহাৰি চিৰন্তন চেতনাৰে জী উঠে হৃদয়ৰ আহ্বান- মানৱতাৰ আৱাজ। স্থবিৰতা সময়ৰ শিৰোনাম নহয়। হতাশাই দীৰ্ঘদিনলৈ শিল কৰিব নোৱাৰে লক্ষ্যক। সেয়ে নিজকে বাৰে বাৰে সোঁৱৰাই সময়ে, আঁতৰিব হতাশাৰ ডাৱৰ আৰু সমুখলৈ আগুৱাই গৈ থাকিব পৰিৱৰ্তনকামী খোজবোৰ—

— *জুৰি বৰুৱা*

ড° ভূপেন হাজৰিকা
শ্ৰদ্ধাঞ্জলি চ'ৰা



জন্মঃ ৮ ছেপ্তেম্বৰ ১৯২৬
মৃত্যুঃ ৫ নৱেম্বৰ ২০১১

অংকনঃ অভিবেক চন্দা

# কটন কলেজ

কটন কলেজ, কটন কলেজ
ওঠৰ শ নিৰানব্বৈ চন— ব্ৰিটিছ শাসন।
মাণিক চন্দ্ৰ বৰুৱাৰ প্ৰতিবেদন
প্ৰাগজ্যোতিষপুৰতে কৰিব লাগিবই
এখনি কলেজ স্থাপন।।

    উনৈশ শ এক আৰু দুহেজাৰ এক
    এই উজ্জ্বল এশটা বছৰ
    অসমীৰ কপালত ভোটাতৰা জিলিকিছে
    হেনৰী কটন কলেজৰ
    আমাৰ কটন কলেজৰ।

কটন কলেজ, কটন কলেজ
আমাৰ কটন কলেজ।।

    কটন কলেজ
    চিকমিকনি নহয়, পুৱাতেই অস্ত যোৱা
    কটন কলেজ হ'ল জ্ঞানৰ
    উৎসা-উদ্দীপনা যোগোৱা।

উনৈশ শ একৰ সাতাইছ মে'ত
বিহগী কবি ৰঘুনাথ ৰচিত
উদ্বোধনী গীত হ'ল নিনাদিত
নবীন বৰদলৈ কৰ্মবীৰে
যন্ত্ৰসংগীতেৰে কৰে সজ্জিত।

    উনৈশ শ সোতৰত পোৱা হ'ল স্বীকৃতি
    বিশ্ববিদ্যালয়ৰ সন্মান (মাথোঁ) সোতৰ বছৰত
    পৃথিৱীয়ে শলাগিলে গুণগত বৈশিষ্ট্যৰ মান।।

ভুবন দাস আৰু হেনৰী কটন, ছুইট চাহাব
ছুডমাৰ্চন আৰু শিক্ষাবিদ যত
সবে মিলিজুলি কটন কলেজতে
জ্ঞানৰ হেঁপাহ কৰে চিৰ জাগ্ৰত।

    জ্ঞানৰ গভীৰ, বিজ্ঞানত গভীৰ
    খেলত সুস্থিৰ, কলাত অধীৰ
    হৈ আগবাঢ়ো আমি কটনিয়ান।

যোৱা শতিকাৰ ঐতিহ্যৰে।
আগুৱাওঁ আহা হৈ চিৰ বলিয়ান,
কটনিয়ান, আমি কটনিয়ান।।

    পৃথিৱী আজি হ'ল গ্লবেল ভিলেজ
    জিন্দাবাদ কটন কলেজ,
    কটন কলেজ, কটন কলেজ।

*(মুম্বাই, ২৮ মাৰ্চ, ২০০০)*

# গণশিল্পী ভূপেন হাজৰিকাৰ গীতত প্ৰগতিবাদ

**দিলীপ ৰাজবংশী**
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*



প্ৰায় সাতটা দশক জুৰি কণ্ঠৰ যাদুৰে অসম তথা ভাৰতবৰ্ষৰ মানুহক মোহাচ্ছন্ন কৰি ৰাখি ২০১১ চনৰ ৫ নৱেম্বৰ তাৰিখে অনন্ত ধামলৈ গতি কৰা বিশ্ববৰেণ্য সংগীত শিল্পী ভূপেন হাজৰিকাৰ দ্বাৰা সৃষ্ট গীতবোৰৰ বিষয়বস্তু ভিন ভিন। জীৱনৰ সুদীৰ্ঘ সময়ছোৱাত অসামান্য প্ৰতিভাধৰ এই গৰাকী গায়ক, সুৰকাৰ, গীতিকাৰ আৰু কথাছবি নিৰ্মাতাই সময়ে সময়ে বিভিন্ন বিষয়বস্তুৰ গীতৰ মাজেদি মানুহৰ ছবি অঙ্কন কৰিছিল। গীতৰ যোগেদি তেওঁ সমাজৰ সকলো শ্ৰেণীৰ শ্ৰোতাৰ অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল। কৃষক-শ্ৰমিকৰ নিৰ্ভেজাল ছবি, কেচামাটিৰ গোন্ধ, বিভিন্ন জনগোষ্ঠীৰ জীৱন সংগ্ৰামৰ ছবি, বিষয়বস্তুৰ ঘনত্ব আদি সুধাকণ্ঠৰ গীতৰ মাজত বিদ্যমান। সৃষ্টিৰ যোগেদি মানৱীয় মহত্বৰ জয়গান গোৱা এইগৰাকী মানৱদৰদী শিল্পীৰ গীতৰ ভাষাত মানৱতা বহুদিশেৰে গৌৰৱান্বিত। জন্মগত প্ৰতিভা, অতুলনীয় দক্ষতা আৰু বুদ্ধিদীপ্ততাৰে অসমীয়া সংগীতক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰি থৈ যোৱা এই মহান শিল্পী গৰাকীৰ গীত নানাৰঙী বিষয়বস্তুৰে প্ৰাণ পাই উঠিছিল। বিষয়বস্তুৰ বিস্তৃতি অনুসৰি হাজৰিকাৰ দ্বাৰা সৃষ্ট গীতবোৰক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি—

ক) সামাজিক বিষয়ৰ গীত
খ) প্ৰগতিবাদীধাৰাৰ গীত
গ) প্ৰেমৰ গীত
ঘ) জাতীয় প্ৰেমৰ গীত
ঙ) সমসাময়িক বিষয়বস্তুৰ গীত
চ) ব্যক্তিগত প্ৰাণৰ গীত
ছ) শিশুসকলৰ গীত ইত্যাদি।

ভূপেন হাজৰিকাই পৰিৱেশ অনুযায়ী খাপখোৱা গীত ৰচনা কৰি সমাজৰ বিভিন্ন দিশৰ আলোকপাত কৰিছিল। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ইতিহাস, সংস্কৃতি, সমাজ জীৱন আৰু ঘটনা পৰিঘটনাবোৰ প্ৰত্যক্ষ কৰি গণশিল্পীয়ে সৃষ্টি কৰিছিল কালজয়ী গীতবোৰ।

জনতাৰ শিল্পী ভূপেন হাজৰিকাৰ বিবিধ বিষয়ক গীতবোৰৰ ভিতৰত প্ৰগতিবাদী ধাৰাৰ গীতবোৰে এক সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে। সমাজ বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত তেওঁৰ দ্বাৰা সৃষ্ট প্ৰগতিবাদী গীতবোৰৰ মাজেদি বিশ্বৰ শোষিত, নিষ্পেষিত জনতাৰ অকৃত্ৰিম ছবি প্ৰতিফলিত হৈছে। বিশ্ব ভাতৃত্ব, সম্পদৰ ওপৰত সমঅধিকাৰ, শ্ৰমৰ মৰ্যাদা আদি এই শ্ৰেণীৰ

গীতৰ মূল বক্তব্য। তেওঁ সংগীতৰ মহাবিশ্বত খোজ পেলায়েই সৃষ্টি কৰা গীতত মানৱদৰদ আৰু সমাজক নতুনকৈ গঢ়াৰ প্ৰত্যয় দেখা যায়। 'নৰকঙ্কালৰ অস্ত্ৰ সাজি শোষণকাৰীক বধিম' আদি ধ্বনিৰে প্ৰাণৱন্ত গীত সৃষ্টি কৰি তেওঁ সমাজ পৰিৱৰ্তনৰ বাট বিচাৰিছিল। শোষণকাৰীৰ বিৰুদ্ধে, অত্যাচাৰীৰ বিৰুদ্ধে, দমনকাৰীৰ বিৰুদ্ধে, শ্ৰমিকৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে ৰচিত হাজৰিকাৰ গীতবোৰ বহুক্ষেত্ৰত তৰোৱালতকৈও চোকা।[1] তেওঁৰ দ্বাৰা সৃষ্ট এই শ্ৰেণীৰ গীতত সাম্যবাদৰ স্পষ্ট প্ৰতিধ্বনি শুনা যায়। ৰক্ষণশীল ভাৰতীয় সমাজত যুগ যুগ ধৰি চলি অহা জাতিভেদ, হাজাৰ বছৰীয়া দাৰিদ্ৰতা, অনীতি-অন্যায় আদি প্ৰত্যক্ষ কৰি তাৰ সমাধানৰ উপায় তেওঁ গীতেৰেই বিচাৰিছিল। অতুলনীয় প্ৰতিভাৰ অধিকাৰী এই গৰাকী বিশ্বশিল্পী সঁচা অৰ্থত মানুহৰ শিল্পী আছিল। জীৱনৰ আগবয়সতে গণসংযোগৰ দৰে বিষয়ত গৱেষণা কৰি পৃথিৱীৰ মানুহৰ কোঁহে কোঁহে সোমাই কেৱল মানুহকে বুজিব বিচাৰিছিল। গীতৰ ভাষাৰে সমাজৰ সকলো স্তৰৰ মানুহে অনায়াসে বুজিব পৰাকৈ সমস্যাবোৰ দাঙি ধৰি ঐক্যবদ্ধ প্ৰচেষ্টাত এইবোৰ নিৰ্মূলৰ বাট বিচাৰিছিল। কৃষক-শ্ৰমিক, সৰ্বহাৰাৰ ছবি জিলিকি উঠা তেওঁৰ এই গীতবোৰ সমাজৰ সাধাৰণজনৰ জীৱন মৰুভূমিত এটুপি আশাৰ পানী। পৃথিৱীত মানুহ সত্য, মানুহৰ বাবে মানুহেই ভাবিব লাগিব—

*মানুহে মানুহক বেচিব খুজি*
*মানুহে মানুহক কিনিব খুজি*
*পুৰণি ইতিহাস দোহাৰিলে*
*ভুল জানো নহ'ব কোৱা... সমনীয়া।*

মানৱতা বিপৰ্যস্ত হোৱা সময়বোৰত তেওঁ সাধাৰণজনৰ ওচৰত থিয় হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছিল। সংগীতৰ যোগেদি ব্যক্তি আৰু সমাজৰ উত্তৰণ ঘটাইছিল, সৰ্বসাধাৰণক মুক্তিৰ বাট দেখুৱাইছিল। দ্বন্দ্বাত্মক বস্তুবাদত বিশ্বাসী, কৃষক শ্ৰমিকৰ জীৱন চৰ্যাৰ ছবি জিলিকি উঠা হাজৰিকাৰ প্ৰগতিবাদী গীতবোৰৰ ভাষাও হৃদয়স্পৰ্শী। সুৰ আৰু কথাৰ সু-সমন্বয়ে তেওঁৰ এই শ্ৰেণীৰ গীতক এক বিশিষ্টতা প্ৰদান কৰিছে। যুগে যুগে শোষিত, বঞ্চিত আৰু লাঞ্ছিত কৃষক সকলৰ জীৱনৰ ছবি দেখি তেওঁৰ অন্তৰাত্মাই হাহাকাৰ কৰিছিল। কৃষক সকলৰ দুখ বেদনাৰ সৈতে তেওঁ সম-মৰ্মিতা প্ৰকাশ কৰিছিল এইদৰে—

*শীতৰে সেমেকা ৰাতি*
*বস্ত্ৰবিহীন কোনো খেতিয়কৰ*
*ভাগি পৰা পঁজাটিৰ*
*তুঁহ জুই একুৰাৰ*
*উমি উমি জ্বলি থকা*
*ৰক্তিম যেন এটি উত্তাপ হওঁ—*

বিশ্বৰ চৌদিশে কৃষক শ্ৰমিক নিৰ্যাতিত। ন্যূনতম প্ৰাপ্যখিনি বিচাৰি এই শ্ৰেণী মানুহে নিজৰ জীৱন তিলতিলকৈ ধ্বংসৰ মাজলৈ ঠেলি দিবলগীয়া হয়। জীয়াই থকাৰ মৰ্যদাৰ সলনি এওঁলোকে লাভ কৰে জমিদাৰ অথবা মালিক পক্ষৰ নিৰ্মম অত্যাচাৰ, বলি হয় শোষণৰ। কৃষক-শ্ৰমিকৰ কঠোৰ শ্ৰম আৰু ত্যাগৰ বাবে সামন্তবাদী জমিদাৰ আৰু মালিক পক্ষৰ জীৱন সুখৰ হয়। তথাকথিত 'বৰ বৰ' মানুহৰ জীৱনৰ আঁৰত সাধাৰণ মানুহৰ জীৱনৰ দুখ-বেদনা লুকাই থাকে। জীয়াই থকাৰ আশা মৰহি যায়। হাজৰিকাৰ গীতত এই মানুহবোৰৰ অন্তৰৰ বেদনা ফুটি উঠিছিল এইদৰে—

*দোলাৰ ভিতৰত তিৰ্‌বিৰ্ কৰিছে*
*চহকী পাটৰে পাগ*
*ঘনে ঘনে দেখিছো লৰচৰ কৰিছে*
*শুকুলা চোঁৱৰৰ আগ*
*মোৰহে ন'ৰাটিক এইবাৰ বিহুতে*
*নিদিলো সূতাৰে চোলা—*

এই গীতবোৰৰ ভাষাৰ মাজত পৃথিৱীৰ সমগ্ৰ শ্ৰমজীৱি মানুহৰ ইতিহাস সোমাই আছে। শ্ৰমিক শ্ৰেণীয়ে নিজৰ সৰ্বস্ব ত্যাগ কৰি মালিক পক্ষৰ মুখত হাঁহি বিৰিঙাই ৰাখে; মালিক পক্ষৰ সুখ-আনন্দ এওঁলোকৰ জীৱনৰ মহামন্ত্ৰত পৰিণত হয়।

ভূপেন হাজৰিকা একক আৰু অনন্য। তেওঁৰ গীতৰ কথা আৰু সুৰৰ মায়াজালে পৃথিৱীৰ মানুহক এডাল ৰছীৰে বান্ধি ৰাখিব পাৰে। গীতৰ যোগেদিয়ে তেওঁ লুইতৰ পৰা গংগা-মিচিচিপি-ভল্গা হৈ, অটোৱাৰ পৰা পেৰিছ পাবগৈ পাৰে, মাৰ্ক টোৱেইনৰ সমাধিত বহি গৰ্গীৰ কথা ক'ব পাৰে। দ্বিতীয় বিশ্বযুদ্ধ, পল ৰবছনৰ মুক্তিগান, হিটলাৰৰ আগ্ৰাসন, ভাৰতবৰ্ষৰ বিভাজন আদি যুগান্তকাৰী ঘটনাবোৰৰ প্ৰত্যক্ষদৰ্শী হাজৰিকা এইবোৰৰ পৰা অভিজ্ঞতাৰে পৰিপুষ্ট হৈ উঠিছিল।[2] আমেৰিকাত উচ্চশিক্ষা লাভ কৰিবলৈ গৈ পল ৰবচনৰ দৰে বিশ্বৰ অন্যতম গণশিল্পীক লগপোৱাৰ পিছত তেওঁৰ সাম্যবাদী চিন্তা অধিক সু-দৃঢ় হৈ উঠিছিল। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা, হেমাংগ বিশ্বাস আদিৰ দৰে গণনেতাৰ প্ৰত্যক্ষ সংস্পৰ্শ লাভ কৰা হাজৰিকাৰ প্ৰগতিবাদী চিন্তা-চৰ্চাই ভাৰতীয় গণনাট্য সংঘৰ দৰে মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী সংগঠনৰ মঞ্চত অধিক প্ৰকাশ্য ৰূপ লাভ কৰিছিল। প্ৰকৃতাৰ্থত এই সংগঠনৰ

মঞ্চতে তেওঁৰ পূৰ্বৰ সাম্যবাদীধাৰা অধিক তীব্ৰ হৈ উঠিছিল। ১৯৫৫ চনত ভাৰতীয় গণনাট্য সংঘৰ অসম শাখাৰ উপ-সভাপতি পদো তেওঁ পৰিচালনা কৰিছিল। সাম্যবাদী ভাৱধাৰাই শোষিত-নিৰ্যাতিত বিশ্বমানৱৰ প্ৰতিনিধি ৰূপে তেওঁক গঢ়ি তুলিছিল—

*মিচিচিপিৰ পাৰতে*
*কপাহৰ খেতিতে*
*নিগ্ৰো 'জনে' বিনালে*
*কৈ মানুহৰ বৰণৰ কথা—*
*লুইতৰে পাৰৰে গাঁৱৰে মৰিশালিত*
*ৰংমনে নিতৌ চিঞৰে*
*কৈ বোৱতী মনৰে কথা—*

............................

*মই দেখিছো অনেক গগন চুম্বী অট্টালিকাৰ শাৰী*
*তাৰ ছাঁতেই দেখিছো কতনা গৃহহীন নৰ-নাৰী*
*মই দেখিছো কিছু ঘৰৰ সমুখ বাগিচাৰে আছে ভৰি*
*আৰু দেখিছো মৰহা ফুলৰ পাপৰি অকালতে পৰা সৰি—*

মানুহৰ সমাজৰ শ্ৰেণী বিভাজনৰ এই ৰূপ দেখি তেওঁ সেইবোৰ অনুভৱী চেতনাৰে গীতৰ ভাষাৰে জীৱন্তৰূপত প্ৰকাশ কৰিছিল। শ্ৰেণীহীন সমাজ এখন গঢ়াৰ সপোন তেওঁ ল'ৰালিৰ পৰাই দেখিছিল। তেওঁৰ প্ৰগতিবাদী ভাৱধাৰাৰ গীতখিনিয়ে এই কথাবোৰকে যেন পৃথিৱীৰ মানুহক বুজাব খুজিছিল। হাজৰিকাৰ এই ধাৰাৰ গীতখিনিৰ মাজত ফুটি উঠা সপোন হ'ল— বৈজ্ঞানিক সমাজবাদ আৰু সম অধিকাৰৰ। সাম্যবাদী ধ্যানধাৰণাৰে পৰিপূৰ্ণ এই গীতবোৰৰ যোগেদি তেওঁ অতিজনৰ ওচৰত থিয় হৈ সহায়ৰ হাত আগবঢ়াইছিল। হাড়ভঙা পৰিশ্ৰমেৰে নিজৰ জীৱন বিপন্ন কৰা শিলভঙা শ্ৰমিক, কয়লাখনিৰ বণুৱা, ৰেলৰ শ্ৰমিক, চাহবাগানৰ খাটিখোৱা মজদুৰ, সৰ্বস্ৰান্ত কৃষক আদি সমাজৰ অৱহেলিত সকলৰ জীৱনৰ নিৰ্মোহ ছবি তেওঁৰ গীতত জীৱন্ত হৈ উঠিছিল। প্ৰচলিত সাংগীতিক ধাৰাৰ পৰা ফালৰি কাটি হাজৰিকাই সৃষ্টি কৰিছিল এক সুকীয়া সাংগীতিক ধাৰা। থলুৱা গীত-মাতৰ উপৰিও বিভিন্ন প্ৰান্তৰ বিষয়বস্তু সংমিশ্ৰিত ৰূপত তেওঁৰ কণ্ঠত প্ৰাণ পাই উঠিছিল। সামাজিক শোষণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ, দলিতৰ প্ৰতি সহানুভূতি আদি তেওঁৰ গীতবোৰত হৃদয়স্পৰ্শী ৰূপত ফুটি উঠিছিল।[৩] সমগ্ৰ বিশ্বৰ বেছিভাগ শাসক পক্ষৰে সমাজবাদ বৰ্হিভুত নীতিয়ে হাজৰিকাক মেহনতী জনতাৰ ছবি সম্বলিত গীত ৰচনাৰ প্ৰতি অনুপ্ৰেৰণা যোগাইছিল।

ভূপেন হাজৰিকাৰ সৃষ্টি চেতনাৰে ভৰপূৰ গীতবোৰ সময়ৰ সৃষ্টি। পৰাধীন ভাৰতবৰ্ষত বৃটিছৰ দমন, শোষণ, অত্যাচাৰ নীতিৰ মুখামুখি হৈ 'অগ্নিযুগৰ' ওপৰেৰে পাৰ হৈ অহা তেওঁ অভিজ্ঞতাপুষ্ট শিল্পী। সেইবাবেই মাথোঁন ১৩ বছৰ বয়সতে তেওঁ লিখিছিল 'অগ্নিযুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম'।[৪] আমেৰিকা যুক্তৰাষ্ট্ৰলৈ অধ্যয়নৰ বাবে গৈ এচিয়াৰ দেশবোৰৰ জ্বলন্ত সমস্যাবোৰ ৰাষ্ট্ৰসংঘৰ মজিয়াত উত্থাপন কৰিছিল। আমেৰিকাৰ জেফাৰছন স্কুলত মাৰ্ক্সবাদৰ পাঠ গ্ৰহণ কৰিছিল। বহু বছৰ ধৰি চলি অহা শ্বেতাংগ-কৃষ্ণাংগ আন্দোলনতো তেওঁ অংশগ্ৰহণ কৰিছিল।[৫]

মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী ভাৱধাৰা আৰু সমাজবাদৰ পক্ষে মাত মাতি ৰাইজৰ ছবি গীতত ফুটাই তোলাৰ বাবে সমাজত তেওঁৰ গীত অধিক জনপ্ৰিয়। সমগ্ৰ পৃথিৱীতে দুই ধৰণৰ দুখন ছবি— এখনত পুঁজিপতিৰ প্ৰাসাদোপম অট্টালিকা আনখনত নিজৰ সন্তানক এসাজ পেটভৰাই খুৱাব নোৱাৰা অথবা বেমাৰ আজাৰত নূন্যতম চিকিৎসাখিনিও প্ৰদান কৰিব নোৱাৰা দুৰ্ভগীয়া মাতৃৰ কৰুণ চিৎকাৰ। পৃথিৱীৰ বেছিভাগ দেশতে অনাহাৰত অকাল মৃত্যু হয় শিশু-আকাল-বৃদ্ধ-বনিতাৰ, চিকিৎসাৰ অভাৱত বহুতৰ অকালতে প্ৰাণ যায়। হাজৰিকাৰ গীতত এই মানুহবোৰৰ জীৱন-দুৰ্দশাৰ প্ৰতিফলন ঘটিছিল। বানে বিধ্বস্ত কৰা অসমৰ এটি পৰিয়ালৰ সৰ্বস্ৰান্তৰূপ, বেমাৰত ছটফটাই ভোকত শিশুৰ মৃত্যুবৰণ কৰা সেই পৰিয়ালৰ দুৰ্ভাগ্যৰ ছবি, লগতে সেই পৰিস্থিতিৰ বিৰুদ্ধে সংগ্ৰামৰ জন্ম তেওঁৰ গীতত ফুটি উঠিছিল এইদৰে—

*কপালত হাত দি*
*পানেয়ে দেখিছে*
*পোনাটিৰ হু হু জ্বৰ*
*ঔষধো নাই, গাখীৰ নাই*
*ফল নাই, মূল নাই*
*তেনেই উদং ঘৰ—*

......................................

*পানেইৰ চকু দুটি হ'ল ৰঙা ফিৰিঙতি*
*শেষ হ'ল তপত চকুলো*
*চকুৰ পানীবোৰ শুকুৱাই পেলালো*
*এইবাৰ পন লৈ ৰণলৈ ওলালো—*

গীতৰ যোগেদিয়ে মানুহৰ কথা কোৱা ভূপেন হাজৰিকাই কেইবাটাও লোভনীয় পদবী প্ৰত্যাখ্যান কৰি সাধাৰণ মানুহৰ মাজত নিজকে বিলাই দিয়াৰ প্ৰচেষ্টা কৰিছিল। কৰ্তৃপক্ষৰ

সৈতে হোৱা মতান্তৰৰ বাবেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদো ইস্তফা দিছিল। মানুহৰ হকে কাম কৰাৰ এবুকু আশা আৰু দুচকুত অযুত স্বপ্ন লৈ তেওঁ নিজকে গঢ় দিছিল এজন গণশিল্পীৰূপে। গীতৰ ভাব-ভাষা আৰু সুৰেৰে প্ৰতিজন মানুহৰ হৃদয় স্পৰ্শ কৰিছিল। অসমৰ প্ৰতিটো দুৰ্যোগৰ সময়ত হাজৰিকাৰ গীতৰ ভাষাই অসমীয়া মানুহক দিছিল অভয়বানী, জীয়াই থকাৰ সাহস। শান্তি-সম্প্ৰীতিৰ হকে মাত মাতি জাতপাতৰ উৰ্দ্ধৰ এখন সমাজ গঢ়াৰ সপোন তেওঁ সদায় দেখিছিল। সমাজৰ সকলো মানুহক একতাৰ দোলেৰে বান্ধি ঐক্যবদ্ধ সংগ্ৰামৰ যোগেদি এখন শ্ৰেণীহীন সমাজ গঢ়াৰ সপক্ষে মাত মাতিছিল। এখন এনেকুৱা সমাজ য'ত সকলো শ্ৰেণীৰ মানুহৰ অধিকাৰ সমান হ'ব, প্ৰকৃত গণতন্ত্ৰ ৰক্ষা হ'ব—

*যন্ত্ৰ যুগৰ সুমহান কৃষ্টিৰে*
*মানুহৰ মুক্তিৰ গৰিম সোপান*
*নতুনৰ গতি খেদি বাহুৰে বাহুৰে বন্ধা,*
*আকাশ পৰশি যোৱা*
*একতাৰ বান্ধোনক*
*ৰুধিব কোনে?*
*সাম্যৰ ধুমুহাই ঠেলে—*

সৃষ্টিৰ মাজেদিয়ে সকলোখিনি উজাৰি দিয়া ভূপেন হাজৰিকা অতুলনীয়। সময়ে তেওঁক বহুদূৰ আগুৱাই লৈ গ'লেও তেওঁৰদ্বাৰা সৃষ্ট প্ৰগতিবাদী ধাৰাৰ গীতখিনিয়ে বিশ্বত সদায়ে শ্ৰেণীহীন সমাজ এখন গঢ়াৰ বাবে মাত মাতি যাব। এসময়ৰ অক্লান্ত দুৰন্ত তৰুণ; চিনেমা, গীত, সাহিত্য আদিৰ জৰিয়তে মানুহৰ কথা কোৱা এই গণশিল্পী আজি কায়িকভাৱে আমাৰ মাজত নাই। জীৱনৰ বিয়লি বেলাত প্ৰগতিবাদৰ সম্পূৰ্ণ বিপৰীত পুঁজিবাদী ধাৰণাৰ মাজত সোমাই পৰাটো হয়তো মানুহৰ বাবে কিবা এটা কৰাৰ উকমুকনিৰ বাবেই হৈছিল। ভূপেন হাজৰিকাৰ দৰে বিৰল প্ৰতিভাসম্পন্ন ব্যক্তিৰ এই বিচ্যুতিৰ কাৰণ সৰ্বসাধাৰণ ৰাইজৰ বাবে কিবা এটা কৰাৰ দুৰন্ত হেঁপাহ। কিয়নো তেওঁৰ দৰে শিল্পী গৰাকীয়ে চাৰিওপিনে সমানে সময় দিব নোৱাৰিছিল অথচ মানুহক এৰি থাকিবও নোৱাৰিছিল। যাৰবাবে মানুহৰ কাৰণে কিবা এটা কৰাৰ দুৰ্বাৰ তাড়নাত হঠাৎ কেতিয়াবা ক'ৰবাত জঁপিয়াই পৰিছিল। তেতিয়াই হয়তো কিছু ভুল হৈও গৈছিল।[৬] হাজৰিকাৰ ক্ষেত্ৰটো হয়তো সেয়াই হৈছিল অথবা পুঁজিবাদৰ হাতোৰাই তেওঁৰ দৰে গণশিল্পীক গণ বিচ্ছিন্ন কৰি পুঁজিবাদৰ জয়গান কৰাৰ সেয়া এক নিষ্ফল প্ৰচেষ্টাও হ'ব পাৰে। বুৰ্জোৱাসকলে তেওঁৰ দৰে মানৱদৰদী সৰল প্ৰাণৰ ব্যক্তিক হাতলৈ নি চমক সৃষ্টি কৰাৰ সেয়া হয়তো এক প্ৰতাৰণা হ'ব পাৰে।

তথাপিও ভূপেন হাজৰিকা গণশিল্পী। 'যাযাবৰ' শিল্পী ভূপেন হাজৰিকা মানুহৰ হৃদয়ৰ শিল্পী। মৃত্যুৰ পিছত অগণন জনতাৰ তেওঁৰ প্ৰতি পাৰভঙা যি শ্ৰদ্ধা দেখা গ'ল তাৰ পৰাই বুজিব পাৰি তেওঁ মানুহৰ অন্তৰৰ নিভৃততম কোণলৈ কিদৰে প্ৰৱেশ কৰিছিল। মানুহৰ হৃদয়ত তেওঁৰ ছবি কিদৰে খোদিত হৈছিল। ৰাইজৰ আকুণ্ঠ মৰমৰ বাবে চৰকাৰী কতৃপক্ষই তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠান আৰু এদিনলৈ পিছুৱাই দিয়াত 'দৈনিক অসম'ৰ দৰে ৰুচিশীল কাকতে প্ৰথম পৃষ্ঠাৰ শিৰোনাম দিছিল— *'বাৰে বাৰে বাটৰ মানুহো আপোন হৈছে বৰ আৰু এৰাতি ৰৈ গ'ল যাযাবৰ।'*[৭]

তেওঁৰ গীতে মানুহৰ কথা কয়। মানুহক বাদ দি তেওঁ থাকিব নোৱাৰিছিল। প্ৰগতিবাদীধাৰাৰ গীতখিনি সকলো দিশৰ পৰাই তেওঁৰ অন্যতম শ্ৰেষ্ঠ সৃষ্টি। তেওঁৰদ্বাৰা সৃষ্ট অন্যান্য বিষয়বস্তুৰ গীতবোৰো যথেষ্ট উচ্চমানদণ্ডৰ। সেইবাবেই বিশাল প্ৰাণৰ অধিকাৰী এই গৰাকী বিশ্বশিল্পীৰ গীতৰ মূল্যায়ন কৰিবলৈ যোৱাটো যথেষ্ট কঠিন কাম। আকাশসম প্ৰতিভাৰ গৰাকী এই মহানশিল্পীৰ সৃষ্টিৰাজি সৰ্বকালৰ সকলো মানুহৰ বাবে প্ৰাসংগিক। সেইবাবেই ভূপেন হাজৰিকাৰ গীত একক আৰু অনন্য যাৰ তুলনা নহয়। প্ৰগতিবাদী ধাৰাৰ গীতবোৰে এই দিশত তেওঁক সদায়ে সুকীয়া স্থানৰ গৰাকী কৰি ৰাখিব।

**পাদটীকা ঃ**

*১। দত্ত, দিলীপ ঃ ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ ভূমি পাব্লিচিং কোম্পানী, কলিকতা। আগষ্ট, ১৯৯২, পৃষ্ঠা ৫১।*
*২। সম্ভাৰ ৬ ছেপ্তেম্বৰ, ২০০৭, পৃষ্ঠা ৭, প্ৰাসংগিক প্ৰবন্ধ ঃ কিমানদিনলৈ জীয়াই থাকিব ভূপেন হাজৰিকা— বিদ্যুৎ কুমাৰ ভূঞা।*
*৩। সাতসৰী, প্ৰথম বছৰ, একাদশ সংখ্যা, ২০০৬, তফজ্জুল আলী, অনুৰাধা শৰ্মা পূজাৰী, মৃণাল কলিতাৰ প্ৰবন্ধ।*
*৬। দৈনিক অসম, ৪৯ সংখ্যা, ৯ নৱেম্বৰ, ২০১১।*

# গণতান্ত্ৰিক ব্যৱস্থাৰ শ্ৰেষ্ঠতা আৰু ইতিহাস

**উদয়াদিত্য ভৰালী**
*প্ৰাক্তন অধ্যক্ষ, কটন কলেজ*

গণতান্ত্ৰিক ব্যৱস্থাই শ্ৰেষ্ঠ ৰাষ্ট্ৰব্যৱস্থা— প্ৰাচীন যুগৰ পৰা বৰ্তমানৰ যুগলৈকে ইতিহাসে তাৰেই সাক্ষ্য দিয়ে। আধুনিক যুগৰ গণতান্ত্ৰিক ব্যৱস্থাৰ লেখিয়া ৰাষ্ট্ৰব্যৱস্থা যদিও পৰিস্থিতিগত কাৰণত প্ৰাচীন যুগত নাছিল, কিন্তু আজিৰ তুলনাত সীমিত ৰূপৰ হ'লেও কেইটামান গণতান্ত্ৰিক ৰাষ্ট্ৰব্যৱস্থাৰ দৃষ্টান্ত প্ৰাচীন যুগৰ ইতিহাসতো আছে। এই আলোচনাৰ বাবে বিশেষ গুৰুত্বৰ কথাটো হ'ল— ইতিহাসলৈ চকু দিলে দেখা যায়— যিকেইটা প্ৰাচীন সভ্যতাত গণতান্ত্ৰিক উপাদান আছিল সেইকেইটাত প্ৰতিভাৰ বিকাশ আন প্ৰাচীন সভ্যতাকেইটাৰ তুলনাত অধিক গভীৰ আৰু ব্যাপক ৰূপেৰে ঘটিছিল।


উদাহৰণস্বৰূপে প্ৰাচীন সভ্যতাসমূহৰ মাজত যিটো সভ্যতাই সৰ্বাধিক অতি গভীৰ তথা চমৎকাৰ সৃষ্টিৰাজিৰ গৰাকী হিচাপে ইতিহাসত স্থান পাইছে সেইটো হ'ল— প্ৰাচীন গ্ৰীচৰ এথেন্সৰ সভ্যতা। সেই নগৰ ৰাষ্ট্ৰখনৰ সভ্যতা আছিল গণতান্ত্ৰিক। (ই হওঁতে সঁচা যে সেই ৰাষ্ট্ৰ ব্যৱস্থাত ক্ৰীতদাস প্ৰথাৰো প্ৰচলন আছিল। সেই ক্ৰীতদাসকলক গণতান্ত্ৰিক অধিকাৰ সম্পন্ন নাগৰিক হিচাপে গণ্য কৰা নহৈছিল। সেই গণতান্ত্ৰিক ব্যৱস্থা নাগৰিক অধিকাৰৰ গৰাকীসকলৰ মাজতেই সীমাবদ্ধ আছিল। কিন্তু এনেবোৰ সীমাবদ্ধতা থকা স্বত্বেও সেই এথেন্সৰ ৰাষ্ট্ৰব্যৱস্থা প্ৰাচীন সাঁচেৰে গণতান্ত্ৰিক আছিল বাবেই আন প্ৰাচীন সভ্যতাসমূহৰ তুলনাত সেই সভ্যতাটোত প্ৰতিভাৰ বিস্ময়কৰ স্তৰৰ বুলিব পৰা বিকাশ অধিক পৰিমাণেৰে তথা গভীৰতাৰে ঘটাৰ সুবিধা যে হৈছিল সেই সত্য ইতিহাসস্বীকৃত। সেই ৰাষ্ট্ৰব্যৱস্থাৰ গণতান্ত্ৰিক চৰিত্ৰ অধিক প্ৰসাৰিত হোৱাহেঁতেন সেই সভ্যতা আৰু কিমান বেছি উজ্জ্বল হোৱাৰ সম্ভাৱনা আছিল— এনে ধাৰণাভিত্তিক আলোচনাৰ স্থল এই ক্ষেত্ৰত থাকিলেও যিমানখিনি গণতান্ত্ৰিক মৰ্ম সেই ৰাষ্ট্ৰব্যৱস্থাটোত আছিল সেইখিনিয়েই সেই সভ্যতাক যে জাকত-জিলিকা কৰাত বিশেষ ভূমিকা লৈছিল— এই ঐতিহাসিক দিশটোৰ গুৰুত্ব ম্লান নহয়।)

ওপৰত উল্লেখ কৰা বিষয়টো কিমান গভীৰতাৰে গুৰুত্বপূৰ্ণ সেইটো আন এটা দৃষ্টান্তলৈ চকু দিলেই অধিক ফটফটীয়া হৈ পৰে। যি সময়ত প্ৰাচীন গ্ৰীচত এথেন্সৰ সভ্যতাৰ সৃষ্টি হৈছিল সেই সময়তেই গ্ৰীচত আৰু দুটামান সভ্যতাও গঢ়ি উঠিছিল। এই সভ্যতাকেইটাৰ ভিতৰত সামৰিক দিশত যি সভ্যতাটো সকলোতকৈ শক্তিশালী আছিল সেইটো হ'ল স্পাৰ্টা নগৰ ৰাষ্ট্ৰত গঢ়ি উঠা সভ্যতাটো। সামৰিক দিশত এথেন্সতকৈ বহু বেছি শক্তিশালী স্পাৰ্টাৰ ৰাষ্ট্ৰব্যৱস্থা আছিল স্বৈৰতান্ত্ৰিক। স্বৈৰাচাৰী ৰাষ্ট্ৰচালকে পুলিচ-মিলিটাৰীৰাজ তথা অত্যাচাৰী আমোলাতন্ত্ৰৰ জৰিয়তে চলোৱা কাৰ্যক্ষম ৰাষ্ট্ৰব্যৱস্থাৰ কথা উঠিলে স্বৈৰতন্ত্ৰৰ সমৰ্থক মহলৰ অনেকেই আজিও স্পাৰ্টাৰ দৃষ্টান্তলৈকো আঙুলিয়ায়।

কিন্তু ইতিহাসে লগতে কয়— অতি শক্তিশালী মিলিটাৰী-পুলিচ-আমোলাৰে দপ্‌দপাই থকা আৰু স্বৈৰতান্ত্ৰিক ৰাষ্ট্ৰচালকৰ দ্বাৰা শাসিত প্ৰাচীন স্পাৰ্টা নগৰ ৰাষ্ট্ৰ যদিও শাসনৰ ক্ষেত্ৰত কাৰ্যক্ষম আছিল, পিছে মানৱীয় প্ৰমূল্য ভিত্তিক প্ৰতিভাৰ বিকাশৰ দিশত সেই ৰাষ্ট্ৰ ব্যৱস্থাই সভ্যতালৈ চিৰযুগমীয়া অৱদান বিশেষ একো আগবঢ়াই থৈ যাব নোৱাৰিলে। সেই সময়ত এথেন্সৰ গণতান্ত্ৰিক সভ্যতাই বিজ্ঞানসন্মত পদ্ধতিৰে ইতিহাস চৰ্চা কৰা প্ৰথমগৰাকী ইতিহাসবিদ থুকিডাইডিচৰ (আনুমানিক খ্ৰীঃ পূঃ ৮৭১-৪০০)দৰে মহান ইতিহাসবিদৰ সৃষ্টি হোৱাটো সম্ভৱপৰ কৰি তুলিছিল বাবেই তেওঁ বস্তুনিষ্ঠতাৰে লিখি থৈ যোৱা অতি প্ৰখ্যাত ইতিহাস গ্ৰন্থ— 'পেল'পনেছিয়াৰ যুদ্ধ'ৰ জৰিয়তেহে স্পাৰ্টাৰ বিখ্যাত হিচাপে ঐতিহাসিক স্বীকৃতি পোৱাৰ যোগ্য সভ্যতাটো সম্পৰ্কে পৰৱৰ্তীকালৰ বিদ্বান সমাজে অধিক বিতংভাৱে জনাটো সম্ভৱ হ'ল। নহ'লে আজি আমি স্বৈৰতন্ত্ৰী ৰাষ্ট্ৰচালক-পুলিচ-

মিলিটাৰী-আমোলাৰে একালত দপ্‌দপাই থকা সেই সভ্যতাটোৰ বিষয়ে বিশেষ একো নাজানিলোৱেইহেতেন। তাৰ বিপৰীতে চক্ৰেটিছ, প্লেটো, এৰিষ্টোটল, থুকিডাইডিছ, পেৰিকোল্‌চ, ছফ'কল্‌ছ, ইউৰিপাইডিছ, ফিদিয়াছ, হিপ'ক্ৰেট্‌ছ, এনাক্সাগ'ৰাছ, ছ'ফিষ্ট আদিৰ যুগজয়ী কৃতিৰে সমৃদ্ধ গণতান্ত্ৰিক এথেন্সৰ সৃষ্টিসমূহৰ গৰিমা সভ্যতাত চিৰদিন যুগমীয়া হৈ থাকিব।

গণতান্ত্ৰিক এথেন্স আৰু স্বৈৰতান্ত্ৰিক স্পাৰ্টা— এই সম-সাময়িক আৰু একেখন গ্ৰীচৰেই সভ্যতা দুটাৰ, অথবা ৰাষ্ট্ৰ ব্যৱস্থা দুটাৰ চৰিত্ৰগত পাৰ্থক্য সম্পৰ্কে পৰৱৰ্তী কালৰ বিজ্ঞ সমাজে দিয়া বস্তুনিষ্ঠ মতটো হ'ল— স্বৈৰতান্ত্ৰিক স্পাৰ্টাই সৃষ্টি কৰিছিল কৰ্মপটু কিন্তু যন্ত্ৰসদৃশ মানৱৰ আৰু গণতান্ত্ৰিক এথেন্সৰ সভ্যতাই সৃষ্টি কৰিছিল মানৱীয় প্ৰমূল্যৰ প্ৰাঞ্জল বিকাশেৰে উজ্জ্বল আৰু চিৰযুগমীয়া কৃতিৰ গৰাকী কৰ্মপটু জীৱশ্ৰেষ্ঠৰ। এই বস্তুনিষ্ঠ মতে গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ অক্ষয় সুনাম আৰু স্বৈৰতান্ত্ৰিক ৰাষ্ট্ৰব্যৱস্থাৰ অনিবাৰ্য দুৰ্নাম সম্পৰ্কীয় ইতিহাস প্ৰদত্ত ৰায়ক প্ৰতিনিধিত্ব কৰিছে। এই ৰায় যে যুগ নিৰ্বিচাৰে প্ৰতিটো সমাজ ব্যৱস্থাৰ ক্ষেত্ৰতেই প্ৰযোজ্য তাৰো সাক্ষ্য দিয়ে ইতিহাসে।



প্ৰাচীন ভাৰতবৰ্ষৰ ইতিহাসলৈ চকু দিলেও গণতান্ত্ৰিক প্ৰমূল্যই আদৰ পোৱা ৰাষ্ট্ৰব্যৱস্থাই মহান চিন্তানায়কৰ জীৱন বীক্ষাৰ বিকাশক কেনেদৰে বিশেষভাৱে সহায় কৰিছিল তাৰ আভাস পোৱা যায়। প্ৰাচীন ভাৰতীয় সভ্যতা বহুকেইগৰাকী মহাপুৰুষৰ চিৰযুগমীয়া চিন্তাৰাজি তথা কৰ্মৰাজিৰে সমৃদ্ধ। তাৰ মাজত সুগভীৰ দৰ্শন, গভীৰ মানৱপ্ৰেম আৰু ব্যাপক পৰিধিৰ প্ৰগতিশীলতা তথা উদাৰতাৰ প্ৰশ্নত যিগৰাকী প্ৰাচীন যুগৰ ভাৰতীয় মহাপুৰুষৰ নাম আধুনিক বিজ্ঞ সমাজে বিশেষভাৱে লয় সেইগৰাকী হ'ল— গৌতম বুদ্ধ। আনুমানিক ৫৬৫ খ্ৰীঃপূঃত কপিলাবাস্তুৰ কাষৰ লুম্বিনীত তেখেত জন্ম হৈছিল। এই আলোচনাৰ বাবে বিশেষভাৱে প্ৰাসংগিক কথাটো হ'ল— সেই সময়ত, অৰ্থাৎ খ্ৰীঃপূঃ ষষ্ঠ শতিকাত ভাৰতবৰ্ষত ষোল্লখন অতি বিখ্যাত 'মহাজনপদ', অৰ্থাৎ শক্তিশালী ৰাষ্ট্ৰ আছিল। তাৰে এখন আছিল বাজ্জি মহাজনপদ। (এই বাজ্জি মহাজনপদখনৰ বিষয়ে সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাই বিশেষভাৱে আলোচনা কৰি গৈছে। তাক কৰাৰ কাৰণটো আছিল এই মহাজনপদখনৰ ৰাষ্ট্ৰ চৰিত্ৰৰ বিশেষ বৈশিষ্ট্য)। বাস্তৱত এই মহাজনপদখন লিচ্ছবি, বিদেহ, যাত্ৰিক, বাজ্জি প্ৰমুখ্যে প্ৰায় আঠখন অংগৰাজ্যৰ সম্মিলিত ৰাষ্ট্ৰ আছিল, যিখনৰ ৰাষ্ট্ৰীয় গাঁথনি আছিল সংঘীয়। এই সংঘীয় ৰাষ্ট্ৰ ব্যৱস্থাটো লগতে আছিল প্ৰাচীন সাঁচৰ প্ৰজাতান্ত্ৰিক উপাদানসম্পন্ন। সংঘীয় গাঁথনিৰ আৰু প্ৰজাতান্ত্ৰিক উপাদানসম্পন্ন এই বাজ্জি মহাজনপদখনৰ ৰাজধানী আছিল বৈশালী। কপিলাবাস্তু আৰু বৈশালীৰ মাজৰ দূৰত্ব বৰ বেছি নাছিল। বৰ্তমানৰ গোৰখপুৰৰ কাষত আছিল কপিলাবাস্তু আৰু মুজাফৰপুৰৰ কাষত আছিল বৈশালী।

ওপৰত উল্লেখ কৰা প্ৰাচীন প্ৰজাতান্ত্ৰিক উপাদানসমূহে যদিও বাজ্জি মহাজনপদৰ ৰাষ্ট্ৰব্যৱস্থাক স্বাভাৱিক কাৰণতেই আধুনিক প্ৰজাতন্ত্ৰৰ লেখীয়া ৰূপ দিব পৰা নাছিল, কিন্তু তদানীন্তন ভাৰতবৰ্ষৰ প্ৰাচীন পৰিস্থিতিত সেই সংঘীয় গাঁথনিৰ ৰাষ্ট্ৰখনৰ এনে প্ৰজাতান্ত্ৰিক উপাদানসমূহে যে প্ৰগতিশীল চিন্তা-চৰ্চা তথা কৰ্মৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰিছিল আৰু তাৰ প্ৰভাৱ যে আশ-পাশৰ অঞ্চলটো পৰিছিল সেইটো ইতিহাসস্বীকৃত। ইও ইতিহাসস্বীকৃত যে প্ৰগতিশীল চিন্তা-চৰ্চা তথা কৰ্মৰাজিৰ বাবে তুলনামূলকভাৱে অনুকূল এই পৰিস্থিতিয়ে সেই অঞ্চলটোত জন্ম লাভ কৰি তাতেই ডাঙৰ-দীঘল হোৱা আৰু নিজ নিজ যুগমীয়া চিন্তা-চৰ্চা তথা কৰ্মৰাজিৰ পাতনি মেলা দুগৰাকী মহাপুৰুষৰ বৌদ্ধিক বিকাশক তথা জীৱন চৰিতক বিশেষভাৱে সহায় কৰিছিল। তাৰে এগৰাকী হ'ল— গৌতম বুদ্ধ, যাৰ উল্লেখ ইতিমধ্যে কৰা হৈছে আৰু আনগৰাকী হ'ল— জৈন ধৰ্মৰ প্ৰধান গুৰু মহাবীৰ বৰ্ধমান। আনুমানিক ৫৪০ খ্ৰীঃপূঃত বৈশালীৰ কাষৰ কুণ্ডগ্ৰামত

মহাবীৰে জন্ম লাভ কৰিছিল। দুয়োগৰাকী আছিল সমসাময়িক আৰু একেটা বৃহৎ অঞ্চলৰেই লোক. দুয়োগৰাকীৰে জীৱন পৰিসমাপ্তিও ঘটিছিল সেই একেটা বৃহৎ অঞ্চলতেই। মহাবীৰে শেষ নিশ্বাস ত্যাগ কৰিছিল বৰ্তমানৰ পাটনাৰ কাষৰ পাৱাত আৰু গৌতম বুদ্ধই শেষ নিশ্বাস ত্যাগ কৰিছিল কোশী নগৰত, অৰ্থাৎ বৰ্তমানৰ উত্তৰ প্ৰদেশৰ দেওৰীয়া জিলাৰ কাশিয়াৰীত। বিহাৰত অৱস্থিত পাৱা আৰু উত্তৰ প্ৰদেশৰ পূব অংশত অৱস্থিত কাশিয়াৰীৰ মাজৰ দূৰত্ব বৰ বেছি নহয়।

এই মহাপুৰুষ দুগৰাকীয়ে নিজ নিজ সুগভীৰ চিন্তাৰাজিৰে মানৱ সভ্যতালৈ কেনে যুগমীয়া অৱদান আগবঢ়াই থৈ গ'ল আৰু গৌতম বুদ্ধৰ চিন্তাৰাজিৰ পোহৰে প্ৰাচীন যুগতেই ভাৰতবৰ্ষৰ সীমা চেৰাই গৈ বিশ্বৰ আন বহুকেইটা অতি বৃহৎ অঞ্চলৰ চিন্তাজগতক কেনে ঐতিহাসিক গুৰুত্বৰে আলোকিত কৰিছিল সেই বিষয়ে বিজ্ঞ ব্যক্তি মাত্ৰেই জানে। বিষয়টো বিবেচনা কৰোঁতে মনত ৰখা উচিত যে আধুনিক যুগৰ লেখিয়া বৌদ্ধিক চৰ্চাৰ এখন বিশাল ক্ষেত্ৰ প্ৰাচীন আৰু মধ্যযুগত নাছিল। ধৰ্মৰ ক্ষেত্ৰখনেই তেতিয়া আছিল এই দিশৰ প্ৰধান চৰ্চাভূমি। এই আলোচনাৰ বাবে প্ৰাসংগিক কথাটো হ'ল— গৌতম বুদ্ধ আৰু মহাবীৰ বৰ্ধমানৰ যুগজয়ী চিন্তা তথা কৰ্মৰাজিৰ উৎপত্তি আৰু বিকাশত তেখেতসকলে জন্মগ্ৰহণ কৰা আৰু ডাঙৰ-দীঘল হোৱা সমাজৰ তুলনামূলকভাৱে গণতান্ত্ৰিক পৰিৱেশে বিশেষভাৱে সহায় কৰাটো। ই গণতান্ত্ৰিক প্ৰমূল্যৰেই জয়গান।

মধ্যযুগৰ সভ্যতাবোৰ যিহেতু প্ৰাচীন সভ্যতাবোৰৰ পৰৱৰ্তী কালৰ, সেয়ে মধ্যযুগীয়া সভ্যতাসমূহত গণতান্ত্ৰিক তথ্য মানৱীয় প্ৰমূল্যৰ বিকাশ প্ৰাচীন তেনে পৰিৱেশসম্পন্ন সভ্যতাসমূহৰ তুলনাত অধিক হ'ব লাগিছিল। কিন্তু এই দিশত মধ্যযুগীয়া দৃশ্যপট বেছি ক্ষেত্ৰতেই অনুজ্জ্বল আছিল বুলিহে ইতিহাসে সাক্ষ্য দিয়ে। তেনে হোৱাৰ প্ৰধান কাৰণটো আছিল মধ্যযুগীয়া সভ্যতাসমূহ গঢ়ি উঠিছিল নিকপ্‌কপীয়া সামন্তীয় ৰাষ্ট্ৰব্যৱস্থাক ভেটি হিচাপে লৈ। তেনে সামন্তীয় সমাজত গণতান্ত্ৰিক প্ৰমূল্যই বিকাশ লাভ কৰাৰ সুবিধা বৰ বিশেষ নাথাকে। মধ্যযুগীয় সভ্যতাসমূহৰ ভিতৰত এই দিশত কিছু ব্যতিক্ৰম বুলিব পৰা এটা দৃষ্টান্ত হ'ল— ইছলামীয় সভ্যতাৰ আৰম্ভণি স্তৰটো। (ইছলামীয় বোলা হৈছে কোনো ধৰ্মীয় কাৰণত নহয়, একমাত্ৰ চিনাক্তকৰণৰ সুবিধাৰ্থেহে।) অৱশ্যে ইছলামৰ উৎপত্তিৰ পাছত সৃষ্টি হোৱা এই স্তৰটোৰ সভ্যতাক 'চ্যাৰাচনীয় সভ্যতা'ও বোলা হয়, ইছলামৰ প্ৰথম প্ৰৱৰ্তন চ্যাৰাচন জনগোষ্ঠীৰ মাজত ঘটা বাবে। পিছে আমাৰ পাঠক সমাজৰ অধিকাংশই সেই চিনাকিটোৰ সৈতে পৰিচিত নহয় বাবে সহজেই বুজিব পৰাকৈ 'ইছলামীয় সভ্যতাৰ আৰম্ভণি স্তৰ' বোলা হৈছে।

মধ্যযুগত উৎপত্তি হোৱা সভ্যতাসমূহৰ ভিতৰত সবাতোকৈ অধিক খ্যাতি অৰ্জন কৰা সভ্যতাটো আছিল ইছলামীয় সভ্যতাৰ আৰম্ভণি স্তৰটো। বিশ্বখ্যাতি অৰ্জন কৰা আন এটি প্ৰখ্যাত সভ্যতাসমূহে হয় প্ৰাচীন যুগতেই, নহয় আধুনিক যুগতহে উৎপত্তি লাভ কৰিছিল। এই আলোচনাৰ বাবে গুৰুত্বপূৰ্ণ প্ৰসংগটো হ'ল— ইছলামীয় সভ্যতাৰ আৰম্ভণি স্তৰটোৱে ইতিহাসত বিশেষ খ্যাতিৰ স্থান দখল কৰিবলৈ সক্ষম হোৱাৰ ক্ষেত্ৰতো মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যয়েই নিৰ্ণায়ক ভূমিকা লৈছিল। ইছলামীয় সভ্যতাৰ প্ৰথম স্তৰটোত যি ৰাষ্ট্ৰব্যৱস্থা স্থাপিত হৈছিল সেইটো মধ্যযুগীয়া বংশানুক্ৰমিক ৰাজতন্ত্ৰ, অথবা নিকপ্‌কপীয়া সামন্ততন্ত্ৰ নাছিল। প্ৰজাহিতক প্ৰাধান্য দি মানৱীয় প্ৰমূল্যৰ ভিত্তিত ৰাষ্ট্ৰ চালনাৰ যি নৈতিক নীতিসমূহ হজৰত মহম্মদে প্ৰৱৰ্তন কৰিছিল সেই নীতিসমূহৰ ভিত্তিতেই সেই ৰাষ্ট্ৰব্যৱস্থা পৰিচালিত হৈছিল। এই নীতিসমূহ মানৱীয় প্ৰমূল্যৰে বিশেষভাৱে সমৃদ্ধ হোৱাৰ ক্ষেত্ৰত হজৰত মহম্মদৰ অতি গভীৰ মানৱদৰদী মানসিকতাৰ উপৰি তেখেতে পৰোক্ষভাৱে লাভ কৰা ঐতিহ্য আৰু অতি যোগ্য সজ্জনৰ সান্নিধ্যয়ো বিশেষ ভূমিকা লৈছিল।

হজৰত মহম্মদৰ জন্ম হৈছিল পশ্চিম এছিয়াৰ পশ্চিম অংশত। ওৰেটো জীৱন তেখেত সেই অঞ্চলতেই আছিল। তেখেতৰ জন্মৰ ৫৭০বছৰ পূৰ্বে সেই বৃহৎ অঞ্চলটোতেই জন্ম লাভ কৰিছিল যীশুখ্ৰীষ্টই আৰু তেখেতেও ওৰেটো জীৱন সেই বৃহৎ অঞ্চলটোতেই কটাইছিল। পশ্চিম এছিয়াৰ এই বৃহৎ অঞ্চলটোতেই খ্ৰীষ্টান ধৰ্মই উৎপত্তি লাভ কৰাৰ লগতেই ইহুদীসকলৰ ধৰ্ম (জুডাইজম), প্ৰাচীন ইৰাণী ধৰ্ম (জৰথুষ্টিয়ানিজম) আদিৰো উৎপত্তি প্ৰাচীন যুগতেই হৈছিল আৰু ইহুদীসকলৰ আদি ধৰ্মগুৰু— আব্ৰাহামো আছিল সেই বৃহত্তৰ অঞ্চলটোৰেই লোক। প্ৰাচীন গ্ৰীক আৰু ৰোমান দাৰ্শনিকসকলে মানৱীয় প্ৰমূল্য ভিত্তিক যি দৰ্শন তত্ত্বোৰ প্ৰৱৰ্তন কৰিছিল সেইবোৰৰ প্ৰভাৱো গ্ৰীচ আৰু ৰোম তথা ইটালীৰ পৰা তুলনামূলকভাৱে ওচৰ দূৰত্বত থকা পশ্চিম এছিয়াৰ এই বৃহৎ অঞ্চলটোত প্ৰাচীন কালৰ পৰাই গভীৰভাৱে পৰিছিল। অঞ্চলটোৰ এই উজ্জ্বল ঐতিহ্যৰ পৰা মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ দিশত প্ৰয়োজনীয় জ্ঞান লাভ কৰাৰ কিছু

সুবিধা হজৰত মহম্মদে পাইছিল আৰু সেই সুবিধা তেখেতে নিষ্ঠাৰে গ্ৰহণ কৰাৰ লগতেই গ্ৰহণ কৰাখিনিক নিজ বিশাল প্ৰতিভা আৰু অতি গভীৰ মানৱীয় প্ৰমূল্যৰে সমৃদ্ধ কৰিছিল।

তদুপৰি, হজৰত মহম্মদৰ জীৱনকালতেই (৫৭০-৬৩২খ্ৰীঃ) ইছলামত চুফি ধাৰাৰ উৎপত্তি হৈছিল। (অসমৰ ইতিহাসৰ অতি বিখ্যাত চুফি সন্ত দুগৰাকী হ'ল— আজান ফকীৰ আৰু হাজোৰ পোৱামক্কাৰ দিয়াচুদ্দিন আউলিয়া। ভাৰতবৰ্ষৰ ইতিহাসৰ সবাতোকৈ প্ৰখ্যাত চুফি সন্ত দুগৰাকী হ'ল— আজমীৰৰ মইনুদ্দিন ক্ৰিষ্টি (আজমীৰ দৰগাহ) আৰু দিল্লীৰ নিজামুদ্দিন আউলিয়া (নিজামুদ্দিন দৰগাহ)। এই জ্ঞানী আৰু অতি উদাৰ ইছলামীয় চুফি সন্তসকলৰ প্ৰথম চাম আছিল হজৰত মহম্মদৰ অতি ঘনিষ্ঠ তথা প্ৰিয় সতীৰ্থ। এই চুফি সন্তসকলৰ উদাৰ মানৱতাবাদী দৃষ্টিভংগী আৰু মতেও সেই ৰাষ্ট্ৰব্যৱস্থাত গণতান্ত্ৰিক তথা মানৱীয় প্ৰমূল্যই গুৰুত্ব পোৱাৰ দিশত বিশেষ প্ৰভাৱ পেলাইছিল। এই প্ৰভাৱ যথেষ্ট গভীৰভাৱে পৰাৰ সুবিধা হৈছিল আন এটা কাৰণতো।

মধ্যযুগীয়া ৰাজতন্ত্ৰ হিচাপে উপৰিউক্ত ৰাষ্ট্ৰব্যৱস্থাটো স্থাপিত হোৱা নাছিল। সেই সমাজৰ নৈতিক জগতখনৰ সন্মানীয়সকলৰ সহযোগত হজৰত মহম্মদৰ নেতৃত্বত সেই ৰাষ্ট্ৰব্যৱস্থা জনহিতক প্ৰাধান্য দি তেখেতে প্ৰৱৰ্তন কৰা প্ৰজা শাসনৰ নৈতিক নীতিসমূহৰ ভিত্তিত পৰিচালিত হৈছিল। সেই উল্লেখ ইতিমধ্যে কৰা হৈছে। আনহাতে মৃত্যুৰ সময়ত হজৰত মহম্মদে গণতান্ত্ৰিকতাৰ প্ৰতি সন্মান জনাই ৰাষ্ট্ৰপ্ৰধান হিচাপে কোনো উত্তৰাধিকাৰ মনোনীত কৰি যোৱা নাছিল। তেখেতৰ মৃত্যুৰ পাছত সেই ৰাষ্ট্ৰব্যৱস্থাৰ নেতৃস্থানীয়সকলে সংখ্যাগৰিষ্ঠৰ সন্মতিৰ ভিত্তিত আবুবক্কৰক প্ৰথমজনা খলিফা হিচাপে গণতান্ত্ৰিক বুলিব পৰা পদ্ধতিৰে নিৰ্বাচিত কৰিছিল। তেওঁৰ পাছৰ পৰা তিনিগৰাকী খলিফা ক্ৰমে— উমৰ, উছমান আৰু আলীও সেই একে পদ্ধতিৰেই নিৰ্বাচিত হৈছিল। ই বংশানুক্ৰমিক খলিফাতন্ত্ৰ নাছিল। স্বভাৱিকতেই তেনে পৰিৱেশত গণতান্ত্ৰিক প্ৰমূল্যই ক্ৰিয়া কৰাৰ সুবিধা কিছু হ'লেও আছিল।

আলীৰ মৃত্যুৰ পাছতহে সেই ৰাষ্ট্ৰব্যৱস্থাত বংশগত ৰাজতন্ত্ৰ স্থাপিত হৈছিল। ৰাজতন্ত্ৰ স্থাপনৰ পাছতো যদিও 'খলিফা' উপাধিটোৰ ব্যৱহাৰ অব্যাহত আছিল, কিন্তু বাস্তৱত সেই উপাধিয়ে বংশানুক্ৰমিকভাৱে ৰজা, বা সম্ৰাটকহে বুজাইছিল আৰু তেওঁলোকে শাসন কৰা ৰাষ্ট্ৰব্যৱস্থা চুলতান শাসিত নিকপ্‌কপীয়া সামন্ততন্ত্ৰতহে আছিল— যিবোৰৰ চৰিত্ৰ হজৰত মহম্মদে প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰ ব্যৱস্থাৰ দৰে আছিল বুলিব নোৱাৰি। অৱশ্যে প্ৰজাহিতকৰ শাসনৰ বাবে বাগদাদৰ সম্ৰাট হাৰুণ আল ৰছিদ, মোগল সম্ৰাট আকবৰ আদি চুলতানৰ ৰাজত্বও ইতিহাসখ্যাত। পিছে তেনে দৃষ্টান্তৰ সংখ্যা বৰ বেছি নহয়। প্ৰতিষ্ঠাকালৰ মানৱীয় উজ্জ্বলতা তেনে ৰাষ্ট্ৰ ব্যৱস্থাত বেছি ক্ষেত্ৰতেই হেৰুৱাইছিল আৰু বহু ক্ষেত্ৰত ই গোড়া ইছলামপন্থীৰ স্বৈৰতন্ত্ৰ তথা যুদ্ধবাজৰ শোষণতন্ত্ৰলৈ অধঃপতিত হৈছিল। অৱশ্যে সেই ৰাষ্ট্ৰ ব্যৱস্থাৰ চৰিত্ৰলৈ এনে পৰিৱৰ্তন দ্বিতীয়গৰাকী খলিফা উমৰৰ সময়ৰ শেষভাগৰ পৰাই লাহে লহে নামি আহিছিল। এই আলোচনাত মূলতঃ হজৰত মহম্মদৰ সময়ৰ ৰাষ্ট্ৰ ব্যৱস্থাটোৰ কথাহে কোৱা হৈছে।

ওপৰত উল্লেখ কৰা সকলোবোৰ কথাই ইতিহাসস্বীকৃত। কিন্তু ইও ইতিহাসস্বীকৃত যে ইছলামীয় সভ্যতাই মানৱ ইতিহাসক যিবোৰ অমূল্য অৱদানেৰে বৌদ্ধিক ক্ষেত্ৰত সমৃদ্ধ কৰি থৈ গ'ল সেইবোৰৰ সৃষ্টিৰ মূলতেই আছিল হজৰত মহম্মদৰ জীৱনকালত স্থাপিত ৰাষ্ট্ৰব্যৱস্থাৰ মানৱীয় তথা গণতান্ত্ৰিক উপাদানবোৰ। অতি পৰিতাপৰ কথা যে বৰ্তমানে বিশ্বৰ বিভিন্ন অংশত থকা ইছলাম ধৰ্মাৱলম্বীৰ সমাজবোৰৰ বেছিখিনিতেই ইছলামীয় সভ্যতাৰ প্ৰতিষ্ঠাকালৰ উদাৰ মানৱতাবাদী প্ৰমূল্যৰ প্ৰাধান্যৰ সলনি চুলতানীয় ধাৰাই পৰৱৰ্তীকালত জন্ম দিয়া গোড়া ধৰ্মীয় সংকীৰ্ণতাৰ প্ৰাধান্যহে চলি আছে, যিটোৱে ইছলামীয় সমাজৰ দুৰ্নাম কৰাৰ লগতেই সবাতোকৈ অধিক ক্ষতি কৰিছে ইছলামপন্থী সমাজৰ সৰ্বসাধাৰণ ৰাইজকেই। তাৰ বিপৰীতে হজৰত মহম্মদৰ জীৱনকালত প্ৰৱৰ্তিত মানৱীয় তথা গণতান্ত্ৰিক উপাদানবোৰে পিছলৈকো কেনে চমৎকাৰ অৰিহণাৰে সভ্যতাক সমৃদ্ধ কৰিলে তাৰ বেছিলৈ নগৈ ইবন্ খালডুন (১৩৩২-১৪০৬খ্ৰীঃ) ৰচিত চিৰযুগমীয়া ইতিহাস গ্ৰন্থ 'মুকাদ্দিমা'লৈ চকু দিলেই স্পষ্ট হৈ পৰে।

ইছলাম ধৰ্মাৱলম্বী মধ্যযুগীয়া অতি প্ৰখ্যাত ইতিহাসবিদ খালডুনে উপৰিউক্ত গ্ৰন্থখনত ইতিহাস চৰ্চাক ধৰ্মীয় গণ্ডীৰ পৰা সম্পূৰ্ণ আঁতৰাই আনি আৰু আলোচিত সমাজ তথা সময় সম্পৰ্কে নিৰপেক্ষ তথা সামগ্ৰিক বিশ্লেষণেৰে ইতিহাস চৰ্চা কৰাৰ উপৰি তেৱেঁই পোন প্ৰথমবাৰৰ বাবে 'মুকাদ্দিমা'ত ইতিহাস চৰ্চাৰ মূল মৰ্ম সম্পৰ্কে গভীৰ পাণ্ডিত্যৰ যুক্তিনিষ্ঠ আৰু বিস্তৃত আলোচনা কৰিছিল। আধুনিক চিন্তা-চৰ্চাৰ দুৱাৰ স্থায়ীভাৱে মুকলি কৰা ইউৰোপীয় 'নৱজাগৰণ আন্দোলন'ৰ (ৰেঁনেচা) সূচনাৰ এশ বছৰ পূৰ্বেই 'মুকাদ্দিমা' ৰচিত হৈছিল। ইতিহাস চৰ্চাৰ মৰ্ম (অৰ্থাৎ ইতিহাস চৰ্চা মানে কি, ইতিহাস

চৰ্চা কৰা হয় কিয়, কি কি উপাদানবোৰে ইতিহাস চৰ্চাক নিয়ন্ত্ৰণ কৰে, আৰু এখন ইতিহাস গ্ৰন্থই কি ৰূপ লয় সেইটো কিয় সেইখন ৰচনা কৰোঁতা ইতিহাসবিদগৰাকীৰ নিজ দৃষ্টিভংগীয়ে নিৰ্ণয় কৰে)— এই অতি গুৰুত্বপূৰ্ণ বিষয়টো খালডুনে উত্থাপন কৰাৰ পাছত তাৰ আঁত ধৰিয়েই আধুনিক যুগৰ এগৰাকী মহান চিন্তাবিদ ভল্টায়াৰে (১৬৯৪-১৭৭৮খ্ৰীঃ) 'ইতিহাস দৰ্শন' (Philosophy of History) সম্পৰ্কে পোন প্ৰথমে উল্লেখ কৰিছিল। তাৰ পৰৱৰ্তীকালত কেইবাগৰাকীও বিশ্বখ্যাত পণ্ডিতে গভীৰ তথা বিস্তৃত আলোচনাৰে এই বিষয়টোক এনে গুৰুত্বপূৰ্ণ কৰি তুলিলে যে বৰ্তমানৰ ইতিহাস চৰ্চাৰ ইয়েই হৈ পৰিল দিশ নিৰ্ণয়কাৰী।

এনে যুগান্তকাৰী চিন্তা খালডুনৰ মনলৈ শূন্যৰ পৰা অহা নাছিল। হজৰত মহম্মদৰ নেতৃত্বত ইছলামীয় সভ্যতাৰ প্ৰতিষ্ঠাকালত যি মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ ধাৰাৰ উৎপত্তি হৈছিল সেই ধাৰাটোৱে যুক্তিনিষ্ঠ বৌদ্ধিক বিকাশৰ বাবে যি বাটটো খুলি দিছিল ই আছিল তাৰেই ফচল। ইছলাম ধৰ্মীয় সমাজত যেতিয়াই এই প্ৰগতিশীল ধাৰাটোৱে গা কৰাৰ সুবিধা পাইছে তেতিয়াই এনে চমৎকাৰ দৃষ্টান্তবোৰ সৃষ্টি হোৱা ইতিহাসে প্ৰত্যক্ষ কৰিছে। তেনে দৃষ্টান্ত হিচাপেই গঢ়ি উঠিছিল মধ্যযুগীয়া বিশ্বৰ শ্ৰেষ্ঠ পুথিভঁৰাল— বাগদাদৰ গ্ৰন্থাগাৰ, য'ত আন বৌদ্ধিক চৰ্চাৰ লগতেই প্ৰাচীন গ্ৰীক সভ্যতাৰ সকলো কেইখন প্ৰখ্যাত ধ্ৰুপদী গ্ৰন্থৰ আৰু প্ৰাচীন ভাৰতীয় সভ্যতাৰ বহুকেইখন মহা মূল্যবান গ্ৰন্থৰ অনুবাদো হৈছিল। তাৰ বিপৰীতে য'তেই মানৱীয় প্ৰমূল্যবিৰোধী ধৰ্মীয় গোড়ামী আৰু যুদ্ধবাজৰ স্বৈৰতন্ত্ৰই গা কৰিছিল তাতেই প্ৰতিভাৰ প্ৰগতিশীল ধাৰাৰ বিকাশ ব্যাহত হোৱাটোকো ইতিহাসে প্ৰত্যক্ষ কৰিছে। সেই অনিবাৰ্যতা আজিও অব্যাহত আছে আৰু ভৱিষ্যতেও এনে কু-ব্যৱস্থাৰ ফলাফল সকলো সমাজতে একেই হ'ব।

এই ঐতিহাসিক অনিবাৰ্যতাক অধিক স্পষ্টভাৱে বুজিবলৈ অসমৰ কাষৰেই এটা অঞ্চলৰ ইতিহাসলৈ চকু দিব পাৰি। ইছলামে বিশ্বজুৰি বিস্তাৰ লাভ একমাত্ৰ অস্ত্ৰবলৰ জৰিয়তেই কৰা নাছিল। হজৰত মহম্মদে যি মানৱীয় তথা গণতান্ত্ৰিক সাম্যৰ মৰ্মৰে ইছলামৰ সৃষ্টি কৰিছিল সেই গুণৰাজিয়েও এই বিস্তাৰত সহায় কৰিছিল। উদাহৰণস্বৰূপে অবিভক্ত ভাৰতবৰ্ষত সৰ্বাধিক সংখ্যক মুছলমান লোক আছিল অবিভক্ত বংগদেশত (অৰ্থাৎ বৰ্তমানৰ বাংলাদেশ আৰু পশ্চিম বংগত)। অথচ দ্বাদশ শতিকালৈকে সেই অঞ্চললৈ মুছলমান শক্তিৰ আগমন ঘটাই নাছিল। কিন্তু ত্ৰয়োদশ শতাব্দীত ইছলাম ধৰ্মাৱলম্বী স্থানীয় লোকৰ সংখ্যা অঞ্চলটোত হৈ পৰিছিল বিপুল পৰিমাণৰ। তেওঁলোকৰ বেছিখিনিয়েই বাহিৰৰ পৰা অহা লোক নাছিল। তেওঁলোক পূৰ্বে আছিল নিম্নবৰ্ণী হিন্দু, যিসকলে ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। সেই প্ৰক্ৰিয়াই দেখা দিয়াৰ প্ৰধান কাৰণটো আছিল এনে ধৰণৰঃ মধ্যযুগীয়া বংগ ৰজাৰ সেন বংশৰ ৰজা বল্লাল সেনে (আঃ ১১৫৮-৭৮ খ্ৰীঃ) 'কুলীন প্ৰথা' প্ৰৱৰ্তন কৰি নিজ ৰাজ্যত বৰ্ণ প্ৰথাক অতি কঠোৰ ৰূপ দিছিল। ফলত তদানীন্তন বংগ ৰাজ্যৰ নিম্নবৰ্ণী হিন্দু প্ৰজাসকল পৰিছিল ভয়ানক বৰ্ণনিপীড়নৰ চেপাত। বল্লাল সেনৰ পাছত তেওঁৰ পুত্ৰ লক্ষণ সেন বংগৰ ৰজা হৈছিল (আঃ ১১৭৮-১২০৫খ্ৰীঃ) আৰু তেওঁৰ শাসনৰ অন্তিম কালতেই দিল্লীৰ চুলতান কুতুবুদ্দিনৰ সেনাপতি বখতিয়াৰ খিলিজীয়ে সেন বংশক উচ্ছেদ কৰি বংগ ৰাজ্য দখল কৰিছিল। এনেকৈয়ে বংগ ৰাজ্যলৈ মুছলমান শক্তিৰ আগমন ঘটিছিল।

লক্ষণ সেনৰ এই শোচনীয় পৰাজয় আৰু বংগ ৰাজ্যত সেন বংশ তথা হিন্দু ৰাজশক্তিৰ পতনৰ এটা প্ৰধান কাৰণ আছিল— বল্লাল সেনে জাপি দিয়া 'কুলীন প্ৰথা'। সেই ৰাজ্যৰ সৰহ সংখ্যক প্ৰজাই আছিল নিম্নবৰ্ণী হিন্দু, যিসকলে 'কুলীন প্ৰথা'ৰ ভয়ানক বৰ্ণবাদী চেপাত পৰি কক্‌বকাই আছিল। (আনকি নিম্নবৰ্ণী বিবাহযোগ্যা গাভৰুক উচ্চবৰ্ণী পুৰুষে চুই নিদিলে তেওঁলোকক বিবাহযোগ্যা হিচাপে গণ্য কৰা নহৈছিল)। ফলত এনে বৰ্ণনিপীড়নৰ ভীষণ চেপাত পৰা এই নিম্নবৰ্ণী প্ৰজাসকলৰ বৃহৎ অংশই ৰজা লক্ষণ সেনক বখ্‌তিয়াৰ খিলিজীৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ আগবাঢ়ি নাহিল। বৰং খিলিজীয়ে বংগ ৰাজ্যত মুছলমান ৰাজশক্তিৰ শাসন প্ৰতিষ্ঠা কৰাৰ পাছত বৰ্ণনিপীড়নৰ পৰা ৰক্ষা পৰিবলৈ সেই নিম্নবৰ্ণী প্ৰজাসকলৰ অনেকেই হিন্দু ধৰ্ম ত্যাগ কৰি ধৰ্মীয় ক্ষেত্ৰত সামাজিক সাম্যৰ ওপৰত প্ৰতিষ্ঠিত ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। পৰৱৰ্তী কালৰ অবিভক্ত বংগৰ মুছলমানসকলৰ অতি বৃহৎ অংশটো এই লোকসকলৰ সতি সন্ততি, যিসকলে মানৱীয় প্ৰমূল্যবিৰোধী বৰ্ণবৈষম্যৰ বিৰুদ্ধে বিদ্ৰোহ কৰি মানৱীয় প্ৰমূল্যক ধৰ্মীয় ক্ষেত্ৰত স্বীকৃতি দিয়া ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। অথচ পাছলৈ সেই ইছলাম ধৰ্মীৰ সমাজেই মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যবিৰোধী গোড়া ইছলাম পন্থীৰ কবলত পৰাত সেই সমাজৰ সৰ্বসাধাৰণ মুছলমানসকলৰ অৱস্থা কেনে শোক লগা হ'ল সেইটো এই লোকসকলৰ সৰ্ববৃহৎ অংশ সাম্প্ৰতিক কালৰ বাংলাদেশৰ সাধাৰণ মুছলমান লোকসকলৰ নিষ্পেষিত

**পুঁজিবাদী গণতন্ত্ৰৰ এই ভয়ানক ত্ৰুটিবোৰ প্ৰত্যক্ষ কৰিয়েই ঊনবিংশ শতিকাৰে পৰা বিশ্বৰ বাঁওপন্থী শিবিৰৰ মহান নেতাসকলে বিশেষকৈ কাৰ্ল মাৰ্ক্সৰ নেতৃত্বত উদ্ভাৱন কৰিলে জনগণতন্ত্ৰৰ তত্ব, যিটোৰ উদ্দেশ্য তথা লক্ষ্য হ'ল— সমাজৰ সৰ্বসাধাৰণ ৰাইজক গণতান্ত্ৰিক অধিকাৰৰ প্ৰকৃতাৰ্থত গৰাকী কৰাটো।**

অৱস্থাৰৈ চকু দিলেই ওলাই পৰে। এই দৃষ্টান্তবোৰেও মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ সপক্ষেই ৰায় দিছে।

মধ্যযুগীয়া ভাৰত তথা অসমৰ ইতিহাসত মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ শ্ৰেষ্ঠতাক স্পষ্ট কৰি দিয়া উদাহৰণ আৰু বহুকেইটা আছে। সামন্তীয় ব্যৱস্থাৰ ইতিহাসত সবাতোকৈ জটিল আৰু নিকপ্‌কপীয়া ব্যৱস্থাটো স্থাপিত তথা প্ৰচলিত হৈছিল মধ্যযুগীয়া ভাৰতবৰ্ষত। এই সামন্তীয় ব্যৱস্থাটোৰ প্ৰভাৱ তথা বান্ধোন ইমানেই ভয়ানক আছিল যে ই আনকি ভাৰতীয় ইছলামধৰ্মী, খ্ৰীষ্টানধৰ্মী আদিৰ মাজতো এনে জনসমষ্টিৰ সৃষ্টি কৰিছিল যিবোৰক আধুনিক যুগত বস্তুনিষ্ঠভাৱেই অনুসূচিত সম্প্ৰদায়ৰ স্বীকৃতি চৰকাৰে দিব লগা হ'ল। অনুসূচিত সম্প্ৰদায়ৰ মুছলমান, অথবা খ্ৰীষ্টান পৃথিৱীৰ আন ক'তো পাবলৈ নাই। সেই বৰ্ণবাদী সামন্তীয় ব্যৱস্থাই এনে ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰিলে যে বৰ্ণবৈষম্যই বহু ক্ষেত্ৰত শ্ৰেণী বৈষম্যৰ লেখীয়া ৰূপো ভাৰতত ক্ষেত্ৰ বিশেষে ল'লে। ভাৰতীয় সামন্তীয় ব্যৱস্থাৰ সৈতে থকা প্ৰভেদৰ বাবে কাৰ্ল মাৰ্ক্সে 'এছিয়াটিক ম'ড অব প্ৰডাকচন' বুলিহে বিশেষভাৱে চিনাক্ত কৰিব লগাত পৰিছিল। ভাৰতীয় সামন্তীয় ব্যৱস্থা ইমানেই লিকটা যে আধুনিক পুঁজিবাদী আইনৰ নানা খুন্দায়ো আজিও তাক সম্পূৰ্ণৰূপে ভাঙিব পৰা নাই। আঁতৰ কৰাতো দূৰৰে কথা। মধ্যযুগীয়া ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক পৰিৱেশ সামন্তীয় অন্ধকাৰেৰে ভৰা আছিল বাবে সেই যুগৰ সভ্যতাই সৃষ্টি কৰা বৌদ্ধিক বিকাশৰ গুৰুত্বপূৰ্ণ দৃষ্টান্তবোৰতকৈ প্ৰাচীন যুগৰ সভ্যতাই সৃষ্টি কৰা মানৱীয় তথা গণতান্ত্ৰিক মৰ্মেৰে সমৃদ্ধ দৃষ্টান্তবোৰৰ উজ্জ্বলতাও আছিল অধিক।

মধ্যযুগীয়া ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ শাসনকাল বুলিলে মহামতি আকবৰৰ শাসনকাল আছিল এটা উত্তম দৃষ্টান্ত। সেই শাসনকালক শ্ৰেষ্ঠ কৰাত প্ৰধান ভূমিকা লৈছিল মানৱীয় প্ৰমূল্যক গুৰুত্ব দি বৌদ্ধিক ক্ষেত্ৰত বিশেষকৈ ধৰ্মীয় ক্ষেত্ৰত গ্ৰহণ কৰা উদাৰ নীতিসমূহে। সেই ধাৰাকেই পৰৱৰ্তীকালত চমৎকাৰ ৰূপেৰে প্ৰতিনিধিত্ব কৰিছিল অতি উদাৰ মানসিকতা আৰু বিশাল পাণ্ডিত্যৰ গৰাকী— মোগল ৰাজকোঁৱৰ দাৰা চিখুৱে। এই উদাৰ আৰু পণ্ডিত ৰাজকোঁৱৰ গৰাকীয়েই হিন্দু ধৰ্মৰ শ্ৰেষ্ঠ দৰ্শন তত্বৰ গ্ৰন্থ-উপনিষদৰ অনুবাদৰ কাম হাতত লৈছিল। সেই অনুবাদৰ প্ৰতিলিপি ইতিমধ্যে উল্লেখ কৰা বাগদাদৰ বিখ্যাত গ্ৰন্থাগাৰলৈকো নিয়া হৈছিল আৰু তাৰ পৰা নিয়া প্ৰতিলিপি তদানীন্তন ইউৰোপৰ বৌদ্ধিক সমাজৰ হাততো পৰিছিলগৈ। এই ঘটনাই প্ৰাচীন ভাৰতীয় সভ্যতা সম্পৰ্কে, বিশেষকৈ হিন্দুধৰ্মৰ গভীৰ দৰ্শন তত্ব সম্পৰ্কে তদানীন্তন ইউৰোপৰ পণ্ডিতসকলক অধিক সজাগ কৰাত অৰিহণা যোগাইছিল। ভাৰতবৰ্ষৰ ইতিহাসৰ বাবে অতি দুৰ্ভাগ্যৰ কথা যে উদাৰপন্থী তথা পণ্ডিত ৰাজকোঁৱৰগৰাকীক তেওঁৰ কনিষ্ঠ ভাতৃ আৰু গোড়াপন্থী ঔৰংজেৱে হত্যা কৰি মোগল সিংহাসন দখল কৰিছিল। ঔৰংজেৱৰ গোড়া নীতিৰ কবলত পৰি এফালেদি মোগল সভ্যতাত দেখা দিয়া বৌদ্ধিক বিকাশৰ প্ৰগতিশীল ধাৰটোও স্তব্ধ হৈছিল আৰু আনফালে মোগল সভ্যতাও ধ্বংসৰ মুখত পৰিছিল। গোড়াপন্থী ঔৰংজেৱৰ সলনি তেওঁৰ ককায়েক আৰু উদাৰপন্থী দাৰা চিখুৰ হাতলৈ শাসনভাৰ যদি ছাহজাহানৰ পাছত আহিলহেঁতেন তেন্তে তদানীন্তন ভাৰতত প্ৰগতিশীল চিন্তা-চৰ্চাৰ বিকাশ কেনে চমৎকাৰ ৰূপেৰে ঘটাৰ সম্ভাৱনা আছিল আৰু সেই সম্ভাৱনা বাস্তৱায়িত হোৱাহেঁতেন সেই ঘটনাৰ প্ৰায় পঞ্চাশ বছৰ পূৰ্বে ভাৰতৰ মাটিত প্ৰথম ভৰি থোৱা ইংৰাজ শক্তিৰ বাবে ঘটনাটোৰ এশ বছৰ পাছত ভাৰতক ইংৰাজ উপনিৱেশলৈ পৰিণত কৰা প্ৰক্ৰিয়াৰ মূল দুৱাৰখন খোলাটো সম্ভৱ নহ'লহেতেন নেকি— ইত্যাদি দেশৰ গণস্বাৰ্থৰ বাবে ইতিবাচক হোৱাৰ সুবিধা থকা চিন্তাবোৰে ভাৰতৰ প্ৰগতিশীল শিবিৰৰ মনবোৰক আজিও আমনি কৰে। যি কি নহওক, দাৰা চিখুৰ দৃষ্টান্তই যেনেকৈ মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ জয়গান গাইছে, তেনেকৈ সেই ধাৰাৰ দুৰ্ভাগ্যজনক পৰাজয় আৰু অগণতান্ত্ৰিক ধাৰাৰ বিজয়ৰ ফলত দেশৰ ইতিহাসলৈ নামি অহা ভয়ানক বিপৰ্যয়েও নেতিবাচক দৃষ্টান্তৰে মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ শ্ৰেষ্ঠতালৈকে আঙুলিয়াইছে।

মধ্যযুগীয়া অসমত প্ৰগতিশীল ধাৰাটোৰ উৎপত্তি তথা বিকাশত যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে চিৰযুগমীয়া ভূমিকা লৈছিল সেইটো ইতিহাস স্বীকৃত। লগতে ইও ইতিহাসস্বীকৃত

যে শ্ৰীমন্ত শংকৰদেৱ চিৰযুগমীয়া মহাপুৰুষ একমাত্ৰ এইবাবে নহয় যে তেখেত এগৰাকী চিৰনমস্য ধৰ্মগুৰু আছিল। কাৰণ তেখেতে অসমত প্ৰগতিশীল ধাৰাৰ বাবে যি সিংহদুৱাৰ খুলি দিছিল সেই ধাৰাটো মাথোম ধৰ্মীয় গণ্ডীতেই সীমাবদ্ধ নাছিল। ই সমাজৰ জীৱনৰ নানা গুৰুত্বপূৰ্ণ ক্ষেত্ৰক সামৰিছিল। তেখেতৰ চিন্তা তথা কৰ্মৰাজিত মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যই পাইছিল বিশেষ গুৰুত্ব। এই গুণৰাজিয়েই তেখেতক ইতিহাসৰ এটি অতি উজ্জ্বল নক্ষত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিলে। শ্ৰীমন্ত শংকৰদেৱক অসমীয়া জাতীয় জীৱনৰ প্ৰধান সাংস্কৃতিক প্ৰাণপুৰুষ হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো এই গুণৰাজিৰ ভূমিকাই মূল। কাৰণ অসমীয়া জাতীয় জীৱন একমাত্ৰ মহাপুৰুষীয়া ধৰ্মমতৰ অনুগামীৰেই গঠিত নহয়, যি ধৰ্মমতৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰতিষ্ঠাপক গুৰু। সেই জাতীয় জীৱনত আন ধৰ্মাৱলম্বী অনেক লোকো আছে। কিন্তু এই জাতীয় জীৱনৰ সকলো সজ্জনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ পৰম শ্ৰদ্ধেয়। তাৰ মূলতেই আছে তেখেতৰ চিন্তাৱলী তথা কৰ্মৰাজিত নিহিত মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যসমূহ, যি প্ৰমূল্যসমূহ কোনো নিৰ্দিষ্ট ধৰ্মমতৰ গণ্ডীৰে সীমাবদ্ধ নহয়।

একে কথাই সন্ত কবীৰ, সন্ত দাদু, সন্ত নানক, পীৰ মইনুদ্দিন ক্ৰিষ্টি, পীৰ নিজামুদ্দিন আউলিয়া আদি মধ্যযুগীয়া ভাৰতবৰ্ষৰ আন তেনে মহাপুৰুষসকলৰ চিন্তাৱলী তথা কৰ্মাৱলীৰ ক্ষেত্ৰতো খাটে। এই মহাপুৰুষসকলৰ অনেক নিষ্ঠাৱান গুণমুগ্ধ আছিল, আছে আৰু থাকিব যিসকল আন ধৰ্মাৱলম্বী অথবা নাস্তিক। তেখেতসকলৰ চিন্তাৱলী তথা কৰ্মৰাজিত নিহিত তথা মানৱীয় গণতান্ত্ৰিক প্ৰমূল্যসমূহৰ বাবেই তেখেতসকল এনে গুণমুগ্ধসকলৰ অতি শ্ৰদ্ধেয় আৰু ইতিহাসত তেখেতসকলৰ স্থান চিৰ যুগমীয়া হ'ল এই গুণৰাজিৰ বাবেই। এই দৃষ্টান্তবোৰেও মানৱীয় তথা গণতান্ত্ৰিক প্ৰমূল্যৰ শ্ৰেষ্ঠতাকেই সূচাইছে।

গণতান্ত্ৰিক ব্যৱস্থাৰ শ্ৰেষ্ঠতাৰ সপক্ষে ইমানেই অধিক দৃষ্টান্ত আধুনিক যুগত আছে যিবোৰৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰি। বৰং গণতান্ত্ৰিকতাৰ বিকাশ তথা বিজয়েই আধুনিক সভ্যতাৰ বিকাশ আৰু সৰ্বোচ্চ লক্ষ্যপ্ৰাপ্তিৰ দিশে কৰা জনমুখী গতিৰ অবিৰত পৰিক্ৰমা বুলিহে ইতিহাসে স্পষ্টভাৱে কয়। এই জনমুখী প্ৰক্ৰিয়াৰ আৰম্ভণি হৈছিল সামন্তীয় সংকীৰ্ণতা তথা পশ্চাদপদতাৰ বিৰুদ্ধে পুঁজিবাদী গণতান্ত্ৰিক মতাদৰ্শক সাৰথি হিচাপে লৈ গণতন্ত্ৰীসকলে তৰা সংগ্ৰামৰ জৰিয়তে। ইংলেণ্ডত ৰজা আৰু পাৰ্লামেণ্টৰ মাজত দেখা দিয়া গৃহযুদ্ধ, আমেৰিকাৰ স্বাধীনতা সংগ্ৰাম আৰু ফৰাচী মহাবিপ্লৱত (১৭৮৯খ্ৰীঃ) এই সংগ্ৰামী ধাৰাৰ ঐতিহাসিক বিস্ফোৰণ ঘটিছিল। ফৰাচী মহাবিপ্লৱে অৱশেষত পুঁজিবাদী গণতান্ত্ৰিক মতাদৰ্শক চূড়ান্ত বিজয়ৰ স্তৰত উপনীত কৰোৱাইছিল আৰু এই মতাদৰ্শৰ বাবে খুলি দিছিল বিশ্ব বিজয়ৰ সিংহ দুৱাৰ। কিন্তু পুঁজিবাদ নিজেই যিহেতু এটা অতি শোষণমূলক অৰ্থনৈতিক ব্যৱস্থা সেয়ে স্বাভাৱিকতেই সেই অৰ্থনৈতিক ব্যৱস্থাৰ ৰাজনৈতিক মতাদৰ্শ হিচাপে উৎপত্তি হোৱা পুঁজিবাদী গণতান্ত্ৰিক মতাদৰ্শয়ো তেনে সমাজৰ সৰ্বসাধাৰণ ৰাইজক গণতান্ত্ৰিক অধিকাৰৰ গৰাকী প্ৰকৃতাৰ্থত কৰিব নোৱাৰিলে, যিটো অবিহনে সমাজত শোষণ-নিষ্পেষণৰ অৱসানো নঘটে আৰু মানৱীয় প্ৰমূল্যয়ো সামগ্ৰিকভাৱে সমাজখনক মমতাময়ী উম দিব নোৱাৰে।

পুঁজিবাদী গণতন্ত্ৰৰ এই ভয়ানক ত্ৰুটিবোৰ প্ৰত্যক্ষ কৰিয়েই উনবিংশ শতিকাৰে পৰা বিশ্বৰ বাঁওপন্থী শিবিৰৰ মহান নেতাসকলে বিশেষকৈ কাৰ্ল মাৰ্ক্সৰ নেতৃত্বত উদ্ভাৱন কৰিলে জনগণতন্ত্ৰৰ তত্ব, যিটোৰ উদ্দেশ্য তথা লক্ষ্য হ'ল— সমাজৰ সৰ্বসাধাৰণ ৰাইজক গণতান্ত্ৰিক অধিকাৰৰ প্ৰকৃতাৰ্থত গৰাকী কৰাটো। নিকা গণতান্ত্ৰিক আদৰ্শ কিমান শক্তিমান তাক অধুনালুপ্ত ছোভিয়েট ইউনিয়নৰ পতনেই স্পষ্ট কৰি দিয়ে। জনগণতন্ত্ৰৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যেৰেই স্থাপিত সেই সমাজ ব্যৱস্থা ধ্বংসৰ মুখত পৰিল। ছোভিয়েট ইউনিয়নৰ জনগণক সেই ব্যৱস্থাই গণতান্ত্ৰিক অধিকাৰৰ গৰাকী প্ৰকৃতাৰ্থত কৰিব নোৱাৰা বাবেই। এতিয়া সভ্যতাৰ সপোন হৈছে কেনে উচিত প্ৰচেষ্টাৰে দেশ তথা বিশ্বত জনগণতন্ত্ৰৰ স্থাপন কৰা যায়, যি ব্যৱস্থাত সৰ্বসাধাৰণ ৰাইজ গণতান্ত্ৰিক অধিকাৰৰ গৰাকী প্ৰকৃতাৰ্থত হ'ব পাৰে— তাক বিচাৰি উলিওৱাটো। তেনে গণমুক্তিৰ প্ৰচেষ্টাত যে জনমুখী গণতান্ত্ৰিক প্ৰমূল্যসমূহ অটুট থাকিবই লাগিব সেইটো দেখ দেখ কৰে ওলাই আছে।

এই ঐতিহাসিক আৰু বৰ্তমানৰ বাস্তৱক চকুৰ আগত ৰাখিলেহে আজিৰ ভাৰতবৰ্ষৰ শাসকশ্ৰেণী নিজেই এটা মোটামুটি ৰূপৰ হ'লেও গণতান্ত্ৰিক ব্যৱস্থাৰ গৰাকী হোৱা সত্বেও সেই শাসক চক্ৰবোৰে নিজেই গণতান্ত্ৰিক প্ৰমূল্যক ক্ৰমান্বয়ে ধ্বংস কৰি অনাটো দেশৰ জনস্বাৰ্থৰ বাবে কেনে মাৰাত্মক প্ৰৱণতা আৰু সাধাৰণ ৰাইজৰ বাবে কেনে ভয়ানক দুঃশ্চিন্তাৰ বিষয় সেইটো স্পষ্ট হৈ পৰে। এই আলোচনাৰ উদ্দেশ্যও আমাৰ জন সমাজত সেই সম্পৰ্কীয় সজাগতাৰ সৃষ্টি কৰাটোৱেই।

# কটনিয়ানৰ ৰাজনীতি

## সুদীৰ্ঘ পথ পৰিক্ৰমাৰ এছোৱা

**অৰূপ কলিতা**
*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*

কটনিয়ানৰ ৰাজনীতি। কটন কলেজৰ ছাত্ৰ ৰাজনীতি। এই মুহূৰ্তত এই বিষয়ে লিখিবলৈ লৈ মই নিজেই দ্বিধাগ্ৰস্থ। ক'ৰ পৰা আৰম্ভ কৰিব পাৰি এই ইতিহাস? কটনিয়ানৰ ৰাজনীতিৰ ইতিহাস? এটা দোমোজাৰ বিষয়। আৰম্ভ কৰিব লাগিব তাৰ পৰাই— কটন কলেজ প্ৰতিষ্ঠা নোহোৱাৰ পৰাই। উল্লেখ কৰিব লাগিব—সকলো ৰাজনৈতিক ষড়যন্ত্ৰ আঁতৰাই অসমৰ মাটিত প্ৰথমখন কলেজ স্থাপন হোৱাৰ ঐতিহাসিক কাহিনী। তাৰ পিছত? তাৰ পিছৰচোৱা আন এক ইতিহাস। কটন কলেজৰ ছাত্ৰ ৰাজনীতিৰ ইতিহাস।

০ ০ ০ ০ ০ ০

মূলতঃ ১৮৯৫ চন মানৰ পৰাই আৰম্ভ হৈছিল এই বিতৰ্ক অসমত এখন কলেজ লাগে নে নেলাগে? অসমৰ কাকত-আলোচনীৰ পাততো চলিছিল এই বিতৰ্ক। জ্ঞানদাভিৰাম বৰুৱাৰ নিচিনা লোকেও ASSAM কাকতত লিখিছিল চিঠি— কিন্তু কি লিখিছিল তেওঁ, 'কলিকতাত আমাৰ ল'ৰাক ২০ টকাকৈ বৃত্তি দিয়ে। গুৱাহাটীতো আজিকালি ২০ টকাৰ কমে ল'ৰা এজনে যে পঢ়িব পাৰিব তেনে বোধ নহয়। পাচে যদি কলিকতা, গুৱাহাটী উভয় ঠাইতে একে খৰচ হয়, তেনেহ'লেনো আমাৰ ল'ৰানো কলিকতালৈ নপাঠিয়াই গুৱাহাটীলৈ কিয় পঠিয়াম? গুৱাহাটীত ৪ বছৰত পঢ়ি যি শিকিব কলিকতাত ১ বছৰ পঢ়িয়েই সেইখিনি জ্ঞান পাব।' সেই সময়ত এনেকুৱাই আছিল অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মানসিকতা। তাৰ পিছতো প্ৰৱসুৱা অসমীয়া ছাত্ৰসকল এই সিদ্ধান্তত স্থিতপ্ৰজ্ঞ আছিল যে অসমত এখন কলেজ লাগিবই।

কলিকতাত থকা অসমীয়া ছাত্ৰসকল জজ্ আব্দুল মজিদ চাহাবৰ ঘৰত গোট খাইছিল। কলেজ স্থাপনৰ দাবী কেনেকৈ উত্থাপন কৰিব পৰা যায়— সেই বিষয়ে আলোচনা কৰিবলৈ। বেণুধৰ ৰাজখোৱা, দেৱেশ্বৰ চলিহাই আছিল এই আলোচনাৰ আহ্বায়ক। পৰৱৰ্তী সময়ত অসমৰ চীফ কমিচনাৰ হিচাপে নিযুক্ত হ'ল ছাৰ হেনৰী কটন। অসমীয়া ছাত্ৰসকলে মজিদ চাহাবৰ ঘৰতে অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিলে। অনুষ্ঠানৰ আঁৰৰ অভিপ্ৰায় আছিল কলেজ স্থাপনৰ বিষয়টো উত্থাপন কৰা। পিছে আব্দুল মজিদ নিজেই আছিল অসমত কলেজ স্থাপনৰ বিৰোধী। কটন আৰু মজিদ চাহাব দুয়োজনেই অসমত কলেজৰ সলনি কলিকতাত অসমীয়া ছাত্ৰৰ বাবে হোষ্টেল সজাৰ কথাহে ক'লে।

এই বিতৰ্ক অসমজুৰি বিয়পি পৰিল। হোষ্টেল নে কলেজ? শিৱসাগৰত সভা পাতি সকলোৱে ক'লে, অসমত এখন কলেজ লাগে। কলিকতাত সভা অনুষ্ঠিত কৰি অসম উন্নতি সাধিনী সভায়ো অসমত কলেজ স্থাপনৰ দাবী তুলিলে....।

২৮ মাৰ্চ, চন ১৮৯৯। মানিক চন্দ্ৰ বৰুৱা গ'ল চীফ কমিছ্নাৰ হেনৰী কটনৰ ওচৰলৈ। হাতত এখন আবেদন পত্ৰ— "Assam is only Province which has not got a college. Indeed it has not a high institution worth the name. A college at Gauhati with a Europian principal will be better appreciated by the students than similar private institution..." তেতিয়া অসমৰ মধ্যবিত্ত সমাজ নিজেই দোমোজাত— কি বিচাৰে তেওঁলোকে? অসমত কলেজ নে কলিকতাত হোষ্টেল? তাৰ মাজতে অসমৰ ছাত্ৰ সমাজৰ প্ৰবল দাবী আৰু মানিক চন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা আদি কেইগৰাকীমান ব্যক্তিৰ নেৰানেপেৰা চেষ্টাত অসমত স্থাপন হ'ল প্ৰথমখন কলেজ। কটন কলেজ। প্ৰিন্সিপাল — ছাৰ উইলিয়াম হেনৰী ছুডমাৰ্চন।

কটন নাইবা চুডমাৰ্চন চাহাব কোনেও ভবা নাছিল যে অতি কম দিনৰ ভিতৰতে এই কলেজখন হৈ পৰিব কলিকতা বিশ্ববিদ্যালয়ৰ এখন আগশাৰীৰ কলেজ। ১৯১৩ চনত বাণীকান্ত কাকতিয়ে আই এ পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম স্থান লাভ কৰি উত্তীৰ্ণ হয়। তাৰ পিছত অধ্যক্ষ ছুডমাৰ্চন চাহাবে ক'বলৈ বাধ্য হ'ল—

"Assamese students have passed the F.A. examination in such large number and in such high divisions as were never dreamt of by the most sanguine assamese leaders when the college was first started."

o o o o o o

এতিয়া আহিছো ৰাজনীতিৰ কথালৈ।

চন ১৯১৫। বংগ ভংগ আন্দোলনৰ সমাপ্তি হৈছিল ইতিমধ্যে। তাত ছাত্ৰসকলেই আছিল আন্দোলনটোৰ প্ৰধান চালিকা শক্তি। অসমৰো ছাত্ৰসকলে ভাবিলে তেওঁলোকো সংগঠিত হোৱাটো জৰুৰী। এছ. এল. ক্লাবৰ উদ্যোগত কাৰ্জন হলত অনুষ্ঠিত হ'ল জৰুৰী সভা। যোগ দিলে কটন কলেজৰ বহু জ্যেষ্ঠ ছাত্ৰই। অৱশেষত ১৯১৬ চনৰ ২৫ ডিচেম্বৰৰ দিনা গঠন হ'ল— 'অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন।' পিছলৈ — 'আসাম ছাত্ৰ সন্মিলন।' ইয়াৰ পিছত তুমুল বিতৰ্ক। অসমীয়া ছাত্ৰই কেৱল সাহিত্য চৰ্চাই কৰিবনে? নে ৰাজনৈতিক ভূমিকাও গ্ৰহণ কৰিব? লক্ষ্মীনাথ বেজবৰুৱাও প্ৰবল বিৰোধী আছিল ছাত্ৰ ৰাজনীতিৰ। তেওঁৰ মতে ৰজাৰ বাবেই জীৱন, ৰজাৰ বাবেই ণ। পদ্মনাথ গোহাঞিবৰুৱাই ক'লে—'ছাত্ৰ জীৱনত জনৈতিক শিক্ষা লাভ নোহোৱাত অন্ততঃ তাৰ আভাসগ্ৰাহী

> শ্ৰীমান প্ৰফুল্ল গোস্বামী। হয়তো আজিৰ তাৰিখত ছাত্ৰ ৰাজনীতিৰ ইতিহাসত বৰকৈ শুনা নাযাব এই নামটো। কিন্তু বিপুল জনপ্ৰিয়তাৰে এইজন ছাত্ৰনেতা একেৰাহে 'কটন কলেজ ইউনিয়ন চ'চাইটি'ৰ দুবাৰকৈ সাধাৰণ সম্পাদক হৈছিল। শ্ৰীমান গোস্বামীৰ নিমন্ত্ৰণতে ১৯৩৭ চনত জৱাহৰলাল নেহৰুৱে কটন কলেজত ভাষণ দিবলৈ আহিছিল আৰু ১৯৩৮ চনত গোস্বামীৰ নিমন্ত্ৰণমৰ্মে কটন কলেজত ভৰি দিছিল বিখ্যাত কমিনিউষ্ট নেতা সৌমেন্দ্ৰ নাথ ঠাকুৰে।

হ'ব নোৱাৰাত যে পিছৰ বুঢ়া শালিকা দেশ হিতৈষীয়ে ৰাজনৈতিক মাত ল'ব লগাত পৰে আৰু তাৰ ফলত গুৰুতৰ বিষয়ত কেৰ ভাঙি কথা ক'ব নাজানি অনেক অনেক বিধৰ প্ৰমাদ ঘটায় এই কথা কোনে নাজানে?'.... এনে বহু বাদ প্ৰতিবাদৰ মাজতে ১৯২০ চনত কংগ্ৰেছৰ কলিকতা অধিৱেশনত গৃহীত হয় অসহযোগৰ প্ৰস্তাৱ। আসাম ছাত্ৰ সন্মিলনেও ছাত্ৰসকলক আহ্বান জনালে— এই আন্দোলনত ভাগ ল'বলৈ। এই আন্দোলনৰে এটি আহ্বান আছিল চৰকাৰী স্কুল কলেজ বৰ্জন। ইতিমধ্যে প্ৰবাসী অসমীয়া ছাত্ৰসকলে পঢ়া এৰি অসম পালেহি। কটন কলেজতো মুহূৰ্ত্তে খলকনি উঠিল।

১৯২১ চনৰ ২ জানুৱাৰী। চন্দনাথ শৰ্মাই কটন কলেজৰ হোষ্টেলে হোষ্টেলে সভা পাতিলে। জাক জাক কটনিয়ান সাজু হ'ল কলেজ এৰিবলৈ। শংকিত হৈ উঠিল অসমৰে বহু বিয়াগোম নেতা। ৩ জানুৱাৰীত তৰুণ ৰাম ফুকনে কাৰ্জন হলত সভা অনুষ্ঠিত কৰিলে আৰু কটনিয়ানসকলক ভয়ংকৰ সকিয়নী দিলে। ইতিমধ্যে কলেজ এৰিবলৈ প্ৰায় শতাধিক কটনিয়ান সাজু হৈ উঠিছিল। এনে সময়তে তৰুণ ৰাম ফুকনৰ ধমকিত অনেকেই সুৰ সুৰকৈ কলেজ সোমালেগৈ। তাৰ মাজতো ১০-১২ জন কটনিয়ানে কলেজ বৰ্জন কৰিলে। নেতৃত্বত বিদ্যাধৰ শৰ্মা। এদিন সাধাৰণ সম্পাদক তিলক চন্দ্ৰ শৰ্মাইও কলেজৰ নটিচ বৰ্ডত ন'টিচ লগাই কলেজ এৰি ওলাই আহিল। তেওঁৰ খোজত খোজমিলাই আন শতাধিক কটনিয়ান....।

ইতিহাসে এই কথা স্বীকাৰ কৰি লৈছে যে— অসহযোগ আন্দোলন অসমত বিয়পাই দিছিল কটনিয়ানসকলেই।

ডাঃ কনক চন্দ্ৰ বৰুৱাই লিখিছে— 'অসমত মহাত্মা গান্ধীৰ প্ৰকৃত অসহযোগ আন্দোলন কটন কলেজ চৌহদৰ পৰাই আৰম্ভ হয়। কটন কলেজৰ ছাত্ৰই এই আন্দোলনৰ সূত্ৰপাত কৰে। তাৰ আগতে নেতাসকলে বিশেষ একো কৰিব পৰা নাছিল...।'

দেৱেশ্বৰ শৰ্মাই লিখিছে— 'অসমত অসহযোগ আন্দোলনৰ সক্ৰিয় অগ্ৰদূত হিচাপে কটন কলেজৰ পৰা পঢ়া এৰি অহা ছাত্ৰ কেইজনমান ওলাইছিল। ছাত্ৰ শক্তিয়েহে অসমৰ মুক্তি যুদ্ধত সৰ্বতোপ্ৰকাৰে সাহপিত আৰু শক্তি সামৰ্থ যোগাইছিল.....।'

অসহযোগ আন্দোলন বেছি দিন নচলিল।

১৯২২ চনৰ ৫ ফেব্ৰুৱাৰী। উত্তৰ প্ৰদেশত অনেক বিদ্ৰোহী কৃষকে অগ্নি সংযোগ কৰিলে এখন থানাত। গান্ধী মৰ্মাহত হ'ল এই ঘটনাত। অহিংস আন্দোলন এটা বিপথে পৰিচালিত হোৱা দেখি। তেওঁ ততাতৈয়াকৈ অসহযোগ আন্দোলন বাতিল কৰিলে। কটনিয়ানসকল নাৰাজ হ'ল গান্ধীৰ ওপৰত। কিন্তু বহি নাথাকিল। স্বাধীনতাৰ ৰণশিঙা লৈ অসমৰ দিহিঙে দিপাঙে বিয়পি গ'ল। কটনিয়ান বিদ্যাধৰ শৰ্মা হ'লগৈ যোৰহাট কংগ্ৰেছৰ সভাপতি।

০ ০ ০ ০ ০ ০

এছোৱা দীঘলীয়া বিৰতি।

অসহযোগ আন্দোলনৰ পিছত গান্ধীৰ অনুগামী বহু ছাত্ৰই পঢ়িবলৈ আৰম্ভ কৰিছে মাৰ্ক্স এংগেলছ। অসমত কিন্তু এই বিতৰ্কৰ তেতিয়াও অৱসান হোৱা নাই যে ছাত্ৰই ৰাজনীতি কৰা উচিত নে অনুচিত। নানা মত, নানা বিতৰ্ক। কিন্তু স্বয়ম্ভু পণ্ডিত প্ৰবৰৰ মুখ বন্ধ কৰি ছাত্ৰ সন্মিলনৰ অধিৱেশনত কৃষ্ণকান্ত সন্দিকৈয়ে ক'লে— 'দেশত যিবিলাক ৰাজনৈতিক আৰু সামাজিক আন্দোলন হৈছে, তাৰ পৰা কলেজৰ ছাত্ৰক একেবাৰেই আঁতৰাই ৰাখিব নোৱাৰি। ৰাজনৈতিক আন্দোলনৰ ধুমধামত ছাত্ৰই সম্পূৰ্ণৰূপে যোগ দি অৱশ্যে পঢ়া-শুনা কৰিব নোৱাৰে। আজি-কালি ভাৰতৰ অনেক ঠাইত ছাত্ৰক আন্দোলনৰ অলপ সংশ্ৰয়ত অহা দেখিলেই কৰ্তৃপক্ষ চক্ খাই উঠে আৰু অপমানজনক সৰ্ত্তেৰে ছাত্ৰক বশ কৰিব খোজে। ইয়াৰ ফলত দুয়ো পক্ষৰ সংঘৰ্ষ আৱশ্যম্ভাৱী। কিন্তু শৃংখলাৰ নামত কেতিয়াও মৰ্যাদা আৰু আত্মসন্মান ত্যাগ কৰা উচিত নহয়। উচ্চ আদৰ্শৰ দ্বাৰ অনুপ্ৰাণিত নহ'লে ছাত্ৰ জীৱন বিশুদ্ধ আৰু মহৎ হ'ব নোৱাৰে......। অসমৰ ছাত্ৰসকলে বিশেষকৈ কলেজীয়া ছাত্ৰসকলে ৰাজনীতি কৰিব খুজিছে, সেইটো তেওঁলোকৰ উদাৰ আৰু নিৰ্ভীক ভাবৰ পৰিচায়ক.....।' এই অধিৱেশন অনুষ্ঠিত হৈছিল ১৯২৯ চনত গোলাঘাটত। কৃষ্ণকান্ত সন্দিকৈৰ ভাষণে ছাত্ৰসকলৰ চিত্ত জোকাৰি গৈছিল। তেওঁলোক দুগুণ উৎসাহিত হৈছিল। গোলাঘাটতে গঠন হৈছিল 'সদৌ অসম যুৱক সংঘ'। সংঘৰ সদস্য হৈছিলগৈ বহু কটনিয়ান। যথা বিজয় চন্দ্ৰ ভাগৱতী, মহেন্দ্ৰ মোহন চৌধুৰী, গিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী ইত্যাদি।

১৯২৯ চনতে অনুষ্ঠিত হৈছিল লাহোৰ অধিৱেশন। গৃহীত হৈছিল আইন অমান্য আন্দোলনৰ প্ৰস্তাৱ। সিদ্ধান্ত লৈছিল ১৯৩০ চনৰ ২৮ জানুৱাৰীত সমগ্ৰ দেশতে জাতীয় পতাকা উত্তোলন কৰি স্বাধীনতাৰ সংকল্প লোৱাৰ। এই সিদ্ধান্তৰ বাতৰি অসমলৈ কঢ়িয়াই আনিছিল কেইজনমান কটনিয়ানে— মহেন্দ্ৰ মোহন চৌধুৰী, পবিন্দ্ৰনাথ শৰ্মা আদি। তেওঁলোক লাহোৰ অধিৱেশনত উপস্থিত আছিল।

১৯৩০ চনৰ ২৫ জানুৱাৰী।

পাছদিনা পাণবজাৰৰ জুবিলী উদ্যানত উত্তোলিত হ'ব জাতীয় পতাকা। কটনিয়ান বেলিৰাম দাসে সতীৰ্থসকলৰ সৈতে প্ৰতিটো হোষ্টেলত নিমন্ত্ৰণ জনাই ফুৰিছে। ছাত্ৰাবাস সমূহৰ ন'টিচ ব'ৰ্ডত দেখা পোৱা গ'ল এখন নতুন জাননী—

'জুবিলী পাৰ্কত পুৱা ৯ বজাত পতাকা উত্তোলন কৰা হ'ব আৰু পূৰ্ণ স্বৰাজ স্থাপনৰ সংকল্প গ্ৰহণ কৰা হ'ব। সকলো ছাত্ৰই যোগ দিব লাগে।'

এই খবৰ কাণত পৰিল অধ্যক্ষ টমছন চাহাবৰ। তেওঁৰ কলেজৰ ছাত্ৰই দেশৰ স্বাধীনতা আন্দোলনত অংশ ল'ব এই খবৰ আছিল এজন ব্ৰিটিছ অধ্যক্ষৰ বাবে অপমানজনক। তৎক্ষণাৎ তেওঁ ন'টিচ দিলে— 'কোনো ছাত্ৰই চৰকাৰ বিৰোধী কোনো কামত যোগ দিব নোৱাৰিব। দিলে সমুচিত ফল পাব।' পিছে কোন কটনিয়ানে শুনে অধ্যক্ষ টমছন চাহাবৰ কথা! তেজত যাৰ এহেজাৰ এটা ৰণুৱা ঘোঁৰাৰ দপদপনি। অনেক কটনিয়ানে ভাগ ল'লৈগে পতাকা উত্তোলনৰ কাৰ্যসূচীত আৰু সন্ধিয়া কাৰ্জন হ'লত অনুষ্ঠিত কৰিলে এখন ৰাজহুৱা সভা। সভাপতি আছিল তৰুণ ৰাম ফুকন।

১৯৩০ চনৰ ১৪ এপ্ৰিল গ্ৰেপ্তাৰ হ'ল জৱাহৰলাল নেহৰু।

সেই বছৰৰে ৫ মে'ত গ্ৰেপ্তাৰ হ'ল মোহনদাস কৰমচাঁদ গান্ধী।

দেশৰ দিহিঙে দিপাঙে ছাত্ৰসকলে স্কুল কলেজ এৰি ৰাজপথলৈ ওলাই আহিল। ছাত্ৰসমাজৰ এই স্বতঃস্ফূৰ্ত জাগৰণত ব্ৰিটিছ চৰকাৰ আতংকিত হৈ উঠিল। ছাত্ৰসকলৰ কণ্ঠৰুদ্ধ কৰিবলৈ শিক্ষাধিকাৰ জৰ্জ কানিংহাম চাহাবে অধিসূচনা জাৰি কৰিলে। সেই কলংকিত কানিংহাম চাৰ্কুলাৰত লিখা আছিল এই কথা — 'অভিভাৱকসকলে প্ৰতিশ্ৰুতি দিব লাগিব যে তেওঁলোকৰ সন্তানে কোনো চৰকাৰ বিৰোধী কাৰ্য্যসূচীত যোগ দিব নোৱাৰিব। অন্যথা গ্ৰীষ্ম বন্ধৰ পিছত স্কুল কলেজত নাম ভৰ্ত্তি কৰিব নোৱাৰিব।'

এইবাৰ কটনিয়ানসকলৰ খং মূৰত উঠিল। ৯ জুলাইত কাৰ্জন হলত সভা অনুষ্ঠিত কৰি সংগ্ৰামী কটনিয়ানসকলে কলেজ এৰিবলৈ সাজু হ'ল। ২১ জুলাইত হৰিসভা প্ৰাংগনত অসম ছাত্ৰ সন্মিলনৰ বিশেষ সভা অনুষ্ঠিত হ'ল। সভাপতিৰ আসনত অমিয় কুমাৰ দাস। এই সভাতে প্ৰস্তাৱ গৃহীত হ'ল— কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল কলেজ বৰ্জন কৰিব লাগে। সিদিনাই কটনিয়ানসকলে কলেজ বৰ্জন কৰিলে। একে সময়তে আৰম্ভ হ'ল পিকেটিঙ। অন্য ছাত্ৰসকলেও যাতে কলেজ কৰিব নোৱাৰে। উপায়হীন অধ্যক্ষ ব্ৰাউন চাহাবে অনিৰ্দিষ্ট কাললৈ কলেজ বন্ধ ঘোষণা কৰিলে।

এয়াই আছিল কটনিয়ান সকলৰ ৰাজনৈতিক চেতনাৰ নমুনা। কানিংহাম চাৰ্কুলাৰ বৰ্জন কৰি কটন কলেজৰ ছাত্ৰসকলেই অসমত আইন অমান্য আন্দোলনৰ সূত্ৰপাত কৰিছিল। যিদৰে কৰিছিল অসহযোগ আন্দোলনৰ.......।

০ ০ ০ ০ ০ ০

১৯৩৪ চনৰ ২০ মে' তাৰিখে ৰহস্যজনক কাৰণত গান্ধীয়ে স্থগিত কৰিছিল আইন অমান্য আন্দোলন। জনগণৰ ৰাজনৈতিক উত্তেজনা প্ৰশমিত কৰিবৰ বাবে তেওঁ জেলৰ পৰাই আৰম্ভ কৰিছিল অনশনৰ কাৰ্যসূচী। গান্ধীৰ ভূমিকা দিনে দিনে অধিক ৰহস্যজনক হৈ উঠিছিল। বিশেষকৈ কলেজীয়া ছাত্ৰসকলৰ মাজত তীব্ৰ অসন্তুষ্টিয়ে গা কৰি উঠিছিল। দেশত গঢ়ি উঠিল অনেক ছাত্ৰ ফেডাৰেচন। ছাত্ৰসকলে গান্ধীবাদ এৰি মাৰ্ক্সবাদত শৰণ ল'লে। এই ঢৌ অসমতো বিয়পিল। অসহযোগ আন্দোলন, আইন অমান্য আন্দোলনৰ নিচিনাকৈ ছাত্ৰসকলেই প্ৰথমতে এই নতুন আদৰ্শ, নতুন দৰ্শনৰ প্ৰতি আকৃষ্ট হয়। ইতিমধ্যে ১৯২৭ চনমানৰ পৰাই একাংশ কটনিয়ানে Bengal Peasants and Worker's Partyৰ লগত এক সম্পৰ্ক স্থাপন কৰিছিল। ভগৎ সিঙ হৈ পৰিল ছাত্ৰ তথা যুৱকসকলৰ হিৰ'। সাম্যবাদ হ'ল ছাত্ৰসকলৰ বৈপ্লৱিক চেতনাৰ মূলমন্ত্ৰ। কটনিয়ানসকলেই মূলতঃ এই সন্দৰ্ভত অধিক অধ্যয়ন আৰু চিন্তা চৰ্চা কৰিবলৈ আৰম্ভ কৰে। গুৱাহাটীৰ পানবজাৰত কটনিয়ানসকলে প্ৰগ্ৰেছিভ ইউনিয়ন গঠন কৰিলে। দূৰ দূৰণিৰ পৰা গোটোৱা হ'ল মাৰ্ক্সীয় দৰ্শনৰ কিতাপ। কম সময়ৰ ভিতৰতে কটন কলেজৰ ভিতৰে বাহিৰে সমাজবাদী চিন্তা চৰ্চাই বিকাশ লাভ কৰে। প্ৰগ্ৰেছিভ ইউনিয়নৰ নেতা শ্ৰীমান প্ৰফুল্ল গোস্বামী নিজৰ ব্যক্তিত্বৰ বলত হৈ পৰিল কটন কলেজৰ অবিসম্বাদী ছাত্ৰ নেতা।

শ্ৰীমান প্ৰফুল্ল গোস্বামী। হয়তো আজিৰ তাৰিখত ছাত্ৰ ৰাজনীতিৰ ইতিহাসত বৰকৈ শুনা নাযাব এই নামটো। কিন্তু বিপুল জনপ্ৰিয়তাৰে এইজন ছাত্ৰনেতা একেৰাহে 'কটন কলেজ ইউনিয়ন চ'চাইটি'ৰ দুবাৰকৈ সাধাৰণ সম্পাদক হৈছিল। শ্ৰীমান গোস্বামীৰ নিমন্ত্ৰণতে ১৯৩৭ চনত জৱাহৰলাল নেহৰুৱে কটন কলেজত ভাষণ দিবলৈ আহিছিল আৰু ১৯৩৮ চনত গোস্বামীৰ নিমন্ত্ৰণমৰ্মে কটন কলেজত ভৰি দিছিল বিখ্যাত কমিনিউষ্ট নেতা সৌমেন্দ্ৰ নাথ ঠাকুৰে। দিনে দিনে শ্ৰীমান প্ৰফুল্ল গোস্বামী কটন কলেজতেই নহয় সমগ্ৰ অসমতে জনপ্ৰিয় হৈ উঠে। পিছৰ সময়ছোৱাত শ্ৰীমান গোস্বামীৰ সতীৰ্থসকল একেৰাহে কটন কলেজৰ সাধাৰণ সম্পাদকৰূপে বিজয়ী হৈ আহে। বিয়াল্লিছৰ আন্দোলনৰ ঠিক আগে আগে কটন কলেজৰ নিৰ্বাচনত বামপন্থী আন্দোলনৰ দ্বাৰা প্ৰভাৱান্বিত ছাত্ৰসকল বিজয়ী হোৱাটো আছিল অসমৰ ৰাজনীতিত এক বিপৰীত বতাহ বলাৰ ইংগিত। সেই সময়ৰ কটন কলেজৰ সাধাৰণ সম্পাদকসকল আছিল— খগেন বৰবৰুৱা, ফনী তালুকদাৰ, উমা শৰ্মা, নাৰায়ণ দাস, উপেন শৰ্মা। এই ছাত্ৰ নেতাসকলেই কটন কলেজৰ তথা সমসাময়িক ছাত্ৰ ৰাজনীতিত সুস্থ গণতান্ত্ৰিক পৰম্পৰাৰ জন্ম দিয়ে বুলি ইতিহাসে স্বীকাৰ কৰি থৈছে। এই সময়খিনি আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ এক বিশেষ স্পৰ্শকাতৰ সময়। আৰম্ভ হৈছিল বিশ্বযুদ্ধ। ব্ৰিটিছ চৰকাৰে দেশৰ প্ৰান্তে প্ৰান্তে যুদ্ধ প্ৰদৰ্শনী পাতিছিল। উদ্দেশ্য আছিল পুঁজি সংগ্ৰহ কৰা। যথাৰীতি ১৯৪১ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীতো যুদ্ধ প্ৰদৰ্শনী পতা হ'ল। স্থান জজ্ ফিল্ড আৰু কটন কলেজৰ ফিজিক্স লেব'ৰেটৰী।

তাৰিখ ৫ ডিচেম্বৰ। কটনিয়ানসকল জাঙুৰ খাই উঠিল ব্ৰিটিছ চৰকাৰৰ এই নিকৃষ্ট অভিপ্ৰায় দেখি। পিকেটিং আৰম্ভ হ'ল। কটন কলেজৰ দেৱালে দেৱালে যুদ্ধবিৰোধী পোষ্টাৰ আঁৰি দিয়া হ'ল। জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ লগত ক্ষণে ক্ষণে তৰ্কযুদ্ধ চলিল। এসময়ত কমিচনাৰ হামফ্ৰে চাহাবে হাত

তুলিলে কটনিয়ান দিলীপ চক্ৰৱৰ্তী আৰু উত্তম চন্দ্ৰ তহবিলদাৰৰ ওপৰত। যেন জ্বলা জুইত ঘিউহে ঢালিলে।

পিছদিনা অৰ্থাৎ ৬ ডিচেম্বৰৰ দিনা কটনিয়ানসকলৰ উদ্যোগত ৰাজপথত দেখা গ'ল বিশাল মিছিল। মিছিলত চামিল হৈছিল কটন কলেজিয়েট, পানবজাৰ ছোৱালী হাইস্কুল, বেংগলী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকল। এই বিশাল মিছিলক বাধা দিব নোৱাৰি হামফ্ৰে চাহাবে পুনৰ নিৰ্দ্দেশ দিলে লাঠীচাৰ্জৰ। ব্ৰিটিছ চিপাহীৰ প্ৰবল লাঠীচাৰ্জত কটন কলেজৰ সাধাৰণ সম্পাদক নাৰায়ণ দাসসহ আহত হ'ল বহুজন। মিছিলৰ নেতৃত্বত থকা হৰিদাস ডেকা, তৰুণ সেন ডেকা, নন্দেশ্বৰ তালুকদাৰো আহত হ'ল।

ইমানতে ক্ষান্ত নাথাকিল ব্ৰিটিছ প্ৰশাসন। গ্ৰেপ্তাৰ হ'ল সাধাৰণ সম্পাদক নাৰায়ণ দাস। লগত তৰুণ সেন ডেকা, হৰেণ কলিতা আৰু কামিনী শৰ্মা। ব্ৰিটিছৰ এই নৃশংসতাই অসমীয়া জনতাক শিহৰিত কৰি তোলা সময়তো ৰাজভক্তিত নতশিৰ আছিল কটন কলেজৰ অধ্যক্ষ বিজয় সেন, ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ৰাজাবালা দাস। তেওঁলোকৰ এই গোলামী মানসিকতাক ধিক্কাৰ দি ৭ ডিচেম্বৰৰ দিনা গুৱাহাটীত ৰাজহুৱা সভা অনুষ্ঠিত হ'ল। এই সভাতে কটন কলেজৰ অধ্যক্ষ, হামফ্ৰে চাহাব, ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰীক গৰিহণা দি প্ৰস্তাৱ গৃহীত কৰা হ'ল। সভাৰ সভাপতি আছিল নীলমণি ফুকন। উপস্থিত আছিল প্ৰায় কুৰি হাজাৰ জনতা। সিদিনাৰ পৰাই অসমৰ প্ৰান্তৰে প্ৰান্তৰে ব্যাপক ছাত্ৰ বিক্ষোভে গা কৰি উঠিল। এই বিক্ষোভ দমন কৰিবলৈ কটনিয়ান উমা শৰ্মা, হৰেণ কলিতা, হৰিদাস ডেকা আৰু গোকুল মেধিক সণ্টালানিকৈ গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰক্ষেপ কৰে। লগতে পৰৱৰ্তী জানুৱাৰী মাহপৰ্যন্ত স্কুল কলেজ বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে। তাৰপিছতো কিন্তু ব্যাপক ছাত্ৰ বিক্ষোভৰ ফলত ব্ৰিটিছৰ পুঁজি সংগ্ৰহৰ সকলো অভিসন্ধি ধূলিসাৎ হৈ যায়।

এনেদৰেই কটনিয়ানসকলৰ উদ্যোগত '৪২ ৰ প্ৰাক্‌ক্ষণত অসমৰ জনতাৰ শিৰে শিৰে প্ৰবাহিত হয় স্বাধীনতাৰ আকাংক্ষা। কটনিয়ানসকলেই জনতাৰ বুকুৰে বুকুৰে পুতি দিয়ে কাংক্ষিত স্বাধীনতাৰ নতুন নিচান।

০ ০ ০ ০ ০ ০

গান্ধী আকৌ এবাৰ ব্যৰ্থ হ'ল। স্বাধীনতাকাংক্ষী জনগণক সংগঠিত কৰি ৰখাত। ১৯৪২ চনৰ ছেপ্তেম্বৰ মাহমানৰ পৰাই প্ৰবল গণ আন্দোলন ক্ৰমাৎ নিস্তেজ হৈ আহিল। কটনিয়ানসকলেও যেন ক্ৰমে আস্থা হেৰুৱালে এইগৰাকী জননেতাৰ ওপৰত। এফালে সুভাষ বসুয়ে আৰম্ভ কৰিছিল নতুন পন্থাৰে স্বাধীনতা সংগ্ৰাম। আনফালে সৌমেন্দ্ৰ ঠাকুৰৰ বৈপ্লৱিক কুচকাৱাজ। অসমতো ন-ৰূপত গঠন হ'ল বৈপ্লৱিক কমিনিউষ্ট পাৰ্টি। খগেন বৰবৰুৱাহঁতেও নানা চিন্তা চৰ্চাৰ পৰিসমাপ্তিত বিষ্ণুৰাভাৰ সহযোগী হৈ স্বাধীনতাৰ ৰণত অৱতীৰ্ণ হ'ল। কটনিয়ান সকলৰো কিছু সংখ্যক ক্ৰমশঃ আকৃষ্ট হ'ল বৈপ্লৱিক পন্থাৰ প্ৰতি.....।

০ ০ ০ ০ ০ ০

ইয়াৰ পিছৰছোৱা আন এক ইতিহাস। স্বাধীনতা প্ৰাপ্তি, স্বাধীনোত্তৰ ভাৰতৰ নানা ৰাজনৈতিক উত্থান পতন সকলোতে আছিল কটনিয়ানসকলৰ সক্ৰিয় ৰাজনৈতিক ভূমিকা। সেয়া এক দীঘলীয়া ইতিহাস। কিন্তু মোৰ এই লেখা অধিক দীঘলীয়া কৰাৰ অনুমতি 'কটনিয়ান'ৰ সম্পাদকে নিদিয়ে। লগতে এই বিস্তৃত ইতিহাস বাখ্যা কৰিবলৈ মোকো অধিক অধ্যয়নৰ দৰকাৰ। অব্যাহত আছে— কটনিয়ানৰ ৰাজনৈতিক পৰিক্ৰমাৰ অন্বেষণ।

০ ০ ০ ০ ০ ০

প্ৰথমখন কলেজ হোৱাৰ অজুহাততে কটন কলেজক জাতীয় অনুষ্ঠানৰ মৰ্য্যাদা দিয়া হোৱা নাছিল। পৰীক্ষাকেন্দ্ৰিক সফলতাৰ বাবেই কোৱা নহয়, 'আজিৰ কটনে যি ভাবে কাইলৈ অসমে তাকে ভাবিব বুলি।' অগ্ৰজ কটনিয়ানসকলৰ তীক্ষ্ণ সমাজ চেতনা আৰু ৰাজনৈতিক কাৰ্যকলাপে কটন কলেজক এটা জাতীয় অনুষ্ঠানত পৰিণত কৰিছিল। তেওঁলোকৰ সাহস, সততা আৰু প্ৰখৰ চেতনাৰ এক দীঘলীয়া পৰিক্ৰমাৰ চমু অৱলোকন এই লেখাত কৰিব বিচাৰিছো। তাৰ পিছতো লিখিবলৈ বাধ্য হওঁ— সমকালীন সকলো ঘটনাৰ প্ৰসংগতে যেন আজিৰ কটনিয়ানসকল নিমাত। নিস্পৃহ। উদাসীন। এই উদাসীনতাৰ বাবেই অদূৰ ভৱিষ্যতে যদি কটন কলেজে হেৰুৱাই পেলাই জাতীয় অনুষ্ঠানৰ মৰ্যাদা, সেইতো বৰ দুখৰ কথা হ'ব।

**সহায় লোৱা গ্ৰন্থ ঃ**

১। ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা — ড° ৰমেশ চন্দ্ৰ কলিতা।
২। অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস — ড° প্ৰফুল্ল মহন্ত।

*কৃতজ্ঞতা ঃ কটনিয়ানৰ এই গৌৰৱময় ৰাজনৈতিক পৰিক্ৰমাৰ সৈতে চিনাকি কৰাই দিয়াৰ বাবে অখিল গগৈৰ ওচৰত লেখক কৃতজ্ঞ।*



# ড° ভূপেন হাজৰিকা
## আৰু
# ড° মামণি ৰয়ছম গোস্বামী
## অসমীয়া সমাজ-সংস্কৃতিৰ কাৰিকৰ

ড° মহেশ্বৰ কলিতা
*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ*



যোৱা নৱেম্বৰ মাহৰ ৫আৰু ২৯তাৰিখে ক্ৰমে সংগীতসূৰ্য ড° ভূপেন হাজৰিকা আৰু জ্ঞানপীঠ বঁটা বিজয়ী প্ৰখ্যাত লেখিকা ড° মামণি ৰয়ছম গোস্বামীৰ মৃত্যু হয়। ড° হাজৰিকাৰ মৃত্যুৰ পাছত অসমৰ জনজীৱন-আকাশত, লক্ষ লক্ষ জনৰ সঁহাৰিত যি শোক-বন্যা আৰু শ্মশান যাত্ৰা সৃষ্টি হ'ল, সি বিশ্ব ৰেকৰ্ড হ'ল। এটি পৰিসংখ্যা মতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শ্মশান যাত্ৰাত পাঁচ লক্ষ লোকে অংশ গ্ৰহণ কৰিছিল আৰু তিনি কোটিতকৈও অধিক লোকে দূৰদৰ্শন যোগে সেই দৃশ্য প্ৰত্যক্ষ কৰিছিল। পৃথিৱীৰ ইতিহাসত মাত্ৰ দুগৰাকী মহান, জনপ্ৰিয় ব্যক্তিৰ মৃত্যু-সংযোগত ভূপেন-শোক সমুদ্ৰ সদৃশ দৃশ্য দেখা গৈছিল। সেই ব্যক্তি দুগৰাকী হ'ল পোপ জন প'ল দ্বিতীয় আৰু পপ ষ্টাৰ মাইকেল জেকচন। কিন্তু জকাই চুকীয়া অসম আৰু সংখ্যাত তেনেই তাকৰ অসমীয়াৰ কথা বিবেচনাৰে আমি ক'ব পাৰি যে ভূপেন-শোক-সমুদ্ৰৰ জোঁৱাৰ অনন্যৰূপে চিহ্নিত হোৱাৰ যোগ্য।

সংগীত শিল্পী ড° ভূপেন হাজৰিকাৰ 'জনপ্ৰিয়তা'ৰ লগত কৃতীমান লেখিকা ড° মামণি ৰয়ছম গোস্বামীৰ 'জনপ্ৰিয়তা' তুলনা কৰা অনুচিত যদিও বিবেকবান অসমীয়া তথা ভাৰতীয়ৰ অন্তৰত ড° হাজৰিকাৰ দৰে ড° গোস্বামীয়েও সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছিল বুলি ক'ব পৰা যায়। সেইবাবে তেওঁৰ মৃত্যুৱেও অসমীয়া জাতি-সত্তাত প্ৰচণ্ড আঘাত দি গ'ল। জীৱন যুঁজত অনেক ঘাত-প্ৰতিঘাতৰ মুখামুখি হোৱা লেখিকা গৰাকীয়ে বহু সময়ত সাহসেৰে স্বীকাৰোক্তি অথবা নিজৰ জীৱন গাঁথাক কাহিনী ৰূপত সজাইছে। সজোৱাৰ কৌশল বা শৈলী এনে সুন্দৰ, সুললিত যে সিবোৰে কাৰ্যতঃ ব্যক্তিনিষ্ঠ ৰূপৰ উৰ্ধলৈ গৈ বস্তুনিষ্ঠ ৰূপ লাভ কৰিছে। অথবা এনেকৈও ক'ব পাৰি যে 'ব্যক্তিগত কথা' সাধাৰণীকৰণৰ জৰিয়তে 'সমাজৰ কথা'ত পৰিণত হৈছে। সেইবাবে 'মাইচানা'ৰ (দঁতাল হাতীৰ উয়ে খোৱা হাওদা) বেদনা অকল আমৰঙা সত্ৰৰ বিধৱা বিশেষৰ বেদনা হৈ থকা নাই; ধৰ্মভীৰু, সম্ভ্ৰান্ত অসমীয়া পৰিয়ালৰ বিধৱাৰ বেদনাত পৰিণত হৈছে। একে কথা ড° ভূপেন হাজৰিকাৰ স্বীকাৰোক্তিমূলক গীতসমূহৰ ক্ষেত্ৰতো ক'ব পৰা যায়। তলত উদ্ধৃত কৰা গীত দুফাকিলৈ মন কৰক ঃ

ক) মোৰ মৰমে মৰম বিচাৰি যায় /বাৰিষাৰ কেঁচা বানে / মোৰেই কাৰণে অ... বৰে নৈ /যুগৰ বতৰা লৈ।।

খ) আকাশী গংগা বিচৰা নাই /নাই বিচৰা স্বৰ্ণ অলংকাৰ / নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত /বিচাৰো মৰমৰ মাত এযাৰ।

গীতিকাৰৰ এই স্বীকাৰোক্তি তেওঁৰ ব্যক্তিগত প্ৰকাশ হৈ থকা নাই; কাৰ্যতঃ তাৰ উৰ্ধলৈ গৈ সমাজৰ সহৃদয়জনৰ উক্তিত পৰিণত হৈ সিবোৰে বহল আকাশত বিচৰণ কৰিছে। গীতৰ কথাৰ উপৰিও সুৰ আৰু সুললিত কণ্ঠৰ যাদুৰে ড° হাজৰিকাই অসমীয়া সংগীতক উচ্চ আসনত প্ৰতিষ্ঠিত কৰিছে।

সঁচা অৰ্থত ড° ভূপেন হাজৰিকা আৰু ড° মামণি ৰয়ছম গোস্বামী ক্ৰমে অসমীয়া সংগীত আৰু সাহিত্য ক্ষেত্ৰত যুগ সৃষ্টিকাৰী কাৰিকৰ আছিল। জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু ৰাভাৰ দ্বাৰা শক্তিশালী ৰূপত উদ্ভাসিত হোৱা আধুনিক অসমীয়া সংগীতৰ ধাৰাটিক ড° ভূপেন হাজৰিকাই নতুন মাত্ৰা প্ৰদান কৰে। সুন্দৰৰ আৰাধনা, স্বাধীনতা আন্দোলনজনিত চেতনা, শ্ৰেণীসংগ্ৰাম, জাতিৰ অতীত গৌৰৱ গাঁথা, প্ৰেম আৰু প্ৰকৃতি— এইবোৰ আছিল জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু ৰাভাৰ সংগীতৰ বিষয়। জ্যোতি- বিষ্ণুৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত ড° হাজৰিকাৰ গীততো সেই বিষয়বোৰেই পোৱা যায় যদিও তেওঁৰ গীতত অনন্য ৰূপত মূৰ্তমান হৈছে তেওঁৰ অন্তৰৰ পৰা নিগৰিত হোৱা ব্যক্তিগত দুখৰ অনুভূতি। তলত উদ্ধৃত কৰা গীতফাকিৰ আবেদন মৰ্মস্পৰ্শী ঃ

সাগৰ সংগমত / কতনা সাঁতুৰিলো / তথাপিতো হোৱা নাই ক্লান্ত / তথাপি মনৰ মোৰ প্ৰশান্ত সাগৰৰ উৰ্মিমালা অশান্ত।

ড° হাজৰিকাই অসমীয়া সংগীতত প্ৰথমবাৰৰ বাবে সাৰ্থকভাৱে আন্তৰ্জাতিকতা প্ৰকাশ কৰিছে। এই ৰূপটো আহিছে তেওঁৰ মানৱতাবাদী চিন্তা কৰ্ষণৰ পৰা। মই এটি যাযাবৰ, নেলচন মেণ্ডেলা জিন্দাবাদ, মানুহে মানুহৰ বাবে ইত্যাদি গীতত তেনে চিন্তাৰ স্বাক্ষৰ আছে। এই ৰূপ বা ধাৰাৰ আটাইতকৈ সাৰ্থক গীত হ'ল 'মানুহে মানুহৰ বাবে' আৰু 'গংগা মোৰ মা,পদ্মা মোৰ মা'।

ৰজনীকান্ত বৰদলৈৰ মিৰি-জীয়ৰী উপন্যাসেৰে আৰম্ভ হোৱা অসমীয়া সামাজিক উপন্যাসৰ সুঁতিটো বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' (১৯৪৩) উপন্যাসেৰে শক্তিশালী হৈ পৰে। পৰৱৰ্তী কালত ছৈয়দ আব্দুল মালিক, প্ৰফুল্ল দত্ত গোস্বামী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা, হিতেশ ডেকা, নিৰুপমা বৰগোহাঞি আদিয়ে সেই সুঁতিৰ ৰূপ আৰু গঠনত বৈচিত্ৰতা সংযোগ কৰে। সেই সুঁতিটোত নতুনত্ব প্ৰদান কৰিবলৈ সক্ষম হয় অসমীয়া উপন্যাসৰ তৃতীয় পৰ্বৰ লেখিকা ড° মামণি ৰয়ছম গোস্বামীয়ে। উল্লেখযোগ্য যে অসমীয়া উপন্যাসৰ প্ৰথম পৰ্বৰ (১৮৪৬-১৯৩৯)লেখকসকলে মূলতঃ জাতিৰ অতীত গৌৰৱ গাঁথাৰ পৰা সমল আহৰণ কৰিছিল। দ্বিতীয় পৰ্বৰ (১৯৪০-১৯৬৯) লেখকসকলে প্ৰধানতঃ দ্বিতীয় মহাযুদ্ধ আৰু দেশৰ স্বাধীনতা আন্দোলনৰ পৰা সমল বুটলিছিল। সেইদৰে, তৃতীয় পৰ্বৰ (১৯৭০-১৯৯৯)লেখকসকলে মূলতঃ সমল সংগ্ৰহ কৰিছিল সমসাময়িক ভাৰত তথা বিশ্বৰ সমাজ জীৱনৰ জটিলতা সমূহৰ পৰা। ড° মামমি ৰয়ছম গোস্বামীয়ে সমসাময়িক সমাজ জীৱনৰ পৰা সংগৃহীত সমলৰাজিৰ লগত ব্যক্তিগত জীৱনৰ দুখ-দুৰ্দশা আশা-নিৰাশাৰ পৰা লাভ কৰা অভিজ্ঞতাক সঠিকভাৱে প্ৰয়োগ কৰি উপন্যাসৰাজি ৰচনা কৰিছে। সেইবোৰত তেওঁৰ স্বীকাৰোক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অৱশ্যে তেওঁৰ স্বীকাৰোক্তি নৈষ্ঠিক খৃষ্টান-ভক্তই গীৰ্জাত কৰা স্বীকাৰোক্তি সদৃশ নহয়। এগৰাকী আধুনিক, যুক্তিবাদী লোকে সাহসেৰে প্ৰকাশ কৰা মনৰ কথাহে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰি যোৱা অসমীয়া সমাজ-সংস্কৃতিৰ বৰভেঁটিত আধুনিক অৱদান যোগোৱা কাৰিকৰ আছিল ড° ভূপেন হাজৰিকা আৰু ড° মামণি ৰয়ছম গোস্বামী। লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, ড° বাণীকান্ত কাকতি, ড° মহেশ্বৰ নেওগ আদি সংস্কৃতি ক্ষেত্ৰৰ মনিষীসকলৰ দৰে ড° হাজৰিকা আৰু ড° গোস্বামীৰ চিন্তা-ভাৱনাত শংকৰদেৱৰ ব্যাপক প্ৰভাৱ আছিল। আনকি দুয়োগৰাকীৰ পিতৃ-পৰিয়াল দুটিৰ ওপৰতো সেই প্ৰভাৱ গভীৰ আছিল। গতিকে, তাৰ স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটিছিল তেওঁলোকৰ ৰচনাত। ড° হাজৰিকাই ৰচনা কৰা (এঘাৰ বছৰ বয়সত, ১৯৩৭ চনত) প্ৰথম গীতটিৰ এই পংক্তিটোলৈ দৃষ্টি নিক্ষেপ কৰিলে উক্ত মন্তব্যৰ সত্যতা সম্পৰ্কে বোধ উপজিব। উল্লেখযোগ্য যে এই গীতটি ৰচনা কৰোতে তেওঁৰ মাতৃ শান্তিপ্ৰিয়া হাজৰিকাই সহায় কৰিছিল ঃ

কুসুম্বৰ পুত্ৰ শ্ৰী শংকৰ গুৰুৱে ধৰিছিল নামৰে তান / নামৰে সুৰতে আনন্দত নাচিছিল পবিত্ৰ বৰদোৱা থান / মোৰ গুৰু ঐ, পবিত্ৰ বৰদোৱা থান।।

এনে মহাপুৰুষীয়া সুৰ-ভাৱনা তেওঁ গোটেই জীৱন অন্তৰত কঢ়িয়াই ফুৰিছিল। সেই বাবেই ৰাষ্ট্ৰীয় সংগীত নাটক অকাডেমিৰ অধ্যক্ষ হিচাপে সত্ৰীয়া সংগীত-নৃত্যক 'ধ্ৰুপদী' ৰূপৰ বুলি ৰাষ্ট্ৰীয় স্বীকৃতি আদায়ৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াবলৈ পাই তেওঁ পৰম কৃতাৰ্থ মানিছিল।

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে ড° মামণি ৰয়ছম গোস্বামীৰ জীৱনতো সত্ৰ-সংস্কৃতিৰ গভীৰ প্ৰভাৱ আছিল। তেওঁৰ পিতৃ-পুৰুষ উমাকান্ত গোস্বামীৰ জন্মস্থান— দক্ষিণ

কামৰূপৰ আমৰঙা সত্ৰ। শিপাৰ প্ৰতি আকৃষ্ট ড° গোস্বামীয়ে প্ৰখ্যাত উপন্যাস 'দঁতাল হাতীৰ উয়ে খোৰা হাওদা' ৰচনা কৰিছে এই সত্ৰৰ পটভূমিত। তেওঁৰ পিতৃয়ে গুৱাহাটীত ঘৰ সাজি স্থায়ী ভাৱে থাকিবলৈ লৈছিল যদিও গাঁৱৰ ঘৰখনৰ লগত আছিল এৰাব নোৱাৰা সম্পৰ্ক। কাৰণ তেওঁৰ ভাই-ভতিজা, জ্ঞাতি-কুটুম গাঁৱতে আছিল। ফলত গুৱাহাটী আৰু শ্বিলঙত স্কুলীয়া শিক্ষা লাভ কৰা মামণি গোস্বামীয়ে পিছ পৰা গাঁৱৰ মানুহৰ সংস্পৰ্শলৈ আহিবলৈ সুবিধা পাইছিল। এই কাৰণে চহৰত ডাঙৰ-দীঘল হোৱা লেখিকা গৰাকীৰ গাঁৱৰ বৰ্ণনাত কৃত্ৰিমতা নাই। আনহাতে বিয়াৰ পাছত ইঞ্জিনিয়াৰ স্বামীৰ কৰ্মসূত্ৰে ভাৰতৰ বিভিন্ন ঠাইত থাকিবলৈ লোৱা লেখিকা গৰাকীৰ অন্য দিশৰ বিচিত্ৰ অভিজ্ঞতা হৈছিল। সিবোৰো তেওঁৰ 'মামৰে ধৰা তৰোৱাল', 'অৰিহণ', 'চেনাবৰ সোঁত' আদি উপন্যাসত আৰোপিত হৈছে।

অসমৰ সমাজ জীৱনৰ ইতিহাস অধ্যয়ন কৰিলে বুজিব পৰা যায় যে বৃটিছ অসমত উনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত ক্ৰমে উত্থান হোৱা মধ্যবিত্ত শ্ৰেণীয়ে শতিকাটিৰ শেষৰ দশক তিনিটাত(১৮৭০-১৯০০) ইংৰাজ শাসনৰ সুফলবোৰ লাভ কৰি নতুন ৰূপৰ সামাজিক প্ৰতিপত্তি লাভ কৰিবলৈ সক্ষম হয়। এই 'প্ৰতিপত্তি'য়ে প্ৰাক্ স্বৰাজ কালৰ শেষৰ চাৰিটা দশকৰ (১৯০১-১৯৪৭) ভিতৰত পূৰ্ণতা লাভ কৰে। মধ্যযুগৰ অসমৰ 'ৰজা-প্ৰজা', 'গুৰু-ভকত', 'মহাজন-খেতিয়ক'ৰ ঠাইত 'চহৰীয়া-গাঁৱলীয়া', 'শিক্ষিত-অশিক্ষিত', 'ধনী-দুখীয়া' আদি শ্ৰেণী বিভাজনে থিতাপি লয়। ড° ভূপেন হাজৰিকা আৰু ড° মামণি ৰয়ছম গোস্বামীৰ পিতৃ-পুৰুষ দুগৰাকীৰ জীৱন-কাহিনী পঢ়িলে বুজিব পৰা যায় যে ইংৰাজ শাসনে আনি দিয়া শিক্ষা-দীক্ষা আদি সুফল লাভ কৰি দুয়োগৰাকীৰ পৰিয়াল ক্ৰমান্বয়ে মধ্যবিত্তলৈ উন্নীত হৈছিল। আমৰঙা সত্ৰৰ পৰা গুৱাহাটীলৈ পঢ়িবলৈ অহা উমাকান্ত গোস্বামীয়ে ১০/০৫/১৯১৩ তাৰিখে নিজৰ ডায়েৰীত লিখিছিল—

'...খেলি আহি দেখো যে আমাক নিবলৈ ঘৰৰ পৰা হাতী পঠিয়াই দিছে।.... হাতীটোক বৰগছৰ ঠানি আনি খাব দিওঁ আৰু পেহী আহোনাৰ তাৰ পৰা দুডালমান কল আনি দিওঁ।... ৰাতি এঘাৰ বজাত ঘৰ (আমৰংগা) বুলি যাওঁ। বাটতে হাতীটোৱে অলপ 'দাঁতি', কৰে খুব লাহে লাহে যায়। বাটত গাদী সোলোকাওঁ। দুবাৰমান নামি বান্ধো। চহৰলৈ হাতী আনিলে তৰুণ ফুকনে অলপ বেয়া পাই বুলি আতাৰ মুখত শুনো।' *(আধালেখা দস্তাবেজ, ২০১১, পৃঃ৭৭)*

উল্লেখযোগ্য যে উমাকান্ত গোস্বামীয়ে প্ৰথমতে কটন কলেজৰ অধ্যাপক হিচাপ চাকৰিত যোগদান কৰে। পৰৱৰ্তী সময়ত কিছুদিন কলেজখনৰ অধ্যক্ষৰ দায়িত্বভাৰ চলোৱাৰ পাছত অসমৰ শিক্ষাধিকাৰ পদত অধিষ্ঠিত হয়। সেইদৰে ড° ভূপেন হাজৰিকাৰ পিতৃ নীলকান্ত হাজৰিকাইও গুৱাহাটীত ঘৰ সাজি স্থায়ীভাৱে থাকিবলৈ লয়। তেওঁ প্ৰথমে স্কুলৰ উপ পৰিদৰ্শক আৰু পাছত এছ ডি চি পদত অধিষ্ঠিত হৈছিল। পিতৃ-পৰিয়ালৰ পৰা দুয়োগৰাকী কাণ্ডাৰীয়ে অসমত নতুনকৈ সৃষ্টি হোৱা চহৰীয়া, আধুনিক সাংস্কৃতিক পৰিমণ্ডল লাভ কৰিছিল। কোনো সন্দেহ নাই, সেই পৰিমণ্ডলে তেওঁলোকৰ মানস পটৰ গভীৰ আৰু বহল চিন্তাৰ দুৱাৰ মুকলি কৰাত সহায় কৰিছিল। যাৰ ফলত তেওঁলোকৰ মন কেৱল 'অসম-অসমীয়া'তে আৱদ্ধ হৈ নাথাকি ভাৰত আৰু বিশ্বৰ পিনে ধাবিত হৈছিল। পিছ পৰা অসমৰ চহকী সাংস্কৃতিক পৰম্পৰাক বহল ক্ষেত্ৰত ('বিশ্ব-সবাহ'ত) প্ৰতিষ্ঠা কৰাৰ সপোন দুয়োজনেই দেখিছিল। তেওঁলোক দুয়োজন নিজ নিজ ক্ষেত্ৰত সফলো হ'ল। ড° ভূপেন হাজৰিকাৰ প্ৰতিভাই অসমীয়া সংগীতক সদৌ ভাৰততে নহয় বিশ্বৰ বহুতো দেশৰ জনতাৰ মন-হৃদয়ত তুলি ধৰিছে। ড° মামণি ৰয়ছম গোস্বামীৰ ৰচনাৰাজি আধুনিক ভাৰতীয় ভাষা সমূহৰ উপৰিও ইংৰাজী, ফৰাচী আদি বিদেশী ভাষালৈ অনূদিত হৈছে। এইদৰে অসমীয়া সাহিত্য-সংস্কৃতি বিশ্বৰ ৰসিকসকলৰ মাজত প্ৰচাৰিত হৈছে, সমাদৃত হৈছে।

কটন পৰিয়ালৰ কাৰণে পৰম সৌভাগ্যৰ কথা যে দুয়োগৰাকী মহান সাংস্কৃতিক কাৰিকৰ (সংগীতৰ দৰে সাহিত্যও সংস্কৃতিৰ ভিতৰুৱা) প্ৰাক্তন কটনিয়ান আছিল। কটন কলেজৰ স্মৃতি সুঁৱৰি দুয়ো গৰাকীয়ে বিভিন্ন সময়ত প্ৰকাশ কৰিছিল যে এই অনুষ্ঠানৰ পৰিৱেশে তেওঁলোকক সৃষ্টিৰ বাবে প্ৰেৰণা যোগাইছিল। এই বছৰ (২০১১) এই অনুষ্ঠানটিক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিবলৈ অসম চৰকাৰে প্ৰয়োজনীয় বিধেয়ক আদি পাছ কৰিছে। আশা কৰা হৈছে যে সোনকালেই এই অনুষ্ঠানে অসমৰ জনতাৰ আদৰৰ, উচ্চ মান বিশিষ্ট পূৰ্ণ পৰ্যায়ৰ বিশ্ববিদ্যালয় ৰূপে আত্মপ্ৰকাশ কৰিব। উল্লেখযোগ্য যে ড° ভূপেন হাজৰিকা আৰু ড° মামণি ৰয়ছম গোস্বামী— দুয়োগৰাকী প্ৰাক্তন কটনিয়ানে বিচাৰিছিল- তেওঁলোকৰ আদৰৰ কলেজখনিৰ আৰু উন্নয়ন হওঁক। বৌদ্ধিক দিশত ই আৰু উন্নতি কৰক। তেওঁলোকে বিচৰা 'বৌদ্ধিক উন্নতি'ৰ বাবে অহোপুৰুষাৰ্থ কৰাটোৱে হ'ব তেওঁলোকৰ প্ৰতি আগবঢ়োৱা প্ৰকৃত শ্ৰদ্ধাঞ্জলি।

# SLPEs IN ASSAM THE PRESENT STATUS

**Dilip Kumar Barua**
*Former Principal, Cotton College*

State Level Public Enterprises or public sector, undertakings have a big role to play in the economic development of the country in general and the states in particular. First, in a mixed economy like the one we have in India, SLPEs are expected to play the role model for the private enterprises to emulate. Secondly, SLPEs are expected to serve the social interest and move into areas which are often neglected by the private sector because of low profitability (extending public transport to remote areas, for instance, may not be a profitable business proposition but is extremely necessary in public interest.) Thirdly, in a resource – hungry economy, the public enterprises are expected to generate surpluses to supplement the total investible resources of the state.

It is a matter of great concern, however, that the SLPEs in Assam are not in the pink of their health. Some of them are on the way to liquidation, many others are in the red and very few have turned out to be profit-making ones. Out of a total number of 38 SLPEs in Assam, during the year 2009-10, eleven enterprises earned profit of ₹ 68.12 crore and 25 others incurred a loss of ₹ 147.84 crore. The highest profit making enterprise was the Assam Gas Company Limited earning a profit of ₹ 31.23 crore followed by the Assam Electricity Grid Corporation Limited with a profit of ₹ 19.64 crore. The maximum loss making enterprises were the Central Assam Electricity Distribution Company Limited (₹ 38.91 crore), Assam Industrial Development Corporation Limited (₹ 30.82 crore) and Assam State Transport Corporation (₹ 23.50 crore). It is also noteworthy that there are 10 non-working companies with arrears of accounts covering a period of one to twenty seven years. During 2009-10, only 2 out of these 10 non-working enterprises have submitted information of expenditure to the Comptroller and Auditor General (CAG) of India. It may be recalled that Under Section 617 of the Companies Act, 1956 the accounts of the state government Companies are audited by Statutory Auditors appointed by CAG. A government company is defined as one where not less than 51 per cent of the paid-up capital is held by the government. The ten non-working government companies are Assam Tanneries Limited, Industrial Papers (Assam) Limited, Amtron Sen Electronics Ltd. Assam Spun Silk Mills Ltd., Assam Polytex Ltd., Assam Syntex Ltd., Assam State Weaving and Manufacturing Company Ltd. Assam and Meghalaya Mineral Development Corporation Ltd., Cachar Sugar Mills Ltd. and Fertichem Limited. The total accumulated loss of these 10 companies for the year ended 31 March 2010 stood at ₹ 1278.52 crore.

Set against the total investment made in the state enterprises, the data relating to the financial position of the enterprises do not make a happy reading. The total state investment in all PSUs, working and non-working, was ₹ 2747.72 crore as on March 31,

2010. Out of this ₹ 2673.40 crore were invested in the working and ₹ 74.32 crore in the non-working SLPEs, i.e, 97.30 per cent in working and 2.70 per cent in non-working enterprises. In 2009-10, the maximum amount of state investment was in the power sector (53.32 per cent) followed by others (37.80 per cent), manufacturing (5.87 per cent) and finance (3.01 per cent).

It is heartening to note that there has been a sharp fall in the losses incurred by SLPEs which is largely explained away by the fall in the amount of losses of the power sector. From a high of ₹ 1011.28 crore of loss of the power sector in 2006-07, the loss came down to a low of ₹ 51.90 crore in 2009-10.

In a resource-strapped economy such as ours, the return to investment made assumes tremendous significance. It is this rate of return that can ensure ploughing back of investment. Here the performance of the SLPEs is unenviable. Percentage return on capital employed during the period 2004-05, 2009-10 was as follows :

2004-05 : (-) 30.18
2005-06 : (-) 69.53
2006-07 : (-) 64.80
2007-08 : (-) 5.94
2008-09 : (-) 2.11
2009-10 : (+) 2.82

What needs to be emphasised is that the rate of return in all the categories of SLPEs has been discouraging. There are three categories of SLPEs in Assam-companies, Cooperatives and Statutory bodies. There are 26 companies, 6 cooperatives and 6 statutory bodies all adding up to 38 SLPEs in the state. Of these three categories of SLPEs 6 are in the service sector (e.g., Assam Power Generation Corporation Ltd. or APGCL), 4 are in the trade sector (e.g., Assam Government Marketing Corporation Ltd. or AGMC), 4 are in the welfare sector (e.g., Assam Plain Tribes Development Corporation Ltd. or APTDC), 10 are in the promotional sector (e.g., Assam Industrial Development Corporation Ltd. or AIDC), 12 are in the production sector (e.g., Assam Tea Corporation Ltd or ATC) and 2 are in the construction sector (e.g., Assam Police Housing Corporation Ltd. or APHC) totalling upto 38 SLPEs in all.

4 SLPEs are performing well (AGCL, Artfed, APCL and Assam Co-operative Jute Mill Ltd. or ACJM). In 16 SLPEs, the performance is improving (e.g., APGCL); 8 are on the losing side (e.g., AEGCL or Assam Electricity Grid Corporation Ltd.); 3 of them are coming under financial cloud coverage (e.g., ASDC for OBC or Assam State Development Corporation for OBC); in 4 the revival process is underway (e.g., ALPCL or Assam Livestock & Poultry Corporation Ltd.) and ASEB is being wound up.

Quite a number of factors are responsible for the poor performance of the SLPEs in Assam. The first factor to be noted is lack of accountability and transparency in the working of the SLPEs. Every public body is to account for its decisions and actions. CAG Reports are replete with any number of instances of non-fulfillment of accountability obligations by the SLPEs. Lack of proper verification before releasing payment to the contractor, payment for materials against false certificates of receipt of materials are only some of the gross violations revealed in the CAG Reports. Secondly, wrong planning and implementation of project is another factor that is eating into the vitals of the SLPEs. Controllable loses have become uncontrollable. Thirdly, capacity building of the personnel employed in the 38 SLPEs leaves much to be desired. The enterprises are employing 32781 personnel but the training imparted to them is lacking and, in most of the cases where it is done, the training is not based on training needs analysis. Without need based training the degree of professionalism and work culture connot be raised. Fourthly, in matters of transfer and posting of the Managing Director undue political interference is to be avoided. Performing MDs should be adequately rewarded. Fifthly, the importance of constant evaluation and monitoring of the functioning of the SLPEs can hardly be overemphasized.

In the market-friendly Indian economy today, the role of the SLPEs, particularly those in the welfare sector, has become more, and not less, important today. If the government sector does not perform well, the socio-economic inequalities will get further aggravated and all talk about inclusive growth will be meaningless.

# BIG DAM AND ITS IMPACT ON BIODIVERSITY

**Sanchari Bhattacharyya**
*TDC 2nd year, Zoology Deptt.*

Dams are constructed for human benefits. It is very important in our life. Dams are used for producing hydroelectricity, these are also used for proper utilization of water, production of hydro-electricity, irrigation and now-a- days even used for fisheries. Although they have proved very useful for human race, but in some ways it is believed to disturb the balance in ecosystem and also the biodiversity in nature.

Biodiversity is the degree of variation of life forms within a given ecosystem, biome or an entire planet. Biodiversity is one measure of the health of ecosystems. Life on Earth today consists of many millions of distinct biological species. "Biological diversity" or "biodiversity" can have many interpretations and it is most commonly used to replace the more clearly defined and long established terms, species diversity and species richness. Biologists most often define Biodiversity as the totality of genes, species and ecosystem of a region

Global biodiversity in river and riparian ecosystem is generated and maintained by geographic variation in stream processes and fluvial disturbance regimes, which largely reflect regional differences in climate and geology. Extensive construction of dams by humans has greatly dampened the seasonal and inter-annual stream flow variability of rivers, thereby altering natural dynamics in ecologically important flows on continental to global scales.

Big river dams can have a serious impact on both animal and plant biodiversity. There are a number of different migratory patterns of river- dwelling species. These include the well known anandromous fishes e.g. salmon and hilsa and catadronous fishes such as eels. Dams block these migrations to verying degrees. The blockage of fish movement upstream can have a very significant and negative impact on fish biodiversity. More than 200 stocks of anandromous, Pacific salmonids have become extinct. Hydroelectricity dams in the Amazon basin have halted the long distance upstream migration of several species of catfishes and interrupted the downstream migration of their larvae. On the Araguain- Yacantia River basin, Brazil, several species of migrating catfish have been drastically reduced in abundance as a result of big dams. Catches in the downstream fisheries have been reduced by 70%.

There has been dramatic declines in migratory species such as lampreys, sturgeons salmon and clupeids in European rivers. Other fishes, the so-called resident or non-migratory fishes which perform in-stream movements also require attention. These include the European niinnow, Phoxious phoxinus, the Japanese sculpin, Cottux pollus, the grayling, Thymallus thymallus and Balon's ruffe, Gymnocephalus baloni.

A river is also a one way system for molluscs, as many molluscs can only move downstream by drafting or being dislodged by flood reverts and moved downstream.

Rivers have also been regarded as the one way transfer of matter downstream. Recently, there has been greater appreciation that migrating species carry nutrients upstream. The contribution of nutrients from both Allantic and Pacific Salmon carcasses has been linked to riparian tree growth. Big river dam reduces this movement of nutrients, thus effecting river ecosystems.



Reservoirs traps suspended particles reducing turbidity downstream. The turbid water helps to conceal the fish and other biota from visual predators like birds. When normally turbid water becomes clear below dams, the indigenous species may find themselves at a disadvantage. Sediment borrowing species may find themselves at a disadvantage. Sediment borrowing species may find their habitat has diminished. Flood plain ecosystems and deltas may no longer be replenished by the annual transport of sediment. Silt and increased turbidity, above natural levels, can interfere with primary production.

Large Organic Debri or LOD which consists of branches and tree trunks that fall into the river because of age storms, beaver activity and eroded banks also play a complex role in creating habitat e.g. they divert, slow and speed up current flow, they shelter a variety of biota from currents and predators and create feeding stations. Dams tands to'seive out' LOD. The logs and branches may become materlogged and sing, drift onto the shoe or are removed by boonos or other systems designed to protect turbines. If the integrity of downstream ecosystems is to be maintained, then LOD input must be sustained.

Water release protocols can lower water tables laterals to the rivers which may affect vegetation there. Losses of riparian forest downstream of dams have reported throughout western North America.

The extinction of certain species may be related to the loss of gallery forests adjacent to rivers which became submerged following dam construction. The land snail, Anthinus albolabiatus, was formerly endemic to gallery forest adjacent to Uruguay. This factor is of concern with regard to proposed dam projects in South Africa, where much of the remaining forest is preserved on the steep sides of valley which are also suitable sites for dam construction.

The mainstream of a river performs two related ecological functions to biota in tributaries. Periodically, populations of a tributary stream species, particularly fish may go extinct and may be restocked fish may for wxtinct and may be restocked from nearby rivers. Secondly, individuals as described above, may ascend a non-home tributary and contribute to the resident population's genetic diversity. This straying can serve to repopulate streams and also contribute to the genetic diversity of populations through gene flow

It is predicted that tropical locations for dams will be given preference in the next century. The tropics are home to much of the main considerations of dam impacts on biodiversity of dam impacts on biodiversity is placement in regard to species-rich areas. Priority must be given to ensure that the environmental impact of dams doesnot overlap with biodiversity 'hotspots'. In areas rich in biodiversity and productive biological resources, it is also important to take into account the cumulative impact of dams.

To reduce the negative impact of these big river dams and to conserve the biodiversity, very strict actions should be taken. High priority should be given to the recovery of degraded ecosystems. Essential ecological prosesses should be conserved. Areas of high biodiversity should be avoided and 'hotspots' of species at risk should be avoided.

Thus we have come across various negative impacts of big river dams in biodiversity. If strict steps are not taken to conserve the biodiversity it will hinder the balance in ecosystem and ultimately our lifestyle. The flora and fauna around us are equally important to us as they contribute to the most important part of ecosystem. So causing damage in their habitat will bring problems in our day to day life also.

গল্প

# আন্ধাৰত নিজৰ মুখ




ড° যমুনা শৰ্মা চৌধুৰী

*প্ৰাক্তন অধ্যক্ষা*


বিয়া হৈ যোৱাৰ চাৰিদিন পিছত ৰভাঘৰৰ টিনপাত, কাপোৰ আদি খুলিবলৈ 'টেণ্ট হাউচ'ৰ মানুহ কেইজনমান আহিল। টকা-পইচাৰ যি লেন-দেন আছিল সেইবোৰ সমাধা হোৱাৰ পিছত সিহঁতে বয়-বস্তুবোৰ গাড়ীত বোজাই কৰি লৈ গ'ল। চাৰিদিনৰ পিছত চোতালখন মুকলি হৈ গ'ল। ৰ'দ-বতাহ সোমাব নোৱাৰাৰ বাবে যি এক সেমেকা ভাৱ আছিল সেয়া নাইকীয়া হোৱাত পৰিৱেশটো পাতল হৈ পৰিল। বান্ধি ৰখা গছ-লতাবোৰক মুকলি কৰি স্বাধীনতাৰ ৰ'দ-বতাহ সিহঁতক ল'বলৈ দিয়া হ'ল। কোনোবা এজনীয়ে আহি গছবোৰত পানী ঢালি দিলে। গছৰ ডাল-পাতবোৰ বান্ধি ৰখাৰ বাবে শিথিল হৈ পৰিছিল। নতুনকৈ লাগিব ধৰা ফুলৰ কলিবোৰ মৰহি গৈছিল।

'হৈ যাব, হৈ যাব। একো চিন্তা কৰিব নালাগে, দুই এদিনতে আকৌ সজীৱ হৈ পৰিব।' কোনোবা এজনে বাৰাণ্ডাৰ পৰাই চিঞৰি ক'লে।

মানুহজনক হৈমন্তীয়ে চিনি নাপালে।

চিনি পাবই বা কেনেকৈ? এইখন ঘৰলৈ অহা তাইৰ তিনিদিনহে হৈছে। বিয়ালৈ অহা ইষ্ট কুটুম্বৰ সকলোখিনি এতিয়ালৈকে ইয়াতে আছে। মান ধৰাৰ সময়ত নাম আৰু সম্বন্ধৰ কথা কৈ চিনাকি কৰি দিছিল যদিও তাইৰ সেইবোৰ মনত নাই।

ৰভাখন আঁতৰাই দিয়াৰ পিছত ঘৰৰ ভিতৰৰ পৰাই পদূলিমুখৰ সৰা পাতবোৰ পৰ্যন্ত দেখা হ'ল। সেইদৰে বাটৰ পৰাই ঘৰৰ বাৰাণ্ডাৰ ওখ-চাপৰ, ভঙা-ছিঙা অংশবোৰ মানুহৰ চকুত পৰা হ'ল।

'বাৰাণ্ডাৰ ফেন্সিংখন লগাই দিব লাগিব। ন-কইনা থকা ঘৰ। ভাল নালাগে।'— কোনোবা এগৰাকীয়ে তাইকে লক্ষ্য কৰি কথাটো কোৱা যেন তাইৰ ভাব হ'ল। ভিতৰত সোমাই থাকি তাইৰ ভাল লগা নাছিল। মানুহে আগুৰি থকা কোঠা এটাত সোমাই থকাৰ বাবে তাইৰ উশাহ-নিশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছিল।

বাৰাণ্ডালৈ ওলাই আহি তাই কিজানি ভুলেই কৰিলে। বিয়াৰ কেইদিন যি ৰংচঙীয়া পৰিৱেশৰ মাজত তাই আহি সোমাইছিল সেই পৰিৱেশৰ ধ্বংসাত্মক ৰূপটো আজি তাইৰ চকুত বৰ বেয়াকৈ ধৰা পৰিল। তাইৰ লগত ছাঁটোৰ দৰে লাগি থকা বিমান খুৰাকৰ ছোৱালীজনীয়ে তাই শুনক বুলিয়েই কাৰোবাৰ আগত কৈছিল।

'ইস্ বাৰাণ্ডাখনৰ অৱস্থা চাওকচোন। লৰালৰিকৈ মিস্ত্ৰিয়ে কাম কৰি উঠাৰ পিছত এই ল'ৰা-ছোৱালীবোৰৰ যিহে উৎপাত আৰম্ভ হ'ল সেইবোৰ আৰু ক'ত ভালে থাকিব।'

ইয়াৰ পিছৰ কথাখিনি হৈমন্তীয়ে জানে। জানে মানে শুনিছে। মালতী পেহীয়ে বুদ্ধিটো দিছিল। চোতালত কাৰ্পেট পাৰিবই। তাৰ লগতে এখন কাৰ্পেট বাৰাণ্ডাত পাৰি দিলে বাৰাণ্ডাৰ ভঙ'-ছিঙা ওখ-চাপৰ অংশবোৰ চকুত নপৰিব। বাৰাণ্ডাৰ বেৰত ৰং দিয়াৰ পিছতো গাল ফুলা ৰোগৰ দৰে ঠায়ে-ঠায়ে উখহি উঠি ৰংবোৰ সৰি পৰা অংশবোৰ চকীবোৰৰ আঁৰত লুকাই পৰিব।

কথামতেই কাম। বিয়াখন তেনেদৰেই পাৰ হৈ গ'ল। কোনোৱেও গমকে নাপালে। ঘৰৰ অৱস্থা লুকাবৰ বাবে ফাঁকি-ফুকা দিয়া হ'ল। অৱস্থা চাই ব্যৱস্থা। ইমান খিনিলৈ ঠিকেই আছিল। এতিয়া সেই কথাকে আলোচনাৰ বিষয় কৰি লৈ আনৰ আগত ঘৰৰ সেই পুতৌলগা অৱস্থাৰ কথা জনাই তেওঁলোকে কি ৰস পাইছে তাকেহে হৈমন্তীয়ে বুজি নাপালে।

গোটেই পৰিৱেশটো হৈমন্তীৰ ভাল লগা নাছিল। এনেদৰে লঘু আলোচনাক বিষয়বস্তু কৰি লৈ হাঁহি-ধেমালি কৰাটো তাই মুঠেই পচন্দ নকৰে। এই তিনি দিনতে তাই ঘৰৰ মানুহবোৰক প্ৰায়ে চিনি পোৱা হৈছে। বিয়া হোৱাৰ পিছৰদিনাই মালতী পেহীক পেহাকে হেনো ঘৰত যি থৈ গ'ল, নিবলৈ আৰু নাহিলে। মালতী পেহীৰ দোষ? পেহীৰ এখন হাতৰ কেএটা আঙুলিটো সামান্য কটা যোৱাৰ বাবেই মালতী পেহীক পেহাই গ্ৰহণ নকৰিলে। অংগক্ষত থকা ছোৱালী এজনী হেনো উপযুক্ত বোৱাৰী হ'ব নোৱাৰে। তাইক চাবলৈ অহা ওচৰ-চুবুৰীয়া তিৰোতা মানুহকেইগৰাকীৰ টুলুঙা মন্তব্যবোৰ শুনি তাইৰ অসহ্য লাগি গৈছিল। কাণৰ, হাতৰ অলংকাৰবোৰ লিৰিকি-বিদাৰি চাই এগৰাকীয়ে বিমানৰ মাকক সম্বোধন কৰি ক'লে—

'কিহে বাই, বোৱাৰীৰ গাৰ ৰং দেখোন আন্ধাৰ। চাবলৈ আহোতে ৰং চং ঘঁহি ওলাইছিল নেকি?'

তাইক চাবলৈ অহাৰ দিনা মাকে হৈমন্তীক অলপ ৰং চং ঘঁহি ওলাবলৈ কৈছিল। হৈমন্তীয়ে জানে তাইৰ গাৰ ৰং পৰিস্কাৰ নহয়। তথাপি তাই কোনোদিনে মেক্-আপ্ নকৰে। সেইদিনাও তাই মাকক কৈছিল---- 'মোৰ গাৰ ৰং দেখি যদি মোক অপছন্দ কৰে— মই একো বেয়া নাপাওঁ। মই বেয়া পোৱা কাম আনক ভাল লগাবলৈ কৰিব নোৱাৰো।'

হৈমন্তীয়ে কিবা এটা ক'ম বুলি ভাবিছিল। কিন্তু নক'লে। ন-ছোৱালীৰ মুখখন দেখোন চোকা বুলি মন্তব্য দিলেহে ৰক্ষা! গতিকে তাই মনে মনে থাকিল।

'বিমানে হেনো ছোৱালী চাবলৈ নগ'ল। পিছে এতিয়া দেখিছেনে নাই? আমাৰ ল'ৰাৰ আকৌ ৰজাৰ দৰে চেহেৰা!'

বিমানৰ মাকে তাইক চাই উভতি অহাৰ সময়ত হৈমন্তীৰ মাকক ফটো এখন খুজিছিল। মাক ভনীয়েকৰ পচন্দই তাৰ পচন্দ হলেও ছোৱালীজনীক চাবলৈ তাৰ মন যাব কিজানি।

হৈমন্তীয়ে তাইৰ ফটো এখন দিয়াত আপত্তি কৰিছিল। 'আপোনালোকে ল'ৰাৰ ফটো এখন লৈ আহিব পাৰিলেহেঁতেন। মোৰো এটা মন আছে ল'ৰাক চাবলৈ।'

হৈমন্তীৰ মুখলৈ সকলোৱে অবাক চাৱনিৰে চাইছিল। লাজ ভয় দ্বিধা সংকোচ— একো ভাৱেই তাইৰ মনলৈ অহা নাছিল, স্পষ্টবাদী তাই। ৰিপৰ্টাৰৰ চাকৰিত সোমোৱাৰ পিছত তাই নিৰ্ভীক হৈ পৰিছে। সত্য কথা কোৱাত ভয় কিহৰ? যি কথা ক'লে দহজনৰ উপকাৰত আহে তেনে কথা কোৱাত আপত্তি কিহৰ?

দুয়োজনে দুয়োজনক নেদেখাকৈ পৱিত্ৰ হোমৰ গুৰিত পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণৰ মাজেৰে বৈবাহিক জীৱনত প্ৰৱেশ কৰিলে। দুয়োজনে দুয়োজনক নুবুজাকৈ, ভৱিষ্যতৰ কোনো পৰিকল্পনা নোহোৱাকৈ এদিন তাইৰ নতুন ঠাইত গৃহ প্ৰৱেশ হৈ গ'ল। সকলো কথা, সকলো কাম ভাবি চিন্তি কৰা হৈমন্তীৰ এই বিয়াখন কিবা ল'ৰা-ধেমালি যেন লাগিল। ভাগ্য, নিয়তি এইবোৰত বিশ্বাস নৰখা হৈমন্তীয়ে জীৱনত প্ৰথমবাৰৰ বাবে ভাগ্যৰ কথা চিন্তা কৰিলে। নহ'লে তাইৰ দৰে সাধাৰণ ৰং-ৰূপৰ ছোৱালী এজনীৰ বিমানৰ দৰে সুদৰ্শন চেহেৰাৰ, ভাল চাকৰি কৰা ল'ৰা এজনৰ লগত সম্বন্ধ নঘটিলেহেঁতেন। কিন্তু তাইৰ মতে ভাগ্যক বিশ্বাস কৰা মানুহবোৰ দুৰ্বল হয়। তাইৰ দেউতাকেও তেনেদৰে কয়।

এজন মানুহক বুজি পাবলৈ কেতিয়াবা বহু বছৰ লাগি যায়। কেতিয়াবা নুবুজাকৈয়ে এহাল পতি-পত্নীৰ সংসাৰ চলি যায়। এইক্ষেত্ৰত বাহিৰৰ মানুহবোৰ বেছি স্বাধীনচিতীয়া। কেতিয়াবা বিয়াৰ এসপ্তাহ নৌহওতেই তেওঁলোকৰ মাজত এৰা-এৰি হৈ যায়। একপ্ৰকাৰে সেইটো ভাল। মন নিমিলা এজন পুৰুষৰ সৈতে জীৱন কটাই জীৱন বিষময় কৰি তোলাৰ কোনো প্ৰয়োজন নাই। তেনে স্বাধীনতা ইয়াত সহজ নহয়। সমাজ আছে, সংস্কাৰ আছে, জীৱনৰ নিৰাপত্তাৰ প্ৰশ্ন আছে। মুঠতে চাৰিওফালে কেৱল বাধা, নিয়ম-নীতিৰ প্ৰাচীৰ।

নতুন পৰিৱেশ, নতুন মানুহৰ মাজত সোমাই হৈমন্তীৰ অলপো ভাল লগা নাছিল। বিমান ইঞ্জিনীয়াৰ। মাকৰ বাহিৰে

সকলোবোৰ উচ্চশিক্ষিত। ভনীয়েক এগৰাকী আছে। এইবাৰ বি. এ. দিব। চহৰৰ মাজ-মজিয়াত ঘৰ। তথাপিও থকা-মেলা, কথা-বতৰা, বয়-বস্তু সকলোবোৰত এটা পুৰণি ঢং। এইবোৰৰ লগত মালতী পেহী আকৌ ওপৰঞ্চি সংযোজন!

হৈমন্তীয়ে ভাবি থৈছিল, নতুন জীৱন, নতুন সংসাৰত প্ৰৱেশ কৰাৰ আগতে তাই বিমানৰ লগত কথা হ'ব। তাৰ বাবে তাইক কিছু সময় লাগিব। বিমান শিক্ষিত ল'ৰা, তাইৰ কথা বুজি পাব। কিন্তু বিমানক তাই একো কথাই ক'ব নোৱাৰিলে। কোনোবাই যেন সেই মুহূৰ্ততে তাইৰ হাত-ভৰি বান্ধি অৱশ কৰি পেলালে। গাৰ সমস্ত শক্তিৰে চিঞৰিব খুজিও তাই চিঞৰিব নোৱাৰিলে। মুখত সোপা দি তাইৰ কথা কোৱাৰ শক্তিকণো নাইকিয়া কৰিলে। আন্ধাৰ আৰু পোহৰৰ সংগমত উটি-ভাঁহি তাই যেতিয়া পাৰ পালে তেতিয়া ৰাতি দোভাগ। কাৰোবাৰ ঘৰৰ কুকুৰ এটাই বিকট শব্দ কৰি ভুক্‌ভুকাই উঠিল। তাইৰ গাৰ বৰণৰ লগত মিলা ৰাতিৰ এন্ধাৰে তাইক উচুপিবলৈ সময় দিলে। সপোন ভঙাৰ এটি ক্ষণ, এটি এটি মুহূৰ্ত্ত উপলব্ধি কৰিবলৈ তাইক সময় দিলে। কিন্তু উপলব্ধিৰ এই যন্ত্ৰণাদায়ক মুহূৰ্ত্তৰ বাবে তাই সময় বিচৰা নাছিল। পুৱতি চৰাইৰ কিচিৰ মিচিৰ শব্দই পোহৰ অলপ কোঠাটোৰ ভিতৰত ছটিয়াই থৈ গ'ল। চকুত চাত মাৰি ধৰা এই পোহৰে তাইৰ জীৱনৰ ব্যথা, নিজৰ ওপৰত অধিকাৰ হেৰুৱাই নিঃস্ব হৈ পৰা মুহূৰ্ত্তৰ গ্লানি উজাগৰ কৰি দিলে।

বিমানে গা-পা ধুই নিজে চাহ একাপ কৰি খাই চাইটলৈ যাবলৈ ওলাইছিল। অফিচৰ পৰা গাড়ী আহি পদূলি মুখত ৰৈছিল। দুদিন দুৰাতি তাতে থকাৰ কথা কৈ বিমানে লৰালৰিকৈ ওলাই গৈছিল। জীপ গাড়ীৰ শব্দ এটা সময়ত তাই নুশুনা হ'ল। কিন্তু হৃৎপিণ্ডত তাই শুনিবলৈ পালে এক অদ্ভুত শব্দ। প্ৰথমতে লাহে লাহে, তাৰপিছত সযোৰে। অনুভৱ হ'ল বুকুৰ ভিতৰত প্ৰচণ্ড হেঁচা। শিশু সাহিত্যত পঢ়া প্ৰকাণ্ড ৰাক্ষসৰ প্ৰকাণ্ড ভৰিৰ হেঁচা তাইৰ বুকুৰ ওপৰত। ভাৱ হ'ল হৃৎপিণ্ডটো কিজানি এতিয়াই ওলাই আহিব। হৈমন্তীয়ে কিন্তু এইবাৰ সঁচাকৈয়ে ভয় খালে। বুকুৰ ওপৰত এখন হাতেৰে হেঁচা দি তাই সেই ভৰিৰ হেঁচাটো প্ৰতিহত কৰিব বিচাৰিলে। ক'ৰপৰা কি হ'ল তাই কিন্তু ধৰিব নোৱাৰিলে। কিন্তু এটা সময়ত সকলো শান্ত! ধুমুহাৰ পিছৰ সেই ভয়ানক নিস্তব্ধতা! নহয়, ধুমুহাৰ পিছৰ শান্ত সুশীতল বাতাৱৰণ।

ৰাতিপুৱা গা ধুই তাই ৰান্ধনিঘৰত সোমাল। ন-কইনাই ঘৰৰ মানুহক কিবা এটা ৰান্ধি খুৱাব লাগে। এটা নিয়ম। ৰন্ধা বঢ়া তাই কৰিব জানে। ঘৰৰ পৰা লৈ অহা বস্তুৰে তাই চুজি কৰিলে। লগত ইলাচি দিয়া চাহ। সকলোৱে খাই ভালেই পালে। ৰান্ধনিঘৰ পৰিষ্কাৰ কৰি তাই নিজৰ কোঠাত সোমাই থাকে। আনে বেয়া পালেও পাৰক এই ভাৱত তাই কোঠাত সোমায়েই খিলি লগাই দিলে। মালতী পেহীয়ে দুৱাৰত ঢকিয়াই তাইক কেইবাবাৰো মাতিলে। তাই উত্তৰ নিদিলে। বৌয়েকৰ আগত মানে হৈমন্তীৰ শাহুৱেকৰ আগত তাইৰ কথা কিজানি লগালে। লগাৱক, এই মানুহজনীৰ প্ৰতি তাইৰ অকণো শ্ৰদ্ধা নাই। বিয়াৰ এদিন পিছতেই ঘৰলৈ উভতি অহা মালতী পেহীক কোনেও ল'বলৈ নাহিল। হাতৰ কেঞা আঙুলিৰ আগডোখৰ নথকাৰ দোষত মালতী পেহীক তেওঁলোকে আদৰি নল'লে। কিন্তু এইখন ঘৰত সেই মানুহজনৰ আদৰ সন্মান এতিয়াও আছে। গিৰিয়েকৰ বিৰুদ্ধে এষাৰ মাত মাতিব নোৱাৰা কলি কালৰ সাৱিত্ৰী হৈ মালতী পেহীয়ে গোটেই জীৱনভৰ লোকৰ দোষ খুচৰি থাকিয়েই ভাল পাইছে। জীৱন আৰু গিৰিয়েকৰ প্ৰতি কোনো অভিযোগ নথকা এই মানুহজনীৰ অন্তৰত দয়া, মৰম, চেনেহ, খং-ৰাগ কিবা আছেনে নাই সেয়া হৈমন্তীয়ে নাজানে। মালতী পেহীৰ কথা তাই আগতেই শুনিছে। সেই কথা শুনি মানুহজনীৰ এক স্নিগ্ধ, শান্ত ৰূপ এটি তাই মনতে আঁকি থৈছিল। কিন্তু এতিয়া...!

আঠমঙলাৰ পিছত তাইৰ চাকৰিত জইন কৰাৰ কথা। মিছাকৈয়ে ঘৰত শুই-বহি থকাতকৈ কাম কৰাই ভাল বুলি ভাবি তাই ছুটী বঢ়াই নল'লে। চাকৰিত জইন কৰিবলৈ যোৱাৰ দিনা ৰাতিপুৱাই ঘৰত মহাপ্ৰলয়ৰ সূচনা হ'ল।

'চাকৰি! এইখন ঘৰৰ বোৱাৰী হৈ চাকৰি কৰিবলৈ যাবা, ই কেনে কথা?'

হৈমন্তী অপ্ৰস্তুত হৈ গৈছিল। তাই চাকৰি কৰাটোয়ে যে ঘৰৰ মানুহে পচন্দ নকৰে সেই কথা তাই জনা নাছিল। এই বিষয়ে বিমানে তাইক কোনো কথা কোৱা নাই। চেলোৱাৰ কামিজৰ ঠাইত প্ৰথমবাৰৰ বাবে শাড়ী পিন্ধি কামলৈ যাবলৈ ওলোৱা হৈমন্তীয়ে বিমানৰ পৰা কোনো পজিটিভ্ উত্তৰ নাপাই খঙতে শাড়ীখন খুলি কিছুসময় তেনেদৰে বহি ৰ'ল। বিমানৰ ভনীয়েক বৃষ্টিয়ে তাইক তেনে অৱস্থাত বহি থকা দেখি গাত চাদৰ এখন দি দুৱাৰখন বাহিৰৰ পৰা জপাই থৈ যায়। কিমান সময় তাই তেনেদৰে বহি আছিল তাই নিজেই গম নাপালে। মালতী পেহীৰ চিঞৰ বাখৰে তাইক সচেতন কৰিলে। কাপোৰ এসাজ পিন্ধি তাই লৰালৰিকৈ ৰান্ধনিঘৰৰ ফালে গ'ল। বিমানৰ লগত এই বিষয়ে কথা পতাৰ কথা ভাবি ভাবি তাই সেইদিনা

ৰন্ধাবঢ়াৰ পৰ্ব ফেৰা সামৰিলে।

বিয়াৰ আগৰেপৰা তাই ষ্টাফ্ ৰিপৰ্টাৰৰ চাকৰি কৰে। বি.এ. পাচ কৰি জাৰ্নেলিজিমৰ কোৰ্চ কৰিছিল সেইকাৰণেই। এই লাইনত চাকৰি কৰি তাই সন্তুষ্ট। দৈনিক নানান খবৰ বাতৰিৰ লগত জড়িত হোৱাৰ উপৰিও নতুন নতুন মানুহ, নতুন ঠাই, পৰিৱেশৰ লগত চিনাকি হোৱাৰ আগ্ৰহে তাইক উৎসাহিত কৰিছিল। মাকে প্ৰথমতে আপত্তি কৰিছিল যদিও পিছত এটাই কথা— 'আমাৰ নিলয়ে (হৈমন্তীৰ খুৰায়েকৰ ল'ৰা) যেতিয়া এই লাইনত নামিছে তাই কিয় নোৱাৰিব।'

'কিন্তু নীলু যে ল'ৰা।'

'তুমি ৰন্ধা-বঢ়া কৰাগৈ। নীলু আৰু হৈমন্তীৰ মাজত পাৰ্থক্যৰ এখন বেৰ গঢ়ি নুতুলিবা।'

দেউতাকৰ সমৰ্থনে তাইক উৎসাহিত কৰিলেও মাকৰ মুখত জিলিকি উঠা বেদনাৰ এক সকৰুণ ভাৱে তাইক দুখ দিছিল। কোনোদিনে দেউতাকৰ মতৰ বিৰুদ্ধে নোযোৱা মাকক সিহঁতে সদায় দেখি আহিছে এগৰাকী সু-গৃহিনী হিচাপে। ৰন্ধা-বঢ়া, পূজা-পাতল, দেউতাকৰ আল-পৈচান ধৰাৰ বাহিৰে মানুহজনীৰ নিজৰ কৰিবলগীয়া যে কিবা কাম আছে সেয়া সিহঁতে কেতিয়াও দেখা নাই। হৈমন্তীৰ ওচৰত এদিন ইংৰাজী শিকিবলৈ আহি দেউতাকৰ হাঁহিয়তাৰ পাত্ৰ হোৱা মৰমীয়াল মাকৰ মুখখনৰ কথা ভাবিলে তাইৰ আজিও কান্দি দিবৰ মন যায়। মাক-দেউতাকৰ মাজত কাজিয়া লগা সিহঁতে কোনো দিনে দেখা নাই। আনকি মাকক দেউতাকৰ লগত ফুৰিবলৈ ওলাই যোৱাও সিহঁতে দেখা নাই। সকলোৰে চকুত হৈমন্তীৰ মাক এগৰাকী আদৰ্শ পত্নী। আদৰ্শ গৃহিনী।

মাকৰ তুলনাত মালতী পেহী একেবাৰে চু পাৰ এক্সপ্ৰেছ। দাড়ি খুৰোৱা ক্ষুৰৰ দৰে। জীৱনত পোৱা সেই প্ৰচণ্ড আঘাতেও তেওঁক বশ কৰিব পৰা নাই। ঘৰৰ বাহিৰ-ভিতৰ সকলোতে তেওঁৰ একছত্ৰী শাসন। এগৰাকী নাৰীৰ এই উগ্ৰৰূপ তাই কমেইহে দেখিছে। এইকেইদিনতে তাই মানুহজনীৰ আৰু এটা ৰূপ দেখিবলৈ পাইছে। সেয়া হ'ল ভাৰতীয় নাৰীৰ চিৰন্তন ৰূপ। এতিয়াও তেওঁৰ মূৰত সেন্দুৰৰ দীঘলীয়া ৰেখা। কপালত পঞ্চাশ পইচাৰ সমান ডাঙৰ ৰঙা ফোঁট। যিজন পুৰুষে সামান্য এটি ক্ষতৰ বাবে তেওঁক গ্ৰহণ নকৰিলে সেইজন পুৰুষৰ বাবে তেওঁ আজিও মংগল কামনা কৰে। দুসন্ধ্যা পূজা-পাতল কৰে। সিহঁতৰ বিয়াৰ সময়ত মানুহজন ইয়ালৈ আহিছিল। হৈমন্তীৰ ভাগ্য ভাল আছিল কিজানি। মানধৰাৰ সময়ত মানুহজন হঠাৎ নাইকিয়া হৈছিল। দ্বিতীয় পত্নী গ্ৰহণকাৰী এই মানুহজন সেই সময়ত থাকিলে তাই কি কৰিলেহেঁতেন সেয়া হৈমন্তীয়ে এতিয়া একো ক'ব নোৱাৰে।

মালতী পেহীৰ খং অভিমান মাজে সময়ে কথা বতৰাত প্ৰকাশ হয়। কিন্তু ঘৰৰ আন মানুহবোৰ কি ধাতুৰে গঢ়া সেয়া তাই বুজিব পৰা নাই। সংসাৰ ধৰ্ম পালন কৰিবলৈ পুৰুষে বিয়া কৰাবই লাগিব। সেইবাবেই সেই মানুহজনক কিজানি ঘৰৰ মানুহে ক্ষমা কৰি দিছে। কিন্তু মালতী পেহীৰ কথা, তেওঁৰ ভৱিষ্যত এইবোৰৰ সম্পৰ্কত সকলো নিমাত। সকলো ভাগ্যৰ দশা, ঈশ্বৰে যি কৰে ভালৰ কাৰণেই কৰে ইত্যাদি কথাৰে নিজকে ফাঁকি দিয়াৰ লগতে আন মানুহকো সেই বিষয়ে ভাবিবলৈ সময় নিদিয়ে।

আন্ধাৰ আৰু পোহৰৰ লুকা-ভাকু খেল চলি থাকিল। এই খেলত কোন হাৰিল, কোন জিকিল, কাৰ আঘাত গুৰুতৰ হ'ল সেয়া চাবলৈ কাৰো সময় নহ'ল। দিনত ৰান্ধনিঘৰ, ৰাতি বিচনাখন এই দুই ঠাইৰ মাজত হৈমন্তীৰ জীৱন বৰ সংকুচিত হৈ পৰিল। নিতৌ নতুন মানুহ, নতুন পৰিস্থিতি, নতুন নতুন সমস্যাৰ মাজত সোমাই জীৱনক ভালদৰে বুজি ল'বলৈ চেষ্টা কৰা হৈমন্তীৰ বাবে এই জীৱন অসহনীয় হৈ পৰিছিল। এনে এক ঠেক পৰিসৰত সোমাই থাকি এক গতানুগতিক জীৱন যাপন কৰাৰ পক্ষপাতি তাই নহয়।

মনৰ ক্ষোভ আৰু আক্ষেপেৰে এদিন হৈমন্তীয়ে ঘৰৰ মানুহৰ আগত তাইৰ শেষ নিৰ্ণয় জনাই দিলে।

'কাইলৈ মই চাকৰিত জইন কৰিম।' হৈমন্তীয়ে ভাবিছিল তাইৰ এই সিদ্ধান্তৰ কথাই ঘৰখনত আগ্নেয়গিৰিৰ বিস্ফোৰণ ঘটাব আৰু এক চুনামিৰ সৃষ্টি কৰিব। কিন্তু আচৰিত, এইবোৰ একো নহ'ল! সকলো স্তব্ধ হৈ ৰ'ল। নিস্তব্ধতাৰ এটা এটা মুহূৰ্ত বৰ শান্তভাৱে পাৰ হৈ গ'ল। বিমানে তাইৰ মুখলৈ এবাৰ চাই ৰাতি কথা হ'ম বুলি ওলাই গ'ল। বাকীবোৰে নিজৰ নিজৰ ঠাইলৈ প্ৰস্থান কৰিলে চাবি দিয়া পুতলাৰ দৰে।

হৈমন্তীয়ে দীঘলকৈ উশাহ এটা ল'লে। তাইৰ সমস্যা সমাধান হোৱাৰ কোনো পথ কোনেও পৰিস্কাৰ কৰি নিদিলে। আচলতে বিমানে তাইৰ চাকৰিটোৰ কথা বুজি পোৱা নাই। সেয়ে তাই বৰ সৰলভাৱেৰে ক'লে

— মই চাকৰি কৰিছো। কোনো সমাজ সেৱাৰ কামত মই জড়িত নহয়।

— এইখন ঘৰৰ তিৰোতাই চাকৰি নকৰে। তিৰোতাৰ ধৰ্ম পালন কৰি এগৰাকী সু-গৃহিনী হোৱাটো চবেই বিচাৰে।

— তিৰোতাৰ ধৰ্মনো কি? কথাষাৰ নভবাকৈ তাইৰ

মুখৰ পৰা ওলাই গ'ল।

পঢ়া-শুনা বোলে কৰিছা সেইখিনি কথাও মই বুজাই দিব লাগিব নোকি?

তিৰোতাৰ ধৰ্মৰ সম্পৰ্কত বিমান আৰু তাইৰ মাজত ডাঙৰ পাৰ্থক্য। এই বিশ্বায়নৰ যুগত তিৰোতা সম্পৰ্কে মানুহৰ আগতে যি ধ্যান ধাৰণা তাৰ সামান্যও আজি সলনি হোৱা নাই। সৰুৰে পৰা তাই মাকক দেখি আহিছে। মদাহী মানুহজনৰ মাৰ কিল খাইও লোকৰ ঘৰত কাম-বন কৰি ল'ৰা-ছোৱালী হালক ডাঙৰ-দীঘল কৰা নুমলীবাইক দেখিছে আৰু এতিয়া মালতী পেহীকো লগ পাইছে। তিৰোতাৰ ধৰ্ম পালন কৰি তেওঁলোকে বাৰু জীৱনত কি পাইছে?

হৈমন্তীৰ কাণ-মূৰ গৰম হৈ উঠে।

জীৱনত প্ৰথমবাৰৰ বাবে কোনো এটা সিদ্ধান্ত লওঁতে দ্বিতীয়বাৰ চিন্তা নকৰাৰ ফলাফল এনেধৰণৰ হ'ব বুলি তাই কেতিয়াও ভবা নাছিল। তাইৰ ভাব হ'ল ভক্ত প্ৰহ্লাদৰ দৰে তাইক কোনোবাই গৰম তেলৰ কেৰাহীত বহুৱাই দিছে। দুই হাতেৰে তাইক হেঁচা মাৰি তাৰ পৰা উঠি অহাত তাইক বাধা দিছে। ইয়াত আৰু কোনো নাৰায়ণৰ আবিৰ্ভাৱ নহয়। সেই ৰামো নাই, সেই আযোধ্যাও নাই!

তাইৰ সমস্ত শৰীৰ শিয়ৰি উঠে। তেলৰ কেৰাহীৰ পৰা তাই যেন ওলাই আহিল সেই ভাৱেৰে তাই হঠাৎ বহাৰ পৰা থিয় হ'ল। অনুভৱ হ'ল তাইৰ হাতৰ পেশীবোৰ ক্ৰমাৎ টান হৈ পৰিছে। তেনেকুৱা অৱস্থাৰ মাজেৰে তাই কিমান সময় থাকিল গমকে নাপালে। বিমানৰ গাড়ীৰ শব্দ শুনি তাই সচেষ্ট হ'ল। দেখিলে তাইৰ হাতখন মুষ্টিবদ্ধ হৈ আছে। সেই অৱস্থাৰ পৰা তাই নিজকে ৰেহাই দিলে। হাতখনৰ মুঠিটো লাহে লাহে খুলি দিলে। হাতৰ তলুৱা ৰঙচুৱা হৈ ঘামি উঠিছে, মুখখনো। বোধহয় সমগ্ৰ শৰীৰটোও। বাথৰুমত সোমাই ঠাণ্ডা পানীৰে গা ধুই যেতিয়া তাই ওলাই আহিল তেতিয়া তাই স্বাভাৱিক হৈ পৰিছিল। বিমানৰ লগত এই বিষয়ত তাই আৰু এবাৰ কথা পাতিব। ঘৰৰ আনে নুবুজিলেও হৈমন্তীৰ বিশ্বাস বিমানে তাইক বুজি পাব।

বিমানে তাইক বুজি পোৱা নাছিল। মানে বুজিবলৈ চেষ্টাই কৰা নাছিল। তাতকৈ ডাঙৰ কথা বিমানে কিজানি তাইক সন্দেহ কৰিছে।

বিমানৰ লগত তাইৰ কোনো কথা নহ'ল।

মানুহজনৰ বুজা-পৰাৰ মন বোলা বস্তুটো কিজানি নাই। কিন্তু এইদৰে আৰু কিমান দিন। অফিচৰপৰা তাইলৈ বাৰে বাৰে ফোন আহিছিল। জৰুৰী খবৰ এটাৰ কাৰণে তাইৰ উপস্থিতি খুবেই প্ৰয়োজন। বিমানক তাই কথাষাৰ ক'লে। তাই ভবাতকৈ সম্পূৰ্ণ বেলেগ এটা উত্তৰ দি বিমানে তাইক স্তব্ধ কৰি দিলে।

—আমাৰ ঘৰত থাকি তুমি কিবা বস্তুৰ অভাৱ অনুভৱ কৰিছা নেকি?

—নাই।

—তেন্তে চাকৰি কিয় কৰিব লাগে?

বিমানৰ কথাষাৰৰ লগতে তীব্ৰ ঘৃণাসূচক চাৱনিটো হৈমন্তীৰ ভাল লগা নাছিল। তাৰমানে স্বাধীনভাৱে থাকিবলৈ বিচৰা, চাকৰি কৰা ছোৱালীবোৰৰ প্ৰতি বিমানৰ এনে অৱজ্ঞা আৰু ঘৃণাৰ ভাৱ আছে।

বহুত দিনৰ মূৰত আজি এনে এক পৰিৱেশত তাইৰ অধিবক্তা বান্ধৱী নিৰ্মলাৰ কথা মনত পৰিল। ফোন নাম্বাৰ টো আছে কিজানি। বিচাৰিলে হয়তো পাব।


—তোমাৰ সিদ্ধান্ত সলনি কৰা। এইখন ঘৰত থাকি তোমাৰ যি খুচি তাকে কৰিলে নচলিব। বিমানৰ ধুনীয়া মুখখন সেই সময়ত বৰ কুৎসিত আৰু কদাকাৰ হৈ পৰিছিল। ক্ৰমান্বয়ে কথাবোৰো।

—দিনৰ দিনটো কেমেৰা কঢ়িয়াই ফুৰা মানুহজনৰ লগত তুমি ঘূৰি ফুৰিবা, মানুহে বাৰু আমাক কি ভাবিব? মই সেই ধুৰন্ধৰ টোক চিনি পাওঁ নহয়।

হৈমন্তী স্তব্ধ হৈ গৈছিল। ইমান শিক্ষিত মানুহৰ মানসিকতা ইমান নীচ, ইমান জঘন্য। ছিঃ এই কামত সোমোৱাৰ পিছত তাইৰ ভাব হৈছিল তাই যেন জীৱনৰ কিছু কথা বুজি পাইছে। মানুহৰ সমস্যা, মানুহৰ মনৰ ওচৰ চাপিবলৈ তাই সক্ষম হ'ব। কিন্তু নিজৰ মানুহজনকেই দেখোন তাই বুজি পোৱা নাই। ইয়াৰ পিছত বিমানৰ লগত এই বিষয়ত কথা পতাৰ তাই কোনো যুক্তি বিচাৰি নাপালে।

হেমন্ত কালৰ শান্ত, স্নিগ্ধ পৰিৱেশৰ দৰে হৈমন্তী শান্ত হৈ পৰিছিল। নিজৰ মনৰ লগত যুঁজ বাগৰ কৰাৰ মনোভাৱ এৰি দি তাই সুস্থ, শীতল মগজুৰে সকলো কথা চিন্তা কৰি চালে। দ্বিতীয়, তৃতীয়বাৰো চিন্তা কৰি চালে। যিকোনো পৰিস্থিতিৰ বাবে তাই এইবাৰ সাজু হ'ল।

তাৰ পিছত এটা সোমবাৰে ঘৰৰ কাম-বন কৰি ধীৰ স্থিৰ ভাৱেৰে সকলোৰে আগেৰে তাই অফিচ অভিমুখে ওলাই আহিল। অফিচৰ পৰাই নিৰ্মলাক ফোন এটা কৰিব....।




# এক

**ভায়'লেট হাজৰিকা**
*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

এটা জটিল-সৰল অংক। জীৱনত প্ৰথমবাৰৰ বাবে মাটিৰ ফলিত ঘঁহিবলৈ আপ্ৰাণ চেষ্টা কৰা জটিল অংকটো এদিন সৰল হৈ পৰিছিল। শকত হৈ পৰিছিল আয়ে ফলিত লিখি ঘহাঁবলৈ দিয়া একটো। সেই তেতিয়াই, তেতিয়াই চিনাকি হৈছিলো একৰ সৈতে, মাটিৰ ফলিত, টিপচাকিৰ টিমিক-টামাক পোহৰত। তাৰ পাছৰে পৰা আৰু ই মোক লগ এৰা নাই। সৰল যেন লগা একটোৱে তাৰ জটিলতাখিনি মোক বুজাই দিবলৈ অলপো কৃপণালি কৰা নাই। সি মোৰ ক্ৰমে নিকট হৈ আহিছে। সি আৰু মই যেন এক। আমি, অথচ এক। এটা জটিল সমীকৰণ।

আজি ২৭ নৱেম্বৰ। পিক্‌লুৰ জন্মদিন। মোৰ জীৱনৰ, নহয় নহয় আমাৰ জীৱনৰ, শিখা আৰু মোৰ জীৱনৰ পৰম আকাংক্ষিত দিন। হেঁপাহৰ দিন। মোৰ আজিও ফটফটীয়াকৈ মনত আছে শিখাক অপাৰেশ্যন থিয়েটাৰৰ পৰা উলিয়াই অনাৰ পিছত যেতিয়া তাই প্ৰথম চকু মেলিছিল, তাইৰ মুখত বিৰিঙি উঠা সেই গৌৰৱৰ হাঁহিটো। তাইৰ কাষত শুই আছিল ৰঙা ৰবৰৰ পুতলা যেন আমাৰ কণমানি পিক্‌লুটো। আস্ কিমান দিন হ'ল বাৰু? ৩১ বছৰ? নাই এনেকুৱা লাগে যেন কালিৰহে ঘটনা। এতিয়াও চকু মুদিলেই স্পষ্টকৈ দেখা পাওঁ, এটা-এটাকৈ। চিনেমাৰ ৰিভাৰ্চ বেকৰ দৰে। গোঁসাইঘৰত এগছি বন্তি জ্বলাইছো। পিক্‌লুৰ জন্মদিনৰ বাবে, যিটো কাম আজি ৩১ বছৰে আমাৰ ঘৰত হৈ আহিছে। আমি কৰি আহিছিলো। পিক্‌লু সৰু থাকোতেওঁ, ডাঙৰ হোৱাৰ পাছতো আৰু ডাঙৰ হৈ...। এস্ আকৌ আহি যায় মনলৈ, মনত পেলাব নোখোজা কথাবোৰ। আজি অন্ততঃ চকুকেইটা জীপাল কৰিব নোখোজো মই। আজিৰ দিনটো আমাৰ বাবে গৌৰৱৰ দিন আছিল। আজিৰ দিনটো আমাৰ বাবে আনন্দৰ দিন আছিল আৰু আজি মই বিচাৰিছো আজি দিনটো কেৱল মই আজিৰ দিনটোৰ সৈতে কটাম। আজিৰ দৰে পাৰ হৈ যোৱা একত্ৰিশটা বছৰৰ সৈতে, পাৰ ভাঙিব খোজা স্মৃতিৰ সৈতে। আজি গোঁসাই ঘৰত এগছি বন্তি জ্বলাইছো। এডাল ধূপ জ্বলাইছো। পিক্‌লুৰ হৈ প্ৰাৰ্থনা কৰিছো। অকলে। অকলে গাইছো, 'তুমি চিত্ত বৃত্তি মোৰ'। মোৰ মাতটো দেৱালত ঠেকা খাই উফৰি আহিছে মোৰ কাষলে।' আৰুনো ক'লৈ যাব? এতিয়াতো আৰু কোনো নাই ইয়াত। এদিন আছিল। এদিন সকলো আছিল। শিখা, মই আৰু শিখাৰ কোঁচত উঠি থকা পিক্‌লুৱে একেলগে জ্বলাইছিলো বন্তিগছি। একেলগে গাইছিলো। একেলগে সেৱা কৰিছিলো। একেলগে, সব কৰছিলো একেলগে। তিনিও, অথচ এক হৈ কৰিছিলো। একৰ দৰে সৰল হৈ।

সময়বোৰ গৈ আছিল। পিক্‌লু ডাঙৰ হৈছিল। অকলে চাইকেল চলাই টিউশ্যন যাব পৰাকৈ ডাঙৰ। লগৰ ল'ৰাৰ আগত পিক্‌লু বুলি মাতিলে লাজ পাব পৰাকৈ ডাঙৰ। আমি তাক বাবা বুলি মাতিবলৈ আৰম্ভ কৰিছিলো, তাৰ কথা মতে। কিন্তু ভুলতে পাহৰি আকৌ মাতিছিলো কেতিয়াবা— পিক্‌লু।

আমি দৌৰিবলৈ আৰম্ভ কৰিছিলো পিক্‌লুক লৈ। ঘড়ীটোৰ লগত সমানে সমানে যাবলৈ চেষ্টা কৰিছিলো। কেতিয়াবা পাৰিছিলো। কেতিয়াবা পৰা নাছিলো। কিন্তু দৌৰিয়েই আছিলো, কেৱল দৌৰিয়েই আছিলো। কেতিয়াবা কেতিয়াবা পাহৰি গৈছিলো আমি ক'লৈ দৌৰি আছো। কিয় দৌৰি আছো। কিন্তু দৌৰিবলৈ পাহৰা নাছিলো।

সময়বোৰ জটিল হৈ গৈ আছিল। তাতোকৈ জটিল হৈ গৈ আছিল সমীকৰণবোৰ— একটো। ঘড়ীটো যেন আগতকৈ বেগাই চলিবলৈ আৰম্ভ কৰিছিল। আমাৰ দিনতকৈ, আমি পিক্‌লুৰ দৰে হৈ থকা দিনতকৈ। পিক্‌লুক লৈ চিন্তা বাঢ়িছিল। পাৰিবনে ই? কেনেকৈ? আমি দৌৰিবলৈ আৰম্ভ কৰিছিলো পিক্‌লুক লৈ। ঘড়ীটোৰ লগত সমানে সমানে যাবলৈ চেষ্টা কৰিছিলো। কেতিয়াবা পাৰিছিলো। কেতিয়াবা পৰা নাছিলো। কিন্তু দৌৰিয়েই আছিলো, কেৱল দৌৰিয়েই আছিলো। কেতিয়াবা কেতিয়াবা পাহৰি গৈছিলো আমি ক'লৈ দৌৰি আছো। কিয় দৌৰি আছো। কিন্তু দৌৰিবলৈ পাহৰা নাছিলো।

আমাৰ চকুৰ আগতেই আৰম্ভ হৈ গৈছিল একৰ খেলবোৰ। জটিল খেলবোৰ। কুটিল খেলবোৰ। আমি কোনোদিনে নেদেখা খেলবোৰ। আমাৰ দিনত নথকা খেলবোৰ। আমাৰ দিনৰ সহজ-সৰল একটো, সহজে চুব পৰা একটো আৰু সৰল হৈ থকা নাছিল। ৰূপ সলাইছিল ই। সমীকৰণবোৰ বুজিবলৈ কঠিন হৈ আহিছিল। আমি চাই আছিলো। পিক্‌লু মেট্ৰিক দিব পৰা হৈছিলগৈ। ৰিজাল্টত তাৰ আৰু প্ৰথম বিশটা স্থানৰ বিশ নম্বৰত থকা ছোৱালীজনীৰ নম্বৰৰ ব্যৱধান আছিল এক। পিক্‌লুৱে কান্দিছিল। দুখ কৰিছিল। মোৰ খং উঠিছিল। শিখাই তাক বুজাইছিল কিবা-কিবি। মোৰ ধৈৰ্য্য নাছিল। আকৌ দৌৰিবলৈ অলপ গ্লুকনডি পানী খাইছিলো যেন আমি। তাৰ পিছত সঁচাকৈয়ে হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত পিক্‌লুৰ নামটো সকলোতকৈ আগত আহিছিল। এক নম্বৰত।

দৌৰি থকাৰ মাজতেই এদিন হঠাতে বৈ গৈছিল শিখা। একেবাৰেই বৈ গৈছিল তাই। আৰু কেতিয়াও হাঁহিব নোৱাৰাকৈ। কেতিয়াও একেলগে 'তুমি চিত্ত বৃত্তি মোৰ' গাব নোৱাৰাকৈ। মই অকলে গাই-পঠাই দিছিলো তাইক। বহুত দূৰলৈ— একুৰা জুইৰ মাজেৰে। পিক্‌লু আহিব পৰা নাছিল সময়ত। তাৰ বিদেশী বহুজাতিক কোম্পানীটোৱে হেনো বুজিব খোজা নাছিল তাৰ কথা। বিদেশৰ পৰা আহিবলৈ কি ইমান সহজ! সি যেতিয়া আহিছিল তেতিয়া জুইকুৰা নাছিল। ছাই হৈ গৈছিল। শিখা তুলসীতলত অস্থিপাত্ৰত শুই আছিল, অকলে। কিন্তু একুৰা জুই আছিল, সেইকুৰা জুই দেখা নাছিল সি, সি শিকা নাছিল চাবলৈ। তাক সৰুৰে পৰা দৌৰাই থকাৰ মাজত সময়েই নাপালো অ' সেইবোৰ শিকাবলৈ। দৌৰি থকাৰ সময়ত পাহৰিয়েই গ'লো এবাৰ মূৰ তুলি চাবলৈ পৃথিৱীখনলৈ। আমাৰ দৌৰৰ বেগত কেতিয়াবাই উফৰি পৰিছিল আমাৰ আত্মীয়-স্বজন, আমাৰ তেজৰ ধাৰাল সোঁতবোৰ। এদিন পিক্‌লু গ'লগৈ। তাৰতো উপায় নাই। সিতো নোৱাৰে সদায় ইয়াত থাকিব। বিদেশত তাৰ বাবে বৈ আছিল আমি কাহানিও নেদেখা আমাৰ বগী মেম বোৱাৰীজনী। আৰু মইনো কেনেকৈ যাওঁ তাৰ লগত। তুলসী তলত যে শিখা অকলে শুই আছে!

সমীকৰণবোৰ জটিলৰ পৰা জটিলতৰ হৈ গৈ আছিল। আৰু এই জটিল সমীকৰণবোৰৰ শেষৰ উত্তৰটো দেখি মই শিয়ঁৰি উঠিছিলো— 'এক'। মোৰ ভয়লগা হৈছিল এই একটোলৈ। মই আঁতৰি পলাব খুজিছিলো এই একৰ পৰা। কিন্তু পৰা নাছিলো সহজে। একৰ সমীকৰণে, ক্ৰমে কাবু কৰি ৰখা মোৰ মনটোৱে, মোৰ চাৰিওফালৰ পৰিৱেশটোৱে মোক দিয়া নাছিল তেনে কৰিবলৈ। ক্ৰমাৎ ক্লান্ত হৈ আহিছিলো মই। হাজাৰ যোজন বাট উৰ্দ্ধশ্বাসে দৌৰাৰ পাছত আজি যেন অলপ বিশ্ৰামৰ মোৰ খুবেই প্ৰয়োজন। নিসংগতা মোৰ প্ৰিয় নাছিল কেতিয়াও। মোৰ জানিতে-অজানিতে মই কোনোদিনে কামনা কৰা নাছিলো এনে নিসংগতা। ভয়ংকৰ একটোৱে খুলি খুলি খাইছিল মোক। এই একৰ পৰা মই পলাব বিচাৰিছো। মই এজন বিফল যুঁজাৰু। আৰু শক্তি নাই মোৰ একৰ লগত যুদ্ধ কৰিবলৈ।

এতিয়া ৰাতি দুপৰ হৈছে। মোৰ হাতত ডাঃ চলিহাৰ প্ৰেচক্ৰিপচনখনেৰে আজি অনা শ্লিপিং টেবলেটৰ ষ্টিপটোত আৰু মাত্ৰ এটা টেবলেট বাকী...।

# একৰ এক গ'ল



**জুৰি বৰুৱা**
*স্নাতক তৃতীয় বৰ্ষ, ভূগোল বিভাগ*

অভাৰব্ৰীজৰ ওপৰেৰে খোজ ল'লো মই। কেইদিনমান দাড়ি-চুলিৰে ভোবোকাৰ হৈ মই এটা অদ্ভুত মানুহৰ দৰে হৈ পৰিছো চাগে'। অন্ততঃ আচীত দেখিলে নিজকে তেনে যেনেই লাগে। গহীন আৰু শান্ত। ধীৰ আৰু অল্পভাষী। চলন্ত চিটিবাছবোৰে যেন খৰকৈ কঢ়িয়াই আনিছে ৰাতিটোৰ বতৰা। আধা আলো আধা ছাঁৰ মিশ্ৰণত মোৰ চকু থৰ লাগি ৰ'ল কন্ডমৰ ফ্লেভাৰ থকা হৰ্ডিং খনত। যৌনতাৰ কিঞ্চিত আৱেগে মোৰ গাত এটা সিৰ্‌সিৰণি তুলিলে।

সেমেকা বতৰ। অকণ অকণ বৰষুণে ইতিমধ্যে ৰাস্তাটো চেলেকি গৈছিল। পিন্ধনত মোৰ জিনচ্ আৰু টি-চার্ট। হাতত এটা চে'লফোন। তিনি আলিটোৰ মাজত ৰৈ মই ঠিক ধৰিব নোৱাৰিলো কোনফালে গতি কৰিম এতিয়া। এক ফিল'চফিক ষ্টাইলে মোক অত্যাধিক গহীন কৰি পেলালে।

হোষ্টেললৈ যোৱা চমু বাটটোৰে আৰু যোৱাৰ মন নাই মোৰ। বজাৰলৈ সোমাই যোৱা বাটটোৰ চিক্‌মিক্‌নিয়েও মোক মুহিব পৰা নাই। কলেজৰ সমুখেৰে হোষ্টেললৈ যোৱা দীঘল বাটটোকে বাছি ল'লো মই। ৰাস্তাৰ কাষৰ সৰু সৰু গুমটিবোৰ এখন এখনকৈ বন্ধ কৰিবলৈ আৰম্ভ কৰিছে। ফুটপাথৰ আশে-পাশে পৰি থকা দুটামান অঘৰীয়ে নিজৰ ঠাইডোখৰ সলনি কৰিছে। দূৰৰ পৰাই অকণ অকণকৈ জিলিকি উঠিল বৰষুণে ভিজাই পেলোৱা ইলেক্‌চনৰ বেনাৰবোৰ — কঁপি কঁপি ৰৈ আছে যেন পিছদিনাৰ উত্তেজনালৈ।

হোষ্টেল পাৰ হোৱাৰ পিছতো খোজ আগবাঢ়িল মোৰ। শূণ্য ৰাতিটোক শুৱাবলৈ আজি মোক সংগী লাগে। ভয় লগা হৈছে ক্ৰমাত এই নিসংগতা, এই নিৰৱতা আৰু এন্ধাৰবোৰলৈ। ফিল'চফি নহয়, বাস্তৱ লাগে মোক। ষ্টেচনটোৰ বাহিৰে সেই সংগী, সেই কোলাহল, এন্ধাৰৰ মাজতো বাস্তৱ হৈ থকা পোহৰ আৰু কি হ'ব পাৰে!!!

ৰাতিটো সিৰ্‌সিৰাই চুচৰি গৈছিল শূণ্য ৰেল লাইনৰ চিৰিয়েদি। এন্ধাৰবোৰ লাহে লাহে গাঢ় হৈ পৰিছিল আৰু বাগৰি আহিছিল মোৰ চকুলৈ — টাকুৰীত ঘূৰাই থকা এড়ী সূতাৰ দৰে। এজাক শীতল ছাঁত ষ্টেচনটো গধুৰ হৈ পৰিছিল। ষ্টেচনৰ প্ৰকাণ্ড ঘড়ীত এতিয়া এক বাজি বিশ মিনিট। এনেদৰে ঘণ্টাৰ পিছত ঘণ্টা অতিক্ৰম কৰি মই গণি আছিলো উলঙ্গ ষ্টেচনটোৰ ইচাট-বিচাট। ওঁঠত মোৰ চিগাৰেট। সৰু অস্থায়ী গুমটিখনৰ নিঃ-কিন মালিক (?) আমিনুলৰ চকুহাল জাপ খাওঁ

**ক্ষীণ বৰযুণজাকে ষ্টেচনটোত জেঁকা-জেঁকা ভাৱ এটা সিঁচি গৈছিল। চাৰ্টৰ আটাইকেইটা বুটাম বন্ধ মোৰ। অথচ বুকুৰ ভিতৰখন যেন হিমবাহ হৈ গৈছে। লাহে লাহে যেন মৰিবলৈ আৰম্ভ কৰিছোঁ। আমিনুলো ইতিমধ্যে এটা মৰাশ' হৈ শুই পৰিছিল উদাস বেঞ্চখনত।**

খাওঁ হৈছে— ষ্টেচনৰ খীন পোহৰত হালধীয়া হৈ পৰিছে তাৰ চকু-মুখ। এটা তেৰ বছৰীয়া কিশোৰ হৈ সি ইয়াতকৈ বেছি দীঘল এন্ধাৰ আৰু চুটি পোহৰ উভয়কে সহিব নোৱাৰে।

ক্ষীণ বৰযুণজাকে ষ্টেচনটোত জেঁকা-জেঁকা ভাৱ এটা সিঁচি গৈছিল। চাৰ্টৰ আটাইকেইটা বুটাম বন্ধ মোৰ। অথচ বুকুৰ ভিতৰখন যেন হিমবাহ হৈ গৈছে। লাহে লাহে যেন মৰিবলৈ আৰম্ভ কৰিছো। আমিনুলো ইতিমধ্যে এটা মৰাশ' হৈ শুই পৰিছিল উদাস বেঞ্চখনত।

অন্যমনস্ক হৈ গৈছিলো। চিগাৰেটৰ শেষ অংশই আঙুলি পোৰাতহে সাৰ পালো নিজৰ পৰা। হোষ্টেলৰ বাকহীন পদূলি গছকি ফ'চিলমুখী যাত্ৰাৰ পথিক হ'বলৈ ওলাই আহিছো। সমুখত বহুত ডট্ ডট্। আগন্তুক ইলেকচনৰ বতাহ কোবাল গতিৰে বলিবলৈ আৰম্ভ কৰিছে কলেজত। ছাত্ৰ-ৰাজনীতিৰ চেঁপা উত্তেজনা একোটাই সকলোকে চুই গৈছে। কেণ্টিনৰ কুঁজা কেঁকুৰিটোৰ পৰা কফি হাউচৰ কোলাহললৈকে বিয়পি পৰিছে সেই বতাহৰ অনু-পৰমাণু। হোষ্টেলবোৰত ৰাতি ৰাতি ইখনৰ পিছত সিখন মিটিং চলিছে। দিনত সেইবোৰ কামতে ব্যস্ত থাকোঁ মই। ৰাতিলৈ মূৰত পোকবোৰে কিল্‌বিলায়। চুলিবোৰ দীঘল হৈছে—দাড়িও খুৰোৱা নাই। অৱশ্যে নিজৰ প্ৰতি সচেতন হ'বলৈ মই নতুনকৈ প্ৰেমতো পৰা নাই।

প্ৰেমৰ পুখুৰীত ডুবি ডৰিকণা হ'বলৈ মন মেলিছিলো এটা সময়ত। পাহাৰীৰ সমুখত নিজকে সঁচা সঁচা যেন লাগিছিল সেই দিনবোৰত। ৰাতিবোৰো অবুজ উছাহেৰে আলফুলীয়া হৈ পৰিছিল। এটা আদৰ্শই বুকুত বাগৰ সলাইছিল—আন্ধাৰ ফালি পোহৰলৈ যোৱাৰ আদৰ্শ। হাতত কলম আছিল। ওঁঠত আছিল জীৱনমুখী জীয়া জীয়া আদৰ। সোধা নহ'ল পাহাৰীক তাইৰ ব্যস্ততাত মোৰ অস্তিত্ব কিমান!! তথাপি এক আলাপ মধুৰ পৰিৱেশ আছিল আমাৰ মাজত। এতিয়া নাই। এতিয়া মোৰ ওঁঠত চিগাৰেট ওলমে। নৈৰাশ্য আৰু একাকীকত্বই প্ৰতি মুহূৰ্তক চেতনৰ পৰা অৱচেতনলৈ কাঢ়ি নিয়ে। ধোঁৱাবোৰে আঁচুৰি যায় বুকুৰ আদৰ্শ।

কাকো একো খুলি ক'ব পৰা নাই। কাক বুজাম, কেনেকৈ বুজাওঁ—বুকুত কিমান ফুজিয়ামা! জীৱন এতিয়া আদৰ্শৰ আৱৰ্তনত ব্যস্ত এক ধাৰাবাহিক গতিধাৰা হৈ থকা নাই। মাজে মাজে নিজকে মোৰ বিজ্ঞাপন যেন লাগে। এক মৃত বিজ্ঞাপন। শ্মশানৰ ছাঁয়ে চেলেকি যায় মোক। ৰাতিৰ ষ্টেচনৰ দৰে উদাস আৰু বিবৰ্ণ হৈ পৰো মই।

মদ খাবৰ বাবে যিদিনা পইচা জুৰে সেইদিনাই কান্দো— মদত মাতাল হৈ নহয়; মদবোৰ বুকুত লৈ কান্দো। ম'বাইলত আপোনা-আপুনি ডায়েল কৰো পাহাৰীৰ নম্বৰ, 'দাজ্ ন'ট এগজিষ্ট'।

হোটেলৰ পাৰ্টীত গান গাই বাইদেউৱে ঘৰলৈ পইচা পঠায়। সেই পইচাৰে মই উৰি ফুৰো কেনেকৈ? কেইবাদিনো গৈছিলো বাইদেউক বিছাৰি। বুঢ়া মালিকে দুনাই যাবলৈ হাক দিলে। ঘৰৰ মানুহ বুলি কোৱাটো নামানিলে। মোৰ সন্দেহ হ'ল। মই চিএৰিলো। ধমকি দিলো। কাজিয়া কৰিলো। বাইদেউক ফোন কৰিও নাপালো।

মোৰ মনত সন্দেহ উফন্দি উঠিল।

কিন্তু পিছদিনাই হোষ্টেলত আহি বাইদেউৱে মোক লগ ধৰিলে। মোৰ হাতত পইচা গুজি নতুন কিতাপ কিনিবলৈ ক'লে। মই নিমাত হৈ বহি থাকিলো। বহু প্ৰশ্ন সুধিবলৈ লৈও নোৱাৰিলোঁ। পথ দুৰ্ঘটনা এটাত দুয়োখন ভৰি হেৰুৱাই পেলোৱা দেউতাৰ ঠাইত বাইদেউৱে ঘৰৰ দায়িত্ব ল'লে। নাজানো ক'ত বন্দী কৰিলে তাই একান্ত ব্যক্তিগত সপোনবোৰক—যিবোৰ সপোনেৰে তাই আমাৰ সৰু ঘৰখন জীপাল কৰি ৰাখিছিল। ৰাংঢালী চকুহাল ক্ৰমঃশ যেন শেঁতা পৰি গ'ল।

তাই কিন্তু মোৰ চকুত চকু থৈয়ে কথা পাতিলে। একেবাৰে গতানুগতিক হৈ। বন্ধত ঘৰলৈ গৈ মাক চহৰলৈ আনিবলৈও ক'লে— ভাল ডাক্তৰক অসুখটো দেখুৱাৰ কথা।

যাবৰ সময়ত মাথো কৈ থৈ গ'ল—'দাড়ি-চুলিবোৰ নাই কটা যে...। সন্ন্যাস ল'বলৈ মন গৈছে নেকি তোৰ?'

আনদিনাৰ দৰে মই তাইক গেটলৈকে আগবঢ়াই নিদিলো। ভয় হ'ল মোৰ, কি-জানিবা গেটৰ বাহিৰত বুঢ়া মালিকৰ গাড়ী ৰৈ আছে!!!

নিৰ্মলে সিদিনা ক'লে, বাইদেউৱেহেনো সিহঁতৰ মোমায়েকৰ ল'ৰাই হোটেলত দিয়া পাৰ্টীত বহু সময় গান গাইছিল। অৱশ্যে সি জনা নাছিল সেয়া যে মোৰ বাইদেউ।

তাৰ কথা কোৱাৰ ঢঙত বেপেৰোৱা ভাৱ এটাহে উপঙি আছিল। তাৰ ককায়েকে হেনো কৈছিল— 'ছোৱালীজনী বুঢ়া মালিকটোৰ ৰক্ষিতা নোহোৱা হ'লে মই বিয়া কৰালোহেঁতেন।'

কথাষাৰ শুনি মোৰ মূৰ আচন্দ্ৰাই ধৰিছিল। কোনোমতে নিজৰ ৰুমলৈ আহি বটলৰ পৰা ঘোটে ঘোটে পানী খাইছিলো। দীঘল দীঘল উশাহ লৈছিলো। বুকুখন ডাঠ হৈ আহিছিল। জানো, সিহঁতে বাইদেউৰ ত্যাগখিনি চুব নোৱাৰে— কিন্তু সমালোচনা কৰিবলৈকো নেৰে। অসহায় হৈ পৰিছিলো মই। বাৰে বাৰে বাইদেউৰ মুখখনে আহি আমনি কৰিছিল মোক। এটা সৰু ল'ৰাৰ দৰে মোৰ কান্দিবলৈ মন গৈছিল তাইৰ ওচৰত। অমৃতে কিবা এটা বুজি পাইছিল মই নুবুজোৱাকৈয়ে। সি মদ আনিছিল আৰু মই পানীৰ দৰে মদ খাইছিলো। অবাইচ গালি পাৰিছিলো। অমৃতে এচৰ দি মোক সম্ভৱ শুৱাই থৈছিল।

এতিয়া অমৃতো 'দাজ্ নট এগ্‌জিষ্ট'।

চিলেট মোহাৰিবলে একেলগে বহুট বুটলা অমৃত— এচাৰিৰ কোব খাইও মনে মনে নদীৰ পাৰলৈ যোৱা ধূলিময় আবেলিবোৰৰ সংগী অমৃত—পাণবজাৰৰ সন্ধিয়াবোৰত একেলগে খোজ দিয়া অমৃত—গ্ৰন্থমেলাৰ বিপণীত কিতাপবোৰৰ উশাহ চুমা অমৃত—

হোষ্টেলৰ বিছনাত পৰিয়ে দেখো চিলিং ফেনত সি ওলমি আছে। বিকৃত হৈ পৰিছে তাৰ জিভা, উভালি পৰিব খুজিছে তাৰ গোট গোট চকু। নোৱাৰিলো শুই থাকিব— পলাই আহিছো অমৃতৰ পৰা। ঘূৰ্ণীয়মান চিলিং ফেনৰ প্ৰতিখন পাংখাই মোৰ বুকুফালি চিৰাচিৰ কৰি পেলাইছে। মৰ্গত কুচি-মুচি সোমাই আছে সি। মাকে চিঞৰি চিঞৰি মাতিছে। নুঠে সি। নামাতে। নুশুনে। ইমান অবাধ্য। তাৰ পাকখোৱা চুলিবোৰ টানি দিবলৈ মন গৈছিল। কিমান দিন তাৰ টোপনি নাছিল চকুত। এতিয়া শুৱাৰ পৰা উঠিবলৈকে তাৰ যেন আজৰি নাই। উৰলি যোৱা অমৃতৰ চকুত যেন এতিয়া জঁট-পঁট হাজাৰ ডাৰৰৰ মৃতদেহ।

কান্দিব পৰা নাই মই। ৰিলেটিভিটি থিয়ৰি শুঙি ছট্‌ফটাই আছো ক্লাচৰ শেষ বেঞ্চত। খোজবোৰ আউল-বাউল হৈ ঘূৰি ফুৰিছে পাণবজাৰ, কাছাৰী ঘাট, ব্ৰহ্মপুত্ৰৰ বিবৰ্ণ পাৰত। পকেটত পাঁচ টকা লৈ দীঘল জপৰা চুলিৰে যেতিয়া ফুটপাথত খোজ দিও -শিপা চিঙা মানুহবোৰৰ দিক্‌বিহীন স্তৱক পঢ়ো— তেতিয়া নিজলৈকো পুতৌ উপজে। পুতৌ উপজে গধুৰ পাৰ্চেণ্টেজৰ মাৰ্কচিট— পেপাৰত এটা সময়ত উঠা নাম আৰু বুকুত লৈ ফুৰা আধালিখা কবিতাবোৰলৈ।

উঠি আহিলো আমিনুলৰ ওচৰৰ পৰা। ৰিক্সাৱালা এটাই ভাঙৰ নিচাত অৰ্ধ উলঙ্গ হৈ পৰি আছিল। তাৰ গালত বৰষুণৰ কেইটোপালমান নিৰস পানী। অন্ততঃ এই সময়ত মোৰ তালৈ ঈৰ্ষা উপজিল। ইমান প্ৰতিকূল পৰিৱেশৰ মাজতো তাৰ চকুত টোপনি। আৰু মোৰ চকুত?

মোৰ চকুত যে এপিটাফ্—ক্ৰমংশ ঘন হৈ পৰা বাটটোৰ এন্ধাৰে কাতৰ কৰি পেলোৱা যৌৱনৰ এপিটাফ্—দিক্‌বিহীন দিনলিপিত অবিন্যস্ত দিন আৰু ৰাতিবোৰৰ এপিটাফ্। আমিনুলৰ শৈশৱ-কৈশোৰ যি দৰিদ্ৰতাৰে অভিশাপ হৈছে, ৰিক্সাৱালাটোৰ জীৱন যি দৰিদ্ৰতাৰে পংগু হৈছে— তেনে এক সমান্তৰাল দৰিদ্ৰতাত মোৰো সহাৱস্থান। চিন্তাৰে, কামেৰে, সপোনেৰে দৰিদ্ৰ হৈ পৰিছো মই। তেনে এক দাৰিদ্ৰৰে উলঙ্গ হৈ ৰাতিৰ ষ্টেচনটো দুলি আছে মহানগৰীৰ এন্ধাৰ ছাঁবোৰ শুঙি শুঙি। ওলমি আছে যিদৰে অমৃতৰ দেই যোৱা সপোন হোষ্টেলৰ পাংখাখনত। টেবুলৰ ওপৰত ট ট কৈ উচুপি আছে তাৰ হাতৰ প্ৰেমিক আখৰ— 'Life is like a jigsaw puzzle with most of the pices missing.'

আৰু বাইদেউ???

তাইও ভালকৈয়ে চলাই আছে অভিনয়। অথচ তাই নজনাকৈয়ে, নেদেখাকৈয়ে মোৰ ওচৰত জমা হৈছে তাইৰ শুকান চকুপানী। নিজক নিলামত দি কেনেকৈ হাঁহিছে তাই!! দুখৰ পোছাক পিন্ধি তাইও তাৰমানে পৰাজিত নিজৰ ওচৰতে!

আঃ আৰু একো ভাবিব নোৱাৰা হৈ আহিছো। লাইট পষ্টটোৰ ওচৰতে বহি দিলো মই।

আজি কিমান দিন হ'ল মোৰ কলমত এটাও শব্দ নাই। বৰষুণত তিতিও মই শান্ত হোৱা নাই। ৰ'দত খোজ দিয়ো সেকিব পৰা নাই মোৰ বৰফ চেঁচা আঙুলি। মাথো ৰাতিৰ এন্ধাৰবোৰৰ পৌণঃপুনিক গতিৰ পিছে পিছে দৌৰি আহিছো ষ্টেচনলৈ। ওঁঠত চিগাৰেট লৈ ৰাতিৰ উষ্ণতা জুখিছো— উজনিমুখী আৰু নামনিমুখী ৰেলবোৰৰ ঘনত্ব টুকিছো। ভিন্ ভিন্ ছাঁয়ে চেলেকি যোৱা মুখবোৰ পঢ়িবলৈ যত্ন কৰিছো।

অমৃতে কৈছিল— 'মানুহে নিজৰ পৰা পলাব খুজিলেই ধৰা পৰে। আৰু যুঁজিবলৈ......... জীৱনৰ সৈতে যুঁজিবলৈ কি লাগে জান'?..... জীৱনৰ সৈতে যুঁজিবলৈ তই নিজৰ সৈতেই অহৰহ যুঁজিব লাগিব। তইও ওলাই আহচোন নিজৰ পৰা, গল্প লিখ। এনেদৰে জহি-খহিনো কি পাবি?'

বুজি পোৱা নাছিলো তেতিয়া। বুজাবও পৰা নাছিলো তাক। কেনেকৈ বুজাওঁ—মোৰ বুকুত অলেখ অমিল জোখৰ

শিলৰ চাকনৈয়া। হোষ্টেলৰ কোঠাত ৰাতিৰ খিৰিকী খুলিলেই জিকাৰ খাই উঠে মৃত সাপৰ দৰে উদং ৰাস্তাটো— উবুৰি খাই পৰে আকাশৰ বিকলাংগ জোনটো।

ঘৰলৈ গৈ অমৃতে টুকুৰা-টুকুৰ মেচেজ দিছিল।

— দেউতা গ'লগৈ, মোৰ বুকুত জাপি থৈ গ'ল সপোনৰ এজাক মৃতদেহ।

— মই হাঁহিছো, মোৰ হাঁহিৰে মাৰ চকুলো শুহিব নোৱাৰি।

— দাদা বেকাৰ হৈ আছে, আজিকালি মদ খাই হুলস্থুল কৰে ঘৰত। ভাইটিও আকোঁৰগোজ— বাইক এখন লাগে তাক।

আৰু এদিন অমৃতৰ কথাত মই সঁচাকৈয়ে গতিৰপৰা জড় হৈ পৰিছিলো— 'মই যদি অভিনেতা হ'বলৈ আহি কল চেণ্টাৰত ৰাতিৰ ঘুমটি বিয়োগ কৰিব লগা হয়!!!'

লাইটবোৰৰ শেঁতা পোহৰত ষ্টেচনটো কঁপি উঠিল। মোৰ বুকুৰ কম্পনো লিপিট খাই পৰিছে নিঃকিন পোহৰবোৰৰ ফাঁকে ফাঁকে। চকুহাল পুৰিছে। ঘৰলৈ বহুদিন যোৱা নাই। মাৰ লগতো আজিকালি খুব কম কথা হয়। এন্ধাৰৰ পিছে পিছে মাৰাথান দৌৰোতে পোহৰৰ প্ৰতি বিশ্বাস হেৰাইছে মোৰ।


লাহে লাহে বুজি উঠিছো কোনো কাৰো প্ৰতিকল্প হ'ব নোৱাৰে। মই অমৃতৰ নতুবা অমৃত মোৰ। বুকুত গাত। ক্ষোভ যন্ত্ৰণাৰ। লেৰেলি যোৱা বিষাদবোধৰ গাত। লাহে লাহে পাতল হৈ পৰিছে টেবুলৰ সমুখত স্কেচ পেনেৰ লিখা কবিতা—

*Out of each pain*
*Which we do not mention*
*a chestnut tree grows*
*And remains mysterious behind us*
*Out of each hope*
*Which we Cherish*
*A star arises*
*And moves unattainable infront of us*
*(Vosko Popa)*

আৰু মই উবুৰি খাই পৰিছোঁ ষ্টেচনৰ এই উদং দুবাহুত। মোৰ দৰেই বহুতো যৌৱন ইয়াত বিশৃংখল হৈ পৰিছে। দিন দীঘল হৈছে। ৰাতিবোৰ উশৃংখল হৈ পৰিছে। শিতানত জঁট বান্ধিছে উদাস ৰংবোৰ। উশাহহীন মুহূৰ্তবোৰ। হালধীয়া হ'বলৈ গৈ থকা চকুৰ প্ৰতিসৰণবোৰ। উন্মাদনাৰ অংক কৰি কোনোবা হয়তো চি. জিৰ ছোৱালীৰ প্ৰেমত পৰিছে— কোনোবা হয়তো আই. আই. টিৰ বাবে প্ৰিপেয়ৰ হৈছে। মুঠৰ ওপৰত, অনুশীলন। এক ডাল-পাতবিহীন শতিকাৰ বোজা উপচি পৰা অনুশীলন। জুইৰ পৰা ধোঁৱা হোৱাৰ অনুশীলন আৰু মই সাঁথৰ হোৱাৰ অনুশীলনত ব্যস্ত। সেই তাহানিতে এৰাবাৰীৰ জেওৰা বগাই ভৰি কাটিলে দেউতাই টান টান সাঁথৰ ভাঙিবলৈ দিছিল। এতিয়া মই নিজেই তেনে সাঁথৰ পুহিছো। নিজ হাতৰে বুকুত উম দিছোঁ— ঐশ্বৰ্য্য, সুখ, আৰামৰ বিপক্ষে এক ডাঠ গহীন সাঁথৰক।

লাহে লাহে মইও ভাবিবলৈ লৈছো— লেখক হ'বলৈ আহি মইও যদি উভতিব লগা হয় গাঁৱলৈ। যোগ কৰিব লগা হয় মোৰ নাম টিউচন মাষ্টৰৰ বিয়োগ অংকত!!!

সময়ে ৰাতিৰ সেওঁতা ফালি তিনি বজাৰ সংকেত দিলে। ভৰি দুটাই ৰেল লাইনৰ একেবাৰে কাষ পোৱাইছিলহি মোক। কথাবোৰ ভাবি ভাবি আহি থাকোতে গমেই পোৱা নাছিলো চিৰিৰ সৰীসৃপ বাসনাত ৰাতিৰ নগ্ন অভিসাৰ মোৰ নিচেই কাষ চাপিচেহি। জড় হৈ পৰিছে মোৰ আঙুলি, চকু, ওঁঠ, নাক, দেহৰ সমস্ত সিৰা-উপসিৰা। অথচ এন্ধাৰৰ সুৰঙ্গ ফালি মোৰ ভৰি দুটা গৈয়ে আছে। বৰষুণজাক আগতকৈ গহীন হৈছে আৰু এন্ধাৰৰ স্তৰবোৰ পনীয়া কৰি পেলাইছে। জেকা জেকা দোলনত মোৰ খোজ চলিছে। আৰু মই স্পষ্টকৈ শুনা পাইছো ৰেলৰ উঁকি কেইটামান অভিকেন্দ্ৰিক বাসনাৰে মোৰ ফালে উজাই আহিছে।



# FIRST ENCOUNTER WITH REALITY

**Sukanya Goswami**
*T. D. C. 2nd Year, English Deptt.*

He is like an Angel when happy but worse than a devil, screaming and shouting and driving everyone crazy, when angry. His big shining eyes are full of innocence and a sweet smile that always remains in his lips. He has a good ear for music but he usually likes to live in his own world only. It seems very difficult for him to cope with the world and its social rules and regulations. If you are a little bit concerned then you will find that he does not talk like a cousin of his age but attributes it to minor development delays. After observing him how will you regard him? Is he a mental patient? No... certainly not. He is a gifted child. We may say is a mentally challenged child with Autism Spectrum Disorders. Austism is one of the five Parvasive Development Disorders. 'Autism'- this word has often been misunderstood in the past. The confusion and myth created by ignorance and lack of knowledge resulted in slowing down the process of effective treatment. Frankly speaking, Austism is more a family disorder. It doesnot merely affect the child, but it makes its impact on the entire family. There is an underlying embarrassment, a sense of shame, of how the world views the child.

My life was perfect... a perfect childhood. I made a lots of fun and had always wanted a younger brother. I thought it would really be a great fun to have someone to play with, have silly fights with, go to school and sing with... and also someone to boss around as an elder sister. I had always postered my parents about it. And fortunately my mother was holding a baby boy in her arms. I was much rejoiced to hear him babbling his first word 'Ba' at around one and a half years. I named him 'Sunit' and everybody stuck with it.

Everything was going well. Then it was Sunit's time for school at three years. But suddenly complaints started coming that he did not listen to anything and often ran away from his class-room, didn't obey his teachers and didn't want to interact with his companions. We thought may be there was a hearing problem. We went for a hearing test but his hearing was absolutely fine. Years passed on but his behavior never changed. He was in that same class for two years. I felt angry and embarrassed when children playing on the street and school made fun of him and his unusual mannerisms. Most of all I felt frustrated when we seemed unable to help him develop.

One day one of my friends told me about her little brother. " He's so cute! Especially when he calls me 'Ba' and plays with me!" She said. I said, "Oh, I have also a little brother. He is sweet too! But he neither talks to me nor wants to play any games." At this my friend said, "Really? Your brother must by very small then. Mine is only one and half years old," Immediately I felt indignation. No... That wasn't fair! My brother was five then why he is so different!! I asked my parents about it, they just gave me a worried look.

The next couple of years are a haze to my family. Perhaps this was our first encounter with the reality. It mostly consisted of taking Sunit from one hospital to another, one doctor to other. It was worst experience for us. We went to Nimhans in Banglore, it was there that the doctors diagnosed him as moderately authistic. "Autism! What is autism?" I had never heard this word before in my life. But I did come to know that something is wrong with my brother. Still do I remember that day when my whole world crashed in front of my eyes. My parent's could not utter a single word and sat down into the ground. My mother lied unconscious. My perfect life was over. My famous smiling face transformed into tears forever as I cried and cried and cried only.

That fact used to hurt me even more when attitudes of people towards my brother changed and they used to call him 'Mad,' Why me? Why did it have to be only with my brother? "This is all my fault," I used

to think. I started feeling guilty thinking that we must have done something wrong somewhere. I asked to the doctor, "Will he get better?" He replied, "It will take time. And you can only help him so that he can learn how to get better. You are lucky enough, you have been gifted with a God- gifted brother. ACCEPT him the way he is and that would be the best thing you could ever do for your brother."

But I could never take him lightly. I was sad, upset, disappointed and most of all I was embarrassed. I was depressed and started detaching myself from my family and friends even. I never used to mention about my brother anymore. If somebody would ask me about him, I would say simply, "He's okay". My parents knew about it but they would never say anything. My father would just tell me, "He's improving. If we all work together, maybe he will even become normal."

One day I was preparing something in the kitchen; my parents went for their colleges, suddenly Sunit came near me and sang that evergreen song of Kishor Kumar : "JINDEGI KI YEHI RIT HAE, HAR KE BAAD HI JEET HAE. THORE AASU HAE THORI HASI, AAJ GAM HAE TO KAL HAE KHUSI..." (He heard me singing that song the day before in a program). I was struck dumb.

Believe me, it was so mind blowing that it can drive anybody close to him. To my surprise he sang it accurately without any mistake. I hugged him and cried... He could understand well that something had happened to me and ruled my tears and began to sing that same song again. That time I too accompanied him. I could learn from that incident that Sunit was trying to get my affection. Sunit has gradually become a very affectionate boy; he loves to be kissed and hugged. He likes snatching books from me and then run away or hide it somewhere. I must mention here that he has a very good ear for music and would often help me complete tunes that I was having a hard time remembering. He will sit and listen to songs for hours. I regret scolding him and keeping myself away from him. I realized what a cruel sister I have been. I was ignoring him only because he was not like me, he was different. But I must tell you all people that my brother isn't abnormal. He's special. He's different. Since that day, Sunit who never spoke anything to anyone other than his own unintelligible words started singing himself. It was a huge milestone for my family. Since that day Sunit has become my best friend. He always gives me his most innocent look and shouts my name 'Licy ba' again and again whenever he is happy. I can't explain how much I do feel happy at such moments. I repent again and again for my great mistake of treating him inhumanly. I thought when I couldnot accept Sunit's autism how could I expect others to accept. Once I met a psychiatrist; she told me that God has offered me a great responsibility for this. He trusted me that only I would do it beautifully. Sunil has brought lots of changes in my life in a positive manner. Robert Perske has mentioned in his book about siblings having disabled brother or sister: "You too are a valuable, developing individual human being. You too need to be recognized, to be loved and develop into the best person you can be. Your brother or sister with handicap needs to experience the most robust, risky, rough but kind interactions with you that he or she can tolerate- as close to normal sibling relationships as possible."

The closeness that I share with my brother never impressed so much upon me, until I had to come out from my home to have my higher education in Cotton College. His absence hurts me a lot as it was me only who used to spend most amount of time with him. Even now as I'm writing, I miss him so much. Whenever I go home for my vacation, he wouldn't let me go off. My mother told me that he often says. "Licy bak anibo jam." My life with my brother becomes perfect once again. But I despise people who would always try to make me feel low expressing their pity for me as I am having a brother like Sunit or made me feel that my parents are to be blamed for this life I had. None can make me feel inferior or unhappy for the sake of my brother. I don't need their sympathy and I am ready to face the entire world with the same smile that I had always. When my friends ask me at college if I have any siblings, I reply proudly, "Yes, I have a brother. He's Sunit but I call him Jann. He is 12 years old and he in autistic. But he's the most adorable and most loving brother you will ever find." The spirit he has of always being happy and loving everyone selflessly is something we all should learn from him. He may be autistic but first and foremost he is my brother. I will always love my life, my brother and I know that I will always have a beautiful journey with him. He is my responsibility and I will always ensure that he is happy and safe.



# কবিতা

**লুট্‌ফা হানুম ছেলিমা বেগম**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*

এটা কাহিনীৰ কথাকে কওঁ দিয়ক আজি
কবিতাৰে

এই কাহিনীৰ কোনো আৰম্ভণি নাই
কোনো শেষ নাই
কেতিয়া ক'ত কেনেকৈ জন্ম হৈছিল
এই কাহিনী মই নাজানো
মই নাজানো এই কাহিনীয়ে কিমানটা
ৰাতি, দিন অথবা কিমান বছৰ, মাহ
অতিক্ৰম কৰিছে কিমানবাৰ হাঁহিবলৈ খুজিছে
কিমানবাৰ জুখিবলৈ বিচাৰিছে নিজৰ নিৰ্বোধিতাক
এক প্ৰাচীন নিদ্ৰাৰ নিকৰুণ বিছনাত
হয়তো কুঁচি মুচি শুই আছিল কাহিনীটো
শুই শুই বিৰক্তিত ছট্‌ফটাই উঠিছিল এদিন
আৰু কোনেও নোগোৰা জাগৰণৰ এটা গীতৰ তৰংগত
সাৰ পাই উঠিল পৃথিৱীৰ শোৱনি কোঠাত
তেতিয়াৰ পৰাই কাহিনীটোৱে আৰম্ভ কৰিছে
এক হৃদয় বিদাৰক আৰু বিস্ফোৰক যাত্ৰা
এই যাত্ৰাত বিধ্বস্ত হৈছে অনেক জাহাজ
সাগৰৰ চেৰৰ পৰা হতাশ মনেৰে আঁতৰি গৈছে উপকূল
মাতাল ঢৌবোৰেও নিজৰ জলস্তম্ভক
পানীৰ তলত লুকুৱাই থ'বলৈ বিচাৰিছে
আচলতে বাৰু কি হৈছে
কাহিনীটোৰ বুকুত মানুহৰ মহত্ত্বৰ এটা নক্সা আছে
যিটো মচি পেলাব নোৱাৰে কোনেও
সেয়ে এই যাতনা যাত্ৰাৰ সূচনা

শুনকচোন—
কাহিনীটোৰ বুকুতো শুই আছিল
অনেক উৰণীয়া উপসাগৰ আৰু দীপ্তমান দ্বীপপুঞ্জ
পানীত জঁপিয়াই আত্মঘাতী হোৱা অনেক মানুহ
আৰু পথৰ মাজতে পথ হেৰুওৱা
ধুমুহা বৰষুণেৰে সিক্ত দুৰ্ভগীয়া স্বাধীনতা
এই আটাইবোৰেই এতিয়া সাৰ পাইছে
আৰু—
কাহিনীৰ যাত্ৰাত চামিল হ'বলৈ বিচাৰিছে
সেয়ে—
তলি নোহোৱা বিধ্বস্ত নাওবোৰে
বিচাৰি ফুৰিছে সাগৰৰ উপকূল
সাগৰীয় শূন্যতাত বিচাৰি পোৱা নাই ঢৌবোৰে
জলস্তম্ভবোৰক, জলস্তম্ভৰ বুকুৰ জলকণিকাবোৰক
কিন্তু কোনেও কাকো লগ পোৱা নাই

তথাপিও মই কাহিনীটোৰ
এটা নিমখীয়া নাম থ'ব বিচাৰিছোঁ
কাহিনীটোৰ হৃদয় বিদাৰক যাত্ৰাত উৎসৰ্গা কৰিবলৈ
বিচাৰিছোঁ
উদাসীনতাৰ পোহৰত জিলিকি উঠা মোৰ অনিচ্ছাবোৰ
কি কৰিম
লাহে লাহে মই কঢ়িয়াবলৈ অক্ষম হৈ পৰিছোঁ
কাহিনীটোৰ সোণালী ৰঙৰ ৰাতিপুৱা আৰু দুৰ্বল গধূলিবোৰ
দুৰ্দান্ত দুপৰীয়া আৰু আমনি নলগা আবেলিবোৰ
কাহিনীটোৰ ভয়ংকৰ শূন্য যাত্ৰাত মই যাত্ৰীও হ'ব পৰা নাই
চাই থাকিবও পৰা নাই
মন গৈছে অন্ধ হৈ যাবলৈ
মন গৈছে উন্মাদ হৈ যাবলৈ
সকলোবোৰৰ ইতি পেলাই
মৰহা ফুলৰ পাপৰিৰ তলত শুই থাকিবৰ মন গৈছে
নিদ্ৰিত এটা কাহিনী হ'বলৈ মন গৈছে
চিৰকালৰ বাবে।

# কেঁচা মাটিৰ ঘাট

**হিমালয় বৰা**
*উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা*

প্ৰাচীন উশাহ এটুকুৰাই
খুপি খুপি বুলিছে বাট

কেঁচা মাটিৰ ঘাট
জলকুঁৱৰীয়ে মোলৈ মেলি দিছে
শামুক-বৰণীয়া এখনি হাত

বাঁওহাত, সোঁহাত
কোন হাতে ধৰো
ঘাটত পোত গৈ থকা
ভগা কলহৰ কোন টুকুৰা খোলাত
জলকুঁৱৰীক বন্দী কৰো

ভগা খোলাকে ভাঙি থৈ
নাযায় জলকঁৱৰী
টোপ টোপ এন্ধাৰত
দুলিছে কচুৱনি
কাণ উনাই-উনাই
ক'ৰবাত ফুলি আছে তিতা-ভেঁকুৰী

কেঁচা মাটিৰ ঘাট
চেঁচা উশাহ এটা সানি দিলো
জলকুঁৱৰীৰ গাত

অচিনাকী মাছৰ গোন্ধ এটাৰে
জলকুঁৱৰী লিপিট খাই পৰিল
মোৰ গাত

কেঁচা মাটিৰ ঘাট
ঠৰ্-ঠৰ্ ওঁঠত
শামুক-বুলীয়া আঙুলীৰ সাঁচ



# তুমি আকৌ আহা....

**অৰিন্দম ডেকা**
*উঃ মাঃ দ্বিতীয় বৰ্ষ, বিজ্ঞান*

এনে লাগিছে যেন হঠাৎ খহিল এটা পপীয়া তৰা!
তাৰ লগে লগে এচেৰেঙা পোহৰ...
থমকিল আশা লৈ উৰি ফুৰা এটি পখীৰাজ
চিৰদিনৰ বাবে উৰণ সামৰি
তোমাৰ বাবে......
তুমিতো কৈছিলা তুমি অক্লান্ত
আজীৱন যাযাবৰী তুমি অক্লান্ত!
হঠাৎ আজি কিয় হ'লা স্তব্ধ?
কিয় ভাবিবলৈ অৱকাশ দিলা আমাক
তুমি আজি ক্লান্ত, তুমি আজি মৌন!!
তুমি কৈছিলা 'আই তোৰে হে মই মৰো'
আজি তুমি তাকেই কৰিলা!
কিন্তু আহিবানে তুমি পুনৰবাৰ
অসমী আইৰ বুকুত উমলিবলৈ.....
আহিবানে তুমি আকৌ গাবলৈ
'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ...'
বলিয়া হাতী বলাই গৌৰীপুৰীয়া গাভৰু মুহিবলৈ
তুমি জানো নাহিবা?
তোমাৰ শৈশৱ, তোমাৰ যৌৱন;
য'ত থাকিব তেজস্বী তোমাৰ নৱ-সৃষ্টিৰ প্ৰতিশ্ৰুতি...
তোমাৰ প্ৰিয় মহাবাহুৰ বুকুত এসাঁতোৰ দিবলৈ
তুমি নিবিচৰানে ঘূৰাই
তোমাৰ শৈশৱ, তোমাৰ যৌৱন!
তুমি নাহিবানে পুনৰ
অসমী আইক জীৱন দি পূজিবলৈ...?
তুমি আকৌ আহা জিলিকাবলৈ
লুইতপৰীয়া চিৰযৌৱনা অসমভূমিক।
ৰূপে-ৰঙে-ৰসে-সুৰে ঝংকাৰি দিয়াহি
তোমাৰ চিৰসেউজ সৃষ্টিৰাজিৰে
অসমী আইৰ আকাশ পাতাল....
হে সৃষ্টিৰ নিপুণ পূজাৰী
তুমি আহা, আকৌ আহা!!!

# চৈ দিয়া গৰু গাড়ী যায় ধীৰে ধীৰে

**দীপ্তিৰাণী দেউৰী**
*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ*

ধনবৰ কাই
তোৰ সোণপাহি জনীয়ে বোকা খচি খচি
ৰুই যোৱা ধানবোৰ চোন ওখ হ'ল
ধানবোৰ ওখ হৈ হৈ
তোৰ সপোনবোৰ চুলেহি
চাচোন তই
বিশাল আকাশখনৰ তলত
এইবোৰ চোন সোণ!

ধনবৰ কায়ে সপোন দেখে মাটিৰ
সপোনৰ মাজত সোণপাহি
ধনবৰ কাইৰ পৰশত আঘোণৰ ধাননী
জেঠৰ বোকা
আৰু সোণপাহি
তাইৰ গছকত ভৰি পৰে
ধনবৰ কাইৰ আঘোণ
ধনবৰ কাইৰ লখিমী তাই
সুখ দুখৰ সমভাগী।

বৰষুণ বৰষুণ বৰষুণ
ধনবৰ কায়ে হাল নেৰে
মৰমৰ সোণপাহি জনীৰচোন দেখা দেখি নাই।
ধনবৰ কাইৰ চকু সৰু সৰু পথৰুৱা আলিত

এই আহিব মৰমৰ কেঁচাসোণজনী
এমোকোৰা হাঁহিৰে
চুই যোৱা চাৰনিৰে
মেখেলা দাঙি
শাওনৰ ৰচকী সোণপাহি
উদং কলাফুল দুটা নাচি নাচি
খোজত হালি জালি
সোণপাহি, মৰমৰ সোণজনী—



বৰষুণ এৰিলে
ধনবৰ কাইৰ বুকু ধপ্‌ধপ্
সোণপাহি,
তই তোৰ ধনবৰক পাহৰিলি
ইমান অভিমান তোৰ?

সোণপাহি আৰু কেতিয়াও নাহিল
নিয়তিয়ে কাঢ়ি নিলে তাইক
ধনবৰৰ বুকু শুদা কৰি

আৰু
ধনবৰ কাই
তোৰ সোণপাহিৰ সপোনবোৰ চোন
এতিয়া ওখ হ'ল
তই আকৌ নেদেখনে মাটিৰ সপোন—

# অতিথি

**দেবানন দাস**
*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ*

তেওঁক লগ পোৱাৰ আগতে
নিসংগতা আছিল মোৰ সহচৰ
মোৰ ইচ্ছা-অভিৰুচিৰ নাছিল
কোনো সমভাগী
তেওঁক লগপোৱাৰ পিছত
প্ৰেমৰ ৰং সেউজীয়া বুলি জানিলো
এতিয়া সেউজীয়া সাজ পিন্ধি
মই তেওঁৰ হৃদয় অতিথিশালাৰ
এক অতিথি।

# এটি উপমাহীন উপমা তুমি

জেৰিণা আৰা আহমেদা
*উঃ মাঃ প্ৰথম বৰ্ষ, কলা*


নিলাজৰ দৰে
ভালপোৱা উদঙোৱা
পাহাৰে ভৈয়ামে গানেৰে
নিলাজ পাহাৰৰ শক্তি-শিলাখণ্ড তুমি
ৰিব্ ৰিব্ মলয়াৰ দৰে বৈ বৈ
ক্ৰমশঃ উন্মাদ
অবিনাশী কাল ধুমুহা তুমি
যাৰ বিনাশতো
জন ধুমুহাৰ সোঁত বয়...

কি দিপ্তীৰে উদ্দীপ্ত হ'লে
এটি ফিৰিঙতি জ্বলি জ্বলি
যুগক গঢ়িব পাৰে
অগ্নিশস্ত্ৰেৰে
তুমি সেই উদ্দীপ্ত ফিৰিঙতি
যাৰ জ্বলিব ধৰা স্বপ্নবিষ্ট দেহত
জনে প্ৰতি বুকু ছাই হয়

পৃথিৱীখনকে ঘৰ কৰিও
যাযাবৰী বুলি গৰ্ব কৰাৰ
কি মাদকতাৰে ওপজা
দিনৰ ৰঙা ৰঙটো
সূৰ্য্য হৈ স্তিমিত হোৱা
সেই যাযাবৰী বিশ্বপ্ৰেমিক তুমি।
তোমাৰ সুৰমগ্ন ৰাতিৰ ছয়াময়াত
মাতাল হয়
ভৰলুৰ পৰা গংগালৈ
ফুটপাথৰ পৰা অট্টালিকালৈ
জানিব খোজো অসমপিয়াসী,
কি ঠিকনাত লিখা থাকে
সুৰৰ বোকোচাত উঠি বিশ্ব জিনাৰ মৃত্যুৰে
বৰদৈছিলা অনাৰ অথবা
লুইত বোওৱাৰ ঠিকনা

কি পথেৰে গ'লে আমিও
মৃত শৰীৰত আঁৰি ল'ব পাৰিম
শত সহস্ৰ মৰম গাঁথা

সুৰেৰে বিশ্বজিনি
মৃত্যুৰে আনিও বৰদৈচিলা
তুমি মুক কিয়?
তোমাৰ বৰ্ণিল শব্দ গুঞ্জনত
নিগৰাই দিয়া তাৰ ঠিকনা
আমিও সৃজিম তেজৰ দৰে ভাষা
মোহাৰিম চিৰৰুগ্ন মনৰ হতাশা।



# But A Ray

**Pooja Bhuyan**
*TDC, 2nd Year, English Deptt.*

Gone are those feathered days,
Winged up with dews of smile.
Tide of time waved away
And made the wind sway,
Vanishen thy ivy filled valley
Vanishen within the sand of desert.
Nay attempt to retain lost faith,
Gone in vain thy valiant gifts
Fire in fire,
Ocean in ocean,
Wind in wind,
Land in land,
See if you be the slightest ray,
To regain nature within nature,
Filled with bloom and blossom,
Of scarlet glow.

# হাতীপটিৰ বাটেৰে

ফ্ৰেংকী বড়ো
*স্নাতক দ্বিতীয় বৰ্ষ, নৃতত্ত্ব বিভাগ*

আজন্ম চিনাকি সেই আলিবাট
মোৰ শৈশৱৰ গাঁও
স্বপ্নময় এযুৰি নীলা চকু
সুদূৰত জিলিৰ মাত
নিজম ৰাতিৰ গান
চোতালত ঢাৰি-পাটী
'জেনবাই এ বেজি এটি দিয়া....'
অথবা
একে একে দুই, একে দুয়ে তিনি
অলপ পিছতে
'শিয়ালী এ নাহিবি ৰাতি....'
আজন্ম চিনাকি
আন্ধাৰ এক সমতলত অঁকা
সেই বেঁকা শূণ্য
নে আধা ঘূৰণীয়া বেলি
আজন্ম চিনাকি......
সেই মোৰ শৈশৱ সোণালী
এধানি এধানি হাঁহি
তিৰ্‌বিৰ্ দুচকুত মুকুতাৰ মণি
সন্মুখত এক শুভ্ৰ হাতীপটি।
ৰূপালী জোনাক থাপ মাৰি ধৰিব খোজা
দুহাতৰ মুঠিত যেন আকাশ আকাশ বিশালতা
নতুন সূৰুযৰ দীপ্ত আলোকে
পোহৰাই তোলা মোৰ জীৱনৰ আলিবাট
আজন্ম চিনাকি
সেই আবেলি
ৰান্ধনী বেলিৰ হেঙুলীয়া
অথবা
সেই বিষণ্ণ দুচকু কাজলসনা
সূৰ্যাস্তৰ যি প্ৰতীকী ব্যঞ্জনা
বাট বুলিছিলোঁ নেকি মই অবাটেৰে
আঁকিছিলো নেকি শূণ্যতাৰ কেনভাছত
বিষাদময় স্বপ্ন



নাই নাই
কাহানিও এন্ধাৰে মোক বিচলিত কৰা নাই
উকা হৃদয়ত ৰোপন কৰা নাই মই বিষাদবৃক্ষ।
আজন্ম চিনাকি মোৰ আজিও
সেই মোৰ সোণালী শৈশৱ
সেই আলিবাট
যি বাটেৰে আহিছিলোঁ মই
নিয়ৰসিক্ত কোমল দুবৰি গচকি
সেই বাট মোৰ
শুভ্ৰ হাতীপটিৰ বাট

# A Song for a Lost Song

**Kaushik Dowarah**
*TDC 1st Year, Physics Deptt.*

It's yet another lonely day,
With everything I have moving away,
I am trying to hold them back,
But oh this transparent barrier!
Is too much to stop me here,
And so in anger I broke my guitar,
You gifted me on my freshman year.
Just once you appear in the air,
And comfort my eyes now full of tears.
Make me relive my childhood years,
The way you hugged me when I feared.
I cried for chocolates when it was night,
You told me stories in the moonlight.
You gave me a bat and a ball when I was three,
You left office early just to play with me.
I miss you so much when I see your car,
And the evenings you took me out for a drive.
Oh how painful it is to remember,
That you are a lost song lost forever.



# নাট্যকাৰ-সাহিত্যিক অৰুণ শৰ্মাৰ সৈতে কথা-বতৰা

● **কটন কলেজত পঢ়িবলৈ আহি নাটকৰ প্ৰতি আপুনি কিদৰে আকৰ্ষিত হৈছিল ?**

— নাটকৰ প্ৰতি মোৰ আগ্ৰহ আগৰে পৰা আছিল। ধেমালিকৈ ক'ব পাৰো, মাৰ গৰ্ভত থাকোতেই নাটক মোৰ জীৱনত প্ৰৱেশ কৰিছিল। কথাটো এনেকুৱা। মোৰ দেউতা তেতিয়া ডিব্ৰুগড়ত আছিল, The Times of Assam নামৰ অসমৰ প্ৰথম ইংৰাজী ভাষাৰ সংবাদপত্ৰৰ সম্পাদকৰ দায়িত্বত। তেখেত মঞ্চ অভিনেতা আছিল। ডিব্ৰুগড়ত তেখেতৰ মঞ্চাভিনয়ৰ বন্ধুসকলৰ কেইজনমান আছিল ঃ ৰাধা গোবিন্দ বৰুৱা, ৰোহিনী কুমাৰ বৰুৱা, মুক্তিনাথ বৰদলৈ, লক্ষ্মীনাথ দত্ত। যিহওক, নাটক মঞ্চস্থ হোৱাৰ আগেয়ে নিশা বহু পৰলৈকে দেউতাই শোৱা কোঠাত নাটকৰ সংলাপ মাতি মাতি ৰিহাৰ্চেল কৰে। কাষৰ বিচনাত মা শুই থাকে, মই তেতিয়া গৰ্ভত। মোৰ কাণত পৰিছিল দেউতাৰ মুখৰ নাটকৰ সংলাপ। তেনেকৈয়ে মোৰ বংশ বীজত, জীৱনত প্ৰৱেশ কৰিছিল নাটক। ধেমালিটো আছিল সেইটোৰ প্ৰসংগক্ৰমে, বোধকৰো ক'ব পাৰো আমাৰ দেউতা তিলক চন্দ্ৰ শৰ্মা কটন কলেজ ছাত্ৰ একতা সভাৰ নিৰ্বাচিত প্ৰথমজন সাধাৰণ সম্পাদক আছিল।

যিহওক, মোৰ স্কুলীয়া শিক্ষা সম্পূৰ্ণ কৰিছিলো তেজপুৰত মামাদেউৰ ঘৰত থাকি। তেজপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত। তেতিয়া আমাৰ পাৰিজাত সংঘ বুলি চেমনীয়াৰ সাংস্কৃতিক অনুষ্ঠান আছিল। সু-সাহিত্যিক দণ্ডীনাথ কলিতা সভাপতি আছিল। ময়ো এবাৰ সংঘৰ সম্পাদক আছিলো, নৱম শ্ৰেণীত থাকোতে। পাৰিজাত সংঘত নাটক, অভিনয় আদিৰ চৰ্চা হৈছিল। কিন্তু আটাইতকৈ ডাঙৰ ঘটনাটো আছিল তেজপুৰৰ বান ৰংগ মঞ্চই মোৰ মনত পেলোৱা গভীৰ প্ৰভাৱ। বিষ্ণু প্ৰসাদ ৰাভা, ফণী শৰ্মা, চন্দ্ৰধৰ গোস্বামী আদিৰ দৰে বিশাল নাট্য ব্যক্তিৰ অভিনয়, জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট পৰিচালনা, ত্ৰিশ-চল্লিশবিধ বাদ্যযন্ত্ৰ (থলুৱা) দুকাষে লৈ অৰ্গেনত আঙুলি বুলাই বুলাই ৰূপকোঁৱৰে পৰিৱেশন কৰা সংগীতৰ মূৰ্চ্ছনাই আৰু মঞ্চস্থ হোৱা অনেক বিখ্যাত নাট্য সম্ভাৰ— এই সকলোবোৰৰ মোহাচ্ছন্ন প্ৰভাৱে মোক শৈশৱৰে পৰা নাটকৰ বিশ্বখনলৈ আকৰ্ষিত কৰিছিল।

কিন্তু কটন কলেজত পঢ়া দিনত প্ৰথম মোৰ নাট্যপথৰ যাত্ৰা আৰম্ভ হৈছিল। মই তেতিয়া কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। গ্ৰীষ্ম বন্ধত গুৱাহাটীৰ উজান বজাৰ ঘাটৰ পৰা আমাৰ গাঁৱৰ হেলেমৰ শৰ্মাৰ ঘৰলৈকে জাহাজত গৈছিলো— তেতিয়া ব্ৰহ্মপুত্ৰত প্ৰকাণ্ড প্ৰকাণ্ড যাত্ৰী জাহাজ চলিছিল। মই দুদিন দুৰাতিৰ জাহাজ ভ্ৰমণত এখন নাটকৰ খচৰা নিৰ্মাণ কৰিছিলো। পিছত 'উৰুখা পঁজা' নামে নাটকখন সম্পূৰ্ণ হৈ উঠিল। এইদৰে কটন কলেজত পঢ়াৰ দিনতে নাট্য সৃষ্টিৰ যৎকিঞ্চিত আও ভাও ল'বলৈ আগ্ৰহী হৈছিলো।

● **যিহেতু নাটক এখন পঢ়াতকৈ সেইখনৰ অভিনয় উপভোগ কৰিহে দৰ্শকে বেছি ভাল পায়, গতিকে পৰিৱেশ্য কলা (Performing art) হিচাপে নাটকৰ গুৰুত্ব কিমান বুলি আপুনি ভাবে ?**

— নাটক ৰচনাৰ দুটা মূল দিশ আছে। তাৰ আকৌ প্ৰধান দিশটো হৈছে নাটকৰ মঞ্চ ৰাজ্য। মঞ্চ ৰাজ্যত নাটক হৈছে এক বিশেষ শিল্প সৃষ্টি। মঞ্চস্থ নাটকক যেতিয়া শিল্প সৃষ্টি হিচাপে ধৰা হয় তেতিয়া এই শিল্প সৃষ্টি কোনো ব্যক্তি বিশেষৰ একক সৃষ্টি নহয়। মূলতঃ নাট্যকাৰ নাটক সৃষ্টিৰ অন্যতম প্ৰধান হ'লেও দৰ্শকৰ ওচৰত উপস্থাপন কৰিবলৈ যাওঁতে পৰিচালক তেওঁৰ সৃষ্টিৰ অন্যতম বিশেষ অংশীদাৰ হৈ পৰে। আকৌ পৰিচালকো একাধিক অভিনেতা-অভিনেত্ৰীৰ ওপৰত নিৰ্ভৰ কৰিব লাগে, শিল্প সৃষ্টিক সম্পূৰ্ণ কৰি তুলিবলৈ। তাৰ উপায় মঞ্চসজ্জা। পোহৰ, সংগীত এইবিলাক নিৰ্দেশনাৰ কথাও আছে। গতিকে মঞ্চস্থ নাটকৰ ক্ষেত্ৰত নাটকৰ বক্তব্য আৰু উদ্দেশ্য সম্বন্ধে একাধিক ব্যক্তি একে ভাৱত মিলিত হ'ব লাগে এইটোৱেই নিয়ম। এই সৃষ্টিৰ পৰা চালে অন্যান্য কিছুমান শিল্পকৰ্মৰ পৰা নাটকৰ বৈশিষ্ট্য সম্পূৰ্ণভাৱে পৃথক। শিল্প সৃষ্টি হিচাপে নাটকৰ স্বৰূপ হ'ল এক যৌথ প্ৰকৰণ। গতিকে পৰিৱেশ্য কলাৰূপে নাটকত এইখিনিয়েই বিশেষ গুৰুত্ব।

নাটকৰ আনটো বিশেষ স্বৰূপ হ'ল নাট্য সাহিত্য। বিশ্বৰ সকলো ভাষা সাহিত্যতে নাটকৰ স্থান সৰ্বাধিক নহ'লেও সাহিত্যৰ প্ৰতিটো অংগৰ সৈতে গুৰুত্বপূৰ্ণ।

● **ওজাপালি, যাত্ৰা, অপেৰা আৰু তাৰ পাছত ভ্ৰাম্যমান থিয়েটাৰ। আপোনাৰ দৃষ্টিত এই বিৱৰ্তনমুখী ধাৰাটোৱে অসমীয়া সাংস্কৃতিক পৰিক্ৰমাক কিদৰে সবল কৰিব পাৰিছে?**

— ওজাপালিৰ সৈতে বাকী তিনিবিধ নাট্যৰীতি একে

পৰ্যায়ত নপৰে। ওজাপালি অসমৰ এবিধ অতি পুৰণি আৰু জনপ্ৰিয় লোকনাট্য আৰু লোকগীত। কিন্তু যাত্ৰা আৰু ভ্ৰাম্যমান থিয়েটাৰ আধুনিক অসমৰ সামাজিক পটৰ নাট্যকলা। অপেৰা প্ৰকৃতাৰ্থত সম্পূৰ্ণ পশ্চিমীয়া নাট্যকলা। অসমত তাৰ প্ৰচলন এতিয়াও হোৱা দেখা নাযায় যদিও মহাপুৰুষ শংকৰদেৱৰ অংকীয়া নাটক এক প্ৰকাৰ অপেৰাধৰ্মী নাট্য সৃষ্টি হ'ব পাৰে। যাত্ৰা আৰু ভ্ৰাম্যমান থিয়েটাৰ বৃটিছসকলে ভাৰত শাসন কৰিবলৈ লোৱাৰ পিছত তেওঁলোকৰ উদ্যোগত আমাৰ দেশত প্ৰচলিত হোৱা প্ৰচেনিয়াম থিয়েটাৰৰ সৃষ্টি। কিন্তু স্বীকাৰ্য কথাটো হৈছে ওজাপালিয়ে আমাৰ জনসাধাৰণক সাংস্কৃতিক বিনোদনৰ মাধ্যমৰূপে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। একেদৰে উনৈশ শতিকা আৰু কুৰি শতিকাৰ আগভাগত যাত্ৰা আৰু যোৱা পাঁচ দশক ধৰি ভ্ৰাম্যমান থিয়েটাৰে এক অতি শক্তিশালী সাংস্কৃতিক জনমাধ্যমৰূপে, অসমৰ বিনোদন ক্ষেত্ৰখন অতি সমৃদ্ধিশালী কৰি তুলিছে।

- **অসমৰ গাঁৱে-ভূঞে বহুতো সৰু-বৰ নাট্যগোষ্ঠী আছে। এইবোৰেও চহা-নিৰক্ষৰ, অৰ্ধশিক্ষিত জনগণক নাটকৰ মাধ্যমেৰে শিক্ষাৰ পোহৰ দিছে। বহু ক্ষেত্ৰত এনে সৰু সৰু নাট্য গোষ্ঠীসমূহৰ পৰাই ওলাই আহিছে বহুতো নাট্য প্ৰতিভা। এনেধৰণৰ সৰু সৰু আঞ্চলিক নাট্যগোষ্ঠীসমূহক উৎসাহিত কৰিবৰ বাবে কেনেকুৱা পদক্ষেপ লোৱা উচিত?**

— সম্প্ৰতি অসমৰ বিভিন্ন ঠাইত অতি দ্ৰুত গতিত ভালেমান নাট্যদল গঢ়ি উঠিছে। মই অসম নাট্য সন্মিলনৰ সভাপতি হৈ থকা কালত অসমৰ বিভিন্ন ঠাইত সন্মিলনৰ শাখা সভাবোৰত যোগ দিবলৈ যাওঁতে দেখা পাইছিলো নাট্যদলবোৰৰ অত্যুৎসাহী নাট্যক্ৰিয়া। এই প্ৰক্ৰিয়াই এক নীৰৱ আন্দোলনৰেই ৰূপ লৈছে ইয়াৰ সৈতে জড়িত হৈ পৰিছে এচাম কৰ্মঠ যুৱক-যুৱতী, যিচাম যুৱক-যুৱতীয়ে এদিন তেওঁলোকৰ সোণালী শৈশৰ আহুতি দিছিল এক 'সৰৱ' আন্দোলনত— স্কুল-কলেজত পঢ়াশুনা কৰা অতি গুৰুত্বপূৰ্ণ বয়সৰ দুই-তিনিবছৰকৈ জলাঞ্জলি দিছিল ৰাজপথত। সেই সৰৱ আন্দোলনত জঁপিয়াই পৰি তেওঁলোকৰ চকুবোৰত তেতিয়া সানি দিয়া হৈছিল এখন সোণৰ অসমৰ ছবি, তেওঁলোকৰ ভৱিষ্যত জীৱন বিকশিত হোৱা কিছুমান সুন্দৰ স্বপ্নৰ ৰং। সেইবোৰ মধুৰ স্বপ্ন এতিয়া বাস্তৱ জীৱনত পথৰ ধূলি হৈ পৰাৰ পিছত বৰ্তমান অসমৰ সামাজিক স্বৰূপটোৰ সৈতে মুখামুখি হৈ আজিৰ যুৱ সম্প্ৰদায় যি এক জটিল পৰিস্থিতিত অৱস্থান কৰিছে, স্বপ্ন ভঙ্গৰ বেদনা আৰু বিষণ্ণতাই যিদৰে তেওঁলোকক আছন্ন কৰিছে, মূল্যবোধৰ অৱক্ষয়ৰ গড়াখহনীয়াত যিদৰে অৱনমিত হৈ যাবলৈ ধৰিছে। এই সংকটাপন্ন অৱস্থাৰ পৰা নিজকে সুস্থিৰ আৰু সুসংহত কৰি ৰখাৰ পথৰ সন্ধানত, এইচাম যুৱক-যুৱতীয়ে হয়তোবা এক ইতিবাচক আৰু সদৰ্থক সঁহাৰি পাইছে নাট্য সংস্কৃতিৰ সৈতে জড়িত হৈ পৰাৰ মাজেৰে।

দ্বিতীয়তে প্ৰণিধানযোগ্য, এই নাট্যদলবোৰে আন্তৰিকতাৰে প্ৰয়াস কৰিছে, এক ভিন্নধৰ্মী, গহীন, চিন্তান্বেষী আৰু সমাজ উত্তৰণ প্ৰক্ৰিয়াত উৎক্ষেপণৰ ভূমিকা ল'ব পৰাকৈ এক সচেতন মানসিকতাৰে নাট্যকৰ্মত ব্ৰতী হ'বলৈ। ফলত, সুখৰ কথা, অসমৰ বৰ্তমান নগৰে-চহৰে আৰু মুখ্যতঃ গাঁও অঞ্চলতো সুৰুচিসম্পন্ন সুস্থ চিন্তা-ভাৱনা সম্পন্ন দৰ্শকশ্ৰেণী গঢ়ি উঠিছে! অসমত পেচাদাৰী নাট্য ব্যৱসায়ী দলসমূহৰ কৰ্মকাণ্ডৰ সমান্তৰাল অৱস্থানত এই অপেচাদাৰী ক্ষুদ্ৰ ক্ষুদ্ৰ নাট্যদলসমূহে আৰ্থিক অনাটন আৰু নানান বিপৰ্যয়তো মুখা-মুখি হৈ যি অনলস প্ৰয়াস কৰি আহিছে, সি যথাৰ্থতে যে প্ৰশংসনীয় সেই কথাত দ্বিমতৰ স্থল নাই।

এওঁলোকক উৎসাহিত কৰাত, এক কথাত, এই দলসমূহক চৰকাৰে উদাৰচিত্তে যথেষ্ট পৰিমানে অৰ্থ সাহায্য দিয়া উচিত বছৰৰ চৰকাৰী বাজেটত কোটি কোটি হিচাপত বিত্তীয় ব্যৱস্থা ৰখা উচিত

- **অসমৰ অদিতিৰ আত্মকথা, শ্ৰীনিবাৰণ ভট্টাচাৰ্য, আহাৰ, কুকুৰনেচীয়া মানুহ আদি আপোনাৰ কেইখনমান উল্লেখনীয় নাটক। আপোনাৰ নাটকসমূহৰ ক্ষেত্ৰত বহুতো দৰ্শকে তোলা বুজি নোপোৱাৰ অভিযোগ সংক্ৰান্তত আপুনি কি ক'ব খোজে?**

— মই এই মন্তব্য মানি নলওঁ। উল্লেখিত প্ৰত্যেকখন নাটকৰে তিনি-চাৰিদিনীয়া মঞ্চায়নৰ প্ৰতি প্ৰদৰ্শনতে প্ৰেক্ষাগৃহত এখনো আসন শূন্য নাথাকে। আসন নাপাই অনুৰাগী লোক উভতি যোৱাৰো উদাহৰণ আছে। বুজি নোপোৱা নাটক চাবলৈ মানুহে কিয় তেনেকৈ ভীৰ কৰিব? আৰু মইনো এনে কি নাট্যকাৰ, মানুহে বুজি নোপোৱা নাটক লিখিম।

- **আপুনি নাটকক মত বিনিময়ৰ মাধ্যম হিচাপে কিয় বাছি ল'লে?**

— মই উপন্যাস আৰু কবিতাও লিখো। সাহিত্য অকাডেমী বঁটা মই উপন্যাসৰ বাবে লাভ কৰিছো। দুমাহৰ আগতে গৰীয়সীত মোৰ কবিতা প্ৰকাশ পাইছে।

- **আপুনি কোনটো পৰিচয়ৰে নিজক চিনাকি দিবলৈ বেছি গৌৰৱ অনুভৱ কৰিব- সাংবাদিক, নাট্যকাৰ নে নাগৰিক?**

— এজন মানুহ যি সাহিত্য কৰ্মত বিফল হ'লেও লাগি থাকি ভাল পায়।


- **নাটক সংক্ৰান্তত কটনিয়ানসকললৈ আপোনাৰ আহ্বান কেনেধৰণৰ?**

— তেওঁলোকে ভাল ভাল নাটক চাওঁক, বিশ্ব সাহিত্যৰ বচা বচা নাটক পঢ়ক, শ্বেইক্সপীয়েৰ must.....

*যুগুতালে* — ***জুৰি বৰুৱাই***

# ৩ এপ্ৰিল, ২০১১ চন

ৰবেন্দ্ৰ কুমাৰ দাস



৩ এপ্ৰিল, ২০১১ চন। পুৱা ৯ বজাত অনুৰাধা ষ্টপেজত চিটি বাছত উঠিছো কটন কলেজলৈ বুলি। দহ বজাৰ পৰা মোৰ ক্লাছ আছে।

পাণবজাৰৰ পানী টেংকিত নামি কলেজিয়েট স্কুলৰ আগেদি কটন কলেজলৈ আগ বাঢ়িছো। আজি হয়তো আমাৰ শেষ ক্লাছ হ'ব। ইয়াৰ পিছৰটো দেওবাৰে বিহু আহিব— আৰু ক্লাছ নহ'ব। জুন-মে' মাহত পৰীক্ষাই আহিব।

কটন কলেজৰ মাণিক চন্দ্ৰ বৰুৱা ভৱনৰ চিৰিৰে ওপৰ মহলালৈ উঠিছো। দহ বাজো-বাজো হৈছে।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কটন কলেজ ষ্টাডী চেণ্টাৰৰ অফিচ ৰুমৰ সমুখত থিয় হৈছোঁ। দুৱাৰ বন্ধ। আজি অহা নাই কোনো ল'ৰা-ছোৱালী ক্লাছলৈ বুলি! এনেকুৱা কেইবা দিনো হৈছে— মই প্ৰথম প্ৰথম গৈ পাওঁ কলেজ!

বেৰত লগাই থোৱা নটিচ চালো। এখনত লিখা আছে ২৭মাৰ্চত আমাৰ ক্লাছবোৰ শেষ হৈছে। আৰু নহয় ক্লাছ, ফাৰ্ষ্ট ইয়েৰৰ।

চৰম দুখ-বেদনাই হঠাতে মোক আগুৰি ধৰিলেহি নটিচখন পঢ়ি। যোৱা ২৭মাৰ্চ তাৰিখে ক্লাছবোৰ শেষ হোৱাৰ পিছত নটিচখন লগাইছিল। মই নাচালো। গতিকেই আজি দেওবাৰেও ক্লাছ হ'ব বুলি মই কলেজলৈ বুলি গুচি আহিছিলো।

২০১০চনৰ মাৰ্চ মাহৰ এদিন মই থিৰাং কৰিছিলো মই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বি এ প্ৰথম বাৰ্ষিকত এড্‌মিশ্যন ল'ম। তিনিটা কাৰণ। দ্বিতীয়টো কাৰণ— জীৱনত প্ৰথমবাৰৰ বাবে মই 'আৰ্টছ' পঢ়িম। তৃতীয়টো কাৰণ জীৱনত প্ৰথমবাৰৰ বাবে মই কটন কলেজৰ ছাত্ৰ হ'ম।

এদিন মুক্ত বিশ্ববিদ্যালয়ৰ কটন কলেজ ষ্টাডী চেণ্টাৰত মই বি এ প্ৰথম বৰ্ষত এড্‌মিশ্যন ল'লো। মোৰ বিষয়— অসমীয়া আৰু ইংলিছ বাধ্যতামূলক আৰু ৰাজনীতি বিজ্ঞান আৰু সমাজশাস্ত্ৰ ঐচ্ছিক।

নিয়মীয়া ছাত্ৰ হিচাপে মই অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈছিলো। পাছ কৰি উঠিয়েই অসম অসামৰিক সেৱাৰ প্ৰথম শ্ৰেণীৰ বিষয়াৰ চাকৰিত যোগদান কৰিছিলো। ১৯৯৩চনত মই ইণ্ডিয়ান এড্‌মিনিষ্ট্ৰেটিভ্ চাৰ্ভিছৰ বাবে মনোনীত হৈছিলো।

শিক্ষা জীৱনত সপ্তম শ্ৰেণীৰ পৰা স্নাতকোত্তৰৰ শেষ শ্ৰেণীলৈকে মই ইংৰাজী মাধ্যমত পঢ়া-শুনা কৰিলো। কিন্তু, এইবাৰ মই কটন কলেজত বি এ শ্ৰেণীত অসমীয়া মাধ্যমত অধ্যয়ন কৰিম।

মোৰ কনচেনষ্ট্ৰেছন এতিয়া তৃতীয়টো কাৰণত— মই কটন কলেজৰ ছাত্ৰ হ'ম।

২২-০৮-২০১০তাৰিখে নিউ আৰ্টছ বিল্ডিঙৰ তিনি নম্বৰ কোঠাত আমাৰ ক্লাছ আৰম্ভ হৈছিল। প্ৰথমটো ক্লাছ দহ বজাত ৰাজনীতি বিজ্ঞান বিষয়ৰ।

ইংলিছ বিষয়। ক্লাছ ৰুমলৈ সোমাই আহিল ষ্টাডী চেণ্টাৰৰ কোৰ্চ কো-অৰ্ডিনেটৰ ড° ৰাতুল চন্দ্ৰ ৰাজখোৱাদেৱ। তেওঁ সমূহ ছাত্ৰ-ছাত্ৰীক কোৰ্চৰ সম্পৰ্কত ব্যাখ্যা কৰি দিলে। এটা সময়ত তেওঁ মোক উদ্দেশ্যত ৰাখি বাকীসকল ছাত্ৰ-ছাত্ৰীক ক'লে— এখেতৰ এইটো বয়সত, এনেকুৱা-এনেকুৱা চাকৰিত বি এ ডিগ্ৰীটোৰ কোনো প্ৰয়োজন নাছিল। কিন্তু, শিক্ষাৰ প্ৰতি প্ৰবল আগ্ৰহ আৰু শ্ৰদ্ধাবোধৰ বাবে তেখেতে জীৱনৰ এইটো স্তৰত আকৌ আমাৰ কলেজলৈ আহি ষ্টাডী চেণ্টাৰত বি এ ক্লাছত এড্‌মিশ্যন লৈছে গতিকে তোমালোকে বুজিবলৈ চেষ্টা কৰিবা শিক্ষা কি, আৰু শিক্ষাৰ মহত্ব কি!

মই থিয় হৈ পিছফালে ঘূৰি মোৰ সহপাঠী ছাত্ৰ-ছাত্ৰীসকলক নমস্কাৰ কৰিছিলো। মই বহি আছিলো প্ৰথম শাৰীত!

হয়। বেৰত আঁৰি যোৱা ২৭মাৰ্চৰ নটিচখনে মোক কটনত মোৰ প্ৰথম দিনটোলৈ ব্যাকুল ভাৱে ওভতাই লৈ গ'ল।

কটনত এড্‌মিশ্যন লোৱাৰ সিদ্ধান্ত ল'বৰ দিনাই মই আৰু দুটা সিদ্ধান্ত লৈছিলো। তাৰে এটা আছিল— মই কোনো দিনে এটাও ক্লাছ খতি নকৰো। মাজতে অফিচৰ ট্ৰেইনিং এটাত অক্টোবৰ-নৱেম্বৰ দুটা মাহ মই মুছৌৰীত আছিলোগৈ। সেই দুটা মাহৰ দেওবাৰ বিলাকত মই ধৰফৰাই উঠিছিলো— মোৰ ক্লাছ খতি হ'ল বুলি। তাৰ বাহিৰে মই সমুদায় শিক্ষা বৰ্ষটোত এটা দিনও ক্লাছ খতি কৰা নাই।

কটন মোৰ মানসত তিনিটা বছৰৰ অন্তত বি এ ডিগ্ৰীটো ল'বৰ বাবে এখন কলেজ মাত্ৰ নাছিল। কটন আছিল মোৰ বাবে এক অনন্য অনুভৱ। মাথোঁ অনুভৱ! ক্লাছবোৰ কৰিবলৈ আৰ্টছ বিল্ডিঙলৈ যাওঁতে পুৰণি কোঠাটোৰ ফেন কেইখনে মোক যেনেকৈ সুবাসিত কৰি তুলিছিল, কোঠাটোৰ বেৰৰ ফাঁকেৰে ওলাই থকা ইকৰাকেইডালে মোক এক স্বৰ্ণময় ঐতিহ্যৰ সোপান মেলি দিছিল— চোৱা মাথো চোৱা। এই যে দীঘল-পুৰণি বাৰাণ্ডাখন! কতবোৰ খোজ ই বুকুত সাৱতি ৰাখিছে। লক্ষ-লক্ষ খোজ। আহিবলগীয়া প্ৰতিটো দিনৰ প্ৰতিজন আলহীকে এই বাৰাণ্ডাবোৰে জীৱনত এক বলিষ্ঠ খোজ পেলাবৰ বাবে প্ৰাথমিক শিক্ষাকণ দিব। সেই খোজ মই আজিও দিবলৈ শিকা নাই বাবেই আজিও মই সেই বাৰাণ্ডাৰ পদধ্বনি শুনিবলৈ ব্যাকুল হৈ উঠো।

কি কৰো মই? অফিচ ৰুমটো নোখোলে। কোনো অহা নাই। চৰম হতাশাই মোক শৰবিদ্ধ কৰি তুলিলে চৌপাশৰ পৰা। ভীষণভাৱে মোৰ নিঃসংগ লাগিছে। কোনো নাই, কোনো নাই ভাৱ এটাই মোক জৰ্জৰিত কৰি তুলিব ধৰিছে।

অসমীয়া সাহিত্যৰ ক্লাছ! সাহিত্য ইমান মাধুৰ্যময়— কটনলৈ ক্লাছ কৰিব নহা হ'লে এই পৰম উপলব্ধিকণৰ পৰা মই চিৰকাল বঞ্চিত হৈ থাকিব লাগিলহেঁতেন। শোণিতকুঁৱৰী, শৰাগুৰি চাপৰি, কালিয়দমন নাটক কেইখন ক্লাছত বুজাইছিল ছাৰ-বাইদেউসকলে। ১৯১৭ চনত নৱম শ্ৰেণীত পঢ়া জ্যোতি প্ৰসাদ আগৰৱালা নামৰ ছাত্ৰজনে 'শোণিতকুঁৱৰী' লিখিছিল। আৰু কটনলৈ নহালৈকে মই সেই শোণিতকুঁৱৰী নপঢ়াকৈ আছিলো। তাৰ বাবে নিজকে ধিক্কাৰ দিবলৈকো মই নিশিকিলোহেঁতেন, দেওবাৰে-দেওবাৰে কটনলৈ ক্লাছ কৰিবলৈ নহা হ'লে।

দুবছৰৰ আগতে অফিচৰ কামত এবাৰ শিৱসাগৰলৈ যাওঁতে দিখৌ নৈ নাৱেৰে পাৰ হৈ মই শৰাগুৰি চাপৰিত আজান ফকিৰৰ দৰগাহ চাবলৈ গৈছিলো। ক্লাছত ছাৰে এই নাটকখন বুজাই থাকোতে, মোৰ চকুৰ আগেদি দিখৌ নৈ উভতি বৈছিল।

আজি মোক কোনোবাই সোধে যদি 'যুগসন্ধি'ৰ কবি কোন, কিয় দেৱকান্ত বৰুৱাক 'যুগসন্ধি'ৰ কবি বোলা হয়— মই তাৰ যথাযথ উত্তৰ দিব পাৰিম। 'ইয়াত নদী আছিল', 'মৰ্মান্তিক', 'গঢ়া মোক কৰি ঝাড়ুদাৰ' আটাইবোৰ কবিতা আহি

আজি ৩ এপ্ৰিলৰ দুপৰীয়া কটনৰ এম চি বি ১১৩ নম্বৰ কোঠাটোৰ সমুখত মোক জোকাৰি-জোকাৰি যাব ধৰিছে। হয়। এইটো কোঠাতেই মই প্ৰথম শিকিছিলো। শংকৰদেৱৰ বৰগীত আৰু মাধৱদেৱৰ বৰগীতৰ মাজত পাৰ্থক্য।

ৰাজনীতি বিজ্ঞানৰ ক্লাছবোৰত ল'ৰা-ছোৱালীবিলাক কিছুমান দেৰিকৈ আহে। বাইদেৱে গালি পাৰে। মই বুজি নাপাওঁ— ইমান সুন্দৰকৈ বাইদেৱে এই ক্লাছবোৰ বুজায়, কিয় বাৰু এওঁলোকে সময়মতে ক্লাছত উপস্থিত নহয়? সপ্তাহটোৰ এটা মাত্ৰ দিন কিয় বাৰু কটন কলেজৰ নামত আমি উছৰ্গা কৰিব নোৱাৰো। মোৰ বেগটোত আজিও মই ৰাজনীতি বিজ্ঞানৰ কিতাপখন লৈ আহিছিলো। ১১৩ নম্বৰ ৰুমৰটোৰ সমুখত মোৰ দৰে নিঃসংগ হৈ পৰি থকা বেঞ্চখনত বহি মই বেগটোৰ পৰা কিতাপখন উলিয়াই আনিলো। হাতত কিতাপখন লৈ ভাবি থাকিলো— এই বাইদেউগৰাকীয়ে বাৰু অহা বছৰ আকৌ আমাৰ চেকেণ্ড ইয়েৰৰ ক্লাছবোৰ ল'বনে?

আছাম চিভিল ছাৰ্ভিচৰ পৰীক্ষাটোত প্ৰথম দিনা, ১৯৭৬ চনৰ ১৬ আগষ্টৰ দিনা, ১৫০ নম্বৰৰ 'জেনেৰেল ইংলিছ' বিষয়টো আছিল। তাৰ ভিতৰত ৫০ নম্বৰ Precis Writing। নিউ আৰ্টছ বিল্ডিংৰ তিনি নম্বৰ কোঠাটোত মই জীৱনৰ প্ৰথমবাৰৰ বাবে Precis লিখিবলৈ শিকিলো। ইমান বছৰ মই শিকা নাছিলো। সেয়া মোৰ দোষেই নহয়, অপৰাধো আছিল। ১২৯ টা শব্দৰ এটা পেৰাগ্ৰাফ কেনেকৈ ৪৩টা শব্দৰ মাজত, ঘৰ-ঘৰকৈ ৪৩টা কোঠা সাজি সেই কোঠাবোৰৰ ভিতৰত এটা-এটা শব্দ সুমুৱাই দি বহীখনৰ পাতখিলাত লিখিব লাগে, কটনত ক্লাছ কৰিবলৈ আহোতে ক্লাছৰুমত ছাৰে শিকাইছিল। ছাৰে কৈছিল— 'এই ঘৰঘৰকৈ সাজি লোৱা নক্সাকণৰ কাৰণে পৰীক্ষাত নম্বৰ বেছি নিদিয়ে। But it gives an impression to the examiner that you know how to write precise।' সিদিনা যদি কটনৰ এই ক্লাছটো মই মিছ কৰিলোহেঁতেন, আজি ৪ এপ্ৰিল তাৰিখেও মই Precise লিখিবলৈ নিশিকাকৈ থাকিলোহেঁতেন। আজি হঠাৎ এ চি এছৰ মোৰ Answer Script খনত Precise Writing অত ৫০ নম্বৰৰ ভিতৰত কিমান নম্বৰ পাইছিলো, চাবৰ বাবে মন উদগ্ৰীৱ হৈ উঠিল।

এটা বছৰ শেষ হ'ল। তিনিবছৰীয়া কটন জীৱনৰ এটা বছৰ মোৰ শেষ হ'ল। মই বুজি উঠিলো, নিঃসংগ বাৰাণ্ডাখনৰ নিঃসংগ বেঞ্চখনত বহি-বহি মই বুজি উঠিলো, একমাত্ৰ এইটো কাৰণতেই মোক আজি ৪ এপ্ৰিল, ২০১১ তাৰিখে পুৱা দহ বজাত চৌদিশৰ পৰা দুখ-হতাশাই আড়ষ্ট আৰু জৰ্জৰিত কৰি তুলিছে! ইমান সোনকালে মোৰ কটন জীৱনৰ পৰা এটা বছৰ শেষ হ'ল! আৰু তিনিটা-চাৰিটা মাহলৈকে মই কটন কলেজলৈ আহিব নোৱাৰিম! কি দুঃসহ এই উপলব্ধি!

কাকো বুজাব নোৱাৰা এই যাতনাৰ উপশম বিচাৰি মই মোবাইলটো অন কৰি ল'লো ৰাজকুমাৰক ফোন কৰো বুলি। ৰাজকুমাৰ ভ্ৰাম্যমাণ থিয়েটাৰ আৰু চিডিৰ যুৱ অভিনেতা। তিনি বছৰীয়া ডিগ্ৰী কোৰ্চৰ শেষৰটো বছৰ তাৰ সম্পূৰ্ণ নোহোৱাত বি এ ডিগ্ৰী লোৱা হোৱা নাছিল। তাৰ বাবে সি চাফাৰ কৰিছিল মানসিকভাৱে। ২০০৯-২০১০শিক্ষাবৰ্ষত সি মুক্ত বিশ্ববিদ্যালয়ত পুনৰ বি এ প্ৰথম বাৰ্ষিকত এড্‌মিশ্যন লৈছিল। সেইটো বৰ্ষত সি 'ভাগ্যদেৱী থিয়েটাৰ'ৰ নায়ক-অভিনেতা। সি মোক তাৰ কিতাপবোৰ দেখুৱাইছিল। ২৯ ডিচেম্বৰ, ২০০৯ চনৰ নিশা এক বজাত।

অদম্য স্পৃহাৰে নতুনকৈ শিক্ষা জীৱন আৰম্ভ কৰা এই ল'ৰাটোৰ দুচকুলৈ চাই-চাই সেই ৰাতি মই সিদ্ধান্ত লৈছিলো— তাৰ কাষত কোনোবা থিয় হ'ব লাগিব। তিনিটা বছৰ তাক নৃত্য-নাট অভিনয়-কুংফু-কাৰাটেৰ জগতখনৰ মাজেৰে শিক্ষাৰ পৃথিৱীখনত সৰল খোজ দিবৰ বাবে কোনোবা এজন ৰাজকুমাৰৰ কাষত থিয় হ'ব লাগিব। তাক কোৱা নাছিলো— সেই মাজৰাতি মোৰ তেজপুৰৰ উত্তৰ অসম সংমণ্ডলৰ আয়ুক্তৰ বাসভৱনত মই সিদ্ধান্ত লৈছিলো, ময়ে তাৰ কাষত থিয় হওঁ। হয়, ময়েই।

২০১১ চনৰ মাৰ্চ মাহত মোৰ উপলব্ধি হ'ল— ৰাজকুমাৰৰ কাষত থিয় হ'বলৈ মই শিকিব লাগিব। আৰু সেই শিক্ষা মোক দিব কটন কলেজে।

কটনৰ ক্লাছৰুমৰ ভিতৰে-বাহিৰে মোৰ সহপাঠীবোৰে মোক সোধে— মই কিয় বি এ পঢ়িবলৈ আহিছো আকৌ।

উত্তৰত মই দুই নম্বৰ আৰু তিনি নম্বৰ কাৰণ দুটা কওঁ সদায়। এক নম্বৰ কাৰণটো থাকি যায়। নোকোৱাকৈ।

ক্লাছ আৰু নহয়। চিৰিৰে তললৈ নামি আহিছো। মজিয়াত কটন চাহাবৰ বগা আৱক্ষ মূৰ্তিটো মনতে আওৰাই আহিছো— হয়, ৰাজকুমাৰৰ কাষত তিনিটা বছৰ থিয় হ'বৰ যোগ্যতা অৰ্জনৰ বাবেই মই আকৌ বি এ শ্ৰেণীত অধ্যয়ন আৰম্ভ কৰিছো। হয়— এইটোৱেই এক নম্বৰ কাৰণ।

ৰাজকুমাৰৰ মোবাইলত ৰিং হৈছে।

# মামণি ৰয়চম গোস্বামী
# শ্ৰদ্ধাঞ্জলি চ'ৰা



জন্মঃ ১৪ নৱেম্বৰ ১৯৪২

মৃত্যুঃ ২৯ নৱেম্বৰ ২০১১

অংকনঃ চন্দনা পাঠক

# মামণি ৰয়চম গোস্বামীৰ কলমৰ পৰা সশ্ৰদ্ধ উল্লেখ

"শিলছটাৰ ওপৰত ইন্দ্ৰনাথ থিয় হ'ল। গুম গুম, হৰ-হৰ, ঝন-ঝন। আঃ, যেন যুদ্ধক্ষেত্ৰৰ অশ্বহে আগুৱাই আহিছে। নিজৰ বুকুৰ চপচপনি ইন্দ্ৰনাথে স্পষ্টভাৱে শুনা পালে। তেওঁৰ চকুৰ সন্মুখত এখন 'নটিচ' ঘূৰিবলৈ ধৰিলে ঃ Proclamation for destruction of a rogue Tusker in the areas of.... Whereas one Tusker of the follwing description has become dangerous to human life in the.... has already caused death of ... and said Elephant is hereby proclaimed to be a "Rogue" and permitred to be hunted down under the Sec... of the Wild Life (protection) Act.... No royalty will be payable to Govt. for killing the above proclaimed Elephant... only Gun Licence holders and retainers possessing Rifle of 400 bore and above... Description of the proclaimed Elephant.... sex. Bundh, Nails, Tail, Height... circumference of the foot...

মৃৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে ইন্দ্ৰনাথৰ। জগন্নাথক গুলীয়াই মৰা হ'ব। এই কথা ইন্দ্ৰনাথে জানে। একপ্ৰকাৰ সাজুও হৈ আছিল। কিন্তু এই মুহূৰ্তত এই ভাব নাছিল। হঠাতে আহি পৰিল যেন এই কথা। তেওঁ দুৰ্গাকহে থ'বলৈ আহিছিল।"

*('দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ এছোৱা)*

# মামণি ৰয়ছম এক সুগন্ধি স্মৃতি



মঞ্জু দেৱী পেগু
*মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ*

সেয়া আছিল ১৯৮৫ চনৰ ২৫ ডিচেম্বৰ। তেজপুৰত, পদুম পুখুৰীৰ পাৰত প্ৰথম সাক্ষাৎ হৈছিল সেই মহীয়সীৰ সৈতে। সেইদিনা বানৰ নগৰী তেজপুৰত নতুন উছাহৰ ঢল নামিছিল। পদুম পুখুৰীৰ পানীবোৰ, তাৰ পাৰৰ ৰতাহজাক যেন এক নতুন উন্মাদনাৰে চঞ্চল হৈ উঠিছিল। শীতৰ কুঁৱলী ফালি ওলোৱা ৰ'দজাকৰ উমাল স্পৰ্শই এটা মিঠা আমেজ আনি দিছিল। এই দিনটোতেই এটা সেউজীয়া সপোনে পূৰ্ণতা পাইছিল। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দুদিনীয়া মধ্যকালীন অধিৱেশনত সমিতিৰ নৱনিৰ্মিত ভৱন কেন্দ্ৰীয় কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰিছিল প্ৰখ্যাত শিল্পী আৰু নাট্যকাৰ যুগল দাসে। ডাঃ দীপালি দত্তৰ সভানেত্ৰিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথিৰূপে যোগ দিছিল মামণি বাইদেৱে। সভাৰ শেষত অটোগ্ৰাফখন লৈ বাইদেউৰ ওচৰ চপাত এটা মধুৰ হাঁহিৰে মোৰ অটোগ্ৰাফত স্বাক্ষৰ দিছিল, 'তোমাৰ জীৱন সুন্দৰ হওক! মই তোমাক মনত ৰাখিম।' সেই তেতিয়াৰে পৰাই এক আত্মীয়তাৰ এনাজৰীৰে বান্ধ খাই গ'লো নজনাকৈ তেওঁৰ স'তে। বহু ঋতু পাৰ হৈ গ'ল। আৰু এয়া কি নিৰ্মম বাস্তৱ! নিমিষতে সকলো সোঁৱৰণী হৈ গ'ল।

### অদ্বিতীয় মামণি ৰয়ছম

প্ৰখ্যাত সাংবাদিক কীৰ্তিনাথ হাজৰিকাৰ অনুপ্ৰেৰণাত সৃষ্টি জীৱন আৰম্ভ কৰি বিশাল সৃষ্টিসম্ভাৰ, ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ সন্মান 'জ্ঞানপীঠ বঁটা', 'সাহিত্য অকাডেমী বঁটা', আমেৰিকাৰ ফ্ল'ৰিডা বিশ্ববিদ্যালয়ে আয়োজন কৰা 'তুলসী দাস আৰু তেওঁৰ সাহিত্য কৰ্ম' শীৰ্ষক সন্মিলনত আন্তৰ্জাতিক তুলসী বঁটা, ভাৰত নিৰ্মাণ বঁটা, জাৰ্মানীৰ প্ৰিন্সিপাল প্ৰিন্স ক্লড বঁটা, অসম সাহিত্য সভাৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা, ইণ্টাৰ ৰিলিজিয়াছ এণ্ড ইণ্টাৰ নেচনেল ফেডাৰেচন ফৰ বৰ্ল্ড পীচৰ 'এম্বেচেডৰ ফৰ পীচ বঁটা', ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ 'সন্মানীয় ডি লিট'কে ধৰি দেশ-বিদেশৰ অনেক সন্মান লাভ কৰা বিৰল প্ৰতিভাসম্পন্ন মামণি ৰয়ছম আছিল বিপুল জনপ্ৰিয়তাৰো অধিকাৰী। ড° ভূপেন হাজৰিকাৰ গানৰ দৰে মামণি ৰয়ছমৰ সাহিত্যৰ জনপ্ৰিয়তাও সৰ্বব্যাপ্ত। সুদূৰ কেৰালাৰ নাৰবীয়া এগৰাকীৰ অন্তৰতো তেওঁৰ সাহিত্যই আলোড়ন তোলাটোৱে তেওঁৰ বিপুল জনপ্ৰিয়তাৰ স্বাক্ষৰ বহন কৰে। ৰাষ্ট্ৰপ্ৰধানৰ পৰা ঘৰৰ সহায়কাৰীজনলৈকে সকলোৰে প্ৰতি সমব্যৱহাৰ মামণি ৰয়ছম গোস্বামীৰ ব্যক্তিত্বৰ অন্যতম মহত্বপূৰ্ণ দিশ। দেশ-বিদেশৰ বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন ব্যক্তিৰ সান্নিধ্য আৰু সৌহাৰ্দ্য লাভ কৰা মামণি ৰয়ছমেই লেখকৰূপে বিশ্বৰ সৰ্বাধিক দেশ ভ্ৰমণ কৰিবলৈ সুযোগ পোৱা, বিভিন্ন ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰা একমাত্ৰ অসমীয়া লেখক। জীৱনকালতে প্ৰচুৰ খ্যাতি অৰ্জন কৰা, ইংৰাজী, হিন্দী তথা অন্যান্য ভাৰতীয় ভাষালৈ সৰ্বাধিক লিখনি অনুদিত হোৱা একমাত্ৰ অসমীয়া লেখক মামণি ৰয়ছম গোস্বামী। দেশে-বিদেশে ৰামায়ণী সুবাস বিলোৱা, অসমীয়া ৰামায়ণৰ প্ৰাচীন গৌৰৱময় ঐতিহ্য বিশ্বত দাঙি ধৰা, ৰামায়ণী পণ্ডিতৰূপে বিশ্বত প্ৰতিষ্ঠা লাভ কৰা একমাত্ৰ অসমীয়া মামণি ৰয়ছম গোস্বামী। কেৱল সাহিত্য সৃষ্টিতেই আবদ্ধ নাথাকি মানৱ কল্যাণৰ হকে আত্মনিয়োগ কৰা, আলফা আৰু চৰকাৰৰ শান্তি আলোচনাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা— শান্তিৰ অগ্ৰদূত মামণি ৰয়ছম গোস্বামী।

### যন্ত্ৰণা বিজয়িনী মামণি ৰয়ছম

এই সমগ্ৰ কৃতিত্বৰ আঁৰত আছে মামণি ৰয়ছম গোস্বামীৰ নিৰন্তৰ সাধনা, প্ৰচুৰ আত্মবল আৰু অধ্যয়নশীলতা। জীৱনৰ চৰম দুৰ্যোগৰ মুহূৰ্ততো ক্ষণিকৰ বাবেহে তেওঁৰ কলম থমকি ৰৈছিল! 'Writing is in my blood, in my veins. If I stop I will die of suffocation. Without my pen, I will die...' 'কলম নথকা হ'লে অদৃশ্য হৈ থকা ৰক্তৰ ফোঁৱাৰাৰ লগত কিদৰে যুদ্ধ কৰিলোহেঁতেন।'

বিয়াৰ পিছত প্ৰিয় পুৰুষ মাধৱেনৰ স'তে কৌৰৱ বেদৰ মৰুভূমিত তেওঁ নতুন জীৱনৰ মাদকতাতে মগ্ন আছিল—

'জোনাকে মৰুভূমিক লাহে লাহে এক অপ্সৰাৰ ৰাজ্যত পৰিণত কৰিছিল। এই অপ্সৰাৰ ৰাজ্যত আমি দুয়ো ঘূৰি ফুৰিছিলো...।'

কিন্তু অকস্মাৎ সেই সুখ স্বপ্ন ধূলিসাৎ হৈ গ'ল। কাশ্মীৰৰ চন্দ্ৰভাগা নদীৰ পাৰত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত মাধু চিৰদিনৰ বাবে হেৰাই গ'ল। সুখী বৈবাহিক জীৱনৰ মাত্ৰ ডেৰ বছৰতে, মাথোন চৌবিশ বছৰ বয়সতে, মাধুৰ মৃত্যুৰ লগে লগে খহি পৰিল তাচপাতৰ দৰে, অতি নিৰ্মমভাৱে তেওঁৰ সপোনৰ ঘৰ। "নাই নাই একো বাকী নাথাকে। মৃত্যুৰ পাছত আৰু একো বাকী নাথাকে। বুকু ফালি হিৰাহিৰ কৰিলেও, মৃতকে এই হৃদয়ৰ খবৰ ল'বলৈ আৰু উভতি নাহে।" *(আধালেখা দস্তাবেজ)*

কিন্তু মামণি ৰয়ছমৰ এই যন্ত্ৰণা সৃষ্টিশীলতালৈ ৰূপান্তৰিত হ'ল। 'এই জীৱনটো মোক নালাগেই, আন এটা জীৱনো নালাগে' বুলি জীৱনৰ প্ৰতি বিষোদগাৰ কৰা মামণি ৰয়ছমে জীৱনৰ এই যন্ত্ৰণা জয় কৰি দাঙি ধৰিলে সৃষ্টিশীলতাৰ অনন্য নিদৰ্শন। উদ্ভাসি উঠিল দলিত, নিপীড়িতৰ জীৱনৰ সীমাহীন দুৰ্দশা, আকাংক্ষা আৰু স্বপ্নক নিজৰ লিখনিত মূৰ্ত কৰি এগৰাকী সামাজিক দায়বদ্ধ, সাহসী আৰু নিপুন কথাশিল্পীৰূপে।

পিতৃতুল্য গুৰু, পথ প্ৰদৰ্শক, অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ তত্বাৱধানত 'Institute of Oriental Philosophy'ত ৰামায়ণী সাহিত্যৰ ওপৰত গৱেষণাৰ উদ্দেশ্যে ভগৱান কৃষ্ণৰ লীলাভূমি বৃন্দাবনত পদাৰ্পণেই মামণি ৰয়ছম গোস্বামীৰ জীৱনৰ Turning Point বুলি ক'ব পাৰি। বৃন্দাবনতেই তেওঁ লাভ কৰিলে গৰিমামণ্ডিত সৃষ্টিশীল জীৱনৰ প্ৰতিশ্ৰুতি, দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত পোন প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা অসমীয়া ভাষাৰ সন্মানীয় আসনত অধিষ্ঠিত হোৱাৰ আমন্ত্ৰণ।

বৃন্দাবনৰ ঠেক, অন্ধকাৰ, দুৰ্গন্ধময় কুঠৰীত তেওঁ প্ৰথমে চৰম হতাশাত কটাইছিল যদিও বৃন্দাবনৰ ৰাধেশ্যামীসকলৰ কঠোৰ জীৱন-যাত্ৰাই তেওঁক দান কৰিলে এক অপূৰ্ব আত্ম-উপলব্ধি। জীৱনৰ প্ৰত্যাহ্বানক গ্ৰহণ কৰিবলৈ এক অনন্য শক্তি, যাৰ আলোকত জীৱনৰ যন্ত্ৰণাক সৃষ্টিশীলতালৈ ৰূপান্তৰিত কৰি বৈচিত্ৰ্যময় মহাজীৱনৰ সূচনা কৰিলে আৰু অসমীয়া তথা ভাৰতীয় সাহিত্যৰ এক উজ্জ্বল জ্যোতিষ্কৰূপে উদ্ভাসি উঠিল।

তেওঁৰ নিজৰ ভাষাত "মথুৰালৈ গৈ ৰাধেশ্যামীহঁতৰ জীৱন কাষৰ পৰা দেখিছো। দেখিছো অনেক মানুহ আছে, যিসকল মোতকৈ বহুত বেছি দুৰ্ভগীয়া, বহুত বেছি অসহায়, নিঃস্ব, দৰিদ্ৰ, এই পৰ্যবেক্ষণে জীৱনত নিজকে থিয় হ'বলৈ সাহস যোগালে। মই দেখিলো, মোতকৈ দুখী মানুহো জগতত আছে, জীৱন চলি আছে। অ' হয়, সেই অৰ্থত মথুৰাই মোক সমৃদ্ধ কৰিলে।"

আনহাতে 'Institute of Oriental Philosophy'ৰ সুবৃহৎ পুথিভঁৰাল, গাম্ভীৰ্যপূৰ্ণ পৰিৱেশ আৰু সেই স্থানৰ পৰা দেখা পোৱা বৃন্দাবনৰ অনন্য শোভাই মামণি ৰয়চমৰ মনলৈ আনিলে অনাবিল মানসিক প্ৰশান্তি। ৰামায়ণী সাহিত্যৰ অমৃত মন্থনে দান কৰিলে অতুল ঐশ্বৰ্য্য, নতুন জীৱন। মামণি ৰয়ছমৰ জীৱন পৰিক্ৰমাত ৰামায়ণী সাহিত্যৰ এই প্ৰভাৱকে প্ৰতীয়মান কৰিছে প্ৰখ্যাত পাঞ্জাৱী লেখিকা অমৃতা প্ৰীতমে—"Tulsidas life had become a great source of inspiration to her. I know nothing about the constellation of stars that had influenced Tulsidas's life and much less about Indira Goswami's. All that I know is. that her life had also undergone a metamorphosis. Her pen gave birth not only to her autobiography but also to her novels and collections of Short Stories."

**প্ৰেম আৰু মানৱতাবোধৰ অক্ষয় বন্তি মামণি ৰয়ছম**

মামণি ৰয়ছম গোস্বামীৰ লিখনিত পৰিদৃষ্ট হয় মানুহৰ প্ৰতি অপৰিসীম ভালপোৱা। তেওঁ বিশ্বাস কৰিছিল— 'মানুহেই মানুহক নতুন জীৱন দান দিব পাৰে। পৃথিৱীত প্ৰেম আৰু মহানুভৱতাই এই কাম কৰিব পাৰে।' আদৰ্শ সমাজৰ ধাৰণা দিবলৈ গৈ তেওঁ এটা সাক্ষাৎকাৰত কৈছে—'মোৰ মনত সেইখনেই আদৰ্শ সমাজ য'ত মানুহে মানুহক মানুহ বুলি ভাবিব পাৰে।' মানৱীয় প্ৰমূল্যৰে মহীয়ান এইগৰাকী লেখিকাৰ কলমৰ পৰাও নিগৰি ওলায় মানৱ-প্ৰেমৰে অমল ৰূপ। 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'ত তেওঁৰ আত্মাৰেই প্ৰতিধ্বনি— 'শুনা, সন্তোষ সিং, মই মানুহক লৈ গৱেষণা কৰি ভালপাওঁ। মানুহৰ শৰীৰৰ তেজ, মানুহৰ দেহৰ ঘ্ৰাণ, মানুহৰ তীব্ৰ বাসনা, মানুহৰ যন্ত্ৰণা, চব মই মোৰ কলমৰ চিয়াঁহী কৰি ল'বলৈ ভালপাওঁ।' ইন্দিৰা গান্ধীৰ হত্যাৰ পাছত দিল্লীত হোৱা নৃশংস হত্যাকাণ্ড তেওঁ প্ৰত্যক্ষ কৰিছিল। মানুহৰ নৃশংসতাৰ বিপৰীতে মানুহ মানুহৰ বাবে কিদৰে মংগলময় হৈ উঠে, তাকো তেওঁ ঠাই দিছে এই গ্ৰন্থত। এই নৃশংসতাৰ মাজতো দুই এঠাইত মানৱীয় প্ৰেমৰ স্বৰ্গীয় জ্যোতিৰ জলক দেখিছিল তেওঁ, তেজে তিয়াই পেলালেও হিন্দু আৰু শিখৰ প্ৰেমৰ এনাজৰীডাল স্বৰ্গীয় ৰশ্মিৰে চিকমিকাই থকাৰ ছবি দুই-এঠাইত নাঙঠ চকুৰে প্ৰত্যক্ষ কৰিছিল তেওঁ।

মামণি ৰয়ছম গোস্বামীৰ প্ৰতিখন উপন্যাসৰে কাহিনী, চৰিত্ৰ আদি গঢ় লৈ উঠিছে মানৱতাবাদী আদৰ্শৰ আলোকত।

ঔপন্যাসিকা হিচাপে তেওঁৰ কৃতিত্বৰ অন্তর্নিহিত কাৰণ মুখ্যতঃ সেইটোৱেই। নিজৰ দামোদৰীয়া পৰিয়ালৰ সত্ৰাধিকাৰৰ ভৰা, ফোঁপোলা ৰূপৰ আঁৰত লুকাই থকা বঞ্চিতা নাৰীৰ করুণ জীৱন কাহিনীৰ আলমত লিখা 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখন বিংশ শতাব্দীৰ এখন শ্রেষ্ঠ উপন্যাস। লেখিকাগৰাকীৰ নিজৰ ভাষাত "কোনো লেখকেই হয়তো নিজৰ লেখা লৈ কেতিয়াও সুখী হ'ব নোৱাৰে। তথাপিও কওঁ, 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' খনেই মোৰ শ্রেষ্ঠ সাহিত্য কৃতি।" উপন্যাসখনৰ পাতনিত লেখিকাই কৰা উক্তিয়ে স্পষ্টভাৱে জানিবলৈ দিয়ে সমাজ জীৱনৰ বাস্তৱতাৰ আধাৰত ৰচিত উপন্যাসখনত কেনেদৰে তেওঁৰ মানৱতাবাদী আদর্শৰ প্রতিফলন ঘটোৱাৰ প্রয়াস কৰিছে।

**প্রতিবাদী কণ্ঠ মামণি ৰয়ছম**

মামণি ৰয়ছম গোস্বামী এক প্রতিবাদী কণ্ঠ— জীৱন আৰু সৃষ্টি উভয়তে। তেওঁৰ লিখনিত সমাজৰ দলিত, নিষ্পেষিতজনৰ করুণ হাহাকাৰেই অকল মূর্ত হোৱা নাই। সমাজৰ ভণ্ডামি, অবিচাৰ আৰু বঞ্চনাৰ বিৰুদ্ধেও সবল প্রতিবাদ ঘোষিত হৈছে। লগতে তেওঁ নিজৰ জীৱনকো এক বিনম্র প্রতিবাদৰূপে গঢ়ি তুলিছিল। উচ্চ হিন্দু সমাজৰ ব্রাহ্মণ বিধৱাই পালন কৰিবলগীয়া তথাকথিত ৰীতি-নীতি, আচাৰ-বিচাৰ আৰু জীৱন পদ্ধতিৰ বিপৰীতে তেওঁ যাপন কৰিছিল অন্য এক জীৱন। কঁপালত ৰঙা ফোটি, ৰঙা সাজেৰে মামণি ৰয়ছমে নিজৰ জীৱনৰ জৰিয়তেই বিৰল সাহসিকতাৰ পৰিচয় দিছে।

সমালোচক ড° হীৰেণ গোহাইৰ মতে 'বিধৱাৰ ওপৰত চলা সমস্ত নিগ্রহৰ বিৰুদ্ধে বিদ্রোহিনী হৈ উঠিছিল গিৰিবালা। তাৰ ফল গিৰিবালাৰ বাবে অৱশেষত আছিল জ্বলা জুইত আত্মাহুতিৰ সিদ্ধান্ত। গোটেই জীৱন ধৰি জ্বলি থকা জুইকুৰা শেষত এদিন ভমককৈ আচল জুইৰ শিখাহৈ তেওঁৰ দেহ ভস্মীভূত কৰিছিল।' *(হৃদয়ৰ তপস্বিনী, পৃঃ১৬)*

**মই আৰু মোৰ ছাঁ**

মামণি ৰয়ছম গোস্বামীৰ প্রায়বোৰ লেখাতে কম বেছি পৰিমাণে সোমাই আছে তেওঁৰ আত্মজীৱনীমূলক উপাদান। প্রখ্যাত সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ সৈতে হোৱা এক সাক্ষাৎকাৰত তেওঁ কৈছে— "মোৰ সকলোবোৰ লেখা মোৰ জীৱনৰ অংশ। মোৰ উপন্যাসখনত মই মোৰ মনৰ অৱস্থা প্রকাশ কৰিছো। সেইবোৰ প্রকৃততে মোৰ জীৱনৰ স্বীকাৰোক্তি বুলিয়ে ক'ব লাগিব।" মামণি ৰয়ছম গোস্বামীৰ খ্যাতি আৰু সাধনাৰ মূল ভেটি 'আধালেখা দস্তাবেজ', হোমেন বৰগোহাঞিৰ সম্পাদনাত নীলাচল কাকতৰ পৃষ্ঠাত প্রকাশ পাইছিল। বহু পাঠকৰ কটু সমালোচনাত সম্পাদকে সেই আত্মজীৱনীৰ প্রকাশ বন্ধ কৰি দিবলগীয়া হৈছিল যদিও সময়ৰ সোঁতত সেই আত্মজীৱনীয়েই 'আধালেখা দস্তাবেজ'ৰ ৰূপত তেওঁক পাঠকৰ অধিক ওচৰ চপালে। 'আধালেখা দস্তাবেজ'ত মামণি ৰয়ছম গোস্বামীয়ে উল্লেখ কৰিছে— "এই উপন্যাসৰ নায়িকা সৌদামিনীৰ মনৰ বেদনা আৰু যন্ত্রণাৰ কথাখিনি মই হুবহু নিজৰ মনৰ মাজত হোৱা ভয়ানক ধুমুহাৰ অনুৰূপ কৰি অংকিত কৰিছিলো। সৌদামিনীৰ প্রথম অৱস্থাত হোৱা যন্ত্রণা মোৰ নিজৰেই যন্ত্রণা আছিল।" *(পৃঃ ১৬১)*

সূর্যৰ চেয়ে, আকাশৰ নক্ষত্র থেকে, প্রেমেৰ প্রাণেৰ শান্তি বেছি— যি প্রেমে মানুহক শক্তিশালী কৰে, পৃথিৱীত অমৰ হৈ থকাৰো প্রেৰণা দিয়ে। 'ৰিণিকি ৰিণিকি দেখিছো যমুনা'ৰ আইমানো চৰিত্রৰ মাজেদি প্রস্ফুটিত হৈছে মামণি ৰয়চমৰ নিজৰেই অনুভৱ— "বাস্তৱৰ সকলো কঠোৰতা পৃথিৱীৰ সকলো নিষ্ঠুৰতা, মান-অপমানৰ পৰা মই পলাই আহিছো, তোমাৰ প্রেমৰ ছায়াত মোক তুমি কোনেও নেদেখাকৈ ৰাখা।" *(পৃঃ ২১৬)*

এনেদৰেই মামণি ৰয়ছম সাৰে আছে তেওঁৰ লেখাৰ প্রতি পাতে পাতে।

**মামণি ৰয়ছম— এক কবি সত্তা**

মামণি ৰয়ছম গোস্বামীৰ লেখাত প্রাণময় হৈ উঠিছে অসমীয়া ভাষাৰ কালিকা। এই প্রসংগত মুল্কৰাজ আনন্দে দিয়া মন্তব্য উল্লেখনীয়। তেওঁৰ মতে 'অসমীয়া ভাষা যদি এনে সুকুমাৰ অনুভূতি প্রকাশৰ বাহন হ'ব পাৰে, তেন্তে এই ভাষা কেইটামান ভাৰতীয় ভাষাৰ মাজত এটা ভাষা হ'ব— য'ত বাজহাঁড় কঁপাই যোৱা কোমল গুণগুণনি তোলা কবিতা সৃষ্টিৰ বাবে পর্যাপ্ত শব্দ আছে।" (And if Assamese language can carry such fine feelings, then it must be one of the few languages of India which has words enough for the poetry of soft whishpers of, the infinitesimal reverberations behind the spine - মুল্কৰাজ আনন্দে দিয়া চিঠি)

ইবচেনৰ নাটকত যিদৰে শুনা যায় ৰূঢ় বাস্তৱৰ দাঙি ধৰাৰ পথতো কবিতাৰ গুঞ্জন; জ্যোতি প্রসাদৰ অন্যান্য লিখনিৰ মাজতো যিদৰে অনুভূত হয় কবিতাৰ স্পন্দন; সেইদৰে মামণি ৰয়ছম গোস্বামীৰ লিখনিৰ মাজতো স্পন্দিত হৈ আছে কবিতাৰ মাধুর্য আৰু সুষমা। কবি ঔপন্যাসিক নৱকান্ত বৰুৱাই সেয়ে মন্তব্য কৰিছে— 'মামণিয়ে গদ্যতে কবিতা লিখে।'

ভাবৰ পৰিবৰ্তনৰ লগে লগে মামণি ৰয়চমৰ লেখাত উপমা, ব্যঞ্জনা আৰু চিত্ৰকল্প অনন্য ৰূপত উদ্ভাসিত হয়। মধুৰ ৰূপ ৰস হঠাতে হৈ পৰে কঠিন আৰু ৰুক্ষ। কাগজি নেমুৰ গোন্ধ নিমিষতে নোহোৱা হয়, পাটৰ কাপোৰত মুখ লুকুৱাই পৰি থকা জোনটো ভঙা আইনাৰ টুকুৰা হৈ পৰে, সুৰুযৰ বুকুৰ পৰা বাগৰি পৰে চপৰা চপৰে তেজ বাৰেলিটোৰে পিন্ধি লয় গাধৰ চাল।

'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ত তাৰে প্ৰতিফলন— "সৌৱা জগলীয়া সোণালী পানীৰ ৰেখা দেখা গ'ল। সুৰুযৰ বুকুৰ পৰা বাগৰি অহা চপৰা-চপৰি তেজৰ চেঁকুৰাবে যেন জগলীয়াৰ পানী ৰাঙলী হৈ পৰিছে। কুঁৱলী আৰু ধোঁৱাই প্ৰত্যেকজোপা গছক এক ৰহস্যময় ৰেচমী কাপোৰেৰেহে যেন মেৰিয়াই থৈছে।"

দাৰিদ্ৰ্য পীড়িত নিঃস্ব পৰিৱেশত ইলিমনৰ সৌন্দৰ্যৰ কাব্যিক অভিব্যক্তি— "জাৰ্মান বনৰ আঁৰ হৈ থকা দেহটো কঁপি উঠিল। যেন ফুলি থকা শেৱালী ফুল এজোপা কোনোবাই জোকাৰি দিলে। তল ভৰি ভৰি ফুল সৰিল। ফুলজোপা যেন লঠঙা হৈ পৰিল।"

'উদয়ভানুৰ চৰিত্ৰ'ত লেখিকাৰ ব্যতিক্ৰমী উপমাৰ নিদৰ্শন— 'শটোৰ মাংসবোৰ বাৰিষাৰ নৈৰ গৰাৰ মাটিৰ দৰে হৈ পৰিছিল', 'হাঁড়ৰ টুকুৰাবোৰ নিম গছৰ দাঁত মাজিবলৈ কাটি উলিওৱা সৰু সৰু ঠানিবোৰৰ দৰে', 'আধা আন্ধাৰ, আধা পোহৰত ব্ৰহ্মপুত্ৰৰ বালি হৰিণাৰ ছাল এখনৰ দৰে পৰি আছিল।'

আনহাতে 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা'ত উপমা আৰু কল্পচিত্ৰৰ কেইটামান চমকপ্ৰদ নিদৰ্শন— 'কেৰ্ কেৰ্ শব্দটো কোনোবাই দাঁতেৰে পাৰ চৰাইৰ ঠেং চোবাই থকা শব্দৰ দৰে', 'বৰ কাপোৰৰ পৰা মূৰ দাঙি চোৱা টেকেলীয়া ছোৱালীৰ দৰে পূৰ্ণচন্দ্ৰই আকাশত মূৰ তুলি চাইছিল', 'তিতি থকা গছ-পাতে জোনাকৰ পোহৰত পুখুৰীৰ পৰা জঁপিয়াই আছিল', 'বহুদিন ভিজাই থৈ হঠাতে মেলি দিয়া কাপোৰৰ পৰা যেনে এক গোন্ধ বাহিৰ হৈ আহে ঠিক তেনে এটা ভেচভেচীয়া গোন্ধ সিহঁতৰ কাপোৰৰ পৰা বাহিৰ হৈ আহিল।'

**মামণি ৰয়চমৰ উপন্যাসত নিৰৱধি নদী**

মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ প্ৰায়ভাগ পটভূমিতে পৰিদৃষ্ট হয় সৰু-বৰ এখনি নৈ। শৈশৱতে জগলীয়াৰ পাৰত উমলি-জামলি ফুৰা মামণি ৰয়ছমৰ নৈৰ স'তে যেন চিৰন্তন সম্পৰ্ক। সেয়ে বাৰে বাৰে তেওঁ উপস্থিত হয়গৈ কোনো এখন নদীৰ পাৰত তেওঁৰ জীৱন অথবা সৃষ্টিৰ পৰিক্ৰমাত। জীৱনৰ প্ৰথম উপন্যাসৰ পৰা অন্তিম পৰ্যায়ৰ সৃষ্টিলৈকে পৰিদৃষ্ট হয় এই পৰিক্ৰমা। কাশ্মীৰৰ চেনাব নৈৰ ওপৰত বন্ধা দলঙ এখনৰ শ্ৰমিকসকলক লৈ লিখা 'চেনাবৰ সোঁত' (১৯৭২)ত চেনাব নৈ; বৃন্দাবনৰ ৰাধেশ্যামীসকলৰ কৰুণ জীৱন গাঁথাৰে সিক্ত 'নীলকণ্ঠী ব্ৰজ' (১৯৭৮)ত পবিত্ৰ যমুনা নৈ; মধ্যপ্ৰদেশৰ শোষিত, বঞ্চিত বনুৱাৰ কাহিনী 'অহিৰণ' (১৯৮০)ত অহিৰণ নৈ; ৰাইবেৰেলি জিলাৰ সাইনদীৰ ওপৰত একুৱেডাক্ট নিৰ্মাণ কৰা লাঞ্চিত, ক্ষোভিত শ্ৰমিকসকলৰ কাহিনী সম্বলিত 'মামৰে ধৰা তৰোৱাল' (১৯৮০)ত সাই নদী; দক্ষিণ কামৰূপৰ বিধৱা নাৰীৰ কৰুণ আৰ্তনাদেৰে ভাবাক্ৰান্ত 'দঁতাল হাতীৰ উয়ে খোৱা হাওদা' (১৯৮৮)ত জগলীয়া নৈ; প্ৰসিদ্ধ কামাখ্যা পীঠৰ পটভূমিত ৰচিত 'ছিন্নমস্তাৰ মানুহটো'ত মহাবাহু ব্ৰহ্মপুত্ৰ; 'আধালেখা দস্তাবেজ'ত কাশ্মীৰৰ খৰস্ৰোতা চন্দ্ৰভাগা; 'থেং ফাংখী তহচিলদাৰৰ তামৰ তৰোৱাল'ত দুলনি নৈ প্ৰাণময় হৈ উঠিছে। এই উপন্যাসসমূহত নৈৰ পাৰত ঘটা ঘটনা প্ৰবাহৰেই বৰ্ণনা অকল নাই, এই নৈসমূহে প্ৰত্যক্ষ অথবা প্ৰতীকীভাৱে অংশ লৈছে উপন্যাসসমূহৰ ঘটনা প্ৰৱাহত।

**এক হিৰণ্ময় প্ৰভাতৰ বাবে**

জগলীয়াৰ পৰা সুদূৰ চন্দ্ৰভাগালৈকে ব্যাপ্ত মামণি ৰয়ছম গোস্বামীৰ বিশাল সৃষ্টি আৰু জীৱন পৰিক্ৰমাই ঐশ্বৰ্যমণ্ডিত কৰিলে সমগ্ৰ ভাৰতীয় সাহিত্য তথা সমাজ জীৱনক। উন্মোচিত কৰি গ'ল নতুন চিন্তা আৰু অন্বেষণৰ পথ। অনুপম সুষমামণ্ডিত তেওঁৰ সৃষ্টিশীল সত্তা, প্ৰজ্ঞাৰ জোনাক আৰু বৰ্ণাঢ্য জীৱন চিৰজাগৰূক প্ৰেৰমা হৈ ৰ'ব এক হিৰণ্ময় প্ৰভাতৰ বাবে, মহত্তৰ জীৱন ৰচনাৰ প্ৰতি পদে পদে...।

*প্ৰসংগ গ্ৰন্থ*

*১। হৃদয়ৰ তপস্বিনী, সম্পাদনা- ৰাণী গোহাঁই, (১৯৯৯)।*

*২। মামণি ৰয়ছমৰ আভা আৰু প্ৰতিভা, সম্পাদনা নিকুমণি হুছেইন, (২০০৮)।*

*৩। আভা গাৰ্ডেনাৰৰ আৱেলি, সম্পাদক তথা সংকলক- হেমন্ত কুমাৰ ভৰালী (২০১০)।*

*৪। মামণি ৰয়ছম গোস্বামীৰ ৰচনাসমূহ।*

# নাটক, ৰাজনীতি আৰু উত্তৰ আধুনিক দৰ্শন

ড° সীতানাথ লহকৰ
*মুৰব্বী অধ্যাপক, গণিত বিভাগ*



নাটক ৰাজনৈতিক ভাবনা পুষ্ট। নাটক ৰাজনীতিৰ সৈতে জড়িত। বিশ্বৰ কোনো এখন নাটকেই ৰাজনীতি-বহিৰ্ভূত নহয়। অৱশ্যে ৰাজনীতিত নাটকবোৰ বেলেগ বেলেগ শিবিৰ ভুক্ত। কোনোখন যদি ৰাজহাউলী মুখী, কোনোখন আকৌ 'শ্ৰম ঘামেই জীৱন' জগতৰ সাক্ষী। প্ৰথম বিধ ৰাজহাউলীৰ নিৰাপত্তাৰ প্ৰয়াসী, দ্বিতীয়বিধ শ্ৰম ঘামৰ আঁৰত থকা প্ৰচলিত ব্যৱস্থাৰ বঞ্চনা বিৰোধী। অন্যকথাত এবিধ স্থিতাৱস্থাৰ প্ৰবক্তা, আনবিধত থাকে পৰিবৰ্তনৰ প্ৰয়োজনীয়তাৰ বাৰ্তা। নাটকৰ মাজেদি ৰজা-প্ৰজা বা শাসক-শাসিতৰ স্বাৰ্থৰ সংঘাত এই দৰেই বিবৃত হৈ আহিছে আবহমান কালৰে পৰা। সেয়ে নাটক ভেদে শাসক বা শাসিতৰ শিবিৰত একো একোপাত শক্তিশালী অস্ত্ৰ। শাসকে এই অস্ত্ৰ ব্যৱহাৰ কৰে 'জনগণমন'ক পোহ মনাবলৈ। প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধে যাতে ওজৰ-আপত্তি বিদ্ৰোহ অশান্তি একো নহয় তালৈ লক্ষ্য ৰাখিয়েই সৃষ্টি কৰা হয় এই বিধ নাটক, যাৰ মূল প্ৰতিপাদ্য বিষয় হ'ল ঃ বৰ্তমান ব্যৱস্থাই উত্তম, যি চলি আছে চলি থাকিবলৈ দিয়া, সন্তোষেৰে থাকা। অন্য কথাত শাসক প্ৰভুক চিন্তাত নেপেলাবা, তেৰাৰ সুখ নিদ্ৰাত ব্যাঘাত নজন্মাবা, মানে শাসকৰ ৰক্ষণা-বেক্ষণ। গ্ৰীক পণ্ডিত তথা নাট্য তাত্ত্বিক এৰিষ্টটোলে তেওঁৰ নাটকৰ মাজেৰে শাসকক কেৱল ৰক্ষণাবেক্ষণেই দিয়া নাছিল, প্ৰজা সাধাৰণক ভীতি প্ৰদৰ্শনো কৰিছিল নাটকৰ বক্তব্যৰ দ্বাৰা, যাৰ সাৰাংশ আছিল— প্ৰচলিত ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰাটো অপৰাধ, পাপ আৰু তাকে কৰিলে দেশৰ আইনৰ চকুত দণ্ডনীয় হ'ব— জীৱনলৈ 'কেথাৰ্ছিছ' আহিব। গতিকে এৰিষ্টটোলৰ নাটক আছিল শাসকৰ হাতত দমন পীড়নৰ এক শক্তিশালী অস্ত্ৰ। এৰিষ্টটোলীয় নাট্যধাৰা দেশে-বিদেশে আজিও প্ৰবাহিত। শ্ৰেণী ভিত্তিক সমাজত সেয়াইতো শাসকৰ প্ৰয়োজন।

**আচলতে নাটকৰ ওপৰত বুৰ্জোৱা শ্ৰেণীৰ শেন চকু বহু আগৰে পৰা। বিশেষকৈ 'ৰাজনৈতিক' নাটকৰ ওপৰত। ১৮৪৮ চনত ৰক্তাক্ত গৃহ-যুদ্ধৰ পিছত বুৰ্জোৱা প্ৰতিনিধি লুই বোনাপাৰ্ট ফ্ৰান্সৰ সিংহাসনত বহে আৰু তেতিয়াৰে পৰা বুৰ্জোৱা শ্ৰেণীৰ পৰিবৰ্তিত (শ্ৰমিক বিৰোধী) দৃষ্টিভংগীৰ প্ৰতিফলন কৰিবলৈ ধৰিলে শিল্প, সাহিত্য তথা নাটকত। প্ৰভুত্ব হস্তগত হোৱাৰ পিছত আৰু বুৰ্জোৱা শাসকে কোনো দ্বন্দ্ব নিবিচাৰে— কোনো অশান্তি সহ্য নকৰে। কাৰণ অশান্তি, আন্দোলন মানেই শাসকৰ বিৰোধিতা। সেয়ে নাটকটো থাকিব নোৱাৰিব অশান্তি আন্দোলনৰ কোনো ছবি বা ইংগিত।**

কিন্তু বিপ্লৱী নাট্য ব্যক্তিত্ব এৰৱইন পিছকাটৰ (১৮৯৩-১৯৬৭) আৰু তেওঁৰে নাট্য শিষ্য বিশ্ববন্দিত নাট্যকাৰ, পৰিচালক ব্ৰাটোল্ট ব্ৰেখ্‌টে (১৮৯৮-১৯৫৬) এৰিষ্টটোলীয় পদ্ধতিৰ সম্পূৰ্ণ বিপৰীত এক নাট্য পদ্ধতিৰ উদ্ভাৱনা কৰিলে তেওঁলোকৰ 'এপিক থিয়েটাৰ'ৰ মাজেৰে। এই পদ্ধতিৰ মূল উদ্দেশ্যই হ'ল— ইমান দিনে শাসকীয় নাট্য ঐতিহ্যত ডুব গৈ থকা দৰ্শককুলৰ ভীতিগ্ৰস্ত মানসিক ভীতিমুক্ত কৰি চিন্তাৰ দুৱাৰ খুলি দিয়াটো— তেওঁলোকক চেতনা ঋদ্ধ কৰাটো। পিছকাটৰ, ব্ৰেখ্‌টে বিচাৰিছিল যে নাটক চাই আৱেগমথিত বা ভীতসন্ত্ৰস্ত হোৱাতকৈ দৰ্শকে নাটকৰ কাহিনী বাস্তৱৰ বুকুত পেলাই বুজিবলৈ চেষ্টা কৰক— জনসাধাৰণৰ দুখ দুৰ্দশাৰ কাৰণ বা উৎস বিচাৰি নিজকে নিজে প্ৰশ্ন কৰক। নাটকক শিক্ষাৰ মাধ্যম হিচাপে থিয় কৰোৱাৰ দুৰ্দান্ত প্ৰয়াস এয়া। পিছকাটৰৰ কথাত নাটক হৈছে "The education of the audience even against its will."

এই অভিনৱ নাট্য পদ্ধতিয়ে ইউৰোপৰ নাট্য জগতত খলকনি লগালে। হৈ চৈ লাগিল চৌদিশে। ইমানদিনে চলি অহা নাট্য ৰীতিৰ দৃষ্টিভংগী (উদ্দেশ্য) আৰু 'এপিক থিয়েটাৰ'ৰ দৃষ্টিভংগী (উদ্দেশ্য)ৰ মাজত যি বিৰাট পাৰ্থক্য সি দৰ্শকমানসত বিচৰা মতেই অনুভূত হ'ল। কিয়নো এৰিষ্টটোলীয় নাট্যধাৰাৰ লক্ষ্য হ'ল দৰ্শকৰ আৱেগ, এপিক থিয়েটাৰৰ লক্ষ্য দৰ্শকৰ বিবেক। এৰিষ্টটোলীয় থিয়েটাৰে দৰ্শকক শিকায় যি দেখে তাক মানিবলৈ; এপিক থিয়েটাৰে দৰ্শকক অনুপ্ৰাণিত কৰে জানিবলৈ। এৰিষ্টটোলীয় থিয়েটাৰে বিচাৰে অভিনেতাৰ সমাবেগত আপ্লুত হোৱা দৰ্শকৰ আত্ম বিস্মৰণ; এপিক থিয়েটাৰে বিচাৰে নাট্য কাহিনী বা ঘটনাৰ ওপৰত দৰ্শকৰ বিশ্লেষণ। এই বিশ্লেষণ সহজবোধ্য আৰু অধিক কাৰ্যকৰী কৰাৰ বাবে ব্ৰেখ্‌টে উদ্ভাৱনা কৰিলে এক চাঞ্চল্যকৰ তত্ত্ব— 'দূৰত্বস্থাপন তত্ত্ব' (Theory of Alienation), য'ত অভিনেতাই চৰিত্ৰৰ পৰা ওলাই আহি নিজেই ব্যাখ্যা কৰে সেই চৰিত্ৰ, পৰিস্থিতি। ফলত দৰ্শকৰ সন্মুখত ঘন কুঁৱলী ফালি সুৰুয ওলোৱাৰ দৰে হ'ল। ইমান দিনে নুবুজা সাঁথৰৰ ভেদ ভাঙিবলৈ ধৰিলে। সকলো বুজা হ'ল দৰ্শকে সমস্যা, সংকটৰ কাৰণ, উৎস; শাসকৰ শোষণ-বঞ্চনাৰ স্বৰূপ; নিজৰ প্ৰাপ্য, অধিকাৰ সকলো। সেয়েহে 'দূৰত্বস্থাপন তত্ত্ব'ৰ প্ৰয়োগত প্ৰদৰ্শন কৰা এপিক থিয়েটাৰৰ জনপ্ৰিয়তা বাঢ়নী বানপানীৰ দৰে বাঢ়িবলৈ ধৰিলে। এটা মাত্ৰ উদাহৰণে এপিক থিয়েটাৰৰ অবিশ্বাস্য জনপ্ৰিয়তাৰ প্ৰমাণ দিয়ে যে ব্ৰেখ্‌টৰ 'মাদাৰ কাৰেজ এণ্ড হাৰ চিলড্ৰেন' (Mother Courage and Her Children) নাটকখন একেৰাহে বাৰ বছৰ অভিনীত হৈছিল। সেয়ে জাৰ্মান দৰ্শক চিত্তৰ পৰিবৰ্তনৰ জোঁৱাৰ অহাৰ আগজাননী পালে বুৰ্জোৱা শাসক শিবিৰে। হুলস্থুল লাগিল সমগ্ৰ পুঁজিবাদী তথা সাম্ৰাজ্যবাদী শিবিৰত এই নাট্য শিক্ষাই যে দৰ্শক চিত্ত চেতনাৰ বীজ সিঁচিব তাক সুচতুৰ শাসক গোষ্ঠীয়ে ভালদৰে ধৰিব পাৰিলে। আৰু এইটোও কোনো শাসকৰ বাবে অজ্ঞাত নহয় যে চেতনাই শ্ৰেণী সংঘাত তীব্ৰ কৰে— ত্বৰান্বিত কৰে বিপ্লৱ। সেয়ে এপিক থিয়েটাৰে যে শ্ৰেণী সংঘাত তীব্ৰ কৰাৰ পাঠ দিব বিচাৰিছে দৰ্শককুলক, বিপ্লৱৰ সম্ভাৱনাক যে অধিক আগুৱাই অনাৰ আখৰা চলাইছে তাকে ভাবি শাসক শিবিৰৰ চকুত টোপনি নাইকিয়া হ'ল। তাতে জাৰ্মান নাট্যজগতৰ অবিসম্বাদী নাট্য ব্যক্তিত্ব পিছকাটৰে লিখিলে— 'মই শিল্প সৃষ্টি কৰিবলৈ অহা নাই। ব্যৱসায় কৰিবলৈও অহা নাই। মই বাৰে বাৰে কৈছো যি থিয়েটাৰৰ দায়িত্ব মই গ্ৰহণ কৰিম সি হ'ব বৈপ্লৱিক (অৱশ্যে ব্যৱসায়িক সীমাৰ ভিতৰত) অথবা একেবাৰেই নহয়।'

এনে স্পষ্ট মতাদৰ্শগত ঘোষণাৰ পিছত বুৰ্জোৱা শাসক শ্ৰেণী অধিক প্ৰতিক্ৰিয়াশীল, অধিক আক্ৰমণাত্মক তথা হিংস্ৰ হোৱাৰে কথা। ই যে থিয়েটাৰৰ বোকোচাত দৰ্শক জনগণক প্ৰতিবাদ প্ৰতিৰোধৰ ৰাজনৈতিক ৰচদ যোগোৱাৰ উন্মুক্ত উচ্চাৰণ! ইয়াক হ'বলৈ দিয়া মানেই শাসক গোষ্ঠীৰ সান্দহ

খোৱা বাতি ডুব যাবলৈ দিয়া। সেয়ে এই নাট্য পদ্ধতিৰ ওপৰত পৰিকল্পিত আক্ৰমণ। প্ৰথম আক্ৰমণ আহিল শাসকশ্ৰেণী নিয়ন্ত্ৰিত বুৰ্জোৱা প্ৰেছৰ পৰা। জাৰ্মান সংবাদ মাধ্যমে পিছকাটৰক 'বলছেভিকবাদ'ৰ প্ৰচাৰক আৰু ছোভিয়েট দেশৰ গুপ্তচৰ বুলি প্ৰচাৰ কৰি গ্ৰেপ্তাৰৰ দাবী কৰিলে। এই অপপ্ৰচাৰত দেশৰ বুদ্ধিজীৱী মহলো পক্ষে বিপক্ষে দ্বিধাবিভক্ত হ'ল। এই পৰিস্থিতিত পিছকাটৰে যি থিয়েটাৰত কাম কৰিছিল সেই 'ফোলকছ্ ব্যুহনে' (Folks Buehne) কৰ্তৃপক্ষ ইমানেই বিচলিত হৈছিল যে পিছকাটৰে তাৰ পৰিচালকৰ পদৰ পৰা ইস্তাফা দিয়ে। প্ৰতিষ্ঠা কৰে পিছকাটৰ ব্যুহনে। কিন্তু প্ৰতিক্ৰিয়াশীল সংবাদ পত্ৰৰ ক্ৰমাগত অপপ্ৰচাৰ আৰু হিটলাৰৰ নাজী বাহিনীৰ উৎপীড়নত তিষ্ঠিব নোৱাৰি ১৯৩১ চনত পিছকাটৰে দেশ ত্যাগ কৰিবলৈ বাধ্য হয়। একেইদৰে দেশান্তৰ হ'ব লগা হৈছিল পাৰ্টোল্ট ব্ৰেখ্‌ট, ব্ৰাজিলৰ বিপ্লৱী নাট্য পৰিচালক আউগুস্তো বোৱাল, ফ্ৰান্সৰ এমিনা জোলা, ইংলেণ্ডৰ পি বি শ্বেলি আৰু যে কত স্ৰষ্টা, শিল্পী! শাসক শ্ৰেণীৰ ৰাজনৈতিক স্বাৰ্থহানি কৰিলে কাকো ৰেহাই দিয়া নহয়। শিল্পী সাহিত্যিককো। আমাৰ এই মুলুকত গুৰু শংকৰদেৱো হৈছিল এই কোপৰ বলি।

আচলতে নাটকৰ ওপৰত বুৰ্জোৱা শ্ৰেণীৰ শেন চকু বহু আগৰে পৰা। বিশেষকৈ 'ৰাজনৈতিক' নাটকৰ ওপৰত। ১৮৪৮ চনত ৰক্তাক্ত গৃহ-যুদ্ধৰ পিছত বুৰ্জোৱা প্ৰতিনিধি লুই বোনাপাৰ্ট ফ্ৰান্সৰ সিংহাসনত বহে আৰু তেতিয়াৰে পৰা বুৰ্জোৱা শ্ৰেণীৰ পৰিবৰ্তিত (শ্ৰমিক বিৰোধী) দৃষ্টিভংগীৰ প্ৰতিফলন কৰিবলৈ ধৰিলে শিল্প, সাহিত্য তথা নাটকত। প্ৰভূত্ব হস্তগত হোৱাৰ পিছত আৰু বুৰ্জোৱা শাসকে কোনো দ্বন্দ্ব নিবিচাৰে— কোনো অশান্তি সহ্য নকৰে। কাৰণ অশান্তি, আন্দোলন মানেই শাসকৰ বিৰোধিতা। সেয়ে নাটকটো থাকিব নোৱাৰিব অশান্তি আন্দোলনৰ কোনো ছবি বা ইংগিত। এই ৰাজনৈতিক দৃষ্টিভংগীৰ পটভূমিতেই মহান ছেক্সপিয়াৰো অপ্ৰিয় হৈ পৰিছিল বুৰ্জোৱা শাসকৰ দৃষ্টিত। কিয়নো ছেক্সপিয়াৰৰ নাটকত আছিল হত্যা, চক্ৰান্ত, ক্ৰুৰতা, ছলনা, প্ৰেম, ব্যাভিচাৰ, পৰিণয় ইত্যাদি সকলো মানৱীয় আৱেগ অনুভূতিৰ দ্বন্দ্ব, সংঘাত। বুৰ্জোৱা মানস ভীত সন্ত্ৰস্ত হৈছিল ছেক্সপিয়াৰৰ নাটক চাই। একেদৰে বুৰ্জোৱা দৃষ্টিভংগীত আঘাত হানিছিল ইবছেনৰ 'ডলছ হাউছ', গ্যোটেৰ 'গ্যোটছ ফন বেৰ্লিখিঙ্গেল' আদি নাটকে। আমাৰ দেশ ভাৰতবৰ্ষতো বুৰ্জোৱা সামন্তবাদী শাসকৰ হৃদপিণ্ডৰ পেপেনি বঢ়াইছিল বিপ্লৱী নাট্য ব্যক্তিত্ব উৎপল দত্তৰ 'অংগাৰ', কল্লোল', 'দুঃস্বপ্নৰ নগৰী' আদি নাটকে। 'কল্লোল' (বৃটিছৰ বিৰুদ্ধে নৌবিদ্ৰোহ) নাটক লিখা আৰু কৰাৰ অপৰাধত উৎপল দত্তই ১৯৬৬চনত ছয়মাহ কাৰাবাসত থাকিবলগীয়া হৈছিল। 'দুঃস্বপ্নৰ নগৰী'ৰ বাবে নাট্য ব্যক্তিত্ব গৰাকীৰ বিৰুদ্ধে অনা হৈছিল দেশদ্ৰোহিতাৰ অভিযোগ, যিটো প্ৰমাণ কৰিব নোৱাৰিলে স্বাধীন দেশৰ শাসক বৰ্গই। স্থান, কাল ভিন্ন হ'লেও সকলোতে শ্ৰেণী স্বাৰ্থৰ চৰিত্ৰ একে— শাসক-শোষকৰ প্ৰতিক্ৰিয়া একে। এইবাবেই উৎপল দত্তকে আদি কৰি একাংশ বিপ্লৱী নাট্য কৰ্মীয়ে সৃষ্টি তথা লালন কৰা আমাৰ প্ৰগতিশীল নাট্য ধাৰাটোক নিষ্প্ৰভ, নিশকতীয়া কৰি মৃত্যু মুখলৈ ঠেলি দিয়াৰ বাবে দেশৰ শাসকে যিদৰে হেজাৰটা ৰাজহাউলী মুখী জীৱন বিমুখ নাট্যদল দখলৰ বাবে গণহত্যা হওক— প্ৰতিবাদ হ'ব নোৱাৰিব, কোনো ৰূপত কোনো পৰ্যায়ত। সাম্ৰাজ্যবাদী দৰ্শনৰ এয়ে আচল কথা। সেয়ে প্ৰতিবাদী নাটকৰ কণ্ঠৰোধ কৰাৰ বাবে ইমান তৎপৰ— ইমান জঘন্য হৈ পৰে এই শিবিৰ। প্ৰয়োজনত যিকোনো পৰ্যায়লৈ নামি যাব— যিকোনো পন্থা অৱলম্বন কৰিব।

প্ৰতিবাদী বা বৈপ্লৱিক থিয়েটাৰৰ আঁৰত এটা মতাদৰ্শগত ভিত্তি থাকে। সেই মতাদৰ্শ নাট্যকাৰৰ— সেই মতাদৰ্শ পৰিচালকৰ অথবা হ'ব পাৰে সেই মতাদৰ্শ থিয়েটাৰ কৰ্তৃপক্ষৰ। সেয়ে তেনে থিয়েটাৰক বাধা দিব লাগিলে, প্ৰভাৱ খৰ্ব কৰিব লাগিলে আক্ৰমণো আহিব লাগিব মতাদৰ্শগতভাৱে। সমাজৰ বৈপ্লৱিক মতাদৰ্শৰ বৃহত্তৰ ভেটিটোকে যদি থান-বান কৰি দিব পৰা যায় তেনেহলে সাম্ৰাজ্যবাদ বিৰোধী আন বহুতো প্ৰগতিশীল ক্ৰিয়া কৰ্মৰ লগতে বৈপ্লৱিক থিয়েটাৰৰো আধ্যা নপৰিবনে? নিশ্চয় পৰিব। কিন্তু আদৰ্শৰ ভেটি ভাঙিবলৈ লাগিব আদৰ্শ বা দৰ্শন। উত্তৰ আধুনিক দৰ্শন হৈছে বৈপ্লৱিক মতাদৰ্শৰ ভেটি তছনছ কৰিবলৈ সম্ৰাজ্যবাদী শিবিৰে উদ্ভাৱনা কৰা একা ছদ্মবেশী ৰাজনৈতিক দৰ্শন।

উত্তৰ আধুনিক সমাজৰ কাল পৰ্বৰ সূচনা হিচাপে ধৰা হৈছে ঠিক দ্বিতীয় বিশ্ব যুদ্ধোত্তৰ পৃথিৱী। অত্যন্ত গুৰুত্বপূৰ্ণ সময়। ফেচীবাদৰ পৰাজয়, সমাজবাদী লাল ফৌজৰ ঐতিহাসিক বিজয়, ফ্ৰান্স পুনৰুদ্ধাৰ (১৯৪৪), চীনৰ বৈপ্লৱিক সাফল্য (১৯৪৯), দিশে দিশে জাতীয় মুক্তি আন্দোলন আৰু ৪০ৰ দশকৰ শেষত সমগ্ৰ পৃথিৱীৰ ছাত্ৰ যুৱকৰ 'স্পনছৰ' কৰে; সেইদৰে ইউৰোপ, আমেৰিকাৰ সাম্ৰাজ্যবাদী শিবিৰে দূৰত্ব স্থাপন বা বিয়োজন তত্ব পুষ্ট এপিক থিয়েটাৰৰ লগতে আন বৈপ্লৱিক থিয়েটাৰৰ দুৰন্ত প্ৰভাৱ খৰ্ব কৰাৰ বাবে সৃষ্টি কৰে— যৌন লালসা, ব্যাভিচাৰ, তথা ড্ৰাগছ আসক্তিৰে ভৰা-জুলিয়ান

**এই কথাবোৰে চেতনাৰ জগতত ভীষণভাৱে কাম কৰিছে। বিশেষকৈ নাগৰিক সমাজত। সেইবাবেই মানুহ ব্যস্ত হৈ পৰিছে 'নিগনি দৌৰ'ত। জিকিব লাগে। মেডেল লাগে— চাৰ্টিফিকেট লাগে। আনৰ যি আছে তাতকৈ মোক বেছি লাগে। লাগে, লাগে কেৱল লাগে। লাগেৰ পিছত দৌৰোতে মানুহ নিজৰ অজ্ঞতাই হৈ পৰিছে বিচ্ছিন্ন। নিঃসংগ। একক। সমষ্টিগত ধ্যান-ধাৰণা হেৰাই গৈছে। মন-মগজু ভৰি পৰিছে নিৰীৰ্যতাৰে।**

বেক আৰু জুডিথ মালিনাৰ 'লিভিং থিয়েটাৰ', ৰিচাৰ্ড ছেখ্নাৰৰ 'পাৰফৰমেন্স গ্ৰুপ'ৰ দৰে নাট্যদল। নাট্য তাত্বিক সজাব খোজে এলেন কাপ্ৰো, জিম ডাইন, জ্যঁ-জাক লেবেলৰ দৰে শিল্পীৰূপী ড্ৰাগছ মাতাল যৌন কীটক। ইহঁতৰ কোনোবাই যদি নাটকৰ নামত উলংগ হৈ মঞ্চত শৌচ, পেচাব কৰি সাৰটা-সাৰটিৰে 'লাভ পাইল' সৃষ্টি কৰিছে (প্যাৰাডাইছ নাও ঃ লিভিং থিয়েটাৰ) কোনোবাই আকৌ উলংগ অভিনেতৃগণে দৰ্শকৰ ওপৰত উবুৰি খাই পৰি যৌন ব্যাভিচাৰ কৰাকে বৈপ্লৱিক নাটকৰূপে প্ৰতিপন্ন কৰিব বিচাৰিছে (পাৰফৰমেন্স গ্ৰুপ)। কোনোবাই মঞ্চত বিবস্ত্ৰা যুৱতীৰ নিতম্বত ছবি আঁকি নাট্য বিপ্লৱৰ সূচনা কৰিব বিচাৰিছে (জ্যঁ জাক লেবেল) আন কোনোবাই আকৌ অভিনেতৃগণৰ লগত দৰ্শককো উলংগ হৈ নৃত্য কৰিবলৈ দি (হেপেনিংঃ এলেন কাপ্ৰো) 'নতুন নাট্য ধাৰা'ৰ উদ্ভাৱন কৰাৰ প্ৰয়াস কৰিছে। এইবোৰৰ আঁৰত থকা নিকৃষ্ট ৰাজনীতিৰ স্বৰূপ প্ৰকাশ পায় তেতিয়াহে যেতিয়া এই বিভৎস গণ মৈথুন আৰু বিকৃতিৰে ভৰা যৌন ব্যাভিচাৰবোৰৰ পিচত অৰ্থগৃন্ধু ৰণোন্মাদ মাৰ্কিন সাম্ৰাজ্যবাদী শাসকগোষ্ঠীয়ে সিহঁতৰ সংবাদ মাধ্যমৰ যোগেদি বিশ্বজোৰা উল্লাস প্ৰচাৰ কৰে— 'নতুন নাট্যধাৰাৰ জন্ম হৈছে।' এইবাৰ ব্ৰেখ্‌টহঁত কোন ৰসাতলত ডুব যাব তাৰ ঠিকনা নাই। লক্ষ্য ব্ৰেখ্‌টহঁত! নিজৰ স্বাৰ্থ সিদ্ধিৰ নামত ইহঁত ইমানেই অন্ধ হৈ পৰে যে শৌচালয় আৰু থিয়েটাৰৰ পাৰ্থক্য ধৰিব নোৱাৰা হয়; চিনিব নোৱাৰা হয় বেশ্যালয় আৰু নাট্যশালাৰ সীমাৰেখা। সেইবাবেই সাম্ৰাজ্যবাদী শিবিৰৰ উচ্ছিষ্টভোগী জুডিথ মালিনাই সিহঁতৰ 'প্যাৰাডাইছ নাও' নাটকৰ পিছত স্পৰ্দ্ধাৰ সীমা পাৰ হৈ ক'ব পাৰিছিল—'It is a play that wants to make revolutionaries of the people on the sopt!' ড্ৰাগছ খাই যৌন লালসাত ডুবি গ'লেই বোধহয় বিপ্লৱী হয়, জুডিথ মালিনাহঁতৰ মতে— আচলতে ড্ৰাগছ, যৌন প্ৰলোভনৰ প্ৰকোপত প্ৰতিবাদ প্ৰতিৰোধৰ মেৰুদণ্ড ভাঙি দিয়াই এই সকলোবোৰৰ একমাত্ৰ উদ্দেশ্য। শোষণ চলক, লুণ্ঠন হওক, পৰৰাজ্য প্ৰধান ৰণধ্বনি আছিল সমাজবাদ, বুৰ্জোৱা দৰ্শনৰ বিকল্প হিচাপে প্ৰতিষ্ঠিত মাৰ্ক্সবাদ-লেনিনবাদ।

গতিকে তেতিয়াৰ সমসাময়িক পৰিস্থিতিয়ে পুঁজিবাদ সাম্ৰাজ্যবাদৰ চকুত আঙুলি দি দেখুৱাই দিলে যে সিহঁতৰ আচল শত্ৰু হৈছে সমাজতান্ত্ৰিক মতাদৰ্শ, যি বিদ্যুৎ গতিত অগ্ৰসৰ হৈছে সমগ্ৰ পৃথিৱীত সঞ্চাৰিত হ'বলৈ। সেই অনিৰুদ্ধ গতিক বাধা দিবলৈ প্ৰথম আক্ৰমণ আহিল ৫০ৰ দশকৰ বিখ্যাত সমাজ তাত্বিক চি ডব্লিউ মিলছৰ মুখ নিসৃত উক্তিৰ ৰূপত— 'নৱজাগৰণৰ প্ৰতিজ্ঞা যুক্তি তথা স্বাধীনতাৰ ঐক্যবদ্ধ প্ৰগতিৰ যুগ হৈছে আৰু একেলগে এই বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত দুই চিন্তা- উদাৰ নীতিবাদ আৰু সমাজবাদ উভয়ৰে মৃত্যু ঘটিছে। এই কাৰণে এই দুই চিন্তাই আজিৰ পৃথিৱী আৰু মানৱ সমাজৰ গতি প্ৰকৃতি ব্যাখ্যা কৰিব পৰা নাই।'

উত্তৰ আধুনিক দৰ্শনৰ প্ৰথম স্পষ্ট সংক্ষিপ্ত দৃষ্টিভংগী লুকাই আছে এই উক্তিৰ মাজত। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল— কথাখিনিৰ দ্বাৰা ইতিহাসক অস্বীকাৰ কৰা হৈছে। আন এটা অতি মাৰাত্মক তথা বিপজ্জনক দিশ উপস্থাপিত কৰা হ'ল যে সমাজ ব্যৱস্থা বুলি একো নাই। অৰ্থাৎ ক'ব বিচৰা হৈছে যে প্ৰত্যেকেই একক, বিচ্ছিন্ন, আত্মসত্তা নিৰ্ভৰশীল। প্ৰত্যেকেই নিজস্ব চিন্তাভাৱনাৰে স্বাধীন। প্ৰত্যেকেই প্ৰত্যেকৰ পৰা ভিন্ন মানুহ। ধৰাবন্ধা গৎ নাই। সেয়ে মানুহৰ দুখ-যন্ত্ৰণাৰ কাৰণ বিচাৰি সমাজৰ ফালে চোৱাৰ প্ৰয়োজন নাই। কাৰণ সমাজ নায়েই। গতিকে সমাজ পৰিৱৰ্তন কৰাৰ প্ৰশ্ন এক বিভ্ৰান্তি মাথোঁ। এই দৰ্শনৰ আন এক ভাষ্য বহু আগেই সমাধিস্থ হৈছে একেই স্বাৰ্থৰ মানুহেৰে গঠিত শ্ৰেণীৰ ধাৰণা। শ্ৰেণী নাই যেতিয়া, শ্ৰেণী সংগ্ৰাম বাতুলতা মাথোঁ।

মূল কথাই হৈছে শ্ৰেণী সংগ্ৰাম। অৰ্থাৎ প্ৰতিবাদ, প্ৰতিৰোধ-পৰিৱৰ্তন। যি কোনো উপায়ে শ্ৰেণী সংগ্ৰাম নাইকিয়া কৰিব পাৰিলেই ৰক্ষা! সৰ্বত্ৰ এই প্ৰচেষ্টা প্ৰয়াস। 'মিষ্ট্ৰিজ' নাটকৰ প্ৰোগ্ৰামত জুলিয়ান বেকে লিখিলে— ভাৰতীয় যোগীসকল আমাৰ আদৰ্শ; কাৰণ তেওঁলোক সমাহিত; সামাজিক বা ৰাজনৈতিক সংগ্ৰামত তেওঁলোক

জড়িত নহয়—They do not engage in social or political struggles। ৰাজনৈতিক সংগ্ৰামত জড়িত হোৱাটোহে যত অনৰ্থৰ মূল। এই অনৰ্থৰ মূলোৎপাটন কৰিবলৈকে সাম্ৰাজ্যবাদী শিবিৰে নতুনকৈ হাজিৰ কৰিছেহি বিশ্বায়নৰ 'Plain field theory' মন্ত্ৰ, য'ত কোৱা হৈছে— এই জগত মসৃণ, ৰাজনৈতিক দ্বন্দ্বৰ যুগ, ক্ৰমশঃ শেষ হৈ আহিছে। ধনবাদেই মূল কথা— ধনবাদেই ব্যাপক। ক্ষুৰধাৰ প্ৰতিযোগিতাৰ তালমাতালত অস্থিৰ, চঞ্চল পৃথিৱীয়ে চিৰ সত্য।

এই কথাবোৰে চেতনাৰ জগতত ভীষণভাৱে কাম কৰিছে। বিশেষকৈ নাগৰিক সমাজত। সেইবাবেই মানুহ ব্যস্ত হৈ পৰিছে 'নিগনি দৌৰ'ত। জিকিব লাগে। মেডেল লাগে— চাৰ্টিফিকেট লাগে। আনৰ যি আছে তাতকৈ মোক বেছি লাগে। লাগে, লাগে কেৱল লাগে। লাগেৰ পিছত দৌৰোতে মানুহ নিজৰ অজ্ঞতাই হৈ পৰিছে বিচ্ছিন্ন। নিঃসংগ। একক। সমষ্টিগত ধ্যান-ধাৰণা হেৰাই গৈছে। মন-মগজু ভৰি পৰিছে নিৰ্বীৰ্যতাৰে। প্ৰলোভন প্ৰত্যাশাৰ জালত সোমাই মানুহ হৈ পৰিছে কোঙা। ওজৰ-আপত্তি কৰাৰ সাহস হেৰাইছে। প্ৰতিবাদ প্ৰতিৰোধৰ শক্তি নাই। দ্বন্দ্ব নাই- সংঘাত নাই। সকলো মসৃণ। সেয়ে ৰাজনৈতিক নাটকৰ (ৰাজনৈতিক মতবাদ পুষ্ট) উপজীব্য সুতীক্ষ্ণ দ্বন্দ্ব, য'ত ব্যক্তি মানুহ নহয়, চেম্পিয়ন হয়। হিৰো হয় মানুহৰ প্ৰজ্ঞাবোধ, সচেতনতা, সমষ্টিৰ সংগ্ৰাম, সি হেৰাই যাব ধৰিছে। গণ্ডাই গণ্ডাই উপস্থিত হৈছেহি মধ্যবিত্তৰ ড্ৰয়িং ৰুমৰ মিঠা কোমল আলাপচাৰিতা, নীতি কথাৰ ফুলজাৰি, জীৱন বীমাৰ প্ৰিমিয়াম, টেক্স চেভিং বণ্ড, পৰকীয়া প্ৰেম, দৈহিক সুখ, নষ্টালজিয়া আদিৰে ভৰা ৰক্তহীন নাটক। আমাৰ দেশ-বিদেশৰ ৰংগশালা ভৰি পৰিছে এই বিধ নাটকেৰে। উত্তৰ আধুনিক দৰ্শনৰ পাণ্ডা হঁতেতো তাকেই বিচাৰে। ৰাজনৈতিক নাটক সমাধিস্থ হওক,— উত্তৰ আধুনিক দৰ্শনৰ চিকাৰ হোৱা শিল্প সাহিত্য নাটকৰ ৰমৰমা হওক। সেয়ে একক মানুহৰ মেৰুদণ্ডহীন লৰা-ঢপৰাৰ বিপৰীতে যাতে কোনো নতুন উপলব্ধি নহয়, বিশেষকৈ বুদ্ধিজীৱী মহলত তাৰ বাবে বিশেষ সতৰ্কতা অৱলম্বন কৰে উত্তৰ আধুনিক দৰ্শনৰ প্ৰৱক্তা সাম্ৰাজ্যবাদী শিবিৰে। দৰাচলতে বিশ্বায়নৰ লগত উত্তৰ আধুনিক দৰ্শনৰ সংমিশ্ৰণ ঘটোৱাৰ মূল উদ্দেশ্যটোৱে হ'ল— সমাজৰ বিষয়ে চিন্তা কৰিব পৰা মানুহ চামক কাবু কৰাটো। তেতিয়া হ'লেই চৌদিশ নিৰাপদ, সুখ নিদ্ৰা নিষ্কণ্টক।

কিন্তু মিছা হ'ব এই জল্পনা-কল্পনা। সাময়িক বিভ্ৰান্তি বুলি প্ৰমাণিত হ'ব উত্তৰ আধুনিক দৰ্শনৰ সমস্ত প্ৰতিপাদ্য। ইতিমধ্যে সেই লক্ষণ ফুটি উঠিব লাগিছে। লেটিন আমেৰিকাৰ ৰাজনৈতিক পট সাম্ৰাজ্যবাদৰ বিপৰীতে সঘনে পৰিৱৰ্তন হ'ব লাগিছে। সাম্ৰাজ্যবাদৰ শক্তিশালী ঘাটিতে নতুন নতুন দ্বন্দ্ব মূৰ ডাঙি উঠিছে। দ্বন্দ্বহীন পৃথিৱী যিদৰে অলীক কল্পনা, মানুহৰ শ্ৰেণীহীন অস্তিত্বও সেইদৰে বাতুলতা মাথো। গতিকে শ্ৰেণীদ্বন্দ্বৰ আধাৰত সৃষ্ট ৰাজনৈতিক নাটকৰ দিন শেষ হৈছে বুলি চৌদিশে যি ৰব উঠিছে এতিয়া, তাক নিস্তব্ধ কৰি বিশ্বায়ন— উত্তৰ আধুনিক দৰ্শন যুটিয়ে সৃষ্টি কৰা দ্বন্দ্বৰ মহাসাগৰতে প্ৰাণৱন্ত হৈ ভাঁহিব ৰাজনৈতিক নাটকৰ ৰঙীন পানচৈ। কিয়নো উইলিয়াম আৰ্চাৰে যথাৰ্থভাৱে কৈ থৈছে 'The essence of drams is crisis' আজিৰ সাম্ৰাজ্যবাদী দুনিয়াই সৃষ্টি কৰা সংকটৰ গৰ্ভ ফালিয়েই জন্ম ল'ব সংকট মোচনৰ জংগী প্ৰেৰণা দিব পৰা নাটকে। স্মৰ্তব্য যে আজি পৰ্যন্ত পৃথিৱীৰ নাট্য সাহিত্যৰ ইতিহাসত কালজয়ী নাটকৰ ইতিহাস মানে ৰাজনৈতিক নাটকৰে ইতিহাস। ৰাজনৈতিক নাটকৰ বুকুতেই মানুহ আৰু মানুহৰ সমাজ ভাস্বৰ। কিয়নো— 'আজি ৰাজনীতিতেই মানুহ সকলোতকৈ বেছি পৰিস্ফুট, ৰাজনীতিৰ মাজতহে মানুহ যথাৰ্থ মানুহ। একমাত্ৰ ৰাজনীতিৰ মাজেৰেই আজি সমগ্ৰ বিশ্বত মানুহে পুঁজিবাদী বিচ্ছিন্নতাৰ বিৰুদ্ধে সংগ্ৰাম কৰি পূৰ্ণাংগ হ'ব ধৰিছে আৰু হোৱাৰ প্ৰয়াস কৰিছে।'

কথাখিনি ভাৰতীয় থিয়েটাৰৰ কিংবদন্তি উৎপল দত্তৰ। প্ৰতিজন ৰাজনৈতিক থিয়েটাৰ কৰ্মীয়ে প্ৰতি মুহূৰ্তে এই কথা মনত ৰখা উচিত।

**ঋণ স্বীকাৰ ঃ**

*১। ৰাজনৈতিক থিয়েটাৰ ঃ বহমান ধাৰা (গ্ৰুপ থিয়েটাৰ) ঃ সাগৰ বিশ্বাস।*

*২। উত্তৰ আধুনিকতা ও ৰাজনৈতিক নাটক (গ্ৰুপ থিয়েটাৰ)ঃ সমুদ্ৰগুহ।*

*৩। জপেনদা জপেনযা ঃ উৎপল দত্ত*

# বিপ্লৱবাদ আৰু ভাৰতৰ স্বাধীনতা আন্দোলন



**মনোৰঞ্জন দত্ত**
*স্নাতক প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ*

ভাৰতৰ স্বাধীনতা সংগ্ৰামত বিপ্লৱবাদী আন্দোলন হৈছে কম পৰিমাণে গুৰুত্ব লাভ কৰা বিপ্লৱী ধাৰা। বংগ ভংগ আন্দোলনৰ পৰা আইন অমান্য আন্দোলনলৈকে এই সময়চোৱাত বিপ্লৱবাদীসকলে ভাৰতৰ স্বাধীনতা সংগ্ৰামত এক গভীৰ প্ৰভাৱ পেলাইছিল। যদিও গান্ধীজীৰ নেতৃত্বত চলা অহিংস আন্দোলনৰ ফলত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল; তথাপি ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ কেইবাটাও গৌৰৱময় অধ্যায় ৰচিত হৈছিল বিপ্লৱবাদী সংগ্ৰামত বিশ্বাসী নেতাসকলৰ আত্মত্যাগ, নিষ্ঠা আৰু গভীৰ দেশপ্ৰেমৰ মৰ্মস্পৰ্শী কাহিনীৰে। এটা কথা ঠিক যে, গান্ধীজীৰ নেতৃত্বত চলা অহিংস আন্দোলনতে দেশৰ জনতাই সমুদ্ৰ তৰংগৰ দৰে আৱেগৰ পাৰ ভঙা উচ্ছ্বাসেৰে বৃটিছক প্ৰত্যাহ্বান জনাইছিল। কিন্তু অসহযোগ আন্দোলনৰ পৰা বিয়াল্লিছৰ আন্দোলনলৈকে গান্ধীজীৰ অহিংস আদৰ্শৰ সীমা চেৰাই দেশৰ জনতাই মাজে সময়ে বৃটিছ চৰকাৰৰ বিৰুদ্ধে পুঞ্জীভূত ক্ষোভৰ বহিঃপ্ৰকাশ কৰিছিল। এই পুঞ্জীভূত ক্ষোভ আৰু ঘৃণাই বিপ্লৱবাদীসকলৰ হাতত সংগঠিত সশস্ত্ৰ সংগ্ৰামৰ ৰূপ লৈছিল। অহিংসাৰ পূজাৰীসকলৰ বাবেও সেই আত্মবলিদান আছিল শ্ৰদ্ধা আৰু প্ৰেৰণাৰ উৎস। সূৰ্যসেনৰ বীৰত্বই যিদৰে সমগ্ৰ ভাৰতবাসীক নিৰ্ভয় আৰু নিঃস্বাৰ্থ হ'বলৈ শিকাইছিল। সেইদৰে, সশস্ত্ৰ সংগ্ৰামী ভগৎ সিঙৰ ফাঁচীয়ে অহিংসাৰ সমৰ্থকসকলকো শোকাগ্ৰস্ত কৰি তুলিছিল। এই আত্মত্যাগীসকলৰ প্ৰতি কংগ্ৰেছ মহাসভায়ো প্ৰস্তাৱযোগে শ্ৰদ্ধা জনাইছিল। নেতাজী সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত হোৱা সমৰ অভিযান আৰু লাল-বাল-পালৰ সংগ্ৰামো এই বিপ্লৱৰ অংশ আছিল। কিন্তু স্বাধীনতাৰ পিছত বা তাৰ আগতো এই মহান আত্মবলিদানে দেশৰ জনতাৰ মাজত যি হিচাপে গুৰুত্ব লাভ কৰিব লাগিছিল সিমান গুৰুত্ব লাভ কৰা দেখা নগ'ল। ১৯৪৭ চনৰ ১৫ আগষ্টত যেতিয়া ভাৰতীয় জাতীয় কংগ্ৰেছে বৃটিছ চৰকাৰৰ পৰা ভাৰত ৰাষ্ট্ৰৰ শাসনভাৰ গ্ৰহণ কৰিছিল তেতিয়া বিপ্লৱবাদীসকলৰ দেশপ্ৰেম আৰু হিংসাত্মক বিপ্লৱক কাৰ্যপন্থা হিচাপে গৰিহণা দিয়া হৈছিল। কিন্তু, ঠিক সেই কাৰণতে বিপ্লৱবাদক স্বাধীনতা আন্দোলনৰ এক গুৰুত্বপূৰ্ণ ধাৰা বুলি স্বীকৃতি নিদিয়াটো অসমৰ্থনযোগ্য, অসত্য তথা অন্যায়। প্ৰকৃততে, এই ধাৰাটোৱে বৃটিছ চৰকাৰক পদচ্যুত কৰি অহিংস ধাৰাৰ সফলতাত প্ৰকাৰান্তৰে সহায় কৰাৰ উপৰিও সময়ে সময়ে স্বাধীনতা সংগ্ৰামৰ উৎসাহ আৰু দেশপ্ৰেমৰ জুইকুৰা ভাৰতীয় জনগণৰ মনত জ্বলাই ৰখাত প্ৰধান ভূমিকা লৈছিল।

আলোচনাৰ সুবিধাৰ্থে বিপ্লৱবাদী আন্দোলনক তিনিটা ধাৰাত ভাগ কৰিব বিচৰা হৈছে। প্ৰথমটো ধাৰাত ঊনবিংশ শতাব্দীৰ পৰা বিংশ শতাব্দীৰ প্ৰথম দশকলৈকে ধৰা হৈছে। এই সময়চোৱাত গণতান্ত্ৰিক জাতীয় চিন্তাৰ বিশেষ প্ৰভাৱ পৰা নাছিল। ইয়াৰ পৰিৱৰ্তে ধৰ্মীয় ৰহস্যবাদৰ প্ৰভাৱ আছিল স্পষ্ট। দ্বিতীয় পৰ্যায়ত অৰ্থাৎ মহাযুদ্ধৰ কালছোৱাত ধৰ্মীয় ৰহস্যবাদৰ প্ৰভাৱ হ্ৰাস পায়। নানা আন্তৰ্জাতিক যোগাযোগ তথা সমাজৰ আভ্যন্তৰীণ বিকাশৰ ফলত বিপ্লৱবাদৰ মাজত নতুন মৌলিক উপাদান যোগ হয়। কিন্তু তেতিয়াও এক পূৰ্ণ বিকশিত গণতান্ত্ৰিক জাতীয় আদৰ্শ গঢ় লৈ উঠা নাছিল। বিশেষকৈ তেতিয়া সমাজৰ মাজত সাম্প্ৰদায়িকতাই গা কৰি আছিল। তৃতীয় পৰ্যায়ত অসহযোগৰ ব্যৰ্থতাৰ পৰা আইন অমান্য আন্দোলনৰ সীমাবদ্ধতালৈকে এই সময়চোৱাত ধৰ্ম নিৰপেক্ষ, যুক্তিবাদী আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰ চিন্তা প্ৰবল হৈ পৰিছিল।

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পিছত ভাৰতবাসীৰ ক্ষোভ শাম কটাবলৈ মহাৰাণী ভিক্টোৰিয়াই বৃটিছ কোম্পানীৰ ঠাইত বৃটিছ চৰকাৰৰ প্ৰত্যক্ষ শাসন প্ৰৱৰ্তন কৰিলে। নতুন বৃটিছ চৰকাৰে ভাৰতবাসীৰ পুৰণা ৰীতি-নীতিৰ ওপৰত হস্তক্ষেপ নকৰে বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু ঔপনিৱেশৰ বাস্তৱ চৰিত্ৰই হৈছে শোষণ আৰু শাসন। তেওঁলোকে বহুতো ৰাজ্যত নিজৰ সেনা বাহিনী প্ৰয়োগ কৰি ৰাজ্যসমূহৰ প্ৰকৃত শাসনৰ জৰীডাল নিজৰ হাতত ৰাখিছিল। এই ব্যৱস্থাটোত ভাৰতবৰ্ষৰ জনসাধাৰণৰ অৱস্থা হৈ পৰিছিল দৰিদ্ৰ আৰু মৰ্মান্তিক। কেৱল মধ্যবিত্ত সকলৰ সৈতে সম্পৰ্ক গঢ়া (যিসকল আছিল দেশৰ জনসাধাৰণৰ মাত্ৰ এক শতাংশ), সামন্তবাদী প্ৰথাৰে শাসন চলোৱাৰ উপৰিও এওঁলোকে দুই প্ৰধান ধৰ্মীয় সম্প্ৰদায় হিন্দু আৰু মুছলমান লোকসকলৰ মাজত তথা উচ্চ-নিম্ন বৰ্গৰ লোকসকলৰ মাজতো বিভেদৰ সৃষ্টি কৰিছিল। গতিকে আত্মবিকাশ আৰু আত্ম প্ৰতিষ্ঠাৰ সকলো সুযোগ হেৰুৱাই পেলোৱাত ভাৰতীয় জনগণে এনে ভয়ংকৰ শাসন ব্যৱস্থাৰ পৰা শীঘ্ৰেই মুক্তি বিচাৰিছিল। বাছি লৈছিল আন্দোলনৰ পথ।

ঊনবিংশ শতিকাৰ শেষৰ দশকৰ পৰা প্ৰথম বিশ্বযুদ্ধলৈকে এই সময়চোৱাত ক্ৰমে ক্ৰমে বৃটিছ সাম্ৰাজ্যৰ বিশালতাই বৃটিছ শাসকসকলৰ মনত এক অভূতপূৰ্ব গৰ্বৰ সৃষ্টি কৰাৰ বিপৰীতে ভাৰতবৰ্ষৰ আধুনিক শিক্ষিত চামে সেই সাম্ৰাজ্যৰ প্ৰতি অনুভৱ কৰিছিল তীব্ৰ বিৰাগ। ১৮৮৫ চনত স্থাপন হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছেও বৃটিছ সাম্ৰাজ্যৰ প্ৰতি অনুগতই আছিল। কিন্তু বংগ ভংগৰ বিৰুদ্ধে ক্ষোভ আৰু ক্ৰোধে যুৱ সমাজৰ মাজত যেন খাৰ-বাৰুদৰ স্তূপ গঢ়ি তুলিছিল। ঠিক এনে সময়তে জাৰ শাসিত ৰাছিয়াৰ নৌ-বাহিনীক এছিয়াৰ শক্তি জাপানৰ নৌ বাহিনীয়ে পৰাস্ত কৰাত বংগ দেশৰ তৰুণসকলৰ মনত এই ঘটনাৰ উৎসাহে বৃটিছ বিৰোধী অভিযানৰ আগ্ৰহ জগাই তুলিলে।

স্বামী বিবেকানন্দৰ প্ৰভাৱত সেই সময়ৰ বংগ দেশত শিক্ষিত মধ্যবিত্ত সমাজত 'আত্মোন্নতি সমিতি', 'বান্ধৱ সমিতি', 'সাধনা সমিতি' আদি বহুতো গুপ্ত সমিতি আৰু আশ্ৰম গঢ় লৈ উঠিছিল।

বংগ ভংগ আন্দোলনে ব্যাপক গণ বিক্ষোভ আৰু সশস্ত্ৰ বিদ্ৰোহৰ পিনে গতি কৰাৰ লগে লগেই আৰম্ভ হৈছিল বিপ্লৱবাদৰ দ্বিতীয় পৰ্যায়। মহাযুদ্ধৰ কালছোৱাত ভাৰতৰ শিক্ষিত যুৱ সমাজ উচ্চ শিক্ষাৰ বাবে পশ্চিমৰ দেশবোৰলৈ গৈছিল। ১৯১৩ চনত এষ্টেৰিয়া নামৰ চহৰত আনুষ্ঠানিকভাৱে গঠিত হয় গডৰ দল। তেওঁলোকে উলিওৱা গডৰ আলোচনীয়ে নিঃসংকোচে ঘোষণা কৰিছিল বৃটিছ শাসনৰ মৰ্মান্তিক ছবি আৰু এই ছবি ধুই নিয়াৰ বাবে একমাত্ৰ কাৰ্যকৰী পন্থা হৈছে সশস্ত্ৰ সংগ্ৰাম। ছিংগাপুৰত এক সামৰিক অভ্যুৎথানৰ দ্বাৰা গডৰ দলৰ কৰ্মীসকলে বৃটিছৰ হাতৰ পৰা এটা সৈন্য ঘাটি কাঢ়ি লোৱাত বৃটিছ চৰকাৰে ৩৭জন বিদ্ৰোহী নেতাক মৃত্যুদণ্ড দিয়ে। ১৯১৫ চনত লাহোৰক কেন্দ্ৰ কৰি বিদ্ৰোহৰ জুই জ্বলাবলৈ দুটা বোমা কাৰখানা গোপনে স্থাপন কৰে। কিন্তু পুলিচৰ চোৰাংচোৱাৰ ফলত এই সকলো পৰিকল্পনা ধৰা পৰাৰ বাবে ৫০০জন আচামীক লৈ আৰম্ভ হয় দ্বিতীয় লাহোৰ ষড়যন্ত্ৰৰ মোকৰ্দমা। ১৯১৪ চনত বাৰ্লিন চহৰত স্থাপিত হয় ভাৰতৰ স্বাধীনতা কমিটি। বীৰেন্দ্ৰ নাথ চট্টোপাধ্যায়, শিৰিখচন্দ্ৰ সেন আদি আছিল এই কমিটিৰ সদস্য। এই কমিটিয়ে বিদেশত থকা বহু ভাৰতীয় তৰুণক বৈপ্লৱীক কামৰ বাবে সন্মত কৰায়। জাৰ্মান দেশে ভাৰতৰ সশস্ত্ৰ সংগ্ৰামৰ যোগে অস্ত্ৰ যোগান দিব বুলি খবৰ পাই ভাৰতৰ বিপ্লৱবাদীসকলে দুগুণ উৎসাহেৰে কামত লাগে। অৱশ্যে তিনিবাৰকৈ জাৰ্মান অস্ত্ৰৰ সহায় লোৱাৰ পিছতো প্ৰচেষ্টাসমূহ সফল নোহোৱাৰ কাৰণ আছিল পুলিচৰ চোৰাং চোৱাগিৰি আৰু নিজৰ দলৰ সদস্যৰেই বিশ্বাসঘাটকতা। ফলত বাঘা যতীনৰ দৰে পৰাক্ৰমী বীৰে অশেষ কষ্ট কৰি সংগ্ৰামত নামি পৰিলেও আৰু বহুজনৰ আত্ম বলিদান স্বত্বেও বিপ্লৱবাদীৰ আন্দোলন ব্যৰ্থ হ'ল।

ইতিমধ্যে বিপ্লৱবাদীসকলৰ কাৰ্যকলাপ কিছু ম্লান পৰি

আহিছিল। সেই সময়তে ভাৰতীয় জনগণে মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনলৈ অকুণ্ঠ সমৰ্থন আগবঢ়ালে। কিন্তু পিছৰ পৰ্যায়ত গান্ধীজীৰ অসহযোগ আন্দোলন অহিংস হৈ নাথাকিল। চৌৰিচৌৰাৰ হিংসাত্মক ঘটনাৰ পিছত গান্ধীজীয়ে অসহযোগ আন্দোলন প্ৰত্যাহ কৰে। ইতিমধ্যে বৃটিছ চৰকাৰে প্ৰণয়ন কৰা ভাৰত চৰকাৰ আইনে ভাৰতবাসীক আত্মশাসনৰ সুযোগ দিয়াৰ বিপৰীতে দেশৰ বিভিন্ন ঠাইত সাম্প্ৰদায়িকতাৰ জুইহে জ্বলালে। তাৰ উপৰিও জালিয়ানৱালাবাগত জেনেৰেল ডায়াৰে কৰা অতৰ্কিত গুলী চালনাত প্ৰায় এহেজাৰ লোক নিহত হোৱাত পুনৰ ভাৰতীয় জনগণৰ অহিংস আন্দোলনৰ ওপৰত সন্দেহৰ উদ্বেগ হয়। অহিংস আন্দোলনৰ এনে ব্যৰ্থতাৰ ফলতেই বিপ্লৱবাদীসকলে তেওঁলোকৰ কাৰ্যসূচী ৰূপায়িত কৰিবলৈ পুনৰ এবাৰ সুযোগ পালে। সেইয়াই আছিল বিপ্লৱবাদীসকলৰ তৃতীয় তথা শেষ পৰ্যায়। ১৯২২ চনত নিখিল বংগ প্ৰাদেশিক সন্মিলনত বহুতো বিপ্লৱবাদী একেলগ হৈ কাৰ্যপন্থা থিৰ কৰিলে। তেওঁলোকে ধাৰাবাহিকভাৱে বৃটিছ বিৰোধী প্ৰচাৰ পত্ৰ ৰাইজৰ মাজত বিলাই দিছিল। পুৰণি অনুশীলন, যুগান্তৰ আদি সমিতিবোৰ পুনৰ শক্তিশালী হৈ উঠিল। পুলিচ কমিছনাৰ চাৰ্লচ ডেগাৰ্টক হত্যাৰ চেষ্টা কৰা গোপীনাথ নামৰ বিপ্লৱীজনৰ আমৃত্যু সাহসে সকলোৰে হৃদয়ত কম্পন তুলিছিল।

> জালিয়ানৱালাবাগত জেনেৰেল ডায়াৰে কৰা অতৰ্কিত গুলী চালনাত প্ৰায় এহেজাৰ লোক নিহত হোৱাত পুনৰ ভাৰতীয় জনগণৰ অহিংস আন্দোলনৰ ওপৰত সন্দেহৰ উদ্বেগ হয়। অহিংস আন্দোলনৰ এনে ব্যৰ্থতাৰ ফলতেই বিপ্লৱবাদীসকলে তেওঁলোকৰ কাৰ্যসূচী ৰূপায়িত কৰিবলৈ পুনৰ এবাৰ সুযোগ পালে।

এই সময়ছোৱাত এজন উল্লেখযোগ্য বিপ্লৱী বীৰ তথা বৰ্তমানেও সমগ্ৰ ভাৰতবাসীৰ হৃদয়ৰ একোণত লিপিবদ্ধ এটা নাম হৈছে— তৰুণ যুৱক ভগৎ সিং। ভগৎ সিঙৰ চিন্তা আছিল বিজ্ঞানভিত্তিক। চাইমন কমিছৰ প্ৰতিবাদত উলিওৱা এক সমদলৰ নেতৃত্ব দিয়া লালা ৰাজপত ৰায়ৰ মূৰত আঘাত কৰা আৰক্ষী অধীক্ষক ছন্দৰ্ছক ভগৎ সিঙে দিনৰ ভাগতে হত্যা কৰি পলায়ন কৰে। ভগৎ সিং আৰু বটুকেশ্বৰ দত্তই বিধানসভাৰ মাজতে বোমা বিস্ফোৰণ ঘটাই এক অভূতপূৰ্ব পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ভগৎ সিঙক গ্ৰেপ্তাৰ কৰাৰ পিছত সংগঠনৰ নেতাসকলে তেওঁক মুক্ত কৰিবলৈ চেষ্টা চলোৱা স্বত্বেও ভগৎ সিঙে অপূৰ্ব দেশপ্ৰেমেৰে সেই আহ্বান প্ৰত্যাক্ষান কৰি হাঁহিমুখে ফাঁচীকাঠক সাৱটি ল'লে। মৃত্যুৰ আগে আগে ভগৎ সিঙে কৈ গৈছিল— 'মই যদি হাঁহিমুখে ফাঁচীকাঠত উঠিব পাৰো, তেতিয়া ই আৰু বহুতক দেশমাতৃৰ মুক্তিৰ বাবে শ্বহীদ হ'বলৈ উদ্‌গনি দিব।'

ব্যৱস্থাপক সভাত বোমা বিস্ফোৰণ ঘটোৱাৰ পিছত পুলিচে লাহোৰত এটা বোমা তৈয়াৰ কৰা কাৰখানা আৱিষ্কাৰ কৰে। কেইদিনমানৰ পিছতেই ভগৎ সিঙৰ সংগঠন হিন্দুস্থান সমাজবাদী প্ৰজাতন্ত্ৰী বাহিনীৰ সকলো সদস্য ধৰা পৰে। ভগৎ সিং আৰু বটুশ্বেৰ দত্তৰ লগতে আন সদস্য সকলেও কাৰাগাৰৰ ভিতৰতে তেওঁলোকৰ মতাদৰ্শ প্ৰচাৰৰ উদ্দেশ্যে অনশন ধৰ্মঘট আৰম্ভ কৰিলে। এইদৰে ৬৪দিন একেৰাহে অনশন কৰাৰ ফলত দুৰ্বল হৈ ৰোগগ্ৰস্ত যতীন দাসৰ মৃত্যু হয়। সমগ্ৰ ভাৰতবাসীয়ে এই মৃতদেহক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে। অনশনকাৰীসকলে নিজকে অপৰাধী বুলি গণ্য নকৰি আদালতত উপস্থিত হ'বলৈ অস্বীকাৰ কৰিছিল। তথাপিও বহুত দিন বিচাৰৰ নামত প্ৰহসনৰ পিছত ১৯৩০ চনৰ ৭ অক্টোবৰত ভগৎ সিং, সুখদেৱ, ৰাজগুৰুক ফাঁচী, ৭জনক যাৱজ্জীৱন কাৰাদণ্ড আৰু অন্য কেইজনক বহুবছৰ জেইলৰ হুকুম দিয়া হৈছিল। সমগ্ৰ দেশতেই এই বীৰ যুৱকসকলক ফাঁচী দিয়াৰ পৰা বচাবলৈ যুৱকসকলে আন্দোলন কৰিছিল। ফলত বৃটিছ চৰকাৰে ১৯৩৩চনৰ মাৰ্চ মাহত কোনেও গম নোপোৱাকৈ ৰাতিয়েই তিনিও জনকে ফাঁচী দি গোপনে সৎকাৰ কৰি পিছদিনাহে ৰাইজক অৱগত কৰে।

এই সময়চোৱাত বিপ্লৱবাদীসকলৰ কাৰ্যসূচীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অধ্যায়টো আছিল চট্টগ্ৰামৰ অস্ত্ৰাগাৰ লুণ্ঠন আৰু এই অধ্যায়ত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল চট্টগ্ৰামৰ 'মাষ্টৰদা' হিচাপে খ্যাত সূৰ্যসেনে। বিপ্লৱবাদীসকলে ৰে'ল আৰু টেলিগ্ৰাফ সংযোগ বিচ্ছিন্ন কৰি এসপ্তাহকাল চট্টগ্ৰাম বৃটিছ শাসনৰ পৰা মুক্ত ৰাখিব বিচাৰিছিল। ১৯৩০ চনৰ ১৮এপ্ৰিলত ৫০জন সশস্ত্ৰ যুৱকে চট্টগ্ৰাম অস্ত্ৰাগাৰৰ প্ৰহৰীক হত্যা কৰি বহুতো বন্দুক আৰু খাৰ-বাৰুদ লুট কৰে আৰু অস্ত্ৰাগাৰত জুই লগাই দিয়ে। আন এটা দলে টেলিফোন ব'ৰ্ডত জুই লগাই দিয়ে কিন্তু সেয়া হ'লেও চট্টগ্ৰাম বন্দৰৰ এখন

জাহাজৰ পৰা বেতাঁৰ যোগে বৃটিছ চৰকাৰলৈ অভ্যুত্থানৰ খবৰ দিয়ে। বিপ্লৱবাদীসকলে সূৰ্যসেনক ৰাষ্ট্ৰপতি হিচাপে লৈ এখন অস্থায়ী চৰকাৰৰ ঘোষণা কৰিলে। বৃটিছ চৰকাৰৰ সৈন্য বাহিনীয়ে এন্ধাৰ ৰাতিৰ সুযোগ লৈ পাহাৰৰ হাবিত লুকাই থকা বিপ্লৱবাদীসকলক আক্ৰমণ কৰিছিল যদিও চৰকাৰী ফৌজৰ ৮২জন সৈনিক মৃত্যুমুখত পৰে। ইয়াৰ পিছতো সেনা বাহিনীয়ে তিনিবাৰ অভিযান চলায় কিন্তু তিনিবাৰেই ব্যৰ্থ হয়। এই লুণ্ঠনৰ কাহিনী মানুহৰ মুখে মুখে বিয়পি পৰিল।

বিপ্লৱবাদীসকলৰ নৈতিক আৰু আদৰ্শবাদৰ কাৰণত গান্ধীজীৰ লগত হোৱা মতবিৰোধ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ উল্লেখনীয় বিষয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত যেতিয়া গান্ধীজীয়ে বৃটিছক ধনে-জনে সহায় কৰিবৰ কাৰণে ৰাইজলৈ আহ্বান জনাইছিল সেই সময়ত নেতাজী সুভাষচন্দ্ৰ বসুৱে মিত্ৰপক্ষৰ সহায় লৈ বৃটিছক ভাৰতৰ পৰা অপসাৰিত কৰিব বিচাৰিছিল। গৃহবন্দী হৈ থকা অৱস্থাৰ পৰা পলায়ন কৰি ছাব মেৰিণেৰে সুদূৰ জাৰ্মানীলৈ পলাই গৈ তাত থকা প্ৰবাসী ভাৰতীয় যুৱকসকলক লগত লৈ 'আজাদ হিন্দ ফৌজ' গঠন কৰি ভাৰতক স্বাধীন কৰাৰ উদ্দেশ্যে ম্যানমাৰ পাৰ হৈ কহিমাও পাইছিলহি। বিশ্বযুদ্ধত জাৰ্মানীৰ পৰাজয় নোহোৱা হ'লে আৰু ভাগ্যই লগ দিয়া হ'লে হয়তো নেতাজীৰ সেই আন্দোলনতেই ১৯৪৭ চনৰ বহু আগতেই ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলেহেঁতেন। কিন্তু ভাগ্যৰ কি বিড়ম্বনা! আজিও এইজনা মহান নেতাৰ মৃত্যুৰ ৰহস্য সমগ্ৰ ভাৰতবাসীৰ বাবে সন্দেহৰ আৱৰ্ততে সোমাই ৰ'ল। নেতাজী সুভাষচন্দ্ৰ বসুৰ এই চৰমপন্থীতাই বৃটিছসকলকো ভীতিগ্ৰস্ত কৰি তুলিছিল।



এইদৰে বৃটিছ চোৰাং চোৱাৰ গোপন প্ৰতিবেদনত প্ৰকাশ হৈছিল যে, কিছুকালৰ বাবে ভগৎ সিঙৰ জনপ্ৰিয়তাই গান্ধীজীকো চেৰ পেলাই ছিল। গান্ধীজীয়ে যদিও বিপ্লৱবাদীসকলৰ আত্মত্যাগক স্বীকৃতি দিছিল তথাপি স্বাধীনতা আন্দোলনত হিংসাৰ প্ৰয়োগ সমৰ্থন নকৰিছিল। গান্ধীজীয়ে দাবী কৰিছিল যে, হিংসাত্মক কাৰ্যপন্থাই দেশৰ সাংবিধানিক প্ৰগতি ৰোধ কৰে আৰু স্বাধীনতাৰ দিন পিচুৱাই দিয়ে। গান্ধীজীৰ মতে অসহযোগৰ সময়ত অহিংসাৰ আকৰ্ষণে মানুহৰ মাজত জাগৰণ আনিছিল। কিন্তু বিপ্লৱবাদীসকলৰ মতে জনসাধাৰণ অহিংসাৰ বাতুলতা আৰু গান্ধীজীৰ আপোন কামিতাৰ বাবে থান-বান হৈ গ'ল। গান্ধীজীয়ে যুক্তিৰ স্বাৰ্থত বিপ্লৱবাদীসকলৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিবলৈ সকলোলৈকে আহ্বান দিছিল। কিন্তু, বিপ্লৱবাদীসকলে ইস্তাহাৰৰ জৰিয়তে এইদৰে প্ৰচাৰ কৰিছিল —'দেশত গান্ধীজীৰ অসহযোগ আন্দোলনে আনি দিয়া জাগৰণৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন নকৰিলে আমি অশলাগীৰ শাৰীত পৰিম। কিন্তু মহাত্মাজীৰ আশাৰ দৃষ্টিত অসম্ভৱ, কল্পনাবিলাসী শান্তিৰ বাবে কৰা সকলো উক্তি আন্তৰিক হ'ব পাৰে, কিন্তু আমি এটা গোলাম জাতিয়ে এটা ভ্ৰান্ত আদৰ্শেৰে প্ৰতাৰিত হ'ব নোৱাৰো।' এই পুস্তিকাসমূহত গান্ধীজী তথা কংগ্ৰেছৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলেও তেওঁলোকক শত্ৰু শিবিৰৰ বুলি জ্ঞান কৰা নাই। মতিচ্ছন্ন হিচাপেহে জ্ঞান কৰিছে। আনকি সুভাষচন্দ্ৰ বসুৱেও আজাদ হিন্দ ফৌজৰ অভিযানৰ আগমুহূৰ্তত গান্ধীজীৰ আশীষ বিচাৰিছিল।

বিপ্লৱী কাৰ্যসূচীৰ বাহিৰেও দেশৰ জনগণৰ মাজত জাতীয়তাবাদী চেতনাৰ জাগ্ৰত কৰাটো বিপ্লৱবাদীসকল সফল হৈছিল। শ্ৰমজীৱী ৰাইজৰ মাজতো জাতীয়তাবাদী ভাৱধাৰা প্ৰোথিত কৰাটো তেওঁলোকৰে কৃতিত্ব। এই সময়ছোৱাত বংকিমচন্দ্ৰ চট্টোপাধ্যায়, শৰৎ চন্দ্ৰ চট্টোপাধ্যায় আৰু পিচৰ পৰ্যায়ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰচনাৱলীয়েও ৰাইজৰ মাজত জাতীয়তাবাদী ভাৱধাৰাৰ সৃষ্টি কৰিছিল। তাৰ উপৰি কেশৰী, কহিনুৰ, নৱনুৰ আদিকে ধৰি বহুতো আলোচনীয়ে আৰু পিছলৈ বিপ্লৱবাদীসকলে প্ৰকাশ কৰা ইস্তাহাৰসমূহেও এক গণজাগৰণৰ সৃষ্টি কৰিছিল। লালা ৰাজপত ৰায়, বিপিনচন্দ্ৰ পাল আৰু বাল গংগাধৰ তিলকে তেওঁলোকৰ লিখনি সমূহৰ জৰিয়তে গাঁওবাসী ৰাইজৰ মাজত

আন্দোলনৰ বাবে সাহস আৰু দেশপ্ৰেম জগাই তুলিছিল। ১৯০৮ চনত যেতিয়া তিলকক গ্ৰেপ্তাৰ কৰা হয় তেতিয়া বোম্বাইৰ শ্ৰমিকসকলেও সাধাৰণ ধৰ্মঘট পালন কৰিছিল। কেৱল যুৱচামৰ উপৰিও বিপ্লৱবাদত বুজন সংখ্যক নাৰী আৰু ছাত্ৰৰ অংশগ্ৰহণ আছিল উল্লেখযোগ্য।

বিপ্লৱবাদীসকলৰ কাৰ্যকলাপক সেয়ে স্বাধীনতা সংগ্ৰামৰ কেতবোৰ আকস্মিক ঘটনা বুলিয়েই অথবা জাতীয় কংগ্ৰেছে কোৱাৰ দৰে হিংসাত্মক কাৰ্যপন্থা বুলিয়েই গৰিহণা দিব নোৱাৰি। বৰং সেই কাৰ্যপন্থাবোৰ কেতিয়াবা হৈ পৰিছিল স্বাধীনতা সংগ্ৰামৰ অৱধাৰিত সোপান। কেতিয়াবা আকৌ হৈ পৰিছিল ভৱিষ্যতৰ আগজাননী। নৈতিক আৰু আধ্যাত্মিক দিশটো আওকাণ কৰি কেৱল ৰাজনৈতিক হিচাপে বিচাৰ কৰিলে অহিংস গান্ধীবাদী আন্দোলনৰ কোনো ৰাজনৈতিক সাৰমৰ্ম নাই। কংগ্ৰেছৰ নেতাসকলে গোখলেৰ পৰা গান্ধীলৈকে প্ৰত্যেকেই ঢাপে ঢাপে চূড়ান্ত লক্ষ্যৰ ফালে আগবাঢ়িব খুজিছিল। বিশাল গণ আন্দোলনৰ দ্বাৰা তেওঁলোকে উপনিৱেশক চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰিছিল যাতে আলোচনাৰ জৰিয়তে স্বাধীনতাৰ বাবে তোলা দাবীসমূহ মীমাংসা কৰিবলৈ চৰকাৰ বাধ্য হয়। ভাৰতীয় জনগণ পূৰ্বৰে পৰাই ধৰ্মীয় ৰীতি-নীতি আৰু অহিংসাত বিশ্বাসী আছিল বাবেই হয়তো তেওঁলোকে সূৰ্যসেন অথবা ভগৎ সিঙক সশস্ত্ৰ সমৰ্থন নিদি গান্ধীজীৰ অহিংসা নীতিৰ প্ৰতি আকৃষ্ট হৈছিল। নহ'লে আমেৰিকা, ফ্ৰান্স আৰু ৰুছিয়াত সশস্ত্ৰ গণ আন্দোলনৰ দ্বাৰা জনগণে ৰাষ্ট্ৰ ক্ষমতা দখল কৰাৰ সময়ত ভাৰতীয় লোকে অহিংসাৰ গুণ গাই থকাৰ কোনো কাৰণ থাকিব নোৱাৰে। সশস্ত্ৰ বিপ্লৱীক ফাঁচী কাঠত ওলোমোৱা, বছৰ বছৰ ধৰি দেশৰ জনতাক শোষণ কৰি অহা বৃটিছ আমোলাৰ হৃদয় গান্ধীজীৰ অহিংস আন্দোলনে কিমানদূৰ গলাব পাৰিছিল, সেয়া সন্দেহৰ বিষয়। তাৰ উপৰিও জাৰ্মানীৰ হিটলাৰৰ দৰে শাসনকৰ্তাৰ বিৰুদ্ধে গান্ধীজীৰ অহিংস আন্দোলন নিশ্চয় সফল নহ'লহেতেন। অৱশ্যে গান্ধীজীকো যে জনতাই সকলো সময়তে সমানে সমৰ্থন দিছিল তেনে নহয়।

প্ৰতিজন দেশপ্ৰেমী ভাৰতীয়ই স্বাধীনতা সংগ্ৰামৰ কেতবোৰ অবিস্মৰণীয় পৰ্বৰূপে বিপ্লৱবাদীসকলৰ অৱদান গ্ৰহণ কৰিবই লাগিব। তেওঁলোকৰ দেশভক্তি আৰু আত্মত্যাগ আধুনিক ভাৰতবৰ্ষৰ আধ্যাত্মিক সঞ্চয়ৰ অংশ হ'ব লাগিব। আজি দেশক কেওফালৰ পৰা আগুৰি ধৰা সংকটৰ সমাধান বিচাৰোতে সেইসকল মহান আত্মাৰ চিন্তা-চৰ্চাৰ পৰা পোৱা শিক্ষা আৰু প্ৰেৰণা অনস্বীকাৰ্য। এইটো কথাত সেয়ে নিৰ্ভয়ে মন্তব্য দিব পৰা যায় যে, বিপ্লৱবাদী সকলে ভাৰতীয় স্বাধীনতা খৰতকীয়া আৰু নিশ্চিত হোৱাত সহায় কৰিছিল। যিটো কাৰণে কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ— যি প্ৰথমে বিপ্লৱবাদক গৰিহণা দিছিল, তেওঁ নিজেই ইয়াৰ গুণ গাবলৈ বাধ্য হৈছিল। যেতিয়া ক্ষমতাৰ মোহত বন্দী হৈ কংগ্ৰেছৰ নেতাসকলে বৃটিছৰ লগত আপোচ কৰিবলৈ উদগ্ৰীৱ হৈছিল, সেই সময়ত কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষ শাম কটোৱাবলৈ ব্যস্ত থকা মহাত্মা গান্ধীয়ে চকুলো টুকি মনত পেলাইছিল সুভাষ বসুৰ অদমনীয় আদৰ্শক। সেয়ে হয়তো আন্দামান দ্বীপপুঞ্জৰ পৰা আলিপুৰ কেন্দ্ৰীয় কাৰাগাৰলৈ স্থানান্তৰিত হৈ অহা বিপ্লৱবাদীসকলক তেওঁ ক'বলৈ বাধ্য হৈছিল— 'মোৰ লগত তোমালোকৰ পাৰ্থক্য সুমেৰু-কুমেৰুৰ পাৰ্থক্যৰ দৰে, কিন্তু মোৰ লগতে যদি তোমালোকৰ দৰে এক ডজন যুৱক থাকিলেহেঁতেন, মই কাহানিবাই দেশৰ ইতিহাসৰ গতি সলনি কৰিব পাৰিলোহেঁতেন।'

***প্ৰসংগ***

*ভাৰতেৰ বৈপ্লৱিক সংগ্ৰামেৰ ইতিহাস— সুপ্ৰকাশ ৰায়*

*ভাৰতৰ স্বাধীনতা সংগ্ৰামত বিপ্লৱবাদীসকলৰ অৱদান— ড° হীৰেণ গোহাঁই*

*Role of Revalutionaries in the Freedom Struggle— Mallikarjun Sharma*

*History of the Freedom Movement in India— Dr. R.C. Mazumdar*


# অসমৰ ভূমি নীতি

## এক পৰ্যালোচনা

**বাপুকণ শইকীয়া**
*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান*

নিজৰ ভূমিতে এতিয়া অসুৰক্ষিত অনুভৱ কৰে এজাক অসমীয়া নাগৰিকে। দেশৰ হৰ্তাকৰ্তা মন্ত্ৰী, বিধায়ক, সাংসদ ভঙা পতাৰ অধিকাৰ তেওঁলোকৰ হাতত আছে। কিন্তু ভাগ্যৰ কি পৰিহাস— তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত ৰাজনৈতিক নেতাসকলে প্ৰণয়ন কৰা আইন কানুনবোৰে স্পৰ্শ নকৰে এইজাক দুৰ্ভগীয়া অসমীয়াক। অসমৰ বিদেশী সমস্যাৰ দৰেই এই প্ৰদেশৰ সীমান্তবাসী ৰাইজে ভুগি অহা আলৈ আহুকালৰ সমস্যাকো পুৰণি অথচ জটিল সমস্যা বুলিব পাৰি, যি আজিলৈকে ইয়াৰ ন্যায় গুৰুত্ব পাবলৈ সক্ষম নহ'ল। সীমান্তবাসী ৰাইজৰ জীৱন তথা সম্পত্তিৰ নিৰাপত্তা আৰু ভূমি সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে সদায় এক উদাসীন ভূমিকা পালন কৰি আহিছে। যাৰ ফলত অসমৰ সীমান্ত নিকটৱৰ্তী অঞ্চলত বসবাস কৰি অহা এই খিলঞ্জীয়া জনসাধাৰণে বহু সময়ত অনিশ্চয়তাৰ মাজত নিদ্ৰাহীন জীৱন কটাবলগীয়া হৈছে।

এই কথা সৰ্বজনজ্ঞাত যে, অসমক চাৰিওদিশে আৱৰি থকা ৰাজ্যসমূহৰ অধিকাংশই অসমৰ মাটি বহু আগৰে পৰাই বেদখল কৰি আহিছে। সাম্প্ৰতিক কালতো এই বেদখলৰ প্ৰক্ৰিয়া অব্যাহত আছে। ৰাজ্যৰ ৰাজহ বিভাগৰ তথ্য অনুযায়ী অসমৰ প্ৰায় ৮৬,৯৯,৩৯৯ হেক্টৰ ভূমি সীমান্তৱৰ্তী ৰাজ্য নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ, পশ্চিমবংগ, ত্ৰিপুৰা আৰু মেঘালয়ে হস্তগত কৰিছে।



উল্লেখযোগ্য যে, এই আগ্ৰাসনৰ ক্ষেত্ৰত নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশে আগভাগ লৈছে। ৰাজহ বিভাগৰ তথ্যমতে নাগালেণ্ডে অসমৰ ৬৬,২৪১ হেক্টৰ আৰু অৰুণাচলে ১৩,১৮৪.৮৭ হেক্টৰ ভূমি বেদখল কৰিছে। একেদৰে অসমৰ ৩,৩৩৩ হেক্টৰ আৰু প্ৰায় ২৫ হেক্টৰ ভূমি ক্ৰমে পশ্চিমবংগ আৰু ত্ৰিপুৰাই নিজৰ অধীন কৰিছে। অতি দুখৰ বিষয় এই যে, এই ৰাজ্যসমূহৰ বেদখলকাৰী জনসাধাৰণক তেওঁলোকৰ এই কাৰ্যত সহায়-সহযোগিতা আগবঢ়াই আহিছে সেই ৰাজ্যসমূহৰ চৰকাৰ তথা আৰক্ষী প্ৰশাসনে। ইয়াৰ ফলস্বৰূপে সময়ে সময়ে আইন শৃংখলাজনিত পৰিস্থিতিৰো অৱনতি ঘটিছে। আনহাতে, অসম চৰকাৰৰ অকৰ্মণ্যতা আৰু দায়িত্বহীন স্বভাৱে সীমান্ত অঞ্চলৰ নিৰীহ জনগণক সুৰক্ষা প্ৰদানৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। ১৯৮৮ চনত নাগালেণ্ডৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়তে ভূমি বেদখলৰ গোচৰ তৰিয়েই আজি পৰ্যন্ত ক্ষান্ত হৈ বহি আছে অসম চৰকাৰ। অৱশ্যে ন্যায়ালয়ে আন্তঃৰাজ্যিক সীমা নিৰ্ধাৰণৰ বাবে ইতিমধ্যে আয়োগ গঠন কৰি দিছে। কিন্তু এই ব্যৱস্থা কাৰ্যক্ষেত্ৰত কিমান সফল হ'ব, সেয়া সময়েহে ক'ব। মুঠৰ ওপৰত এই সমস্যাৰ আশু সমাধান আমাৰ অসমৰ কাৰণে অতি প্ৰয়োজনীয়।

ভূমি স্বত্বৰ বিলুপ্তিৰ কাৰণ কিছুমান তলত দাঙি ধৰা হ'ল— ক) ভাৰতীয় ভূমি আইন সদায় ব্যক্তিভিত্তিক, যি Eminent Domainনীতিৰ ওপৰত নিৰ্ভৰশীল। এই Eminent Domain অৰ তিনিটা মূল মন্ত্ৰ হ'ল—

১। চৰকাৰে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত যিকোনো ভূমি অধিগ্ৰহণ কৰিব পাৰে।

২। সামূহিক ভূমি চৰকাৰৰ সম্পত্তি আৰু

৩। একমাত্ৰ চৰকাৰেহে 'ৰাজহুৱা স্বাৰ্থ'ৰ সংজ্ঞা নিৰূপণ কৰিব পাৰে।

খ) জনজাতি সকলৰ অধীনত থকা ভূমি বেছিভাগ ক্ষেত্ৰতে পঞ্জীয়নভুক্ত নহয়। সেয়েহে, প্ৰায়ে দেখা যায় চৰকাৰে জনজাতি সকলৰ পৰা এইভূমি অধিগ্ৰহণ কৰি বাংলাদেশী শৰণাৰ্থীসকলৰ পুনৰ সংস্থাপনত ব্যৱহাৰ কৰে। প্ৰব্ৰজনকাৰীসকলক ৰোধ কৰিবলৈ বহু উপায় আছে। কিন্তু ৰাজনৈতিক দলসমূহে এইক্ষেত্ৰত দুমুখীয়া স্থিতি গ্ৰহণ কৰি এফালে বিদেশী চিনাক্তকৰণ আৰু বিতাড়ণ প্ৰক্ৰিয়াৰ নামত আভুৱা ভাৰিছে আৰু অন্য দিশে ভোট বেংকৰ আশাত দেশৰ মাটি এই অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ হাতত সমৰ্পণ কৰিছে।

গ) ভূমি স্বত্ব বিলুপ্তিৰ আন এটা প্ৰমুখ কাৰণ হ'ল— উন্নয়নৰ নামত খিলঞ্জীয়া লোকৰ ভূমি অধিগ্ৰহণ। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত ভূমি পণ্য সামগ্ৰী হিচাপে বিভিন্ন ব্যৱসায়িক কামত ব্যৱহৃত হয়।

ঘ) আন এটা মনকৰিবলগীয়া দিশ হ'ল— ভাৰত চৰকাৰে কাশ্মীৰ সীমান্তত যি কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা লৈছে, তাৰ এক বিপৰীত ছবিহে দেখা গৈছে বাংলাদেশ সীমান্তত। অসম চুক্তি অনুসৰি অসম-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু সেই কাম আজি পৰ্যন্ত সম্পূৰ্ণ হৈ নুঠিল। যাৰ ফলস্বৰূপে অতি সহজে অহৰহ বাংলাদেশৰ পৰা অসমলৈ অবৈধ অনুপ্ৰৱেশ ঘটি আছে।

ঙ) অসম চৰকাৰৰ নিৰ্লিপ্ততা আৰু দায়িত্বহীনতাৰ সুযোগ গ্ৰহণ কৰি চুবুৰীয়া ৰাজ্যই সাংবিধানিক সীমাৰ প্ৰতি চূড়ান্ত অসন্মান, অৱহেলা প্ৰদৰ্শন কৰি অসমৰ মাটি বেদখল কৰি আহিছে। অসমৰ মাটিত নগাই ১৪০ খনকৈ গাঁও, চাৰিখনকৈ নগৰ আৰু দুটাকৈ মহকুমা স্থাপনৰ পিছতো অসম চৰকাৰে কোনো ধৰণৰ বিৰোধী কাৰ্যসূচী হাতত নোলোৱাটো অতি আশ্চৰ্যজনক।

অবৈধভাৱে ভূমি অধিগ্ৰহণৰ এই প্ৰক্ৰিয়া ৰোধ কৰাৰ দায়িত্ব চৰকাৰৰ লগতে সমূহ অসমবাসীৰো। গণতান্ত্ৰিক দেশত সকলোৰে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদৰ অধিকাৰ আছে। কিন্তু ই সদায় শান্তিপূৰ্ণ হোৱা উচিত। ভূমি জননীক লৈ যাতে ৰাজনীতিবিদসকলে পানী ঘোলা কৰি বিভেদৰ বীজ সিঁচিব নোৱাৰে, তাৰ প্ৰতি সমূহ জনতা সতৰ্ক হ'ব লাগিব। অন্যথা আজিৰ সীমান্তবাসী অসমীয়াৰ দৰে অদূৰ ভৱিষ্যতত সমগ্ৰ অসমৰ থলুৱা অধিবাসীসকলৰ জীৱন আৰু সম্পদৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত এই বেদখল আৰু অনুপ্ৰৱেশে ভাবুকিৰ সৃষ্টি কৰিব আৰু এদিন অসমীয়া নিজৰ এই অসম দেশতে ভগনীয়া হ'ব।

# DWINDLING WETLAND RESOURCES OF ASSAM

**Dr. Pradip Sharma**
*Asst. Professor, Geography Deptt.*

Wetlands are the areas of transitional habitats between deep water aquatic system and terrestrial system, which have been precisely defined in Ramsar Convention as "areas of marsh, fen, peatland or water, whether natural or artificial, permanent or temporary, with water that is static or flowing, fresh, brackish or salt, including areas of marine water the depth of which at low tide does not exceed six meters". The Brahmaputra and the Barak Valleys are endowed with a large number of fresh water wetlands such lakes (Beel), ox-bow lakes (Era Suti), marshy tracts (Pitoni, Doloni, Jalah etc.) and seasonally flooded plains. The wetlands help the mankind in various ways. The wetlands play a significant role in improving water quality, controlling floods, recharge and discharge ground water level, conservation of bio-diversity and generation of economic resource by providing livelihood to the poorer section of the rural population. But most of the wetlands of the flood plains of the Brahmaputra and Barak Rivers are degrading both for natural and man induced causes.

The main factors responsible for the eco-degradation of wetlands in the two valleys are extensive growth of water hyacinth, raising of earthen bunds along the banks of almost the entire length of the rivers flowing within the state, rapid eutrophication caused by debris from the floating vegetation and silt accumulation carried by rain water from its banks and encroachment of wetland areas for human settlements, infrastructure development and various other economic activities which have led to the shrinkage of wetlands.

To understand how Assam is rich in wetland resources, we can compare the data of the state with the wetlands of the other states of the country.

**Distribution of Floodplain Wetlands in India**

| State | Distribution (district-wise) | River Basin | Local Name | Area (Ha) |
|---|---|---|---|---|
| Arunachal Pradesh | East Kameng, Lower, Subansiri, East Siang, Dibang Valley, Lohit, Changlang & Tirap | Kameng, Subansiri, Dibang, Dihing & Tirap | Beel | 2,500 |
| Assam | Brahmaputra & Barak Valley Districts | Brahmaputra & Barak | Beel | 1,00,000 |
| Bihar | Saran, Champaran, Saharsa, Muzaffarpur, Darbhanga, Monghyr & Purnea | Gandak & Kosi | Maun, Chaur & Dhar | 40,000 |
| Manipur | Imphal, Thoubal & Bishnupur | Iral, Imphal & Thoubal | Pat | 16,500 |
| Meghalaya | West Khasi Hills & West Garo Hills | Someshwari & Jinjiram | Beel | 213 |
| Tripura | North, South & West Tripura Districts | Gumti | Beel | 500 |
| West Bengal | 24- Parganas North & South, Hooghly, Naida, Murshidabad, Maldah, Cooch Behar, Burdwan, North & South Dinajpore & Midnapur | Hooghly, Ichhamati, Bhagirathi, Churni, Kalindi, Dharub, Dharala, Pgla, Jalangi, Behula, Torsa & Mahananda | Beel, Charha & Haor | 42,500 |
| **Total** | | | | **2,02,213** |

From the satellite data it has been observed that the total number of wetlands in Assam is 3,513 covering an area of 1,012.31 sq. km, which constitute 1.29 percent of the total geographical area of the state. The distribution of various categories of wetlands in the state presented below, it revealed that there are as many as 690 numbers of lakes and ponds covering an area of 15,494 ha constitute 15.3 percent of the total area under wetlands. The crescent shaped ox-bow lakes and cut-off meanders are 861 in number, which are covering an area of 15,460.6 ha and 15.27 percent of the total wetland areas of the state. The seasonally waterlogged areas constitute a major portion of the wetlands play a significant role in the state's economy mainly. These provide a good amount of fishes and other aquatic fauna and also providing habitat to a variety of migratory as well as domestic birds. In addition, the wetlands are providing a great opportunity for supplying irrigation water to the nearby agricultural fields during the dry periods. The swampy areas, which are covered with water intermittently or permanently, usually having shrubs and trees but essentially without the accumulation of peat cover 43,433.5 ha i.e. 42.91 percent of the total wetland areas of Assam. These swamps are main shelter of the birds and many aquatic animals.

**Distribution of different types of Wetlands in Assam**

| **Wetland Type** | **Numbers** | **Area (ha)** | **Percent** |
|---|---|---|---|
| **Natural** | | | |
| Lake/Pond | 690 | 15494.00 | 15.30 |
| Ox-bow Lake/Cut-off Meander | 861 | 15460.60 | 15.27 |
| Waterlogged (Seasonal) | 1125 | 23431.50 | 23.15 |
| Swamp/Marsh | 712 | 43433.50 | 42.91 |
| **Total** | **3388** | **97819.60** | **96.66** |
| **Man-made** | | | |
| Reservoirs | 10 | 2662.50 | 2.60 |
| Tanks | 115 | 749.50 | 0.74 |
| **Total** | **125** | **3412.00** | 3.34 |
| **Grand Total** | **3513** | **1,01,231.60** | **100.00** |

*Source : ARSAC Report on Wetlands of Assam, 1997*

As many as 10 numbers of reservoirs in the state cover an area of 2662.5 ha, which constitute 2.63 percent of the total wetland areas. Moreover, 115 large size tanks have been identified leaving thousands of families owned small size tanks because of the scale factor in the technology (satellite) applied here. The large 115 tanks together cover an area of 749 ha i.e. 0.74 percent of the wetland areas of the state.

The distribution pattern of the wetlands in the districts of Assam is not uniform. Nagaon District has 379 numbers of wetlands of size greater than 2.25 ha and ranks first in terms of number. These wetlands cover 11,295 ha of land. On the other hand Morigaon District accounts only 183 wetlands, has the maximum area coverage i.e. 11,685 ha. The N.C. Hills District has the least number of wetlands i.e. 10 only. Area wise the Hailakandi District records the minimum, only 840 hectares.

Variations have been observed in size wise distribution of wetlands in Assam. As many as 3,341 numbers of wetlands are founds, which sizes less than 100 ha, and cover an area of 55,821.5 ha i.e. more than 50 percent of the total wetland areas in the state. In the category 100 and 200 ha, there are only 100 wetlands. As many as 36 wetlands fall in the size category 200-300 ha, 14 in 300-400 ha, and only 4 in 400-500 ha. Altogether 18 wetlands are there in the

state, which size is more than 500 hectares. The Son Beel of Karimganj District has been identified as the largest wetland in Assam, which covers an area of 3010 ha.

Assam has huge potential for fisheries development based on wetland freshwater. There are about 1,392 enlisted beels in Assam of which 423 are registered and 969 are un-registered (Table Below). As many as 464 beels under un-registered category still remain under the control of the private owners, while the rests 505 control by the State government. All these beels together, are constitutes approximately 61 percent of the total lentic water bodies of the state. If properly managed in scientific manner, these wetlands can play a pivotal role in boosting rural economy in addition to groundwater recharge and flood contro.

**Beel Fisheries under Different Categories in Assam**

| Category | Number | Area (ha) | Condition | | |
|---|---|---|---|---|---|
| | | | Good | Semi-derelict | Derelict |
| Registered | 423 | 40,000 | 10,000 | 15,000 | 35,000 |
| Unregistered | 969 | 60,000 | Nill | 10,000 | 30,000 |
| Total | 1,392 | 1,00,000 | 10,000 | 25,000 | 65,000 |

As most of the unmanaged wetlands in Assam have been shortened survival range both from the physical life and the productive life due to natural as well as man induced causes, it requires urgent need for conservation and proper management. These have been disputing opinions regarding the development of wetlands (M.M. Goswami 2008). According to the first opinion "the natural wetland should be free from all kinds of human activities and be maintained by the nature only so that their spongy wetland characteristics of swamp caused by the ongoing process of macrophytic succession be sustained. There should not be any kind of developmental work in the wetland for enabling free access of faunae for habitat formation, forging and breeding".

The second opinion refers "The wetland should be exclusively used/ developed for fisheries, which means a unidirectional use. There should be maximum exploitation of fish for economic support to the state".

Compromising the first two opinions the third opinion has been put forwarded as "there should be development of wetlands and the wetland resources are put to the multipurpose use like fisheries, wildlife conservation, avian parks/ sanctuaries, recreation and eco-tourism or combination of any one with fisheries development. Development of fisheries should be made without any damage to the natural ecosystem, which is possible only through wetland management system".

Considering the role of the wetlands in Assam in maintaining the water regime and developing a unique ecosystem together with potentialities for tourism and fisheries development, we can accept neither the first nor the second opinions for wetland development. Obviously, some wetlands, which are undisturbed or little disturbed till now and rich in biodiversity should be preserved for biodiversity conservation and ecotourism development. With more than 90 percent of population being fish eaters, and being 50 percent of its required fish importing from outside the state, some of the wetlands, which are normally smaller in size may be developed in scientific way as fisheries. All the low lying areas in both the river basins need to be preserved to retain excess river water during the flood period to reduce the loss of precious human and animal lives as well as property of poorer people of the rural areas.

# THEORETICAL ANALYSIS OF MAMONI RAISOM GOSWAMI'S NOVELS

**Daisy Barman**
*TDC 3rd Year, English Deptt.*



Indira Goswami who wrote under the pen name Mamoni Raisom Goswami is a celebrated name in the field of Assamese literature. All of her novels concentrate on the socially relevant issues and take a feminist approach. She represents women in such a way that they must be considered to be more than a social identity. Here an effort is made to analyse the theoretical base of this eminent Jnanpith Award winner litterateur's novels.

'Mamore Dhora Tarowal' (1980) is one of her famous novels, the women characters here play twin role – as a worker and an untouchable Dalit. The reason of being an untouchable is also the reason for them becoming working class. But the cultural markers of being a Dalit prevent women from becoming worker in the truest sense of the term, that is, whose labour is completely 'alienated'. It creates the cause to argue, whether women workers have right to the commercial use of their bodies against the wishes of the men and against the morality that rejects Prostitution. The challenge that women face is not on whether Prostitution is crime or not. They are challenged on the ground that culturally prostitution is not acceptable to the community. Though labour for the construction work is an acceptable form of alienation, commercial use of body by women to fend off poverty is not an acceptable form of alienation of labour. The novel brigs out how construction of an identity is not only economically, but also culturally conditioned especially with regard to women and their right over their bodies. Thus the novelist shows how women's body is the site of both economic and cultural conflict.

'Nilakanthi Braja' (1976) can be considered the modern classic of Assamese literature. Here, the novelist projects the miserable lives of young widows

In most texts of the post colonial period, language has played a major role in harmonizing differences within society along lines of ethnicity, class, region or gender towards the mould of Assamese nation. The structure of her texts can be taken as significant attempts to overcome the critique of the universality of Assamese identity in the valley.

abandoned by their families in Vrindavan. She takes up the issue and reveals the pathos that surround the lives of these helpless women. The contrast here is the abstraction of spiritual beauty with the reality of physical squalor. The protagonist of the novel, who is a young window encounters overwhelming poverty, terrible need, inhumanity and degrading behavior in the holy shrine of Hinduism and a place that should have embodied the high ideals of the religion itself.

Another novel 'Bhikhar Patra Bhangi' deals with the language that is spoken in the Brahmaputra Vally. In this novel, women from different regions of the vally converse in the different variants of the language. the use of language highlights the nature of social interaction of regions belonging to a culture as well as the differential class formation and the inability of women based on this class difference to comprehend each other as social beings. Language is used in this novel as the signifier of these embedded differences and it deconstructs the category of "woman' within constituents. So, despite being women, they are unable to help and understand each other.

'Senabor Sot' (1972) is another novel by the same author. The subject-matter here is the exploitation of its laborers by a bridge construction company. Through this subject, she exposes the inhumane treatment of one class by the other, based on socio-economic differences that have become, an acceptable sphere of life in India.

'Datal Hatir Uye Khowa Hawda' (1988) is called the masterpiece of Mamoni Raisom Goswami. The novel vividly brings out the superstition, the misuse of power and the oppressions that the widows had to confront. The hypocrisy of the Brahmins, their pretence and their lopsided values tawards the rich and the poor is given appropriate expression. The language variations are operative features of the fundamental unity of the culture – which is reflected in the novel.


In many of her novels the language of narration has played a critical role in the narrative. Characters and characterizations have a close relationship with language. The meaning of characters and characterisation can not be understood in isolation from the role of language. The meaning of plot is also crucially related to the use of language. An analysis of the textual structure of Goswami's fictions highlights that it is the Assamese culture, its nature including the conflicts that lie at the centre of her fictions. The texts of Mamoni Raisom Goswami are very important for the larger study of text and textual structure in Assamese fiction. In most texts of the post colonial period, language has played a major role in harmonizing differences within society along lines of ethnicity, class, region or gender towards the mould of Assamese nation. The structure of her texts can be taken as significant attempts to overcome the critique of the universality of Assamese identity in the valley.

Mamoni Raisam Goswami's texts, therefore are different from other contemporary women writers in Assamese language such as Nirupama Bargohain, Phula Goswami or even the younger writers. The main point of difference between the texts of Goswami and other contemporaries is that unlike the latter in the former a distinction is created between subject-matter and its arrangement into a textual structure in terms of language and grammar, as well as plot and characterisation.

# LAW AND SOCIETY

**Susmita Sarma**
*TDC 3rd Year, English Deptt.*

Laws are said to have been made to govern, control and instruct human conduct in various fields of life. Throughout human history laws have been made and amended. There have been laws governing the social, economic, and political aspects of human live, regarding equality, liberty and fraternity in human society. In the primitive times, laws were based on the basic needs of the people i.e. food, clothing, shelter. Gradually various religions started to advocate the laws governing people's lives in various aspects. But in ancient times laws have often been discriminatory like differentiation in implementation of law in the caste system, discrimination regarding gender etc.



But in modern times, the main aim of law is to ensure the prevalence of justice and order in the society.

But, it has been observed that though various categories of laws have been made to ensure the smooth functioning of the society, they have been unable to yield the expected results.

If observed closely, it can be seen that the failure in the functioning of these laws is directly related to the behaviour and attitude of the people in the society on which the law implements itself. The success of a law or policy depends hugely on the attitude of the society, as after all it is the people of the society who make the laws and policies function. They are the most important constituents in a law or policy.

One of the major reasons for the failure in the implementation of the laws in our country is that though the laws are strict and cover almost every aspect of the society, they have failed to affect and create an impact on the mindsets of a large section of the people.

The attitude of the people of the society is one of aloofness and irreverence. They ignore the laws and remain indifferent towards them even after breaking those laws and causing damage to society. These people have ceased to feel the necessity to obey the law; they have in many cases refused to even accept the law and the change, even if it is good for the society, into their lives. They in many cases actually don't want the change to happen as the evil which the law aims to remove benefits them in some way or the other. They don't even care that the malicious benefits and pleasures they acquire from these evils harm the society. Take for example, the dowry and bride-burning cases which are rampant even in the

so called modern and civilized societies of India. Even after the existence of so many laws and acts regarding dowry cases, the frequency of these cases are still very high. It is because even though women have come forward in various fields, society and in many cases even many women refuse to let their counterparts have an equal status as men. They still practice such a devilish ritual in the name of tradition for material gains. Another example we can take is that of the caste system and untouchability which are still prevalent in many parts of the country. Sections of the lower caste people are still being oppressed and humiliated in various ways. The reason behind this is that their oppressors don't want them to move forward even if they know that these poor people can develop in life and in fact have already proved that they can achieve and succeed in life just like others as they can exploit these people for their own benefit if they remain ignorant and poor. Another noticeable factor which clearly shows the negligence of law and misuse of the deplorable conditions of the poor sections of the society is the unsuccessful implementation of the policies of educational and economic upliftment and the failure of these policies to realize its aims spreading education to all the sections of the society and the economic upliftment of the poor sections of the society and to provide equal opportunities to all. These policies have failed as the higher sections of the society can benefit from their ignorance.

The problem here is that even the officials from the authorities who are supposed to see to the well implementation of the laws are also involved in such heinous acts. If these people's mindsets, their thinking does not change, the laws are of no value as people will try to break and disobey the law whenever and in whichever way they can. They will definitely try to take the benefit of the loopholes in the laws.

Now, the question is how to teach the otherwise




matured, intelligent and understanding adults to be sincere in obeying laws, how to make them realise their duties towards the laws and their nation if they refuse to accept it even knowing that it is for the betterment of the society.

It is for these people themselves to realise their duties regarding the betterment of the society. They should realise that they are an integral part of the society and society is also important for them as they can't live their lives in reclusion, separated from the society. They fail to realise that the evils which they are helping to prevail in the society might at any time affect them also. They also fail to realise that the harm they are doing to the society may harm them in turn, and when it does, they can't claim for justice. Instead, if they help in the smooth functioning of the laws, they will help in the betterment of the society, which in turn will benefit them. It is high time that these people realise this fact, and if they function in a positive way, it can be guaranteed that the society will progress together at an equal level benefitting each individual residing in it.

গল্প

# উত্তৰাকাণ্ড

**নাজমা মুখাৰ্জী**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*



তোমাৰ সন্মুখত বহি আছে বিখ্যাত গ্ৰন্থ প্ৰকাশক অৰ্ণৱ বৰুৱা। বয়স ষাঠিৰ ওচৰা-উচৰি। এযুৰি উজ্জ্বল চকুৰ অধিকাৰী মানুহজনে তেওঁৰ শিষ্টাচাৰ আৰু কথা-বতৰাৰ দ্বাৰা যিকোনো মানুহকে আকৰ্ষিত কৰিব পাৰে। তুমিও আকৰ্ষিত। তেওঁৰ প্ৰতি তোমাৰ মনত যথেষ্ট শ্ৰদ্ধা আছে। সমীহো। বৰুৱাই ইটো-সিটো কথা কৈ আছে আৰু তুমি উভতি গৈছা পঁচিশ বছৰ আগলৈ। তেতিয়া তুমি নতুন লেখক। তথাপি প্ৰকাশকৰ দুৱাৰে-দুৱাৰে ঘূৰি ফুৰিবলগীয়া অৱস্থা তোমাৰ হোৱা নাছিল। তুমি ফোন কৰিলা এজন নামী প্ৰকাশকক। তেওঁ তোমাক মাতি পঠিয়ালে। স্পষ্ট মনত আছে তোমাৰ ষ্টিলৰ কাপত দিয়া ৰঙা চাহকাপ আৰু আদৰ-সাদৰখিনি। উপন্যাসৰ পাণ্ডুলিপিটো লৈ তেওঁ ওৱাল কেবিনেটত ভৰাই থলে। এবছৰমান পিছত এইখন কিতাপ আকাৰে ছপা হৈ ওলাল। তাৰ পিছৰছোৱা ইতিহাস।

— আপুনি পঁচিশ বছৰ সময়ক বৰ বেছি সময় বুলি ভাবে নেকি? তোমাৰ সু-সজ্জিত চৰাঘৰত বহি এয়া অৰ্ণৱ বৰুৱাই তোমাক সুধিছে।

—বৰ কম সময়ো নহয়। পঁচিশ বছৰ! —তুমি উত্তৰ দিছা। এৰা! এইখিনি সময়ৰ ভিতৰত জীৱন কিমানবাৰ গঢ়ে কিমানবাৰ ভাঙে। তোমাৰ মনৰ কেমেৰাত ধৰা দিছে ইখনৰ পিছত সিখনকৈ ছবি। অচলাই, তোমাৰ পত্নীয়ে চাহ আনিছে।

আমি আচলতে তেখেতৰ ৰচনাৱলী উলিয়াব খুজিছো। প্ৰকাশকে অচলাক কৈছে। তুমি নিজৰ ৰচনা সম্পৰ্কে একেবাৰে সচেতন নহয়। সেই সমূহক লালন-পালন কৰে আচলতে অচলাইহে। ঠিক যেনেকৈ তোমালোকৰ তেজ-মঙহৰ সন্তান দুটিক। অচলাই আনন্দ মনেৰে আলমাৰীৰ খলপে খলপে সজাই থোৱা তোমাৰ পঁচিশ বছৰৰ সম্পদ দহখন উপন্যাস, পাঁচখন চুটিগল্পৰ সংকলন, দুখন প্ৰবন্ধ আৰু দুখন ৰম্যৰচনাৰ সংগ্ৰহ আনি মাজৰ টেবুলখনত থ'লেহি।

প্ৰকাশকে সেই সমূহৰ ওপৰেদি হাত ফুৰাই তোমাৰ লেখক জীৱনত পত্নীৰ ভূমিকাৰ কথা কৈ থাকোতে তুমিও অচলাৰ পিনে মৰমেৰে চাইছিলা। তুমি অচলাক সাৱটি ধৰি দুগালত দুটা চুমা আঁকি দিলা। প্ৰকাশকৰ সন্মুখতেই। অথচ তেওঁ এবো ধৰিব নোৱাৰিলে। এনেকৈ দিনটোত তুমি অজস্ৰ কাম কৰা যিবোৰ আনে ধৰিব নোৱাৰে। সেয়েহে তুমি লেখক। একো একোখন কিতাপ তোমাৰ বাবে একো একোবাৰ

মুখ মেলা আৰু গৰ্ভ দেখা। এককভাৱে মানুহৰ। মানুহ সমষ্টিৰ।

বাৰু সেই কথা থাওক। পাঁচটা খণ্ডত তোমাৰ ৰচনাৱলী প্ৰকাশ হ'ব। তুমি এতিয়া গোটেইখিনি আকৌ এবাৰ চকু ফুৰাই দিয়া উচিত। দুসপ্তাহ পিছত প্ৰকাশক পুনৰ আহিব ইত্যাদি কথাৰে আলোচনা সামৰি মানুহজন উঠি যোৱাৰ পিছৰ ঘটনা। তুমি বহিয়েই আছা চ'ৰাঘৰত। আমেজ বাঢ়ি গৈছে তোমাৰ। মুখখন উজ্জ্বল। এনেকৈ বহুপৰ বহি থাকিলা। এই যে তোমাৰ সন্মুখত তোমাৰেই সৃষ্টি। তুমি স্ৰষ্টা— এই কথাটোৱে এক সুকীয়া পৰিতৃপ্তি আনি দিছে তোমাৰ মনত। অথচ চকু ফুৰোৱাটো এটা ডাঙৰ কাম। বেছিভাগ কথা তুমি পাহৰি গৈছা। বেছিভাগ চৰিত্ৰ তোমাৰ বাবে অচিনাকি হৈ পৰিছে। সেই সমূহৰ সৈতেও তুমি মনটোক মিলাব পাৰিবানে? সময়ৰ ব্যৱধান আদিৰ কথাও আছে। তথাপিও এটা সময়ত তুমি তোমাৰ প্ৰথমখন উপন্যাস তুলি লৈছা হাতত। উত্তৰাকাণ্ড। নামটো ভাবি থাকিলা কিছু সময়। মনত পৰি গ'ল তোমাৰ— সেই সময়ত নামটো লৈয়ো তুমি বৰ দ্বিধাত পৰিছিলা। এবাৰ শামুকৰ খোলা নামটোও মনলৈ আহিছিল। জীৱনৰ সকলো উত্থান-পতন, আনন্দ-বিষাদৰ শেষত আমি আকৌ গতানুগতিকতাক আকোঁৱালি লওঁ। আকৌ সোমাই পৰো শামুকৰ খোলাত। নাইবা এই জীৱনটো বহুতো সৰু সৰু জীৱনৰ সমষ্টি। এটা জীৱন শেষ কৰি আমি প্ৰৱেশ কৰো আন এটা জীৱনত। শেষত 'উত্তৰাকাণ্ড' নামটোৰেই নিৰ্বাচন কৰিছিলা। তাত অচলাৰো সন্মতি আছিল। প্ৰথম সংস্কৰণ প্ৰকাশ হৈছিল পঁচিশ বছৰ আগতে। তেতিয়া তুমি চফল ডেকা। নতুন বিবাহিত জীৱন তোমাৰ। ঘৰত মাথো দুটি প্ৰাণী। অচলা আৰু তুমি। তুমি আৰু অচলা। এটাৰ পিছত আনটোকৈ দৃশ্য মনত পৰি গ'ল তোমাৰ। ঘৰৰ কাষৰ ডাঠ ক'লা কচুৱনি। ওচৰতে পানীৰ টেপ। অচলাই কাপোৰ ধুইছে। তুমি বজাৰৰ পৰা আহিলা। মোনাত মাছ। অচলাই আথে-বেথে আহি মোনাটো ল'লেহি। পৰম যত্নে ৰান্ধিলে। মেমেধুৰ সেই গোন্ধ এতিয়াও তোমাৰ নাকত লাগি আছে। পাকঘৰ সামৰি বহুপৰ শোৱনি কোঠাত বহি আছিলা তোমালোক। তাৰ পিছত ভাত খাবলৈ গৈ সেয়া কি কৰুণ অৱস্থা! গোটেইবোৰ মাছ মেকুৰীয়ে খাই থৈ গৈছে। কেৰাহীৰ ঢাকোন মজিয়াত পৰি আছে।

আকৌ এনিশা বৰ জোৰে ভূমিকম্প হৈছে। অচলা ঘৰৰ ভিতৰত। ওচৰ-চুবুৰীয়াই চিঞৰি মাতিছে। অচলাই দুৱাৰ খুলিছেহে। তুমিও আহি পাইছা ঠিক সেই মুহূৰ্ততেই। দুৱাৰ খুলিয়েই তোমাৰ বুকুত আছাৰ খাই পৰিছে অচলা। আৰু কত কথা। জীৱনৰ কত গোপন অধ্যায়!... এইবোৰ কথা তুমি কেতিয়াবা লিখিছানে ক'ৰবাত? সত্যৰ মুখামুখি হৈছানে? তুমি আপোন মনে ভাবি গৈছা। নাই, তোমাৰ দেখোন মনত নপৰে। তুমি যে প্ৰতিদিনে জীৱনৰ একোটা পৃষ্ঠা পূৰ্ণ কৰি গৈ আছা। সেইপিনে কিন্তু তোমাৰ অকণো দৃষ্টি নাই। ধৰা, অলপ আগৰ ঘটনাটো। সেই যে অমায়িক, সংস্কৃতিৱান প্ৰকাশকজন আহিল তোমাৰ ঘৰলৈ। দুয়োজন বহি কথা পাতিলা। অচলাই কিতাপবোৰ উলিয়াই আনিলে। তোমাৰ ভালপোৱা, আৱেগ সকলো— এইবোৰোতো লিখিব পাৰা। কিন্তু নাই— তুমি এইবোৰৰ ওচৰে-পাজৰেও নাই। মাথো আনৰ বুকুৰ ভিতৰবোৰ খান্দি গৈ আছা অহৰহ। এয়া তোমাৰ আত্মসন্তুষ্টিও হ'ব পাৰে শেষত। এনেকৈ খান্দি খান্দি গৈ থাকি শেষত পোহৰ দেখা পালা আৰু তাত যদি নিজকে দেখা। চকু চাট্ মাৰি নধৰিবনে তোমাৰ!

তুমি উপন্যাসখন পঢ়িবলৈ আৰম্ভ কৰিছা। দহটা অধ্যায়ত বিন্যস্ত কাহিনী। পাত লুটিয়াবলৈ আৰম্ভ কৰিছা। কিন্তু কিবা আচহুৱা আচহুৱা যেন লাগিছে। নিজৰেই সৃষ্ট সকলো চৰিত্ৰ। তথাপি যেন অচিনাকি। তুমি যেতিয়া দ্বিতীয়টো পৃষ্ঠা লুটিয়াইছা, তেতিয়া প্ৰদোষ কাল। উপন্যাসৰ নায়ক নিখিল নিজৰ পঢ়া মেজত বহি আছে। সমুখত মেট্ৰিক পৰীক্ষা। সময়টো সত্তৰৰ শেষাৰ্ধ। তোমাৰ ভাষাত স্বপ্নভংগৰ সময়। ল'ৰাবোৰে চাকৰি নাপাই হতাশগ্ৰস্ত হৈ পৰাৰ সময়। খাদ্য দ্ৰব্যৰ কৃত্ৰিম নাটনি, হাহাকাৰ, মিঠাতেলৰ দাম মূৰৰ চুলিৰ আগ পাইছেগৈ। খেতিয়কে ৰুপিত মাটি মহাজনৰ হাতত যি বন্ধক থ'লে থ'লেই। ঘূৰাই নাপালে। গাঁৱে-চহৰে একেই চিত্ৰ। ল'ৰাবোৰে হতাশাত ভুগি ভুগি চুলি দীঘলকৈ ৰাখিবলৈ ল'লে। জুম বান্ধি থকা হ'ল। প্ৰকাণ্ড প্ৰকাণ্ড চিগাৰ হুপি খুব বেছি কোনোবা ছোৱালীক লৈ কবিতা লিখিবলৈ ল'লে। এনেকুৱা সময়। পঢ়া মেজত বহি নিখিলো হতাশ। লাহে লাহে সন্ধিয়া আৰু ঘন হৈ আহিছে। চাৰিওপিনে ৰহস্যময়, অস্পষ্ট হৈ আহিছে। ভালকৈ মণিব পৰা নাই একোকে। সি চকু দুটা মুদি দিলে। হঠাৎ তাৰ কোঠাত কাৰোবাৰ ভৰিৰ খোজৰ শব্দ। ভাবিলে, মাক মহামায়া আহিছে। ঠিক এইখিনি সময়তেই মাকে সদায় গোঁসাই সেৱা সামৰি হাৰিকেন লেম্পটো আনি তাৰ পঢ়া টেবুলত থৈ যায়। গুৱাহাটীখন তেতিয়া আধা গাঁও আধা চহৰ। চহৰৰ সকলো ঘৰতে বিজুলী নাই। সি অকণমানকৈ চকুহাল মেলি দেখিলে, মাক নহয়। কাষৰ ঘৰৰ বৰ্ণালী নামৰ ছোৱালীজনী তাৰ কোঠালৈ সোমাই আহিছে। তাইৰ হাতত

টেষ্ট পেপাৰ এখন। এইখন নিখিলৰ। তাই মাজে মাজে নিখিলৰ কিতাপ-পত্ৰ পঢ়িবলৈ নিয়ে। ওভতাই দিবলৈ আহি কিছু সময় মেল মাৰি যায়। তায়ো মেট্ৰিক দিব। তথাপি পঢ়াৰ কথাতকৈ আন কথাহে বেছি পাতে। সিদিনা পিছে নৰ'ল। এচপৰা ইটাৰ সমান টেষ্ট পেপাৰখন নিখিলৰ টেবুলত থৈ তাই অহা বাটেদি কোবেৰে উভতি গ'ল।

তাৰ পিছত তুমি লিখিছা নিখিলৰ কোঠাত এটা সুন্দৰ গোন্ধ। এটা নামহাৰা সৌৰভ। সি বুকু ভৰি উশাহ ল'লে। সেই সৌৰভত তাৰ হৃদপিণ্ড জুৰাই গ'ল।

'এই কাল সন্ধিয়াখন এনেকৈ বহি আছ কিয়! যাচোন অলপ বাহিৰলৈ ওলায়। দোকানৰ পৰা দুটামান আলুগুটিকে আনি দে।' মাকে হাৰিকেনটো আনি তাৰ পঢ়া মেজত থৈ কথাখিনি ক'লে।

পাকঘৰত মাকক বজাৰখিনি দি নিজৰ কোঠাত সোমাই সি আকৌ একেটা গোন্ধকে পালে। সেই একে সৌৰভ। সি টেষ্ট পেপাৰখন হাতত ল'লে। পাতবোৰ লুটিয়াবলৈ ধৰিলে। বগা কাগজত সৰু চিঠি এখন! আহ! তাঁলৈকে লিখা চিঠি! বৰ্ণালীয়ে লিখিছে। মাথো তিনিটা শব্দৰ চিঠি— তোমাক ভাল পাওঁ! বাকী পৃষ্ঠাটো উকা। গোন্ধটো তাৰ পৰাই আহিছিল। সি আকৌ চকু দুটা মুদি দিলে।

তুমিও হঠাৎ চকু দুটা মুদি দিলা!

— কি চকু মুদি বহি আছা? অচলাৰ মাত

— ঘটনাটো কিবা চিনাকি চিনাকি লাগিছে।

— কি ঘটনা!

তোমাৰ সম্বিৎ ফিৰিল। তোমাক প্ৰশ্ন কৰিছে অচলাই।

তুমিও বুদ্ধিমান। বাতৰিকাকতখন আনি ভিতৰৰ পৃষ্ঠা এটা উলিয়াই এখন বিশেষ আলোকচিত্ৰৰ ওপৰত সোঁহাতৰ তৰ্জনী আঙুলিটো থৈ অচলাক দেখুৱালা। কেপচনত লিখা আছে পিয়লা চিত্ৰ। চিডনীৰ এজন শিল্পীৰ নতুন ধৰণৰ শিল্পকৰ্ম। সম্পৰীক্ষা। আলিবাটৰ এঠাইত নানান ধৰণৰ কাপৰ সহায়ত ভিঞ্চিৰ 'মনালিছা'ক মূৰ্ত কৰি তুলিছে।

ৰং নাই, তুলিকা নাই, মাথো কেইটামান কাপৰ সহায়ত মনালিছা! অবিকল্ মনালিছা। মুখখন ধৰিব পাৰিছানে? কি সুন্দৰভাৱে ফুটাই তুলিছে!

অচলাই আগ্ৰহেৰে চাইছে। তুমি কাপৰ সংখ্যা আঁতৰাইছা। ৩,৬০৪টা কাপ ব্যৱহাৰ কৰি ছবিখন নিৰ্মাণ কৰা হৈছে। একেলগে ৩,৬০৪জন মানুহে চাহ খাব পৰা সাধাৰণ কাপ। এই কাপকেইটা কিদৰে অসাধাৰণ হৈ উঠিল! হয়তো ৩,৬০৪জন মানুহে চাহ খাই কাপকেইটা দলিয়াই পেলাই দিলে হয় গাৰবেজ বিনত! কিন্তু নাই, সেয়া নহ'ল। স্বতন্ত্ৰভাৱে ইহঁতৰ কোনো অস্তিত্ব নাই। কিন্তু সামগ্ৰিকভাৱে ইহঁত হৈ পৰিছে স্বৰ্গীয়। যিদৰে বহুবছৰ আগতে এগৰাকী সাধাৰণ নাৰীক ভিঞ্চিয়ে অসাধাৰণ কৰি থৈ গৈছে!

অচলা আঁতৰি গৈছে। খুব সুন্দৰকৈ মেনেজ কৰিলা তুমি! আকৌ নিখিললৈ উভতিছা। সি চকু মেলিছে। তাকে দেখি তুমি আকৌ চকু মুদি দিলা। নিখিলৰ পঢ়া মেজখন তোমাৰ হৈ গ'ল। বৰ্ণালীয়ে টেষ্ট পেপাৰৰ ভিতৰত গুজি দিয়া চিঠিখনত সেয়া তোমাৰ নাম। তিনিটা শব্দৰ নহয়। কিঞ্চিৎ দীঘলীয়া চিঠি। তুমি ৰোমাঞ্চিত! শিহৰিত! বৰ্ণালীৰ নামটো পঢ়িবলৈ চেষ্টা কৰিছা। আখৰ জোঁটাই জোঁটাই ভাগৰি পৰিলা। চিঠিৰ শেষত সেয়া বৰ্ণালী নহয়, ভাৰতী!

তুমি আচলতে নিখিলৰ কৈশোৰৰ শেষ প্ৰান্তত আছিলা। বৰ্ণালীৰ চিঠিখনত আছিলা। বৰ্ণালীয়ে চিঠিখন টেষ্ট পেপাৰৰ ভিতৰত ভৰাই থৈ যোৱাৰ এমাহ পিছৰ ঘটনা এটাত আহি তোমাৰ দৃষ্টি নিবদ্ধ হৈ গ'ল। বৰ্ণালীৰ মাহীমাক বহি আছে তাৰ কোঠাত। একেবাৰে নিখিলৰ মুখামুখি। চকু দুটা কৰুণ। তেওঁ নিখিলক সুধিছে— তোমাক বৰ্ণালীয়ে কিবা কৈছিল নেকি?

সি থত্মত্ খালে। চিঠিখনৰ কথা সুধিছে নেকি বাৰু! কি উত্তৰ দিব সি! কি উত্তৰ দিব! চুটি বাক্য এটা তাৰ মুখৰ পৰা ওলাল— নাই কোৱা!

'তাই যে... তাই যে....' মানুহগৰাকী কান্দোনত ভাগি পৰিল। বাৰীৰ পিছপিনৰ পুখুৰীটোত জপিয়াই আত্মহত্যা কৰিছে বৰ্ণালীয়ে। বৰ্ণালীহঁতৰ ফিচাৰীটোত। নিখিল জিকাৰ খাই উঠিল। বৰ্ণালীয়ে! তাইতো জীয়াই থাকিব খুজিছিল। তাক ভালপাওঁ বুলি কিমান আৱেগেৰে লিখিছিল! পিতৃহাৰা ছোৱালীজনীৰ মুখখন বাৰে বাৰে তাৰ মনত পৰিবলৈ ধৰিলে। বহু নিশা সি শুব নোৱাৰিলে। এনেকৈ উজাগৰে থাকি থাকি এটা সময়ত তাৰ চকুৰ মণিৰ জোনাকত ধৰা দিলে বৰ্ণালীৰ মাহীমাকৰ ভাগিনীয়েকটো! ভাস্কৰ! ভাস্কৰ!!

তাৰ পিছত নিখিলৰ কৈশোৰ উধাও হৈ গ'ল। তুমি ধৰি ৰাখিব নোৱাৰিলা তাৰ জীৱনৰ ৰোমাঞ্চ। অথচ তুমিও ভালকৈ জানা, মাথো এটা-দুটা ঘটনাই পৰিপূৰ্ণ নকৰে কৈশোৰক। তাৰ বাবে বহু পৃষ্ঠা খৰচ হোৱাটো একো অস্বাভাৱিক নহয়। আকৌ চকু দুটা মুদি দিলা। কাৰণ তুমি বিশ্বাস কৰা যে চকুৰ পতা দুখনত মহত্ত্ব আছে। পতা দুখন

মুকলি হৈ থাকিলে আমি যিদৰে ইপাৰৰ জগতখনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকো, ঠিক সেইদৰে মুদি দিলে সিপাৰৰ জগতখনলৈ যাওগৈ। দৃষ্টিৰ সিপাৰৰ। তুমিও গৈ পালা। এই প্ৰথমবাৰ চকু মুদি তুমি থত্মত্ খালা। মাথোঁ অন্ধকাৰ। ঘুপঘুপীয়া অন্ধকাৰ। ক'লা। ভয়ংকৰ ক'লা। তেন্তে একো নাই! একো নাই!! তুমি বেছিপৰ চকু মুদি থাকিব নোৱাৰিলা। চকু মেলি দিলা। ডাঙৰ ডাঙৰকৈ মেলিলা চকু দুটা। নিখিলৰ... নিখিলৰ কৈশোৰ আধৰুৱা!

তাৰ পিছৰ অধ্যায়ত নিখিল ঘৰৰ পৰা আধা ফাৰ্লংমান দূৰৈৰ দলংখনত বহি আছে। মেট্ৰিক পাছ কৰি সি এতিয়া কলেজত পঢ়ে। মেট্ৰিকৰ ফলাফল তাৰ সিমান ভাল হোৱা নাই। তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। এইলৈ তাৰ অৱশ্যে অকণো অনুতাপ নাই। কোনোমতে পাছ কৰি গ'লেই হ'ল। এটা সাধাৰণ ডিগ্ৰী হ'লেই তাৰ হৈ যাব। আত্মতৃপ্তিৰ বাবে তাৰ অন্য পৃথিৱী আছে। কলেজ সপ্তাহত সি ইমান সুন্দৰকৈ গীত গালে যে সংগীতৰ দহটা বিভাগত পুৰস্কাৰ লাভ কৰি শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰিলে। সাহিত্য শাখাতো বহুকেইটা পুৰস্কাৰ তাৰ দখললৈ আহিল। এনেকুৱা হ'লে যি হয় সি সকলোৰে চকুৰ মণি হৈ উঠিল। তাৰ অহংকাৰ হ'ল। সি দাম্ভিক হ'ল। দিন যোৱাৰ লগে লগে এইবোৰ বাঢ়ি আহিল। সি সাধাৰণ মানুহৰ স্পৰ্শৰ বাহিৰলৈ যাবলৈ ধৰিলে। যেন এটি চৰাই, এটা ভেকুলী আৰু এটা হৰিণাৰ সৈতে সি যাত্ৰা আৰম্ভ কৰিছিল। আহি আহি এখন সাগৰ পাই হৰিণাটো ৰৈ গ'ল। সি সাগৰ পাৰ হোৱাৰ কথা ভাবিবও নোখোজে। ভেকুলীটোৱে কিন্তু জাপ মাৰি দিলে। চৰাইটো আকাশেদি উৰি গ'ল। সিতো যাবই! তাৰ বাবে সাগৰ পাৰ হোৱাটো সহজ কথা। সাগৰত ভেকুলীটো ৰৈ গ'ল। এইবাৰ সি আৰু চৰাইটো। আকাশৰ শেষ সীমাত চৰাইটোও ৰৈ গ'ল। সি অকলে মহাকাশলৈ যাত্ৰা কৰিলে। তাৰ কাণৰ কাষত কোনোবাই যেন ফুচ্‌ফুচাই ক'বলৈ ধৰিলে— মানুহৰ এই আগ্ৰহ, আগ্ৰহ নহয়। এয়া মিছা, এয়া মায়া। এই বিষন্ন আকাশ, চিন্তামগ্ন পৃথিৱী, বিষাদ অৰণ্য— সকলোৱে যেন আমাৰ জীৱনৰ মিছা দাম্ভিকতাৰ কথা, জীৱনৰ অসাৰতাৰ কথা সোঁৱৰাই দিছে। এইবোৰৰ উৰ্দ্ধত এনেকুৱা এটা অস্তিত্ব বিৰাজমান যি চিৰন্তন, স্বৰ্গীয় সুখেৰে পৰিপূৰ্ণ। এনেকুৱা মুহূৰ্তত গাৰ ভাৰ যেন কমি নাইকিয়া হৈ যায়। মনো পাতল পাতল পাতল... যেন ফুৰফুৰীয়া পাতল পাখি লগা স্বৰ্গীয় সুষমাৰে ভৰা পৱিত্ৰ প্ৰজাতি। মৃত্যু আহিলেও এক গভীৰ আৱেগেৰে সাৱটি ধৰিবলৈ। স্মৃতিক আকোঁৱালি উজাগৰে থাকিবলৈ হাবিয়াস জাগে। ধাৰণা হয় সেই অতীত যেন অতীত নহয়— য'ত স্বৰ্ণালী আভা খোদিত হৈ আছে, অনাগত ভৱিষ্যৎ যেন পৰিপূৰ্ণ নহয় আশাৰে। বৰং অতীত যেন তুচ্ছ, ক্ষুদ্ৰ, নগণ্য। ৰসহীন, আসক্তিহীন। আনকি অনাগত ভৱিষ্যতো শূন্য। স্বৰ্গীয় সুষমাৰে ভৰা এই যে সোণৰ মুহূৰ্তবোৰ, সৰি সৰি পৰিব অনন্ত সাগৰৰ বুকুত। তাক আৰু কাহানিও ঘূৰাই পোৱা নাযাব। তেন্তে... তেন্তে এই জীৱনৰ অৰ্থ কি!

ইয়াৰ পিছৰ অধ্যায়ত নিখিলে দলিয়াই দিলে সকলো। বৰ্ণালী, গীতবোৰ, কবিতাবোৰ তাৰ সকলো দাম্ভিকতা, তাৰ সকলো অহংকাৰ। সি যেন এটা বীজ। অনন্ত সম্ভাৱনাৰে মহীৰুহ যেন লুকাই আছে তাৰ বুকুত। এনেকৈ সি আকৌ মাটিলৈ নামি আহিল, মাটিত পোত গ'ল।

বাঃ কি অদ্ভুত তোমাৰ বিশ্লেষণ। অদ্ভুত তোমাৰ ব্যাখ্যা। এটা মানুহক মহাকাশলৈ পঠিয়াই দিলা। আকৌ মাটিলৈকে নমাই আনিলা। মাটিলৈ নমাই আনিয়েই ক্ষান্ত নাথাকিলা। সি এটা বীজত পৰিণত হৈ, তাৰ সকলো সম্ভাৱনাক সংকুচিত কৰি আকৌ এটা নতুন জীৱনৰ পাতনি মেলিবৰ বাবে প্ৰস্তুত হ'ল। এটা জীৱনৰ ভিতৰত যে কিমানবোৰ জীৱন সোমাই থাকে! ভালকৈ নাচালে অনুমান কৰাই টান।

এইখিনিতে তুমি অলপ ৰৈছা। এতিয়া আৰু পঢ়িবলৈ মন নাই তোমাৰ। দুপৰীয়া হ'লহি। এমুঠি খাই ভাত ঘুমটি এটা মাৰি ল'ব লাগিব। তেতিয়া আকৌ সতেজ হৈ পৰৱৰ্তী অধ্যায়বোৰ পঢ়িম। তুমি আপোনমনে কথাখিনি কৈ, উপন্যাসখন সামৰি থৈ ঘৰৰ ভিতৰলৈ খোজ লৈছা।

ইপিনে বীজৰ পৰা গজালি, তাৰ পৰা গছ আৰু মহীৰুহ হোৱাৰ অনন্ত আশা বুকুত বান্ধি নিখিলৰ দিনবোৰ পাৰ হৈ গৈ আছে। এইবাৰ সি বিবাহিত। তাৰ সৈতে পত্নীও আছে। ঠিক যিদৰে তোমাৰ সৈতে আছে অচলা। বৰ সুন্দৰ আৰম্ভণি তাৰ বিবাহিত জীৱনৰ। আদিতে তুমি বৰ্ণনা দিছা এটি শোৱনি কোঠাৰ—নিখিলৰ। য'ত তাৰ পত্নী নিশা এখন সুন্দৰ কাৰুকাৰ্যখচিত পালেঙৰ ওপৰত বহি আছে। এবাৰ অকলে। এবাৰ নিখিলৰ সৈতে অন্তৰংগভাৱে। তাৰ পিছত নিশাৰ মাতৃৰূপ। ব্যস্ত গৃহিণীৰূপ। খৰ খোজেৰে তাই ইফাল সিফাল কৰিছে। এই শোৱনিকোঠা, এই চৰাঘৰ, এই ৰান্ধনিঘৰ। সময়বোৰ দ্ৰুতগতিত পাৰ হৈ গৈছে। লাহে লাহে ইমন ডাঙৰ হৈ আহিল। তাৰ পিন্ধা কাপোৰবোৰ টান হ'বলৈ ধৰিলে। সৰু হ'বলৈ ধৰিলে। দেখা গ'ল পালেঙখনো এদিন বিবৰ্ণ হ'ল। নিশাও। নিখিলো। কিন্তু নিখিলৰ সেই বিবৰ্ণতা সাময়িক।

নিজকে প্ৰবোধ দিলে নিশাই। তাৰ পিছত দেখা গ'ল তাই জীৱনৰ ৰঙবোৰ সামৰি থৈছে আলফুলে বাকচত। এদিন নহয় এদিন উলিয়াই চাব এই আশাৰে।

অথচ প্ৰথমদিনা নিশাৰ উজ্জ্বল চকুযুৰিয়ে এই বিবৰ্ণতাৰ একো সন্ভেদ দিয়া নাছিল। কিন্তু সেই আৰম্ভণিৰ পৰাই কাহিনীয়ে পৰিণতিৰ পিনে তোমাৰ উপন্যাসৰ চৰিত্ৰসমূহক টানি নিবলৈ চেষ্টা কৰিছিল। তুমিও নাজানিছিলা। তুমি মাথোঁ কাৰ্যকাৰণ বৰ্ণনা কৰি গৈ থাকিলা। তুমি উজ্জ্বল নিশাক বিবৰ্ণ দেখুৱাই, নিখিলক বিবৰ্ণ দেখুৱাই ক্ষান্ত নহ'লা। জুৰি দিলা এক আশা। নিশাৰ ৰংবোৰ বাকচে বাকচে ঠাহ খাই আছে। অৰ্থাৎ এই বিবৰ্ণতা সাময়িক। আকৌ আহিব সেই দিনবোৰ। উজ্জ্বল ৰ'দৰ দিন। উজ্জ্বল ৰ'দে কলহে কলহে পোহৰ সিঁচিব গাত। কিন্তু নিয়তিয়ে হাঁহিছিল। তোমাৰ চকুত পৰা নাছিল। এনেকৈয়ে সন্তৰ্পনে আমাক এক সম্ভাৱনাৰ পিনে কিহবাই টানি নিয়ে। এই চৰাচৰ বিশ্বপ্ৰকৃতিৰ মাজত থাকিও আমি যেন দূৰ আৰু দূৰ হৈ যাও। বহু দূৰৈত, একেবাৰে অকলশৰীয়া!

আবেলি যেতিয়া এপিয়লা চাহৰ সৈতে তুমি উপন্যাসখন মেলি লৈছা, তেতিয়া কাহিনী প্ৰায় শেষৰ পিনে। তুমি পাত লুটিয়াই গ'লা। নিজৰ ৰচনা বেছিকৈ পঢ়ি থাকিবলৈ তোমাৰ লাজ লাগে। সেয়েহে খৰকৈ পাত লুটিয়াইছা। কিন্তু ঘটনা প্ৰৱাহ যিহেতু তোমাৰ বাবে বহু পুৰণি। দুই যুগ আগৰ। নিখিলক ক'ত নি থিয় কৰাইছিলা, তোমাৰ মনত পৰা নাই। সেয়েহে দ্ৰুতভাৱে পাত লুটিয়াই যোৱাৰ বাহিৰে উপায় নাছিল। লুটিয়াই লুটিয়াই চকু থৰ হৈ গ'ল তোমাৰ। আচৰিত! শেষৰ অধ্যায়ত তুমিও এটা চৰিত্ৰ!

আঁঠুত মূৰ গুজি অচলা বহি আছে পালেঙৰ ওপৰত। পালেঙখন দেখোন চিনাকি চিনাকি লাগিছে। নিশা যে বহি আছিল, সেই পালেঙখনেই নহয় জানো? হয়! সেইখন পালেঙতেই অচলা বহি আছে। কাষত সেই কিতাপখন। তুমি বাৰ বছৰ আগতে উপহাৰ দিয়া সেই অগতানুগতিক কিতাপখন। ধুমুহাত চূৰমাৰ হৈ গ'ল ঘৰ-দুৱাৰ সকলো। চাৰিওপিনে অন্ধকাৰ। পোহৰৰ লেশমানো নাই। তাৰ পিছত ৰাতি পুৱাল। এবুকু শূন্যতাৰ মাজত সেই কিতাপখন। অচলাই মনযোগেৰে পঢ়িছে ভিতৰৰ উকা পৃষ্ঠাত তুমি লিখি দিয়া কথাখিনি আৰু পঢ়ি আচৰিত হৈ গৈছে। কিয় দিছিলা তুমি সেই কিতাপখন! প্ৰিয়জনৰ মৃত্যুৰ পিছতো কেনেকৈ অবিচল থাকিব লাগে তাক এজন বিখ্যাত মানুহৰ জীৱনৰ উদাহৰণ দি বুজোৱা কিতাপ। এই কিতাপখনেই তুমি কিয় নিৰ্বাচন কৰিছিলা অচলাৰ বাবে? হয়তো ক'ব নোৱাৰাকৈয়ে লাহে লাহে তুমি প্ৰস্তুত হৈছিলা। প্ৰস্তুত হৈছিলা সেই দিনটোৰ বাবে যিটো দিনত তুমি গুচি যাবা কোনোবা অজান দেশলৈ। যিখনে দেশলৈ গ'লে আৰু কোনো ঘূৰি নাহে। এয়েই বিচিত্ৰ লীলা। কোনো অদৃশ্য শক্তিয়ে কিতাপখন কিনাইছিল তোমাৰ হতুৱাই আৰু তুমি অচলাক উপহাৰ দি থ'লা। যাতে তুমি গুচি গ'লে...। হয়, চাৰিদিন আগতে তুমি গুচি গৈছা আৰু আজি হঠাৎ অচলাই কিতাপখন পুনৰ আৱিষ্কাৰ কৰিছে। তেওঁ তোমাৰ লিখাখিনি পঢ়ি মূক হৈ বহি আছে!

হঠাৎ তোমাৰ খং উঠিল। তুমি ক'ব নোৱাৰাকৈ এই পৃষ্ঠাবোৰ কোনে পুৰি দিলে! তোমাৰ জীৱনৰ পৰিণতিৰ কথাবোৰ ইমান শ্ৰেণীবদ্ধভাৱে, যেন সকলো পূৰ্বপ্ৰস্তুত। কোনোবাই যেন অবুজ লিপিত লিখি থৈ গৈছে সকলো আৰু সেইমতে কাম হৈ গৈ আছে। ক'তো অকণো ইফাল-সিফাল নাই। সেই অবুজ লিপিৰ আখৰবোৰ পঢ়িব নোৱাৰা বাবেই আমাৰ যত সমস্যা।

তুমি বিছনাখনত শুই আছা। দুদিন ধৰি তোমাৰ জ্বৰ। ডাক্তৰে আহি চাই ঔষধ পাতি দি গৈছে। কিন্তু জ্বৰ কমা নাই। এটা সময়ত তুমি দক্ষিণমুৱা হৈ শুই ল'লা। আধাকাপ চাহ খুজিলা। আনদিনা আগ্ৰহেৰে চাহকাপ লোৱা। আজি উঠিবৰ শক্তি নাই। শেষত চামুচেৰে চাহ খুৱাই দিব লগা হ'ল তোমাক। সেয়াই শেষ। পাৰ্থিৱ আৰু কোনো খাদ্য তোমাক নুৰুচে। তুমি ঘন ঘনকৈ উশাহ টানিবলৈ ধৰিলা। সমগ্ৰ প্ৰকৃতিয়ে যেন আয়োজন সম্পূৰ্ণ কৰি আনিলে। নিয়তি চৰাইজনীয়ে চিঞৰিবলৈ ধৰিলে। মেকুৰীজনীয়ে বিনাই বিনাই ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে। সেই একেজনী মেকুৰী— যিজনীয়ে কেৰাহীৰ পৰা মাছ খাইছিল! তাৰ পিচত বিছনাখন শূন্য। একেবাৰে শূন্য। গাৰু-তুলী একো নাই। বগা সাজ পিন্ধি অচলা বহি আছে। কাষত সেই কিতাপখন!

তোমাৰ সৰ্বশৰীৰ কঁপিবলৈ ধৰিলে। খঙত। দুখত যন্ত্ৰণাত। কোনে লিপিবদ্ধ কৰিছে এই পৃষ্ঠাবোৰ! কোন সেইজন যিয়ে তোমাৰ উপন্যাসৰ শেষ খণ্ডত তোমাকো জুৰি দিছে! হয়তো তোমাৰ কোনো অন্তৰংগ বন্ধু। তোমাৰ প্ৰাণৰ সখা! হয়তো তেৱোঁ লিখা নাই সেই কথা। প্ৰকৃতিৰ পাঠৰ পৰা হুবহু আনি লিপিবদ্ধ কৰিছে মাথোন। এই কথা তেওঁৰো নহয়। এই লিপিবদ্ধ গাঁথা যুগ যুগ ধৰি চলি অহা অখণ্ড মহাজীৱনৰ এটি অংশ মাথোন। নিখিল, নিশা বা তুমি আৰু অচলা সেই অংশৰ একো একোজন অংশীদাৰহে।

# প্ৰাপ্তি

**আকাংক্ষা কলিতা**
*স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*



আজি আমাৰ ঘৰলৈ আলহী আহিব। পুৱাৰে পৰা সেয়ে সকলো ব্যস্ত। দেউতা বজাৰলৈ যাবলৈ ওলাইছে। ইটো সিটো কামৰ মাজতে মায়ে বাৰে বাৰে সকীয়াইছে ভালৰো ভাল বস্তু আনিবলৈ। কাৰণ, এলা-পেছা আলহী নহয় যে এয়া— মোক চাবলৈ অহা আলহী এয়া! ঘৰখনৰ প্ৰতিটো কোঠাৰ, প্ৰতিটো কোণকে ব্যস্ততাৰ মিঠা আৱেশে চুই গৈছে। মাত্ৰ চুব পৰা নাই মোক।

আইনাৰ সন্মুখত বহি আছো, আইনাত নিজৰেই প্ৰতিবিম্ব। দৃষ্টিও প্ৰতিবিম্ব আৰু আইনাতেই নিবদ্ধ। তথাপি যেন স্পষ্টকৈ দেখা পোৱা নাই মই মোক। মন সাগৰত অস্থিৰ ঢৌৰ আন্দোলন— যোৱা ছাবিশটা বছৰে মই জীৱনটোত কি পালো, কি দিব পাৰিলো জীৱনটোক!! আজি, অতিথি আগমনৰ এই সামান্য খবৰটোৱেই এনে কথাবোৰ ভাবিবলৈ বাধ্য কৰিছে মোক।

বাহ্যিকভাৱে, থপিয়াই অনাবিধৰ নহ'লেও, দলিয়াই পেলোৱাবিধৰো নহওঁ মই। অন্ততঃ ভৱিষ্যতে কোনোবাই কুৎসিৎ বা এলাগী বুলি পৰিতাপ কৰিব নোৱাৰে মোক লৈ। কিন্তু পোনপটীয়া হ'লেও কথাবোৰ পোনবাটেৰে নাযায়। চিকিৎসালয়ৰ বিছনাত পৰি থকা ৰোগীজনলৈ, তেওঁৰ পৰিয়াল স্বজনলৈ যেনেদৰে 'ইচিজি'ৰ পোন ৰেখা কেইডালে কু-বাৰ্তা কঢ়িয়াই আনে; ঠিক একেদৰে পোন যেন লগা কথাবোৰে মোৰ জীৱনলৈ অশুভ মুহূৰ্ত কিছুমানহে কঢ়িয়াই আনিলে। সাহসী হ'বলৈ অযুত চেষ্টা কৰিও, অসহায় হৈ পৰো মই। এয়াই হয়তো জীৱন!

প্ৰায় তিনি বছৰমান বয়সত মায়ে মোৰ দেহৰ পৃষ্ঠভাগত এটা দাগ আৱিষ্কাৰ কৰিছিল— এটা বগা দাগ। মা চিন্তাত পৰিছিল। দেউতাৰ সৈতে মোক লৈ ডাক্তৰৰ ঘৰলৈ তাঁত বাতি কৰিছিল। চিকিৎসাৰ নামত ঔষধ দিয়া হৈছিল মোক, যাৰ সামৰ্থ চিকিৎসা শাস্ত্ৰৰ ভাষাত, সৰ্বদেহত বিয়পাত বাধা দিয়াহে, নিৰ্মূল নহয়। চিকিৎসা শাস্ত্ৰৰ স্থিতিক সৱল কৰি সঁচাকৈয়ে দাগটো শৰীৰৰ আন অংশলৈ বিয়পি নগ'ল আৰু মোৰ মানসিক স্থিতিক দুৰ্বল কৰি মোৰ শৰীৰৰ পৃষ্ঠভাগত বৈ গ'ল এচমকা শুকুলা ডাৱৰ!

আন দহজনী ছোৱালীৰ দৰে নিজাববীয়াকৈ ম৯ো সপোন দেখিছিলো— প্ৰিয়জনৰ সৈতে হোমৰ গুৰিত বহাৰ। কিন্তু বিধিয়ে মোক উপলুঙা কৰি সোঁৱৰাই দিয়ে মোৰ সীমাবদ্ধতা। এতিয়া বিয়া মোৰ বাবে এক বিনিময় প্ৰথা মাথোঁ, য'ত দৰাঘৰে কইনাঘৰত শব্দহীনভাৱে কোৱা হৈ যায়, তোমালোকে তোমালোকৰ ছোৱালীজনীক শিকাই-বুজাই নিখুঁত আৰু সুযোগ্যা কৰি তোলা, যাতে তাই আমাৰ বংশৰক্ষা কৰিবহি পাৰে। তাৰ বিনিময়ত আমি তাইৰ ভৱিষ্যতৰ ভৰণ-পোষণৰ দায়িত্ব ল'ম।'

সেই সময়ত মই একো বুজা নাছিলো। মোৰ অপৈনত মন মগজুত তেতিয়া চাহাববোৰৰ দৰে বগা হোৱাৰ আনন্দই খেলা কৰিছিলহি। লাহে লাহে বুজি উঠিছিলো মোৰ দেহৰ সেই দাগটো মোৰ বাবে কাহানিও মচিব নোৱাৰা এটা অভিশাপ যাক কোনেও কান্ধ পাতি ল'বও নিবিচাৰে। অজ্ঞানতাৰ চিকাৰ হৈছিলো মই আৰু মই বাস কৰা সমাজখন। আধুনিকতাৰ ব্ৰেণ্ডেড পোছাক পৰিহিত সমাজখন যে ব্ৰেণ্ডেড চিন্তাধাৰাৰ অধিকাৰী নাছিল। সেয়ে হেৰুৱাইছিলো একেলগে সুখৰ সংসাৰ গঢ়াৰ সপোন দেখুওৱা নিচেই আপোনজনকো। তেজ মঙহেৰে গঠিত মইজনীৰ আৱেগ-অস্তিত্ব তেওঁৰ বাবে গুৰুত্বহীন হৈ পৰিছিল। গুৰুত্বপূৰ্ণ হৈ ধৰা দিলে এটা ৰোগ— যিটো ইতিমধ্যে স্থবিৰ হৈ পৰাৰ লগতে আনৰ শৰীৰলৈ বিয়পাৰো কোনো আশংকা নাই। পৰি ৰ'লো মই ঘৰখনৰ দোহাই দি আঁতৰি যোৱা তেওঁৰ ভৰিৰ তলৰ ধূলিত সম্পূৰ্ণ অৱহেলিত হৈ। সেই ধূলিয়ে মোৰ দুচকুক এনেভাৱে আক্ৰান্ত কৰিলে যে দ্বিতীয় এজনক মই মোৰ জীৱনৰ সৈতে সাঙুৰি ল'বলৈ অক্ষম হৈ ৰ'লো। নঞৰ্থক উত্তৰেৰে বিমুখ হৈছে বহুজন। বাহ্যিক সৌন্দৰ্যত বিভোৰ, স্বাভিমানী কোনোজনৰ মুকলি প্ৰত্যাহ্বান— 'মোতকৈ কিমান ভাল পায় চাম নহয়'। ক'বৰ মন যায়, 'নেলাগে মোক তোমালোকতকৈ ভাল। কিন্তু মোৰ অস্তিত্বক, মোৰ সত্তাক সন্মান জনাব পৰাজনহে মোৰ অতিকৈ কাম্য।' মুখ খুলি কোৱা নহয়গৈ। মূল্যহীন হৈ পৰিছে এইবোৰ কথা মোৰ বাবে। 'বিয়া' নামৰ শব্দটো হৈ পৰিছে ফোঁপোলা ভেঁটি সম্পন্ন এক ব্যৱস্থা মাত্ৰ। আন দহজনী ছোৱালীৰ দৰে নিজাববীয়াকৈ ম৯ো সপোন দেখিছিলো— প্ৰিয়জনৰ সৈতে হোমৰ গুৰিত বহাৰ। কিন্তু বিধিয়ে মোক উপলুঙা কৰি সোঁৱৰাই দিয়ে মোৰ সীমাবদ্ধতা। এতিয়া বিয়া মোৰ বাবে এক বিনিময় প্ৰথা মাথোঁ, য'ত দৰাঘৰে কইনাঘৰত শব্দহীনভাৱে কোৱা হৈ যায়, তোমালোকে তোমালোকৰ ছোৱালীজনীক শিকাই-বুজাই নিখুঁত আৰু সুযোগ্যা কৰি তোলা, যাতে তাই আমাৰ বংশৰক্ষা কৰিবহি পাৰে। তাৰ বিনিময়ত আমি তাইৰ ভৱিষ্যতৰ ভৰণ-পোষণৰ দায়িত্ব ল'ম।' কেতিয়াবা মন যায় বিয়া হৈ আন এখন ঘৰলৈ, আন এটা ৰূপলৈ সলনি নোহোৱাকৈ দাদাহঁতৰ দৰেই কাৰো বোজা নোহোৱাকৈ ওৰে জীৱন নিজৰ ওপজা ঘৰখনতে বিনা দ্বিধাৰে কটাবলৈ। কিন্তু, বেদনাহত চকুৰ সৈতে অসহায় দুখনি মুখ যেতিয়া দেখা পাও, ভাৱনাৰ ভেটি সোলোক ঢোলোক হৈ পৰে। আত্মবিশ্বাস হেৰাই যায়। কোঁচ-মোঁচ খাই পুনৰ সোমাই পৰো অদৃশ্য খোলা এটাৰ ভিতৰত।

সকলো বুজিও যে অবুজন মোৰ ঘৰখন। মা-দেউতা, ভালেই হওঁক, বেয়াই হওঁক নিজৰ পেটৰ সন্তাৰ দুখ সহিব নোৱাৰে। মোৰ ভৱিষ্যত নিৰাপদ কৰিব বিচাৰে বিশ্বাসী কোনোবা এজনৰ ছত্ৰছায়াত। কিচ্‌কিচিয়া ক'লা চুলিতাৰিৰে লাহী, মিঠাবৰণীয়া মইজনীৰ বিয়াই সবাহে কদৰ বাঢ়ি যোৱা স্বত্বেও ধুমধামেৰে বিয়া দি উলিয়াই দিবলৈ কিন্তু তেওঁলোকৰ সাহসৰ অভাৱ। ভয় জানোচা মোৰ বৈবাহিক জীৱন অসুখী হয়। তথাপিও আলেঙে আলেঙে দৰা বিচাৰি চলাথ কৰিছে। মোৰ দৰেই খুঁত থকা অথচ কোনোবা ভাল এজনক পোৱাৰ আশাত। লাহে ধীৰে ম৯ো যেন সাহচৰ্যৰ প্ৰয়োজন অনুভৱ কৰিছো। জীৱনৰ পেণ্ডুলামক খামুছি মই অস্থিৰভাৱে ইফালে গৈছো, সিফালে গৈছো। স্থিৰতা প্ৰদানৰ বাবে আজি যে মোৰ কাষত কোনোৱেই নাই!

বহুদিনৰ জল্পনা-কল্পনা আৰু অপেক্ষাৰ অন্তত ঘৰখনলৈ আজি আহো-নাহোকৈ সুখৰ ঢল বৈ আহিছে। কুন্দত কটা সুগঢ়ী মোৰ বৌৰ কোনোবা বান্ধৱীৰ দূৰ সম্পৰ্কীয় ভায়েকে এই ঢল বোৱাই আনিছে। ইটো-সিটো ব্যস্ততাৰ মাজতে আজলী মোৰ মায়ে কৈছেহি, 'মন মাৰি নাথাকিবি। ল'ৰাটো ভাল বুলি শুনিছো—ডাক্তৰ।' মনৰ ভিতৰতে 'ডাক্তৰ' শব্দটোৱে বিদ্ৰূপ আৰু আশংকাৰ ঢৌ খেলাই গ'ল। ডাক্তৰ...? আন ছোৱালী ডাক্তৰৰ অভাৱ ঘটিল নে বিধিৰ আন এক কুটীল প্ৰয়াস মোৰ

অস্তিত্বৰ ভেটিক জোকাৰি যোৱাৰ?'

মোৰ ভাৱনাত যতি পেলালহি আইনাত ভাঁহি উঠা বৌৰ প্ৰতিবিম্বটোৱে। যোৱা দু বছৰে আমাৰ প্ৰতিটো সুখ-দুখৰ মুহূৰ্তত লগ দিয়া বৌৰ হাতত ধৰি সংকুচিত মনটো লৈ ওলাই আহিছো মই। ককাদেউতাৰ দিনৰে আমাৰ পুৰণি ঘৰটোৰ ড্ৰয়িংৰুমত বৃত্তাকাৰে ত্ৰাণকৰ্তাস্বৰূপ সন্মানীয় অতিথি বহি আছে। বৃত্তৰ কেন্দ্ৰবিন্দু হৈ পৰিলো মই। তেওঁলোকৰ কথাৰ যথাযথ উত্তৰ দিলো। ইতিমধ্যে ঘৰখনৰ প্ৰতিজনৰ লগতে অতিথিৰ বাৰ্তালাপে সুমধুৰ পৰ্যায় পাইছেগৈ। প্ৰত্যেকে নিজৰ নিজৰ মাজত কথা পাতিবলৈ আৰম্ভ কৰিলে। বাকী থাকিলো গৈ আমি দুয়ো— মই আৰু তেওঁ। পৰিস্থিতিটো আচলতে সম্পূৰ্ণ পৰিকল্পনাৰ ভিত্তিত হৈছিল নে স্বতঃস্ফূৰ্ত আছিল নাজানো। কিন্তু এই সময়খিনিৰ পূৰ্ণ সুযোগ ল'ব লাগিব। কাৰণ মই নাজানো মোৰ সন্মুখত বহি থকা এই মানুহজনে মোৰ বিষয়ে কি জানে। প্ৰতাৰকৰ ভূমিকা লোৱাৰ মোৰ সমূলি ইচ্ছা নাছিল আৰু ইচ্ছা নাই প্ৰতাৰণাৰ সন্মুখীন হ'বলৈও। তেওঁৰ বিষয়ে জনাটোওটো মোৰ কৰ্তব্য! ইতিমধ্যে দুই এটা কথাৰ আদান-প্ৰদান হৈ গৈছে আমাৰ মাজত। এতিয়া আচল কথা পতাৰ সময়। কিন্তু কেনেকৈ? প্ৰথম চিনাকিতে এজন ডেকাৰ আগত কেনেকৈ ক'ব পৰা যায় মোৰ নিজৰ দুৰ্বলতাৰ কথা! যদিহে আগৰ দৰেই এৰোঁ মোক পুতৌ কৰি আঁতৰি গুচি যায়। দি থৈ যায় অন্তঃহীন যাতনা, অপমান। ঘৰ দুখনৰ মাজত এইটো কথা আলোচনা হৈছেনে বাৰু? যদিহে মোৰ দৰেই ঘৰখনৰ



মানুহ বোৰৰো একেই মানসিক অৱস্থা আৰু যদিহে কেনেবাকৈ সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত আগবঢ়া হয় তেন্তে বহু দেৰি হৈ যাব। 'মোৰ এটা ৰোগ থকাৰ বিষয়ে আপুনি জানেনে?' লাজ,মান জলাঞ্জলি দি মুখৰ পৰা ওলাই গ'ল অ'তপৰে ক'ম ক'মকৈ আশা পালি থকা কথাষাৰ। যথাযথ উত্তৰো আহিল— 'জানো, লগতে এইটোও জানো যে ই সংক্ৰামক নহয়। বংশানুক্ৰমিকভাৱে কাৰ দেহত, কেতিয়া হয় কোনেও ক'ব নোৱাৰে আৰু মোৰ বোধেৰে উন্নত চিকিৎসাৰে ইয়াক আঁতৰাব পৰাও যাব।' উশাহ সলাই তেওঁ আকৌ ক'লে, 'নাভাবিবা মই তোমাক পুতৌ কৰিবলৈ আহিছো। মানুহ হিচাপেময়ো বিচাৰো মোৰ পেছাটোৰ প্ৰতি আকৰ্ষিত নোহোৱাকৈ নিঃস্বাৰ্থভাৱে মোকো কোনোবাই মৰম দিয়াটো, আপোন বুলি ভৱাটো। আশা কৰো ভুল নুবুজা।'

ভুল বুজাৰ প্ৰশ্নই নুঠে। সবল কণ্ঠস্বৰৰ প্ৰতিটো শব্দই যেন মোৰ চাৰিওফালে নিৰাপত্তাৰ বেষ্টনী সাজি দিছে এনে লাগিল। প্ৰতিটো প্ৰশ্নৰ উত্তৰ যেন জলজল পটপটকৈ ধৰা দিছেহি। অজ্ঞতাৰ বলি নোহোৱা, দৃঢ় মনোভাৱৰ অধিকাৰীজনক এবাৰ ভালদৰে চোৱাৰ তাড়নাত মূৰ তুলি চাই অভিভূত হৈ পৰিলো— তেওঁৰ দুচকুত যেন সৌৱা মোৰেই প্ৰতিবিম্ব ভাঁহি আছে! মেলা দুহাতেৰে তেওঁৰ যেন আকুণ্ঠ আহ্বান— 'বিলীন হৈ যোৱা মোৰ অন্তৰ আত্মাৰ সৈতে।' দুধাৰি তপত চকুলো বাগৰি আহিছিল মোৰ দুগালেদি। প্ৰাপ্তিৰ আনন্দই তেতিয়া উজলাই তুলিছিল বহুকেইযোৰ চকু!

# LIFE'S CYANIDE



**Saswati Das**
*H. S. 1st Year, Science*

The full moon is spreading it's incredible brightness over the freshly bloomed might queens. The stars though not properly visible in this so called city's sky are trying to give company to it. Exhausted I try not to remember the day as I sit in the lovely bench to feel some amount of the polluted 'fresh' air. It's empiric bit of general to all that no matter how hard me try, to forget some instances but our mind hardly accepts it. And some moments later it sends its suffocating inactions towards us and that's how we suffer!!!

There's nothing special about today's night either, some as always; the same time of the day when my heart sails to dreams, only to be shattered again. But thing that's special is that today's might wont repeat again. After just few more hours it will become yesterday and then a new day. The ..... struggle to get up early, the usual struggle to cook breakfast, to oath in 15 mints, to read the newspaper, to take 'Bruno' for a walk, to grab a seat in the bus, to cross the busy road and then of course my favorite part; to sign the attendance register...... "Dr. Sandya Sharma".

Those two words bring recognition to my otherwise unknoven self. The realization of the success of my dream so desired brings prideness to my eyes. Indeed it took quite a bit of struggle for me to understand that I really wanted to become a doctor. As I grew up from an infant to a teen, my aims grew along with my physical growth :

Class – 1 : 'Teacher'
Class – 3 : 'Pilot'
Class – 5 : 'Army'
Class – 7 : 'Model'
Class – 9 : 'Engineer'
And finally
Class – 10 : 'Doctor'

Becoming a doctor was hard but serving as a doctor was even harder and today was the hardest of all. 3 years and I don't remember asking anything from god for myself. The previous selfish me was transformed into a selfish service person just with the addition of those two letters. Myself being an arrogant feminist, never showed my feelings to any one, indeed I never felt for any one but this case was different. Yeah! really different.

7th March 2011 : Ma'am, these's no one

available, it seems you'll have to come for the night duty again even today.

Excusing myself from my duties was never a habit for me but who knew that sometimes it's essential to follow some myths.

Anah!!! No serious patients for the night. I guess I can have a little nap.... But nah!!

Ma'am Sorry to disturb you but there's an emergency ... Leukemia patient, needs immediate medication. Please can you come to the third floor emergency unit soon?

Room No : 309.

My favourite hang out point for the next 3 months. Niharika Bora, Leukemia (last stage) suffering since 3 and a half years. From Guwahati, Assam

Hope of improvement : Now.

Well, that night destiny made me meet my long lost best friend, my best friend from my high school St. Josheph convent, Guwahati. It was probably our farewell day when we last met. Succeeding that phone calls and messages did continue but due to over hectic schedules we slowly lost contacts and although a peep into my old slam book forced me to search for her but the number never allowed "The number you are trying to reach, does not exist, please check the number and dial again.

I myself took her case. Though I knew it would be so difficult for me to see her in pain but to spend some time with her was like a treasure hunt for me, and I didn't agree to lose it. Niharika was the witness of the golden years of my life. Our long gossips, mute chats in the library, our dance programmes, our crying for marks, our stupid fights, our silly jokes, our without any reason treats, our .......... calls during ....., yes I miss everything. And to get her back after so many years, I was trying to, retrieve the kid within me. The lost friendship strengthened again only to meet the hard truth of fate. And slowly her health deteriorated. I tried everything, I consulted every specialist possible in every possible ways to save her but it was too late. I hardly allowed myself to check the other patients as I never wanted to take her away from my sight and then it was today.

"You know sandhya, you have been my bestest friend always. I can never desire for anyone better than you. Even I tried hard to get in touch with you but was unable to do so. Just after completing my first year of graduation. I was verified for ....... And that was when everything around me just shattered. I completed my graduation but was unable to complete my masters as my health did not allow me to do so. For few months some of the friends did come for company but later they left too. Life was trouble, it was miserable and you know what I asked god? I asked him to make me meet you before I die and see he granted my wish. I knew you missed me too I knew you will support me as before and be my strength forever and the day before I came here, the doctor in guwahati said that I have got only few more days left and nothing more could be done. But, mom was determined to save me.

She decided to bring me here. Little did I know that my last days will be the bestest days of my life and that I will cherish them forever as Munys, although I don't knew which one is longer...? Now please sandhya promise me that you will remember me forever.

"Niharika what are you saying dear. You are going to live okay! And don't take that stupid die word in your mouth again."

"No, you promise me."

"Of course I will, I don't think that I need to promise you that, don't you trust me?"

"I do but just for satisfaction. Sandya, you know the days when I was bedridden although you were miles away from me but your cute letters, your innumerable gifts, your handmade cards, the colourful boots that we made, the flowers which you and me stole, became my only support. And today I feel lucky enough to die near you..."

Saying so Niharika rested her tired head in my arms, catching me firmly, she just closed her eyes never to open again.

ক
বি
তা

# গহেনী ওলাই আহক আপুনি

**ৰিংকু বেজবৰুৱা**
*স্নাতকোত্তৰ তৃতীয় যান্মাসিক, ইংৰাজী বিভাগ*


আপুনি কেনেকৈ চিনিছিল
'মামৰে ধৰা তৰোৱাল'
কেনেকৈ টানি আজুৰি আনিছিল
যমুনা, বৃন্দাবন, ব্ৰহ্মপুত্ৰ কাজিৰঙালৈ—
ক'ত হেৰাব খুজিছে আপুনি
নাও বাই জ্ঞানৰ
জালুকবাৰীৰ পলসত কেনেকৈ ৰছিচিল
ৰামায়ণৰ ন ন গদ্য
ক'ত খুচৰিছিল লুইতপৰীয়া ৰামায়ণী গৌৰৱ গাঠা...?

ক'ত গ'ল ক'ত গ'ল?
ডাঙৰ গহেনী
গুইমেন্নী
সৰুগহে
ৰামায়নী বুঢ়ী
ক'ত পোত গ'ল....?
গহে ধোৱা পুখুৰীৰ দল্‌দোপ পাৰ
ক'ত আমৰাঙা সত্ৰ ধোৱা জপলীয়া নদীৰ
বাঁহফলীয়া জোক
ক'ত এৰিলে আপোনাৰ
গদ্যৰে ক্ষুৰ যেন চোক
মামৰে ধৰিলে ব্ৰহ্মপুত্ৰই কান্দিব।

ক'ত হেৰাল আপোনাৰ
বিধৱা হোৱা ৰাতিত
পৃথিৱীৰ কপালত জ্বলা
জুই হেন জোন....!
ক'ত পাম আপোনাৰ কলমৰ
সুৰীয়া আপোন সুৰ

আপোনাৰ অগন্তা যাত্ৰা
জগলীয়াৰ পৰা টেমছলৈ
কুঁহিপাতৰ পৰা থেচিচলৈ
ঈশ্বৰৰ পৰা আল্লা গডলৈ
গহেনীৰ পৰা ইন্দিৰালৈ
উঠি আহক
আপোনাৰ কপালৰ ৰঙা বেলিটোৰ দৰে

আদেশ কৰক ব্ৰহ্মপুত্ৰ, বৰাকক
বঙহৰ দেও শান দি ল মামৰে ধৰা তৰোৱাল
তুলি আনক হেজাৰ মাধৱ কন্দলীক
ওলাই আহক তাৰ বাবে
'যাক বাদ দি
আপুনি আপোনাৰ জন্মভূমিৰ নক্সা
আঁকিব নোৱাৰে।'




# চকমাটিৰ আখৰ

**কংকনা দত্ত**
*স্নাতকোত্তৰ দ্বিতীয় যান্মাসিক, ইংৰাজী বিভাগ*

বহু আঁক-বাক বিশেষভাৱে মিলি হ'ল সংখ্যা
সংখ্যা কিছুমানে নিজকে বিচ্ছিন্ন কৰিলে আখৰ হ'বলৈ
অকোঁৰা-পকোৰা বহু আখৰে ভিৰ কৰিছে ব্লেকবৰ্ডখনত
এই আখৰবোৰৰ দেহ নিৰ্মিত চকমাটিৰ গুড়িৰে

ওপৰৰ কথাখিনি মই কাণেৰে শুনা

নিজান শ্ৰেণীটোত প্ৰথম বেঞ্চত বহিও
মই একো জনা নাই
চকমাটিৰ আখৰৰ অৰ্থ, আকৃতি
কাৰণ মোৰ দোষ নোহোৱাকৈ
মই অন্ধ, অন্ধ, অন্ধ...

আনে নাজানে এই কথা

# সাধুকথা

**জিতু কলিতা**
*স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ*

এখন কাগজৰ নাও
উটি যায় দুলি দুলি
এটা সপোনৰ বুকুলৈ
স্বপ্নৰ সাঁকো লঙ্ঘি
আৰু এখন সাঁকো গঢ়ে
নিৰাশাৰ পদুলিত সেউজীয়া ৰুই
বিছাৰি ফুৰে এখন নতুন আকাশৰ ঠিকনা
যাৰ তলত থাকে মাথো শইচৰ সোণোৱালী গান

সমুখত নিশাৰ দুৱাৰ
পোহৰলৈ কিমান বাট...
এক বিপ্লৱ নহয়
সময়ৰ এই নাম
বিষাদৰ চক্ৰবেহু ভাঙি
এজাক নীড়মুখী চৰাই
ওভতাই অনাৰ অভিযান

অসূৰ্যস্পৰ্শা এটি স্বপ্ন
দুচকুৰ পোহৰত উজলে
হাউলি পৰে ভাগৰুৱা নিশাহবোৰ
উশাহৰ চিৰসেউজ কোলাত
বিস্তাৰিত জীৱনৰ আকাশ
প্ৰশমিত হাঁহিৰ বাট
উশাহৰ অসুখী প্ৰেৰণাত
স্তব্ধ গতিময় জীৱনৰ প্ৰভাত

ভুলবোৰ ক'তনো সামৰিম
সচাঁবোৰ ক'তেইবা সানি লম
নিৰাশাৰ কুঁৱলীৰে ঢকা আশা
মৃত্যুৰ ঠিকনাহীন বাট
সহস্ৰ পৰাজয়ৰ শেষত
মাথো এক অস্তিত্বহীন সাধুকথা যেন বিষাদ
উমলিবলৈ উশাহবিহীন পুতলা যেন কায়াত



# সন্ধ্যাৰাগৰ সমীক্ষণ

**ভাস্বতী দাস**
*স্নাতক দ্বিতীয় বৰ্ষ, ভূগোল বিভাগ*

ৰিঅ'ডি জেনেৰিঅ'ৰ ৰক্তিম আবেলি
ধৰাৰ সমস্ত নীলা থূপ খাইছিল
ৰিঅ'ৰ আকাশী গহন বননিত
খিৰিকীৰ পৰ্দা ঠেলি ঠেলি
স্তুপাকাৰ সেউজীয়া বগাই গৈছিল
অট্টালিকাৰ প্ৰতিটো কোঠালিত
নগ্ন অম্বৰৰ শতছিন্ন বুকুত
সহস্ৰ অ'জন বিন্ধাৰ উক্‌মুকনি
তৰাৰ দেশলৈ হাত মেলা মানৱৰ
আৱৰ্জনাৰ ৰসায়নত
মৃতম্লান আপোন ধৰণী

ৰিঅ'ৰ অলি-গলিত ভাগৰুৱা বতাহজাকৰ
সৰ্পিল গতি
ডেউকাৰ ভাঁজত নুফুলা ফুলৰ সুবাস বিলাই
আহিছিল বিহংগৰ লালি
ৰিঅ'ৰ বুকুত যে বহিব সন্মিলন
হাড়ত শেলুৱৈ গজা পৃথিৱীক
সুস্থ কৰাৰ একাত্ম মনন

অৱশ্ৰান্ত লঠঙা পাহাৰৰ
কাঁইটীয়া চাৱনি
গ্লোৱেল ৱাৰ্মিঙৰ ক্ষুধাত
উখহি যোৱা বসুন্ধৰাৰ
আৰ্দ্ৰ দুচকুৰ পৰা আজি নিগৰিল
আশাৰ শেৱালী—

# মনৰ আপোন
# হেঁপাহৰ আঘোণ

**কমল লোচন ডেকা**
*উঃ মাঃ প্ৰথম বৰ্ষ, কলা*

কাতিতে তোক মাতি আহিলো
এতিয়াহে আহিলি
চাওঁ তোৰ মুখখন,
ভৰ গাভৰু জনী হ'লি ছাগে তই
তই অহাৰ পথত আশাৰ সপোন
তই অহাৰ পথত
ধানবোৰ সোণগুটি হৈ ভৰি পৰে পথাৰখন
তোৰ ভৰ যৌৱনৰ পৰশত
গোটেই গাঁওখন উঠলি উঠে
তই যে হেঁপাহৰ আঘোণ
আমাৰ মনৰ আপোন
তই নকৈ চিনাকি দিব নালাগে দে
তোৰ গালে মুখে বিৰিঙিছে পুৰাৰ কুঁৱলী
গাত লোৱা সাজযোৰ
চকুত লগা সোণালী
তাকে দেখি চেনেহী দাৱনী
হৈছে বাউলী
হাতত কাঁচিখন লৈ
মেলিছে ঢাপলি।
আনন্দ উপচাই প্ৰতিটো লেচেৰি
আনিব বুটলি
বোলাই লিহিৰি আঙুলি।
সাদৰেৰে চপাব
গুটি গুটি লখিমী।
আঁতৰাই বুকুত বিষাদ বিননি,
চকুলোৰে নৈখনক ভেটা দি
তই লৈ আহ
মোৰ দেউতাৰ ওঁঠৰ পিৰালিলৈ
শইচেৰে শ্যামল
নিয়ৰেৰে জীপাল
এটি জোনাকী হাঁহি
যি জোনাকত তিতি বুৰি
মই দেখিবলৈ লওঁ এটি সপোন
এটি জোনাকী সপোন
আঘোণৰ।
সাতাম পুৰুষীয়া দাৱনী প্ৰেম ঢালি
মিলিজুলি ন-খাই
কিৰিলি পাৰিম মই
আৰু
শিৰত তুলি ল'ম তোৰ
চেনেহ নিৰ্মালি
কাৰণ তই যে মোৰ
হেঁপাহৰ আঘোণ
মোৰ মনৰ আপোন।



# Where to go Now !

**Prerona Mishra**
*TDC 1st Year, Economics*

It's so hot outside,
The biology says you can't survive in this temperature.
The heat has had its first step in your house
Now? Where to escape?
Water bodies around you have died
New hotels have occupied their land.

Who will satisfy the thirst?
Now nothing is left to satisfy your thirst
The thirst of material gain or water
Every one has sacrificed their life satisfying your thirst...
But who knew the thirst will never end...

That tree at the back of your house
Who provided shade till years...
Ooh yes it's there...
But the day a new air conditioner was bought
That was its death day...
And was born a show case to show off.

No hill station
Is cool now...

No ocean
Has marine life and freshness now...

No longer rain kisses Mawsynram
No longer is the greenery there
To soothe the eyes.

It looks sun is the new neighbor now
Heat and warmth
Is the only thing I can feel.

Hope when you see
The tears rolling down the eyes of your child.
Will you realize your mistake
Even tear wont stay long sun will drink that too.

# Portrait in Tears

**Jayashree Mazumder**
*TDC 2nd Year, Zoology*

A girl was I born,
With lots of joy I had staged the house.
The life as a girl has seen many faces;
It's a painful breathe,
It's only a sight of the tired eyes,
Life has now surrendered in a crib.
It wanders around in the mist.
Like a daughter, I stepped in the house,
With garlands of ecstasy everyone greeted me.
Feelings within me had no words to express.
The pain in me is yet to burst out.
The days and night always occurred,
But it always hid some rosy-faces behind.
Like a sister, I had a support in me.
Now as a wife, I touched someone's heart.
Like a mother, a girl loved everyone,
Life was entangled in the house through me
Each moment passes with tears in eyes,
The smile on my lips has a fake view,
The wind blushes in tune.
But there seems no music on a blue moon.
The shower weeps by the side,
Just like a new born smile.
The love around has a distorted glimpse,
The summer moon now dries my tears,
The winter nights now burns me to death.
The river shines with poison bed,
The woods dance in grace with wounds.
The stars collapse giving me a bless,
To regret on oneself is what we do,
To live with pain is what we deserve
The future never turned apart from this,
It had framed us as we are
A warm hug of bride,
Kills me in each beat.
The eyes of hope now lose its identity.
As I walk on thorns
With fresh blood laid on my path.

# বিশিষ্ট সাংবাদিক
# অজিত কুমাৰ ভূঞাৰ সৈতে কথা-বতৰা



বিগত চাৰিটা দশক ধৰি অসমৰ সামাজিক-ৰাজনৈতিক উত্থান-পতনৰ সাক্ষী আৰু পৰ্যবেক্ষক জ্যেষ্ঠ সাংবাদিক অজিত কুমাৰ ভূঞাৰ সৈতে অলপ সময় কথা পাতিছিলো। তেখেতৰ ব্যক্তিগত ৰাজনৈতিক মতাদৰ্শৰ পৰা আলফা চৰকাৰৰ শেহতীয়া আলোচনাৰ প্ৰসংগইও স্থান পাইছিল আমাৰ কথা-বতৰাৰ মাজত। কথা বাৰ্তাৰ এক চমু অৱলোকন এই লেখা---

**● সাংবাদিকতালৈ অহা সময়ত কেনে ধৰণৰ ৰাজনৈতিক মতাদৰ্শত বিশ্বাসী আছিল আপুনি ?**

--- নিৰ্দিষ্ট কোনো ৰাজনৈতিক মতাদৰ্শত বিশ্বাস কৰাৰ সময় বা বয়স তেতিয়াও হোৱা নাছিল। সাংবাদিকতালৈ আহিছিলো সম্পূৰ্ণ পৰিস্থিতিগত কাৰণত। স্নাতক পৰ্যায়ত পঢ়ি থাকোতে হঠাৎ দেউতাৰ মৃত্যু হ'ল। গোটেই ঘৰখনৰ দায়িত্ব ল'ব লগাত পৰিলো। সেই তেতিয়াই পঢ়া-শুনা আধাতে এৰি থৈ গুৱাহাটী পালোহি কাম এটা বিচাৰি।

**● সাংবাদিক হ'ব বুলি ভাবিছিলনে ?**

--- সাংবাদিক হ'ম বুলি নহয়। যিকোনো চাকৰি পালেই কৰিলোহেঁতেন। গুৱাহাটীলৈ আহি আৰু বেছি হতাশ হৈ পৰিলে । ডিগ্ৰী নথকা বাবে সন্মানজনক কাম এটা যোগাৰ কৰা কঠিন হৈ পৰিল সেই সময়ত গুৱাহাটীৰ পৰা সদা শইকীয়াৰ সম্পাদনাত এখন সাপ্তাহিক কাকত প্ৰকাশ হৈ আছিল। এই কাকতখনতে বিজ্ঞাপন সংগ্ৰাহক হিচাপে চাকৰি এটা পালো। লগতে অলপ অচৰপ লিখা মেলাৰ কচৰৎ চলালো।

**● চাকৰি কৰি সন্তুষ্ট আছিল নে ? অন্য চাকৰি বিচাৰি আছিল নেকি ?**

--- অন্য চাকৰি বিচাৰিয়ে আছিলো। চাকৰি বিচাৰি কেতবোৰ আশ্চৰ্যকৰ অভিজ্ঞতাৰে সন্মুখীন হ'লো। এবাৰ থলুৱা সাংস্কৃতিক উদ্যোগ এটাৰ চাকৰিৰ ইণ্টাৰভিউ দিবলৈ গৈ দেখিলো অসমৰ তেতিয়াৰ প্ৰখ্যাত বহু লোকো বেংকৰ সাধাৰণ চাকৰি এটাৰ ইণ্টাৰভিউ দিবলৈ আহিছে।... আন চাকৰি বিচাৰি ফুৰোতেই 'দৈনিক জনমভূমি' কাকতত পদ এটা ওলাল। উপ সম্পাদকৰ চাকৰি। সদা শইকীয়াই 'ৱৰ্ক এক্সপেৰিয়েন্স'ৰ চাৰ্টিফিকেট এখন দিলে। ইণ্টাৰভিউ যথেষ্ট ভাল হ'ল। অৱশেষত জনমভূমিৰ চাকৰিটো পালো। প্ৰফুল্ল বৰুৱা সম্পাদক।

**● যোৰহাটত থাকোতে আপুনি সাংবাদিকৰ সংগঠন এটি গঢ়িবৰ বাবে যথেষ্ট কাম কাজ কৰিছিল...**

— যোৰহাটত থাকোতেই সাংবাদিকৰ ট্ৰেড ইউনিয়ন এটা গঢ়ি তুলিবলৈ চেষ্টা কৰিছিলোঁ। ট্ৰিবিউনৰ ক্ষেত্ৰ ফুকন আৰু আমি কৈইজনমান। দেখিলোঁ মই কাম কৰা কাকতখনৰ কৰ্তৃপক্ষ মোৰ ওপৰত ক্ষুণ্ণ হ'বলৈ ধৰিছে। ডিগ্ৰী এটা নথকাৰ অজুহাতত যিকোনো মুহূৰ্তত চাকৰি হেৰুওৱা পৰিস্থিতি এটাৰ সৃষ্টি হ'ল। সেই সময়ত মই পুনৰ কলেজত নাম লগাই বি এ পাছ কৰিলোঁ। ক্লাছ কৰা নাছিলোঁ যদিও কলেজৰ শিক্ষকসকলে যথেষ্ট সহায় কৰিছিল আৰু উৎসাহ দিছিল।

**'অসমবাণী'লৈ কেতিয়া আহিল ?**

— সেইটো এটা অন্য কাহিনী। যোৰহাটত থাকোতেই সাহিত্যিক মেদিনী চৌধুৰীৰ লগত মোৰ এটা সু-সম্পৰ্ক গঢ় লৈ উঠিছিল। তেখেত গুৱাহাটীলৈ অহাৰ পিছত তথ্য আৰু জনসংযোগ বিভাগৰ চৰকাৰী পত্ৰিকাত যোগদান কৰিছিলোঁ। পিছলৈ মুখ্যমন্ত্ৰীৰ তথ্য আৰু ৰাজনৈতিক পৰিক্ৰমা বিভাগত কাম কৰিছিলোঁ।

**● তেতিয়া মুখ্যমন্ত্ৰী ?**

— শৰৎ সিংহ।

**আপুনি কেনেধৰণৰ কাম কৰিছিল ?**

— মোৰ কামটো আছিল চৰকাৰী পত্ৰিকাত ৰিপ'ৰ্টিং। চৰকাৰৰ কামৰ খতিয়ানবোৰ লিখা আৰু শাখাটোৰ মুৰব্বী জ্যোতিপ্ৰসাদ শইকীয়াক সহায় কৰা।

**● কেনে লাগিছিল চৰকাৰী চাকৰিত থাকি ?**

— চৰকাৰী চাকৰিত স্বাভাৱিকতে আত্মতুষ্টি নাছিল। এটা কথা ভাল আছিল যে হাতত অলপ সময় আছিল। তেতিয়া 'অসমবাণী' কাকতত ছদ্মনামত লিখা মেলা আৰম্ভ কৰিলোঁ। ইতিমধ্যে প্ৰচলিত ব্যৱস্থাটোৰ প্ৰতি মোৰ অভ্যন্তৰত আৰম্ভ হৈছিল প্ৰচণ্ড ক্ষোভ আৰু দ্বন্দ্ব..। এই সময়ছোৱাতে তিলক হাজৰিকা 'অসমবাণী'ৰ সম্পাদক হ'ল। তেখেতেই 'অসমবাণী'লৈ অহাৰ কথা ক'লে...।

**● 'অসমবাণী'ত আপুনি পূৰ্ণাংগ সাংবাদিকৰূপে আত্মপ্ৰকাশ কৰিলে...**

—'অসমবাণী'ক এটা নতুন ৰূপ দিবলৈ চেষ্টা কৰিলোঁ। অসমীয়া 'সংবাদপত্ৰ'ত পোন প্ৰথমবাৰৰ বাবে আলফাৰ ওপৰত ধাৰাবাহিক প্ৰতিবেদন প্ৰকাশ হ'ল। আলফা শিবিৰলৈ গৈ সাক্ষাৎকাৰ ল'লোঁ। অসম-বাংলাদেশৰ সীমা সমস্যাৰ ওপৰত স্পৰ্শকাতৰ প্ৰতিবেদন লিখিলোঁ। অভাৱনীয়ভাৱে 'অসমবাণী'ৰ চাৰ্কুলেশ্যন বাঢ়ি গ'ল। তাৰ পিছতে আৰম্ভ হ'ল সংঘাতৰ সময়। অসম চুক্তিক সমালোচনা কৰি যেতিয়া প্ৰবন্ধ, প্ৰতিবেদন, চিঠি-পত্ৰ প্ৰকাশ হ'বলৈ ধৰিলে তেতিয়া প্ৰফুল্ল মহন্তহঁতৰ হেঁচা পৰিল কাকতগোষ্ঠীৰ ওপৰত। লাহে লাহে তিলক হাজৰিকা আঁতৰিল। নতুন সম্পাদক আহিল। মোৰো লেখা মেলা প্ৰকাশ নোহোৱা হ'ল। তেতিয়াই বিপুল মহন্ত— জয়ন্ত বৰুৱাৰ প্ৰস্তাৱ— আৰম্ভ হ'ল 'সাদিন'ৰ প্ৰস্তুতি।

**● 'সাদিন'ত আপোনালোকৰ বক্তব্য যথেষ্ট স্পষ্ট আছিল।**

— 'সাদিন'ত আমি সবলভাৱে আৰ্মি অপাৰেশ্যনৰ বিৰোধিতা কৰিছিলোঁ। একে সময়তে 'মানৱ অধিকাৰ সংগ্ৰাম সমিতি' গঠন কৰিছিলোঁ আৰু ১৯৯২ চনত প্ৰথমবাৰৰ বাবে মোক আটক কৰিলে...।

**● সেই সময়ততো আপুনি আলফাৰ সমৰ্থক আছিল ?**

— সমৰ্থক নহয়। আলফাৰ প্ৰথম পৰ্যায়ৰ বিপ্লৱক লৈ আশাবাদী আছিলোঁ। কথা হ'ল যে যিকোনো ধৰণৰ movement এটা, সেয়া সশস্ত্ৰই হওঁক বা গণতান্ত্ৰিক হওঁক নস্যাৎ কৰিব পাৰি কিন্তু মূল প্ৰশ্নবোৰতো নাকচ কৰিব নোৱাৰি। স্বাধীনতাৰ প্ৰশ্নটোক লৈ বিতৰ্ক হ'ব পাৰে। কিন্তু তাক একেবাৰে নাকচ কৰিব নোৱাৰি। সেইদৰে আলফাকো এটা ৰাজনৈতিক প্ৰশ্ন বুলিহে বিবেচনা কৰো। মোৰ দৃষ্টিত আলফা আছিল জাতীয় সশস্ত্ৰ শক্তি...।

**● আলফাৰ কোনটো দিশক লৈ আশাবাদী আছিল আপুনি ?**

— অসমৰ দৰে আভ্যন্তৰীণ উপনিবেশত আলফা আছিল এক সাম্ৰাজ্যবাদ বিৰোধী শক্তি। তেওঁলোকে 'বৈজ্ঞানিক সমাজবাদ'ৰ কথাও কৈছিল। সেয়ে আমি গুৰুত্ব দিছিলোঁ। গতিকে তেওঁলোকৰ বিকাশৰ বাবে condition এটা দিবলৈ চেষ্টা কৰিছিলোঁ।

**● তাৰমানে আপুনি সাংবাদিক হিচাপে নিৰপেক্ষ নাছিল ?**

— নিৰপেক্ষতা এটা মিছা আৰু ভিত্তিহীন কথা। আলফাৰ ওপৰত তেতিয়াও সন্দেহ আছিল কিন্তু আশা কৰাটোতো ভুল নাছিল...।

**● আলফাক লৈ কেতিয়াৰ পৰা আপোনাৰ হতাশা আৰম্ভ হয় ?**

— সুনীল নাথহঁতৰ আত্মসমৰ্পণৰ পিছৰে পৰা হতাশা গাঢ় হ'বলৈ ধৰে। এটা নতুন প্ৰশ্ন সৃষ্টি হয়। সংগ্ৰামৰ ক্ষেত্ৰত এয়া অগ্ৰতা নে আপোচ ? সেই সময়ত আত্মসমৰ্পণকাৰী আলফা আৰু চৰকাৰৰ যৌথ উদ্যোগত জেললৈ নিক্ষেপিত হৈছিলোঁ। চন হিচাপত সেয়া আছিল ১৯৯২ চনৰ কথা।

**● আলোচনা সশস্ত্র আন্দোলনৰ ক্ষেত্ৰত ৰণনীতি হ'ব পাৰেনে বাৰু?**

— নিশ্চিতভাৱে পাৰে। কিন্তু সেই আলোচনা সন্মানজনক আৰু দুয়োপক্ষৰে সদিচ্ছাপূৰ্ণ হ'ব লাগিব। সমাধানৰ প্ৰতি সকলোৰে আগ্ৰহ থাকিব লাগিব। স্বাৰ্থজনিত আলোচনাই কেতিয়াও সমাধানৰ বাট দেখুৱাব নোৱাৰে

**● আপুনি নিজেও পিচিজিৰ লগত জড়িত আছিল। কিন্তু আলফাক আলোচনাৰ মেজলৈ অনাত ব্যৰ্থ হ'ল...**

— আলফাই নিজে গঠন কৰি দিয়া নাগৰিক সমাজৰ এটা গোট আছিল পিচিজি। পিচিজিৰ দায়িত্ব আছিল ভাৰত চৰকাৰ আৰু আলফাৰ মাজত এটা আলোচনাৰ পৰিৱেশ তৈয়াৰ কৰা— দুয়োপক্ষকে আলোচনাৰ মেজলৈ অনা। এই লৈ ভাৰত চৰকাৰৰ লগত তিনিলানি আলোচনাও হ'ল। দেখা গ'ল যে ভাৰত চৰকাৰৰ সদিচ্ছাৰ নিতান্তই অভাৱ আৰু বহু ক্ষেত্ৰত আলফাৰো স্বচ্ছতা নাই। গতিকে ভৱা ধৰণে আলোচনাৰ পৰিৱেশ এটা তৈয়াৰ নহ'ল। এইটো পিচিজিৰ ব্যৰ্থতা বুলি ভবাৰ অৱকাশ নাই।

**● আলফাৰ সকলো ধৰণৰ বিপৰ্যয়ৰ মূল কাৰণ কি? আপোনাৰ দৃষ্টিত...**

— এসময়ত আলফাই নিজক বঢ়োৱাটোহে ডাঙৰ কথা হৈ পৰিল। গণশক্তিক সংগঠিত কৰাত নেতৃত্ব সম্পূৰ্ণভাৱে ব্যৰ্থ হ'ল। মূলতঃ এইখিনিয়ে মূল কাৰণ বুলি ভাবো।

**● আলোচনাপন্থী আলফাই এতিয়া স্বায়ত্বশাসন বিচাৰিব লৈছে, কি ভাবে এই আলোচনাৰ বিষয়ে?**

— স্বায়ত্ব শাসন মানেনো কি? আজিলৈকে স্বায়ত্ব শাসনৰ নামত দেখিছো কেৱল এমুঠিমান মানুহৰ ভোগ বিলাস। এতিয়া বাতৰি ওলাইছে পৰৱৰ্তীলানি আলোচনা দিছপুৰতে অনুষ্ঠিত হ'ব বুলি। দেশখন সাম্ৰাজ্যবাদৰ নতুন ঔপনিবেশ হোৱাৰ পিছত দিল্লী-দিছপুৰৰ নিজৰে ক্ষমতা নাই। আনক কি ক্ষমতা দিব?

**● আলফাৰ এনে অবাঞ্চিত বিপৰ্যয়ৰ পিছত গণসংগ্ৰামৰ ধাৰাটোলৈ এক ধৰণৰ হতাশা আহি পৰিব নিচিনা নালাগেনে বাৰু?**

— সাময়িক হতাশা আহিবই। কিন্তু সেই সময়ো সোনকালে আহিব— সকলোৰে একেলগে যুঁজিবলৈ ওলাই আহিব। এফালে ৰাষ্ট্ৰ, সন্ত্ৰাস, আনফালে ৰাষ্ট্ৰই গণতান্ত্ৰিক আন্দোলনবোৰক কৰি অহা অহৰহ তুচ্ছ তাচ্ছিল্যৰ বাবেই জনগণ এক জংগী গণতান্ত্ৰিক আন্দোলনৰ বাবে সংকল্পবদ্ধ হ'ব। ইতিমধ্যে জাতীয় বুৰ্জোৱা আৰু সাম্ৰাজ্যবাদী শক্তিৰ মাজত সংঘাত আৰম্ভ হৈছেই...।

*যুগুতালে— অৰূপ কলিতা,*
*বেদব্ৰত গগৈয়ে*

"সাময়িক হতাশা আহিবই। কিন্তু সেই সময়ো সোনকালে আহিব— সকলোৰে একেলগে যুঁজিবলৈ ওলাই আহিব। এফালে ৰাষ্ট্ৰ, সন্ত্ৰাস, আনফালে ৰাষ্ট্ৰই গণতান্ত্ৰিক আন্দোলনবোৰক কৰি অহা অহৰহ তুচ্ছ তাচ্ছিল্যৰ বাবেই জনগণ এক জংগী গণতান্ত্ৰিক আন্দোলনৰ বাবে সংকল্পবদ্ধ হ'ব। ইতিমধ্যে জাতীয় বুৰ্জোৱা আৰু সাম্ৰাজ্যবাদী শক্তিৰ মাজত সংঘাত আৰম্ভ হৈছেই...।"

# যেতিয়া আপুনি প্ৰিয়গ্ৰন্থৰ কথা কয়

**অতনু ভট্টাচাৰ্য**
*প্ৰাক্তন কটনিয়ান*



যিসকল পাঠকৰ বাবে কিতাপ কোনো ঋতুৰ ফল অৰ্থাৎ 'ছিজনেল ফ্লাৱাৰ' নহয় তেওঁলোকে মাথোন ডিচেম্বৰৰ শীত অহালৈকে অপেক্ষা নকৰে। বছৰটোৰ প্ৰতিটো মাহতেই তেওঁলোকে কাকত-পত্ৰিকাত বিজ্ঞাপন চায়, উৎসাহী বন্ধুক শেহতীয়া প্ৰকাশনৰ খবৰ সোধে, সময় উলিয়াই পাণবজাৰৰ দৰে কোনো কিতাপ-চুবুৰিলৈ ঢপলিয়ায়। তেওঁলোকৰ বাবে বছৰৰ প্ৰতিটো ঋতুৱেই যেন গ্ৰন্থ-ঋতু। প্ৰতিটো মাহ গ্ৰন্থ-মাহ।

অৱশ্যে ডিচেম্বৰৰ কেইটামান উমাল দুপৰীয়া লেখক-পাঠকক প্ৰলুব্ধ কৰিবলৈ গুৱাহাটীৰ এটা নিজস্ব আয়োজন আছে। এই ডিচেম্বৰৰ বাবে সাজু হ'বলৈ প্ৰকাশকসকলৰ একোখন নিজস্ব আঁচনি আছে। প্ৰুফ্-ৰিডাৰৰ তৎপৰতা আছে। প্ৰচ্ছদ-শিল্পীৰ কিছু উজাগৰ নিশা আছে। দৈনিক খবৰ কাগজৰ কেইটামান বিশেষ পৃষ্ঠা আছে। দেখা গৈছে, গ্ৰন্থমেলা নামৰ এই বাৰ্ষিক সমাৰোহত পূৰ্বৰ ডিচেম্বৰবোৰৰ তুলনাত পৰৱৰ্তী ডিচেম্বৰবোৰৰ ব্যস্ততা বৃদ্ধি পাব ধৰিছে। ইয়াৰ পোনপটীয়া অৰ্থ— লেখক বাঢ়িছে, প্ৰকাশক বাঢ়িছে, লক্ষ্যণীয়ভাৱে পাঠক বাঢ়িছে। লেখক আৰু প্ৰকাশকৰ বাবে, সামগ্ৰিকভাৱে অসমীয়া ভাষা আৰু সাহিত্যৰ বাবে ই এক উৎসাহজনক খবৰ।

কিন্তু দিনটোৰ শেষত যদি সোধা হয়— কি বিক্ৰী হৈছে আৰু কিয় বিক্ৰী হৈছে, তেন্তে তাৰ উত্তৰ সদায় সন্তোষজনক নহয়। চিন্তাশীল ব্যক্তিৰ মনত ই কিছু সংশয়ৰ উদ্ৰেক কৰে, কিন্তু অস্বস্তিকৰ প্ৰশ্নৰ অৱতাৰণা কৰি পেলায়।

**গ্ৰন্থ-প্ৰকাশন-কেছেট-চিডিৰ দৰে এটা বাধাহীন গতি**

কিতাপ লিখিবলৈ আৰু সেইবোৰ ছপাবলৈ কাৰো অনুমোদনৰ প্ৰয়োজন নাই। উপাৰ্জন আছে অথচ খ্যাতি নাই, লেখক হোৱাৰ গোপন বাসনা আছে অথচ নিৰলস সাহিত্য-সাধনা নাই, চাকৰিটোৰ প্ৰতিপত্তি আছে অথচ ওপৰঞ্চি উত্তাপ নাই— এনে বহুলোকৰ বাবে জোৰা-তাপলি মাৰি লেখা-মেলা কৰা আৰু সেইবোৰ ছপাই গ্ৰন্থৰ ৰূপ দিয়াত ক'তো কোনো অসুবিধা নাই। সৰু-বৰ কাকত আলোচনীৰ আধিক্যই এনেবোৰৰ লেখাক প্ৰশ্ৰয় দিয়ে, খৰতকীয়াকৈ ছপা কৰিব পৰা ব্যৱস্থাটোৱে এনে লোকক উৎসাহিত কৰে এনেবোৰ গ্ৰন্থই যে বজাৰ দখল কৰিব পাৰে তেনে নহয়। কিন্তু ভাল আৰু প্ৰয়োজনীয় গ্ৰন্থ সহজতে চকুত নপৰাকৈ ৰাখিবলৈ গ্ৰন্থ বিপণীৰ শ্বেল্‌ফ্‌বোৰত এইবোৰে অনাহকতে ভিৰ কৰে। ছিৰিয়াছ পাঠকৰ বাবে ই কোনো সমস্যা নহ'বও পাৰে, কিন্তু গ্ৰন্থমেলাৰ সাধাৰণ ক্ৰেতাক বিভ্ৰান্ত কৰিবলৈ ইহঁতে একধৰণৰ ভূমিকা পালন কৰে।

**আপোনাৰ প্ৰিয়গ্ৰন্থ, পছন্দৰ গ্ৰন্থ**

এইবাৰৰ গ্ৰন্থমেলাত, আপোনাৰ পছন্দৰ গ্ৰন্থ কোন কেইখন— এই প্ৰশ্নটোৰ এটা নিৰপেক্ষ, প্ৰভাৱমুক্ত আৰু প্ৰকৃত উত্তৰ পোৱাটো এতিয়া আৰু যেন সম্ভৱ নহয়। আপুনি যদি আমাৰ গ্ৰন্থমেলাৰ ধাৰাটোলৈ লক্ষ্য কৰে, আপুনি যদি গ্ৰন্থমেলাৰ ক্ৰেতাৰ হাতৰ কিতাপৰ টোপোলাবোৰলৈ চোৱাৰ সুযোগ পায়, আপুনি যদি সংবাদ মাধ্যমৰ যোগেদি পাঠকৰ প্ৰতিক্ৰিয়াৰ বিষয়ে জানিবলৈ সক্ষম হয়, তেন্তে আপুনি নিশ্চয় মন কৰিব যে পুৰস্কৃত গ্ৰন্থক,

বিশেষকৈ সদ্য পুৰস্কৃত গ্ৰন্থক প্ৰিয়গ্ৰন্থ বুলিবলৈ প্ৰায় সকলো স্তৰৰ পাঠকৰে এটা অদ্ভুত প্ৰৱণতা আছে। কেতিয়াবা কোনো এখন পুৰস্কৃত গ্ৰন্থ যথাৰ্থতেই যে কাৰোবাৰ প্ৰিয়গ্ৰন্থ হ'বগৈ পাৰে সেই সম্পৰ্কে কোনো তৰ্কত লিপ্ত হোৱা উচিত নহয়। কিন্তু সৰহভাগ ক্ষেত্ৰতেই ই আন পাঠকৰ প্ৰতিক্ৰিয়া, বিজ্ঞাপনৰ প্ৰভাৱ, নিজাকৈ নিৰ্ণয় কৰিব নোৱাৰা বৌদ্ধিক অক্ষমতা, সেই অক্ষমতাই আনি দিয়া লজ্জা আদিৰ দ্বাৰা আক্ৰান্ত

সৌ সিদিনালৈ স্কুল-কলেজৰ পাঠ্যপুথিৰ বাহিৰে আন একোৱে ভূ নৰখা 'মেধাৱী' ছাত্ৰ-ছাত্ৰীসকলক প্ৰিয়গ্ৰন্থৰ নাম সুধিলে তপৰাই দিয়া উত্তৰটো আছিল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জ্ঞানপীঠ বঁটা বিজয়ী উপন্যাস 'মৃত্যুঞ্জয়'। এনে বহু মেধাৱী ছাত্ৰ-ছাত্ৰীক সন্দেহবশতঃ মই তেওঁলোকে পঢ়া বা নাম শুনা আন এখন গ্ৰন্থৰ নাম সুধি হতাশ হৈছিলো।

মই এনে কথা নিশ্চয় ক'ব খোজা নাই যে 'মৃত্যুঞ্জয়' এখন প্ৰিয়গ্ৰন্থ হোৱা সম্ভৱ অথবা উচিত নহয়। কিন্তু মেধাৱী হ'লেও সাহিত্যৰ প্ৰতি বিশেষ অনুৰাগ পুহি নৰখা পোন্ধৰ বছৰ বয়সৰ ল'ৰা এটাৰ বাবে 'মৃত্যুঞ্জয়' প্ৰিয়গ্ৰন্থ হোৱা কথাষাৰ বিশ্বাস কৰিবলৈ টান। আনহাতে, এখন গ্ৰন্থক প্ৰিয়গ্ৰন্থ হিচাপে নিৰ্ণয় কৰিবলৈ আন বহু গ্ৰন্থ পঠনৰ আৱশ্যক হয়। অথচ পৰীক্ষাত ভাল ফল এটাৰ পিছত দৌৰা এই তথাকথিত চোকা ছাত্ৰসকলৰ বাবে আন কথাবোৰত মূৰ সুমুৱাবলৈ আহৰি নাই। এনে প্ৰেক্ষাপটত, হঠাতে ক'ৰবাত চকুত পৰি যোৱা, ঘৰৰ শ্বেল্‌ফত দেউতাকে কিনি থোৱা, সাধাৰণ জ্ঞানৰ কিতাপত নামটো দেখা যেন লগা অৱস্থা এটাই চোকা ছাত্ৰক একোটাহঁত অস্বস্তিকৰ পৰিস্থিতিৰ পৰা সকাহ দিয়ে।

পৰৱৰ্তী সময়ত কাকত আৰু বৈদ্যুতিন মাধ্যমৰ বহুল প্ৰচলনৰ ফলত মানশি ৰয়ছম গোস্বামী, হোমেন বৰগোহাঞিৰ দৰে কিছু নাম আৰু তেখেতসকলৰ দ্বাৰা ৰচিত দুই-চাৰিখন কিতাপৰ প্ৰসংগই কেতিয়াও 'বাহিৰা কিতাপ' নপঢ়া ছাত্ৰ-ছাত্ৰীৰ মগজুত নিঃসংকোচে ঠাই এডোখৰ উলিয়াব পৰা হ'ল। অথচ মাত্ৰ কেইটামান প্ৰশ্ন সুধি তেনে ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়গ্ৰন্থৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰিব পাৰি। এতিয়া প্ৰশ্ন হ'ল, আমাৰ পৰিণত বয়সৰ পাঠক সমাজে এই পোন্ধৰ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীতকৈ কিমান নিৰপেক্ষভাৱে, কিমান সততাৰে তেওঁলোকৰ প্ৰিয়গ্ৰন্থৰ কথা ক'ব পাৰে?

এই কথা সাধাৰণ মানুহ অথবা সাধাৰণ ক্ৰেতাৰ বাবে জানি উঠাটো সম্ভৱ নহয় যে সাহিত্যৰ বহু পুৰস্কাৰৰ আঁৰত (আন বহু বিভাগৰ দৰেই) সাহিত্যৰ সৈতে সম্পৰ্ক নথকা অন্য কোনো কাৰক জড়িত হৈ থাকে। প্ৰভাৱ, প্ৰতিপত্তি, সম্পৰ্ক, বিনিময়, লিংগ, বৰ্ণ, জাতি আৰু ধৰ্মৰ পৰিচয় বহু পুৰস্কাৰৰ বাবে নিৰ্ণায়ক আৰু শক্তিশালী কাৰক। এই পৰিস্থিতিটোৱে যথাযোগ্যভাৱে পুৰস্কৃত হোৱা সৎ লেখক-লেখিকাকো অস্বস্তিত পেলায়।

মাথোন পুৰস্কাৰৰ প্ৰভাৱতেই নহয়, সংবাদ-মাধ্যমে সহায় কৰিব খোজা আৰু প্ৰকাশকে ব্যৱসায়িক কৌশলেৰে 'পূৰ্বৰ সকলো অভিলেখ ভঙা' বুলি ঘোষণা কৰা কোনো বিশেষ গ্ৰন্থৰ বিক্ৰী পৰৱৰ্তী দিনটোৰ পৰা অভাৱনীয় ৰূপত বৃদ্ধি পায়। মই মোৰ জীৱনত লগ পোৱা অতি অল্পসংখ্যক পাঠক গ্ৰন্থ-নিৰ্বাচন, ক্ৰয়, পঠন আৰু মন্তব্যৰ ক্ষেত্ৰত এনেবোৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত।

**ছেলফ প্ৰমোশ্যন—দৃষ্টিকটু অথচ প্ৰয়োজনীয় নেকি?**

ভাল কিতাপ, আমি যদি যথাৰ্থতেই ভাল কিতাপৰ কথা আলোচনা কৰো, তেন্তে সেইবিলাকৰ বিক্ৰীও যে সন্তোষজনক নহয়, সেই কথাবোৰ আমাৰ সাহিত্যৰ বাবে এটা চিন্তনীয় বিষয়। আমাৰ সৰহভাগ গ্ৰন্থৰ প্ৰথম প্ৰকাশত মুঠ 'কপি'ৰ সংখ্যা পাঁচশ অথবা এহেজাৰ। প্ৰায় তিনি কোটি মানুহৰ ৰাজ্যত এই সংখ্যাটোৱে স্বাভাৱিকতে প্ৰকাশক আৰু গ্ৰন্থপ্ৰেমীৰ মনত একধৰণৰ সংশয়ৰ উদ্ৰেক কৰে। অৱশ্যে সমান্তৰালভাৱে ই এইটো প্ৰশ্নৰো অৱতাৰণা কৰে যে আমাৰ গ্ৰন্থ-বিজ্ঞাপন আৰু বিপণন প্ৰক্ৰিয়াত যথোচিত মনোযোগ দিয়া হোৱা নাই নেকি? পাঠকৰ হাতত একোখন ভাল কিতাপ তুলি দিবলৈ কোনো নতুন পন্থা, বিপণনৰ কোনো নতুন উদ্ভাৱনী কৌশলৰ আশ্ৰয় লোৱা হোৱা নাই নেকি?

দুই-চাৰিজন সৌভাগ্যবান লেখকৰ শেহতীয়া গ্ৰন্থৰ প্ৰতিটো সংস্কৰণৰ খবৰ প্ৰকাশ কৰি থাকিব পৰকৈ তেওঁলোকৰ নিজস্ব মাধ্যম আছে। আন ভালেমান লেখকৰ ভাগ্যত আছে সাংবাদিক-বন্ধুৰ নিঃস্বাৰ্থ প্ৰশ্ৰয়। নিজৰ গ্ৰন্থৰ বতৰা দিবলৈ শেহতীয়া সংযোজন হ'ল ফেচবুক, টুইটাৰ আদিৰ দৰে কেতবোৰ ছ'চিয়েল নেট্ৱৰ্কিং সংস্থা। আমাৰ অনভ্যস্ত চকুৰ বাবে যদিও দৃষ্টিকটু তথাপি কিছুসংখ্যক লেখকে অতি কম ব্যয় আৰু কম আয়াসতে ফেচবুকত 'আপ-লোড' কৰা তেওঁলোকৰ শেহতীয়া ৰচনাৰাজিৰ খবৰ নিমিষতে সহস্ৰাধিক মানুহৰ মাজত বিয়পি পৰিছে। এই সহস্ৰাধিক ফে'চবুক বন্ধুৰ অৰ্ধেক লোকেও তেওঁলোকৰ লেখক বন্ধুৰ কিতাপখনৰ প্ৰতি ক্ৰেতা হিচাপে আগ্ৰহ প্ৰকাশ কৰিলে সংশ্লিষ্ট প্ৰকাশকৰ বাবে বিপণন প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায় সুচল হৈ পৰে।

**লেখক হিচাপে মোৰ কিছু ব্যক্তিগত সংশয়**

লেখক হিচাপে মই মোৰ পাঠকসকলৰ মাজত একধৰণৰ ৰুচিবোধ, একধৰণৰ প্ৰস্তুতি— সৰ্বোপৰি এক বিশেষ পৰ্যায়ৰ বুদ্ধিমত্তা আশা কৰি থাকো। এনে বুদ্ধিমত্তাৰ কথা ক'বলৈ যাওঁতে মই বিশ্ববিদ্যালয়ে প্ৰদান কৰা ডিগ্ৰীৰ প্ৰমাণপত্ৰত গুৰুত্ব আৰোপ নকৰো, কিয়নো কাৰ্যক্ষেত্ৰত এনে বহু উচ্চ ডিগ্ৰীধাৰী লোকৰ ৰুচিবোধ আৰু মেধাৰ দৈন্য আমি প্ৰায় নিতৌ প্ৰত্যক্ষ কৰো। ইয়াৰ বিপৰীতে, তেনেই সাধাৰণ যেন লগা, সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰা ভালেমান লোকৰ ৰুচিবোধ আৰু বুদ্ধিমত্তাক প্ৰশংসা নকৰিলেই নহয়। কিন্তু আগলৈ ৰুচিবোধৰ পৰিচয় দিব পৰা (অৰ্থাৎ তেনে সম্ভাৱনা থকা) মেধাৱী, আনকি মজলীয়া মানৰ শিশুও ব্যাপক হাৰত ইংৰাজী মাধ্যমৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিবলৈ যাওঁতে, আৰু সেই প্ৰক্ৰিয়াৰ অংশ হিচাপে অসমীয়া ভাষাটোক সম্পূৰ্ণ এলাগী কৰিবলৈ লওঁতে অসমীয়া গল্প-কবিতা-উপন্যাসৰ মেধাৱী পাঠকৰ সংখ্যাটো হতাশজনকভাৱে কমি যোৱাৰ আশংকা আছে। কোনো উচ্চ পৰ্যায়ৰ সাহিত্যৰ ৰসগ্ৰহণ কৰিবলৈ যি ন্যূনতম পৰিমাণৰ মেধা অথবা বুদ্ধিমত্তাৰ প্ৰয়োজন সেই মেধা পোন্ধৰ অথবা একুৰি বছৰ পাছৰ অসমীয়া পাঠকৰ মাজত সুলভ হ'বনে নাই সেই সম্পৰ্কে সন্দেহৰ অৱকাশ আছে। মই এই কথা বিশ্বাস কৰো যে এটা নিৰ্দিষ্ট ভাষাৰ পাঠকৰ গুণগত মানটোৱে সেই ভাষাত লেখা-মেলা কৰা লেখকৰ লেখাৰ গুণগত মান বহু পৰিমাণে নিৰ্ণয় কৰে।

**তথ্যসমৃদ্ধ উপন্যাস বনাম দক্ষ লেখন-কৌশল**

অসমীয়া সাহিত্য জগতত কেইবাখনো তথ্যসমৃদ্ধ উপন্যাসৰ 'সফলতা' ই এনে এটা বাৰ্তা ভালেমান নতুন লেখকৰ মনলৈ প্ৰেৰণ কৰিছে যে সাহিত্যত তথ্যহে সাৰ কথা, লেখন-কৌশল নিতান্তই এটা গৌণ বিষয়। তথ্য সংগ্ৰহৰ প্ৰশংসনীয় পৰিশ্ৰম আছে, অথচ এজন মজলীয়া মানৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰৰ ভাষাৰ দৰে তেনেই নিষ্প্ৰভ লেখন-কৌশল— এনে কিছু অসমীয়া উপন্যাস সম্প্ৰতি আপোনাৰ দৃষ্টিগোচৰ হ'ব পাৰে। ভাব হৈছে, অসমীয়া উপন্যাসত ইতিহাস চেতনাৰ গুৰুত্বকহে প্ৰক্ষেপ কৰি থকাত 'ভাল সাহিত্য'ৰ অন্য প্ৰয়োজনীয় গুণবোৰ উপেক্ষিত হ'বলৈ ধৰিলে। আশংকাৰ কথাটো হ'ল এই যে এনে এটা প্ৰেক্ষাপটত নতুন লেখকৰ পৰা সম্পূৰ্ণ কল্পনাপ্ৰসূত, এটা গভীৰ মানৱীয় সম্পৰ্কৰ কাহিনী সম্বলিত উপন্যাস পোৱাৰ সম্ভাৱনা প্ৰায় নোহোৱা হৈ পৰিল। এখন শক্তিশালী প্ৰেমৰ উপন্যাসৰ সম্ভাৱনা প্ৰায় নোহোৱা হৈ পৰিল। আজি অসমীয়া ভাষাত সুন্দৰ লেখন-কৌশলসম্পন্ন এটা ভাল ভৌতিক গল্প অথবা থ্ৰীলাৰ লিখাৰ সম্ভাৱনা কিমান? নতুন লেখকৰ কলমৰ পৰা এখন বিজ্ঞানভিত্তিক উপন্যাস ওলাই অহাৰ সম্ভাৱনা কিমান?

অসমীয়া সাহিত্যত, ঘাইকৈ উপন্যাসৰ প্ৰসংগত এনে কিছু আলোচনাৰ প্ৰয়োজন হৈছে।

**প্ৰকাশকৰ নিজস্ব সম্পদনা কক্ষ**

পাঠকৰ মনস্তত্ব আৰু ধৈৰ্য ক্ষমতা অনুধাৱন কৰিব নোৱাৰাৰ ফলত বহু লেখকৰ গুৰুত্বপূৰ্ণ গ্ৰন্থ 'বিফল' হৈ যায়। কেইবাটাও পৃষ্ঠা জুৰি নিৰৱচ্ছিন্নভাৱে থকা গধুৰ তথ্যই পাঠকৰ মন আৰু মগজু ভাৰাক্ৰান্ত কৰিবলৈ আৰম্ভ কৰাৰ পূৰ্বেই পাঠকৰ একঘেঁয়ে ভাবটো ভাঙি মনৰ সতেজতা আনিবলৈ যে কোনো নতুন প্ৰসংগৰ অৱতাৰণা অথবা কোনো বিশেষ কৌশলৰ প্ৰয়োজন সেই কথাবাৰত পশ্চিমৰ লেখক-প্ৰকাশকে যথেষ্ট গুৰুত্ব আৰোপ কৰে। অসমৰ প্ৰকাশন জগতত যদিহে মোৰ ধাৰণা ভুল হোৱা নাই, প্ৰকাশকে শেষ পৰ্যন্ত লেখকৰ ওপৰতেই সম্পূৰ্ণৰূপে ভাৰসা কৰি আহিছে। মই জনা কেইবাটাও প্ৰকাশন-গোষ্ঠীক দিহা-পৰামৰ্শ দিবলৈ তেওঁলোকৰ নিজাকৈ একোগৰাকী জ্যেষ্ঠ তথা অভিজ্ঞ লেখক আছে, কিন্তু মই যি ধৰণৰ সম্পাদনা-মেজৰ পৰা ক'ব বিচাৰিছো, তেনে প্ৰক্ৰিয়া নাই। অৱশ্যে 'বনলতা' প্ৰকাশনৰ স্বত্বাধিকাৰী অনন্ত হাজৰিকাই এটা সাক্ষাৎকাৰত (নিয়মীয়া বাৰ্তা, ২৫ এপ্ৰিল, ২০১১) তেখেতসকলৰ এটি সম্পাদনামণ্ডলী থকাৰ কথা উল্লেখ কৰিছে। অন্যান্য প্ৰকাশনেও যদি এনে উদ্যোগ লৈছে তেন্তে এই প্ৰক্ৰিয়াই লেখক, পাঠক, প্ৰকাশক আটাইকে উপকৃত কৰিব।

**উপসংহাৰ**

মূল প্ৰসংগটোলৈ উভতি অহা যাওক।

মূল কথাষাৰ হ'ল— এই যে এটা মিথ্যাৰ আশ্ৰয় লৈ আমাৰ অনেকেই তেওঁলোকৰ প্ৰিয়গ্ৰন্থৰ কথা কয় সেই কথাষাৰে তেওঁলোকৰ অলক্ষিতেই এটা ভুল বাৰ্তা কঢ়িয়াই মজলীয়া মানৰ গ্ৰন্থ এখনক বিশেষ মৰ্যাদা দিয়ে, সাধাৰণ লেখক এগৰাকীক অযথা মহত্ব প্ৰদান কৰে। এই মিথ্যাবাদৰ আঁৰত কোনো বিশেষ অভিপ্ৰায় নাথাকিবও পাৰে। মানুহ সন্মোহিত হয়। ভাল সাহিত্যৰ প্ৰতিও মানুহ সন্মোহিত হয়, সাহিত্যৰ ভুল প্ৰচাৰৰ প্ৰতিও মানুহ সন্মোহিত হয়। সাধাৰণ মানুহৰ নিৰ্ণয়-ক্ষমতা বৰ সন্তোষজনক নহয়। দুখ আৰু পৰিতাপৰ কথা,— দুই চাৰিটা ব্যতিক্ৰম বাদ দি মেধাৱী মানুহবোৰো ইয়াৰ ব্যতিক্ৰম নহয়।

# ডাইনী



মূল ঃ ৰবীন নাৰ্জাৰী
অনুবাদ ঃ সোণালী বড়ো
*স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান*

আজি গাঁওত এখন বিচাৰ আছে। সেয়া ডাইনীৰ সন্দৰ্ভত গাউজেং নামৰ এগৰাকী বৃদ্ধা মহিলাৰ বিচাৰ। সকলো ৰাইজ গোট খাইছে। এনে লাগিছে যেন আজি গাঁওখনত উৎসৱহে পালন কৰা হ'ব। বিচাৰখনত সভাপতিৰ আসন গ্ৰহণ কৰিছে স্বয়ং চৰকাৰী গাঁওবুঢ়াজনে। এনেকুৱা বিচাৰৰ অন্তত আজিলৈকে কোনো এগৰাকী ডাইনী অৰ্থাৎ ডাইনী অভিযুক্তই জীৱিত থকা নাই। কাৰোবাক যদি হানিখুচি আৰু কাৰোবাক কুঠাৰেৰে ঘঁপিয়াই, জীৱন্তে জ্বলাই মৃত্যুদণ্ড দিয়া হৈছে। মুঠতে ডাইনীক হত্যা কৰিব লাগে। ডাইনী প্ৰথাক নিক্ষেপ কৰিব লাগে। সেইকাৰণে আজি চুডেমপুৰী গাঁৱৰ ৰাইজ, সকলোৰে মনত এটাই প্ৰশ্ন গাউজেঙৰ কপালত বা কিহৰ শাস্তি।

বিচাৰ আৰম্ভ হ'ল। গাঁৱৰ সম্পাদকজনে বিচাৰখনৰ আঁত ধৰিছে। ৰাইজে আগুৰি থকা ঠাইখনৰ মাজত থকা দূবৰি বনতে অকলে বহি আছে গাউজেং। গহীন হৈ মন মাৰি থকা ৰামুগুয়ো ওচৰতে বহি আছে। পাঁচ বছৰমানেই হ'ল গাউজেং বুঢ়ীয়ে ৰামুগুাইহঁতৰ ঘৰত থকা। বিচাৰ আৰম্ভ কৰি গাঁওবুঢ়াই ক'লে— 'ৰাইজ সভাৰ উদ্দেশ্য বাখ্যাতেই আপোনালোকে শুনিছে যে আজি পাঁচ বছৰমানৰ পৰা গাঁৱত অমংগল হৈয়ে আছে। ইয়াৰ আগত চুডেমপুৰী অতি শান্তিপূৰ্ণ গাঁও আছিল। কোনো ঘৰত অপায় অমংগল হোৱা নাছিল। কিন্তু এতিয়া আপদ-বিপদে নেৰা হ'ল। যি সময়ত শিক্ষা-দীক্ষা, চাকৰি-ব্যৱসায় বাঢ়িল, গাঁৱত বিজুলীবাতি জ্বলিল, চৰকাৰী সুবিধাবোৰ আহিল। কিন্তু আমি চুডেমপুৰী গাঁওখনে অতীতৰ অন্ধকাৰ যুগলৈহে উভতি গৈ আছোঁ। এতিয়া আহো মূল অভিযোগটোলৈ— 'ৰাণ্ডাচি তুমি আজি ৰাইজৰ আগত তোমাৰ অভিযোগটো মুকলিকৈ কৈ দিয়া।'

‘খবৰদাৰ বুঢ়ী কথাখিনি স্বীকাৰ কৰি ল’ব যদি ল’ব নহ’লে জীয়াই জীয়াই পুতি থ’ম। মোৰ মাকো তয়ে মাৰিছিলি। মাৰ গা বেয়া হোৱাৰ আগদিনা তোকেই লগ পাই ভয় খাইছিল বুলি কৈছিল। তোক আজি এই কুঠাৰেৰে ঘঁপিয়াই মাৰিব নোৱাৰিলে মোৰ নাম ডাম্বাৰু নহয়।’

ৰাণ্ডাচিয়ে ৰাইজৰ ওচৰত থিয় হৈ ক’লে— ‘মই অভাগিনীয়েনো কি কম এতিয়া? যিদিনাখন ল’ৰা বাবুৰে হেৰাইছিল সেইদিনা গাউজেঙে আমাৰ ঘৰত আহি গোলাপ ফুল বিচাৰিছিল। আমাৰ ঘৰত ফুলেই নাই, মই কেনেকৈ গোলাপ ফুল দিওঁ? মই বাৰংবাৰ কোৱাৰ পাছতো নামানিলে আৰু সেই ফুল দিব নোৱাৰাৰ কাৰণে খং কৰি গালি গালাজ পাৰি গুচি গ’ল। সেইদিনা ৰাতিৰ পৰাই মোৰ ল’ৰাটোৰ জ্বৰ হঠাতে বেছি হ’ল। দোকমোকালিতে মোৰ ল’ৰাটোৰ মৃত্যু ঘটিল। মোৰ ল’ৰাটো এতিয়া ডাঙৰেই হ’লহেঁতেন!’ কথাখিনি শেষ নহওঁতে ৰাণ্ডাচিয়ে কান্দি কান্দি বহি পৰিল।

ডাম্বাৰু নামৰ এজন যুৱকে উত্তেজিত হৈ উঠিল আৰু গাউজেং বুঢ়ীক উদ্দেশ্যি ক’লে— ‘খবৰদাৰ বুঢ়ী কথাখিনি স্বীকাৰ কৰি ল’ব যদি ল’ব নহ’লে জীয়াই জীয়াই পুতি থ’ম। মোৰ মাকো তয়ে মাৰিছিলি। মাৰ গা বেয়া হোৱাৰ আগদিনা তোকেই লগ পাই ভয় খাইছিল বুলি কৈছিল। তোক আজি এই কুঠাৰেৰে ঘঁপিয়াই মাৰিব নোৱাৰিলে মোৰ নাম ডাম্বাৰু নহয়।’ ডাম্বাৰুৱে কুঠাৰখন দাঙি লৈছিল, কিন্তু ওচৰত থকা মানুহবোৰে বাধা দিয়াত তেওঁ কিছু শান্ত হ’ল।

সেই সময়তে পিছফালে বহি থকা গাপাখ্ৰাৱে ক’লে— ‘মাৰি পেলাব লাগে এনেকুৱা মানুহক, তেতিয়াহে গাঁৱখনলৈ শান্তি আহিব’।

বিচাৰৰ গতি-বিধি বেলেগফালে গতি কৰাৰ উমান পাই ওচৰৰে মধ্য ইংৰাজী বিদ্যালয়ৰ এগৰাকী শিক্ষক চমুৱা কছাৰীয়ে থিয় হৈ ৰাইজক উদ্দেশ্যি ক’বলৈ ল’লে— ‘ৰাইজ আপোনলোকে ইমান উত্তেজিত নহ’ব। ডাইনীক কি শাস্তি দিয়া হয় সেয়া আজিৰ সভাৰ সভাপতি গাঁওবুঢ়াইহে ঠিক কৰিব। ডাম্বাৰু ভাইটি অলপ ধৈৰ্য ধৰা, শান্ত হোৱা। গাউজেং বুঢ়ী এতিয়াও ডাইনী হয়নে নহয় স্বীকাৰ কৰি লোৱা নাই। সকলো অপৰাধীয়ে উচিত শাস্তি পাব লাগে। ৰাইজ, বৰ্তমান বিজ্ঞানৰ যুগ, শিক্ষা-দীক্ষাৰ যুগ। আমি এতিয়া তান্ত্ৰিক প্ৰভাৱ, তান্ত্ৰিক পৰম্পৰাক বিদায় দিয়াই ভাল। মোৰ কথাটো হ’ল আমি এখন নতুন সমাজ গঠন কৰি ল’ব লাগে। মোৰ অনুৰোধ গাউজেং বুঢ়ী যদি সঁচাকৈ ডাইনী হয়, তেন্তে সেই কথা স্বীকাৰ কৰি লৈ আজিৰ পৰা নতুন এটা জীৱনৰ পথ বাচি লোৱা উচিত।’

শিক্ষকজনৰ কথা শেষ হোৱাৰ আগে আগে গাঁওবুঢ়াই গাউজেং বুঢ়ীক তেওঁৰ দায় স্বীকাৰ কৰি ল’বলৈ কয়। কিন্তু গাউজেং বুঢ়ীয়ে সেই কথা মানি লোৱা নাছিল। তেওঁ ডাইনী নহয় বুলি বাৰম্বাৰ কৈয়ে আছে।

ৰাইজ অধিক উত্তেজিত হ’ল। সেইটোৱেই ঠিক। কাৰণ গাঁৱৰ প্ৰায় সকলো মানুহেই গাউজেং বুঢ়ীক ডাইনী বুলি বিশ্বাস কৰে। গাউজেঙে নিজেই গাঁৱৰ মানুহবোৰৰ আগত ভূত-প্ৰেত, ডাইনী, তন্ত্ৰ-মন্ত্ৰ বহু কথাই কৈ ফুৰে। সকলোৰে আগত নিজকে তান্ত্ৰিক শক্তিৰ অধিকাৰী বুলি জহাই ফুৰে। গাঁওবুঢ়াই বিলম্ব নকৰি ঘোষণা কৰিলে, ‘গাউজেং ডাইনীক উচিত শাস্তি দিবই লাগিব। চুডেমপুৰী গাঁওখনৰ পৰা অপাই-অমংগল আঁতৰাই পঠিয়াব লাগিব। গতিকে গাউজেঙে যিদৰে এই গাঁওখনত প্ৰৱেশ কৰিছিল, ঠিক তেনেদৰেই কাইলৈ ৰাতিপুৱা তেনেকৈ আন ক’ৰবালৈ গুচি যাওক।’ সকলো ৰাইজে গাঁওবুঢ়াৰ কথাক সমৰ্থন দি চাপৰি বজালে।

# ম ত অ ম ত

*ছাত্ৰ-শিক্ষক আৰু সমাজৰ সৈতে সংলগ্ন বহুকেইটা বিষয়ত কটন কলেজ কেম্পাছৰ ভিতৰতে 'কটনিয়ান'ৰ তৰফৰ পৰা আমি লৈছিলো বিভিন্ন জনৰ মতামত। উক্ত মত-ভিন্নমতসমূহে যাতে পাঠক সমাজৰ মনতো নতুন চিন্তাৰ বাট মুকলি কৰিব পাৰে, সেই উদ্দেশ্যে আগবঢ়ালো আমাৰ এই কথোপকথন—*

**♦ দুৰ্নীতিক কেৱল শ্লোগানৰ মাজতে সীমাবদ্ধ নকৰি কিদৰে সমাজ পৰিৱৰ্তনৰ দিশলৈ প্ৰক্ষেপিত কৰিব পাৰি?**

**মতামত ঃ** ভৱিষ্যতৰ দুৰ্নীতি মুক্ত ৰাষ্ট্ৰ গঠনৰ বাবে যুৱ চামে দুৰ্নীতিৰ বিৰোধীতা কৰিবই লাগিব। পিতৃ-মাতৃ, বয়োজ্যেষ্ঠই শিশুক সৰুৰেপৰা 'ডাঙৰ মানুহ' হ'বলৈ সপোন দেখুওৱাৰ সলনি 'ভাল মানুহ'ৰ ধাৰণাৰ বীজহে শিশু মনত ৰোপিত কৰিব লাগে। মোৰ বোধেৰে ৰাজনীতিৰ ক্ষেত্ৰখনত সস্তীয়া লোভৰ বশৱৰ্তী নহৈ মূল্যবোধৰ ৰাজনীতিৰহে প্ৰয়োজন। ছাত্ৰসকলক প্ৰাথমিক স্তৰত আধ্যাত্মিক অথবা নৈতিক শিক্ষাৰ পাঠদান কৰিব লাগে। প্ৰথমতে পৰিয়ালক দুৰ্নীতিৰ পৰা আঁতৰাব লাগিব। মোৰ বিশ্বাস পৰিয়ালসমূহ দুৰ্নীতিত লিপ্ত নহ'লে সমাজখন নিশ্চয় দুৰ্নীতিমুক্ত হ'ব।

**অংকুৰজ্যোতি ভূঞা**

*স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

**♦ দুৰ্নীতিমুক্ত সমাজ গঢ়াৰ অৰ্থে ছাত্ৰ সমাজৰ দায়িত্ব কেনে হোৱা উচিত বুলি আপুনি ভাৱে?**

**মতামত ঃ** ছাত্ৰ ছাত্ৰীসকলে জীৱনৰ প্ৰতিটো স্তৰতে দুৰ্নীতিক প্ৰশ্ৰয় দিব নালাগিব আৰু দুৰ্নীতিৰ জৰিয়তে স্বাৰ্থ পুৰণ কৰাৰ যিকোনো প্ৰচেষ্টাৰ পৰা নিজকে আঁতৰাই ৰাখিব লাগিব। তদুপৰি, ছাত্ৰ-ছাত্ৰীসকলেই ভৱিষ্যতৰ নাগৰিক। তেওঁলোক যেতিয়া দুৰ্নীতিবিৰোধী অংগীকাৰেৰে প্ৰতিশ্ৰুতিবদ্ধ হ'ব, তেতিয়া সমাজৰ সকলো অংশৰ পৰাই দুৰ্নীতি নামৰ ব্যাধিটো সম্পূৰ্ণৰূপে আঁতৰি যাব।

**ড° অৰূপজ্যোতি চৌধুৰী**

*মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ*

**♦ যুৱ চামৰ মাজত আত্মহত্যাৰ ঘটনা বৃদ্ধিয়ে যুৱ মানসিকতাৰ কেনে দিশক প্ৰতিফলিত কৰিছে?**

**মতামত ঃ** আত্মহত্যাৰ ঘটনা আৱেগিক নিয়ন্ত্ৰণহীনতাৰ বাবে সংঘটিত হয়। শৈক্ষিক আকাংক্ষা বাস্তৱায়িত নোহোৱাকৈ বহুতেই আত্মহননৰ পথ বাছি লোৱা দেখা গৈছে। তদুপৰি একৈশ শতিকাৰ বস্তুবাদী মানসিকতাইও আত্মহত্যাৰ বাবে ব্যক্তিক ধাৱিত কৰিছে। সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে— সম্পৰ্কবোৰত আজি দূৰত্ব আহি পৰিছে। সন্তানৰ মনৰ কথা আৰু অভিভাৱকৰ মাজত অদৃশ্য প্ৰাচীৰ থিয় দি উঠিছে।

**ডিউক মহন্ত**

*স্নাতক প্ৰথম ষাণ্মাসিক, ভূগোল বিভাগ*

**♦ যুৱ প্ৰজন্মৰ মাজত আত্মহত্যাৰ প্ৰৱণতা হ্ৰাস কৰাৰ অৰ্থে আপোনাৰ পৰামৰ্শ কেনে ধৰণৰ?**

**মতামত ঃ** এইক্ষেত্ৰত পিতৃ-মাতৃৰ ভূমিকা গুৰুত্বপূৰ্ণ। সন্তাৰ মনৰ পৰা হতাশাৰ মনোভাৱ দূৰ কৰি ইতিবাচক চিন্তা বা আশাবাদী মানসিকতা গঢ় দিয়াত গুৰুত্ব দিব লাগিব। কোনো কাম বা লক্ষ্য এটাত বিফল হ'লে হতাশা, নীচাত্মিকা আদি ভাৱে জটিল মানসিক পৰ্যায়লৈ ব্যক্তি এজনক লৈ যায়। সেয়েহে যুৱক-যুৱতীসকল নিজ সামৰ্থ সম্পৰ্কে প্ৰথমে নিশ্চিত হ'ব লাগে আৰু কিছু পৰিমাণে 'সন্তুষ্ট' হ'বলৈও শিকিব লাগিব। লগতে অত্যাধিক প্ৰতিযোগিতাৰ মনোভাৱটো শিক্ষাৰ্থীসকলে পৰিত্যাগ কৰিব লাগিব।

**ড° ৰূপা দাস বৰবৰা**

*মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ*

◆ বৰ্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কি কি পৰিবৰ্তন আপুনি বিচাৰে?

**মতামত** ঃ বৰ্তমানৰ শিক্ষা ব্যৱস্থাত আদৰ্শ ব্যক্তিৰ অভাৱ পৰিলক্ষিত হৈছে। ছাত্ৰসকলৰ জীৱন গঢ়াৰ বাবে 'আদৰ্শ চৰিত্ৰ'ৰ প্ৰয়োজন আহি পৰিছে। শিক্ষা দানৰ প্ৰতি তথা 'শিক্ষক' বৃত্তিটোৰ প্ৰতি শিক্ষকসকল প্ৰকৃততে আগ্ৰহী হ'ব লাগিব আৰু ছাত্ৰসকলৰো শিক্ষা গ্ৰহণৰ প্ৰতি আন্তৰিক ইচ্ছা থাকিব লাগিব। প্ৰত্যেকেই নিজ দায়িত্ব সম্পৰ্কে সচেতন হোৱা উচিত। এইক্ষেত্ৰত আনুষ্ঠানিক শিক্ষাৰ প্ৰতিটো স্তৰতেই ছাত্ৰ-শিক্ষকৰ মাজত যোগাযোগ, আলোচনা অপৰিহাৰ্য।

**চিৰঞ্জীৱ চাহু**

*সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ*

◆ অসমৰ চলচ্চিত্ৰ উদ্যোগক গঠনমূলক পথেৰে গতিশীল কৰাত আপোনাৰ পৰামৰ্শ সম্পৰ্কে জনাবকচোন—

**মতামত** ঃ প্ৰথম কথা হৈছে, সস্তীয়া কাহিনীৰ পৰিবৰ্তে জীয়া কাহিনী ৰচনা হ'ব লাগিব— যিয়ে অসমীয়াৰ মনৰ কথা, সমাজখনৰ সমস্যাসমূহৰ কথা প্ৰতিফলিত কৰিব পাৰে। দ্বিতীয়তে, অসমীয়া চলচ্চিত্ৰত প্ৰযুক্তি তথা কাৰিকৰী দিশত উন্নতি অতি প্ৰয়োজনীয়। দৃশ্যসমূহত গতিশীলতা নিতান্তই গুৰুত্বপূৰ্ণ। কথাছবিখনৰ মাজেৰে প্ৰযোজক-পৰিচালকে কি বক্তব্য প্ৰতিফলিত কৰিব বিচাৰিছে তাৰ ওপৰত মনোযোগ দিব লাগিব। দৰ্শকৰ ৰুচিবোধৰ ওপৰত ছবি নিৰ্মাতাসকলে গুৰুত্ব দিব লাগিব। পৰিচালক, প্ৰযোজক আদি চলচ্চিত্ৰ সম্পৰ্কে প্ৰকৃততে অধ্যয়ন পুষ্ট হোৱাটো অতি জৰুৰী।

**ড° সীতানাথ লহকৰ**

*মুৰব্বী অধ্যাপক, গণিত বিভাগ*

◆ অসমীয়া সাহিত্যৰ বৰ্তমান ধাৰাটোত নতুনত্বৰ প্ৰয়োজনীয়তা সম্পৰ্কে আপোনাৰ মতামত—

**মতামত** ঃ নতুনত্বৰ প্ৰয়োজন নিশ্চয় আছে। ইতিমধ্যে নতুনত্বৰ আৰম্ভণি হৈছে। নতুন প্ৰজন্মৰ লিখকসকলেও বিভিন্ন বিষয়, যেনেঃ বুৰঞ্জীমূলক, সামাজিক আদি চিন্তাক লিখনিৰ মাধ্যমেৰে প্ৰতিফলিত কৰিছে। এইদৰেই তেওঁলোকে চিন্তাৰ দিশক আগুৱাই নিছে আৰু এই ক্ষেত্ৰত মই যথেষ্ট আশাবাদী।

**ড° ৰীতা চৌধুৰী**

*সহকাৰী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ*

◆ ছাত্ৰ হিচাপে বৰ্তমানৰ শিক্ষা ব্যৱস্থাত আসোঁৱাহ সম্পৰ্কে আপোনাৰ মতামত?

**মতামত** ঃ প্ৰথম কথা হৈছে, আমাৰ শিক্ষা ব্যৱস্থাটো কেৱল মাৰ্কশ্বিট প্ৰধান। যিয়ে সংখ্যাগত অৰ্হতাৰ মূল্যাংকন কৰে। কিন্তু গুণগত দিশৰ বিবেচনাত গুৰুত্ব আৰোপ নকৰে। পাঠ্যপুথিও অতি তত্ত্বপ্ৰধান। লগতে আছে ব্যৱহাৰিক শিক্ষাৰ অভাৱ। মোৰ বোধেৰে ছাত্ৰ-ছাত্ৰীসকলক আগলৈ 'মানৱ সম্পদ' হিচাপে গঢ় দিয়াৰ নিশ্চয়তা বৰ্তমানৰ শিক্ষা পদ্ধতিয়ে প্ৰদান কৰিব পৰা নাই।

**হৰ্ষস্মিতা শৰ্মা**

*স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ*

◆ অসমীয়া চলচ্চিত্ৰ উদ্যোগক লৈ ছাত্ৰ সমাজ কেৰিয়াৰ মুখী হ'ব নোৱাৰে নেকি?

**মতামত** ঃ মই ভাবো, নিশ্চয় পাৰো। অসমীয়া চলচ্চিত্ৰৰ আজি বেয়া দিন চলিছে বুলি কেৱল ভুলবোৰ আঙুলিয়াই থকাতকৈ নতুন চামেও হাতে-কামে লাগি যোৱাৰ সময় আহি পৰিছে। পাইৰেচীৰ বজাৰখন বন্ধ কৰিব পাৰিলে আৰু কথাছবিৰ জগতখনক উদ্যোগ ভিত্তিত গঢ়ি তুলিব পাৰিলে কেৰিয়াৰ হিচাপে অসমীয়া বোলছবিক গ্ৰহণ কৰিব পাৰি। অৱশ্যে, প্ৰথমে প্ৰচলিত আসোঁৱাহবোৰ দূৰ কৰাতহে গুৰুত্ব দিব লাগিব।

**দিলৰাৰা বেগম**

*স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

◆ ছাত্ৰ হিচাপে অসমীয়া সাহিত্যৰ বৰ্তমানৰ ধাৰাক লৈ আপোনাৰ মতামত?

**মতামত** ঃ কিছু ক্ষেত্ৰত সুখী। কিন্তু সম্পূৰ্ণৰূপে সুখী বুলি ক'ব নোৱাৰি। অসমীয়া সাহিত্যৰে অধ্যয়ন পুষ্ট হৈ সাহিত্যিক হিচাপে জীৱিকা নিৰ্বাহৰ মানসিকতা নতুন প্ৰজন্মৰ মাজত খুউব কমহে দেখা যায়। কেৱল ডিগ্ৰী-ডিপ্লমা অৰ্জনৰ বাবেহে যথেষ্ট ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য বিষয়ক বাচি লয়। বৰ্তমানৰ 'সমালোচনা' সাহিত্য বহুক্ষেত্ৰত ব্যক্তিনিষ্ঠ হোৱাত পাঠক সমাজে মত গ্ৰহণ কৰোতে খেলিমেলি অৱস্থাৰ সন্মুখীন হ'বলগীয়া হয়।

**চন্দ্ৰমা দেৱী**

*স্নাতক প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ*

♦ বৰ্তমান অসমত বিজ্ঞান শিক্ষাৰ পৰিবেশ উন্নতকৰণ সম্পৰ্কত ল'ব পৰা পদক্ষেপৰ ক্ষেত্ৰত আপুনি কি ক'ব?

**মতামত ঃ** শিক্ষাৰ্থীসকলক উপযুক্ত পাঠ্যপুথিৰ যোগান ধৰিব লাগিব। উচ্চ মাধ্যমিক শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজন সাপেক্ষে বিজ্ঞানাগাৰৰ সুবিধা দিয়া উচিত। লগতে বিজ্ঞানৰ সঁজুলি, পুথিভঁৰাল আৰু কম্পিউটাৰৰ ব্যৱহাৰিক জ্ঞানৰ ওপৰত গুৰুত্ব দিয়াৰ অতিকৈ প্ৰয়োজন। উচ্চতৰ মাধ্যমিক স্তৰত বিজ্ঞান বিষয় বাছনি কৰাৰ প্ৰাকমুহূৰ্তত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলক বিজ্ঞান বিষয়ত উপলব্ধ বিভিন্ন সুবিধাৰ বিষয়ে সঠিক তথ্য তথা উপযুক্ত পৰামৰ্শ প্ৰদানৰ ব্যৱস্থা প্ৰত্যেক শিক্ষানুষ্ঠানতেই থকাটো বাঞ্ছনীয়।

ড° অৰ্চনা গোস্বামী
*মুৰব্বী অধ্যাপিকা, ৰসায়ন বিজ্ঞান বিভাগ*

♦ ছাত্ৰসমাজক বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ কেনেকুৱা পদক্ষেপ লোৱাটো উপযোগী?

**মতামত ঃ** বিজ্ঞান বিষয় কঠিন— এনে মানসিকতা দূৰ কৰিবলৈ কৰ্মশালা গঢ়ি তুলিব লাগে। প্ৰায়োগিক বিজ্ঞানৰ পৰিবৰ্তে মৌলিক বিজ্ঞান অধ্যয়নেহে বিজ্ঞানৰ বিভিন্ন দিশ জনাত অধিক সহায় কৰে। বিজ্ঞান পঢ়ি চিকিৎসক বা অভিযন্তা হোৱাটোৱেই একমাত্ৰ লক্ষ্য হ'ব নালাগে। ক'চিং চেণ্টাৰ, টিউচন আদি হৈছে বিজ্ঞান শিক্ষাৰ ব্যাধি, যিয়ে নিজে ভবা অথবা চিন্তা কৰা প্ৰক্ৰিয়াটোক বন্ধ কৰি দিছে আৰু সেইবোৰৰ ফলত বহু প্ৰবেশ পৰীক্ষাত প্ৰকৃত যোগ্য ছাত্ৰসকল উত্তীৰ্ণ হোৱাৰ পৰা বঞ্চিত হয়। শ্ৰেণীকোঠাত ছাত্ৰৰ উপস্থিতি বাধ্যতামূলক বাবেই নহয়, মানসিক প্ৰস্তুতিৰেহে থাকিব লাগে বুলি মই ভাবো।

শৈলেন কাটেল
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা*

*যুগুতালে —নীলাক্ষি বৈশ্য*



# সৌৰভ কুমাৰ চলিহা
## শ্ৰদ্ধাঞ্জলি চ'ৰা



জন্মঃ ১৬ জুলাই ১৯৩০
মৃত্যুঃ ২৫ জুন ২০১১

অংকনঃ মনজিৎ ৰাজখোৱা


# সৌৰভ কুমাৰ চলিহাৰ কলমৰ পৰা সশ্ৰদ্ধ উল্লেখ

"....নৱেম্বৰ-ডিচেম্বৰ মাহত যেতিয়া গুৱাহাটীত বৰফ পৰিব আৰম্ভ কৰে, সৰু ল'ৰা-ছোৱালীবোৰৰ বৰ আনন্দ হয়। ৰাস্তা, ঘৰৰ চাল, ফুল আৰু গছ-গছনি, যান-বাহন সকলো বৰফত ঢাক খাই বগা হৈ পৰে। গোটেই চহৰৰ ওপৰত যেন এখন অবিচ্ছিন্ন বগা আবৰণ। গোটেই পৃথিৱীত যেন স্বচ্ছ বগা পোহৰ। পুখুৰীবোৰৰ পানীও কেতিয়াবা গোট মাৰে। পজাল লগোৱা বুট আৰু ৰং-বিৰং টুপী পিন্ধি সৰু ল'ৰা-ছোৱালীবোৰে চিঞৰ-বাখৰ কৰি সিহঁতৰ স্কী, শ্লে'জ গাড়ী আৰু চকা লগোৱা ৰ'লাৰ স্কেটাৰবোৰ লৈ পৰম উৎসাহেৰে বাহিৰ হৈ পৰে। সিহঁতে ইটোৱে সিটোৰ গালৈ বৰফ বল দলিয়াই হাঁহি-হাঁহি অধীৰ হৈ বৰফত পিছল খাই খাই পৰে। চহৰৰ হেলনীয়া ঢালিবোৰত এতিয়া সিহঁতে স্কী দৌৰে। বঞ্জু আৰু অঞ্জুৰ ঘৰৰ সন্মুখৰ সৰু সাঁতোৰা পুখুৰীটোৰ পানী গোট মাৰিছে আৰু তাৰ ওপৰত ওৰে ৰাতি বৰফ পৰি পাৰৰ লগত প্ৰায় সমান হৈ গৈছে। অঞ্জু আৰু বঞ্জুৱে মহা স্ফূৰ্তিৰে ৰ'লাৰ-স্কেটিং কৰি পুখুৰীটো পাৰ হৈছে। ঘৰৰ সন্মুখৰ হেলনীয়াডোখৰ বৰফে ঢাকি সমান কৰি দিয়াত কণমীৰ বৰ সুবিধা হৈছে। তাই সৰু ভণ্টীজনীক কাঠৰ চকা লগোৱা বাকচটোত বহুৱাই লৈ হুৰহুৰকৈ তললৈ নামি গৈছে। আমি আটায়ে জেকেটৰ বুটামবোৰ ডিঙিলৈকে মাৰি লৈ বৰফ চাবলৈ বাহিৰ হৈছোঁ। পুৱাৰ তীক্ষ্ণ সিৰসিৰীয়া বতাহে আমাৰ গালত আৰু অনাবৃত কাণত বেজীয়ে বিন্ধাৰ দৰে বিন্ধিছে। তুলাৰ দৰে পাতল চটা চটা বৰফ আমাৰ গালে-মুখে আৰু কাপোৰত পৰি গলি যাব ধৰিছে। সৌৱা ল ৰাইতে প্ৰকাণ্ড এটা 'বৰফৰ মানুহ' সাজিব ধৰিছে। সৌৱা বৰফেৰে বগা হৈ পৰা গেটখন খুলি হেৰ বকৰা ৰাস্তালৈকে ওলাল। তেওঁ গলত টানকৈ এখন নীলা ৰঙৰ মাফলাৰ মেৰুৱাই লৈছে। হেৰ বকৰাই ঘৰৰ সন্মুখত পাৰ্ক কৰি থোৱা তেওঁৰ মটৰ গাড়ীখন বিচাৰিছে, কিন্তু গাড়ীখনৰ ওপৰত বৰফ পৰি চাৰিওপিনে এটা এস্কিম'সকলৰ ইগ্লুঘৰৰ দৰে হৈ পৰিছে। আস্ এতিয়া বাৰু তেওঁ কেনেকৈ গাড়ীৰ ভিতৰ সোমাব? সৌৱা, ফ্ৰাউ বকৰা বাহিৰলৈ আহি হেৰ বকৰাক হাত জোকাৰি জোকাৰি বিদায় দিছে আৰু চিঠিৰ বাকচটো চাব খুজিছে চিঠি আহিছে নেকি? কিন্তু চিঠিৰ বাকচটোও একেবাৰে বগা হৈ বৰফৰ তলত ঢাক খাই আছে। ফ্ৰাউ বকৰাই তেওঁৰ এপ্ৰনখনত হাত ঘঁহি গৰম কৰি লৈ চিঠিৰ বাকচটোৰ পৰা বৰফবোৰ চুঁচি পেলাব ধৰিলে...."

*(প্ৰখ্যাত গল্প 'গোলাম'ৰ এছোৱা)*

# 'অশান্ত ইলেক্ট্ৰন' আৰু কেইটামান গল্প

আৰোহণ কৌশিক ডেকা
*স্নাতক তৃতীয় বৰ্ষ, ইতিহাস বিভাগ*




আধুনিক অসমীয়া গল্প বুলি ক'লেই সৌৰভ কুমাৰ চলিহাৰ নামটো পোন প্ৰথমে মনলৈ আহে। চলিহাৰ গল্পই অসমীয়া গল্প সাহিত্যক বহুখিনি আগুৱাই লৈ গ'ল। এক কথাত চলিহাক অসমীয়া গল্প সাহিত্যৰ অন্য এক সুঁতি বুলি ক'ব পাৰি। চলিহাৰ গল্প কাহিনীৰ দৰে তেওঁৰ ব্যক্তিসত্বাও গভীৰ কুঁৱলীময়, ধূসৰ।

তেখেতৰ গল্পৰ এজন ক্ষুদ্ৰ অনুৰাগী হিচাপে আমাৰ ভাল লগা গল্প কেইটিমানৰ বিষয়ে এয়া এক বিসংগম অনুসন্ধান মাত্ৰ। প্ৰায় সম্ভৱতকৈয়ো অধিক গল্পৰ ৰচয়িতা চলিহাদেৱৰ প্ৰতিটো সৃষ্টিয়েই অনুপম। তেওঁৰ সৃষ্টিত অন্ধ অনুকৰণ পাবলৈ নাই, সিবোৰ স্বতন্ত্ৰ আৰু স্বাধীন। অনুপম গদ্যশৈলীৰে সু-সজ্জিত কাহিনী কোৱা বিস্ময়কৰ কলাৰীতি, গভীৰ জীৱন-বীক্ষা, নাগৰিক জীৱনৰ বিচিত্ৰতা—তেওঁৰ গল্পৰ প্ৰধান বৈশিষ্ট্য বুলি ক'ব পাৰি। সহজ-সৰল কথোপকথনৰ ভাষা, ঘৰুৱা শব্দৰ প্ৰয়োগ, চিত্ৰকল্প আৰু সমাজধৰ্মী চিত্ৰায়নে গল্পসমূহক প্ৰদান কৰিছে এক বিশেষ মাত্ৰা। কেৱল এটি নিটোল, সুবিন্যস্ত কাহিনীয়েই যে গল্প

তাক সৌৰভ কুমাৰ চলিহাৰ গল্পই গ্ৰহণ নকৰে। চলিহাৰ গল্প এটি সৰল ৰৈখিক গতিৰে আগবাঢ়ে। গল্পসমূহত বহুকেইটা কাহিনীৰ সমাৱেশ ঘটে, যিবোৰ ইটোৰ লগত আনটো সংপৃক্ত হৈ থাকে। স্বাভাৱিক জীৱনৰ সাধাৰণ ঘটনাৱলী, সুখ-দুখ, হাঁহি কান্দোনৰ পাৰ ভাঙি অন্য এক জীৱনৰ অনুসন্ধান কৰে চলিহাৰ গল্পবোৰে। সেয়েহে হয়তো গল্পসমূহত বাংময় হৈ উঠে গভীৰ জীৱনবোধ আৰু দাৰ্শনিক মনস্তত্বৰ সুবিন্যাস। গল্পসমূহত বিৰাজ কৰা চৰিত্ৰসমূহৰ বিমূৰ্ত মানসিক জটিলতা আৰু আংগিকৰ অভিনৱত্বই পাঠকক মোহিত আৰু স্তম্ভিত কৰি তুলিব পাৰে।

চলিহাৰ গল্পত কোনো সমাজ ব্যৱস্থাৰ তথা প্ৰাত্যাহিক জীৱনৰ সৰল ৰৈখিক সু-স্পষ্ট প্ৰতিফলন নঘটে। এইবোৰত মাথো চলি থাকে নগৰীয়া মধ্যবিত্ত জীৱনৰ লৰা-ধপৰা। অথচ একোজন পাঠকেই গল্পবোৰৰ একো একোটা চৰিত্ৰৰ ৰূপ লয়। চৰিত্ৰসমূহৰ মনোদ্বন্দ্ব আৰু তাড়না ইমানেই সুক্ষ্মাতিসুক্ষ্ম আৰু সাৱলীল ৰূপত প্ৰকাশ পায় যিবোৰে পাঠক সমাজক অন্য এক জগতত বিচৰণ কৰায়। চলিহাৰ গল্প বৃত্তাকাৰে গতি কৰে বাবে তাৰ আৰম্ভণি আৰু সমাপ্তি ক'ত ঘটে তাক সতকাই কোৱা কষ্টসাধ্য হৈ পৰে। কেৱল পাঠকক এৰি দিয়ে অফুৰন্ত প্ৰশ্নৰ সম্ভাৰ আৰু উৎসুকতাৰ সু-উচ্চ এভাৰেষ্টত। চলিহাই তেখেতৰ এখন ৰচনাত (এটি কথিকা) নিজেই কৈছে 'এনে এটা নিৰাকাৰ, নিৰৱয়ৱ বস্তু, গঢ় নাই, গঠন নাই, আৰম্ভণি নাই, শেষ নাই, প্লট নাই, চৰিত্ৰ-চিত্ৰণ নাই কোনো সংহতি নাই। মাথোঁ বেপেৰোৱাভাৱে মনলৈ যি আহিছে তাকে কাগজলৈ নিক্ষেপ কৰি গৈছো।' এই মন্তব্যটি আমি একেবাৰে স্থূল আৰু পাতলভাৱে গ্ৰহণ কৰিবলৈ কষ্টকৰ হয়। তেখেতৰ সচেতন, সুক্ষ্ম আৰু জীৱন-বীক্ষাৰ মাজেদিয়েই গঢ় লয় এই 'নিৰাকাৰ, নিৰৱয়ৱ বস্তু'।

চলিহাদেৱৰ গল্প আৱেগ, বিবেক আৰু জীৱনবোধৰ মাজেৰে আগবাঢ়ে। আধুনিক মহানাগৰিক দৈনন্দিন জীৱনৰ অস্থিৰতা আৰু অনিশ্চয়তাক কাব্যিক ছন্দ আৰু দৃশ্যমান বৰ্ণনাৰে প্ৰজ্জ্বোল কৰি তোলে গল্পবোৰে। তেখেতে কোৱাৰ দৰে সেই সৃষ্টি বেপেৰোৱা নহয়। বৰং অত্যধিক পৰিশ্ৰম আৰু সাধনা তথা কলাত্মক ব্যঞ্জনাৰে নিৰ্মিত। বৈজ্ঞানিক বিশ্লেষণ তথা বিজ্ঞানৰ শব্দৰ ব্যৱহাৰে (যেনে 'অশান্ত ইলেক্ট্ৰন', 'জ্যামিতি', 'কেন্দ্ৰাভিমুখ', 'ধ্ৰুৱক', 'পৰিবাহিত', 'দূৰবীণ' আদি গল্পৰ নামাকৰণ) গল্পসমূহক অন্য এক মাত্ৰা দিয়াৰ লগতে অসমীয়া সাহিত্যত পোন প্ৰথমে অভিনৱ চমৎকাৰিত্ব প্ৰদান

চলিহাই তেখেতৰ এখন ৰচনাত (এটি কথিকা) নিজেই কৈছে 'এনে এটা নিৰাকাৰ, নিৰৱয়ৱ বস্তু, গঢ় নাই, গঠন নাই, আৰম্ভণি নাই, শেষ নাই, প্লট নাই, চৰিত্ৰ-চিত্ৰণ নাই কোনো সংহতি নাই। মাথো বেপেৰোৱাভাৱে মনলৈ যি আহিছে তাকে কাগজলৈ নিক্ষেপ কৰি গৈছো।'

কৰিছে। লগে লগে বিজ্ঞানৰ ভূ-নোপোৱা আমাৰ দৰে সাধাৰণ পাঠকক জটিলতাও প্ৰদান কৰিছে। উদাহৰণ স্বৰূপে, 'জ্যামিতি' (১৯৫৩) গল্পটিৰ তিনিটা প্ৰধান চৰিত্ৰ 'ক', 'খ', 'গ'। গল্পটি আৰম্ভ হৈছে এনেদৰে---"ক ই খ ৰ প্ৰেমত পৰিছে..." আৰু সমাপ্তি ঘটিছে এনেদৰে---"ক ই নিজ মনেই ভাৱে। তথাপি, আমাৰ ফ্লেট পৃথিৱীত সেই নিৰক্তৰেই নিত্য পুনৰাভিনয় চলে। সেই পুৰণি জ্যামিতিৰ নিয়মেৰেই ককাদেউতাৰ ত্ৰিভূজ নাতি ল'ৰাই পুনৰ নিৰ্মাণ কৰে। স্থানৰ বুকুত গ্ৰহ-উপগ্ৰহই জ্যামিতি ৰচনা কৰে। ফুলৰ পাহিয়ে কাৰ্টেচীয় জ্যামিতিৰ সমীকৰণৰ লগত সুৰ মিলায়। মুগ্ধ হৈ জীনচে কয়--- ভগৱান এজন বিদগ্ধ গণিতজ্ঞ। দিনটোৰ অফিচৰ কামৰ শেষত ৰাতি 'ক' যায় 'গ'ৰ ঘৰলৈ তাচ খেলিবলৈ--- ক, খ, গ পথেৰে নহয় সংক্ষিপ্ত ক গ ৰেখাৰেই যায় লৰা-লৰিকৈ। কথাটো মনত নপৰে সদায় যদিও, 'ক'ই জানে--- ত্ৰিভূজৰ যিকোনো দুই বাহুৰ সমষ্টি তৃতীয় বাহুতকৈ ডাঙৰ।"

প্ৰখৰ বুদ্ধিমত্তাৰে তেখেতে প্ৰখ্যাত গণিতজ্ঞ 'ইউক্লিড'ৰ জ্যামিতিৰ সূত্ৰৰ সহায়েৰে বিশ্লেষণ কৰিছে তেখেতৰ গল্পক। গাণিতিক ব্যাখ্যাৰে প্ৰেমৰ সাধাৰণ কাহিনী এটাক নিৰ্মম বাস্তৱ পৰিণতিৰ ফালে আগুৱাই লৈ যোৱা বাবে গল্পটি দুৰ্বোধ্য হৈ পৰিছে। বহিঃমুখী চৰিত্ৰৰ গল্প 'জ্যামিতি'ত জীৱনক অন্য এক দৃষ্টিভংগীৰে পৰ্যবেক্ষণ কৰা যেন ধাৰণা হয়।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে 'লিখি ভালপাওঁ বাবে লিখো' বুলি কৰা পাতল মন্তব্যৰ দৰে সৌৰভ কুমাৰ চলিহায়ো লিখাক নিচা বুলিহে ভাৱে। তেখেতৰ সৃষ্টিত কোনো সাধনা বা মহৎ সাহিত্য পাবলৈ নাই বুলি নিজেই অকপটে স্বীকাৰ কৰে। তেখেতে আকৌ কয় 'আৰ্ট ফৰ আৰ্ট চেক' (Art for art sake) বা কলাৰ বাবে কলা'ৰ সৃষ্টি। আগাথা ক্ৰিষ্টি'ৰ ডিটেকটিভ কাহিনী, 'পিজি উড্-হাউছ'ৰ হাস্যৰস, 'আৰ্থাৰ চি ক্লাৰ্কৰ চাইন্স ফিক্‌শ্যন বা কল্প-বিজ্ঞান, অথবা কেতিয়াবা অৱসৰ বিনোদৰ বাবে 'পৰ্ণগ্ৰাফী' পঢ়ি ভালপোৱা প্ৰতিভাশালী

লেখক গৰাকীৰ সৃষ্টিত আমি বিচাৰি পাওঁ মানৱ জীৱনৰ গভীৰ মনস্তত্ব তথা জীৱন দৰ্শন। সুখ-দুখ, হৰ্ষ বিষাদ, আশা- আকাংক্ষা আদি প্ৰত্যাহিক জীৱনৰ উৰ্দ্ধত অন্য এক জীৱনৰ সন্ধান কৰে চলিহাৰ গল্পবোৰে। ইয়াৰ বিপৰীতে তেখেতে আকৌ প্ৰকাশ কৰে 'Philosophy, extremly simple, life is nothing but time pass, 'everything is controlled by market forces'— এনে ধৰণৰ উক্তি। জীৱনটো 'টাইম পাছ'ৰ বাহিৰে একো নহয় বুলি কোৱা লেখকৰ গল্পত কিন্তু অহৰহ বাজি থাকে গভীৰ জীৱন-দৰ্শন।

'সিহঁতে পাহাৰ বগালে'(১৯৬২) চলিহাদেৱৰ এক অনন্য, অনুপম সাৰ্থক সৃষ্টি। তেখেতৰ 'দুপৰীয়া'(১৯৬৩) শীৰ্ষক গল্প সংকলনৰ সপ্তম গল্প 'সিহঁতে পাহাৰ বগালে'ত জীৱনৰ আশা-আকাংক্ষা, ধৈৰ্য একাগ্ৰতাৰ নাটকীয় তথা কাব্যিক ৰূপায়ণ সুস্পষ্টভাৱে ঘটিছে। এহাল প্ৰেমিক-প্ৰেমিকাৰ পাহাৰ বগোৱা দুৰূহ কাৰ্য লিৰিকেল ভাৱে বৰ্ণিত হৈছে গল্পটিত। শ্বিলঙীয়া পাহৰৰ পটভূমিত সুনিৰ্মিত গল্পটিত দেখা পোৱা গৈছে প্ৰেমিক-প্ৰেমিকা হালে অশেষ কষ্ট আৰু চেষ্টাৰ বলত সিহঁতৰ গন্তব্য স্থান আৰোহণ কৰিছে: প্ৰতীকধৰ্মী এই গল্পটিৰ শেষাংশ উদ্ধৃত কৰিলো "অন্য কিবা? বাৰু, অন্য কিবা তেনেহ'লে। অলপ পাছতেই আমি পাহাৰৰ আটাইতকৈ ওখ শিখৰত উঠিম। শ্বিলঙৰ পোহৰবোৰ আমাৰ চকুত পৰিব, আমি পুনৰ চহৰলৈ, আমাৰ জীৱনলৈ উভতি যাম। তাৰ আগতে আকৌ এবাৰ তেনেহ'লে চাই লোৱা দূৰৰ সৌ উৎসৱৰ পোহৰ, আকৌ এবাৰ শুনা সৌ দূৰৰ নাচৰ তাল, ইচ্ছা পূৰণৰ সংগীত, তোমাৰ ইচ্ছাপূৰণৰো এয়ে সংগীত, মইয়েই তাৰ প্ৰতিশ্ৰুতি, তুমি বিচৰা আশ্বাস মইয়েই তোমাক দিব পাৰিম- তুমি জানা, নাজানা জানো, যে আকাশৰ পৰা পপীয়া তৰা খহি পৰা দেখিলে যি ইচ্ছা কৰা যায় সেয়ে ফলে? চোৱা চোৱা সৰল গছ দুডালৰ মাজেৰে কেনেকৈ যোৰ তৰাটো খহি পৰিছে, কেনেকৈ সি মোৰ বাবে তাৰ জীৱন দিছে..." *(ছয় দশকৰ গল্প, পৃষ্ঠা ১৩৮)*

দ্ৰুত, অৱক্ষয় নাগৰিক জীৱনৰ ছত্ৰছায়াত 'বীণা কুটিৰ' নিষ্প্ৰাণ, অসংবেদনশীল। নায়ক (চৰিত্ৰ)ৰ মনলৈ হতাশ আৰু বেদনাৰ ঢল আহিছে কিন্তু সচেতনভাৱে চৰিত্ৰটিয়ে আবেগক নিৰীক্ষণ কৰিছে "Consciousness of Time"। ৰক্ষণশীল কিন্তু সচেতন চৰিত্ৰটিয়ে অৱক্ষয়ৰ কোনো সামাজিক পৰিত্ৰাণ নাই বুলি দৃঢ়ভাৱে মানি লৈছে। চহৰৰ দ্ৰুত উৰ্দ্ধমুখী দালানবোৰৰ আঁচলত 'বীণা-কুটিৰ' হেৰাই গৈছে।

অনুপম কাব্যিক ব্যঞ্জনাৰে সুনিৰ্মিত গল্পটিত প্ৰতিধ্বনিত হৈছে কঠোৰ পৰিশ্ৰমৰ অন্তত 'সিহঁতৰ জীৱনলৈ ঘূৰি অহা কৃতকাৰ্যতা'। অৰ্থাৎ বহু কষ্টৰ বিনিময়ত সিহঁতে পাহাৰ বগোৱা কাৰ্য সমাধা কৰিলে। লগতে সিহঁতৰ বহুতো কামনা-বাসনাৰ প্ৰতীক পপীয়া তৰাটি সোলকি পৰিছে আকাশৰ পৰা অভাৱনীয়ভাৱে। চলিহাৰ অধিকাংশ গল্পৰ পটভূমি চহৰ বা নগৰ। চহৰ-নগৰৰ কোলাহল-বিশৃংখলতাৰ বিপৰীতে উক্ত গল্পটিৰ পটভূমি এখন ধুনীয়া দুৰ্গম শ্বিলঙীয়া পাহৰৰ নিতাল-নিস্তব্ধ পৰিৱেশ। সৰল গছেৰে আবৃত্ত পাহাৰখনৰ মাজেৰে ভাঁহি আহিছে খাচীয়া লোক সংগীতৰ মৃদু ধ্বনি- দুইতাৰা বা খাচীয়া বাদ্যযন্ত্ৰৰ সুৰ। হাতত হাত ধৰি এহাল প্ৰেমিক-প্ৰেমিকা, দূৰৈত জোৰৰ খীন পোহৰ। সৰল গছৰ মাজেৰে বৈ অহা খাচীয়া বাদ্যযন্ত্ৰৰ সংগীতে গোটেই পৰিৱেশটো আবেগময় কৰি তুলিছে। পাহাৰ বগাই থাকিয়েই প্ৰেমিকে- প্ৰেমিকাক নিজৰ জীৱনৰ কথা সুঁৱৰি মনত পেলাইছে এজন খাচীয়া কবি-নাম উ চচ্ থাম'— "ৰাতি পুৱা নিয়ৰবোৰ পোহৰত জলমল কৰি উঠে। মইও মুকুতা বিচাৰি ঘৰৰ পৰা বহুদূৰলৈ যাম। ঘৰৰ পৰা আঁতৰত মোৰ অন্তৰে কষ্ট পাব। তেতিয়া জমা হোৱা চকুপানীবোৰেই মোৰ মুকুতা হ'ব।" অনুপম কাব্যিক তুলনা এয়া। এনেকুৱা কাব্যিক উপমা থকা গল্প পাবলৈ বিৰল। বাকী গল্পবোৰৰ দৰে তেখেতৰ এই গল্পটিত সংকৰ (Hybrid) ভাষাৰ প্ৰয়োগ হোৱা নাই। গল্পটি মূলতঃ প্ৰেমৰ এটি অপূৰ্ব, অনন্য গল্প। গল্পটিত আমি বিচাৰি পাও কঠোৰ অধ্যৱসায়, শ্ৰম শ্লেষৰ পিছত অহা প্ৰাপ্তি, কৃতকাৰ্য, হতাশা, নৈৰাশ্য, দুখবোধ একাকীত্বৰ পৰিৱৰ্তে পাঠক সমাজে পায় অনাবিল আশা-আকাংক্ষাৰ সীমাহীন আকাশ, জীয়াই থকাৰ সঞ্জীৱনী শক্তি আৰু উদ্দীপনা। গল্পটিত সমাৱেশ ঘটা ছবিবোৰে গল্পটি আটক ধুনীয়া কৰি তুলিছে। চিনেমাৰ বিভিন্ন উপাদানে বাৰে বাৰে কাহিনী, গল্পৰ কথন শৈলীক প্ৰভাৱিত কৰিছে।

"বীণা-কুটীৰ অন্ধকাৰ, মাথো তাৰ বাওঁপিনৰ দেৱালত ইকাবৰ দালানটো খিড়িকিবোৰৰ পোহৰ পৰি আন্ধাৰ পোহৰৰ নক্সা এটাৰ সৃষ্টি কৰিছে আৰু নিঃশব্দ।.... এই আন্ধাৰ নীৰৱ বীণা কুটীৰৰ মঞ্চত কেতিয়াবাই যৱনিকা পৰিছে, কেতিয়াবাই তাৰ শব্দ আৰু প্ৰাণ-ভংগীমা শেষ হৈছে—।" এয়া 'বীণা কুটি'ৰ শীৰ্ষক গল্পটিৰ কিয়দংশ। দ্ৰুত অৱক্ষয় প্ৰাপ্ত নাগৰিক জীৱনৰ ছত্ৰছায়াত 'বীণা কুটিৰ' নিষ্প্ৰাণ, অসংবেদনশীল। নায়ক (চৰিত্ৰ)ৰ মনলৈ হতাশা আৰু বেদনাৰ ঢল আহিছে কিন্তু সচেতনভাৱে চৰিত্ৰটিয়ে আবেগক নিৰীক্ষণ কৰিছে "Consciousness of Time"। ৰক্ষণশীল কিন্তু সচেতন চৰিত্ৰটিয়ে অৱক্ষয়ৰ কোনো সামাজিক পৰিত্ৰাণ নাই বুলি দৃঢ়ভাৱে মানি লৈছে। চহৰৰ দ্ৰুত উৰ্দ্ধমুখী দালানবোৰৰ আঁচলত 'বীণা-কুটিৰ' হেৰাই গৈছে। নগৰীয়া জীৱনৰ 'Phantasmagonia' গল্পটিত প্ৰকাশ ঘটিছে। মন'লগ বা একোক্তিৰ মাধ্যমত গল্পটিত বৰ্ণিত কাব্যিক ব্যঞ্জনা অনুপম।

'অশান্ত ইলেক্ট্ৰন' (১৯৫০) অসমীয়া সাহিত্যৰ এক প্ৰচণ্ড জোকাৰণি। যেন অশান্ত হৈ পৰিছিল অসমীয়া সাহিত্য সাগৰ। মাৰ্ক্সবাদৰ সুস্পষ্ট প্ৰতিফলন ঘটিছে 'যদুবাবু' নামৰ মধ্যবিত্ত চৰিত্ৰটিৰ মাজেৰে। বিষয়বস্তুৰ অভিনৱত্ব আৰু আংগিকৰ সু-প্ৰয়োগে গল্পটিক প্ৰদান কৰিছিল পৰম বিস্ময় আৰু তাৰ লগে লগে দুৰ্বোধ্যতাও। 'অশান্ত ইলেক্ট্ৰন' গাঁথনিগতভাৱে শিথিল আৰু ই আছিল কোনো চিনেমাৰ বাবে লিখি উলিওৱা এক 'আউট লাইন'। 'অশান্ত ইলেক্ট্ৰন' সৌৰভ কুমাৰ চলিহাৰ সাহিত্যৰ শ্ৰেষ্ঠ নিদৰ্শন বুলি ক'ব পাৰি। 'অশান্ত ইলেক্ট্ৰন' সংকলনৰ পিছফালে লিখা আছে— "গল্পটোৰ পটভূমি স্বাধীনতাৰ পাছৰ সময়খিনিৰ অসম (১৯৪৭-১৯৫১), সেই পৰ্যায়ৰ অশান্ত সামাজিক-ৰাজনৈতিক পৰিস্থিতি, সেইদিনাৰ 'অস্থিৰতা, ভাঙন আৰু অনিশ্চয়তা'। কিন্তু ইতিমধ্যে দেশৰ ৰাজনীতি বদলি গৈছে, পাৰিপাৰ্শ্বিকতা অবিকল একে নাই। গল্পটোৰ অৱদান জানো বদলি গৈছে? গল্পটোৰ বিষয়বস্তু মাথো ৰাজনৈতিক সংঘাত নহয়। তৎকালীন ৰাজনীতি আৰু পাৰিপাৰ্শ্বিক চৰিত্ৰবোৰ মেলি ধৰিবৰ সুবিধাৰ্থে লোৱা এটা সাঁজ বা ফ্ৰে'ম মাত্ৰ।"

গল্পটো পঢ়িলে ৰ'লাঁ বাৰ্থে (Roland Barthes) কোৱা কথা এষাৰলৈ মনত পৰে—'The city is an ideograms, the text continues' (Empire of Signs) 'ৰাতিপুৱা ৰবীন্দ্ৰ সংগীতৰ সুৰত নিখিলৰ টোপনি ভাঙিল, এটি আগেয়ে নুশুনা গান'। এইদৰে গল্পটি আৰম্ভ হৈ শেষ হৈছে — "প্ৰতিবেশীৰ ঘৰৰ ঐক্য তানৰ সুৰ সৰ্বোচ্চে উঠিল। পাকঘৰৰ পৰা বৌ আৰু সোণটি বাইদেউ ওলাই আহিল। বৌৰ চকুত এতিয়াও মচি পেলোৱা চকু পানীৰ দাগ, নিখিলে লক্ষ্য কৰিলে। সি কৃতকাৰ্যতাৰ মুখলৈ ঠেলি দিয়া ৰুণুলৈ চালে, শুনিলে তাৰ মুখত বিজয়ৰ হাঁহি, শুনিলে ঐক্যতানৰ ক্লাইমেক্স। মুখত এটা হাঁহি সি টানি আনিলে। অন্তৰৰ পৰা ৰঞ্জনক হাতত ধৰি আনি টেবুলত বহুৱাই দিলে। বৌ আৰু সোণটি বাইদেউক তাৰ কিবা এটা ক'বৰ মন গ'ল। Give us this day our daily bread, সি ক'লে।"

'অশান্ত ইলেক্ট্ৰন' পঢ়ি উঠাৰ পিছত নীল ব'ৰৰ এষাৰ কথালৈ মনত পৰে— "How wonderful that we have met with a paradox. Now we have some hope of making progress." চলিহাৰ প্ৰায়বোৰ গল্পতেই এই 'পেৰেডক্স' বা বিৰোধীভাৱ পৰিলক্ষিত হয়। এক কথাত 'অশান্ত ইলেক্ট্ৰন' অসমীয়া গল্প সাহিত্যৰ এক মাঁইলৰ খুটি বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

গল্পটিৰ আন এক গুৰুত্বপূৰ্ণ চৰিত্ৰ ৰঞ্জনে যতিবাবুক উদ্দেশ্যি কৈছে, 'ৰ'ব, এটা এট'মৰ কথা ভাবক। তাৰ কেন্দ্ৰত পজিটিভ চাৰ্জ। তাৰ চাৰিওফালে ঘূৰিছে নিগেটিভ চাৰ্জ। প্ৰট'ন আৰু ইলেক্ট্ৰন। দুয়োৰে উপৰিও আছে নিউট্ৰন, চাৰ্জ বিহীন কণিকা। দুনিয়াত ভাল আছে, বেয়া আছে। শুদ্ধ আছে, অশুদ্ধ আছে। তাৰ উপৰিও আছে নিৰপেক্ষবোৰ— নিউট্ৰন, যাক ক'ব পাৰি নিউট্ৰন। প্ৰতিটো বস্তুৰে দুটা ফাল আছে। এট'মৰ পৰাই চাওঁক। ৰাজনৈতিক পাৰ্টিয়ে বা বাদ যাব কিয়? মানুহেই বা বাদ যাব কিয়? সমাজখনেই বা এৰি যাব কেনেকৈ? শক্তি আৰু প্ৰতিশক্তিৰ অসংখ্য জটিলতা আছে, এট'মৰ পৰা আৰম্ভ কৰি সকলোতে?

গল্পটোত ব্যৱহৃত চিত্ৰকল্প, স্বাধীন চিন্তা, ইমেজ আৰু আংগিক আদিৰ প্ৰয়োগে গল্পটোক প্ৰদান কৰিছে এক বিশেষ ৰূপ আৰু অৱয়ৱ।

# ফণীধৰ দত্ত আৰু কটন কলেজ

ড° দিলীপ কুমাৰ দত্ত
*প্ৰাক্তন কটনিয়ান*

অসমৰ প্ৰথম বেচৰকাৰী কলেজ যোৰহাট জগন্নাথ বৰুৱা কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপক আৰু আদিতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক ফণীধৰ দত্তই কটন কলেজত এৰাধৰাকৈ মাত্ৰ দহ বছৰ কালহে অধ্যাপনা কৰিছিল যদিও শিক্ষাগুৰু ৰূপে কটন কলেজত শিক্ষাৰ পৰম্পৰা গঢ় দিয়াত আৰু শৈক্ষিক পৰিৱেশৰ ওপৰত তেখেতৰ প্ৰভাৱ আছিল অতিশয় বিস্তীৰ্ণ। কটন কলেজৰ লগত তেখেতৰ এক অতি গুৰুত্বপূৰ্ণ আত্মিক সম্পৰ্ক আছিল।

কটন কলেজৰ লগত ফণীধৰ দত্তৰ আন্তৰিক সম্পৰ্কৰ তিনিটা পৰ্যায় দেখা যায়।

প্ৰথমেই ১৯২২ চনৰ পৰা ১৯২৬ চনলৈকে ছাত্ৰৰূপে তেখেতে ইয়াৰ শিক্ষাগুৰু কেইজনমানৰ পৰা আহৰণ কৰা শিক্ষাৰ চৰিত্ৰ আৰু কলেজৰ পৰম্পৰা। সেই শিক্ষাগুৰু কেইজনৰ ভিতৰত উল্লেখযোগ্য হ'ল—ছুডমাৰ্চন চাহাব (অধ্যক্ষ, হৰ্ষনাথ সেন (গণিতৰ অধ্যাপক), বিজয় সেন (অধ্যাপক আৰু ছাত্ৰাবাসৰ অধীক্ষক), ব্ৰাউন (অধ্যাপক আৰু অধীক্ষক), ড° সূৰ্য কুমাৰ ভূঞা (ইংৰাজী অধ্যাপক) আৰু বাণীকান্ত কাকতি (ইংৰাজী অধ্যাপক)।

দ্বিতীয় পৰ্যায় আৰম্ভ হয় ১৯৩৮চনত তেখেতে কটন কলেজত শিক্ষকতা কৰিবলৈ লোৱাৰ পৰা।

তৃতীয় আৰু অতি গুৰুত্বপূৰ্ণ পৰ্যায়টো হ'ল তেখেতে ১৯৪৮ চনৰ ১জানুৱাৰীৰ পৰা কটন কলেজৰ চৌহদতে গুৱাহাটী বিশ্ববিদ্যালয়ক জন্ম দিয়াত আৰু সুদীৰ্ঘ চৈধ্য বছৰকাল বিশ্ববিদ্যালয়ক গঢ় দিয়াৰ ক্ষেত্ৰত কৰা পৰিশ্ৰম।

**প্ৰথম পৰ্যায়**

**কটন কলেজত ছুডমাৰ্চন চাহাবে প্ৰতিষ্ঠা কৰা শিক্ষাৰ চৰিত্ৰ**

কটন কলেজৰ সঁচাকৈয়ে ই এক পৰম সৌভাগ্য যে আৰম্ভণিৰে পৰা ইয়াক গঢ় দিবলৈ ছুডমাৰ্চন চাহাবৰ দৰে এজন দূৰদৰ্শী আৰু মহান শিক্ষাবিদক অধ্যক্ষৰূপে পাইছিল। ছুডমাৰ্চন চাহাবৰ দৃঢ় মত— "ছাত্ৰ আৰু শিক্ষকসকলে নিজৰ ভাৱ, শ্ৰেণী বা ধৰ্মৰ সকলো সংকীৰ্ণতাৰ পৰা আঁতৰি মানৱৰ অধিক সেৱালৈ ঠেলিব পৰাটোহে শিক্ষাৰ মূল্য। শিক্ষাক সংকীৰ্ণভাৱে আহৰণ কৰিলে ই হতাশা আৰু তিক্ততাৰ মৰু সাগৰৰ ফল হে উৎপন্ন কৰে। কোনো উজুহাততে শিক্ষাৰ মানক হীনদেৱী কৰিব নালাগে। বিদ্যা অৰ্জন কৰিবলৈ এক মনে এক ধ্যানে কঠোৰ পৰিশ্ৰম কৰিব লাগে।"

সেয়েহে, আদিৰে পৰা তেওঁ কটন কলেজৰ ছাত্ৰসকলক শিক্ষা আহৰণ কৰি মানৱ সমাজৰ বিশেষকৈ অসমৰ পিছপৰা ৰাইজক সেৱা কৰিবলৈ উদগণি দিছিল। কটন কলেজৰ ছাত্ৰসকলক তেওঁ এইটোও স্পষ্ট কৰি দিছিল যে তেওঁলোকে শিক্ষা লাভ কৰি শিক্ষাৰ যোগেদিয়েই কটন কলেজ তথা অসমৰ আন শিক্ষানুষ্ঠানত ঐকান্তিকভাৱে সেৱা আগবঢ়াব। সেয়েহে, তেওঁৰ ছাত্ৰ সূৰ্য ভূঞা আৰু বাণীকান্ত কাকতি কটন কলেজত শিক্ষকতা কৰিবলৈ উপযুক্ত হৈ অহাত তেওঁ অতিশয় আনন্দিত হৈছিল আৰু তেওঁলোকক শীঘ্ৰে কটন কলেজৰ অধ্যাপক ৰূপে নিয়োগ কৰিছিল। সেইদৰে, কটন কলেজত পঢ়ি যোৱা ছাত্ৰই নিজৰ গাঁৱত বা চহৰত হাইস্কুল পাতিবলৈ আগবাঢ়িলে তেওঁ হিয়া উবুৰিয়াই সহায় কৰিছিল আৰু আশীৰ্বাদ দিছিল বুলি আমাক জাঁজী হাইস্কুলত আজীৱন শিক্ষকতা কৰা অসমৰ ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱাই কৈছিল। বিনন্দ বৰুৱাই ফণীধৰ দত্ত আৰু ছুডমাৰ্চন চাহাবৰ বিষয়ে ১৯৮৭চনৰ জানুৱাৰী মাহৰ পৰা ১৯৮৯ চনৰ 'প্ৰকাশ'ত ধাৰাবাহিক ভাৱে প্ৰকাশিত 'অতীতৰ ৰিং' নামৰ প্ৰবন্ধমালাত বহু সমিধান দিছে। ইয়াত তেখেতে লিখা কেইটিমান কথা উল্লেখ কৰিলো—

"ফণী দত্ত ৰসিক, কৰ্তব্যপৰায়ণ আৰু মৰমিয়াল মানুহ আছিল। তেওঁ হাঁহি তামাছা আৰু কথাৰে আমাৰ একৰকম অভিভাৱকৰ নিচিনাই হৈ পৰিছিল। বনিয়ন এটা, সৰু চুৰিয়া এখন, গামোচা এখনেই তেওঁৰ সাধাৰণ পোচাক। তেওঁ অংকৰ ভাল ছাত্ৰ কাৰণে অধ্যাপকসকলে ভাল পায়। মৰম কৰে। পুৱা খুব সোনকালে উঠিয়েই তেওঁ অংক কৰিবলৈ ধৰে। দুই-

চাৰিজন অংকৰ ছাত্ৰই কেতিয়াবা তেওঁৰ লগত আলোচনা কৰি পঢ়িবলৈ আহে.....।"

### টুথ পাউদাৰ ট্ৰি

এদিন চুডমাৰ্চন চাহাবে পুৰা ভাগতে, মানুহ এজনৰ কান্ধত কুঠাৰ এখন দি আমাৰ মেছৰ খোৱা ঘৰটোৰ সমুখতে থকা সৰুৱা গছজোপা কাটিবলৈ লগালে। চাহাব অহা দেখি বিজয় বাবুও ওলাই আহিল, ফণীয়েও নিজৰ কোঠাৰ পৰা দেখি আছিল। তেওঁ একে লৰে আহি গছ কাটিবলৈ দঙা কুঠাৰখনত ধৰি ক'লে, "ছাৰ, দণ্ট কাট্, দিচিজ আৱাৰ টুথ পাউদাৰ ট্ৰি, আৱাৰ ছাৰ, অলছো লুজ ইট্।" প্ৰিন্সিপালে হো হো কৰে হাঁহি বিজয় বাবুৰ মুখলৈ চাই কথাটো কি সুধিলে। বিজয় বাবুৰে থোকাথুকি মাতেৰে কিবা এটা ক'লত চাহাবে মানুহটোৰ সৈতে গুচি আহিল। ফণীয়ে বঙালী ভাষাত বিজয় বাবুক ক'লে, 'আপোনাক নোসোধাকৈ চাহাবে গছ কাটিবলৈ অহা ভাল হোৱা নাই।'

বিজয় বাবুৰে হাতখনেৰে কিবা এটা ইংগিত দি ভিতৰলৈ সোমাই গ'ল। ফণীয়ে গছৰ সৰু ডাল এটা ছিঙি লৈ চাহাবক বাটতে আগভেটি ধৰি, এই গছৰ ডালটোৰ মূৰটো বুৰুজৰ নিচিনা কৰি কেনেকৈ দাঁত ঘঁহিব লাগে দেখুৱাই আহিল। ফণীয়ে প্ৰিন্সিপাললৈ ভয় নকৰে। কিন্তু ভাল পায়, যথেষ্ট শ্ৰদ্ধা কৰে। প্ৰিন্সিপালেও ফণীক ভালকৈ চিনি পোৱা হ'ল, লগ পালে ভাল পোৱা যেনহে দেখি। প্ৰিন্সিপালৰো বহুত কথা দেখি শুনি ল'ৰাবোৰেও ভাল পায়। দেখাত মানুহজন যেনে 'কঠোৰ', আচলতে তেনে নহয়। অন্তৰখন মৰমিয়াল।

ছুডমাৰ্চন চাহাবৰ এটা ডাঙৰ গুণ আছিল তেখেতৰ ক্ৰীড়ামোদীতা। খেলুৱৈসুলভ ফণীধৰ দত্তই, ছুডমাৰ্চন চাহাবে ছাত্ৰ আৰু শিক্ষকৰ চৰিত্ৰত এই দুই গুণৰ গুৰুত্ব আৰোপ কৰা দেখি নিজে উপকৃত হোৱাৰ উপৰিও পাছৰ জীৱনত তাক প্ৰয়োগ কৰিব পাৰিছিল।

কটন কলেজৰ ছাত্ৰৰূপে ফণীধৰ দত্তই গুৰু ছুডমাৰ্চন, ব্ৰাউন আদি লোকৰ পৰা ক্ৰীড়া যে শিক্ষাৰ এক বিশেষ অংগ সেইটো ভালদৰে উপলব্ধি কৰিছিল লগতে সকলো ক্ষেত্ৰতে কামবিলাক এক খেলুৱৈসুলভ মনেৰে কৰাৰ গুৰুত্ব উপলব্ধি কৰিছিল। পাছলৈ ফণীধৰ দত্ত যেতিয়া কটন কলেজৰ অধ্যাপক হয়, তেখেতেই কলেজৰ সকলো খেলাধূলাৰ দায়িত্ব লৈছিল আৰু কটন কলেজৰ বাৰ্ষিক খেল-ধেমালি বিলাক সদায় পৰিচালনা কৰিছিল।

## দ্বিতীয় পৰ্যায়

### কটন কলেজত শিক্ষকতা

১৯৩৮ চনৰ ২২ ছেপ্টেম্বৰৰ পৰা ফণীধৰ দত্তই এৰা ধৰাকৈ আৰু অস্থায়ী ভাৱে কটন কলেজত অধ্যাপনা কৰে। কিন্তু এবছৰৰ পিছত কটন কলেজৰ চাকৰিও নাইকিয়া হয়। পুনৰ তেখেত সংকটৰ সন্মুখীন হয়। কিয়নো ইতিমধ্যে তেখেতে ওকালতি কৰাৰ অনুমতিও হেৰুৱায় আৰু যোৰহাট কলেজত চাকৰি কৰাও একপ্ৰকাৰ অসম্ভৱ হৈ পৰে। যোৰহাট কলেজত চাকৰি কৰিলেও তেওঁলোকক মাহে ৮৫টকাকৈ দিবলৈও গভৰ্নিং বডী অনিচ্ছুক। সেয়েহে আকৌ কষ্টেৰে খেতি কৰিয়েই তেখেতে জীৱিকা নিৰ্বাহ কৰিবলৈ বাধ্য হয়।

তেনেদৰে কষ্ট কৰি কিছুদিন যোৰহাটত থকাৰ পিছত ১৯৪১ চনৰ ২৫জানুৱাৰীত কটন কলেজত গণিত বিভাগৰ অধ্যাপকৰ এটা পদ ওলোৱাত তেখেত সপৰিয়ালে পুনৰ কটন কলেজলৈ আহে। কটন কলেজৰ এই পদটো স্থায়ী হোৱাৰ পথ মুকলি হোৱাৰ মাজতে আহি পৰিল এক নতুন ধুমুহা।

### কটন কলেজ

১৯৪২ চনৰ ১৫ ফেব্ৰুৱাৰীত জাপানে ছিংগাপুৰ জয় কৰাৰ পিচত বৃটিছ চৰকাৰ কঁপি উঠিল আৰু ভাৰতৰ উত্তৰ-পূব সীমান্তৰে জাপানী সেনা আহি তেওঁলোকৰ ভাৰত সাম্ৰাজ্যখন আক্ৰমণ কৰিব বুলি যুদ্ধৰ বাবে সাজু হ'ল। হাজাৰ হাজাৰ সন্মিলিত বাহিনীৰ সেনা, যুদ্ধৰ সামগ্ৰী, অস্ত্ৰ-শস্ত্ৰ, গাড়ী-ঘোঁৰা আদিৰে অসমত সমৰ সজ্জা আৰম্ভ হ'ল। চৰকাৰী সেনা আৰু যুদ্ধৰ সা-সঁজুলিৰে গুৱাহাটী চহৰ ভৰি পৰিল। গুৱাহাটীৰ য'তে মুকলি ঠাই পালে তাতে সেনা বাহিনীয়ে ছাউনী পাতিলে। উজান বজাৰৰ লতাশিল খেল পথাৰ, জজ ফিল্ড আদি সকলো ঠাইতে সেনা বাহিনী বহিল। অকল সেয়ে নহয়, গুৱাহাটীৰ চৰকাৰী স্কুল কলেজৰ ঘৰবিলাকো সেনা বাহিনীৰ কাৰণে লোৱা হ'ল। আটাইতকৈ শোচনীয় অৱস্থা হ'ল কটন কলেজৰ।

১৯৪২ চনৰ ২৯ এপ্ৰিলত বৃটিছ চৰকাৰে ব্ৰহ্মদেশৰ পৰা অপসাৰণ কৰিবলৈ সিদ্ধান্ত লোৱাৰ পিছতেই ৩১মে'ৰ দিনা কটন কলেজৰ ছাত্ৰাবাসবিলাকত সেনা সোমাই আৰু ছাত্ৰাবাসৰ অধীক্ষকসকলক জুলাই মাহৰ এক তাৰিখৰ আগতেই ঘৰ খালী কৰি দিবলৈ হুকুম দিয়ে। সেই বছৰৰ গৰমৰ বন্ধতে ৰাসায়নিক গৱেষণাগাৰ আৰু পদাৰ্থবিদ্যাৰ পুৰণা গৱেষণাগাৰটোৰ বাহিৰে কলেজৰ সকলো ঘৰবাৰী সেনা বাহিনীয়ে দখল কৰে। কলেজ মৃতপ্ৰায় হয় আৰু অসমৰ শিক্ষা জগতত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। তেতিয়াৰ

ডিপিআই এছ চি ৰয়ে কটন কলেজৰ কলা বিভাগটো বৰপেটা, নলবাৰী, পলাশবাৰী, নগাঁও আদি ঠাইলৈ আৰু বিজ্ঞান শাখাবিলাক ছিলেট, ৰাজছাহী আদি ঠাইলৈ স্থানান্তৰিত কৰিবলৈ নিৰ্দেশ দিয়ে। বেছিভাগ অধ্যাপকেই নিজৰ স্বাৰ্থ অনুযায়ী নিজৰ নিজৰ ঠাইলৈ কলেজখন নিবলৈ উঠি পৰি লাগিল। ছিলেটীসকলে ছিলটলৈ নিবলৈ বিচাৰিলে, বৰপেটীয়াসকলে বৰপেটালৈ, নগএগ্রাসকলে নগাঁৱলৈ ইত্যাদি।

সেই হুলস্থুলীয়া পৰিৱেশত গুৱাহাটীতে কটন কলেজক জীয়াই ৰাখিবলৈ ধৈৰ্য সহকাৰে উপায় চিন্তা কৰিবলৈ ধৰিলে অধ্যক্ষ হৰ্ষনাথ সেনে (তেখেত গণিতৰ অধ্যাপক, তিনি নম্বৰ মেছৰ অধীক্ষক ৰূপে অসমৰ শিক্ষা জগতক সেৱা কৰাৰ উপৰিও পিছলৈ অসমৰ ডি পি আই হৈছিল)। তেখেতে জুলাই মাহতে অধ্যাপকসকলৰ এজন জৰুৰী সভা পাতি কলেজখনক গুৱাহাটীতে জীয়াই ৰাখিবলৈ উপায় আলোচনা কৰে। ইতিমধ্যে, ব্ৰহ্মদেশ আৰু অসমৰ সীমান্ত ৰণক্ষেত্ৰত পৰিণত হয় আৰু জাপানী বোমাৰু বিমানে কলিকতা চহৰতো বোমা বৰ্ষণ আৰম্ভ কৰে।

**অধ্যক্ষ হৰ্ষনাথ সেনৰ নেতৃত্ব**

কটন কলেজ আৰু কটন কলেজৰ চাকৰিৰ তেনে অনিশ্চয়তাত আকৌ নেখাই মৰিব লাগিব বুলি শ্ৰী দত্তই টালি-টোপোলা বান্ধি সপৰিয়ালে যোৰহাটৰ গাঁৱৰ ঘৰলৈ যাবলৈ ওলাল। অৱশ্যে সেই সময়ত গুৱাহাটীতো বোমা পৰিব পাৰে বুলি উৰা বাতৰি ওলোৱাত গুৱাহাটীৰ ৰাইজ বহুতেই তাৰ পৰা আঁতৰিছিল। তেনে সময়ত বিচলিত নহৈ অধ্যক্ষ হৰ্ষনাথ সেনে গুৱাহাটীত কটন কলেজখন জীয়াই ৰখাৰ কথা চিন্তা কৰিলে। তেখেতে গৈ তেখেতৰ আগৰ অতিশয় প্ৰিয় ছাত্ৰ আৰু বিশ্বাসী সহকৰ্মী অধ্যাপক দত্তক ক'লে,

"ফণী, তুমি ল'ৰা-ছোৱালী কেইটাক যোৰহাটত থৈ সোনকালে উভতি আহিবা। আমি কটন কলেজখন যি কোনো উপায়ে গুৱাহাটীতে নামত হ'লেও চলাই থাকিব লাগিব।"

শ্ৰীসেনে এইটো প্ৰকাশ কৰিলে যে মিলিটাৰীয়ে দখল নকৰা ৰাসায়নিক গৱেষণাগাৰ আৰু পদাৰ্থবিদ্যাৰ গৱেষণাগাৰৰ ঘৰ কেইটাতে কলেজখনক চলাই থাকিব পৰা যায় যদিহে ছাত্ৰসকলৰ থকাৰ কিবা ব্যৱস্থা কৰিব পৰা যায়।

নিজৰ পৰিয়াল আৰু ল'ৰা-ছোৱালী কেইটাক যোৰহাটৰ গাঁৱৰ ঘৰত থৈ শ্ৰীদত্তই অধ্যক্ষ সেনৰ লগ লাগিল আৰু ছাত্ৰসকল থকা-মেলাৰ কিবা এটা ব্যৱস্থা কৰিবলৈ গাত ল'লে। শ্ৰীদত্ত আৰু তেতিয়াৰ কটন কলেজৰ অধ্যাপক শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱাই উজান বজাৰ অঞ্চলত দুই এটা ভাড়াঘৰ লৈ মেছ পাতি ছাত্ৰসকলৰ থকা মেলাৰ ব্যৱস্থা কৰিব বুলি আগবাঢ়ি আহিল। কিন্তু ডি পি আই আৰু কটন কলেজৰ হোষ্টেলৰ অভিজ্ঞ অধীক্ষকসকলে (শ্ৰীউমাকান্ত গোস্বামীৰ বাদে) তেনে কৰাটো সম্ভৱ নহয় বুলি প্ৰস্তাৱটো উৰাই দিলে। অধ্যক্ষ হৰ্ষনাথ সেনে কটন কলেজখন গুৱাহাটীত জীয়াই ৰখাৰ সেয়েই একমাত্ৰ উপায় বুলি তাকে কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল আৰু জেঠ মহীয়া ৰ'দত শ্ৰী দত্ত আৰু শ্ৰী বিৰিঞ্চি কুমাৰ বৰুৱাক লগত লৈ গুৱাহাটীত টলৌ টলৌকৈ ঘূৰি ভাড়াঘৰ বিচাৰিবলৈ ধৰিলে।

বেছি ভাগ মানুহেই ডেকা ল'ৰাৰ কাৰণে ঘৰ দিবলৈ অমান্তি হৈছিল। কিয়নো সেই সময়ৰ কটন কলেজৰ ছাত্ৰসকল উৎপতীয়া আছিল বুলি অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে খ্যাত আছিল। ঘৰ দুৱাৰ ভাঙে-চিঙে বুলি আৰু ঠিক মতে ভাড়া নিদিব বুলি সকলোৱেই ভয় কৰিছিল। ওচৰ চুবুৰীয়াৰ অশান্তি কৰিব বুলিও বহুতেই চিন্তা কৰিছিল। যাহওক নলিনীবালা দেৱীকে আদি কৰি উজান বজাৰৰ দুই-চাৰিঘৰে কলেজখনক জীয়াই ৰাখিবৰ কাৰণে সহায় কৰিবলৈ আগবাঢ়ি আহিল।

কেইটামান ভাড়াঘৰ যোগাৰ হ'ল। অধ্যক্ষ সেনে অধ্যাপক দণ্ডেশ্বৰ গগৈ আৰু আব্দুল হাইক পুৰণা খাট, চকী, মেজ আদি কিনিবলৈ লগাই দিলে। এই সমূহ প্ৰচেষ্টাৰ কাৰণে ছটা হিন্দু আৰু এটা মুছলিম মেছৰ ব্যৱস্থা কৰাটো সম্ভৱ হয়। হিন্দু মেছ কেইটা চলোৱাৰ ভাৰ লয় শ্ৰীদত্ত, শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱা আৰু শ্ৰীদণ্ডেশ্বৰ গগৈয়ে আৰু মুছলিম মেছটোৰ দায়িত্ব লয় আব্দুল হায়ে। ফলত ১৯৪১ চনৰ গৰমৰ বন্ধৰ পিছৰ পৰাই গুৱাহাটীতে কটন কলেজৰ শিক্ষা ব্যৱস্থা চলাই থকাটো সম্ভৱ হয়।

তাৰ পিছত আৰম্ভ হ'ল '৪২ৰ আন্দোলন আৰু ধৰ্মঘট। ছাত্ৰসকলে সেই মেছবিলাক এৰি ঘৰা-ঘৰি গুচি যাবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ বেছি ভাগেই ভাড়া আৰু মেচৰ কাৰণে দিবলগীয়া খৰচপাতি নিদিয়াকৈয়ে অন্তৰ্ধান হয়। অধ্যক্ষ সেন আৰু সেই স্বাৰ্থত্যাগী অধ্যাপকসকলে নিজৰ জেপৰ পইচা দিবলগীয়া হোৱাৰ উপৰিও গিৰিহঁতৰ গালি শপনিও খাবলগীয়া হয়। কটন কলেজ পুনৰ বন্ধ হ'ল।

**কটন কলেজক জীয়াই ৰাখিবলৈ শ্ৰম**

পূজাৰ বন্ধৰ পিছত অৱস্থা কিছু উন্নত হ'ব বুলি আশা কৰি অধ্যক্ষ সেনে কেইটামান ভাড়াঘৰ হাতত ৰাখি থ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু শ্ৰী দত্ত আৰু শ্ৰী দণ্ডেশ্বৰ গগৈৰ

বাহিৰে আন কোনেও সেইবিলাকৰ দায়িত্ব ল'বলৈ সন্মত নহ'ল। কিন্তু ফণীধৰ দত্তই ভালদৰে বুজিব পাৰিছিল। সেই কাৰণে তেখেতে উজান বজাৰ এলেকাৰ দুটামান ঘৰ নিজৰ তত্বাৱধানত ৰাখিলে। উৎসাহী আৰু তেখেতৰ বন্ধু অধ্যাপক দণ্ডেশ্বৰ গগৈৰ বাহিৰে কটন কলেজৰ আন কোনো অধ্যাপকেই সেই সময়ত তেখেতৰ লগ লাগিবলৈ আগবাঢ়ি নাহিল।

সৌভাগ্যক্ৰমে পূজাৰ বন্ধৰ পিছত বহু সংখ্যক ছাত্ৰই কলেজত পঢ়িবলৈ উভতি আহে আৰু তেওঁলোকৰ কাৰণে অধিক মেছৰ প্ৰয়োজন হয়। শ্ৰী দত্ত আৰু শ্ৰী গগৈয়ে আকৌ গুৱাহাটীৰ চুকে-কোণে ঘূৰি-ঘূৰি ১৩টা মেচৰ ব্যৱস্থা কৰে। সেইদৰে আব্দুল হাইয়েও পাঁচটা মুছলিম মেছৰ ব্যৱস্থা কৰে। তাৰ পিছত কলেজ ভালদৰেই চলিবলৈ ধৰে। ১৯৪৩ চনত শ্ৰীসেন অসমৰ ডি পি আই নিযুক্ত হোৱাত তেওঁ শ্ৰীগগৈ, শ্ৰীদত্ত আৰু শ্ৰীহাইক সকলো প্ৰকাৰে সহায় কৰিবলৈ সমৰ্থ হয়। তাৰ পিছতো বহু ছাত্ৰই থাকিবলৈ সুবিধা নোপোৱাৰ কাৰণে ডি পি আই সেনে ঘোষণা কৰে যে কোনো অধ্যাপকে যদি ৫০জন ছাত্ৰৰ কাৰণে থকা-খোৱাৰ ব্যৱস্থা কৰি মেছ পাতিব পাৰে, তেনেহ'লে সেই অধ্যাপকক তত্বাৱধায়ক ৰূপে মেছটো চলাবলৈ অনুমতি আৰু আৰ্থিক সাহায্য দিয়া হ'ব। তেতিয়া অধ্যাপক চন্দ্ৰকান্ত দাসেও ঘৰ ঠিক কৰি ১৯৪৪ চনত মেছ খোলে। তাৰফলস্বৰূপে কটন কলেজৰ ছাত্ৰসকলে কিছু থানথিত লাগি পঢ়াশুনা কৰি থাকিবলৈ সুবিধা পায়।

প্ৰথম অৱস্থাত ছাত্ৰীসকলৰ কাৰণে একো ব্যৱস্থা লোৱা হোৱা নাছিল। পিছত সেই সময়ৰ শিক্ষা বিভাগৰ এজন উচ্চ বিষয়া লেইছ চাহাবে ছাত্ৰীসকলৰ কাৰণেও কিবা এটা কৰিবলৈ কটন কলেজৰ অধ্যক্ষক নিৰ্দেশ দিয়ে। অধ্যক্ষই শ্ৰীদত্ত আৰু শ্ৰীগগৈকে কিবা এটা কৰি দিবলৈ অনুৰোধ কৰাত তেওঁলোকে ছোৱালীৰ কাৰণেও দীঘলী পুখুৰীৰ ওচৰত এটা ঘৰ ঠিক কৰি দিয়ে। তাতেই অধ্যাপিকা কমলা ৰয়ৰ তত্বাৱধানত এটা ছাত্ৰীবাস আৰম্ভ কৰা হয়। অৱশ্যে, তাৰ আগৰে পৰা ছাত্ৰীবাৰীৰ ছাত্ৰী আবাসটোও চলি আছিল।

তেনেদৰেই যুদ্ধৰ দিনত কটন কলেজ চলি থাকিব পাৰিছিল। আজি আমি এইটো পাহৰা অনুচিত যে কটন কলেজৰ এক সংকটপূৰ্ণ অৱস্থাত তাক খণ্ড-বিখণ্ড কৰাৰ পৰা ৰক্ষা কৰিলে শ্ৰীযুত হৰ্ষনাথ সেনৰ দৃঢ় নেতৃত্ব, শ্ৰীফণীধৰ দত্ত আৰু তেখেতৰ সহযোগী কেইগৰাকীমানৰ ঐকান্তিক শ্ৰম আৰু আশাশুধীয়া প্ৰচেষ্টাই।

সেই মেছবিলাক সুসংগঠিত হোৱাৰ পিচত কটন কলেজৰ আগৰ হোষ্টেলবিলাকৰ কেইগৰাকীমান অধীক্ষকে ভিতৰি ষড়যন্ত্ৰ কৰিলে যে দত্ত-গগৈ-দাস-হাইৰ সলনি তেওঁলোককহে সেই মেছবিলাকৰ তত্বাৱধায়ক কৰিব লাগে, কিয়নো তেওঁলোকে মেছ চলোৱাত অভিজ্ঞ আৰু পাৰ্গত লোক। কিন্তু হৰ্ষনাথ সেনৰ দৃঢ় মত— "মই জীৱনত এটা অতি সাৰ্থক কাম কৰিবলৈ সমৰ্থ হ'লো। সেইটো হৈছে যুদ্ধৰ দিনত কটন কলেজক জীয়াই ৰখাটো। কিন্তু ফণী দত্ত, দণ্ডেশ্বৰ গগৈ, আব্দুল হাই আৰু চন্দ্ৰ দাসে সহায় কৰিবলৈ আগবাঢ়ি নহা হ'লে সেইটো সম্ভৱ নহ'লহেতেন। এই কথা মই কেতিয়াও পাহৰিব নোৱাৰো।" শ্ৰীসেনে এইটোৱে ব্যৱস্থা কৰি থৈ গ'ল যে কেতিয়াবা যদি আকৌ কটন কলেজৰ ছাত্ৰবাস বিলাক সেনাবাহিনীয়ে কলেজ কৰ্তৃপক্ষক ওভোতাই দিয়ে তেনেহ'লে শ্ৰীদত্ত প্ৰমুখ্যে সেই কেইগৰাকী অধ্যাপককে সেইবিলাকৰ অধীক্ষক পতা হ'ব।

কিন্তু ১৯৪৬ চনত কটন কলেজৰ সকলো ঘৰ দুৱাৰ ঘূৰাই পোৱাৰ আগেয়েই শ্ৰীহৰ্ষনাথ সেনে অৱসৰ লয়। তাৰ পিছত বিভিন্ন বাদ-বিবাদৰ মূৰত অধ্যক্ষ থমাছে হৰ্ষ সেনে কৈ থৈ যোৱাৰ দৰে ফণীধৰ দত্তক ৩নং মেছৰ, দণ্ডেশ্বৰ গগৈক ২নং মেছৰ, চন্দ্ৰকান্ত দাসক ১নং মেছৰ আৰু আব্দুল হাইক মুছলিম মেছৰ অধীক্ষক পাতে।

### তৃতীয় পৰ্যায়

### গুৱাহাটী বিশ্ববিদ্যালয় আৰু কটন কলেজ

১৯৪৮ চনৰ পৰাই গুৱাহাটী বিশ্ববিদ্যালয়ে অসমৰ সকলো পৰীক্ষাৰ ভাৰ ল'ব লাগিব বুলি ১৯৪৭ চনৰ নৱেম্বৰ মাহত ড° সূৰ্যকুমাৰ ভূঞাক কলিকতালৈ গৈ কলিকতা বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ লগত আলাপ আলোচনা কৰিবৰ কাৰণে নিৰ্দেশ দিয়া হয়। তাত একো আচৰিত হ'বলগীয়া নাছিল। কিয়নো তেখেতেই বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে বিশেষ বিষয়া ৰূপে তাৰ বহুত দিন আগৰে পৰা যাৱতীয় কাম কিছুমান কৰি আছিল। কিন্তু আচৰিত আছিল এইটোৱেই যে ৬ নৱেম্বৰৰ দিনাখন শ্বিলঙৰ পৰা শিক্ষা বিভাগৰ আণ্ডাৰ চেক্ৰেটাৰীয়ে ফণীধৰ দত্তও ড° ভূঞাৰ লগত কলিকতালৈ যাব লাগে বুলি এখন চিঠি হাতে হাতে কটন কলেজৰ অধ্যক্ষক আৰু ফণীধৰ দত্তক গুৱাহাটীত দিলেহি। ফণীধৰ দত্ত সেই সময়ত কটন কলেজৰ গণিতৰ অধ্যাপক আছিল। ড° ভূঞা আৰু শ্ৰীদত্তই কলিকতালৈ গৈ ১৯৪৮ চনত কেনেকৈ অসমত মেট্ৰিক, ইণ্টাৰমিডিয়েট আদি পৰীক্ষা পাতিব পাৰি বুজ লৈ আহিল। অৱশ্যে বিশ্ববিদ্যালয়ৰ কোন কি বিষয়া হ'ব তেতিয়াও

তেওঁলোকে জনা নাছিল। সেইদিনত টেলিফোনৰ যোগাযোগ গুৱাহাটী আৰু শ্বিলঙৰ মাজত প্ৰায় নাছিল বুলিয়েই হয়। কলিকতাৰ পৰা উভতি অহাৰ পিছত এদিন মাথোন বৰদলৈদেৱে শ্ৰীদত্তক সুধিলে —'ফণী অহা বছৰ পৰীক্ষা বিলাক পাতিব পাৰিবানে?' 'কিয় নোৱাৰিম, নিশ্চয় পাৰিম' বুলি শ্ৰীফণীধৰ দত্তই উত্তৰ দিয়াত বৰদলৈয়ে ভূঞা আৰু দত্তক বিশ্ববিদ্যালয়ৰ কাম কাজ চলাবৰ কাৰণে ঘৰ এটা ঠিক কৰাৰ দায়িত্ব দিলে।

১৯৪৭ চনৰ ২৬ ডিচেম্বৰ। সেইদিনাখন গুৱাহাটীৰ জজ ফিল্ডত প্ৰধান মন্ত্ৰী একাদশ আৰু ৰাজ্যপাল একাদশৰ এখন ক্ৰিকেট খেল আয়োজন কৰা হৈছিল। এই স্মৰণীয় খেলখনৰ প্ৰথম বলটো দলিয়াইছিল লোকপ্ৰিয় বৰদলৈদেৱে। খেল পথাৰৰ পৰাই বৰদলৈদেৱে শিক্ষা বিভাগৰ ছেক্ৰেটাৰী এছ এল মেহতাক ফণীধৰ দত্তৰ ওচৰলৈ পঠিয়াই দিলে। শ্ৰীমেহতাই জজ ফিল্ডৰ পৰা দৌৰি দৌৰি তেতিয়া কটন কলেজৰ পাঁচ নম্বৰ ছাত্ৰাবাসৰ অধীক্ষকৰ গৃহত থকা শ্ৰীফণী দত্তক বিশেষ উত্তেজনাৰে ক'লেহি— "ভাইয়া, তুমিয়েই গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ কৰিব লাগিব। ঘৰ পালা নে নাই? এতিয়াই আহা তোমাক প্ৰধানমন্ত্ৰীয়ে মাতি পঠিয়াইছে।" শ্ৰীফণীধৰ দত্তই মেহতাক জনালে যে কটন কলেজৰ নতুন ছাত্ৰাবাসৰ কাষতে মিলিটাৰীয়ে যুদ্ধৰ কাৰণে সজা গুদাম এটা খালী হৈ পৰি আছে। তাতেই পৰীক্ষাৰ কাকত আদিও ৰাখিব পৰা যাব যেতিয়া তাতেই বিশ্ববিদ্যালয় আৰম্ভ কৰিব পৰা যায়।

জজ ফিল্ড খেলপথাৰতেই বৰদলৈদেৱে শ্ৰীফণী দত্তক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ পাতিছো বুলি ঘোষণা কৰি কাম আৰম্ভ কৰিবলৈ আদেশ দিলে। সেইদিনাৰ ক্ৰিকেট খেলখন শেষ হোৱাৰ পিছত বৰদলৈ ডাঙৰীয়া, ৰাজ্যপাল আকবৰ হাইদৰী আৰু আন আন লোকসকলে খেলপথাৰৰ পৰাই খোজ কাঢ়ি আহি বিশ্ববিদ্যালয় আৰম্ভ কৰিব বুলি ভবা মিলিটাৰী গুদামটো পৰিদৰ্শন কৰিলে আৰু মেট্ৰিক পৰীক্ষা পাতিবৰ কাৰণে সকলো যো-জা কৰিবলৈ কৈ ৰাজধানীলৈ প্ৰত্যাৱৰ্তন কৰিলে। টকা-পইচা কেতিয়া কেনেকৈ পঠাব বা কি কি কাম কেনেকৈ কৰিব লাগিব সেই বিলাক একো নজনাই লোকপ্ৰিয় বৰদলৈদেৱে একো দিহা নিদি শ্ৰীফণীধৰ দত্তৰ ওপৰতে সকলো এৰি দিলে। আনকি তেখেতক কটন কলেজৰ চাকৰিৰ পৰা নিয়ম মতে অব্যাহতি দিয়াৰ কথাও একো নক'লে। উপায়ন্তৰ হৈ শ্ৰীদত্তই তেতিয়াৰ কটন কলেজৰ অধ্যক্ষ মুহিবুল্লা চাহাবৰ কাষ চাপিলে। ধৰ্মপৰায়ণ মুহিবুল্লা চাহাবে প্ৰাৰ্থনা এফাঁকি মাতি শ্ৰীদত্তক আশীৰ্বাদ দি ক'লে যে তেওঁ অব্যাহতিৰ লিখিত জাননীৰ কাৰণে অপেক্ষা নকৰি অফিচৰ কাৰণে দুই এটা বস্তু গোটাই বিশ্ববিদ্যালয়ৰ কাম এক তাৰিখৰ পৰাই আৰম্ভ কৰা উচিত।

পিছদিনাখন ৰাতিপুৱাই শ্ৰীদত্তই লয়াৰ্চ বুক ষ্টলৰ গৰাকী আৰু নিজৰ ব্যক্তিগত বন্ধু শ্ৰীবিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাক দোকানত লগ ধৰি সকলো ক'লেগৈ। দত্ত বৰুৱাদেৱে তেখেতৰ স্বভাৱ সুলভ আত্মবিশ্বাসৰ সুৰেৰে কোনোবা এজনক ডাঙৰ ডাঙৰকৈ চিঞৰি ক'লে, "অ'ই দুই দিস্তা কাগজ আৰু দোৱাত কলম যি আছে দুই এটা আন, প্ৰফেচাৰে গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ কৰিব লাগে— ফণী বুইছা বৰদলৈয়ে কৈছে যেতিয়া বুজবা পাৰছা, ছুৰু হই গেল আৰ'।"

বিশ্ববিদ্যালয় আৰম্ভ কৰিবৰ কাৰণে শ্ৰীফণীধৰ দত্তই লগত সহায়ক ৰূপে ল'লে কটন কলেজত চাকৰি কৰি থকা হাচবি চাহাবক। পৰীক্ষা সংক্ৰান্ত কাৰ্যত তেখেতেই শ্ৰীদত্তৰ সোঁহাত স্বৰূপ আছিল। এইখিনিতে এইটোও উল্লেখযোগ্য যে বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰিবৰ কাৰণে ৰূপায়ণ চিনেমাৰ কাষত থকা এজন বঙালী কাঠমিস্ত্ৰীয়ে এখন মেজ, এটা আলমাৰী আৰু দুখন চকী বিনা পইচাই দান কৰিছিল। সেই চকী মেজ আৰু শ্ৰীবিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাই দিয়া কাগজ কলমেৰেই ১৯৪৮ চনৰ এক জানুৱাৰীত শ্ৰীফণীধৰ দত্তই গুৱাহাটী বিশ্ববিদ্যালয় অনাড়ম্বৰ ভাৱে আৰম্ভ কৰিছিল।

তাৰ দুদিনামান পিছত বৰদলৈদেৱে কাম কেনে চলিছে খবৰ কৰি গৈছিল। শ্ৰীদত্তই তেতিয়া বৰদলৈ ডাঙৰীয়াক সুধিছিল— 'কোন উপাচাৰ্য হ'ব?'

'কিয়? কৃষ্ণকান্ত সন্দিকৈ! তেওঁৰ লগত আমি যোগাযোগ কৰিছো। মই যোৰহাটৰ জেলত থাকোতেই বিশ্ববিদ্যালয়ৰ কথা খুব চিন্তা কৰিছিলো আৰু তেতিয়াই ভাবি থৈছিলো যোৰহাটত অসমৰ প্ৰথম প্ৰাইভেট কলেজ আৰম্ভ কৰা লোককেইজনকেই বিশ্ববিদ্যালয় আৰম্ভ কৰিবলৈ মাতিম।'

**ফণী দত্তক বিশ্ববিদ্যালয় আৰম্ভ কৰিবলৈ দিয়াৰ কাৰণ**

সন্দিকৈদেৱক উপাচাৰ্য আৰু দত্তক ৰেজিষ্ট্ৰাৰ নিয়োগ কৰাটো একমাত্ৰ লোকপ্ৰিয় বৰদলৈৰে সিদ্ধান্ত। বৰদলৈদেৱে এই দুজনা লোকৰ ওপৰত বিশ্ববিদ্যালয় আৰম্ভ কৰাৰ গধুৰ দায়িত্ব অৰ্পণ কৰিবলৈ কিয় সিদ্ধান্ত ল'লে? এই প্ৰশ্নৰ সমিধান আমি পাওঁ ১৯৪০চনত বৰদলৈদেৱে যোৰহাটৰ জেলত ৰাজনৈতিক বন্দী হৈ ভাৰতৰ স্বাধীনতাৰ দিন গণি থাকোতে

লিখা 'এ কেছ ফ'ৰ এ ইউনিভাৰ্ছিটী ইন আছাম' (অসমত এখ বিশ্ববিদ্যালয় পতাৰ সপক্ষে যুক্তি) নামৰ এটি প্ৰবন্ধত। এই প্ৰবন্ধটোৰ প্ৰতিলিপি বৰদলৈদেৱৰ কন্যা লিলি মজিন্দাৰ বৰুৱাৰ অনুগ্ৰহত পাবলৈ সমৰ্থ হৈছো—"মোৰ ধাৰণা যে এটা সুস্থভাৱে সংগঠিত শিক্ষাৰ কেন্দ্ৰৰ সহায়ত আমাৰ সমাজলৈ সেৱা আৰু স্বজাতিৰ প্ৰতি কৰ্তব্যৰ এক নতুন দৃষ্টিভংগী অনাটো সম্ভৱপৰ। জনসাধাৰণক খুৱাবৰ আৰু পিন্ধাবৰ কাৰণে যিদৰে স্বাৰ্থত্যাগী নেতৃত্বৰ প্ৰয়োজন, সেইদৰে জনসাধাৰণক সেৱা কৰিবৰ কাৰণেও স্বাৰ্থত্যাগী নেতৃত্বৰ প্ৰয়োজন।"

বিশ্ববিদ্যালয়ৰ কাৰণেও তেওঁ বিচাৰিছিল স্বাৰ্থত্যাগী নেতৃত্ব। জাতি গঠনৰ কাৰণে, জাতীয় চৰিত্ৰ গঠনৰ কাৰণে বৰদলৈদেৱৰ বিচাৰ বুদ্ধি বিস্ময় মানিবলগীয়া। তেওঁ বিচাৰিলে অসমত শিক্ষা বিস্তাৰৰ কাৰণে আৰু দুখীয়ালোকৰ জ্ঞান অৰ্জনত সহায় কৰিবৰ কাৰণে স্বাৰ্থত্যাগ কৰা লোক। যোৰহাটৰ জেলত থাকোতে, অসমৰ শিক্ষা জগতৰ কথা ভাবোতে তেওঁ নিশ্চয় জেলৰ ওচৰতে থকা যোৰহাট কলেজৰ কথা ভাবিছিল। অসমৰ প্ৰথম বেচৰকাৰী কলেজ যোৰহাট কলেজখন প্ৰতিষ্ঠা কৰিবৰ কাৰণে, তাৰ প্ৰতিষ্ঠাপক অধ্যাপক কেইগৰাকীয়ে (কৃষ্ণকান্ত সন্দিকৈ, ফণীধৰ দত্ত, তুলসীনাৰায়ণ শৰ্মা, গুণগোবিন্দ দত্ত, যজ্ঞেশ্বৰ শৰ্মা আৰু তেওঁলোকৰ লগত পাছলৈ যোগ দিয়া প্ৰফুল্লপ্ৰাণ চাংকাকতি, পদ্মেশ্বৰ গগৈ) অসমৰ দুখীয়া ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা দিবৰ কাৰণে কৰা স্বাৰ্থত্যাগৰ কথা বৰদলৈদেৱে ভালদৰে জানিছিল। সেয়েহে সেইসকলৰ মাজৰ পৰাই তেখেতে অসমৰ প্ৰথম বিশ্ববিদ্যালয়ৰ কাৰণে উপাচাৰ্য আৰু ৰেজিষ্ট্ৰাৰ বাচি ল'লে। এইখিনিতে এইটো উল্লেখযোগ্য যে যোৰহাট কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপকৰ আন কেইগৰাকীয়েও অসমৰ শিক্ষানুষ্ঠান আৰু বিশ্ববিদ্যালয়খনৰ আজীৱন সেৱা কৰি গ'ল।

ফণীধৰ দত্তক মাহে পাঁচশ টকা দৰমহাত নিযুক্ত কৰাৰ চিঠি আহে জানুৱাৰীৰ সাত তাৰিখে। কিন্তু তাৰ ঠিক বিছ দিন পিছতে তেখেতৰ দৰমহা মাহে ৫৫০ টকা কৰা হয়। কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পি এন বেনাৰ্জীয়ে কৈছিল— "ফণী তুমি ইমান কম সময়ৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত পৰীক্ষাবিলাক পাতিব পাৰিলে তোমাক মই মালা পিন্ধাম।"

১৯৪৮ চনতে গুৱাহাটী বিশ্ববিদ্যালয়ে সকলো পৰীক্ষা সুচাৰুৰূপে সমাধা কৰে। তাৰ পিছত বেনাৰ্জী মহাশয়ে সঁচাকৈয়ে শ্ৰীফণীধৰ দত্তক মালা পিন্ধাই সন্মান প্ৰদৰ্শন কৰিছিল আৰু নিজৰ ছাত্ৰৰ কৃতিত্বত গৌৰৱ অনুভৱ কৰিছিল।

১৯৪৮ চনৰ জানুৱাৰীৰ এক তাৰিখ অৰ্থাৎ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনাখন যিটো মিলিটাৰী গুদামত বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰা হৈছিল আৰু প্ৰায় সাত বছৰ কাল যিটো বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্যালয় আছিল, সেইটো কটন কলেজৰ ছাত্ৰবাসৰ চৌহদত আজিও আছে। তেনে এটি ঘৰত আজিৰ লোকে হয়তো প্ৰাথমিক বিদ্যালয় এটি আৰম্ভ কৰিবলৈকো সাহস নকৰিব। এনে এটা ঘৰতে যে কুৰি শতিকাৰ চল্লিছৰ দশকৰ অসমৰ প্ৰথম বিশ্ববিদ্যালয় আৰম্ভ কৰিবলৈ বৰদলৈ-দত্ত-সন্দিকৈদেৱে সাহস কৰিছিল সেই কথাই তেওঁলোকৰ সাহস, বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ আন্তৰিকতা আৰু আত্মবিশ্বাসৰ পৰিচয় দিয়ে। এইখিনিতে এইটো উল্লেখযোগ্য যে ১৯৪৮ চনৰ জানুৱাৰীৰ এক তাৰিখৰ পৰা ফেব্ৰুৱাৰীৰ ২২তাৰিখলৈকে ফণীধৰ দত্তই বিশ্ববিদ্যালয়ৰ একমাত্ৰ বিষয়া আছিল। কাৰণ কৃষ্ণকান্ত সন্দিকৈয়ে ফেব্ৰুৱাৰীৰ ২২তাৰিখেহে উপাচাৰ্যৰ কাৰ্যভাৰ গ্ৰহণ কৰে।

এক প্ৰকাৰে চাবলৈ গ'লে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম হয় কটন কলেজৰ কোলাতেই। কাৰণ কটন কলেজৰ ছাত্ৰাবাসৰ চৌহদত থকা মিলিটাৰী গুদামত বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰা হৈছিল আৰু প্ৰায় সাত বছৰ কাল সেইটোৱেই বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্যালয় আছিল। তদুপৰি, কটন কলেজৰ অধ্যক্ষৰ ভৱনেই ইয়াৰ প্ৰথম উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈৰ আৰু কটন কলেজৰ তিনি নম্বৰ ছাত্ৰাবাসৰ ছুপাৰিনটেন ভৱনেই ইয়াৰ প্ৰথম পঞ্জীয়কৰ বাসস্থান আছিল। পাছলৈ অৱশ্যে, অধ্যক্ষৰ ভৱনৰ কাষতেই পঞ্জীয়কৰ কাৰণে এটা সৰু ঘৰ সজা হৈছিল।

আটাইতকৈ ডাঙৰ কাৰণ এয়েই যে প্ৰথম অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা সংক্ৰান্ত সকলো কাম ফণীধৰ দত্তই কটন কলেজৰ অধ্যাপক সকলৰ সহায়তেই কৰিছিল। পৰীক্ষক, পুনৰ পৰীক্ষক, মুখ্য পৰীক্ষক আদি বেছিভাগ দায়িত্বপূৰ্ণ কামৰ গুৰুভাৰ কটন কলেজৰ অধ্যাপকসকলৰ ওপৰতেই পৰিছিল। সেই সময়ৰ কটন কলেজত অধ্যাপনা কৰা উৎসাহী, সজ আৰু পৰিশ্ৰমী অধ্যাপকসকলৰ অবিহনে হয়তো গুৱাহাটী বিশ্ববিদ্যালয় চালুকীয়াৰ পৰা সুন্দৰ ৰূপে গঢ় ল'বলৈ সমৰ্থ নহ'লহেতেন। সেইখিনি কিন্তু সম্ভৱ হৈছিল ফণীধৰ দত্তৰ দূৰদৰ্শিতা, কৌশল আৰু কটন কলেজৰ অধ্যাপকসকলৰ ওপৰত থকা আস্থাৰ কাৰণেই।

# সাঁচিপাতৰ পুথি ঃ এক অৱলোকন

দেৱজিৎ কলিতা
*স্নাতকোত্তৰ তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ*



সভ্যতাৰ আৰম্ভণিৰ পৰাই মানুহে মনৰ অভিপ্ৰায় প্ৰকাশ কৰিছিল কিছুমান চিন বা বৰ্ণৰ সহায়ত। মানুহৰ কথিত ভাষা আৰু চিন্তা চৰ্চা তথা ধাৰণাবোৰক চিহ্ন বা বৰ্ণৰ দ্বাৰা প্ৰকাশ আৰু সংৰক্ষণ কৰিবলৈ ব্যৱহাৰ কৰা মাধ্যমটোৱেই হৈছে লিপি। ভাষাৰ দ্বাৰা যিদৰে মনৰ ভাৱ প্ৰকাশ কৰিব পাৰি, তেনেদৰে লিপিৰ দ্বাৰা মনৰ ভাৱ সংৰক্ষণ কৰিব পাৰি। পৃথিৱীত বৰ্তমানলৈকে হাজাৰ হাজাৰ লিপি আৱিষ্কাৰ হৈছে। ছপাশাল নোহোৱা পৰ্যন্ত লিপিসমূহত ব্যৱহাৰ কৰা বিভিন্ন মাধ্যমবোৰ আছিল— মাটিৰ ফলক, শিলালিপি, তাম্ৰলিপি, বিশেষ গছৰ ছাল আৰু পাত, তুলাপাত ইত্যাদি। যি কি নহওঁক, এই লিপিসমূহ আছিল অতি সুন্দৰ আৰু কলা-কৌশলযুক্ত।

আমাৰ দেশ ভাৰতবৰ্ষতো প্ৰাচীন কালৰে পৰাই লিপিৰ প্ৰচলন আছিল। ভাৰতৰ মঠ-মন্দিৰ বা গুহা, ৰাজপ্ৰসাদসমূহত খোদিত আৰু অংকিত চিত্ৰ, তাম্ৰলিপি, শিলালিপি, কীৰ্তিস্তম্ভসমূহেই ইয়াৰ জলন্ত উদাহৰণ। অতীজৰে পৰা প্ৰচলিত উৰিষ্যাৰ ভূজপত্ৰও (Palam leaf) হৈছে এক উল্লেখযোগ্য পাণ্ডুলিপি। এই ভূজপত্ৰৰ ব্যৱহাৰ উৰিষ্যাৰ লগতে বৰ্তমান আন ৰাজ্যতো দেখা যায়।

আমাৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ আৰু উল্লেখযোগ্য পাণ্ডুলিপি হৈছে 'সাঁচিপাতৰ পুথি'। অনুমেয় যে প্ৰাকশংকৰী যুগৰ আগৰ পৰাই অসমত লিখাৰ উদ্দেশ্যত সাঁচিপতীয়া পুথি ব্যৱহাৰ কৰা হৈছিল। এতিয়া আমাৰ মনলৈ এটা প্ৰশ্ন আহে যে লিখাৰ উদ্দেশ্যত ব্যৱহাৰ কৰা এই সাঁচিপাতৰ পুথিসমূহ কেনেকৈ তৈয়াৰ কৰা হৈছিল...।

**সাঁচিপাতৰ পুথিৰ প্ৰস্তুতিপৰ্বঃ**

সাঁচিপাতৰ বাকলি এৰুৱাই এটা জটিল প্ৰক্ৰিয়াৰ মাজেৰে সাঁচিপাত প্ৰস্তুত কৰা হৈছিল। কিংবদন্তি মতে সাঁচিগছৰ বাকলি বা ছাল এৰুৱাই চাৰি-পাঁচদিন ধৰি এক বিশেষ পদ্ধতিৰে শুকুৱাই সাঁচিপাত তৈয়াৰ কৰা হয় আৰু ছালখিনি বিশেষ প্ৰক্ৰিয়াৰে চাফা কৰি লিখাৰ উপযোগী কৰা হয়। সাঁচিপাতৰ পুথিত ব্যৱহৃত বিশেষ প্ৰকাৰৰ ৰংবোৰ হ'ল— হেঙুল, হাইতাল, গোটানীল, ধলমাটি ইত্যাদি। এই ৰংবোৰৰ প্ৰত্যেকটো ৰঙেই পৃথক গুণবিশিষ্ট আৰু ৰং প্ৰস্তুতকৰণৰ ক্ষেত্ৰতো বিশেষ পদ্ধতি আছে বাবেই এই ৰংবোৰৰ স্থায়িত্ব আৰু উজ্জ্বলতা অন্য ৰঙৰ তুলনাত অধিক। লিখাৰ প্ৰাৰম্ভিক অৱস্থাত ঘিলাৰে ঘঁহি-ঘঁহি পাতখিলা মিহি কৰা হয় যাতে লিখি থকাৰ অৱস্থাত চিয়াঁহী পাতখিলাত বিয়পি নাযায়। সাঁচিপাতৰ পুথিত ব্যৱহৃত চিয়াঁহী তৈয়াৰ কৰাৰো এক অভিনৱ পদ্ধতি আছিল। ভোমোৰা গছৰ ছাল, আমলখি আৰু শিলিখাৰ ফল অংশ সমপৰিমানে লৈ কেহেঁৰাজ বন, গৰুমূত্ৰ আৰু বোন্দা কেঁচুৰ ৰস মিশ্ৰণ কৰি সিজাই এই চিয়াঁহী তৈয়াৰ কৰা হৈছিল বুলি প্ৰবাদ আছে। এই মিশ্ৰণখিনি মাটিৰ মলাত থৈ দিলে কেইদিনমানৰ পাছত মলাৰ বাহিৰ অংশত আপোনা-আপুনি নিগৰি অহা ৰসখিনিয়েই হ'ল এই বিশেষ চিয়াঁহী। এই চিয়াঁহীক 'মুহি' নামেৰে নামকৰণ কৰা হৈছিল। ইয়াৰ বিশেষত্ব হ'ল যে চিয়াঁহীখিনিৰ ৰং অতি উজ্জ্বল আৰু স্থায়ী। এই চিয়াঁহীৰে লিখা লিপিসমূহ ৰাতিৰ আন্ধাৰতো তিৰ্বিৰাই থাকে। এইদৰেই 'সাঁচিপাতৰ পুথি' প্ৰস্তুত কৰা হৈছিল।

**সাধাৰণতে তিনি প্ৰকাৰৰ সাঁচিপাতৰ পুথি পোৱা যায়—**

ক) সাধাৰণ সাঁচিপাতৰ পুথি

খ) লতাকটা পুথি

গ) সচিত্ৰ পুথি


সাধাৰণ সাঁচিপাতৰ পুথিসমূহ সাধাৰণতে পাতখিলা প্ৰস্তুত কৰি হাইতাল ৰঙেৰে বুলাই লিখাৰ উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। বিভিন্ন মন্ত্ৰ আৰু শাস্ত্ৰ পুথিসমূহ সাধাৰণ সাঁচিপাততে লিখা থাকে। এতিয়ালৈকে উদ্ধাৰ হোৱা পুথিসমূহৰ ভিতৰত এই প্ৰকাৰৰ পুথিৰ সংখ্যাই সৰহ।

সাঁচিপতীয়া পুথিৰ এক অন্যতম ৰূপ হ'ল লতাকটা পুঁথি। এই প্ৰকাৰৰ পুথিৰো এক সুকীয়া বৈশিষ্ট্য দেখা যায়। প্ৰবাদমতে সুন্দৰীদিয়া সত্ৰত যেতিয়া এজন বাঢ়ৈয়ে নামঘৰৰ চৌটিত লতাফুল কাটি আছিল সেই সময়ত মাধৱদেৱ গুৰুজনাই তলতে বহি সাঁচিপাতত ঘোষা লিখি আছিল। এনেতে গুৰুজনাই বাঢ়ৈজনক উদ্দেশ্যি ক'লে যে— যি ফুল তেওঁ ওপৰত কাটিছে সেই ফুল গুৰুজনাই তলতে কাটিব। এইবুলি কৈ গুৰুজনাই সাঁচিপাতৰ চাৰিওফালে লেখনিৰে সেই আৰ্হিতে লতাফুল আঁকিলে আৰু তেতিয়াৰ পৰাই এই বিশিষ্ট প্ৰকাৰৰ লতাকটা পুথিৰ সৃষ্টি হ'ল। এই প্ৰকাৰৰ পুথিবিলাক কোনো কোনো সত্ৰত এতিয়াও সংৰক্ষিত হৈ আছে। শ্ৰী শ্ৰী বৰ এলেঙী বগীতাই সত্ৰৰ 'কীৰ্তন' পুথিখন (প্ৰায় ৩৬০ বছৰ পূৰ্বৰ) এখন উল্লেখযোগ্য লতাকটা আৰ্হিৰ পুথি।

সচিত্ৰ পুথিত কাহিনী বা আখ্যানৰ লগতে তাৰ কাষত বিষয়বস্তুৰ চিত্ৰসমূহো উপস্থাপন কৰা থাকে। কেইখনমান উল্লেখযোগ্য সচিত্ৰ সাঁচিপাতৰ পুথি হ'ল— 'চিত্ৰ ভাগৱত', আউনীআটি সত্ৰৰ (মাজুলী) 'শ্ৰী হস্ত মুক্তাৱলী' আৰু 'গজেন্দ্ৰ চিন্তামণি'।

অশেষ শ্ৰমেৰে তৈয়াৰ কৰি লিখা এই সাঁচিপাতৰ পুথিসমূহ অসমৰ এক অমূল্য সম্পদ। এই পুথিসমূহৰ মাজতেই সন্নিবিষ্ট হৈ আছে একো একোটা যুগৰ সভ্যতা আৰু সংস্কৃতি। এতিয়াও বহুতো পুথি ধোঁৱাচাং বা বৰচাঙৰ এলান্ধুৰ মাজতে নষ্ট হৈ গৈছে। ফলত পুথিসমূহৰ লিপিসমূহ চিনাক্তকৰণত অসুবিধা আহি পৰাটো স্বাভাৱিক। ক্ৰমশঃ সময়ৰ আঁচোৰত হেৰাই যোৱা সাঁচিপতীয়া পুথিসমূহ সংৰক্ষণৰ ব্যৱস্থাক নুই কৰিব নোৱাৰি। সময় থাকোতেই চৰকাৰৰ সহযোগত এক দৃঢ় আৰু সবল পদক্ষেপৰ প্ৰয়োজনীয়তা আহি পৰিছে। কাৰণ সাঁচিপাতৰ পুথিসমূহে অসমীয়া সংস্কৃতি তথা ঐতিহ্যৰ ক্ষেত্ৰত গৱেষণাৰ বাট মুকলি কৰাৰ যথেষ্ট থল আছে। সেয়া যে ভৱিষ্যতৰ বাবে প্ৰশংসনীয় পদক্ষেপ হ'ব, তাত কোনো সন্দেহ নাই।

# সূৰুযমুখীৰ স্বপ্ন
## এখন পূৰ্ণ উপন্যাস




**প্ৰেৰণা তালুকদাৰ**
*স্নাতক প্ৰথম ষান্মাসিক*

আমাৰ অসমীয়া সাহিত্যৰ ইতিহাসত উপন্যাস সাহিত্যই জন্ম লাভ কৰে অষ্টাদশ শতিকাৰ শেষ ভাগত। পদ্মনাথ গোহাঞিবৰুৱা দেৱৰ কোলাতে চকু মেলে প্ৰথম অসমীয়া উপন্যাস 'ভানুমতী'য়ে। এই উপন্যাস সাহিত্যই বিংশ শতিকাৰ অষ্টম দশকলৈ এক শতাব্দী কাল সামৰি লৈছে। এই সময়ছোৱাত সহস্ৰাধিক উপন্যাস ৰচিত হৈছে যদিও আমি কেইখনমানহে উল্লেখযোগ্য পুথিৰ নাম ল'ব পাৰো; যিবোৰ আজিও উপন্যাস সাহিত্যৰ বোকোচাত সোণবৰণীয়া হৈ জিলিকি আছে। এনে উপন্যাসসমূহৰ ভিতৰত চৈয়দ আব্দুল মালিকৰ 'সূৰুযমুখীৰ স্বপ্ন' শীৰ্ষক উপন্যাসখন অন্যতম। 'সূৰুযমুখীৰ স্বপ্ন' অসমীয়া উপন্যাসৰ বুৰঞ্জীত এটা বিশিষ্ট মাইলৰ খুঁটি। উপন্যাসখনৰ কাহিনীটো সফল সৃষ্টিৰ এটা মাথোন দিশ। ড° প্ৰহ্লাদ কুমাৰ বৰুৱাদেৱে 'সূৰুযমুখীৰ স্বপ্ন'ৰ জনপ্ৰিয়তাৰ ক্ষেত্ৰত কৈছে যে— 'নিৰীক্ষণৰ কলা-সুলভ সুক্ষ্মতা আৰু প্ৰকাশভংগীৰ শিল্প সুলভ ঐশ্বৰ্যৰ বাবেই একোখন উপন্যাস ৰসোত্তীৰ্ণ হৈ উঠে। মালিকৰ সূৰুযমুখীৰ স্বপ্ন যদি ৰসোত্তীৰ্ণ উপন্যাস হৈ উঠিল, তেনেহ'লে নিতান্ত এইটো বৈশিষ্ট্যৰ বাবেই।'

উপন্যাস হৈছে আধাৰিত সাহিত্য। সেইবাবেই পাঠকে উপন্যাস এখন হাতত তুলি লৈ এটা নিখুঁত আৰু পূৰ্ণাংগ কাহিনীয়েই আশা কৰে। এই আশাৰে যদি 'সূৰুযমুখীৰ স্বপ্ন' অধ্যয়ন কৰা হয়, তেনেহ'লে পাঠক সমাজ হতাশ হ'ব নালাগে। কাহিনীৰ সুবিন্যস্ত গাঁথনিয়ে উপন্যাস হোৱাৰ উপকৰণ যোগান ধৰে। সেয়েহে কাহিনী নিৰ্বাচনত ঔপন্যাসিকৰ নিৰ্বাচনী শক্তিৰ অত্যন্ত আৱশ্যক। ফ্লুবেয়াৰে কোৱাৰ দৰে উপন্যাসৰ ভাল বিষয় হ'ল যিটোৰ সকলো অংশ এক খণ্ড হিচাপে লেখকৰ মনলৈ আহে। এইদৰে অহা মূলভাৱটোক কেন্দ্ৰ কৰি অন্যান্য ভাৱৰ সৃষ্টি হ'ব লাগে। যি মন যায় উপস্থাপন কৰিলে উপন্যাসৰ শিথিলতা আহিব পাৰে। ঔপন্যাসিকে যদি কাহিনীভাগত গুলচ

আৰু তৰাৰ অতি সহজে মিলন দেখুৱালেহেঁতেন, তেতিয়া কাহিনীভাগ নিৰস হৈ পৰিলেহেঁতেন। হয়তো উপন্যাসৰ কাহিনী হ'বৰেই যোগ্য নহ'লহেঁতেন। মালিকৰ সংখ্যাধিক উপন্যাসৰ ভিতৰত 'সূৰুযমুখীৰ স্বপ্ন'ৰ কাহিনীভাগেই আটাইতকৈ বেছি শিল্পসন্মত। যাৰ ফলত কাহিনীৰ শিকলিডালৰ গাঁঠিয়ে গাঁঠিয়ে বগাই গৈ পাঠকে ক'তো থমকি নোৰোৱাকৈ ৰসপূৰ্ণ পৰিণতিৰ আচ্ছাদন লাভ কৰিছে। সেইবাবেই উপন্যাসখনৰ কাহিনীয়ে পাঠকৰ মনত গভীৰ ছাপ বহুৱাই যায় আৰু লগে লগে কলাসুলভ গভীৰ আবেদন এটাও অনুভৱ কৰোৱাবলৈ সক্ষম হয়। এই উপন্যাসখনত নাট্যগুণ ধৰ্মিতা এক বিশিষ্টৰূপত প্ৰকাশ পাইছে। কাহিনীভাগ ইমান কলা-সুন্দৰভাৱে নাটকীয়ৰূপত সজোৱা হৈছে যে, কাহিনীভাগ মঞ্চস্থ কৰা নাটক ৰূপত উপভোগ কৰা যেন লাগে।

মালিকৰ 'সূৰুযমুখীৰ স্বপ্ন'ৰ কাহিনীভাগৰ মূল বিষয়বস্তু হ'ল— ব্যৰ্থতা আৰু প্ৰাপ্তিৰ কুটিল পৰিহাস। কাহিনীভাগৰ মূল চৰিত্ৰ চাৰিটা গুলচ, চেনিমাই, কপাহী আৰু তৰা। গুলচ আৰু চেনিমাই ডালিম গাঁৱৰ যুৱক-যুৱতী। দুয়োৰে মাজত গঢ় লৈ উঠিছিল গভীৰ প্ৰেম। এই প্ৰেমক সাৰোগত কৰিয়েই গুলচে আগ-পাছ নুগুনি চেনিমাইক পলুৱাই নিলে। কিন্তু চেনিমাইৰ সৈতে সংসাৰ কৰি জীৱন নদীৰ সুঁতি গুলচে যিফালে বোৱাই নিব খুজিছিল, সি হৈ নুঠিল। সমাজৰ নীতি-নিয়মত বন্দী সিহঁতৰ দুয়োৰে পিতৃ-মাতৃ হৈ পৰিল তাৰ জীৱন নদীৰ বাধা। ফলত গুলচ আৰু চেনিমাইৰ জীৱনে বিপৰীত দিশত গতি ল'লে। চেনিমাইৰ বিয়া হৈ গ'ল কলাই নামৰ এজন যুৱকৰ সৈতে। গুলচে ধনশিৰিৰ পাৰৰ ন-ভাঙনি মাটিৰ মাজেৰে নিজৰ জীৱন আগবঢ়াই নিলে। তাৰ অতিবাহিত হৈ থকা মধুৰ জীৱনটো মধুৰৰ পৰা মধুৰতম কৰিবলৈ সি তৰাক বিচাৰিলে। তৰাও আগবাঢ়ি আহিল। তৰা আৰু গুলচ দুয়ো দুয়োৰে মাজত গঢ় দিব বিচাৰিলে পতী-পত্নীৰ মধুৰ সম্পৰ্ক। এইখিনিতে উপন্যাসখনৰ কাহিনীভাগে সুঁতি সলায়। পাঠকে হয়তো উপন্যাসখনে এনেকুৱা সুঁতি ল'ব বুলি ভবাই নাছিল গুলচ আৰু তৰাৰ মাজত কপাহী নামৰ চৰিত্ৰটোৱে প্ৰতিবন্ধক ৰূপত থিয় দিলে। কপাহীয়ে তৰাৰ লগত চক্ৰান্ত কৰি গুলচৰ সৈতে নিকাহ কৰিলে আৰু নিজৰ জীৱনৰ পূৰ্ণতা ৰচনা কৰিবলৈ চেষ্টা চলালে। কাহিনীভাগৰ এই অংশটোৱে পাঠক ৰাইজৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰে। কিন্তু কপাহীয়ে জীৱনৰ পূৰ্ণতা ৰচনাত সফল নহ'ল। ঔপন্যাসিকে কাহিনীভাগ আগুৱাই নি শেষত সুন্দৰকৈ কপাহীক গুলচ আৰু তৰাৰ মাজৰ পৰা আঁতৰাই নিলে। আৰু 'সূৰুযমুখীৰ স্বপ্ন'ইয়ো এক সুন্দৰ পৰিণতি পালে। মালিকৰ 'সূৰুযমুখীৰ স্বপ্ন'ৰ এই অপূৰ্ব কাহিনীটো অধ্যয়ন কৰি আমি ক'ব পাৰো যে কাহিনীৰ ফালৰ পৰা এইখন এখন পূৰ্ণ উপন্যাস।

কাহিনীৰ পিছত আমি উপন্যাসখনৰ চৰিত্ৰৰ বিষয়ে ক'ব লাগিব। উপন্যাসৰ কাহিনীতকৈও চৰিত্ৰৰ গুৰুত্ব অধিক। অনেক ঔপন্যাসিকে নামমাত্ৰ কাহিনীৰ আলম লৈ কেৱল চৰিত্ৰ সৃষ্টিতে মনোনিৱেশ কৰে। কাৰণ উপন্যাসৰ শ্ৰেষ্ঠত্ব নিৰ্ভৰ কৰে চৰিত্ৰৰ ওপৰতহে, কাহিনীৰ ওপৰত নহয়। উপন্যাসৰ চৰিত্ৰ বাস্তৱ জীৱনৰ পৰাই লোৱা হয়। পাঠকে উপন্যাস এখন অধ্যয়ন কৰিয়েই এই কথাটো উপলব্ধি কৰে। সাহিত্য হৈছে সমাজৰ দাপোনস্বৰূপ। এই সাহিত্যৰ এটি অপৰিহাৰ্য অংগ উপন্যাস। গতিকে উপন্যাসৰ চৰিত্ৰসমূহত সমাজৰ বাস্তৱ ৰূপ প্ৰতিফলিত হোৱাটো স্বাভাৱিক। এজন সাহিত্যিক সমাজত বাস কৰে বাবে তেওঁৰ চাৰিওফালৰ মানৱীয় ৰূপসমূহ উপন্যাসৰ চৰিত্ৰসমূহত প্ৰকাশ পায়। মালিকৰ 'সূৰুযমুখীৰ স্বপ্ন' উপন্যাসৰ মুখ্য চৰিত্ৰ গুলচ, চেনিমাই, কপাহী, তৰা আদি অধ্যয়ন কৰি থাকোতে এনে লাগে যেন এই চৰিত্ৰসমূহৰ লগত আমি ভালকৈ পৰিচিত। আমি দৈনন্দিন জীৱনত এনে চৰিত্ৰৰ সৈতে খকা-খুন্দা খায়েই থাকো। এই চৰিত্ৰবোৰতে আমি বিচাৰি পাওঁ বাস্তৱিকতা। এইখিনিতে এটা কথা ক'ব লাগিব যে— উপন্যাসৰ চৰিত্ৰসমূহ বাস্তৱ জীৱনৰ পৰা আয়ত্ব কৰা হয় যদিও চৰিত্ৰসমূহত কল্পনাৰ প্ৰলেপ থাকিবই। কিয়নো সাহিত্য ৰচনা হ'বলৈ কল্পনা লাগিবই। ড° উপেন্দ্ৰনাথ গোস্বামী দেৱে সাহিত্যত কল্পনাৰ মূল্য বুজাবলৈ গৈ কৈছে— 'কল্পনা নোহোৱা ঠাই স্বাৰ্থপূৰ্ণ আৰু কল্পনা শূন্যতাই মৃত্যু। কল্পনা নহ'লে আমি পদুমৰ সৌন্দৰ্য দেখা নাপাওঁ, চৰাই চিৰিকতিৰ গানো নুশুনো। কল্পনা নহ'লে বসন্তৰ মলয়াত আমাৰ হিয়া নাচি নুঠে। ইজনে সিজনৰ প্ৰতি দেখুওৱা মৰমো কল্পনাপ্ৰসূত।'

বাস্তৱ চৰিত্ৰত কল্পনাৰ ৰহন সনা সাহিত্যিকৰ অন্য এক বিশেষত্ব। আমি ক'ব পাৰো যে উপন্যাস হিচাপে 'সূৰুযমুখীৰ স্বপ্নৰ' মূল্য বহুত বেছি বাস্তৱ। উপন্যাসখনৰ মুখ্য চৰিত্ৰ যি কেইটাই নহওঁক, উজ্জ্বল চৰিত্ৰ বুলি ক'লে গুলচ, কপাহী, তৰা আৰু চন্দ্ৰৰ কথাই ক'ব লাগিব। এই চৰিত্ৰকেইটাই উপন্যাসখনৰ পৃষ্ঠাই পৃষ্ঠাই পাঠক ৰাইজক এক অম্লমধুৰ ৰস-মাধুৰ্যৰ আচ্ছাদন দিছে। গতিকে পাঠকে ক'বলৈ বাধ্য যে চৰিত্ৰ ৰূপায়ণৰ ফালৰ পৰা 'সূৰুযমুখীৰ স্বপ্ন' এখন পূৰ্ণাংগ উপন্যাস।

'সূৰুযমুখীৰ স্বপ্ন'ৰ কাহিনী আৰু চৰিত্ৰৰ কথা কোৱাৰ লগতে আমি কাহিনী আৰু চৰিত্ৰৰ মাজৰ সম্পৰ্কৰ কথা ক'ব লাগিব। কিয়নো উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ সম্পৰ্ক অতি ঘনিষ্ঠ। এটাৰ অবিহনে আনটোৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। কাহিনী অবিহনে যেনেকৈ চৰিত্ৰৰ বিকাশ সম্ভৱপৰ নহয়, তেনেকৈ চৰিত্ৰৰ অবিহনে কাহিনীয়েও পূৰ্ণ পৰিণতি লাভ কৰিব নোৱাৰে। গতিকে উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ যোগসূত্ৰ ৰক্ষা কৰা এটা বিশেষ গুৰুত্বপূৰ্ণ কথা। উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ সমানুপাত ৰক্ষা কৰা অতি জটিল কথা। কাহিনীৰ ওপৰত অধিক গুৰুত্ব দিবলৈ গ'লে কাহিনীৰ গুৰুত্ব কমি যোৱাৰ সম্ভাৱনা আৰু চৰিত্ৰৰ ওপৰত গুৰুত্ব দিবলৈ গ'লে কাহিনীৰ গতিত আউল লগাৰ সম্ভাৱনা থাকে। প্ৰথমে উপন্যাসখনৰ কাহিনীত গুলচ আৰু চেনিমাই ওলাইছে। আৰু চেনিমাই আঁতৰি যায় অলপ সময়ৰ বাবে। কিন্তু গতিশীল কাহিনীটোত চেনিমাই পুনৰ ইমান সুন্দৰকৈ জড়িত হৈ পৰে। এইখিনিতে ক'ব পাৰি যে ঔপন্যাসিকে কাহিনী আৰু চৰিত্ৰ দুয়োটাকে অতি সুন্দৰকৈ উপস্থাপন কৰিছে। উপন্যাসৰ আন এটা উল্লেখযোগ্য উপাদান হৈছে পৰিৱেশ সৃষ্টি। উপন্যাসৰ পৰিৱেশৰ সৃষ্টি নাটকৰ পৰিৱেশ সৃষ্টিতকৈ জটিল। উপন্যাসৰ চৰিত্ৰৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, জীৱন-ধাৰণ প্ৰণালী, পাৰিপাৰ্শ্বিক অৱস্থা আদি সকলো কথা পৰিৱেশৰ অন্তৰ্গত। উপন্যাসত বৰ্ণিত ঘটনাৰ পটভূমিৰ লগত, বিশেষকৈ প্ৰাকৃতিক পটভূমিৰ লগত যথেষ্ট সম্পৰ্ক থাকে। 'সূৰুযমুখীৰ স্বপ্ন'ত ধনশিৰিৰ অপূৰ্ব সৌন্দৰ্যৰ বৰ্ণনা পাঠকে পঢ়িবলৈ পায়। অৰ্থাৎ প্ৰাকৃতিক পৰিৱেশ সৃষ্টিটো উপন্যাসখনে সফলতা লাভ কৰিছে।

উপন্যাসখনৰ এটা মনকৰিবলগীয়া দিশ হ'ল উপন্যাসখনত প্ৰকাশ পোৱা সামাজিক অৱস্থা। 'সূৰুযমুখী স্বপ্ন'ৰ সমাজখন আধুনিক শিক্ষাৰ ৰ'দ কাঁচলিৰ পৰা বহু নিলগত। আধুনিক শিক্ষাই ঢুকি নোপোৱা এই গাঁওখনৰ চিত্ৰ ইমান নিভাঁজ যে প্ৰতিজন পাঠকৰ মনৰ মাজত এই কাল্পনিক গাঁওখন বাস্তৱ হৈ পৰে। সমাজৰ শিক্ষাৰ পৰা বঞ্চিত লোকৰ মাজৰ পৰা মাজে মাজে 'চন্দ্ৰ' নামৰ গাঁৱৰ যুৱকজনে তাৰ অল্পবিদ্যাৰ কথা উনুকিয়াই থাকে। এটা কথা কোৱা আৱশ্যক যে আমাৰ সমাজৰ অল্পবিদ্যাৰ ভয়ংকৰ স্বৰূপ ধিতিঙা ডেকাৰ সৈতে চন্দ্ৰৰ বহুত পাৰ্থক্য। 'চন্দ্ৰ' সমাজ বিৱৰ্তনৰ কাৰ্যক্ষম কৰ্মী। ইয়াৰ উপৰিও উপন্যাসখনত গাঁৱলীয়া জীৱনৰ প্ৰতিফলন মন কৰিবলগীয়া। উপন্যাসখনত কিছুমান লোক বিশ্বাসৰ প্ৰতিফলন প্ৰত্যক্ষ কৰা যায়। এয়াই 'সূৰুযমুখীৰ স্বপ্ন'ৰ সামাজিক স্থিতি।

'সূৰুযমুখীৰ স্বপ্ন' মালিকৰ যে এক অনুপম সৃষ্টি, ইয়াত কোনো সন্দেহ নাই। তথাপি কিছুমান কাৰণত এই উপন্যাসখন সমালোচকৰ হাতলৈ নোযোৱা নহয়। উপন্যাসখনত গুলচ আৰু চেনিমাইৰ প্ৰেম, প্ৰেমৰ পৰিণতি স্বৰূপে শেষত দুয়োটাই গৈ সংসাৰ পতাৰ কথা উল্লেখ আছে। তাৰোপৰি গুলচৰ মাক বাপেকে কাঢ়ি নিয়াৰ পিছত চেনিমাইক ৰুগীয়া কলাইৰ সৈতে বিয়া দিয়াৰ কথাও কাহিনীত বৰ্ণিত হৈছে। এইখিনিতে কোনো সমালোচকে কয় যে— চেনিমাইৰ প্ৰসংগই উপন্যাসখনত অৰণ্যৰ ৰূপ ল'লে, য'ত গুলচ, তৰাৰ মূল কাহিনীটো গছ হৈ লুকাল। চেনিমাই চৰিত্ৰটোৰ জৰিয়তে ঔপন্যাসিকে গুলচৰ চৰিত্ৰটোকহে অধিক জোৰেৰে উপস্থাপন কৰিছে। সেই কথা 'সূৰুযমুখীৰ স্বপ্ন'ই দৃঢ়তাৰে প্ৰকাশ কৰিছে।


**সহায়ক পুথি—**

*চিন্তাৰ আভাস— ড° প্ৰহ্লাদ কুমাৰ বৰুৱা*


*সাহিত্য বিচাৰ— ৰামমল ঠাকুৰীয়া*

*সাহিত্য উপক্ৰমণিকা— মহেন্দ্ৰ বৰা*

*সাহিত্যৰ পটভূমি— বীৰেণ বৰকটকী*

# অসমীয়া কথাছবি
## এক চমু বিশ্লেষণ

**নীলাক্ষি বৈশ্য**
*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*



ভাৰতীয় মহাকাব্যিক বৰ্ণনা অনুসৰি সব্যসাচীৰ দৰে বিশ্বৰূপ দৰ্শনেৰে 'সঞ্জয় বদতি শুনা কুৰুপতি'। অৰ্থাৎ সঞ্জয়ৰ দূৰদৃষ্টিৰ সহায়ত ৰজা ধৃতৰাষ্ট্ৰই কুৰুক্ষেত্ৰ যুদ্ধৰ ঘটনা সম্পৰ্কে অৱগত হৈ থকা ধাৰণাই চলচ্চিত্ৰৰ অনুৰূপ। জীৱনৰ ৰং, সংস্কৃতিৰ প্ৰতিফলন, বাস্তৱ সমাজৰ প্ৰতিবিম্ব ইত্যাদি প্ৰতিফলিত হয় কথাছবিৰ মাধ্যমেৰে। সূৰ্য্য উঠা দেশত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে ৰোপিত কৰিলে চলচ্চিত্ৰৰ বীজ আৰু আৰম্ভ হ'ল অভিনয়প্ৰেমী দৰ্শকৰ হৃদয় শিপোৱাৰ প্ৰচেষ্টা।

'অসমীয়া আজি এখোজ আগবাঢ়িল' মন্তব্যৰে অসমীয়া ছবিৰ পিতামহস্বৰূপ সঙ্গীতজ্ঞ পৰমানন্দ আগৰৱালাদেৱে ১৯৩৪ চনৰ ১৫ জানুৱাৰী, পহিলা মাঘত ক্লেপষ্টিক টিপি সম্পন্ন কৰে অগ্ৰদূতৰূপী 'জয়মতী'ৰ শুভ মহুৰৎ। লক্ষ্মীনাথ বেজবৰুৱাৰ কাহিনী, একেধাৰে প্ৰযোজক, পৰিচালক, সুৰকাৰ তথা কলানিৰ্দেশক জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰচেষ্টাত 'জোনাকী ফিল্ম ডিষ্ট্ৰিউটৰছ্'ৰ সৌজন্যত 'চিত্ৰলেখা মুভিটন'ৰ পৰিৱেশনত 'জয়মতী'য়ে মুক্তি লাভ কৰে। ১৯৩৫ ৰ ১০ মাৰ্চত ৰসৰাজৰ পৌৰোহিত্যত কলিকতাৰ ৰাওনাক হলত 'জয়মতী'ৰ প্ৰথম প্ৰদৰ্শন হয়।

যিকোনো ছবিয়ে সমাদৰ লভিবলৈ হ'লে তাৰ মুক্তি হ'ব লাগিব অনুভূতিপূৰ্ণ শৈলীৰ আধাৰত আৰু প্ৰেক্ষাপট হ'ব লাগিব সাম্প্ৰতিক সামাজিক সমস্যা, ঐতিহাসিক জাগৰণ তথা মূল্যবোধৰ তীক্ষ্ণতা। দৰ্শকৰ অৰ্থে দৈনিক একঘেয়ামিত বিৰতি প্ৰদান কৰি বিনোদনৰ মাধ্যম ৰূপেও চিত্ৰ নিৰ্মাণত পৰিচালকে গুৰুত্ব প্ৰদান কৰে। শিল্পীসকলে বুঢ়া লুইতৰ পাৰৰ ডেকা-গাভৰুক অসমীয়া চেতনাৰে জগাবলৈ চেষ্টা কৰি আহিছে। মুক্তিৰ প্ৰাক্ক্ষণত হোৱা বিজ্ঞাপনৰ পয়োভৰে দৰ্শকে ছবিখন আদৰি লোৱাৰ পৰিমাপ নিৰ্ধাৰিত কৰে।

গীত আৰু কথাছবি নিবিড়ভাৱে সম্পৰ্কিত। গীত কেতিয়াও তাৎক্ষণিক বিনোদনৰ আহিলা নহয়। সুধাকণ্ঠই সৃষ্টি কৰা সুৰৰ লহৰে প্ৰাণ পাই পুৰুষে পুৰুষে। 'জয়মতী'ৰ সংগীতৰ কথা বেজবৰুৱা, ভৰত বৰপূজাৰী, চন্দ্ৰকুমাৰ আগৰৱালা আদি ব্যক্তিৰ। পৰৱৰ্তী কথাছবি 'ইন্দ্ৰমালতী'ৰ জৰিয়তে কণ্ঠক বাহনৰূপে লৈ জনতাৰ হৃদয়ত প্ৰৱেশ কৰে গণশিল্পী ড° ভূপেন হাজৰিকাদেৱে। তেখেতৰ কণ্ঠৰে মুখৰিত 'বিশ্ব বিজয়ী নৱ জোৱান...', 'অগ্নিযুগৰ ফিৰিঙতি

মই....'ৰ দৰে গীতসমূহে শিল্পী মনক সৰ্বদা জীপাল কৰি তোলে।

ফণী শৰ্মা, নিপ বৰুৱা আদি ব্যক্তিৰ সুনিপুণ পৰিচালনাত মুক্তি লাভ কৰা কথাছবিসমূহে চলচ্চিত্ৰ উদ্যোগটোলৈ আশাৰ বতৰা কঢ়িয়াই আনে। এই সুঁতিক বৰ্দ্ধিত ৰূপ প্ৰদানৰ অৰ্থে ১৯৬৮ চনত স্থাপিত হয় 'জ্যোতি চিত্ৰবন'। ড° ভবেন্দ্ৰনাথ শইকীয়াৰ পৰিচালিত মুঠ আঠখন চলচ্চিত্ৰৰ সাতখনেই শ্ৰেষ্ঠ অসমীয়া ভাষাৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। তদুপৰি অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ ওপৰত হেম বৰা নিৰ্মিত 'সংকল্প', প্ৰতিমা পাণ্ডে বৰুৱাৰ জীৱনৰ আধাৰত প্ৰবীন হাজৰিকা পৰিচালিত 'হস্তীৰ কন্যা' আদিৰ দৰে ছবিয়ে অসমীয়া বোলছবি জগতখনক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। 'ডা° বেজবৰুৱা', 'আজলী নবৌ', 'জীৱন বাটৰ লগৰী'— এনেধৰণৰ কথাছবিয়ে ছবিগৃহত লাভ কৰা সঁহাৰিৰ বাবে উদ্যোগটোত বাণিজ্যিকভাৱেও ধনাত্মক প্ৰভাৱ পৰিছে।

অসমীয়া চলচ্চিত্ৰৰ পয়সত্তৰ বছৰ ব্যাপ্ত দীঘলীয়া পৰিক্ৰমা সত্বেও ই উদ্যোগ হিচাপে গঢ় ল'বলৈ আজিও সম্পূৰ্ণ সমৰ্থ নহয়। এই সন্দৰ্ভত আমাৰ এই চমু লেখাত কিছু দিশ চালি-জাৰি চোৱাৰ ধৃষ্টতা কৰিলো—

**বাণিজ্যিক দিশ ঃ** এখন ছবিৰ লাভালাভ নিৰ্ণয়ত ছবিখন প্ৰস্তুতিৰ সময়ৰ নিৰ্দ্ধাৰিত বাজেটত প্ৰযোজকৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। চৰকাৰী নীতি অনুসৰি ছবি প্ৰদৰ্শনৰ বাবদ চিত্ৰগৃহৰ মালিকে প্ৰতি টিকটৰ বিনিময়ত প্ৰযোজকক দিব লাগে মাত্ৰ আশী পইচা, যাৰ লগত জড়িত থাকে ডিষ্ট্ৰিবিউটৰছ গৰাকীৰ প্ৰাপ্য অংশও। এনে নীতিয়ে প্ৰযোজকক ছবি নিৰ্মাণৰ প্ৰতি কেতিয়াও উৎসাহিত কৰিব নোৱাৰে।

**কাহিনীৰ গতানুগতিকতা ঃ** কাহিনীসমূহৰ পটভূমি পৰিৱৰ্তিত নহ'লে ছবিৰ প্ৰতি দৰ্শকৰ বাঢ়ি আহে উদাসীনতা। এইক্ষেত্ৰত প্ৰয়োজন গতিশীল নতুনত্বৰ। কাহিনীৰ লক্ষ্যই কেৱল অসমীয়া দৰ্শকৰ সীমা অতিক্ৰমী অনা-অসমীয়া চামলৈ, লগতে নতুন প্ৰজন্মকো সামৰি ল'ব পাৰিব লাগে। গুৱাহাটীৰ গ'ল্ড ডল্বি ডিজিটেল প্ৰযুক্তিৰ হলটোত ৪ ফেব্ৰুৱাৰী, ২০১১ তাৰিখে মুক্তি লাভ কৰা 'ৰামধেনু'ৰ জনপ্ৰিয়তাৰ কাৰণবোৰৰ ভিতৰত নতুনত্ব আনিবলৈ কৰা যত্নও অন্যতম।

**মৌলিক আৰু গুণগত মান ঃ** গুণগতভাৱে কথাছবি এখন মৌলিক হোৱাটো প্ৰয়োজন। হিন্দী ছবিৰ অনুকৰণত নতুন অসমীয়া ছবি নিৰ্মাণতকৈ কাহিনীত নিজস্বতা থকাটোহে জৰুৰী।

**দৰ্শকৰ সঁহাৰি ঃ** দৰ্শকৰ সঁহাৰিৰ বাবে ছবিখনত বিনোদনৰ ব্যৱস্থা থাকিব লাগে। শেহতীয়াভাৱে, নানা ভি চি ডি, বিভিন্ন 'চিৰিজ'ৰ কেছেট আদি বজাৰত সহজে পাব পৰা হৈছে। এই নতুন ধাৰাটোৱে ন-শিল্পীসকলক সংস্থাপনৰ ব্যৱস্থা দিছে সঁচা। কিন্তু সাধাৰণ দৰ্শকে ভি চি ডি সমূহ আৰু পূৰ্ণ চলচ্চিত্ৰ এখনৰ প্ৰভেদক চিনিব পৰা নাই। কেছেটসমূহৰ দৰে ছবি এখনো ঘৰৰ চাৰিবেৰৰ মাজত সহজলভ্যতাৰে চাবলৈ দেখুওৱা আকৰ্ষণৰ ফলত ছবিগৃহত দৰ্শক হ্ৰাস পাইছে।

**কাৰিকৰী দিশ ঃ** দৃশ্যগ্ৰহণৰ পৰা আৰম্ভ কৰি প্ৰদৰ্শনৰ ব্যৱস্থালৈকে সকলোতে অসমীয়া কথাছবিত কাৰিকৰী দুৰ্বলতা বিৰাজমান। অপৰ্য্যাপ্ত ছবিগৃহও এটা সমস্যা। চলচ্চিত্ৰ প্ৰদৰ্শনৰ সুবিধা পূৰ্বৰ এশ সত্তৰপৰা এশ আশীটা কথাছবি কেন্দ্ৰৰ ভিতৰত বৰ্তমান মাত্ৰ আঠসত্তৰটা কেন্দ্ৰতহে উপলব্ধ।

**বিজ্ঞাপন ঃ** সাম্প্ৰতিক সময়ত প্ৰচাৰমূলক পদক্ষেপে কথাছবিৰ ওপৰত বাৰুকৈয়ে প্ৰভাব পেলায়। বিজ্ঞাপনৰ অভাৱত কেতিয়াবা এখন সফল কাহিনীৰ পৰিকল্পিত চলচ্চিত্ৰয়ো দৰ্শকক আকৰ্ষণ কৰিব নোৱাৰে। শেহতীয়াভাবে 'অহিৰ ভৈৰৱ' কথাছবিখনৰ কথা ক'ব পাৰি। ইয়াৰ সমগ্ৰ দৃশ্যগ্ৰহণ লণ্ডনত কৰা হৈছিল যদিও প্ৰচাৰৰ ক্ষেত্ৰত কথাছবিখনৰ বিফলতাই দৰ্শকক ছবিঘৰলৈ টানিব নোৱাৰিলে।

আমি হলিউডৰ চিকুৰেন্স চাই শিহৰিত হওঁ। বলিউডৰ কাহিনীয়ে আমাক টানে ছবিঘৰলৈ। তেনেস্থলত অসমীয়া ছবি উদ্যোগেও দৰ্শকক টানিবলৈ প্ৰচেষ্টা গ্ৰহণৰ সময় আজি। গণশিল্পী ড° ভূপেন হাজৰিকাদেৱৰ ভাষাৰে—

*"ভুল যদি হয় সৃষ্টিত মোৰ*
*তুমি হোৱা চিন্তিত*
*সমালোচনাৰ অগনিৰে পুৰি মোকো কৰা উন্নত।"*

এই মনোভংগীৰে পৰিচালিত হৈ প্ৰত্যেকজন প্ৰকৃত শিল্পীয়ে ভৱিষ্যতলৈও চেষ্টা অব্যাহত ৰাখিব লাগিব চলচ্চিত্ৰ জগতৰ উৎকৰ্ষৰ অৰ্থে। জ্যোতিপ্ৰসাদে আৰম্ভ কৰা এই গতিধাৰা অক্ষুণ্ণ ৰাখি নতুন শিল্পীসকলে স্বতঃস্ফূৰ্ত আংগিক আৰু কলা-কুশলীতাৰে উদ্যোগটোক প্ৰদান কৰিব লাগিব দৰ্শকক ছবি গৃহলৈ টানি অনাৰ সামৰ্থ্য।

*কৃতজ্ঞতা ঃ ছবিজগতৰ লগত জড়িত বিশিষ্ট মহিলা তথা প্ৰতিষ্ঠিত অভিনেত্ৰী জেৰিফা ৱাহিদৰ ওচৰত লেখিকা কৃতজ্ঞ।*

# SAURAV KUMAR CHALIHA
## AN UNUSUAL STORYTELLER, A SUAVE MODERNIST

**Dr. Garima Kalita**
*Asst. Professor, English Deptt.*

The narrator's chief purpose is to instruct and also to delight. For almost every narrator the tale is the crux, the mainstay – In the process of narration, 'what' becomes more important than 'How'. The story, the essence, as it were, holds fast to the genre, the linearity or the development from A to B or A to Z. the story teller weaves one string to the other, back and forth and one to another and this is the way it gains momentum. Then there are twists, crises and a culmination. To say generally, this seems to be the pattern.

Where do we place a narrator like Saurav Kr. Chaliha, who does not spare an inch for linearity or culmination as an inevitable resting point before the ending. He begins a story headlong in the middle, tarries there for a considerable length – in fact he moves around the topic in a circular manner, around and beyond the centre, he elaborates and expands. Take for instance the story, "Till the Bus Arrives". Here nonchalant, nondescript characters wait impatiently at the bus stop and break into conversations to dissolve monotony, boredom and the sense of ennui that permeate the characters. A chat vendor is at the centre, he epitomizes everything lazy and drool in the ambience. Until the bus arrives, time stands still, but the microscopic moment is let loose, or regulated as the ambience demands. The time indicator, the clock is the vendor, who at this present moment is in stasis, but the moment the school bell rings to inform the end of classes, the vendor springs to action- the narrator describes how the vendor with a deft hand start preparing the chats with ingenious masalas, surrounded by the young eager girls of the school. Many stories of Chaliha do not expand beyond the moment. The moment becomes the essence of all realization, speculation and contemplation. Life's diversity is observed in its minutest detail, a microscopic image – the interior monologue of the protagonist, which is written in the sphere of that moment. Stories like "In the Hair dressing Salon" or "In the Studio" are magnificent crafts like miniature paintings with smallest of details crafted with ease and flaw les graphic delineation. In between, the dispassionate commentary of the diegetic narrator works like



*The fact that Saurav Kr. Chaliha was a voracious reader and observer of human life and episteme brigs our focus to the influences he must have been prone to in his forms of literary expressions. Though his confessions about life and writing were never straight because at moments he had to undergo complex and awkward experiences regarding personal and literary identity, he referred to some literary giants like Issac Asimov and Garcia Marquez, who at moments inspired him to write and think.*

underlining bold precepts. Life's truths or veritable emotions are dilated for some extrapolation, some heightening.

Going by the infinite number of subjects Chaliha deals in it is virtually impossible to refer to all the nuances of his style that accommodates them but a glaring phenomenon of his narration is that the eye of the storyteller does not escape, the concentrating gaze sweeping over the details of life, living and reflection. The story teller speaks of the 'moment' – the epiphanic state which he marvelously condenses, dilates and in a flash like illumination achieves the miracle, the culmination which is, as in O Henry, the climax. Saurav Kr. Chaliha has written some of the best short stories in Assamese. His pace is quick yet smooth, the subject correspondingly responds to the form and the form to the subject. In the process the essential format of the story reads like a monologue; the protagonist narrates the ambience in breathless speed – the people in the backdrop. Every reflection is given room too, the narrator's voice is the most important voice and in sceptic cynicism he captures the foolhardy attempts of the 2nd protagonist – Benu Misra in "A Game of Chess" (Ehat Daba). The ironical gaze of the first person narrator represents the ease and comfort of the privileged class.

In 'Barcarole' the evensong at a Venice Gondola becomes the evensong at a Guwahati dustk- the changeover of the stark sunshine changing to the glaring light of the neon bulbs and the twinkling stars in the sky becomes a fantasy world. The master storyteller, curiously famous for his ironical gaze, evidenced in the story "Golam", shifts our focus to the sense of other worldliness which makes the mundane extraordinary. The 'little people' of this small world are represented by small characters like Pranab, Uma, mama, the impassive yet the stoic mother and with them and around them their ambience. The exquisite ease with which the narrator draws the evening in the metropolis in Europe in a parallel vein with the evening in our small town is really marvellous and it speaks of the adroit gait of a language which is completely mastered by the craftsman.

In 'Bina Kutir' (The House of Jasmine), one of the best narratives of Saurav Kr. Chaliha, the old dilapidated building with the jasmine bower in front is the protagonist and the narrator most meticulously gathers materials and reconstructs the story of the house – with the family members of the owner, a dedicated teacher with his legacy of values and sacrifice which does not find appropriate responses from all his grown up children. The story captures the decadence and corrosion of human values in the wake of merciless commercialism, craving for profit and prioritization of self over family and social concerns. The house itself epitomizing the mystique, nostalgia, memory and desire of a bygone era stands as a condensed, potent metaphor of love, romance and sanctity of life. The upward climb of the narrative is stalled at the end, when the culmination is exposed in the form of bathos and the meticulously woven spiral of eternal romantic falls with a thud-the pungency of realization brings home the fact the monetary consideration has the last laugh over love, relationship and genuine human emotion.

The fact that Saurav Kr. Chaliha was a voracious reader and observer of human life and episteme brigs our focus to the influences he must have been prone to in his forms of literary expressions. Though his confessions about life and writing were never straight because at moments he had to undergo complex and awkward experiences regarding personal and literary identity, he referred to some literary giants like Issac Asimov and Garcia Marquez, who at moments inspired him to write and think. It is not known whether he was influenced by magic realism, but his involvement with the narrative, the special capability that he showed in delineating the ambience with all its details, the creation of the confined aura distinct to its own, and the characters heavily drawn, magnetically to the ambit point to his affiliation towards this kind of narration.

Elsewhere, in a separate analysis I had tried to see the stories of Saurav Kr. Chaliha with the short narratives of Gorge Luis Borges and studied the diversities of their wondrous tales on the same plane. Both of them, as I tended to see, used their background in a magically marvellous manner and also, used the device of alienation or defamiliarization to turn the ordinary into something fantastical, to imbibe the ambience with an extraordinary aura. The reader is mesmerized into the setting, the background of the story, and in few tales, description of the detail restructures the outer cover or the exterior. In the expertise telling, in the middle of the development, whether cyclical or linear the climax occurs. In some stories like "Beethoven", "In the Studio" or "The Last Request" the climactic moment is also the moment

of epiphany and the story ends with the gradual trailing of sound or emotion, whichever is applicable. The realization of this moment, becomes the core reading of the whole apparatus, which incorporates the basic parameter of 'intertextuality' as Chaliha in efficient ease and erudite shift of focus delves into the various 'ambiences' in the same story, woven with succeeding promptness.

Numbers of essays can be written on the planes of suggestiveness of his stories or his words and lines. Chaliha himself was aware of those moments of suggestion, impact, the twilight half shadowy states of interceptions between words and sounds. One intense tale of this crisscrossing is "The Sound" (Aawaj). The superfluity and excess of focus on sound in this story is contradictorily placed by the total absence of it in the tale of the deaf musician "Beethoven". Chaliha was not supposedly interested (as he said) in the currents of psychoanalysis or the wringing of the 'mind'. Maybe he decried Freud, but the processes of the mind, currents and responses of stimuli, all so deftly reflected in his tales and human situations, point to his mastery of delineation of the psyche and curiously almost all stories of Saurav Kumar Chaliha read like interior monologues fed integrally by flashes and images of 'close association'. In fact, as many would tend to confirm, the visuality of his stories has at times conferred upon them a cinematic quality, a priority to read them as montages.

But surprisingly, technicality is not the only forte of this master craftsman. Though the surface of the stories is plain suavity, a sophisticated urbanity permeates through the tales, poignancy of human emotion, accentuated by his oblique perspective, tends to shower and moist the ground for further realization of states like longing, love, disillusion and disappointment. But in stories like "In the Night Train" (Ratir Rail) the reflection of life and living has transcended into passive resignation and indifferent reception. The protagonist of this story, Junu Goswami, resembles Nupur of "The Binoculars" (Durbin) in his qualms of conscience, but they are distinguished from one to the other by calm complacence and restless lack of direction. One has arrived at a state of repressed solace but the other is relentlessly in the quest for shelter and calm. The spiral stairways in 'Durbin' indicating breathless climb down or climb up may be posited along the spiral movement of the train by night in 'Ratir Rail'. While the eminent critic Dr. Hiren Gohain has termed the latter story as a poignant saga of selfless resignation and a state of ascetic indifference he has denounced the blatant use of slang and sloppy sexual fervor exuded in the former one. Maybe an ardent admirer of Saurav Chaliha would seek to justify the use of such language in the creation of a typical ambience of which he was second to none in Assamese literature. Without promoting any controversy, it must be asserted that though the storyteller never vouched for a specific class in his statements about literature and writing, he was especially adept in portaying the sensibility of the urban middle class, their hypersensitivity, skepticism, cynicism and social consciousness. Of course for the reflection of the socio economic and cultural scenario of the nineteen sixties in Assam Saurav Chaliha remains the sole interpreter with chiseled intelligence, nuanced human values and a detached ironical gaze. The infinite variety of Assam's civic life finds varied reflection in the portrayal of lives of the little people, the petty bourgeois, their aspiration and pang, both personal, social and political and economic. Saurav Kumar Chaliha has scripted the condition of the Assamese middle class in the manner of realistic portrayal and that quality has bestowed a sense of commitment on his writings. He is not a social reformer but that gusto and spirit of an activist is evidenced in his practical narratives of nonfiction type. His radical essay on the beautification of Guwahati city is one prime example. The predicament of a confused soul in the wake of global terrorism and other social evils that destroy the traditional foundation of simple living is evident in another sensitive essay, "Bhal Khabor" (Good News).

Despite attempts at unravelling the mystery behind the author who was erudite but noncommittal regarding personal affiliations and scope of interest, Saurav Kr. Chaliha succeeded in maintaining that aesthetic distance that made him one of the great voices in literature who liked to be known through their works, who triumphed over daily mundane lives, and who kept the personal for private and who perhaps believed in the infinitesimal reflections of the prism of Life, 'The Aleph' as termed by Borges, the Latin American revolutionary in magical structuring of words. Saurav Kr. Chaliha too evoked magic, a sort of fabulous engineering of forms and semantics, thought and feeling, reception and creativity and knowledge and wisdom.

# THE POETRY OF BEZBARUA AND CHANDRAKUMAR
## Voices of the Time

**Dhrubajyoti Das**
*Asstt. Professor, English Deptt.*

Assamese language seems to have experienced its development simultaneously with the society and acquired its typical nuances and the potency to create genuine literature during the fourteenth century through the erstwhile poets like Hem Saraswati, Rudra Kandali, Harivar Bipra, Kaviratna Saraswati and Madhav Kandali. This literature, however, reached its high water-mark of excellence in the hands of the Vaishnava poets of the subsequent century led by Sankaradev to post-Vaishnava literature (1650-1826) of the fag-end of Ahom reign. As has been observed this trend of literature started deviating towards the later part of the period and the literature took a complete shift from existing character as and when Assam came under direct control of the British according to the Yandabo pact in 1826. In the later course, the province, at the end of more than thirty years of struggle and strife, experienced a new literary upsurge. The revival of Assamese literature, during the nineteenth century, in fact, can by no means be called the resurrection of the earlier literature of Vaishnava cult and its aftermath. It was rather a product of new thoughts and feelings imbibed with the western secular humanist propagations avowed by English Romantic writers. Thus Romantic poetry in Assam was an entirely new import and was completely different from the medieval Assamese poetry; and the perspectives of this new intellectual movement in Assam had similarities more to the European, especially English Romantic Movement than to any earlier Indian literary Movement.

Modern Assamese poetry achieved its grandeur through the creations of the poets of the 'Jonaki' group. The seed of Romanticism was sown through 'Orunodoi' and it started germinating in the works of the 'Jonaki' poets. 'Jonaki' since its inception in 1889, had initiated relentless effort inspiring a unique literary movement through which Assamese literature directed its course. It also served as a channel through which Assamese literature received western thought especially of English. Needless to say, like the English Romantic period, the 'Jonaki yug' of Assamese literature had accepted poetry as its central mode of expression. Lakshminath Bezbarua and the galaxy of poets accompanying him had proved their stupendous efficacies in this area. Bezbarua having a sensitive mind and also a very artistic soul, sould accomplish the western Romantic ideal that was the voice of the time in this territory. Together with Chandrakumar Agarwala, Bezbarua made a successful endeavour of making Assamese poetry more folk-material oriented in the form of lyrics and ballads. As a result, the Assamese poetry reached the Romantic height and a secular form to be adopted by their contemporaries and successors.

Bezbarua excelled in synthesizing the matters from different sources and made them into a unique whole. His poem 'Priyatama' is a synthesis of three particular sources: Herrick's "The Rock of Rubies and the Quarters of Pearl", Campion's "Cherry Ripe" and the Assamese folk-songs. The poem 'Malati' is also an example of his excellent power of synthesis. The reading of the poem leaves and impression of a folk-song. The following lines of the poem also remind us the image of Wordsworth's 'Lucy' :

*Luitar Kuwari Nahay oi Malati*
*Nahay teon phulare rani*

: Neither the princess of the river Brahmaputra
Malati,
Thou art nor the queen of the flowers. (Trans. Mine)

**And,**

*Nusunga phultir Nuphula kolitir*
*Malati tulana pai*

: with the unsmelt flower
And the bud not yet in bloom
Malati can be compared. (Trans. mine)

After Wordsworth, Bezbarua was greatly influenced by William Blake and P.B. Shelley. Shelley's influence can be traced on his poems entitled 'Abasesh' (The Residur) and 'Chuma' (The Kiss). In the last two lines of 'Abasesh' Bezbarua expresses the same note of Shelley's famous line 'Music, when soft voices die'. 'Chuma' is simply an adaptation of 'Love's philosophy' by Shelley. Here one can hardly feel the Shelleyan impulse. The poetic idea is steeped in the typical Bezbarua freshness and lightness of touch. Bezbarua, like wordsworth and Blake, is a spiritually oriented nature poet. For him, man and nature are complementary to each other. He cannot imagine a natural world without man. In the manner of Blake, he conjures everything of nature as significant. Blake wrote in his 'Auguries of Innocence':

To see a world in a grain of sand
A heaven in wild flower
Hold Indinity in the plam of your hadn
And Eternity in an hour.

*Bezbarua's oft-quoted lines adhere apparently the similar nuance –*

*Batar dubari ban gasakar para*



*Taro eti pate diye swaragar batara*

:The leaf of 'dubari' grass
Eternally trodden in the street,
Conveys the message of heaven. (Trans. Mine)

Bezbarua, as a student of English literature, was steeped in the Romantic poetry. He absorbs the images of the English poets and uses them as his resources to make the poem entirely his own. Thus his poetry is characterized with individuality and freshness. Even his imitative poems are greatly moved by originality. He discovered his country's past which derives from the richness of the myths and fables. Being idealized with Romantic doctrine Bezbarua wrote some sould stirring poems on the past history of the country and praised the grandeur of the national heritage. His poetry does not suffer from pessimism. Rather it expresses strong optimism imbibing nostalgic sensibility. In 'Bin-Baragi' he writes :

*Natun Pranar / Na chakujuri*
*Dipti dhali de tat, / Purani prithiv*
*Na-koi Chai lao/ He Bin! Eshari mat.*

: Pouring out brightness
Into the new eyes of hearts
And make us see the old world anew
O Iyer! Sing thy divine song. (Trans. Mine)

This idea found expression in Wordsworth too while he conveys deep veneration to the glory of past. How he acutely feels the need of a senior poet like Milton who as he reckons could make the readers realize about the 'heroic wealth' of England, can be justified through the following lines from his famous poem 'The Same':

Milton! Thou should be living at this hour:
England hath need of thee! She is a fen
Of stagnant waters alter, sword, and pen
Fireside! The heroic wealth of hall and bower.

Like Bezbarua, Chandrakumar Agarwala is a high priest of Romanticism. One of the most conspicuous characteristics of Chandrakumar's poetry has been humanism. He is greatly influenced by the French philosopher August Comte on this surface. "Live for others" is the Comtean motto and Chandrakumar soothes his soul preaching the same throughout his poetry specially those which cherish deep faith in existence of God within the universal man. The nineteenth century intellectuals were enlightened with the possibility of new constructive humanistic philosophy coming out as a result of conflict between old tradition and new drift of idea. Life, in nineteenth century, with its diverse contours, claimed a fully new approach.



Chandrakumar avows that man possesses endless possibilities. The poetry of Chandrakumar recognizes the dignity and equality of man-the universal man who sustains the eternal power and pervading nature to create and control all reality. He believed the Tennyson's evocation that man to be the "roof and crown of all things." He writes in 'Manav-Bandana' (Glorification of Man):

*Manuhei deva, manuhei seva,*
*Manuh bine nai keve.*
*Kara, kara puja padya-arghya loi*
*Jai jai manav deva!*

: Man himself is the worshipper
And the worshipped
None else but he,
Worship him, then, with flower and offerings
And sing his glory. (Trans. Barua. B.K.)

So had Wordsworth manifested the thought in his 'The Prelude':

My theme
No other than the very heart of man.

Chandrakumar Agarwala is a keen believer of true human egalitarianism. In him we see a poet-prophet as precisely found in Blake, Wordsworth and Shelley. His minstrel sits on the same pedestal where Prometheus of Shelley belongs. Both the ideologies have endorsed a common prophecy. In his poem, 'Bin-Baragi' (The Minstrel), Chandrakumar preaches of the glory of love for man. The poet has also conferred upon man deep respect of extreme possibility. To this end his poetic ideology resembles with that of Blake too. Blake reckons that man is able "at will to murmur in the flowers small as the honey bee..." (The Four Zoas, Book II).

Chandrakumar has been a vigorous exponent of the sense of sympathy to the poor and downtrodden. He feels unhappy with the human nature that clings to sordid material pleasure. His poem, 'Bin-Baragi' carries and explicit urge of creativity. Like Shelley in his 'Ode to the West Wind', Chandrakumar seeks to destroy all the evils rampant in the society in order to create the new abode :

*Natun shristir arun kirane*
*Karok Sakalo Shuchi*

: Let the sunlight of new creation
Sanctify all. (Trans. Mine)

Chandrakumar has expressed realistic view regarding the fact of man's fall from the elevated position leading him self to painful experience. This romantic feature can be traced in his poem 'Bin-Baragi'. Though man has been blessed with a part of Omnipotent, yet he has made himself responsible for his sufferings and doom. Seeing how man has plunged himself into the grave of sorrows, he bewails :

*Manuhe manuhe paratkoi par,*
*Epheri maramo nai.*

: Man to man
Is the most alien
Of all
Without a little love. (Trans. Mine)

Here his ideas co-exist with Wordsworth's
And much it grieved my heart to think
What man had made of Main.

Such realization has also been found in Burns's poem 'Man was Made to Mourn' :

Man's inhumanity to man
Makes countless thousands mourn.

Like Keats and Shelley, Chandrakumar Agarwal reckons beauty as the eternal truth. He surmises that the world is full of beauty that only awaits acceptance from sensitive hearts. Such glorification of beauty is overtly traced in few of his poems like 'Madhuri' (Grace), 'Kishori' (The Teenaged Girl) Etc. which have precisely adhered a sense of "half-hidden" beauty in Wordsworth's 'Lucy'. His oft-cited poem 'Phula Sariyah Dara' (A field of Bloomed Mustard Plants) depicts splendidly the childhood memory and love of beauty that reminds us the delicate Wordsworthian lines –

And when my heart with pleasure fills
And dances with the Daffodils. (Daffodils)

In Chandrakumar Agarwala as in the English Romantics, an eternal note of melancholy has always been running through. 'Sandhia' (The Evening), 'Bimukh' (The Indifferent), 'Jugamiya Shok' (Eternal Sorrow) are some specimens of this kind. Poems like 'Prakriti' (Nature) and 'Jiwanar Dali' (The Target of life) reveal that he also suffered from the romantic discontent of the English poets. This realization in Chandrakumar, like the nineteenth century English poets, has emerged from the very sense of limitation of the ability to explain against vastness of aim and expectation.

The great impact of the English Romantic poets on Chandrakumar can be traced with precision in respect of nature philosophy. Following the Western trait, Chandrakumar has dealt with nature as the manifestation of subjectivity. He does not imagine of a world merely as projection of nature, but distinguishes his thoughts being projected in nature. He is endowed with the power of vivid description of objects, both natural and supernatural. Chandrakumar Agarwala pioneers in introducing the supernatural in the Assamese poetry. The nature rendering in 'Bankuwari' (The Woodnymph) is condensed and quaint with the beauty of supernatural vagueness. 'Jalkuwari' (The Waternymph) and 'Tejimala' are also two specimens of his poems where we witness his dexterity of combination of the mythical and supernatural. 'Tejimala' reminds us the treatment of the supernatural elements in Coleridge's 'Christabel' and Keats's 'Lamia' and 'The Eve of St. Agnes'. 'Tejimala' is the Assamese 'Lucy' so far as their nature longing is concerned. The concept of supernatural world of 'Tejimala' gives rise of the idea of our haunting habitat.

Lakshminath Bezbarua and Chandrakumar Agarwala, two precursors of the nineteenth century Assamese poetry, wrote under the influence of English Romantic poets. But the character of such influence was by and large unceremonious. During those days the Assamese poets were conscious of the tremendous task they had to accomplish in determining the true nature of the trend in literature. Like many others Lakshminath Bezbarua and Chandrakumar Agarwala were too striving for new ideal. This new lyrical impulse which was largely Romantic in character had sincerely been reckoned as the voice of the time. Though they pursued a borrowed creed towards life and human world, the values of the Indian Philosophy, were ever lying at the very root of their poetry. They embraced the exotic themes but retained the typical Assamese flavor in their expression.

***References :***

1. *Barua, Birinchi Kumar. Modern Assamese Literature. Bina Library, Guwahati, 1954 & 1995*
2. *Barua, Bhaben. Asomiya Kabita : Rupantarar Parbo. Grantha, Guwahati, 2002*
3. *Barua, Hem. The Red River and the Blue Hills. L.B.S. Publication, Guwahati, 1954*
4. *Bora, Mahendranath. Ramanyasbad, Banalata, Dibrugarh, 1995*
5. *Bhattacharjya, P. K. Pacchatya Kavyadhara Aru Asamiya Kabita, Bina Library, Guwahati, 1992*
6. *Das, Narayan et al. Asomiya Sahityat Paswatya Prabhab, Chandra Prakash, Guwahati, 1994*

# WITCH-HUNTING
## A Sad Reality

**Dr. Phunu Das**
*Asstt. Professor, Education Deptt.*

At present, one of the most unpleasant deeds ever conmmitted by rational people since the dawn of civilizations is witch hunting. It is very common among the poor rural communities with little access to education, health, wealth along with standing beliefs in witch craft. The great great horror which accompanied results is that a lot of innocent women are butchered or burnt to death on the charge of witchery. These incidents usually take place in those villages where Scheduled Castes, scheduled tribes and most other backward people live and lack infrastructure facilities like good medical system, sanitation and other basic facilities. In these Communities, when an individual gets sick or harm befalls the community, the blame falls not upon a virus or crop disease, but upon an alleged witch. Accused women are often blamed for any misfortune such as natural disasters-draughts, floods, crop loss, illness or sudden death of a village child. Once a woman has been accused of witch craft inside her own community or society, it is very difficult for her to ever escape the stigma. The woman has to suffer serverely the rest of her life and she can be hurt at any time by ongoing public humiliations that range from public beatings, forced hair shaving and forced acts of physical tortured. The severity of deaths, due to allegations, are caused by extreme forms of acts like, beheading, Stoning, hanging, stabbing, poisoning or by being buried alive. As a result, a dozens of women die every year after being accused of witch craft and hundreds of others are torture. The so-called witches are very unfortunate inhabitants of the villages. Poor, low-caste, ugly or old are easy targets for naming as a witch. The deserted women/men, whom people often call "witches", know different art of healing a few Common diseases. It is also the Common belief of the villagers that these people are acquainted with some "black art" as well as some magical fits or enchantments by means of which they overcome some domestic problems and provide suitable means.

According to Kanchan Mathur, Professor of the Institute of Development Studies in India, "Women who are widowed, infertile, posses "Ugly" features or are old, unprotected, poor or socially ostracized are easy targets" stated in a recent report 2009.

The practice of witch-hunting is still rampant and now one of the social stigmas of our country. In Assam, the practice of witch hunting is prevalent in districts like Kamrup rural, Goalpara, Kokrajhar, Chirang, Baksa, Lakhimpur and Karbi-Anglong. The worst affected areas of Assam are Kokrajhar district and it seems to be more rampant among the Adivasi and Bodo Community. (Witch hunting incidents most take place in remote

areas of Assam with witch a few tribes and Adivasis.) It is surprising that even a section of educated people of these tribes still believes the existence of witch. Again, some kind of religious practices have been attached to the belief. On the other hand, there is hardly any presence of police administration, medical amenities. Due to absence of proper health care facilities in remote areas, the tribal villagers depend on sorcerers for curing diseases. The sorcerers, who practice with 'evil spirit' often, try to cover up their failure to cure diseases by putting the blame on a "Witch" in the village. This often leads to murder of innocent tribal women. This had created both panic and a sense of hopelessness among the family members of the victims. A long aged woman is an easy victim to be socially ostracized and condemned as a witch. There are lots of witch-hunting cases in Assam. As for example in March 2006, five members of a family in Sadharu tea estate in Biswanath Chariali of Sonitpur district of upper Assam were beheaded by fellow villagers.

Again on 10 June, 2008, four of a family was burnt alive by fellow villagers under the Biswanath Chariali police station, on the suspicion of witch craft.

In September 2008, Bishnu Roy and his mother, in Abhyapuri Police station of Bongaigaon district were targeted and attacked by a mob of 500-600 villagers on the suspicion of being witches.

In October 18, 2009 an adivasi couple of Gosaigaon sub-division in Kokrajhar district in lower Assam was brutally tortured with sharp weapons by their own Community because they came to be branded as witches.

In May 7, 2010 Jogen Boro and his wife were killed because of superstitions and beliefs of the villagers of Hardanguri in Udalguri district. The villagers suspected couple of practicising witch craft. In this wasy, altogether 40 people were killed in witch-hunting cases in the state in the last 3 years. (2008, 2009, 2010).

In the current year, on 16 August 2011, one woman identified as Birchi Munda was brutally murdered on suspicion of practicising witch craft. Another seven persons were injured and they were admitted to Nowgaon Civil Hospital. So it needs to be mentioned here that killings in the name of witch hunting have gone up in the state at an alarming rate.

On 15 september, 2011, one Purnima Boro was killed and two others were injured when miscreants attacked then suspecting them of being witches, at Niz-Sundarighopa village near Changsari.

The socio-economic status, illiteracy, backwardness of the tribal people in perpetuation with the state are the major reasons for such practices. Health care system, education infrastructure are also very poor in all tribal dominated areas in the state. Absence of doctors and other adequate medical facilities are also related to the problem as villagers are compelled to visit local quacks for treatment of different diseases.

The incidents of witch hunting in the state are becoming more complex day by day. Earlier, it was confined to tribes which practiced black magic. But today witch-hunting cases are also related to personal rivalry, grabbing of property or land.

Although, killing in the name of witch-hunting has gone up in the state, there is yet no proposal to adopt any tough law to deal with the cases witch-hunting, specially.

In India, Bihar was the first state to pass the prevention of witch (Dayan) practices Act. Of 1999. This was followed by Jharkhand's Anti witch craft Act. In 2001 along with the 2005/2006 Chhattisgarh and Rajasthan Laws. Very recently, on March 12, 2010, the Indian Supreme Court in New Delhi heard a petition called the "witch craft Act" that asked for local, regional cases with craft allegation to be allowed to entire highest apex court room within their region.

In our state also in 2001, Project Prahari was launched to fight witch hunting by uplifting the socio-economic status of the people and creating awareness among them. But the project had worked effectively till 2006. The Assam State Commission for woman has been undertaking several initial ties against witch humanity since 2008. The Commission has visited the affected areas and made a detailed study of the areas. The collective influence of illiteracy, poverty, superstition, lack of knowledge in health and hygiene and social customs are the core of the problem. At present, the commission has made a collaborated effort with the Assam Police to revive Project Prahari and has given a new name of Project Mother or Bima in Bodo.

গল্প

# সুভদ্রা জেঠী সংবাদ

**নাৰায়ণ তালুকদাৰ**
*সহকাৰী অধ্যাপক, হিন্দী বিভাগ*

আকাশখন ক'লা কৰি আইছি। বৈৰ্হান দিবা পাৰে। সংসাৰৰ প্ৰাণী গিলানৰ দুখত দুখী হৈ আকাশখানেও সেন চখুৰ পানী টুকাৰ আয়োজন কইছি।... আজি বৰেৰ পুৰাই মোৰ ভাই বোৱাৰী ঠুকাল। বয়স বেছি হৰা নাছিল। আৰে কুৰি হৈ গেইছিল মাত্ৰ। আমি কি কইৰ্বা পাৰু? ভগৱানৰ ইচ্ছাত আমাৰ দৰে নৰমনিচে কেন্‌কে বাধা দিবা পাৰে? চলি-পলি কেটাৰ দেখি চাবা নৰু, গটেকেটা ভাঙি পইচ্ছি মাকৰ দুখত। মাষ্টন্নী আছিল মোৰ ভাই বোৱাৰী। বেমাৰত পৰাৰ দিনৰ পৰা মৰাৰ দিনক লেগি ছোৱালী হাইস্কুলৰ মাষ্টৰ-মাষ্টন্নী আৰু ছোৱালী গিলখানে খবৰ কৰি আছিল। ভগৱানৰ অচ্‌ৰত পাথনাও জনেছিল— পাছে ভগৱানে কাৰো পাথনা নুশুনলাক্। চলি পলি কেটাৰ দুখত তাহাঁৰ দেউতাকেও মনে মনে চখুৰ পানী টুকা মই নিজ চখুইদি দেখ্‌ছু। চখুৰ পানী ধৰি ৰাখা আমাৰ দৰে বুৰা তিৰিৰ কাম্নে সম্ভৰে নহয়। এহাৰ বাহিৰে মোৰ নো আৰ্ কাই আছে? হে পৰভু জগন্নাথ, ৰক্ষা কৰা।

মাহ্নুৰ জীৱনত সুখ আছে না? মোৰ হলি নাই হেন লাগে। কিতাবা নামঘৰত বা অন্য জাগাত শাস্ত্ৰ পঢ়া শুনু। শাস্ত্ৰ পঢ়াওতাই কৰা শুনু— সুখ সুখ বুলি মাহ্নুই মিছাতে ঘুৰি ফুৰে, পাছে মাহ্নুই নাজনে যি সুখ হাততে আছে- মাত্ৰ বিচ্‌ৰিবা জান্‌লি হ'ল। স্কুলত পঢ়া চলি পলি গিলখানেও আটাহ পাৰি পঢ়ি থাকা শুনু— 'পৰৰ কাৰণে কান্দিব জানিলে কান্দোনতো সুখ পায়'। মহাত্মা গান্ধীৰ প্ৰিয় গীতত বুলে কৈছি যে আচল বৈষ্ণৱ বুলে সিহে যাই পৰৰ দুখ বুজি পায়, পৰৰ দুখ দুৰ কইৰ্বাৰ চেষ্টা কৰে।

কিতাবা ময়ো নিজৰ জীৱনটুৰ কথা ভাবু। মই জীৱনত কি সুখ পালু! শাস্ত্ৰ শুনাৰ পাছতো দেখু ভাববাৰ মন নাযে যি মই জীৱনত কিবা সুখ বিচ্‌ৰি পালো। 'ক'ৰ চুক কেটা চিনা নাপা মোৰ দৰে বুৰী বাৰী তিৰি এটাইনু জীৱনত কি সুখ পাবা পাৰে! তিৰি মাহ্নুৰ জীৱনটু বৰ দুখৰ বুলি কয়। সৰুতে আবুই কৈছিল— তিৰি মাহ্নু যিমানে আগবঢ়া নহক— এটা কথা মনত ৰাইখ্‌পি সেটু হ'ল— লাউ যিমানে ডাঙৰ নহক সদায় পাতৰ তল। গতিকে চাই চিতি চল্‌বি, জীৱনৰ বাট বুল্‌বি। আৰু এটা কথা শুনি থউ— তিৰি মাহ্নু কিতাও স্বাধীন হবা নৰে। সৰু কালত বাপাকৰ তলত, যৌৱন কালত মতাটুৰ তলত আৰু বুৰাকালত নিজৰে চলিৰ তলত থাক্‌পা লাগে। তিৰি মাহ্নু পানীৰ নিচ্‌না হবা নল্লি জীৱনত বৰ দুখ পাবা লাগা হয়। এই কথা খেনি সদায় মনত ৰাখ্‌পি বুইৎছা?

মই আবুহতৰ উপদেশ সদায় মানি চলছিলু। মাই-পিতেই যি কৈছিল তাকে মন দি শুনছিলু। মোৰ তলত আৰু পাঁচটা ভাই-ভনী আছিল। তাহুন মাই-পিতেক কিতাবা দিগদাৰ দিছিল। মই হলি ঘৰৰ ডাঙাৰ জী হিচাপে সদায় শান্ত আৰু নম্ৰ হৈ আছ্‌লু। মাই-পিতেৰ কথা বেলেগ, গাঁৱৰ সকালে সি মতাই হক বা তিৰিয়ে হক মোক বৰ ভাল পাইছিল, গুণী আৰু লক্ষী আপী বুলি কৈছিল।

লাহে লাহে দিন গিলখান পাৰ হৈ যাই আছিল। মোৰ বয়স ষল্ল' না সত্ৰ হৈছিল। মাই-পিতে মোৰ বিয়াৰ দিন ঠিক কইল্লাক্। দৰাৰ ঘৰ বাঁহজানীৰ অচ্‌ৰৰ গোৱালপাৰাত। দৰাই খেতি কৰে, ঘৰৰ অৱস্থা বুলে বয়া নহয়। মই আপত্তি নকইল্লু— কৰুৱে বা কেন্‌কে? চৰুক সুধি কুম্‌বাই চাউল বহাই না! মোৰ বিয়াত আবুই বৰ ফুত্তি কইচ্ছিল। অ' বিয়াৰ আগৰ পৰাই দি থাকা উপদেশ গিলখান বাৰে-বাৰে মনত ফেলে দিবা হলি পাহ্‌ৰা নাছিল।

সাধাৰণভাবেই মোৰ বিয়া হৈ গেল। জন্ম লাভ কৰা ঘৰখান মাই-পিতে, ভাই-বৈণী আৰু লগৰ আপী হাতক এৰি থৈ সবাৰ দুখত মই আটাহ পাৰি কান্দ্‌ছিলু। মাই আৰু আবুই চকুৰ পানী টুকি কৈছিল— আপী হৈ জন্ম লৈছা যিতা 'আক্‌দিনটো পতিঘৰক যাবাই লাগব'। সেখানহে তোৰ আচল ঘৰ আই। যা বাচা, দুখ নকইৰ্বি।

মাই-পিতে আৰু আনসক্‌লৰ আশীৰ্বাদ লৈ মই আপোন গাঁও জাগাৰা এৰি গোৱালপাৰা পালু যাই। নতুন ঘৰৰ নতুন পৰিৱেশৰ লগত মিলি যাবাৰ চেষ্টা কইল্লু। শহুৰ-শাহু, দেওৰ-ননদ সক্‌লোকে সন্তুষ্ট ৰাখাৰ চেষ্টা কইল্লু। দুই-তিনি বছৰ স্বামীগৃহত মোৰ দিন সুখেৱেই পাৰ হৈ গেল। মোৰ জীৱনৰ সক্‌লতকৰি সুখৰ দিন সেকেটাই আছিল নিশ্চয়।

মোৰ দুখৰ দিন আৰম্ভ হ'ল বিয়াৰ চাইৰ বছৰ্'ৰ পাছত। বিয়াৰ ইমান বছৰ'ৰ পাছতো চলি-পলি নহা দেখি সক্‌লে বু-বু-বা-বা কইৰ্বা ধইল্লাক্। মই বুলে বাজী, চলিৰ মাক হোৱা মোৰ কান্নে সম্ভৱ নহয়। মোৰ স্বামীৰ জীৱনটু ধ্বংস হৈ গেল। ইফ্‌লে শাহুক নাতি নহলি নাত্‌নি এটা লাগে। ননদ দুটায়ো মোক যা-তা কবা ধইল্লাক্। ইমানক লেগি ঠিকেই আছিল, পিছে মোৰ দুখৰ সীমা নহা হ'ল— যিত্তে স্বামীয়েও মোক অৱহেলা কইৰ্বা ধইল্লাক্। আৰু তিত্তেই মই সেই কঠোৰ সিদ্ধান্তটু লবাৰ বাধ্য হলু।

মোৰ কথা শুনি চবেই আচৰিত হ'ল। লগৰ সমনীয়া তিৰি গিলখানে কলাক বুলে— 'এই সুভদ্ৰা, তই কি কৈছায়ে? চলি পলি নহ'ল বুলি তই তোৰ মাহ্‌নুটু দ্বিতীয় বিয়া কইৰ্বাক লেগি কিয়া জোৰ দিছা? কুম্বাই নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰে নেকি? মই তাহাঁৰ কথাত কাণ নেদ্‌লু। শাহুই খুলা খুলি কৰি আক' নক্‌লিও মই কিবা নাজনুনা যি তেওঁক নাতি নহলি নাত্‌নি এটা লাগে। একদিন এৰোঁ মোক কলাক বুলে— শুভে, মই দ্বিতীয় বিবাহ নক্‌ৰাওঁ। চলি-পলি নহল, তাতে কি হ'ল? আমি এন্‌কেই থাকপ্‌া লাগব'। মই কলু বুলে— 'আপ্‌নাৰ মতে নহব। আপ্‌নি দ্বিতীয় বিবাহ কৰ্বাই লাগব্। মই কিবা শাহু আইৰ মনৰ কথা নাজ্‌নুনা। আৰু আপ্‌নাৰ মনেও বংশৰ পদ্দীপ নিবিচ্‌ৰা কৰি থাকা নাই।' স্বামীয়ে বেচি আপত্তি নক্‌ৰিলাক, মাত্ৰ কলাক্— 'তুমি যি দেখা কৰা, মোক কিন্তু পাছত দোষ নেদ্‌বা।'

*তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্তক নাৰায়ণ*
*তুমি নাথ মই নাথৱন্ত।*

মোৰ স্বামীৰ দ্বিতীয় বিবাহ হৈ গেল। আক্‌বাৰ বিয়া কৰা মাহনুক কাই ভাল আপী দিব? অচ্‌ৰৰে বলোৱাত কইনাৰ সন্ধান পাৰা গেল্। আপী কামে-কাজে ভাল, কিন্তু বয়স অলপ হৈছি আৰু বেঙী। শাহুই পহিলতে আপত্তি কইচ্ছিল, পাছে মইহে বুজালো বুলে 'তাই বেঙী হলি কি হ'ল? কামে-কাজে ভাল আৰু আপ্‌নাক নাতি এটা নিশ্চয় দিবা পাৰ্ব'। উপায়-নেদ্‌খি শাহু মান্তি হ'ল। বিয়া হৈ গেল। মই চব্ সহ্য কৰিম বুলি মানি লৈছিলুৱে। পাছে আগ চতাল সাৰোতে, দমকইলৰ পৰা পানী আইন্‌বা যতে মানুহ গিলখানে মোক দেখি চিৰিয়াখানাৰ জন্তু চোৱাদি চাবা ধৰা দেখি কিতাবা মোৰ মনত ভাৱ নাহাকৰি থাকা নাছিল যে মই কামটু ভাল নকইল্লু নাকি! মোৰ ঠাইত স্বামীয়ে তাইৰ লগত বেছি ব্যস্ত হোৱা দেখি মোৰ মনটু যি কেনা লাগ্‌ছিল, কি কম! নিজকে বুজাবাৰ চেষ্টা কইচ্ছিলু সি নিজে চলি জন্ম দিবা নইল্লি এই গিলাখান সহ্য কইৰ্বাই লাগব'।

চাৰি-পাঁচ বছৰমানৰ ভিতৰতে বেঙী দুটা আপাৰ মাক হ'ল। শাহুৰ ফুৰ্তিত তৎ নহা হ'ল। প্ৰথমতে সহজ হবা নল্লিঅ পাছত দেখ্‌লু— চলি দুটাই বেঙী মাকত কৰি মোক হে বেছি ভাল পায়। তাহুন মই খুবে দিলিহি খায়, মৰ লগত হে ফুৰ্বা যায়। মই যেন জীৱনৰ গটে দুখ পাহেৰি গেলু। কাষৰ তিৰি গিলখানে কবা খুইৎছিল— 'মৰম দেখালি কি হ'ব? নিজা মাক না কিবা!' পাছে তাহাৰ কথা মোৰ শাহু, স্বামী আৰু বেঙীয়ে পাত্তাই নেদ্‌লাক্। মোৰ ভালে লাগিল।

আপী বুলে মই মাইৰ ঘৰক যাম, পেট ভৰে খাম,
কাণা বিধাতাই বুলে মই পিছে পিছে যাম।

আমাৰ দুইখা মাহ্‌নুৰ জীৱনত দুখৰ দিন সুখৰ দিনত কৰি বেছি হেন লাগে। দুখৰ ৰাতি নুপুৱায়। মাহনুৰ জীৱনত কিতাবা এনা ঘটনা ঘটে যাক পাহ্‌ৰা জীৱনত সম্ভৱ নহয়। আমাৰো সেটুৱে হ'ল। আক্‌বাৰ বেঙী আৰু সৰু আপাৰ একেলগে বেমাৰ হ'ল। বেঙীৰ কক্‌ল'ৰ বিষ আৰু সৰু আপাৰ চখুৰ আজাৰ। স্বামীয়ে দুয়োৱে আসুৰী ঔষধ আন্‌লাক। বেঙীৰ পাইনা অষুধটু দিনে দুইবাৰ খাবা লাগে আৰু মালিচ কৰ্বা


লাগে। আপাৰো দিনে দুইবাৰ খাবা লাগে আৰু মালিচ কৰ্বা লাগে। আপাৰো পাইনা অষুধ— দিনে তিন্ টোপাল কৰি চখুত দিবা লাগে। দুয়োকে ময়ে অবুধ খুৰে আছ্লু। অষুধ আৰম্ভ হোৱাৰ পাছদিনা বেঙীয়ে কম চাফা কৰোতে নেকি বটল দুটা বদলা-বদলি হ'ল। ভুলটু ময়ে কইল্লু। বেঙীৰ মুখেদি খোৱা অষুধটুৰ তিন্ টোপাল কৰি মই আপাৰ দুই চখুত ঢালি দিলু। আপাই দেখু লগে লগে মস্ত জোৰ আটাহ্ পাৰি উঠলাক্, চখুইদি তেজ অলে আহিল। মোৰ বুকখান চিৰি; কৰি উঠিল। মাটিত বাগৰি পৰি মই ভগাৱনক পাথনা কইল্লু, হে প্ৰভু, দয়া কৰা। তুমি এই সৰু চলিটুৰ চখু দুটা ঠিক কৰি দেআ। কিন্তু ভগাৱন পৰ্ভুই মোৰ পাথনা নুশনলাক্। সৰু আপা চিৰদিনক লেগি অন্ধ হৈ গেল। তাৰ এই অৱস্থাৰ কান্নে ময়ে দায়ী॥ মই ভাব্ছিলু মোক স্বামী আৰু বেঙীয়ে লহ হৈ মাৰধৰ কইৰ্ব। গাঁৱৰ মাহ্নে মোক ধিককাৰ দিব— মাহীমাকে সইতা চলিটুৰ সৰ্বনাশ কইল্লাক্। তাই মাক নহয়— ৰাক্যেশী, ডাইনী। মই বিচ্ৰিছিলু, মোৰ শাস্তি হক। তেহে যদি মোৰ প্ৰায়শ্চিত্ত হয়। গাঁৱৰ মাহ্নে মোক ধিক্কাৰ দিলাক্— আপা দুটাৰ পতি মোৰ মৰমক সন্দেহৰ চখুইদি চালাক্। কিন্তু স্বামী আৰু বেঙী মোক একো নক্লাক তাহুন মোক নিৰ্দোষী বুলি কলাক্। মই পিছে মনটুক বুজাবা নইল্লু। মনৰ দুখত মই চাৰিদিন ভাতে নাখ্লু।

'জেঠী, অকলে অকলে ইয়াত কি কৰিছে?' চক্ খাই উঠি চাই দেখু— নয়ন, মোৰ ভাইৰ দুই নং চলিটু। মই একো কবাই নইল্লু। সি আৰু সুধ্লাক— 'জেঠী, কিবা পুৰণা কথা ভাবি আছে নেকি?' 'অ' বাপা, আমাৰ বুৰা তিৰিৰ আৰ কি? বুৰা কালত পুৰণা কথাগিলখানে আমনি কৰে নহয়।' 'জেঠী, আপোনাৰ জীৱনৰ কথা মোক ভাঙি-পাতি ক'ব। এনেইতো সময়েই নাপাওঁ। এই কেইদিনৰ ভিতৰতে মই আপোনাৰ কথাবিলাক শুনিম। ৰাতি 'হবিশ' কৰাৰ পাছতেই ভাল হ'ব। ক'বনে জেঠী?' 'কম দে বাপা, আমি হলু গাঁৱইলা বুৰা তিৰি। আমাৰ কথা শুনি কি হ'ব?' 'নহয় জেঠী, মোৰ প্ৰয়োজন আছে।' 'হ'ব দে বাপা'।' নয়ন গুচি গেল। সি গুৱাহাটীত পৰফেচাৰ চাক্ৰি কৰে। কিবা লেখেও বুলে। ইবাৰ যদি মোৰ দৰে বুৰা তিৰি এটাৰ বিষয়ে লেখ্পা খুজে— মই কি বাধা দিম? লেখক সি যি ভাল দেখে। মোৰ কি আহে যায়। কি ঠিক এগ্লা কথা ভাঙি পাতি কলি কিজানি মনত শান্তি পাওঁৰে।



# সৰু খবৰ

**নৱনীতা দত্ত**
*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*



হাইৱেৰ লেম্প পোষ্টৰ ওচৰতে তাইৰ দোকান। দোকান মানে সন্মুখত আইনা লগোৱা অ'ত-ত'ত দাঙি নিব পৰা দুফুটমান ওখ এটা কাঠৰ বাকচ। বাকচটোৰ ভিতৰত মাজেৰে দুখন তক্তাপোচ। এখনত তাইৰ পইচা থোৱা আগৰ দিনৰ টিনৰ টেমা। তাইৰ ভাবাত চন্দুক। ওপৰৰ তৰপটোত তাইৰ ব্যৱসায়ৰ কেঁচামাল। সৰু খৰাহী এটাত থোৱা এসোপামান বাকলি গুচোৱা গোটা তামোল। চূণৰ টেমা এটা, কটাৰী দুখন, লেতেৰা গামোচা এখন। বাকচটোৰ ওপৰত গৌতম পাগলে দুডাল আলনাৰ মাৰিৰ দৰে বাঁহেৰে ষ্টেণ্ড বনাই দিছে। শিখৰ, আমলখি, আমিৰ আদি থ'বলৈ। বাকচটোৰ ওচৰতে সৰু বাল্টি এটাত তিয়াই থোৱা এসোপামান পাণ। আৰু বাল্টিটোৰ ওচৰতে তাইৰ আসন। কাঠৰ অলপ ওখ পীৰা এখন।

এয়াই তাইৰ মানে বীনাবাইৰ ব্যৱসায়। তাইৰ ব্যৱসায় প্ৰায় ভালেই চলে। দুপৰীয়া তাইৰ আহৰি ল'বৰ সময় অকণো নাথাকে। তামোল হাততে ফালোতে ফালোতে কটাৰীৰ কটা দাগ ৰৈ গৈছে হাতত। খৰাং বতৰত ছিৰাল ফটা পথাৰৰ দৰে হৈছে বাঁওহাতখন। তথাপি কৰি খাবই লাগিব তাই এনেকৈয়ে। গিৰীয়েক মস্ত মদাহী। মুড ভালে থকাৰ দিনা ৰোমাণ্টিক হিৰো, নথকা সময়ত গব্বৰ সিং। অৱশ্যে তাৰ মুড ভালে থকা দিন আৰু সময়ৰ সংখ্যা কমেই। দিনটো ব্যৱসায় চলাই গধূলি ঘৰলৈ ওভতা বীণাবাইৰ পিঠিত ড্ৰামছেট বজোৱাৰ প্ৰেকটিচ্ চলায়। কি দলিলত চহী মাৰি তাই এতিয়াও তাৰ লগতে আছে অকল ভগৱানেহে জানে। তাতকে সেই গৌতম পাগলেই ভাল। দিনটো তাইৰ দোকানৰ ওচৰৰ ৱালখনত ভেঁজা দি সন্মুখেৰে যোৱা ইউনিফৰ্ম পিন্ধা ল'ৰা-ছোৱালীবোৰলৈ তধা লাগি চাই থাকে। মাজে-মাজে বীণাবাইক খুজি দুই-এখন তামোল খায়। এদিন মূৰ খজুৱাই খজুৱাই বীণাবাইক কৈছিল তাৰো এখন নিজা ঘৰ থকাৰ কথা। দুজনী ছোৱালী, ঘৈণীয়েকৰে সুখী সংসাৰ আছিল তাৰ। কিন্তু এদিন ঘৈণীয়েকে ওচৰৰ চাহ বাগানৰ মহৰী এটাৰ লগত পলাই যোৱাত আৰু ছোৱালী দুজনীয়েও নিজা নিজা ৰাস্তা বিচাৰি লোৱাত তাৰ মূৰে কাম নকৰা হৈ...।

'বীণাবাই, তামোল এখন। এই গুৱাহাটীৰো ৰাস্তাবোৰো যে, ৰাস্তা নে খাল। মাছৰ পোৱালীয়েই এৰি দিব পৰা যাব গাঁতবোৰত।' ভোৰভোৰাই তামোলখন মুখত লৈ ৰমেন ড্ৰাইভাৰ গুচি গ'ল। হয়ো অৱশ্যে। বীণায়ো ভাবিলে।

তাই থাকে খাৰঘুলিৰ ফালে। দোকান তাইৰ হাইকোৰ্টৰ সমুখত। পাহাৰৰ ওপৰত ৰাস্তা বগাই যাওঁতে যাওঁতে তাইৰ ভৰি নচলা হৈ যায়। ৰিক্সাৰে গ'লে পোন্ধৰ টকা লয়। কিন্তু সেই পোন্ধৰ টকা ৰিক্সাত খৰচ কৰিলে গিৰীয়েকে মদ খাবলৈ হিচাপত টকা নাপাই গুৰুলা-গুৰুলকৈ পিটিব তাইক। তাৰ জন্তু-জানোৱাৰৰ মাৰকেইটাৰে গাত ফুল তোলাতকৈ ভৰি দুখনকে কষ্ট দিয়ে তাই। আৰু খোজ কঢ়াটো বোলে ভাল ব্যায়াম। গৌতম পাগলে প্ৰায়ে কয় তাইক।

এই গৌতম পাগলটোও আৰু যে। এনেয়ে তাইৰ ফালে নাচায়েই। কিন্তু কোনোবা গ্ৰাহকে তাইৰ লগত চুপতি মৰা যেন দেখিলে তাৰ পাগলামি আৰম্ভ হৈ যায়। যত যি গালি পাৰি তাত খেদাইহে এৰিব আৰু তাক খেদি উঠি ফটা-ছিটা কম্বলখনতে বাগৰ দি তাৰ যি নাকৰ ঘোৰ-ঘোৰণি আৰম্ভ হয়, দুপৰীয়া হৈ আবেলি পৰতহে সাৰ পায়— বীণাবাইৰ দোকান সামৰাৰ আগতে। ৰাতিটোৰ সাজ তাক ওচৰৰে গাৰ্লছ হোষ্টেলে দিয়ে। সিহঁতৰ পোৱাখিনি তাৰ এলুমিনিয়ামৰ কাঁহীখনত গেটৰখীয়াজনে দি থৈ যায়। তাকে পৰম তৃপ্তিৰে খাই আকৌ শুৱে। একেবাৰে উঠে পুৱা দৌৰিবলৈ যোৱা মানুহবোৰৰ জোতাৰ শব্দত।

কেতিয়াবা বেয়া লাগে বীণাবাইৰ গৌতমলৈ। সংসাৰৰ সপোন বীণাবায়ে বুজে। তাই যেন শুনা পায় গৌতম পাগলৰ বুকুৰ বেথা। মগজুৰ বিকাৰ বুলি হঁহা গৌতম পাগলক সেয়ে তাই আনবোৰ মানুহৰ দৰে ভয় নকৰে। খঙো নকৰে। সিহঁত দুয়োটাই যেন ভগাই লয় নগৰীয়া জীৱনৰ কোলাহৰ মাজতে সৰু সৰু সুখ-দুখৰ খবৰবোৰ।

পৰিস্থিতিয়ে মানুহক কাবু কৰি গলত চেপি ধৰাৰ উদাহৰণ বীণাবাইৰ অতীত। যি পৰিস্থিতিত পৰি তাই মদপীটোৰ লগত সংসাৰ কৰিব লগাত পৰিছিল, সেই সময়ত তাৰ বিকল্পও নাছিল। বীণাবাইৰ আপোন ঘৰত পাঁচজনী ছোৱালী। এজনেই ল'ৰা। বীণাবাই সৰু। দিনহাজিৰা কৰা ককায়েকৰ মূৰত আটাইকেইজনীৰ দায়িত্ব দি মাক-বাপেক সৰুতে ঢুকাল। কষ্টে-মষ্টে ককায়েকে চাৰিজনীক কিবাকৈ বিয়া-বাৰু পাতি দি নিজেও এজনী চপাই ল'লে। বাকী ৰ'ল বীণাবাই। ককায়েকৰ পৰি অহা বল আৰু নবৌয়েকৰ লাঞ্চনাবোৰৰ মাজতে ৰাস্তা বনাবলৈ অহা মুকুট মদপীৰ চকু পৰিল তাইৰ ওপৰত। সদায় গালি-ভৎৰ্সনা শুনি শুনি অসহ্য হৈ অহা বীণায়েও একো বিশেষ নাভাবি নুশুনি তাৰ লগতে গুচি আহিল। ককায়েকৰ অৱশ্যে তাইলৈ মৰম নথকা নহয়। কিন্তু ঘৈণীয়েকৰ ভয়ত তেনেকৈ একো ক'ব নোৱাৰে। তাই তেনেকৈ গুচি অহাৰ পিছত হেনো তাই মৰা জ্ঞান কৰি চৰু-হাড়ী পৰ্যন্ত নবৌয়েকে লোকক দেখুৱাই ধুইছিল।

মুকুটৰ লগত গুচি অহা আঠ বছৰমান হ'ল। ল'ৰা-ছোৱালী এটাও ফুকাব নোৱাৰাৰ ৰোষতে তাইৰ ওপৰত মুকুটৰ অপাৰ অত্যাচাৰ। ক'ৰবাৰ বিহাৰী ছোৱালী এজনীৰ তালৈও যোৱা কৰিছে কেইমাহ মানৰ পৰা। তাইকে হেনো অনাৰ যো-জাও কৰি আছে। জীৱনটোত অকল দুখেই পালে বীণাবায়ে। যি অকণ সুখ পাই গৌতমৰ লগত কটোৱা সময়খিনিতে পায়।

গৌতমৰো অনেক দুখ। মনত সীমাহীন দুখ নাথাকিলে মানুহ জানো সহজে বলিয়া হ'ব পাৰে? তাৰ ঘৈণীয়েকৰ স্বভাৱ বেয়া। পৰ পুৰুষৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণ। দুজনীকৈ ছোৱালী হোৱাৰ পিছতো তাইৰ স্বভাৱ ঠিক নহ'ল। তথাপিতো গৌতমৰ মৰম-ভালপোৱাৰ বাবে সিহঁতৰ সংসাৰ নভঙাকৈ থাকিল ওঠৰটা বছৰ। ছোৱালী দুজনীয়েও সম্পূৰ্ণ মাকৰ গঢ় লৈছে। গৌতমৰ মৰমৰ বান্ধোনেও ঘৈণীয়েকক শেষত বান্ধি ৰাখিব নোৱাৰিলে। তাইও গুচি গ'ল গৌতমক এৰি। ঘটনাবোৰে স্বভাৱত ধীৰ-স্থিৰ গৌতমক বিচলিত কৰি পেলালে আৰু সি মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। মাজৰ সময়চোৱাত সি কেনেকৈ আহি এতিয়াৰ ঠাই পালে তাৰ ভালকৈ মনত নাই। মুঠতে এতিয়া হাইকোৰ্টৰ সমুখতে তাৰ অৱস্থান।

বীণাবাইৰ প্ৰতি কেতিয়াবা এটা তাড়না অনুভৱ কৰে। তায়ো জীৱনত অনেক দেখিলে। অনেক ভুগিলে। দুয়োৰে জীৱনৰ গতি প্ৰায় একেই। সমান্তৰাল সৰল ৰেখাৰ দৰে।

ভৰ দুপৰীয়াৰ সময়। চাৰিওপিনে মানুহৰ অবিৰাম ব্যস্ততা। সেই ব্যস্ততাৰ মাজতো অঞ্চলটোৰ মানুহখিনিক সৰু খবৰ এটাই জোকাৰি গ'ল। বীণাবাইৰ দোকানত নাই আজি বীণাবাই আৰু নাই গৌতম বহা ঠাইখিনিত গৌতমৰ লাম-লাকটু...।

# A RANK'S WORTH !

**Ankita Amitabh Baruah**
*H.S. 1st year, Science Deptt.*

It was one of the brightest mornings that Guwahati had ever seen-a-day of perfect sunshine, cheerful weather, twittering birds, fragrant flowers and dancing butterflies. But no matter how much effort Mother Nature puts forth, life in the city is always monotonous, drab, grey and dull. People keep running a never-ending race of reaching their goals and have hardly any time for trivial issues like enjoying a day of good weather. Same was the case for our protagonist Aditya or Sonu, as his parents called him, It takes a lot of courage to face the day of matriculation results' announcement. And it was all the more scary for Sonu. His elder sister had scored 88% with letter marks in all subjects in her matriculations. This alone was enough for everybody to expect a good result out of him as well. Besides, his cousins Angshuman and aniruddha, who has appeared for the matriculations along with him, we were sure to secure state ranks. Fear gripped his mind as he wondered where his fate would land him. Within what seemed like a few minutes, he was in his school, running his finger through the list of passed candidates, securing for his name. Behind him, his junior students were cheering for his cousins for securing the eighth rank together. Both of them stood in the midst of the crowd, shining all of their 32teeth at the cameras. Ah! Here was his name at last-

"Name Aditya Kashyap, Roll: C11 No: 312; Letters in English, Assamese, Social Science; State highest in English."

His heart skipped a beat. State highest in English-that was his long cherished dream! He gave a jovial shout and collected his report card with the other certificates. The first thing that he saw in his mark-sheet was that he had secured 98 in English. The other subjects were not bad too- 85 in Assamese, 75 in general science, 69 in general mathematics, 65 in advanced mathematics and 92 in social science. His teachers were extremely happy as well.

"So, what's the plan ahead?" they would ask, to which he would happily reply, ~ I'd love to explore the liberal arts and then I'd go for a major degree in Literature. It's the biggest dream of my life to be a great writer someday!"

He walked home happily; dreams of his books selling like hot cakes, wafting before his eyes. To him, it seemed to be the best day of his life.

But it was not so for his father.

"Is that all you could manage in science and math?" was his agitated question when he saw his son's mark-sheet, "Your English marks are good but that alone won't help you when you study science."

"Just good?" he protested, "I got the state highest, father. And, I don't want to go for science; I want to study in the arts stream."

"What nonsense are you blabbering about?" his father retaliated, "Arts Huh! What do you think you are going to do with your life by taking that fed-up stream?"

"Arts is not fed-up", he defended "It's a striking stream, especially for someone

who wants to be a writer."

"Arts is not fed-up", he defended "It's a striking stream, especially for someone who wants to be a writer."

"A Writer!" his father thundered, "You want to become a writer" Your sister is an engineer; your cousins are going to become doctors; how will stand up to them by becoming a useless writer? Do you expect me to fill your stomach always?"

"But...but..." protested Sonu but his father cut across him, "Listen Sonu. It is humiliating enough to see you with only three letters while your cousins managing to get state-ranks. I am so ashamed that my house is not thronged with the media and people today, like the house of my younger brother's is. Don't embarrass me further by taking up arts. You are my only son- The future breadwinner of the family. You'll have to support us in our old age and will also have to take care of your own family someday. Being a writer will make it impossible for you to make both ends meet. If you become an engineer like your sister, only then will you have enough money to live a respectful life. You be a writer and everybody will call you a "sissy" behind your back!"

Ultimately the arrogance of Sonu's father prevailed and it was decided that Sonu was to become an engineer. No amount of protesting from his side mattered to his father. His mother, like most typical mothers, took his side and did her best to make her husband change her mind. But it was of no use.

"Life's no cinema", he'd say "Dreams won't feed you when you are hungry."

A month later, Sonu was in college, studying concepts of physics. It was a beautiful day with summer breezes and happy sunshine; yet, he was inside a cold classroom studying Cinematics, or, was it Kinematics? He began to think how it would have been, had he taken liberal arts like he had always wished for. He'd have been going through his philosophy class right now or perhaps through rhetoric. Lost in deep thought, he began etching out on his copy, the seven liberal arts while his classmates penned down weird equations and absurd sums. Before he knew it, the class was over and he had hardly caught a word. Same was the case for the chemistry, maths and statistics classes that followed every single day. It didn't matter to him that he knew nothing about the lessons. What only mattered to him was that his painting of the liberal arts looked really good. Then blew the severely tense breezes of IIT-JEE, AIPMT and AIEEE, that pushes every science student to the extremes. His friends went mad, ran after college classes, tuitions and coaching classes. His cousins were always lost in their books, sometimes even skipping meals to study. Such was the craze of these three words in the lives of these students.

But to Sonu, everythins seemed rather funny. He found nothing great about the AIPMT and the AIEEE and considered IIT as a big, forlorn building with creepy people. He had by this time, made many friends from the arts department and always discussed their subjects with them. He even bunked his classes at times, to be with his new friends and discuss Shakespeare and Tagore alike. What he didn't realize however, was that he hardly knew anything about the 6-7 chapters of all the four subjects that had been completed in his college by that time.

His father was as much in the dark about this as was Sonu himself. " Ambitious" is the only word that describes this man. "So what if my son managed only 3 letters in the matriculations?", he'd say to himself "He is sure to get a state rank in the $12^{th}$ examinations. Then he will go to IIT and earn a few lakhs a month." He engaged Sonu to tuitions as well as coaching classes, spending a lot of money. The more money he spent, the bigger his dreams became. The results of this was that whatever free time Sonu enjoyed after coming back from college, to fulfil his mental demands of Literature, was cut off. He now has scarcely any time to breathe. Wherever his eyes could reach, he saw only complex question, formulas, graphs and sums beaming down at him. At some point of time, he simply gave up studying and composed poetry for hours together. Because when he was in the company of literary pieces by his favorite authors, he felt as though he was back there in the good old days when he was nine and the world was full of every imaginable kind of magnificence where life ws still a delightful and mysterious dream.

It didn't come exactly as a rude shock to him when he found out that he had failed his $12^{th}$ examinations. His father was however, shattered to the core. The idea of his brother's sons studying medical science while his own son sitting in the house gave him a heart attack. When he came back from the hospital, not knowing what else to do, he abused Sonu day and night. He refused to eat and hence, his health deteriorated. But what would a man do with

good health if his self-esteem and his name in the society had been smeared with cow dung? His frustration showed in his professional life as well, as he argued with his colleagues and received several warnings that he would he fired, from his boss. Once he punched someone in the face for being asked about his son's result, which settled him for a demotion, He verbally abused whoever greeted him and scolded his wife day and night for giving birth to a son who had rotten straw instead of brains as anger affects a person's roots and causes him to do stuff he would have never have given a thought about.

Mouths passed after that fateful incident and Sonu was readmitted to the Science stream to try the 12th examinations a second time. But his father felt the world to be full of traitors who made fun of him behind his back and thus, never became as enthusiastic as he was before. Sonu, in his depressed state of mind, took the cause for his father's pathetic conditions to be himself. All he did was dream and try to find answers to the mysteries of life. He never has thought that it could produce such drastic results. His father's abuses and his mother's tears filed him with poison and acting on an impulse, he burned all his precious novels. He suffered from inferiority complexes from his cousins and he cried his heart out at night, for he dearly missed the books that he has burned. Being demoted now, his father couldn't afford tuitions and coaching classes a second time, nor did he want to. His father was sure now that he was no more than an unleashed donkey gone astray.

Living the life of a 12th failed candidate is perhaps more miserable than being disabled. That one year, till Sonu reappeared for his 12th was the worst year of his life. His teachers regarded him as a no-good lad. His classmates who were junior to him also made fun of him. His father couldn't stand his presence and his mother kept on weeping. He would have been lost a second time, had it not been for his elder sister. She took a leave from her job, her husband and kids to help her brother for she dotted upon him, She stayed up with him late in the nights as he studied and helped him overcome all the areas he found difficult. Finally, that painful year was over and he reappeared for the 12th examinations.

Life took another full cycle. It was another bright and beautiful day. Blissful sunshine blooming flowers, busy bees, radiant weather but people were still busy ignoring the formations of Mother Nature. The atmosphere in the Kashyap residence was much tensed. Sonu had just left for college to collect his results. His father liked forward to a feeble ray of hope of a first division. His mother was in the temple, offering all that was available in the nearly shops and chanting whatever prayer she knew. His sister was sure that he would pass this time, though tensed atmospheres create negative impacts on people's minds.

The clock struck 1:00 p.m and yet, there was no sign of Sonu. His sister was about to go and look for him when she saw two teachers and the headmaster of Sonu's college entering their house. "What now?" thought his family members, "Another failure?"

But no, they were wrong. "Yes, Sonu had passed," announced the new arrivals, getting surprised that they didn't know till that time, "And he had managed to secure the 10th rank!"

The Kashyap residence had never seen such happiness in all the 25years of its existence. There was no stopping the party that day! His father went wild with glee, his mother now wept tears of joy and his sister informed all their relatives with pride.

Sonu was thought to be partying with his friends and hence, was nor missed.Little did they know about what he was actually up to.

When he was just about to leave to get his results, earlier that fateful day, his father caught him in the doorway; "You are going to get your results today" he said gravely, "If you fail this time as well, I will die of shame. Remember, all my money is in the State Bank and my account number is 14432. Your mother will go mad when I die, so you will have to manage my funeral ceremonies. After that, you can use the rest of the money to do whatever you like." His father's words kept hitting him at the back of his mind when he reached college. He didn't dare to check for his name in the topper's list. He ran his finger through the names of the passed candidates. No, it was not there, no matter how many times he checked. Grief, fear and frustration damaged his logical thinking and he was sure that he had failed a second time. His father's words echoed in his head. His mother's tears seemed to resume before his eyes. Within minutes, he was in an empty classroom, fixing the noose around his neck. His lifeless body hung from the ceiling fan as his family danced in front of the media that had gathered in his house.

কবিতা

# হেৰোৱা এখনি গাঁও

**জিতু বড়ো**
*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

হেৰোৱা এখনি গাঁও
মানৱ দিনৰ
বগনৰ পুখুৰীত
ভেঁট-পদুমৰ থোঁপা—
দেওহাঁহজাক উৰিছে।

হৃদয়ৰ মৰুদ্যানত
এখনি প্ৰতিচ্ছৱি
অবিৰাম ভাঁহে
স্মৃতিৰ শেষ জপনা পাৰ হয়
অতীতবোৰ ঠিয় দিয়ে
অশৰীৰী ৰূপত।

বালাখাৰাৰ পাৰ্শ্বিকতাত
অস্বস্তিৰ অতিস্তি
গোপালৰ বাৰীত
প্ৰত্যাৱৰ্তনৰ ভুমুকি।

ডাৱৰৰ ফাঁকে ফাঁকে
জোনাক হেৰায়
আউসীৰ ভয়ত লুকায়
কাঁচলিৰ বেলিটি
বাতিহীৰ পাৰত থমকে।

মানুহবোৰ মৰা নাছিল
গাঁওখনত চন পৰি আছিল
শৈশৱৰ সোণালী দিন
নিষ্ঠুৰতাৰ শ্বাশ্বত খোজ।

তাৰাঘুলি চিক্‌মিক্ জ্বলে ৰাতি
মাছাখুলুং, মাছামেগোন, গৰখীয়া স্থান
বীৰঘুলি স্মৃতিৰ মৰুমাটি।

হেৰাল অজলা মানুহবোৰ
অজলা মনবোৰ
কেকুঁৰিটোত নোহোৱা হ'ল
সৰলতাৰ সুৰবোৰ।

গালাঙৰ বিশল্যকৰণীৰ
বনৰীয়া গোন্ধবোৰ
পকাতুলি পথাৰত
আঘোণৰ ব্যস্ততা
ধুমুহাত ভাঙি পৰা
চিলাতলৰ গছজোপা।

বিস্ময়ৰ বিচিত্ৰ লোকগাঁথা
সুন্দৰ-সেউজৰ সমন্বয়
মালিয়াটা
ৰহস্য আৰু সৌন্দৰ্যৰ
প্ৰকীভূত সত্ত্বা।

বনসাগৰত ঘঁহনি খায়
নতুনৰ ঠিকনা
পুৰাণবাৰীৰ উপলব্ধি
বাঘিশিৰিৰ স্নিগ্ধতা
লাঙামাৰাৰ চিৰাল ফাঁট
শাওনৰ পথাৰত
হালবোৱা আফলু আতা
গধূলি আইখোলাত থিতাপি লয়
অশৰীৰী অনুভৱ
হাতত আজি
এখনি পুৰণি গাঁৱৰ
হেৰোৱা ছবি—



**শব্দটোকা ঃ**

১। বগন ঃ এখন ডাঙৰ পথাৰ। ২। বালাখাৰ ঃ বহু নাগিনী (সৰু সৰু নিজৰা) থকা বালিময় ঠাই। ৩। বাতিহী (বা বাতেহী) ঃ ব্ৰহ্মপুত্ৰৰ এখনি সৰু উপনৈ। ৪। মাছাখুলুং ঃ বাঘৰ গুহা। ৫। মাছামেগোন ঃ বাঘৰ চকুৰ দৰে ভয়ানক আকৃতি লোৱা এজোপা বিশাল কঠাল গছৰ গুৰি, ৬। মালিয়াটা ঃ দক্ষিণ কামৰূপৰ এখনি উল্লেখযোগ্য পাহাৰ। ৭। বাঘিশিৰি ঃ এটা পাহাৰীয়া নিজৰা, যাৰ পাৰত বাঘেশ্বৰী পীঠ অৱস্থিত। ৮। লাঙামাৰা ঃ জনজাতীয় উপাস্য দেৱতা থকা এটা ঘুলি।

# ছাতি

**ৰিংকু ডেকা**
*স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ*

এখন আকাশ ছুইবৰণীয়া
গাভৰু পথাৰৰ উঠন বুকু
হলধৰৰ নাঙলৰ মুঠিত
জাকৈয়া গাভৰুৰ খিলখিল হাঁহি
কল্পিত কাৰেং
আজলী ননৈৰ বালিচৰত ইকৰা

এখন আকাশ নীলা
বৃষ্টিৰ এটুপি চকুলো আনন্দৰ
হেৰাই গ'ল অ-মানৱতাৰ কোবাল ঢৌত
কল্পিত কাৰেং
ননৈৰ বাকৰিত এতিয়া উদং
ইকৰা, খাগৰি!
জাহ যোৱা হলধৰৰ সোণগুটি
আজলী ননৈৰ বুকুত এতিয়া
ভেৰোণীয়া পথাৰ



এখন আকাশ ৰঙা
হাতত ভিক্ষাৰ জোলোঙা
মসৃণ হলধৰৰ বাহু কলপটুৱা
কংকাল সোণগুটিৰ
সংগ্ৰাম আজীৱন
হলধৰ ননৈৰ
এটা ৰঙীন ছাতিৰ তলত।

এখন আকাশ ধোঁৱাৰে আঁৱৰা
সেউজবুলীয়া সপোনবোৰৰ এতিয়া
আমৰণ অনশন,
আন্দোলন হলধৰৰ বুকুৰ পৰা
ননৈৰ বাকৰিলে, উচুপনি
হিয়া ভগা বিননি
এটা কফিনত আবদ্ধ
শিশুৰ দৰে.....

# I'll lose it all Someday

**Priyakshi Das**
*TDC 2nd Year, English Deptt.*

Sitting by the banks
In an exhausted twilight,
Inscribing your name in the damp sand
And watching it wash away by the water.
Staring at the mild hued sun
Moving gently below the earth's horizon
I wished if it could take away
All my paid and agony
To the flight of birds
Moving back home,
A plead to take away
My 'stucco of dreams with HIM'
Because I can't see them shatter
One by one.
Recounting the things I missed
Being with you,
Crying upon the things
I had to lose when you're gone,
I close my eyes,
Feel the breeze around my face,
I overhear something.
Presumably it was you whimpering to me.
Just wondered if some how
You'ld flash back to the times,
You gently held me in your arms.
I felt, no other place can ever be
So warm, so secure.
Lie ...... that were all a lie...
It kills me inside
I hit myself.
Why couldn't I be the 'one',
The one you would have truly loved,
Missed, cared and longed to have by your side
Always...
I try,
I stridently admit, you're really gone,
I try,
To fight back my tears,
I fail.
And I lose a drop each second.
A drop of 'me being with you',
In that mighty river.
Hopefully, I'll lose it all someday.

# আই

**ধনজিৎ দাস**
*উঃ মাঃ দ্বিতীয় বৰ্ষ, বিজ্ঞান*



পুৱতিৰ বতাহত আই পোহৰ হৈ সোমাই আহিছিল,
আৰু মই মেলি দিছিলো মোৰ দুচকুৰ দুৱাৰ!
দুবৰিত দুভৰি তিয়াই
আয়ে ধুৱাইছিল তন্দ্ৰাৰ মাদকতাবোৰ।

'ক- খ'ৰ জোঁটবোৰ টোপোলাই
আয়ে মোৰ পিঠিত আঁৰি দিছিল।
আৰু বোকাৰ মাজেৰে মই বুলিছিলো
আইৰ সপোনৰ বাট।

মোৰ কেতবোৰ পাখি লগা সপোন আছিল
আইৰ আছিল আশাৰ এহাল ভৰুন নয়ন।
যেতিয়া ভাগৰৰ নাৱত উটি ঘৰ সোমাইছিলো
আইৰ ৰঙাপাৰিৰ চাদৰখনে
মোক মৰম কৰিছিল।
মনত নাই, কিমান দিনলৈ
আইৰ স'তে মোৰ গাখীৰৰ সম্বন্ধ আছিল!
আই ধুনীয়া আছিল মোৰ, বৰ ধুনীয়া।

দিনবোৰ ৰঙা-নীলা-সেউজীয়া আছিল,
ৰাতিবোৰ আছিল টোপনি ক'লা।
আয়ে বুকুৰ মাজত লৈ পহৰা দিছিল ওৰে ৰাতি,
শিয়ালীয়ে আমনি কৰা নাছিল কোনোদিন
আইৰ ভয়ত নাহিছিল কাণখোৱা।

গধুলিৰ ভগা চাৰিত তৰা লেখাৰ পৰত,
অথবা ন বজাৰ দোভাগ ৰাতি আইৰ বুকুৰ মাজত
মোৰ খুবেই ভাল লাগিছিল
আইৰ নিমাখিত বোকা-বোকা গোন্ধ।
সেই গোন্ধত মোৰ টোপনি হৈ পৰিছিল
সেউজীয়া
আৰু আজি
সময়ে চাওদাং হৈ মোক বখলিয়াই থৈ যায়
আই ৰং যোৱা এটা প্ৰস্তৰ হৈ ৰৈ যায়

আজি আইৰ শুকান দুচকুত নচৰে
সপোন-মতলীয়া হাঁহবোৰ
মাথোঁ চৰে উদাস উদাস কিছু কৰ্কৰীয়া স্মৃতি

আইৰ কপালত ৰঙা বিচাৰি মই হাইৰাণ হওঁ
হাইৰাণ হওঁ বুকুৰ উম বিচাৰি
লুকাব খুজিও লুকাব নোৱাৰা আইৰ দুবাহুৰ মাজত
দুখ লাগে, আইৰ বগা আঁচলখনে
মোৰ ঘামৰ সোৱাদ পোৱা নাই কোনোদিনে

আজিকালি মাজৰাতিবোৰ পথাৰত উদ্‌যাপন কৰো
আয়ে নেখেদে শিয়ালী,
আইৰ ভয়ত নপলায় কাণখোৱা
বহু কষ্ট কৰিও পাব নোৱাৰো
প্ৰেয়সীৰ পাৰফিউমত
আইৰ বোকা-বলিয়া গোন্ধ
মই পাগল হৈ যাম, মই পাগল হৈ যাম!

এডাল দুডাল বগা চুলি
আৰু এযোৰ বগা সাজ
ভয়ানক বিভীষিকা হৈ থিয় দিয়ে মোৰ দুৱাৰত।
প্ৰশ্ন হৈ বাৰে বাৰে মোক মুচকি যায়—
এয়া জানো মোৰ আই?



# জলপৰী মিথু বৰুৱাৰ সৈতে কথা-বতৰা

*ফ্লেটলৈ উঠা চিৰিটোৰ তলত এটা ঢেঁকী। দুৱাৰ খোলাৰ লগে লগে দেখা পালো শৰাই ভৰা আদৰণি। আমাক বিদায় জনাবলৈ তললৈকে আহি ঢেঁকীটোত এটা চাপৰ মাৰিলে তেওঁ। নগৰীয়া কোলাহলৰ মাজত ঢেঁকীৰ ঢেংকুৰুচ্ শব্দ শুনি আমাৰ মুখতো হাঁহি বিৰিঙিল। এমুঠি হাঁহিৰে তেঁৰো জনালে আমাক মনৰ বহু বতৰা— খেল জগতৰ, সাম্প্ৰতিক সময়ৰ আৰু সুঁৱৰিলে 'কটনিয়ান' হৈ কটোৱা সেই দিনবোৰ—*

- **বাইদেউ, আপোনাৰ শৈশৱ আৰু শিক্ষা জীৱনৰ বিষয়ে অলপ কওকচোন।**

— মোৰ শিক্ষা গুৱাহাটীৰ ছেইণ্ট মেৰিজ স্কুলত। তাৰ পাছত মই কটন কলেজৰ পৰা হায়াৰ ছেকেণ্ডেৰী আৰু ডিগ্ৰী কৰিলো। পোষ্ট গ্ৰেজুৱেচন ল'লো গুৱাহাটী ইউনিভাৰ্চিটিৰ পৰা। শৈশৱ বুলি ক'বলৈ গ'লে সাঁতোৰৰ কথাই ক'ব লাগিব। খুউব কম বয়সতে সাঁতুৰিবলৈ আৰম্ভ কৰিছিলো আৰু সাঁতোৰতে ব্যস্ত আছিলো। বাহিৰৰ পৰিৱেশৰ সৈতে সেয়ে সংস্পৰ্শ আছিল খুবেই কম। ৰাতিপুৱা সাঁতুৰিবলৈ যাওঁ, আবেলিও সাঁতোৰতে ব্যস্ত থাকো। মাজৰখিনি সময়হে স্কুলত। তাৰ মাজত বেলেগ কামৰ বাবে সময় আছিল খুউব কম। সৰুৰে পৰা পানী ভালপাইছিলো। সেই কাৰণেই মা-দেউতাই সাঁতোৰত নাম লগাই দিলে। আচলতে সেই সময়ত দীঘলীপুখুৰীত সাঁতোৰ প্ৰশিক্ষণৰ এটা পৰিৱেশ গঢ়ি উঠিছিল ৰমেন দা, ৰাণা দা (আনোৱাৰ ৰচুল)— এওঁলোকৰ তত্ত্বাৱধানত। আমি তাতেই শিকিছিলো। ১৯৭৭ চনৰ কথা এয়া।

সঁচা কথা ক'বলৈ গ'লে, সৰুৰে পৰা পানীৰ প্ৰতি মোৰ আকৰ্ষণ আছিল অতি তীব্ৰ। পানী এবাল্টি পালে মোক আৰু একো নালাগে। মোৰ দেউতা আছিল ক্ৰিকেটৰ প্ৰশিক্ষক। তেওঁৰো সপোন আছিল তেওঁৰ প্ৰথম সন্তানটোৱে ভাৰতৰ হৈ খেলিব। মোৰ ক্ষেত্ৰত সেইটো ধৰা-বন্ধা নিয়মত পৰিণত হৈছিল।

- **আপোনাৰ খেলুৱৈ জীৱনত কটন কলেজৰ প্ৰভাৱ কেনেকুৱা আছিল বাইদেউ?**

— কটনত সদায় মই এটা ইতিবাচক সহাঁৰি পাইছিলো— খেলাৰ ক্ষেত্ৰতো আৰু পঢ়াৰ ক্ষেত্ৰতো। তেতিয়াৰ অধ্যক্ষ অনিল গোস্বামী ছাৰে মোৰ খেলুৱৈ জীৱনৰ ব্যস্ততাৰ কথা বুজি ছাত্ৰ-বাইদেউসকলক মোক পঢ়া শুনাত অলপ সহায় কৰিবলৈকো কৈছিল। বেছিভাগ বাহিৰতেই থাকিব লগা হোৱাত ক্লাছত মই বেছিভাগ অনিয়মীয়া আছিলো। এই ক্ষেত্ৰত উদয়াদিত্য ভৰালী ছাৰৰ প্ৰেৰণা শ্ৰদ্ধাৰে সোঁৱৰো মই। কটন কলেজৰ শিক্ষাগুৰুসকলৰ সহযোগত তেনেদৰে কটন কলেজৰ পৰাই ইংৰাজীত স্নাতক হৈছিলো মই।

- **অসমত সাঁতোৰ খেল হিচাপে প্ৰতিষ্ঠিত বুলি আপুনি ভাবে নেকি?**

— আচল কথা ক'বলৈ গ'লে সাঁতোৰ আজি ভাৰতবৰ্ষতে ইমান জনপ্ৰিয় নহয়। আমি ৱৰ্ল্ড ষ্টেণ্ডাৰ্ডতকৈ বহুত পিছপৰা। আৰু যদি অসমৰ কথা কোৱা হয়, ইয়াত খেলবিধৰ জনপ্ৰিয়তা বঢ়াবলৈ

বিশেষ পদক্ষেপ লোৱাৰ উদাহৰণো চকুত নপৰে। এই ক্ষেত্ৰত মই ভাবো যে 'Involvement of outside people' বহুত বেছি। ১৯৯৩-৯৬ চনলৈকে মোৰো ৰাষ্ট্ৰীয় ক্ৰীড়াত ৰেকৰ্ড আছিল। কিন্তু ময়ো অনুভৱ কৰো খেলজগতত ৰাজনীতিৰ মেৰপাকে বহুতো প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে।

- **আপোনাৰ মতে অসমৰ খেলজগতৰ উন্নতিৰ অন্তৰালত ভিতৰ চ'ৰাত চলা ৰাজনীতি জগৰীয়া নেকি?**

— হয়, আটাইতকৈ গভীৰ সমস্যাটো হৈছে খেলজগতৰ ভিতৰত চলি থকা খোৱা-কামোৰা। খেলজগতৰ উচ্চ বিষয়াসকলেও কেৱল নিজৰ স্বাৰ্থৰ কথাহে ভাবে। অৰ্থাৎ তাতো চলি থাকে স্বজনপ্ৰীতি। মই ভাবো, এনেদৰে কেৱল নিজৰ স্বাৰ্থৰ বাবে লাগি থকাৰ বাবেই অসমৰ খেল জগতৰ ভিতৰ চ'ৰা কলুষিত হৈ পৰিছে। বহু ক্ষেত্ৰত উপযুক্ত খেলুৱৈ আগবাঢ়ি যোৱাৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি হৈছে। মানদণ্ড নিম্নগামী হৈছে। অসমীয়া খেলুৱৈ বাহিৰলৈ ঢাপলি মেলিছে। এনেবোৰ কাৰণতে অসম ভাৰতৰ বিভিন্ন ৰাজ্যৰ মাজত অৱহেলিত হৈ ৰৈছে। মোৰ মতে, ইয়াৰ বাবে এক দলগত একতাৰ প্ৰয়োজন। আমাৰ মানুহখিনি যেতিয়ালৈকে একেলগ নহয়, শক্তিশালী নহয়, তেতিয়ালৈকে এই অৱহেলাই আমাক চুহি থাকিব।

- **ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খেলুৱৈ গঢ় দিয়াত অসমৰ খেল জগতৰ অৱদান কি বুলি ভাবে আপুনি?**

— এক হিচাবে চাবলৈ গ'লে আন্তঃৰাজ্যিক, ৰাষ্ট্ৰীয় আনকি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো অসমৰ খেলুৱৈয়ে দেখুওৱা পাৰদৰ্শিতা মনকৰিবলগীয়া আৰু প্ৰশংসাৰ যোগ্য। কিন্তু আজিৰ পৰা ১৬/১৭ বছৰ আগতে অসমতে থাকি, ইয়াত অনুশীলন কৰি মই যি পাৰফৰ্ম কৰিছিলো; এতিয়া অসমত তেনে পৰিৱেশ নাই। অসমৰ খেলুৱৈসকল অসমৰ বাহিৰত অনুশীলনৰ প্ৰতিহে বেছি আগ্ৰহী। অথচ গুণগত দিশত ফলাফলচোন একেই হয়। অৰ্থাৎ অসমৰ বাহিৰত বা অসমতে থাকি অনুশীলন কৰি প্ৰদৰ্শন কৰা খেলবোৰৰ ফলাফল প্ৰায় সমানেই হয়। কিন্তু অসমীয়া খেলুৱৈ হিচাপে তেওঁলোকৰ প্ৰদৰ্শন উন্নত।

- **তেতিয়াৰ কটনৰ পৰিৱেশ আৰু বৰ্তমানৰ খেলাৰ পৰিৱেশৰ মাজত পাৰ্থক্য অনুভৱ কৰে নেকি?**

— আমাৰ দিনত তেতিয়াৰ কটনত খেলাৰ এটা সু-শৃংখল পৰিৱেশ আছিল। অৱশ্যে সেই পৰিৱেশ সৃষ্টিত কটন কলেজ একতা সভাৰ উদ্যোগ আছিল যথেষ্ট বেছি। যিহেতু এতিয়াৰ কটনৰ পৰিৱেশৰ সৈতে মই বৰ ঘনিষ্ঠ নহওঁ, তথাপিও এটা কথা জোৰ দি ক'ব পাৰি কটনিয়ানসকলৰ প্ৰতিভাৰ প্ৰতিফলনৰ এটা গুৰু দায়িত্ব থাকে কটন কলেজ একতা সভাৰ ওপৰত। আৰু সেই দায়িত্ব মই ভবাত অধ্যাপকসকলতকৈও বেছি। গতিকে এতিয়াৰ পৰিৱেশ নিৰূপনৰ দায়িত্ব বৰ্তমানৰ কটনিয়ানসকলৰ।

- **আপুনি নিজকে কি নামেৰে পৰিচয় দিবলৈ সবাতোকৈ বেছি ভাল পায়— এগৰাকী খেলুৱৈ, এগৰাকী চৰকাৰী বিষয়া নে এজন নাগৰিক?**

— নিশ্চিত ৰূপত এজন ভাল 'মানুহ'।

*যুগুতালে — ভায়লৈট হাজৰিকা,*
*পম্পী ৰবিদাসে*

"আটাইতকৈ গভীৰ সমস্যাটো হৈছে খেলজগতৰ ভিতৰত চলি থকা খোৱা-কামোৰা। খেলজগতৰ উচ্চ বিষয়াসকলেও কেৱল নিজৰ স্বাৰ্থৰ কথাহে ভাবে। অৰ্থাৎ তাতো চলি থাকে স্বজনপ্ৰীতি। মই ভাবো, এনেদৰে কেৱল নিজৰ স্বাৰ্থৰ বাবে লাগি থকাৰ বাবেই অসমৰ খেল জগতৰ ভিতৰ চ'ৰা কলুষিত হৈ পৰিছে।"

একাংকিকা নাটক

# উপলব্ধি

ত্ৰিবেদী চুতীয়া
*স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

## চৰিত্ৰসমূহ

| | | |
|---|---|---|
| মিঃ চলিহা ঃ | এজন প্ৰশাসনিক বিষয়া | বয়স ৪৫-৫০ বছৰ |
| ৰমেন ঃ | চাকৰ | বয়স ১৫-১৬ বছৰ |
| বিনয় ঃ | নিবনুৱা যুৱক | বয়স ২২-২৩ বছৰ |
| মিছেচ চলিহা ঃ | মিঃ চলিহাৰ পত্নী | বয়স ৪৫-৫০ বছৰ |
| মানৱ ঃ | মিঃ চলিহাৰ পুত্ৰ | বয়স ২০-২১ বছৰ |

এটা সু-সজ্জিত কোঠা। আঁৰ কাপোৰ আঁতৰাৰ লগে লগে মিঃ চলিহাক বাতৰি পঢ়ি থকা দেখা যাব। ঠিক ৩০ ছেকেণ্ডৰ পিছত তেওঁৰ মোবাইলৰ ৰিং টন্ বাজি উঠিব। (মোবাইলৰ নকিআ টন্ লাউড ভইচ্‌ত শুনাব)

**মিঃ চলিহা** ঃ হেল্ল'। অ' মিঃ বৰুৱা, মৰ্নিং মৰ্নিং। কওঁকচোন কেনে আছে? মোৰনো কি আৰু। দেখিছেই নহয়। তিনিটা মানুহহে আৰু। চলি আছো ভালে কুশলে। নাই নাই, আপুনি কোনো চিন্তা নকৰিব। মইতো কালিয়েই এপইণ্টমেণ্ট লেটাৰ টাইপ কৰিবলৈ অৰ্ডাৰ দি দিছো। পিছে পাঁচ এটা লাগিব কিন্তু! এই কি ক'ব আৰু মিঃ বৰুৱা। জানেই নহয় এইবিলাক কামত দিগদাৰি। পঞ্চাছ শতাংশ মিনিষ্টাৰকেই দিব লাগে। আমি কেৱল তুলি দিয়াহে হয়। অ' অ' অ'কে! নাই নাই ম'ষ্ট ৱেলকাম! (সন্তুষ্টিৰ হাঁহি এটা মাৰি চকীত বহে। তেনেতে কলিং বেল বাজি উঠে)

**মিঃ চলিহা** ঃ ঐ ৰমেন...! (অলপ চিঞৰি)

**ৰমেন** ঃ গৈছো ছাৰ। (ভিতৰৰ পৰা)

**মিঃ চলিহা** ঃ কোনোবাই কলিং বেল বজাইছে। দুৱাৰ খুলি দে।

**ৰমেন** ঃ হ'ব ছাৰ! (দুৱাৰ খুলি দিয়ে। বিনয় সোমাই আহে। ৰমেনে বিনয়ক বহিবলৈ দি ভিতৰ সোমায়)

**বিনয়** ঃ (থিয় হৈ) নমস্কাৰ ছাৰ! মোক চিনিব পাৰিছেনে?

**মিঃ চলিহা** ঃ অ' নমস্কাৰ। তাকে ভাবিছো। কৰবাত দেখিছো যেন লাগিছে তোমাক। মনতহে পেলাব পৰা নাই। কোৱা কি কাম আছে?

**বিনয়** ঃ মই বিনয় দাস ছাৰ। আপোনাৰ অফিচৰ কেৰাণী চাকৰিটোৰ বাবে যে ইন্টাৰভিউ দিছিলো। আপোনাৰ সৈতেতো কথাও হৈছিল তেতিয়া।

**মিঃ চলিহা** ঃ অ' আচ্ছা, আচ্ছা। পিছে ইয়ালৈ আহিলা যে। মইতো অফিচিয়েল কথা ঘৰত নাপাতো।

**বিনয়** ঃ ৰাতিপুৱাই আহি আমনি দিয়াৰ বাবে বেয়া নাপাব ছাৰ! কিন্তু মোৰ বাবে চাকৰিটো খুবেই জৰুৰী। সেয়েহে...!

**মিঃ চলিহা** ঃ হেৰা ডেকা ল'ৰা! চাকৰিনো আজিৰ দিনত কাক নালাগে। তুমি বিচৰা চাকৰিটো পাবলৈয়ে ইন্টাৰভিউ কিমানে দিছে জানা? এক লাখ নিবনুৱাই! এনি ৱে! তোমাৰ একাডেমিক ৰিজাল্ট কেনেকুৱা?

**বিনয়** ঃ একাডেমিক ৰিজাল্ট মোৰ ভালেই ছাৰ। মেট্ৰিকত ফাৰ্ষ্ট ডিভিজন, দুখনত লেটাৰ মাৰ্কছ। হায়াৰ ছেকেণ্ডাৰীত ষ্টাৰ মাৰ্কছ আছে। ইন্টাৰভিউ মোৰ খুবেই ভাল হৈছে।

**মিঃ চলিহা** ঃ অ' তোমাৰটো একাডেমিক কেৰিয়াৰো ভাল। কিয় ইমান সৰু সুৰা চাকৰিত মূৰ ঘমাইছা। ডেকা মানুহ। বয়সো আছে। যোৱা যোৱা ভালকৈ পঢ়া। পিছত আই. এ. এছ নহ'লে এ. চি. এছ দিবা।

**বিনয়** ঃ নহয় ছাৰ। মোক পঢ়ুৱাবলৈ ঘৰখনৰ সামৰ্থ থকা হ'লে আপোনাক ৰাতিপুৱাই আমনি দিবলৈ কেতিয়াও নাহিলোহেঁতেন। কি ক'ম ছাৰ! দেউতা সৰুতে ঢুকাল। অসুখীয়া মাৰ কাপোৰ বেচা টকাৰে আৰু কিমান পঢ়িম। ঘৰত দুজনীকৈ বিবাহযোগ্য বাইদেউ আছে। সকলোৱে বৰ আশাৰে বাট চাই আছে মোৰ চাকৰিটোৰ বাবে। অন্ততঃ মানৱীয়তাৰ খাতিৰতে মোক চাকৰিটো দি আমাৰ চাৰিওটা প্ৰাণীক উদ্ধাৰ কৰক ছাৰ। পুণ্য হ'ব আপোনাৰ।

**মিঃ চলিহা** ঃ হেৰা ডেকাল'ৰা! পাপ-পুণ্য, মানৱীয়তাৰ কথা অফিচ কাছাৰীত কৈ লাভ নাই বুজিছা। বৰঞ্চ মই কওঁ তুমি আৰু এই

চাকৰিটোৰ কাৰণে মিছা আশা কৰি নাথাকিবা। চাকৰিৰ যদি ইমানেই প্ৰয়োজন বেলেগত বিচৰা। পাই যাব পাৰা।

**বিনয়** ঃ কিন্তু ছাৰ, মইতো যোগ্যতা নোহোৱাকৈ আপোনাৰ ওচৰত চাকৰি বিচাৰি অহা নাই। ইন্টাৰভিউত ময়ে প্ৰথম হৈছো।

**মিঃ চলিহা** ঃ কি গছত গৰু উঠা কথা কৈছাহে তুমি। ইন্টাৰভিউৰ ৰিজাল্ট এতিয়ালৈকে দিয়াই নাই আৰু তুমি কৈছা তুমি প্ৰথম হৈছো। কোনে দিলেহে তোমাক ৰিজাল্ট? যি টি কথা কৈ মোৰ এই সময়খিনি নষ্ট নকৰিবা। যোৱা যোৱা। তুমি এতিয়া যাব পাৰা।

**বিনয়** ঃ এই প্ৰশ্নটো আপুনি মোক সোধাতকৈ অফিচৰ বৰ কেৰাণী হাজৰিকাকে সুধিব। তেওঁৱেই মোক ৰিজাল্ট দিছে আৰু কৈছে যে চাকৰিটো পাবলৈ হেনো মই আপোনাক পাঁচ লাখ টকা দিব লাগিব।

**মিঃ চলিহা** ঃ অ' তেতিয়াহ'লে কি কৰি আছা ইয়াত? যোৱা যোৱা ঘৰলৈ গৈ টকাৰ যোগাৰ কৰা। হ'ব বাৰু! চাকৰিটো তোমাকেই দিম। বুজিছাতো! যোৱা, আগতে কেচ লৈ আহা।

**বিনয়** ঃ কিন্তু ছাৰ...!

**মিঃ চলিহা** ঃ হেৰা আকৌ কিহৰ কিন্তুহে? মানৱীয়তা, পাপ-পুণ্য এইবোৰ কৈ মোৰ পৰা কিন্তু একো আশা নকৰিবা দেই। আৰে প্ৰেক্টিকেল হোৱা! মোৰ এক কথা। আজি টকা দিয়া, দুদিন পিছত এপইন্টমেণ্ট লেটাৰ লৈ যাবা। বচ্! এতিয়া তুমি যাব পাৰা।

**বিনয়** ঃ ছাৰ! পাঁচ লাখ টকানো মই ক'ৰ পৰা দিম? টিউচন কৰি যি অলপ পাওঁ তাকে লৈ কোনোমতে চলি আছোঁ। বিক্ৰী কৰিবলৈ দেউতাৰ মাটি-বাৰীও নাই ছাৰ! ঘৰৰ ভেঁটিটো মাত্ৰ। মোৰ দৰিদ্ৰ ঘৰখনলৈ চাইয়ে অকণমান দয়া কৰক। মই আপোনাৰ ভৰিতে ধৰিছো ছাৰ। (ভৰিত ধৰে)

**মিঃ চলিহা** ঃ হেৰা, হেৰা কি কৰিছাহে এইবোৰ! তোমালোকৰ এইবোৰেই ভুল বুজিছা। অলপতে ইমশ্বনেল। লাভ নাই বুজিছা আজিকালি এইবোৰ কৰি। মোৰ ভৰিত ধৰি কি পাবা? ভৰি দুটাইটো চহী নকৰে তোমাৰ এপইন্টমেণ্ট লেটাৰত। আৰে ভাই! অলপমান ওপৰৱালাৰ হাত দুখন পূজা কৰিবলৈ শিকা। তেতিয়া দেখিবা তোমাৰ কাম হৈ গৈছে। বুজিলা। এতিয়া যোৱা। আৰু আমনি নকৰিবা।

**বিনয়** ঃ (উগ্ৰভাৱে) কিন্তু! মইতো চাকৰিটোৰ একমাত্ৰ যোগ্য প্ৰাৰ্থী। ইন্টাৰভিউত ময়েতো প্ৰথম হৈছো! তেনেহ'লে কি আজিৰ দিনত টকা নহ'লে আমাৰ নিচিনা দুখীয়া মানুহৰ চাকৰি কৰাৰ, জীয়াই থকাৰ অধিকাৰ নাই নেকি ডাঙৰীয়া?

**মিঃ চলিহা** ঃ ঐ, পগলা মানুহৰ দৰে চিঞৰিছ যে! ভদ্ৰভাৱে কথা পতাৰ কাৰণে গললৈ জপিয়াব খুজিছ হ'বলা।

**বিনয়** ঃ অ' মই পগলা হৈ গৈছো। আপোনালোকৰ দৰে লুভীয়া কুকুৰবোৰে মোৰ বুকুত কৰা উপৰ্যুপৰি আঘাত সহিব নোৱাৰি মই পাগল হৈ গৈছো। আমি দুখীয়া মানুহ! কি অপৰাধ কৰিছো আপোনালোকৰ? আমিতো কেতিয়াও যোৱা নাই আপোনালোকৰ মুখৰ ভাত মুঠি কাঢ়ি খাবলৈ। অথচ আমাৰ প্ৰতিটো খোজতে কিয় এনে অন্যায়? কিয় এই ষড়যন্ত্ৰ আমাৰ সপোনবোৰ ধ্বংস কৰি দিবলৈ?

**মিঃ চলিহা** ঃ হেৰা মিঃ এইবোৰ অভিনয় ইয়াত নকৰিবি বুজিছ। মানৱতাৰ খাতিৰত চাকৰি? মানৱতাৰ খাতিৰত চাকৰি খুবিজলৈ এইখন ধৰমশালা নহয় বুজিছ! নিজেই যাবিনে নে মই পুলিচক মাতিব লাগিব?

**বিনয়** ঃ আপোনালোকৰ পোহনীয়া গুণ্ডাবোৰক মতাৰ প্ৰয়োজন নাই ডাঙৰীয়া। মই যি বাটেৰে আহিছো সেই বাটেৰে নিজেই গুচি যাম। মাত্ৰ যাবৰ পৰত এটা কথা কওঁ। মোৰ এই চাকৰিটোৰ বাবেই যদি আমাৰ সকলোৰে সপোনৰ ঘৰ ভাঙি চিঙি চুৰ-মাৰ হৈ যায়, যদি অসুখীয়া মাৰ ঘন ঘন উশাহবোৰ চিৰদিনৰ বাবে নোহোৱা হৈ যায়, তেনেহ'লে তাৰ বাবে একমাত্ৰ দায়ী হ'ব আপুনি। অ' আপুনি ডাঙৰীয়া! (প্ৰস্থান)

**মিঃ চলিহা** ঃ (বিদ্ৰূপেৰে) মানৱতাৰ খাতিৰত হেনো চাকৰি লাগে। অপদাৰ্থ ক'ৰবাৰ। (ভিতৰলৈ চাই কয়) ঐ ৰমেন।

**ৰমেন** ঃ কওঁক ছাৰ।

**মিঃ চলিহা** ঃ কি হ'ল, ইমান দেৰি একাপ চাহো নাই যে। যা, একাপ চাহ লৈ আহ।

**ৰমেন** ঃ মই আনিবলৈ লৈছিলোৱে ছাৰ। পিছে বাইদেউৱেহে ক'লে নিজে আনিম বুলি।

**মিঃ চলিহা** ঃ হ'ব। ক'গৈ যা সোনকালে আনিবলৈ। (ৰমেন সোমাই যায়। একাপ চাহ লৈ মিছেচ চলিহা সোমাই আহে)।

**মিচেচ চলিহা** ঃ (চাহ কাপ দি) কোনোবাই ডাঙৰ ডাঙৰকৈ কথা কৈ থকা যেন লাগিছিল যে। কোন আহিছিল নো ?

**মিঃ চলিহা** ঃ এই! অপদাৰ্থ এটা বুজিছা। পুৱাই পুৱাই আহি মূৰটো গৰম কৰি থৈ গ'ল।

**মিচেচ চলিহা** ঃ কোননো?

**মিঃ চলিহা** ঃ মানৱীয়তাৰ খাতিৰত চাকৰি বিচৰা মানুহ। আৰে যিটো চাকৰি পাবলৈ আজি পাঁচ লাখ টকা দিয়া মানুহৰ অভাৱ নাই, তাক হেনো সেইটো চাকৰি মানৱীয়তাৰ খাতিৰত বিনা পইচাত দিব লাগে।

**মিচেচ চলিহা** ঃ তোমাৰ অফিচত টকাই চাকৰিৰ একমাত্ৰ যোগ্যতা নেকি সমৰ?

**মিঃ চলিহা** ঃ তুমিও সেই একেই বুজিছা। কোনটো অফিচত চাকৰি পায়হে আজিকালি টকা নহ'লে। ইহঁতৰটো ভাগ্য ভালেই। মই

পাঁচ লাখ টকাতে মানিছো। সৌ হাজৰিকাহঁতৰ অফিচত হোৱা হ'লে দহৰ তলত লৰাবকে নোৱাৰিলেহেঁতেন। তথাপি আকৌ ৰঙা চকু মোকহে দেখুৱায়। দৰিদ্ৰৰ জাত।

**মিচেচ চলিহা** ঃ কিন্তু সমৰ!

**মিঃ চলিহা** ঃ একো কিন্তু নাই! প্লিজ! আকৌ মূৰ গৰম নকৰিবা তুমি। (দুয়ো মৌন হৈ ৰয় কিছু সময়ৰ বাবে। মিঃ চলিহাই পেপাৰখনত মন দিবলৈ চেষ্টা কৰে)।

**মিচেচ চলিহা** ঃ কালি বাবাটোৱে কথা এটা সুধিছিল।

**মিঃ চলিহা** ঃ (বাতৰি চাই চাই) কি কথা?

**মিচেচ চলিহা** ঃ সি গাঁৱৰ ঘৰলৈ যাব খুজিছে। ককাক-আইতাকৰ ওচৰলৈ।

**মিঃ চলিহা** ঃ কিন্তু তাৰতো কলেজ চলি আছে। তাতে এনেকুৱা বাৰিষা সময়ত বোকা-পানী হৈ গাঁৱৰ ৰাস্তা-পদূলিৰ চাগৈ চিন-মোকাম নোহোৱা হৈ গৈছে। এনেকুৱা সময়ত তালৈ গ'লে সি বেমাৰত পৰিবগৈ। না থাকিবলৈ এটা ভাল ঘৰ আছে, না এখন হাস্পতাল আছে তাত। বেমাৰত পৰিলে ইমান কাম এৰি থৈ মই কিন্তু তাক আকৌ গাঁৱৰ পৰা আনিবলৈ যাব নোৱাৰো দেই। আগতেই কৈ দিছো। তাক কৈ দিবা। ক্লাছ ক্ষতি কৰি মই যাবলৈ মানা কৰিছো বুলি।

**মিচেচ চলিহা** ঃ মই ক'ব নোৱাৰো। তুমি নিজেই ক'বা তাক এইবোৰ কথা। (তেনেতে মানৱ সোমাই আহে হাতত বেগ লৈ)।

**মানৱ** ঃ মা, মই যাবলৈ ওলালো।

**মিঃ চলিহা** ঃ ক'লৈ যোৱা।

**মানৱ** ঃ গাঁৱৰ ঘৰলৈ।

**মিঃ চলিহা** ঃ কিয়?

**মানৱ** ঃ ককা-আইতাৰ ওচৰলৈ যাওঁ। শুনিছো গাঁৱত হেনো বানপানী হৈছে। সেয়ে চাবলৈ যাওঁ, এজন প্ৰশাসনিক বিষয়াৰ বৃদ্ধ পিতৃ-মাতৃয়ে বানপানীয়ে ভাঙি থৈ যোৱা এটা ঘৰত কিদৰে জীয়াই আছে?

**মিঃ চলিহা** ঃ অনু! শুনিছা তোমাৰ একমাত্ৰ ল'ৰাৰ কথা। ভাল ভাল বুলি মূৰত লৈ থকা নহয়। দেখিছা, কেনেকুৱা ব্যৱহাৰ কৰিছে মোক। তাক কৈ দিয়া এনেকুৱা সময়ত গাঁৱৰ ঘৰলৈ যোৱাৰ কোনো দৰকাৰ নাই।

**মানৱ** ঃ তেওঁকো কৈ দিয়া মা। তেওঁৰ দৰে গাঁৱলৈ ভোগালীৰ দিনত মাছ-মঙহৰ জুতি ল'বলৈ যোৱা মানুহ মই নহয়। বিপদৰ দিনত মোৰ নিসংগ ককা-আইতাক এতিয়া আপোনজনৰ এষাৰি মাতৰ, অকণমান আশ্ৰয়ৰ খুবেই প্ৰয়োজন। সেয়ে মই যাবলৈ ওলাইছো মা।

**মিঃ চলিহা** ঃ ইস্। এনে মানৱদৰদী ওলাবলৈ আহিছে। যাবলৈ দিয়া বুজিছা অনু। বান বিধ্বস্ত গাঁও চাবলৈ ওলাইছে নহয়। গাড়ীভো নাযেই, বোকা-পানী, মহে-ডাঁহে। পাব নহয় মজাতো। Hopeless ক'ৰবাৰ।

**মানৱ** ঃ মা, দেউতাই যে গাঁৱৰ কথা কৈ নাক কোঁচাইছে, তেওঁক সোধাচোন তেওঁনো কোনখন বিখ্যাত চহৰত জন্ম গ্ৰহণ কৰিছিল। সঁচা কথা! আজিকালি খাই পাত ফলা মানুহৰ একেবাৰে অভাৱ নাই।

**মিচেচ চলিহা** ঃ বাবাটো! মনে মনে থাকা বুলিছো নহয়। কিয় এনেকৈ কৈছা দেউতাক?

**মানৱ** ঃ আজি আৰু মনে মনে থাকিবলৈ নক'বা মা। আৰু কিমান দিন থাকিবা তুমি মৌন হৈ। কিমান দিনলৈ আৰু লুকুৱাই ৰাখিবা তুমি চকুপানীবোৰ দেউতাৰ পৰা। ধৈৰ্যৰ সীমা হেৰাই গৈছে মোৰ। তুমি কিয় নোকোৱা মা, যে দেউতাৰ সৈতে তুমি ভীষণ অসুখী। তেওঁক বুজাই দিয়া মা, সোঁৰে-বাওঁৰে ঘটা টকাৰে বিলাসী ফ্লেট কিনিব পাৰি সঁচা, কিন্তু সেই ফ্লেটবোৰে তোমাৰ সপোনৰ ঘৰখনৰ স্থান কেতিয়াও ল'ব নোৱাৰে। পূৰাব নোৱাৰে আমাৰ মনৰ শূন্যতাখিনি।

**মিচেচ চলিহা** ঃ (ডাঙৰকৈ) বাবাটো।

**মিঃ চলিহা** ঃ নাই! একো নক'বা তুমি। ক'বলৈ দিয়া তাক।

**মানৱ** ঃ অ' দেউতা আজি শুনিবই লাগিব আপুনি মোৰ কথা। আপুনি জানেনে মিঃ চলিহাৰ ল'ৰা বুলি জানিলে আজিকালি মোকো মানুহে সন্দেহৰ চকুৰে চাবলৈ লৈছে? আপোনাৰ গুণ গৰিমাৰ কথা এতিয়া ইমানেই বিয়পি পৰিছে যে মই মূৰ দাঙি ওলাব নোৱাৰা হৈ গৈছো।

**মিঃ চলিহা** ঃ ঐ। কোৱাচোন মোক, কাৰ সাহস ইমান মোৰ বিষয়ে বেয়াকৈ ক'বলৈ। ভিজিভত ৰচী লগাই থানালৈ চোঁচোৰাই লৈ আনিব পাৰো বুলি জানে নে নাই সিহঁতে। নাম কোৱা মোক সিহঁতৰ। চাই ল'ম মই।

**মানৱ** ঃ টকাৰ ভয় দেখুৱাই কিমানৰ মুখ বন্ধ কৰিবা দেউতা? যদি সৎ সাহস আছে, যদি নিষ্ঠা আৰু সততা এতিয়াও জীয়াই আছে আপোনাৰ মাজত, তেনেহ'লে বুকু ডাঠ কৰি ক'ব পাৰিবনে আপোনাৰ বিৰুদ্ধে তোলা অভিযোগবোৰ সম্পূৰ্ণ ভিত্তিহীন বুলি? ক'ব পাৰিবনে লাখ লাখ টকাৰ বিনিময়ত যোগ্য প্ৰাৰ্থীৰ পৰা চাকৰি কাঢ়ি আনি যোগ্যতাৰ 'য'টো নথকা কোনোবা ধনবান মানুহৰ ওচৰত বিক্ৰী নাই কৰা বুলি। (মিঃ চলিহালৈ চায়। মিঃ চলিহা অপ্ৰস্তুত হৈ যায়)।

**মানৱ** ঃ একো নক'লে যে। মই জানো। আপোনাৰ নিষ্ঠা, সততা কাহানিবাই নোহোৱা হৈ গৈছে। আজি মোৰ ভাবিবলৈয়ে ভয় লাগিছে যাক মই 'দেউতা' বুলি সম্বোধন কৰো তেওঁ কেৱল মাত্ৰ

টকাৰ বাবে লাখ লাখ মেধাৱী ল'ৰা-ছোৱালীৰ সোণালী ভৱিষ্যতৰ সৈতে হেতালি খেলিবলৈ কুণ্ঠাবোধ নকৰা লুণ্ঠনকাৰী নেতালৈ অধঃপতিত হৈছে।

**মিঃ চলিহা** ঃ শুনিছা। মোৰ ল'ৰা হৈ সি মোকেই উপলুঙা কৰিছে। মোৰ বিৰুদ্ধাচৰণ কৰিবলৈ আহিছে সি। নিষ্ঠা আৰু সততাৰ কথা মোক কোনেও শিকাব নালাগে। সব্ জনা আছে। নিষ্ঠা আৰু সততাৰে কি পায় আজিৰ দিনত? মোৰ দেউতাতো নিষ্ঠা আৰু সততাৰ পূজাৰী আছিল। কি পালে জীৱনত? কেৱল মাত্ৰ দৰিদ্ৰতাৰ বাদে একোৱেই নাপালে তেওঁ। কিন্তু একে লগৰ মানুহৰ ঘৰ সৌৱা ধনে ধানে গিজ্‌গিজাই আছে। নিষ্ঠা আৰু সততাত থকা মানুহে আজিৰ দিনত পেটত গামোচা বান্ধিব লাগিব।

**মানৱ** ঃ অ' প্ৰয়োজন হ'লে আমি লঘোনো থাকিব লাগিব। আপুনি সৎ পথেৰে উপাৰ্জন কৰা ধনেৰে ভোকৰ ভাতসাজ যোগাৰ দিব নোৱাৰিলে আমি হাঁহি হাঁহি লঘোনে থাকিব পাৰিম। কাৰণ এসময়ৰ মুক্তিকামী যুৱক সমৰ চলিহাৰ দৰে মইয়ো বিশ্বাস কৰো, কাৰোবাৰ ওচৰত নিষ্ঠা আৰু সততাক বন্ধকত থৈ বিলাসী জীৱন কটোৱাতকৈ সৎ পথত থাকি এসাঁজ লঘোনে থকাটোত সদায় বেছি আনন্দ আছে।

**মিঃ চলিহা** ঃ অনু! এইবোৰ সি কি ক'বলৈ আৰম্ভ কৰিছে মই একো ধৰিব পৰা নাই। অ' এদিন মুক্তিকামী সমৰ চলিহাই নাটকৰ মঞ্চৰ পৰা দৰ্শকলৈ চাই কৈছিল, 'নিষ্ঠা আৰু সততাক বন্ধকত থৈ বিলাসী জীৱন কটোৱাতকৈ সৎ পথত থাকি এসাজ লঘোনে থকাটো বেছি আনন্দৰ কথা।' কিন্তু আজি ডেৰ কুৰি বছৰৰ পিছত বিধ্বস্ত সমৰ চলিহাই জীৱনৰ মঞ্চৰ পৰা কৈছো কিছুমান কথা নাটকত ক'বলৈ বৰ সহজ। কিন্তু সেই সহজ কথাবোৰ বাস্তৱত কেতিয়াও সম্ভৱ নহয়।

**মানৱ** ঃ কিন্তু...!

**মিচেচ চলিহা** ঃ নাই বাবা, আৰু একো নক'বা তুমি দেউতাক। সমৰ শুনাচোন। তাক ভুল নুবুজিবা তুমি। সিটো তোমাৰ ল'ৰা সমৰ। বুজিবলৈ চেষ্টা কৰাচোন তুমি।

**মিঃ চলিহা** ঃ নাই। কোনেও বুজাব নালাগে। মই কি কৰি আছো মই ভালদৰে জানো। আজিৰ দিনত টকাই সকলো। যাৰ টকা আছে তাৰ সব্ আছে। মান-মৰ্যদা, আত্মসন্মান, মৰম সকলো পাই আজিকালি টকা হ'লে। সেয়ে মোকো টকা লাগে। বহুত টকা। লাগিলে সেই টকা সৎ পথেৰেই আহক বা অসৎ পথেৰেই আহক, তাত মই মূৰ ঘমোৱাৰ প্ৰয়োজনবোধ কোনোদিনেই কৰা নাছিলো আৰু এতিয়াও নকৰো। মোৰ এক কথা। মোৰ ঘৰত যাৰ থাকিবলৈ আপত্তি আছে সি ওলাই গ'লেই হ'ল।

**মিচেচ চলিহা** ঃ সমৰ! তুমি এইবোৰ কি কৈছা?

**মানৱ** ঃ দেউতাই ঠিকেই কৈছে মা। মই সিদ্ধান্ত কাহানিবাই ল'লো, ককা-আইতাৰ ওচৰলৈ যামগৈ বুলি। মাথোঁ তোমাক অকলশৰীয়া কৰিবলৈ সত যোৱা নাছিল। দেউতাক কৈ দিবা মা, যিখন ঘৰত নিষ্ঠা আৰু সততাৰ অপমৃত্যু ঘটিছে, য'ত মানৱীয়তা নিঃশেষ হৈ গৈছে সেইখন ঘৰত মানৱ কেতিয়াও থাকিব নোৱাৰে। (মাকৰ ওচৰলৈ আহি ভৰি চুই) মই জানো মা, মোৰ অবিহনে তুমি এইখন ঘৰত অকলশৰীয়া হৈ যাবা। যিদিনাই তুমি তথাকথিত সমাজৰ বান্ধোন চিঙিব পাৰিবা সেইদিনাই গুচি আহিবা গাঁৱৰ ঘৰলৈ। মই ৰৈ থাকিম মা। (মিচেচ চলিহাই, মানৱে ভৰি চুই প্ৰণাম কৰোতে মানৱৰ মূৰত হাত বুলাই দিয়ে। আৰু সাৰটি লয়। যাবৰ সময়ত অকণমান হাতত ধৰি আগবঢ়াই দিয়ে। চকুত দুধাৰি চকুলো। পুনৰ প্ৰস্থৰ মূৰ্তিৰ দৰে বহি পৰে মিঃ চলিহাৰ কাষৰ চোফাখনত)।

**মিঃ চলিহা** ঃ মোৰ ক'ত ভুল হৈছে অনু। সি কিয় এনেকুৱা কৰিছে? বাবাটোৱে কোৱাৰ দৰে তুমিও মোৰ স'তে সঁচাকৈয়ে অসুখী নেকি অনু?

**মিচেচ চলিহা** ঃ নাই। ঠিকেইতো আছো। তুমিতো মোক সবেই দিছা। থাকিবলৈ বিলাসী ফ্লেট, ফুৰিবলৈ সকলোতকৈ দামী গাড়ীখন, দামী দামী আ-অলংকাৰ, কাপোৰ সকলো দিছা। এগৰাকী প্ৰশাসনিক বিষয়াৰ পত্নী হিচাপে দহজনৰ ঈৰ্ষাৰ পাত্ৰী হোৱাৰো সুবিধা দিছা। টকা-পইচাৰো অভাৱ নাই এইখন ঘৰত। আৰুনো কি লাগিছে মোক সমৰ?

**মিঃ চলিহা** ঃ অনু! আজি সকলোৱে মোক কথাবোৰ কিয় বেলেগকৈ কৈছে? আজি বহুত বছৰৰ মূৰত তোমাৰ কথাখিনি শুনি এনে লাগিছে যে তুমি মোক উপহাস কৰিছা। অনু?

**মিচেচ চলিহা** ঃ কোৱা।

**মিঃ চলিহা** ঃ মোৰ ক'ত ভুল হৈ গ'ল অনু? মই যি কৰিছো সেয়া কেৱল মোৰ বাবে নহয়। বাবাটোৰ ভৱিষ্যতৰ বাবেইতো কৰিছো এইবোৰ। কাৰণ মই নিবিচাৰো এদিন দৰিদ্ৰতাৰ নিৰ্মম অত্যাচাৰত কোঙা হৈ যোৱা মোৰ ঘৰখনৰ বাবে, এমুঠি অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবে সোণালী শৈশৱত, যৌৱনৰ নিচা লগা দিনবোৰত মই যি সংগ্ৰাম কৰিবলগীয়া হৈছিল, যি কষ্ট আৰু হীনমন্যতাত ভুগিব লগা হৈছিল, সেই অসহনীয় কষ্ট বাবাটোৰ জীৱনত পুনৰাবৃত্তি হোৱাটো মই কেতিয়াও নিবিচাৰো অনু। অ' সেয়ে মই সৎ বা অসৎ যি পথেৰেই নহওঁক টকা ঘটিছো। টকা ঘটাৰ প্ৰতিযোগিতাত নামি পৰিছো।

**মিচেচ চলিহা** ঃ কিন্তু সমৰ, নিজৰ সন্তানৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ গৈ আনৰ সন্তানৰ ভৱিষ্যত অন্ধকাৰ গহ্বৰলৈ ঠেলি দিয়াৰ অধিকাৰ জানো তোমাৰ আছে? তুমি কেনেকৈ ভাবিব পাৰিছা সমৰ, মোৰ সন্তান মানৱে তোমাৰ এই বিশাল ক'লা সম্পত্তিৰ মালিক

হ'বলৈ আগবাঢ়ি আহিব। মানৱৰ পৰা অন্তত সেই আশা নকৰিবা তুমি।

**মিঃ চলিহা** ঃ (আৱেগিক হৈ) অনু!

**মিচেচ চলিহা** ঃ তোমাৰ এনে কৰুণ অৱস্থা দেখি আজি মোৰ দুখ লাগিছে সমৰ। এসময়ৰ সকলোৰে আদৰ্শ মানুহ আৰু মোৰ আটাইতকৈ হেঁপাহৰ মনৰ মানুহজনক আজি এনে অৱস্থাত পাম বুলি কেতিয়াও আশা কৰা নাছিলো সমৰ। কলেজীয়া জীৱনৰ কথাবোৰ কেতিয়াবা এবাৰলৈও মনত পেলোৱানে তুমি?

**মিঃ চলিহা** ঃ অনু প্লীজ! অতীতৰ কথাবোৰ আৰু মোক মনত পেলোৱাবলৈ চেষ্টা নকৰিবা। মই পাহৰি থাকিব খোজো মোৰ অতীতটোক।

**মিচেচ চলিহা** ঃ কিন্তু মই যে তোমাৰ অতীতটোত বিচাৰি পাওঁ মোৰ মনৰ মানুহজনক। তেওঁ আকৌ উভতি আহিব বুলিয়েইটো মই এতিয়াও অপেক্ষা কৰি আছোঁ। মোক সেইজন সমৰ চলিহাক লাগে যাৰ আদৰ্শ আছিল, যাৰ প্ৰকৃত জীৱনবোধ আছিল। অনেক ব্যস্ততাৰ মাজতো সেইজন সমৰ চলিহাই মোক মৰমৰ আৱেশেৰে আৱৰি ৰাখিছিল প্ৰতিটো পল-অনুপল। হাজাৰটা ধুমুহাৰ মাজতো, বিচ্ছেদ আৰু সংঘাতৰ সময়তো তেওঁ মোক আশ্ৰয় দিছিল, সুখী হোৱাৰ সপোন দেখুৱাইছিল। েইজন সমৰ চলিহাৰ অবিহনে মোৰ জীয়াই থকাটো বৰ কষ্টকৰ হৈ পৰিছে সমৰ।

**মিঃ চলিহা** ঃ অনু! তুমিতো জানাই মোৰ অফিচত কিমান দায়িত্ব থাকে। বহু সময়ত অনেক ব্যস্ততাৰ বাবে তোমাক সময় দিব পৰা নাই সঁচা। কিন্তু এবাৰ ভাবাচোন অনু, দিন-ৰাতি একাকাৰ কৰি মইনো কাৰ বাবে কাম কৰিছো। টকাৰ বাবে কেতিয়াবা বিপথেও গৈছো। কিন্তু আজিৰ দিনত মানুহে আমাক যিদৰে সমীহ কৰে, সন্মান কৰে, সমাজৰ আটাইতকৈ অভিজাত শ্ৰেণীটোৰ ওচৰত আজি আমি যি ষ্টেটাছ পাইছো, টকা নহ'লে জানো সেয়া সম্ভৱ হ'লহেঁতেন অনু?

**মিচেচ চলিহা** ঃ টকাৰে কিনিব পৰা ষ্টেটাছ, মান-সন্মান আদৰ মৰমৰ কিবা জানো স্থায়িত্ব আছে সমৰ? টকাৰে কিনিবলৈ পোৱা সন্মান অথবা আদৰৰ কোনো মানৱীয় মূল্য থাকিব নোৱাৰে সমৰ।

**মিঃ চলিহা** ঃ কিন্তু অনু! (দ্বিধাগ্ৰস্থভাৱে)

**মিচেচ চলিহা** ঃ মনত আছেনে সমৰ, তোমাৰ পিতাইৰ নৰাৰে চোৱা সৰু খেৰী ঘৰটোতে পঢ়া-শুনা কৰি তুমি হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত অসমৰ শীৰ্ষস্থান লাভ কৰা দিনৰ কথা। মানুহৰ যে সোঁত বৈছিল তোমাক চাবলৈ। জাপে জাপে গামোচা পিন্ধাই তোমাক লৈ যে শোভাযাত্ৰা কৰিছিল গোটেই গাঁওখনত। তুমি দেখিছিলানে নাই নাজানো, কিন্তু মই সেইদিনা গাঁৱৰ প্ৰতিজন খাটিখোৱা, সৰলমনা মানুহৰ মুখবোৰ আশাত উজ্জ্বলি উঠা দেখিছিলো। হয়তো তেওঁলোকে বহু কিবা কিবি আশা কৰিছিল তোমাৰ পৰা। হয়তো ভাবিছিল, তুমি এদিন মানুহ হ'বা। জ্ঞানৰ জ্যোতিৰে উজ্জ্বলাই তুলিবা গাঁওখন। নিৰক্ষৰ মানুহখিনিৰ সুখে-দুখে থাকি কণাৰ লাখুটি হ'বা। সেইদিনাওতো মানুহবোৰে তোমাক আদৰ কৰিছিল, মৰম কৰিছিল হিয়া উজাৰি। তেতিয়া আছিল জানো তোমাৰ এইষ্টেটাছ, আছিল জানো তোমাৰ এই বিশাল সম্পত্তি? তেনেহ'লে তুমি কিয় ধৰি ল'লা সমৰ টকাই মৰম আৰু সন্মান পোৱাৰ একমাত্ৰ পথ বুলি। টকা ঘটাৰ অঘোষিত প্ৰতিযোগিতাত নামি তুমি জানো নিজক হেৰুৱাই পেলোৱা নাই সমৰ? পাৰিছানে এসময়ত তোমাক নিস্বাৰ্থভাৱে ভাল পোৱা মানুহখিনিৰ প্ৰত্যাশা পূৰণ কৰিবলৈ?

**মিঃ চলিহা** ঃ নাইঅ' অনু! আজিহে মই উপলব্ধি কৰিছো, আচলতে মই কাকোৱেই একো দিব পৰা নাই। ক্ষণস্থায়ী এই ৰঙীন পৃথিৱীখনৰ ভোগ বিলাসত মত্ত হ'বলৈ পাই সঁচাকৈয়ে নিজক হেৰুৱাই পেলাইছিলো অনু। ধন-সোণ, গাড়ী ঘৰৰ উৰ্দ্ধতো যে এই পৃথিৱীখনত মানৱীয়তা বুলি কিবা এটা বস্তু আছে পাহৰিয়েই গৈছিলো। মোৰ আটাইতকৈ মৰমৰ মানুহ হিচাপে তুমি আজি মোক আকৌ জগাই তুলিলা। অনু! সঁচাকৈয়ে বহুত বছৰৰ মূৰত আজি বৰ নিসংগ অনুভৱ কৰিছো। মই আকৌ এবাৰ সেই অতীতৰ মুক্তিকামী সমৰ চলিহা হ'ব খোজো। মোক আকৌ নিজৰ কৰি লবানে অনু?

(অনু কাষ চাপি আহে। মিঃ চলিহাই হাতখন আগবঢ়াই দিয়ে। লাহে লাহে মিচেচ চলিহাই সমৰৰ হাতত ধৰে। লগে লগে মঞ্চৰ পট পৰে।)

—সমাপ্ত—


প্ৰাচীৰৰ পৰা হাজাৰটা পৃষ্ঠালৈ

প্ৰাচীৰে কঢ়িয়াই শব্দৰ স্পন্দন
সেই স্পন্দনৰে আঁচু টানি আমি আগুৰাও
হাজাৰটা পৃষ্ঠাৰ বাকৰিলৈ

নিৰ্জীৱ শিলৰ মাজতো থাকে অনুভৱৰ অৰ্বাচীন প্ৰতিলিপি। তাক হৃদয় আৰু বিবেকৰ সেউজীয়া ঢালি আত্মজ কৰিব পৰাটোৱে সাধনা। জীৱনৰ গতিময়তাৰ পম খেদি মানুহে হয়তো বিচাৰি ফুৰে কোনো অচিন স্পৰ্শৰ সান্নিধ্য। সাহিত্য তেনে এক সান্নিধ্যৰে নামান্তৰ। সাধাৰণ বস্তুতে অসাধাৰণত্বৰ পোহাৰ মেলা সাহিত্যৰ চোতালত সমাজে ৰচে গতিময়তাৰ ছন্দ। সেই ছন্দ নাচি উঠে প্ৰাচীৰৰ গভীৰতো।

কটন কলেজৰ প্ৰতিটো আবাস আৰু বিভাগতে শুনা যায় প্ৰাচীৰৰ শব্দ। সৃষ্টিমূলক, তথ্যমূলক সংযোজন সমূহৰ উপৰিও শিল্পকলাৰ অপূৰ্ব সমাহাৰে প্ৰতিখন প্ৰাচীৰ পত্ৰিকাকে প্ৰদান কৰিছে এক গুৰুত্ব— এক প্ৰাসংগিকতা। কটনিয়ানৰ কলম, তুলিকা আৰু চিন্তনে প্ৰাচীৰৰ মাজত ৰচিছে সৃষ্টিৰ সঁফুৰা।

প্ৰাচীৰৰ লগতে আবাস আৰু বিভাগসমূহে প্ৰকাশ কৰিছে বাৰ্ষিক মুখপত্ৰ। স্থবিৰতাৰ শিৰোনামেৰে কটনিয়ানৰ খোজ শিল হৈ নাযায়— সেই সত্যই প্ৰতীয়মান আবাস আৰু বিভাগসমূহৰ বাৰ্ষিক আলোচনী সমূহ। 'কটনিয়ান'ৰ পৃষ্ঠাত আমি আগবঢ়ালো তাৰেই এক চমু অৱলোকন—

# প্ৰতিবেদন

**ৰ'দ কাঁচলি ঃ** প্ৰাঞ্জল প্ৰতীম কাশ্যপৰ দ্বাৰা সম্পাদিত শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকাখনৰ বৰ্তমান সংখ্যাটো উচৰ্গা কৰা হৈছেপ্ৰয়াত গল্পকাৰ 'সৌৰভ চলিহা'ৰ স্মৃতিত। কলমৰ শক্তিক প্ৰতিফলিত কৰি সাহিত্য সৃষ্টিক এক ন-পৰ্য্যায়লৈ উন্নীত কৰাৰ প্ৰয়াস 'ৰ'দ কাঁচলি'। পংকজ শৰ্মাৰ 'শূণ্যই মোৰ সত্য', ভৃগু কুমাৰ ৰাজবংশীৰ 'আমাৰ মৰমৰ এচ. আৰ. বি', হিমালয় বৰাৰ 'নদীবান্ধ', জ্যোৰ্তিময় কাকতিৰ 'এমুঠি সেউজীয়া ভালপোৱা', অৰিন্দম গোস্বামীৰ 'চৰিত্ৰ আৰু ঈৰ্ষা' আদি লেখাসমূহ কটনিয়ানৰ প্ৰতিভা আৰু চিন্তনৰ পৰিচয় দাঙি ধৰে।

**চৰাচৰ ঃ** নৃতত্ব বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনি সম্পাদনা কৰি সম্পাদকদ্বয় বনশ্ৰী আৰু দীগাংঙ্গনাই তুলি ধৰিছে এই সত্য— গতিশীল মানুহৰ প্ৰক্ৰিয়াৰে নৃতত্বই দি যায় মানসিক আৰু বৌদ্ধিক বিকাশৰো স্বীকাৰোক্তি। হীৰকজ্যোতি বৰুৱাৰ 'Assam the land of Tea', ৰিয়া বৰুৱাৰ 'The Junbeel Mela', পাপিয়া বসুৰ 'Religion' আদিৰ মাজেৰে তথ্যমূলক সাহিত্যৰ ৰেঙণি ফুটি উঠিছে।

**প্ৰতিধ্বনি ঃ** আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ 'প্ৰতিধ্বনি'ক সজাই তুলিছে ডিউক আৰু দেৱাশীষ হাজৰিকাৰ তুলিকাই। ভাৰ্গৱ শইকীয়াৰ সম্পাদকীয়ত প্ৰকাশ পাইছে কটন কলেজ আৰু কটনিয়ানৰ সামৰিকী। অৰিন্দম ডেকাৰ 'হেণ্ডচাম' নামৰ লেখাটোত হোষ্টেলৰ স্থায়ী আবাসী ক'লা-পখৰা কুকুৰটোৰে ভুমুকি মাৰিছে। দেৱাশীষ হাজৰিকাৰ 'স্নেপ'। হিমাংকু বৰ্মনৰ 'তোৰ', হিমাংশু বশিষ্ঠৰ 'The clock to hide the weakness', বেদান্ত ডেকাৰ 'A college of revolution' ভাৰ্গৱ শইকীয়াৰ 'এ. আৰ. বি. এটা নাম নহয়', হিমাংকু বৰ্মনৰ 'প্ৰেম' আদিৰে জীপাল হৈ উঠিছে এজাক যৌৱনৰ 'প্ৰতিধ্বনি'।

**ধৰিত্ৰী ঃ** গোলকীয় উষ্ণতা বৃদ্ধি তথা বৰ্ধিত পাৰিৱেশিক সমস্যাই কিদৰে পৰিস্থিতিতন্ত্ৰক ধ্বংসৰ মজিয়ালৈ ঠেলি পঠিয়াইছে— তাৰেই এক সমীক্ষা ভাস্কৰ জ্যোতি দাস আৰু নীলাক্ষি দোৱাৰীৰ দ্বাৰা সম্পাদিত ভূগোল বিভাগৰ 'ধৰিত্ৰী' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখন। প্ৰাচীৰ পত্ৰিকাখনৰ অংকন আৰু তুলিকাই তুলি ধৰিছে ধৰিত্ৰীখনক আৰু ইয়াৰ সেউজীয়াক। অংকিতা চক্ৰৱৰ্তীৰ 'Global Warming' শীৰ্ষক প্ৰবন্ধটো শলাগিবলগীয়া।

**দেৱালৰ স্বৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ'ৰ বৰ্তমান সংখ্যাটো সম্পাদনা কৰিছে ভবেন নৰহ আৰু বিদ্যুৎ বিকাশ বৰুৱাই। মানস দলেৰ 'অনুভৱঃ নতুন পোহৰৰ নতুন শিক্ষা', গোবিন্দ দাসৰ 'টোকাবহীৰ এটা পৃষ্ঠা', মানসজ্যোতি চেতিয়াৰ 'তোমাক নোকোৱা কথাবোৰ' আদি 'দেৱালয় স্বৰ'ৰ অন্যতম লেখনি। বিদ্যুৎ বিকাশ বৰুৱাৰ চিত্ৰশিল্প 'In search of peace'ৰ মাজেৰে প্ৰতীকি অৰ্থত ধৰালৈ শান্তি কঢ়িয়াই অনাৰ বাৰ্তা দিয়া হৈছে।

**শাশ্বত আৰু এন. বি. ডি. য়ান ঃ** পম্পী চেতিয়া আৰু ফ্লৰেন্সৰ সম্পাদনাত এক গাম্ভীৰ্য আৰু মাৰ্জিত ৰুচিশীলতাৰ পৰিচয়েৰে প্ৰকাশ পাইছে নলিনীবালা দেৱী ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা 'শাশ্বত'। প্ৰাচীৰ পত্ৰিকাখনত প্ৰণিতা শৰণীয়াৰ 'সমাধান'ৰ মাজেৰে অনুৰণিত হৈছে জীৱনৰ অসহায়তাৰ ছবি। মণিষা ডেকাৰ কলমেৰে নিগৰিত হৈছে এক ৰোমাণ্টিক চিঠি। কবিতাৰ শিতানটি সজাই তুলিছে ৰিতুস্মিতাৰ 'যাত্ৰা' আৰু অলিগুঞ্জন শৰ্মাৰ 'ভগ্ন সপোনে'।

ইয়াৰ লগতে একেটা আবাসৰ পৰা ছপা ৰূপত প্ৰকাশ পাইছে 'এন. বি. ডিয়ান'। সম্পাদক পৰী টেৰন্‌পি আৰু সহঃ সম্পাদক চন্দ্ৰমা দেৱীৰ সম্পাদনাত প্ৰকাশিত 'এন. বি. ডি. য়ান'ৰ বেটুপাত প্ৰতীকধৰ্মী হৈছে। বাৰৰি হাজৰিকাই অনুবাদ কৰা ৰাস্কিন বণ্ডৰ গল্প 'তিমথি', প্ৰিয়ংকা গগৈৰ 'আমি গধূলি হ'ম যেতিয়া', চয়নিকা বৰুৱাৰ 'গাঁৱলৈ এবাৰ আহিবাচোন' আদি লেখাবোৰে উন্নত মানৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে।

**ঋতুৰে ঋতুৰে ঃ** অসমীয়া বিভাগৰ 'ঋতুৰে ঋতুৰে' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনে সম্প্ৰীতিৰ চেতনা কঢ়িয়াই আনিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীয় প্ৰকাশভংগীক সুন্দৰ চিত্ৰৰে প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকাখন চালেই জাকত জিলিকা, উন্নত মানদণ্ডৰে পৰিপূৰ্ণ আৰু বৰ্ষটোৰ শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকাৰূপে স্বীকৃতি প্ৰাপ্ত।

লগতে অসমীয়া বিভাগৰ পৰা এই বৰ্ষত ছপা আকাৰে প্ৰকাশ পাইছে 'সেউজৰ জোনাকী সুৰ'। সম্পাদক দেৱজিৎ বড়া আৰু দেৱজিৎ কলিতা। মূলতঃ এখন কাব্য আলোচনী 'সেউজৰ জোনাকী সুৰ'ত কেইবাটাও উৎকৃষ্ট কবিতাই স্থান পাইছে।

**সাময়িকী ঃ** সাম্প্ৰতিক সময়ৰ জড়তা আৰু ব্যক্তিগত দেহ-মানসিক ভাৱনাৰ উৰ্দ্ধলৈ গৈ 'সাময়িকী'য়ে জুমি চাই এখন নতুন জগতলৈ। ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা হৈও পাঠ্যপুথিকেন্দ্ৰিক মানসিকতাৰ পৰা আঁতৰি সাহিত্যৰ বাটতো খোজ পেলাবলৈ সক্ষম হৈছে। ইয়াত প্ৰকাশিত মায়ুমী শইকীয়াৰ

'বিজ্ঞাপন', জ্ঞানশ্ৰী দাসৰ 'অনুভৱ অপেক্ষাৰ', গায়ত্ৰী শইকীয়াৰ 'শাওনৰ এজাক বৰষুণ', ত্ৰিবেদী চুতীয়াৰ 'তোমাৰ অপেক্ষাত' কেইটামান উল্লেখনীয় লেখা।

**প্ৰাচীৰৰ ৰেঙণি আৰু জোৱাৰ ঃ** মহেন্দ্ৰ নাথ ডেকা ফুকন ছাত্ৰাবাসৰ 'প্ৰাচীৰৰ ৰেঙণি' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনে সন্ত্ৰাসবাদৰ জঘন্য ৰূপ প্ৰদৰ্শনেৰে ইয়াৰ পৰিসমাপ্তিৰ আশা ব্যক্ত কৰিছে। 'ব্যক্তিগত প্ৰয়োজনীয়তা বৃদ্ধিয়ে নৈতিক প্ৰমূল্যৰ হ্ৰাস কৰি সমাজক অধঃপতনৰ দিশে আগুৱাই নিছে।' অভিষেক চন্দাৰ সম্পাদকীয়ত প্ৰকাশিত এনে তত্ত্বগধূৰ কথাই আমাৰ নৈতিক সচেতনতা আৰু গঠনমূলক চিন্তাৰ প্ৰয়োজনীয়তাক আঙুলিয়াই দিয়ে। প্ৰকাশিত লেখনিবোৰৰ ভিতৰত বিজিত দাসৰ 'এই খিড়িকীখনেৰে জুমি চাওঁ', ৰাণা শইকীয়াৰ কবিতা 'উকাপাত' আদিয়ে উৎকৃষ্টতাৰ পৰিচয় দাঙি ধৰিছে।

সম্পাদক অৰূপ কলিতাৰ দ্বাৰা প্ৰকাশিত 'জোৱাৰ'ত শক্তিশালী কণ্ঠই মূৰ ডাঙি উঠিছে। সম্পাদকীয়ত প্ৰকাশ পাইছে— 'বিশ্বায়নে গিলি অনা আজিৰ এই সমাজত সাহিত্য সংবাদ সকলোবোৰ মনোৰঞ্জৰ মাধ্যম হৈ পৰিছে কেৱল। আজিৰ সমাজে কাকত আলোচনীক মগজুৰ সুষম আহাৰ হিচাপে নহয়, তৃপ্তিদায়ক ললিপপ হিচাপেহে গ্ৰহণ কৰিবলৈ ইচ্ছুক।' জ্যোতিৰ্ময় তালুকদাৰৰ 'কটনিয়ান ঃ অতীত আৰু বৰ্তমান', বেদব্ৰত গগৈৰ 'ভূমিপুত্ৰৰ সূত্ৰ আৰু অসমত ইয়াৰ প্ৰাসংগিকতা', হিমালয় বৰাৰ 'তেওঁ খুলি দিলে মোৰ বুকুৰ দুৱাৰ', মৃগাংক ডেকাৰ 'তুমি বিছাৰিলে মই শেৱালী হৈ ফুলিম' আদি লেখাবোৰে জোৱাৰত 'নতুন চিন্তাৰ নিচান' উৰুৱাইছে।

**ৰ'দালিৰ ৰেঙণি আৰু এছ এন বি চিয়ান ঃ** পাৰ্থপ্ৰতীম হাজৰিকাৰ অনন্য সাধাৰণ বেটুপাতে সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দালিৰ ৰেঙলি'ৰ ন-ৰূপ দিবলৈ সক্ষম হৈছে। 'নিৰাশাৰ ডাৱৰে যিমানেই ঘেৰি নধৰক এদিন নামিবই ধৰালৈ ৰ'দালিৰ ৰেঙনি। ইয়াকে প্ৰতিফলিত কৰি ৰঞ্জন সূত্ৰধৰ আৰু প্ৰসুন গোস্বামীৰ সম্পাদকীয়ত কোৱা হৈছে 'তৰোৱালতকৈ কলমৰ শক্তি বেছি'। অংকুৰজ্যোতি ভূঞাৰ 'সমাজ', ৰিংকু ডেকাৰ 'ছাতি', জিতু বড়োৰ 'তুমি সামান্য দুখী হোৱা মই সহ্য কৰিব নোৱাৰো' আদি উল্লেখনীয় সংযোজন।

শ্যাম গোস্বামীৰ দ্বাৰা সম্পাদিত 'এছএনবিচিয়ান'ৰ সম্পাদকীয়ত সুখৰ এক অৱলোকনে ভুমুকি মাৰিছে। সম্পাদকৰ কলমত প্ৰকাশ পাইছে এইদৰে —'সুখক বিশ্বদৰবাৰত পুনঃৰোপন কৰিবৰ বাবে এক বিশ্বজনীন দৃষ্টিভংগীৰে মানৱতাৰ শিপা মেলাটো অতিকে প্ৰয়োজনীয় পাৰ্থপ্ৰতীম বৰুৱাৰ 'আমাৰ যুৱ প্ৰজন্ম আৰু ভোগবাদী সংস্কৃতি', প্ৰকাশ চেত্ৰীৰ 'একান্তিকতা', জিতু বড়োৰ 'চেতনাৰ উপলব্ধি' আদিয়ে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

**কুঁহিপাত ঃ** গণিত বিভাগৰ 'কুঁহিপাত' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনিৰ মাধ্যমত এফালে গণিত আৰু আনফালে জীৱনক দেখুওৱা হৈছে। সুমা ভাস্কৰ আৰু ধ্ৰুৱজ্যোতি ডেকাৰ সম্পাদনাত প্ৰকাশিত 'কুঁহিপাত'ৰ এক গভীৰ অৰ্থবহ দিশ হ'ল— 'There is only two ways to live your life, one is as through nothing is a miracle. The other is as through everything is a miracle.'

**সাৰ্বজনীন আৰু আৰকেবিয়ান ঃ** ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সাৰ্বজনীন'ৰ মাধ্যমত সম্পাদকদ্বয় শচীন বড়ো আৰু উজ্জ্বল ডেকা বৰুৱাই সমাজ আৰু সাহিত্যৰ এক তুলনামূলক বিশ্লেষণ আগবঢ়াইছে। লংকেশ্বৰ পাটিৰৰ 'বিষয় তোমাৰ বাবে', ধনজিৎ দাসৰ 'Are we robbing our Children's Childhood', মনোৰঞ্জন দত্তৰ 'প্ৰত্যাশ্যা' আদিবোৰ প্ৰাচীৰ পত্ৰিকাখনৰ উল্লেখনীয় লেখনি।

গৌৰৱ গগৈৰ দ্বাৰা সম্পাদিত 'আৰকেবিয়ান'ৰ সম্পাদকীয়ত মুকলি কৰা হৈছে কেইটামান প্ৰাসংগিক প্ৰশ্নৰ। সেই প্ৰশ্নৰে আঁত ধৰি প্ৰকাশ পাইছে এই ভাৱধাৰা 'ব্যক্তিকেন্দ্ৰিক চিন্তা-চৰ্চাৰ কলা ছায়া আৰু কেৰিয়াৰ, অৰ্থৰ অক্টোপাছে মেৰিয়াই ধৰিছে নেকি কটন পৰিয়ালৰ প্ৰতিজন সদস্যক?' জনাৰ্দ্দন গোস্বামীৰ 'বৰ্তমানৰ যুৱ সমাজ', আৰোহণ কৌশিক ডেকাৰ 'ডিচেম্বৰৰ এৰাতি', আকাশ চেতিয়াৰ 'এপিটাফ' আদিয়ে 'আৰকেবিয়ান'ৰ সৃষ্টি আৰু চেতনাৰ প্ৰতিনিধিত্ব কৰিছে।

**শব্দ প্ৰপাত ঃ** ভাস্কৰ চলিহাৰ দ্বাৰা সম্পাদিত বুৰঞ্জী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'শব্দ প্ৰপাত'ৰ মাধ্যমত বুৰঞ্জীৰ প্ৰয়োজনীয়তা সম্পৰ্কে এনেদৰে প্ৰকাশ পাইছে —'A nation that forgets history will have no future. History holds a mirror up to nature and attemps to interpret the mind and manner of man।' উল্লেখনীয় লেখনিৰ ভিতৰত আৰোহণ কৌশিক ডেকাৰ 'History and its value' আকাশ চেতিয়াৰ 'গুৱাহাটী', শিল্পীশিখা বৰুৱাৰ 'বুৰঞ্জী' আদিবোৰ মনকৰিবলগীয়া।

**সৌৰভ ঃ** শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা 'সৌৰভ'ৰ বেটুপাত অতি আকৰ্ষণীয়। বাস্তৱ জগতৰ গতিময়তাক সাহিত্যৰ মাজেৰে উত্তীৰ্ণ কৰিবলৈ পত্ৰিকাখনিৰ জৰিয়তে এক সামূহিক প্ৰচেষ্টা চলোৱা হৈছে।

পাৰ্থপ্ৰতীম শইকীয়াৰ দ্বাৰা সম্পাদিত উক্ত আবাসৰ বাৰ্ষিক আলোচনী 'সৌৰভ'ৰ সম্পাদকীয়ত ফুটি উঠিছে এই চিন্তন — 'যি সময়ত শিশুবোৰ উপযুক্ত আদৰ-যত্নৰ অভাৱত নিচাখোৰ হৈছে, যি সময়ত মানুহে নলাৰ পানী খাই জীৱন নিৰ্বাস কৰিছে, ঠিক তেনে সময়তে একেখন সমাজতে এচাম প্ৰগতিশীল মানুহে

গগণচুম্বী অট্টালিকাত বিলাসী জীৱন-যাপন কৰিছে। সমাজত প্ৰতিফলিত এনে বিপৰীত ছবিয়ে বাৰে বাৰে এটা প্ৰশ্নৰ অৱতাৰণা কৰে— এয়াই নে গণতান্ত্ৰিক দেশত জনসাধাৰণৰ প্ৰতি থকা চৰকাৰৰ দায়বদ্ধতা?' গুঞ্জন দাসৰ 'গণতন্ত্ৰৰ দুখন বিপৰীত ছবি', ত্ৰিবেদী চুতীয়াৰ 'আত্মহনন', জ্যোতিষ্ময় চাংমাইৰ 'প্ৰেমৰ অনুভূতি' আদি 'সৌৰভ'ৰ লেখতল'বলগীয়া লেখনি।

**গুলঞ্চঃ** 'গুলঞ্চ' শীৰ্ষক উদ্ভিদ বিজ্ঞানৰ প্ৰাচীৰ পত্ৰিকাখনৰ মাজেৰে তথ্যমূলক চিন্তাধাৰাৰ পৰিচয় পোৱা যায়। বিজ্ঞানৰ মাজেৰে মানৱতাৰ সন্ধানক সম্পাদকীয়ত অতি সুন্দৰভাৱে উচ্চাৰণ কৰা হৈছে এনেদৰে— 'Science knows no country, because knowoledge belongs to humanity and it is the torch which illeminates the world'। মিনু বৰাৰ 'Corotinoid in marine animals', চামিন চুলতানা আহমেদৰ 'Cytoprotocol' আদি তথ্যমূলক প্ৰবন্ধৰে ভৰি আছে 'গুলঞ্চ'।

**অন্বেষা ঃ** জুৰি বৰুৱা আৰু গীতামণি ডেকাৰ যুটীয়া সম্পাদনাত প্ৰকাশ পোৱা শ্বহীদ কনকলতা ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা 'অন্বেষা'ৰ বেটুপাতে পোহৰৰ ইংগিত বহন কৰে। 'আমি কেৱল একোটা নাম নহয়, নিজেই একো একোখন গতিশীল সংগ্ৰাম' এই চিন্তনে মুকলি কৰিছে এক আত্মবিশ্বাসৰ। নীলাক্ষি বৈশ্যৰ 'নষ্টোদ্ধাৰ', ক্ৰান্তি বৰুৱাৰ 'কটন আৰু এটি সেউজীয়া গান', চুমি দেউৰীৰ 'Changes in youth after World war-I' আদি লেখনি প্ৰশংসাৰ যোগ্য। দীপ্তিৰাণী দেউৰীৰ কবিতা 'আই' প্ৰকাশিত কবিতাসমূহৰ ভিতৰত উৎকৃষ্ট।

একেটা আবাসৰপৰাই গীতামণি ডেকাৰ সম্পাদনাত প্ৰকাশ পাইছে 'এনাজৰী' শীৰ্ষক বাৰ্ষিক আলোচনী। এটা কল্পবিজ্ঞানভিত্তিক গল্প আৰু নীলাক্ষি বৈশ্যৰ 'নষ্টালজিয়াৰ বালিৰ ভাত আৰু বনৰ শাক' গল্প দুটা পঠনযোগ্য হৈছে। কেইবাটাও কবিতাই সজাইছে এনাজৰীৰ কবিতা শিতান।

**উদয়ন ঃ** অনামিকা দাসৰ দ্বাৰা সম্পাদিত 'উদয়নে' বাংলা বিভাগৰ প্ৰাচীৰ পত্ৰিকাক প্ৰতিনিধিত্ব কৰিছে। বাংলা সাহিত্য চৰ্চাৰ মাজেৰে সামাজিক চিন্তনৰ এক প্ৰকাশ হিচাপে ধৰা দিছে উদয়নে। অঞ্জলি দেৰ 'পথিক', অমৃত দাসৰ 'তবে কি হ'বৈ বালাত পাৰো', মুনমুন ভট্টাচাৰ্যৰ 'ফুলেৰ বলা কথা', প্ৰিয়ংকা চৌধাৰীৰ 'বৰ্ষা' আদি 'উদয়ন'ৰ লেখনি সমূহৰ ভিতৰত উল্লেখনীয়।

**অনুৰণন ঃ** ডাবু নাৰায়ণ কোঁৱৰৰ সম্পাদনাত শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'অনুৰণন' চকুত লগা বিধৰ হৈছে। 'আশাৰ পৰিধি ভাঙি আমি জ্ঞানৰ জ্যোতিৰে ধৰাক জিনো' — উক্ত প্ৰস্তাৱনাৰ প্ৰকাশ 'অনুৰণন'। নিবেদিতা শৰ্মাৰ 'সভ্যতা', ডেউজী পাঠকৰ 'যুদ্ধ', দুলুমণি নৰহৰ 'Corruption in Education System' আদি 'অনুৰণন'ৰ অন্যতম লেখনি।

**দৰ্শনজ্যোতি ঃ** পাৰ্থপ্ৰতীম বৰুৱাৰ সম্পাদনাত প্ৰকাশিত দৰ্শন বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'দৰ্শনজ্যোতি'ৰ জৰিয়তে মূল্যবোধৰ উত্তৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ কলমৰ দায়িত্ব যে অতি প্ৰাসংগিক সেই ধাৰণাকো প্ৰতীয়ান কৰিবলৈ যত্ন কৰা হৈছে। প্ৰাচীৰ পত্ৰিকাখনৰ লেখনিসমূহৰ ভিতৰত মিনাক্ষী দেৱীৰ 'অসমীয়া সংস্কৃতি—সংশয় আৰু সম্ভাৱনা', মুনমী ফুকনৰ 'এপিক থিয়েটাৰ' আদি মনকৰিবলগীয়া।

**ক্লেৰিয়ন ঃ** কৌশিক তালুকদাৰৰ দ্বাৰা সম্পাদিত ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'ক্লেৰিয়ন'ৰ মাধ্যমত সাহিত্যৰ সমান্তৰালভাৱে ৰসায়ন বিজ্ঞানৰ বিবিধ তত্ত্বগধুৰ ৰচনা উল্লেখ পাইছে। অনুস্মিতা চাৰিঙ্গীয়াৰ 'ধিক্ স্বাধীনতা', জয়শ্ৰী নাথৰ 'আকাশৰ ৰং', ঋতুৰাজ কলিতাৰ 'আমাৰ নিৰীহ জীৱনৰ জয়গান', কৌশিক ৰয়ৰ 'নেন'কেমেষ্ট্ৰি' আদি উল্লেখনীয় লেখা।

**লা-ফাইলাইট ঃ** ৰাহুল মহন্তৰ দ্বাৰা সম্পাদিত পদাৰ্থ বিজ্ঞান বিভাগৰ 'লা-ফাইলাইট' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনে ব্যৱহাৰিক জীৱনত পদাৰ্থ বিজ্ঞানৰ প্ৰয়োজনীয়তাক উনুকিয়াইছে। তাৰ লগতে উক্ত বিভাগৰ সাহিত্যিক সৃষ্টিকো প্ৰতিনিধিত্ব কৰিছে উক্ত পত্ৰিকাখনে। অনাময় চাৰিঙ্গীয়াৰ 'শাওন-এটি সমন্বয়', অভিষেক ডেকাৰ 'Aryabhatta the Scientific Genius of ancient India', আলোক প্ৰতীম বৰদলৈৰ 'A milestone discovery by India' আদি পত্ৰিকাখনৰ অন্যতম লেখনি।

**জনিক ইনফ' ঃ** অনন্তকো লংঘী পোহৰৰ বাটেৰে আগুৱাই যোৱাৰ প্ৰয়াসেৰে গঢ়ি তোলা হৈছে প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাচীৰ 'জ'নিক ইনফ'। উল্লেখনীয় লেখনিৰ ভিতৰ চোহেনীৰ 'Songs of Bird', ৰিয়ুম্ময়ীৰ 'তুমি গুছি যোৱা বাটত আদৰণি তোৰণ সাজিছো', নিলাক্ষীৰ 'অসমৰ প্ৰাকৃতিক সম্পদ সংৰক্ষণ' আদি লেখত লবলগীয়া।

ইয়াৰ লগতে 'কটন কলেজ জু'লজি ছ'চাইটিয়ে প্ৰকাশ কৰিছে এখন ছপা আলোচনী। নাম —'Jibalokan' ছাত্ৰ সম্পাদক, সংযুক্তা কাশ্যপ। নিৰ্বাচিত প্ৰবন্ধসমূহে বিজ্ঞান আৰু প্ৰাণীজগতৰ বিভিন্নতাক চুই গৈছে। জুৰি ভট্টাচাৰ্যৰ 'Rembering Steve Irwin', ঋষিকেশ চৌধুৰীৰ 'Anorexia Nervosa', বিদিশা সৰকাৰৰ 'Science News' আদিবোৰে কটনিয়ানৰ বিজ্ঞানভিত্তিক চিন্তনৰ প্ৰতিফলন ঘটাবলৈ সক্ষম হৈছে।

**স্বাস্বতী ঃ** জ্যোতিস্মিতা দাসৰ দ্বাৰা সম্পাদিত সংস্কৃত বিভাগৰ 'স্বাস্বতী' নামৰ প্ৰাচীৰ পত্ৰিকাখনে সংস্কৃত ভাষাৰ মাধ্যমেৰে সাহিত্য সাধনাৰ বাট মুকলি কৰিছে। নয়না গোস্বামীৰ 'সংস্কৃত

প্ৰশিক্ষণৰ অনন্য অনুভৱ', চিন্ময় তালুকদাৰৰ 'লোকভাষা সংস্কৃতম', সাগৰিকা শৰ্মাৰ 'ৰাষ্ট্ৰীয় সংহতি সাধনত সংস্কৃতৰ ভূমিকা', জনাৰ্দন গোস্বামীৰ 'এটা কলমৰ প্ৰেমত পৰিছো মই', নিমিশা কলিতাৰ 'বৰগুণি' আদি সৃষ্টিয়ে সজাই তুলিছে 'স্বাস্বতী'।

**গ্ৰীণ কৰ্ণাৰ ঃ** অৰ্থনীতি বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'গ্ৰীণ কৰ্ণাৰ'ৰ মাধ্যমত প্ৰকাশ পাইছে সাম্প্ৰতিক পৃথিৱীৰ ওপৰত চলা অমানৱীয় অত্যাচাৰ আৰু তাৰ বিৰূপ প্ৰভাৱত ধ্বংসৰ মুখে গতি কৰা মানৱীয়তা। ছোৱেইব মহম্মদৰ দ্বাৰা সম্পাদিত পত্ৰিকাখনৰ কেইটামান তথ্যগধুৰ লেখনি হ'ল— অনুজ প্ৰতীম বৰুৱাৰ 'Dam or no Dam', ৰুবী অধ্যাপকৰ 'Plastic bags and enviromental hazards' ইত্যাদি।

ইয়াৰ লগতে উক্ত বিভাগৰ পৰা 'ইক'নমিকা' শীৰ্ষক এখন ছপা আলোচনীও প্ৰকাশ পাইছে। সম্পাদক দিব্যজ্যোতি কলিতাৰ সম্পাদনাত আলোচনীখনত ভূমুকি মাৰিছে সাম্প্ৰতিক অৰ্থনীতি সংক্ৰান্তীয় চিন্তন আৰু অনুভৱে। নিৰ্বাণ ৰয়ৰ 'দুৰ্নীতি, JP, আন্না ইত্যাদি' প্ৰবন্ধটো যথেষ্ট সময়োপযোগী হৈছে। অৰ্থনীতিৰ লগতে আলোচনীখনত সাহিত্যমূলক ৰচনাৰো সম্ভাৰ ঘটিছে।

**ফেহুঁজালি ঃ** কটন কলেজ 'নবীন' গোটৰ দ্বাৰা প্ৰকাশিত 'ফেহুঁজালি' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখন বেছ আটকধুনীয়া ৰূপত সজাইছে। 'ফেহুঁজালি'য়ে নতুনৰ সৃষ্টি সাধনাৰ মাধ্যমেৰে উত্তৰণ ঘটোৱাৰ দিক্ নিৰ্ণয় কৰিছে। জিতু কলিতাৰ 'বেশ্যা', জেৰিণা আৰা আহেমেদাৰ 'জোন হেৰোৱা ৰাতি', খাইৰুল বাচাৰৰ 'প্ৰতি তোমাৰ বন্ধুৰ পৰা' আদিবোৰে 'ফেহুঁজালি'ৰ কাব্য চেতনাক তুলি ধৰিছে। সম্পাদক ভায়'লেট হাজৰিকা আৰু নীলাক্ষি বৈশ্যৰ কলাকুশলীতাৰ মাজেৰে 'ফেহুঁজালিয়ে' কটনিয়ানৰ মাজৰ পৰা ন ন প্ৰতিভাক সমুখলৈ উলিয়াই আনিবলৈ সক্ষম হৈছে।

জিতু কলিতা আৰু জিতু বড়োৰ সম্পাদনাত 'নবীন' গোটৰ বাৰ্ষিক মুখপত্ৰ 'ন-সতীৰ্থ' প্ৰকাশ পাইছে। সৃষ্টি আৰু একতাৰ প্ৰস্তাৱনাক যাত্ৰালৈ ৰূপান্তৰিত কৰাৰ বাসনাৰে 'ন-সতীৰ্থই স্থান দিছে ছাত্ৰ আৰু শিক্ষক উভয়ৰে ৰচনাক। সমীৰ তাঁতী, বিজয় শংকৰ বৰ্মন, ধ্ৰুৱজ্যোতি দাসৰ কবিতা; অংকুৰ ডেকাৰ 'এটা অবিস্মৰণীয় চিএৰ', ভায়লেট হাজৰিকাৰ গল্প 'লঘোণ', ফ্ৰেংকী বড়োৰ 'পিৰামিড আৰু শিলাখণ্ডবোৰ', জনাৰ্দন গোস্বামীৰ 'আই মেট দ্য এলকেমিষ্ট', অৰূপ কলিতাৰ 'চুমা আৰু নাৰী' আদি লেখাবোৰে কটনিয়ানৰ ভিন্নমুখী চিন্তন আৰু সাহিত্য সৃষ্টিক সমুখলৈ আনিবলৈ সক্ষম হৈছে।

**জাৰ্ণাৰছ্ নে'ষ্ট ঃ** সাহিত্য সৃষ্টিৰ মানদণ্ডই এক উন্নত পৰ্যায়লৈ আগুৱাই নিছে গণ সংযোগ বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'জাৰ্ণাৰছ্ নে'ষ্ট'ক। সম্পাদক প্ৰশান্ত শইকীয়াই সীমিত পৰিসৰৰ মাজতেই গঢ়ি তুলিছে সৃষ্টিমূলক সংগমৰ প্ৰেৰণা। কস্তুৰী বৰঠাকুৰৰ 'জোনাক আৰু এটি সপোন', লিপিকা সেনাপতিৰ 'Footprints in the sand of time', ডেইজী ডেকাৰ 'Renaissance in France' আদি প্ৰাচীৰ পত্ৰিকাখনৰ অন্যতম সৌন্দৰ্য্য।

**কম্পাছ ঃ** এখন পষেকীয়া পত্ৰিকা হিচাপে 'কম্পাছে' নতুন দিশৰ সন্ধানত নামিছিল— মুখ্য সম্পাদক বেদব্ৰত গগৈ আৰু সম্পাদক অৰূপ কলিতাৰ সম্পাদনাত। এফালে শান্তি আলোচনা আৰু আনফালে বৃহৎ নদীবান্ধ সম্পৰ্কীয় চিন্তনেৰে মুকলি হৈছিল 'কম্পাছ'ৰ প্ৰস্তাৱনা সংখ্যা। কটন কলেজ অধ্যয়ন মঞ্চৰ দ্বাৰা প্ৰকাশিত 'কম্পাছে' সমসাময়িক ৰাজনীতি, অৰ্থনীতিৰ সৈতে সংলগ্ন বিষয়ক দাঙি ধৰি এক নতুন ধাৰাৰ প্ৰৱৰ্তন কৰিবলৈ সক্ষম হৈছিল। লগতে বিভিন্ন আবাস আৰু বিভাগসমূহৰ ন ন প্ৰতিভাৰ বাবে 'কম্পাছে' মুকলি কৰিছিল এক চিন্তামূলক মঞ্চ। অৱশ্যে দুটা সংখ্যা প্ৰকাশৰ পিছতে কৰ্তৃপক্ষৰ ৰোষত পৰি 'কম্পাছ'ৰ প্ৰকাশ বন্ধ কৰিবলগীয়া হয়।

*বিঃ দ্ৰঃ ২০১০-১১ বৰ্ষত কটন কলেজৰ পৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা আৰু ছপা সকলোবোৰ আলোচনী, বাৰ্তালোচনীক ইয়াত সামৰি ল'বলৈ প্ৰয়াস কৰা হৈছে। এই আটাইবোৰেই কটনিয়ানৰ চিন্তন, সৃষ্টি আৰু সম্ভাৱনাৰ বাস্তৱ সাক্ষী। আমাৰ দাবী আৰু বিশ্বাস সময়ৰ সোঁতে উক্ত প্ৰাচীৰ পত্ৰিকা তথা আলোচনীসমূহক অধিক ফলপ্ৰসূ প্ৰেক্ষাপটত উপস্থাপন কৰিবলৈ সক্ষম হ'ব।*

***প্ৰতিবেদক***
*জিতু কলিতা*
*ভায়'লেট হাজৰিকা*

# ছাত্র প্ৰতিনিধিসকলৰ প্ৰতিবেদন

## উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল কটনিয়ানলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো যিসকলে মোক কটন কলেজ একতা সভাৰ ছাত্ৰ-উপসভাপতি হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুযোগ প্ৰদান কৰিলে। ২০১০-১১ বৰ্ষৰ ছাত্ৰ উপ-সভাপতি হিচাপে শপত গ্ৰহণ কৰি কটন কলেজ সপ্তাহৰ সৈতে জড়িত হৈছিলো। লগতে যৎপৰোনাস্তি একতা সভাৰ বিভিন্ন বিভাগৰ সম্পাদকসকলৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰাত সহায়ৰ হাত আগবঢ়াইছিলো।

শেষত মোৰ কাৰ্যকালত সকলোধৰণৰ সহায় আগবঢ়োৱা অধ্যাপক অধ্যাপিকাসকল, সতীৰ্থ বন্ধু-বান্ধৱী তথা কৰ্মচাৰীসকললৈ কৃতজ্ঞতা প্ৰকাশ কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো—

জয়তু কটন কলেজ।

*— প্ৰদ্যুত বিকাশ গগৈ*

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত কটন কলেজ প্ৰতিষ্ঠা হ'ল তেওঁলোকক শ্ৰদ্ধাৰে সোঁৱৰিছো। কটন কলেজ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা চলাইছিলো। মোৰ কাৰ্যকালত কলেজ সপ্তাহ আৰু নৱাগত আদৰণি সভা অনুষ্ঠিত কৰিছিলো। কিমান দূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

মোৰ কাৰ্যকালত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, সতীৰ্থ কটনিয়ানসকল লগতে কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰি প্ৰতিবেদনৰ সামৰণি মাৰিব খুজিছো। লগতে কটন কলেজৰ সৰ্বাঙ্গীন উন্নয়ন আশা কৰিছো।

জয়তু কটন কলেজ।

জয়তু কটন কলেজ একতা সভা।

*—সত্যজিত বৰঠাকুৰ*

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



ঐতিহ্যমণ্ডিত কটন কলেজৰ জন্মলগ্নৰে পৰা জড়িত যিসকল ব্যক্তি আজি স্মৃতিৰে আঁৰৰ, তেওঁলোকক এই সুযোগতে শ্ৰদ্ধাৰে সোঁৱৰিছো।

কলেজ সপ্তাহ, নাকৰ পৰিদৰ্শনৰ লগতে সৰস্বতী পূজা এই তিনিটাই মোৰ কাৰ্যকালৰ বিশেষ উল্লেখযোগ্য অনুষ্ঠান আছিল। তদুপৰি কটন কলেজ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰাও আছিল এক লেখতলবলগীয়া অনুষ্ঠান।

এইখিনিতে কটন কলেজ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে বিভিন্ন দিহা পৰামৰ্শৰে মোক সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু কটনিয়ান সকলক ইয়াৰ জৰিয়তে কৃতজ্ঞতা যাঁচিলো।

জয়তু কটন কলেজ।

*—মৌচুমী দাস*

## 'কটনিয়ান'ৰ সম্পাদকৰ প্ৰতিবেদন



২০১০-১১ বৰ্ষৰ কটন কলেজ একতা সভাৰ 'কটনিয়ান'ৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ পিছত মোৰ সমুখত আহি পৰিছিল বাৰ্ষিক কলেজ সপ্তাহৰ সাহিত্য শিতানৰ প্ৰতিযোগিতা সমূহ। কিন্তু এক হতাশাই তেতিয়াই মনত বাহ লৈছিল কাৰণ কটন কলেজৰ বৃহৎ পৰিসীমাই আৱৰা কটনিয়ানসকলৰ মাজৰ পৰা আগ্ৰহী সাহিত্য প্ৰতিযোগীৰ সংখ্যা আছিল তেনেই নগণ্য। নতুন চিন্তন আৰু কৰ্ষণৰ মাজতো আছিল শূণ্যতা। বিভিন্ন স্বৰচিত সাহিত্য প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মোৰ কাৰ্যকালত শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীৰ সন্মান লাভ কৰিছিল স্নাতক ২য় বৰ্ষৰ ইতিহাস বিভাগৰ ছাত্ৰ আৰোহণ কৌশিক ডেকাই।

মোৰ সমস্ত কাৰ্যকালত বাট দেখুওৱা শ্ৰদ্ধাৰ তত্ত্বৱধানক ড° মহেশ্বৰ কলিতা ছাৰক এই চেগতে কৃতজ্ঞতা যাঁছিলো। লগতে উৎসাহ আৰু পৰামৰ্শৰে বাট দেখুওৱা কেইবাজনো শিক্ষাগুৰুক মোৰ শ্ৰদ্ধা যাঁচিছো। যথা ধ্ৰুৱজ্যোতি দাস, মঞ্জু দেৱী পেগু, ড° সীতানাথ লহকৰ, ড° ভবেন চন্দ্ৰ কলিতা, সুৰেশ কুমাৰ নাথ।

*—জুবি বৰুৱা*

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক হিচাপে কলেজ সপ্তাহৰ তৰ্ক, কুইজ, বক্তৃতা প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ চেষ্টা কৰিছিলো। লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত তৰ্ক আৰু কুইজ প্ৰতিযোগিতাসমূহলৈ কলেজৰ নিৰ্বাচিত প্ৰতিযোগিতা সমূহক পঠোৱাৰ দায়িত্ব আছিল মোৰ ওপৰত। উল্লেখ্য যে বিগত কাৰ্যকালত বিশ্ববিদ্যালয় যুৱ মহোৎসৱত বক্তৃতা আৰু কুইজ উভয়তে কটন কলেজৰ ছাত্ৰই সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

মোৰ কাৰ্যকালৰ আটাইতকৈ উল্লেখযোগ্য অনুষ্ঠান আছিল মাণিক চন্দ্ৰ বৰুৱা তৰ্ক প্ৰতিযোগিতা। ৰাষ্ট্ৰীয় পৰ্যায়ৰ উক্ত তৰ্ক প্ৰতিযোগিতাখনত অৱশ্যে এইবাৰ ৰাজ্যৰ বাহিৰৰ দলৰ সংখ্যা একেবাৰে নাছিল। উক্ত প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰথম শ্ৰেষ্ঠ বিজয়ী দল আৰু কটন কলেজে দ্বিতীয় শ্ৰেষ্ঠ বিজয়ী দলৰ সন্মান লাভ কৰিছিল।

মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শৰে সহায় আগবঢ়োৱা তত্বাৱধায়িকা শ্ৰদ্ধাৰ ড° ৰাখী কলিতা মৰল বাইদেউ, ড° অৰূপজ্যোতি চৌধুৰী ছাৰ, ড° প্ৰদীপ শৰ্মা ছাৰ, ড° গীতম শৰ্মা বাইদেউ, ড° ভগৱান গোস্বামী ছাৰলৈ এই সুযোগতে অশেষ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

জয়তু কটন কলেজ।

*—উদ্দীপ্ত প্ৰতীম হাজৰিকা*

## সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই কটন পৰিয়ালৰ সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো, যি সকলে মোক সংগীত বিভাগৰ দায়িত্বভাৰ সূচাৰূপে পালন কৰাত সহায়ৰ হাত আগবঢ়ালে।

কলেজ সপ্তাহৰ সৈতে সংগতি ৰাখি মই অনুষ্ঠিত কৰা বিভিন্ন সংগীত প্ৰতিযোগিতা সমূহত বিজয়ী হৈ শ্ৰেষ্ঠ সংগীত প্ৰতিযোগীৰ সন্মান লাভ কৰিছিল উচ্চতৰ মাধ্যমিক কলা শাখাৰ ছাত্ৰী সম্প্ৰীতি গোস্বামীয়ে। লগতে সম্প্ৰীতিয়ে বিশ্ববিদ্যালয় যুৱ মহোৎসৱত শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাত লাভ কৰিছিল সোণৰ পদক।

মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱা তত্ত্বাৱধায়িকা ড° তিলোত্তমা

বৰুৱা বাইদেউ, সতীৰ্থ কটনিয়ান তথা কটন কলেজ একতা সভাৰ সদস্যসকলক কৃতজ্ঞতাৰে সোঁৱৰিছো। শেষত, কটন কলেজৰ চাৰিসীমাত চিৰদিন বিয়পি থাকক সংগীতৰ মূৰ্চনা— সেই আশাৰে মোৰ প্ৰতিবেদন সামৰিলো।

জয়তু কটন কলেজ।

জয়তু কটন কলেজ একতা সভা।

*—জোনমণি নৰহ*

## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



২০১০-১১ বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে পোনপ্ৰথমে ইয়াত বিশুদ্ধ খোৱাপানী আৰু নতুন পৰ্দাৰ ব্যৱস্থা কৰিছিলো। কলেজ সপ্তাহৰ সময়ত নতুন কেৰম বৰ্ড, টেবুল টেনিছ বেট, দবা ইত্যাদিৰ ব্যৱস্থা আমাৰ ফালৰ পৰা কৰা হৈছিল। কলেজ সপ্তাহত অনুষ্ঠিত প্ৰতিযোগিতাসমূহৰ ফলাফল এনেধৰণৰ—

**দবা**

প্ৰথম ঃ সংযুক্তা কাশ্যপ

দ্বিতীয় ঃ বেলি বৰুৱা

**টেবুল টেনিছ (একক)**

প্ৰথম ঃ প্ৰীমি বৰা

দ্বিতীয় ঃ পূজা দাস

**টেবুল টেনিছ (যুটীয়া)**

প্ৰথম ঃ কাকলি শইকীয়া
মূৰ্চ্ছনা গোঁহাই

দ্বিতীয় ঃ প্ৰীতি বৰা
পূজা দাস

**কেৰম (একক)**

প্ৰথম ঃ ৰূপজ্যোতি গগৈ

দ্বিতীয় ঃ ভায়লিনা বড়ো

**কেৰম (যুটীয়া)**

প্ৰথম ঃ বনশ্ৰী মহন্ত
কাব্যশ্ৰী দলে

**পুষ্পসজ্জা**

কীমি কোঁৱৰ

**চালাদ**

প্ৰথম ঃ পূজা বৰগোহাঁই

দ্বিতীয় ঃ আয়েশা ৰহমান

শেষত মোৰ কাৰ্যকালত সৰ্বোতপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়োৱা তত্বাৱধায়িকা ড° ৰূপালী ফুকন বাইদেউক এই চেগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো। সতীৰ্থ কটনিয়ান সকলৈও থাকিল ধন্যবাদ আৰু কৃতজ্ঞতা।

জয়তু কটন কলেজ।

জয়তু কটন কলেজ একতা সভা।

*—ভাস্বতী হালৈ*

## সাতোঁৰ, নাওঁখেল ও শৰীৰ-চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



উক্ত বিভাগৰ সম্পাদক হিচাপে আমাৰ প্ৰথম দায়িত্ব আছিল কলেজ সপ্তাহৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা। বিভিন্ন অসুবিধা হেতু নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগ'ল। সাঁতোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ নেহৰু ষ্টেডিয়ামত আৰু শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতা সমূহ কলেজ ষ্টেডিয়ামত অনুষ্ঠিত কৰা হৈছিল। মোৰ কাৰ্যকালত শ্ৰেষ্ঠ সাঁতোৰবিদ হৈছিল— আমিনুল ইছলাম হাজৰিকা আৰু চেম্পিয়ন অব চেম্পিয়ন হৈছিল, ক্ষিপ্ৰক্ষেত্ৰ নেওগ আৰু ৰাজশ্ৰী কাশ্যপ। মিষ্টাৰ কটন খিতাপ অৰ্জন কৰিছিল তীৰ্থ খেৰচাই।

উপৰোক্ত খেলসমূহ অনুষ্ঠিত কৰাত সৰ্বতোপ্ৰকাৰে সহায় সহযোগিতা আগবঢ়োৱা তত্বাৱধায়ক মনোৰঞ্জন বৰগোঁহাই ছাৰ আৰু কলেজ শাৰীৰিক প্ৰশিক্ষক কুলেন দাস ছাৰক কৃতজ্ঞতা জনালো। এইখিনিতে উল্লেখ কৰিব বিছাৰিছো যে কটনিয়ানসকলৰ খেলুৱৈসুলভ মানসিকতাৰ উত্তৰণ সাধিবৰ বাবে উপযুক্ত সা-সুবিধাৰ বহল প্ৰয়োগ আৰু এই ক্ষেত্ৰত যাৱতীয় পদক্ষেপ গ্ৰহণৰ যথেষ্ট প্ৰয়োজনীয়তা আছে।

জয়তু কটন কলেজ।

জয়তু কটন কলেজ একতা সভা।

— *অঞ্জন কলিতা*

## ক্ৰিকেট বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল কটনিয়ানক ধন্যবাদ জ্ঞাপন কৰিছো, যিসকলে মোক কটন কলেজ একতা সভাৰ সদস্য হিচাপে সেৱা আগবঢ়োৱাৰ সুবিধা দিলে।

আমাৰ কাৰ্যকালত ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ডাঙৰ সমস্যা আছিল কলেজৰ এখন নিজা খেলপথাৰৰ অভাৱ। ফলত অসম অভিযান্ত্ৰিক খেলপথাৰত ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিব লগা হৈছিল। খেলপথাৰৰ অসুবিধা হেতু ছোৱালীৰ ক্ৰিকেট বাতিল কৰা হৈছিল।

শেষত বিভিন্ন দিহা পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বাবে মোৰ বিভাগৰ তত্বাৱধায়ক ড° মাধুৰ্য্য চক্ৰৱৰ্ত্তী ছাৰক এই চেগতে কৃতজ্ঞতাৰে সোঁৱৰিছো। লগতে সতীৰ্থ কটনিয়ানসকলকো ধন্যবাদ জ্ঞাপন কৰিছো।

জয়তু কটন কলেজ।

— *প্ৰকাশ ছেত্ৰী*

## হকী সম্পাদকৰ প্ৰতিবেদন



২০১০-১১ বৰ্ষৰ হকী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সুবিধা দিয়াৰ বাবে অধ্যক্ষ মহোদয়ৰ ওচৰত মই কৃতজ্ঞ। মোৰ কাৰ্যকালত কলেজ সপ্তাহৰ সময়ছোৱাত আন্তঃআবাস হকী খেলৰ আয়োজন কৰিছিলো। খেল পথাৰৰ অভাৱে সমস্যাৰ সৃষ্টি কৰিছিল যদিও সময়ত সকলোমে খেল সমূহ অনুষ্ঠিত হৈ যায়। প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত সহায় আগবঢ়োৱাৰ বাবে সমূহ কটনিয়ানলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

— *দেৱজিৎ তামুলী*

# সম্পাদনা সমিতি, কটনিয়ান ২০১০-১১ বৰ্ষ



ড° মহেশ্বৰ কলিতা
তত্ত্বাৱধায়ক




ড° মেৰী বৰুৱা
সদস্য



ড° দিলীপ কুমাৰ শৰ্মা
সদস্য



দিলীপ গগৈ
সদস্য



সুৰেশ কুমাৰ নাথ
সদস্য



জুৰি বৰুৱা
সম্পাদক



নীলাক্ষি বৈশ্য
সদস্য



ভায়'লেট হাজৰিকা
সদস্য



বাপুকণ শইকীয়া
সদস্য



ডেইজী বৰ্মন
সদস্য



জিতু কলিতা
সদস্য



প্ৰাৰিতা চৌধুৰী
সদস্য

# আপোনালোকৰ মেধা আমাৰ গৌৰৱ...

## উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখা (২০১১ বৰ্ষ)




বিশাল সাহা
দ্বিতীয় স্থান



কাকলি প্ৰিয়ম
ষষ্ঠ স্থান



লিলি সিংহা
অষ্টম স্থান

## উচ্চতৰ মাধ্যমিক কলা শাখা (২০১১ বৰ্ষ)



ৰশ্মিৰী দাস
প্ৰথম স্থান



পূজা শৰ্মা
নৱম স্থান



বৰ্ণালী পাঠক
দশম স্থান

# আপোনালোকৰ মেধা আমাৰ গৌৰৱ...

## শ্ৰেষ্ঠ স্নাতক (২০১১ বৰ্ষ)



বনশ্মিতা তালুকদাৰ
কলা (নৃ-তত্ত্ব বিজ্ঞান)



দেৱৰূপা শৰ্মা
বিজ্ঞান (পৰিসংখ্যা বিজ্ঞান)

## প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান (২০১১ বৰ্ষ)



পংকিতা বৰগোঁহাই
ৰাজনীতি বিজ্ঞান



অনুৰাগ ৰুদ্ৰ
ইংৰাজী



আৰিফা তবছুম
অৰ্থনীতি বিজ্ঞান (কলা)



উন্মেষা কোঁৱৰ
হিন্দী



কৃতি চৌধুৰী
ভূগোল (কলা)



কবিতা কোঁচ
অসমীয়া



অৰিজিৎ মিশ্ৰ
গণিত



অৰ্পণ শৰ্মা
ভূগোল (বিজ্ঞান)



অংকিতা পদ্দাৰ
কম্পিউটাৰ চায়েন্স



মৃন্ময়ী বৈশ্য
অৰ্থনীতি বিজ্ঞান (বিজ্ঞান)



বৰ্ষা বৰগোঁহাই
পদাৰ্থ বিজ্ঞান

# ২০১০-১১ বৰ্ষত যিসকল উজ্জ্বলিল প্ৰতিভাৰ পোহৰেৰে...



আৰোহণ কৌশিক ডেকা
শ্ৰেষ্ঠ সাহিত্যিক



সম্প্ৰীতি গোস্বামী
শ্ৰেষ্ঠ গায়িকা আৰু যুৱ মহোৎসৱৰ শাস্ত্ৰীয় সংগীত প্ৰতিযোগিতাত সোণৰ পদক প্ৰাপ্ত



ৰূপান্তৰ বৰপাত্ৰ গোহাঁই
শ্ৰেষ্ঠ অভিনেতা



পূৰ্ণিমা বৰুৱা
শ্ৰেষ্ঠ তাৰ্কিক



ৰাজশ্ৰী কাশ্যপ
চেম্পিয়ন অৱ চেম্পিয়ন



ত্ৰিৱেদী চুতীয়া
যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ বক্তা



জয়শ্ৰী মজুমদাৰ
যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ ফটোগ্ৰাফাৰ



ভাবু নাৰায়ণ কোঁৱৰ
মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণি ৰাষ্ট্ৰীয় পৰ্যায় তৰ্ক প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিক






ইলাক্ষী চাংমাই ধৃতি বৰকাকতী
কলেজ সপ্তাহৰ টেবুল টেনিচ চেম্পিয়ন (যুটীয়া)





ইছানুল হুছেইন দ্বীপজ্যোতি ডেকা
যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ কুইজ দল

# সুগন্ধি মুহূৰ্তৰ পম খেদি...



শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা
অসমীয়া বিভাগ



শ্ৰেষ্ঠ পেৰেড দল
নলিনীবালা দেৱী ছাত্ৰী নিবাস



প্ৰতিবাদৰ ভাষা আওৰাই....



আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ **শতবাৰ্ষিকী উদ্‌যাপন**



বাগৰুম্বাৰ ছেৱে ছেৱে....



ইতিহাস সুঁৱৰি....

# সুগন্ধি মুহূৰ্তৰ পম খেদি...




এইড্‌ছ দিৱসত কটনিয়ান




গুৰুজনাক সুঁৱৰি.....



পৰাধীনতাৰ সেই দিনবোৰ....



সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বেশত



সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই



পৰম্পৰাৰ বাটেৰে.....

# সুগন্ধি মুহূৰ্তৰ পম খেদি...



চ'তে গৈয়ে গৈয়ে বহাগে পালেহি......



ভাওনাৰ বেশেৰে



অ' হ'হ' ম'হ হ'



লক্ষ্য—স্বাধীনতা



অ' মোৰ আপোন কটন কলেজ



মাণিক চন্দ্ৰ বৰুৱা ভৱন

# কেমেৰাৰ লেন্সেৰে.....



মৰুভূমিত সূৰ্য্যাস্ত



জীৱন



প্ৰতিশ্ৰুতি



প্ৰত্যুষ



জোন গলি গলি.....



বিষণ্ণতা